# অসমীয়া কবিতা

কৰবী ডেকা হাজৰিকা

ষ্টুডেণ্টচ্ ষ্ট'ৰচ্
কলেজ হোষ্টেল ৰোড
গুৱাহাটী : ৭৮১০০১

প্ৰকাশক ঃ
শ্ৰীঅজয় কুমাৰ দত্ত
ষ্টুডেন্টচ্ ষ্ট'ৰচ্
কলেজ হোষ্টেল ৰোড
গুৱাহাটী — ৭৮১০০১

পৰিবেশক ঃ
ভাৰতী বুক ষ্টল
জি. এফ. ৰোড
গোলাঘাট-৭৮৫৬২১

প্ৰচ্ছদ ঃ
পূৰ্ণেন্দু পত্ৰী

প্ৰথম প্ৰকাশ ঃ
আগষ্ট, ১৯৯২

মূল্য ঃ ৩৮.০০ টকা

মুদ্ৰাকৰ ঃ
ডায়নমিক প্ৰিণ্টাৰ্ছ
২৪-এ, বাগমাৰী ৰোড
কলিকতা-৫৪

# অলপ কথা

অসমীয়া কবিতাৰ গতি আৰু প্ৰকৃতিৰ বিষয়ে মাজে মাজে কিবাকিবি লিখি আছিলো। সেইখিনি কথাকে আৰু গভীৰভাৱে ভাবি চাবলৈ বহুদিনৰ পৰাই মন গৈ আছিল। কবিতাৰ ভিতৰলৈ সোমোৱা সহজ নহয়। তাৰ বাবে লাগে হৃদয় আৰু চিন্তাশক্তি দুয়োটাই। তাৰ লগে লগে প্ৰয়োজন হয় আন্তৰিকতা আৰু একাগ্ৰতাৰ। কেৱল কবিতাৰ প্ৰতি থকা সহজাত প্ৰীতিৰ বাবেই কামটো হাতত ল'বলৈ সাহস কৰিলো। অসমীয়া কবিতাৰ প্ৰায়বোৰ দিশেই ইয়াত সামৰিবলৈ যত্ন কৰা হৈছে। কবিতাৰ আবেদন ইমান বিচিত্ৰ যে গ্ৰহণ কৰোঁতাৰ ৰুচি আৰু অনুভূতি অনুসৰি তাৰ প্ৰতিক্ৰিয়া বেলেগ বেলেগ হোৱাও অসম্ভৱ নহয়। 'অসমীয়া কবিতা'ত যি চিন্তাৰ আভাস ফুটি উঠিছে, সি সম্পূৰ্ণভাৱে মোৰ ব্যক্তিগত অনুভৱৰ প্ৰতিফলন।

পুথিখনৰ প্ৰকাশৰ আঁৰত আছে প্ৰসিদ্ধ গ্ৰন্থ প্ৰকাশক শ্ৰীবিজয় দত্তৰ উৎসাহ। তেখেতলৈ শলাগ থাকিল। ড° কন্দৰ্প কুমাৰ ডেকা আৰু ড° নৃপতি কলিতাৰ সহায়-সহযোগিতাৰ কথাও কৃতজ্ঞতাৰে স্মৰণ কৰিছো। মোৰ ব্যস্ততাৰ উমান পাই পাণ্ডুলিপি প্ৰস্তুত কৰিবলৈ আগবাঢ়ি অহা ছাত্ৰ-ছাত্ৰী অনুপ, মামণি, চিত্ৰা, ৰেৱতী আৰু যতীনহঁতক শলাগ জনাবলৈ মোৰ ভাষা নাই। সকলোৰে সহযোগত পুথিখনে ৰূপ পালে, পাঠকৰ সহানুভূতি পালেই মোৰ শ্ৰম সাৰ্থক হ'ব।

১ নৱেম্বৰ, ১৯৯১

ডিব্ৰুগড় বিশ্ববিদ্যালয় — **কৰবী ডেকা হাজৰিকা**

# সূচীপত্ৰ

**প্ৰস্তাৱনা ঃ**

অসমীয়া কবিতাৰ চমু ইতিহাস ১১

**প্ৰথম অধ্যায়**

অসমীয়া কবিতাৰ বাদ-বৈচিত্ৰ ৩৩

১.১ ভক্তিবাদ/৩৫

১.১.১ অসমীয়া বৈষ্ণৱ কাব্যত ভক্তিৰস/৪৪

১.২ ৰহস্যবাদ/৫১

১.৩ ৰমন্যাসবাদ/৬২

১.৩.১ চন্দ্ৰকুমাৰ আগৰৱালা/৬৪

১.৩.২ লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতা/৭০

১.৩.৩ হেমচন্দ্ৰ গোস্বামীৰ কবিতা/৭৫

১.৪ প্ৰতীকবাদ আৰু চিত্ৰকল্পবাদ/৭৮

১.৫ প্ৰগতিবাদ/৮৫

**দ্বিতীয় অধ্যায় ঃ**

অসমীয়া কবিতাত প্ৰেমৰ সুৰ ৯১

২.১ অসমীয়া বৈষ্ণৱ কাব্যত প্ৰেমৰ স্বৰূপ/৯৩

২.২ দুৰ্বাৰ কবিতা/৯৮

২.৩ গণেশ গগৈৰ কবিতা/১০৩

২.৪ দেৱকান্ত বৰুৱাৰ কবিতা/১০৮

২.৫ অন্যান্য কবিৰ কবিতাত প্ৰেম/১১২

**তৃতীয় অধ্যায় ঃ**

অসমীয়া কবিতাত প্ৰকৃতিৰ ৰং-ৰূপ ১১৯

৩.১ অসমীয়া কবিতাত বৰ্ষা-বন্দনা/১২১

৩.২ অসমীয়া কবিতাত শৰতৰ ছবি/১২৭

৩.৩ কেইজনমান প্ৰকৃতি-কবি/১৩৬

৩.৩.১ ৰঘুনাথ চৌধাৰীৰ প্ৰকৃতি কবিতা/১৩৬

৩.৩.২ পাৰ্বতীপ্ৰসাদৰ গীতি-কবিতাত প্ৰকৃতিৰ সুৰ/১৪৩

৩.৩.৩ অতুলচন্দ্ৰ হাজৰিকাৰ কবিতাত প্ৰকৃতি/১৪৫

**চতুৰ্থ অধ্যায় ঃ**

অসমীয়া কবিতাত দেশপ্ৰেমৰ সুৰ ১৪৯

৪.১ অসমীয়া কবিতাত দেশপ্ৰেম/১৫১
৪.২ অতি সাম্প্ৰতিক কবিতাত স্বদেশ-চেতনা/১৫৮

**পঞ্চম অধ্যায় ঃ**

অসমীয়া কবিতাৰ বিশিষ্টা মহিলাসকল ১৬৩

৫.১ কবিতাৰ জগতত মহিলা/১৬৫
৫.২ নলিনীবালা দেৱী/১৬৮
৫.৩ ধৰ্মেশ্বৰী দেৱী বৰুৱানী/১৭৪
৫.৪ নিৰ্মলপ্ৰভা বৰদলৈ/১৭৭
৫.৫ নতুন কালৰ মহিলা কবিসকল/১৮২

**ষষ্ঠ অধ্যায় ঃ**

অসমীয়া নতুন কবিতা ১৯৫

৬.১ নতুন কবিতাৰ গতি আৰু প্ৰকৃতি/১৯৭
৬.২ কেইজনমান বিশিষ্ট কবি/২০৩
৬.২.১ হেমবৰুৱা/২০৩
৬.২.২ নৱকান্ত বৰুৱা/২০৭
৬.২.৩ মহেন্দ্ৰ বৰা/২১৪
৬.২.৪ হৰি বৰকাকতি/২১৮
৬.২.৫ নীলমণি ফুকন/২২০
৬.২.৬ ৰাম গগৈ/২২৫
৬.২.৭ হীৰেন ভট্টাচাৰ্য/২২৮
৬.৩ সাম্প্ৰতিক অসমীয়া কবিতা/২৩১

# অসমীয়া কবিতা

প্ৰস্তাৱনা

# অসমীয়া কবিতাৰ চমু ইতিহাস

সাহিত্যৰ ইতিহাস বোলা বস্তুটো বৰ কঠিন। কাৰণ তাৰ প্ৰথম খোজৰ সাঁচ বিচাৰি উমানে উমানে বহুবাট উজাই যাব লাগে। কবিতাৰ ক্ষেত্ৰত এই কাম আৰু টান। কাৰণ কোনোবা একোটা সীমাৰেখাত গীত আৰু কবিতা মিলি পৰে। কবিতাৰ প্ৰথম ৰূপৰ চানেকি বিচাৰি লোকগীতৰ ওচৰ নাচাপিলে নহয়। কিন্তু কবিতাৰ ৰূপ আৰু প্ৰকৃতি ইমানেই বিচিত্ৰ যে লোকগীতবোৰক কবিতা বুলি ধৰি ল'লেও তাত অসম্পূৰ্ণতাৰ প্ৰশ্ন থাকি যায়। অসমীয়া কবিতাৰ ইতিহাসত মৌখিক যুগৰ গীতি-সাহিত্যতে প্ৰথম কবিতাৰ বীজ বিচাৰি পোৱা যায় যদিও লিখিত সাহিত্যৰ আলমতহে ইতিহাস লিখিবলৈ সুবিধা বেছি।

চৰ্যাপদৰ যুগৰ পৰা আজিলৈকে বিচাৰ কৰিলে অসমীয়া কবিতাৰ এক বিশাল মহাসমুদ্ৰ চকুত পৰে। ইয়াৰ নানা-ৰূপ, নানা-লহৰ। অসমীয়া কবিতা কেৱল পৰম্পৰাগত ভাৰতীয় ঐতিহ্যৰ বাহকেই নহয়, ইয়াত আছে দেশ-বিদেশৰ নানা চিন্তা আৰু জাগৰণৰ প্ৰতিচ্ছবি। তদুপৰি অসমীয়া লোকমানসৰ স্বাভাৱিক প্ৰতিফলনৰ বাহিৰেও চুবুৰীয়া ভাষাৰ বিশিষ্ট কাব্য-ৰীতিয়ে অসমৰ কবিতাত সময়ে সময়ে বিভিন্ন ধৰণৰ প্ৰভাৱ পেলাই আহিছে। এই আটাইবোৰ লক্ষণেৰে অসমীয়া কবিতা পুষ্ট। কবিতাৰ ইতিহাস আলোচনা কৰিলে অসমীয়া কবিতাৰ গতি আৰু প্ৰকৃতিৰ বিচিত্ৰ সৌন্দৰ্য চকুত পৰে। পুৰণি কবিতা সৰল আৰু সুন্দৰ, অলংকাৰৰ প্ৰয়োগত ভাৰাক্ৰান্তা সুন্দৰীৰ দৰে চমক লগা। নতুন কবিতা স্বাভাৱিকতে ৰমণীয়, নাৰীৰ ৰহস্যময়ী প্ৰকৃতিৰ দৰেই কিছু পৰিমাণে দুৰ্বোধ্য। কিন্তু দুয়োক্ষেত্ৰতে কবিতা কবিতাই ঃ যন্ত্ৰণাক্লিষ্ট মানুহৰ বাবে প্ৰেম আৰু মমতাৰে ভৰা এখনি শান্তিৰ আশ্ৰয়।

অসমীয়া কবিতাৰ জগতত লগ পোৱা প্ৰাচীনতম শ্ৰেষ্ঠ কবিজন হ'ল মাধৱ কন্দলি। এওঁৰ কবিতা তুলনাবিহীনভাৱে সুন্দৰ, চমকপদ। অসমৰ কালিদাস এইজন কবিৰ একমাত্ৰ আৰু অতিশয় মূল্যবান সৃষ্টি হ'ল ৰামায়ণখন। এইখনি অনুবাদ গ্ৰন্থ যদিও ইয়াৰ মাজত নিগৰি ওলাইছে তেওঁৰ মৌলিক প্ৰতিভা আৰু সৃজনী শক্তিৰ স্বচ্ছন্দ প্ৰবাহ। তেওঁৰ ৰচনাৰ ভাষা অলংকাৰৰ সুষম প্ৰয়োগেৰে সুন্দৰ। ঘৰুৱা শব্দ আৰু জতুৱা ঠাঁচেৰেও এইবোৰ মনোমোহা। ৰামায়ণখনিৰ কেইটিমান খণ্ডৰ টুকুৰা পদ বুটলি আনি বিচাৰ কৰিলে দেখা যাব যে এইবোৰে প্ৰকৃত কবিতাৰ লক্ষণ বহন কৰে। কবিতাৰ দৰেই সুৰীয়া লহৰ আৰু অন্তৰপৰশা আবেদন এইবোৰত বিদ্যমান। 'অযোধ্যাকাণ্ড'ত ৰামৰ মুখেদি দিয়া সীতাৰ বৰ্ণনাত প্ৰিয়া আৰু প্ৰকৃতিক এক কৰি পেলোৱা এক মধুৰ কাব্যিক পৰিমণ্ডল সৃষ্টি হোৱা দেখা যায়। কবিয়ে ৰামৰ মুখেদি কোৱাইছে—

"জনকৰ জীউ দেখা নদী মন্দাকিনী।
তোমাৰ সদৃশ সুশোভিত মধ্যক্ষীনি।
ৰাজহংস দেখা সীতা তোমাৰ গমন।
চক্ৰবাক যুগল তোমাৰ দুই তন॥"

প্ৰিয়াৰ ৰূপৰ মাজত জিলিকি থকা প্ৰকৃতিৰ সকলো সুন্দৰতাৰ ছবি অঁকাত কন্দলিৰ দক্ষতা আছিল চমকপ্ৰদ। বক্তব্য বিষয়ক অলংকাৰেৰে সজাই-পৰাই এনে নিমজভাৱে তেওঁ দাঙি ধৰিছিল যে অনুবাদৰ সৌন্দৰ্য কেতিয়াবা মূলতকৈও চৰিছিলহে। বিপৰীত বৰ্ণনাৰ মাজত প্ৰতিষ্ঠা কৰিব খোজা বিষয়ত গুৰুত্ব আৰোপ কৰাৰ এটা উদাহৰণ হ'ল—'সুন্দৰাকাণ্ড'ৰ এটি অংশ, কুৰূপা ৰাক্ষসীবোৰৰ কদাকাৰ আৰু হাঁহি উঠা ৰূপৰ বিস্তৃত ছবি এখন তেওঁ দাঙি ধৰিছে। সেই ৰাক্ষসীবোৰৰ এইদৰে কুৰূপতাৰ ছবিখন পাঠকৰ মনত আঁকি পেলোৱাৰ পিছত তেওঁ কৈছে—

"তাসম্বাৰ মাজে দেৱী সংসাৰতে সাৰা।
মেঘে যেন ঢাকি আছে সৰ্বোত্তম তাৰা॥
কোনো যেন ঢাকি আছে চম্পক মল্লিকা।
ভস্মে যেন ঢাকি আছে অগনিৰ শিখা॥"

মেঘালী চুলিয়ে ঢাকি খোৱা ফুলৰ সুকুমাৰ সৌন্দৰ্যৰ লগত ম্লান মুখৰ সীতাৰ কোমল ৰূপৰ বৰ্ণনা অদ্ভুতভাৱে খাপ খাই পৰিছে। এনে ধৰণৰ আৰু বহুতো অংশ আছে, যিবোৰত কাহিনীৰ গা-ত আঁউজি থকা কিছুমান কবিতাৰ মনোৰম টুকুৰা লগ পোৱা যায়।

অসমীয়া সাহিত্যৰ সবাতোকৈ বৈশিষ্ট্যপূৰ্ণ সময়খিনিত লগ পোৱা যায় শংকৰদেৱ আৰু মাধৱদেৱক। অসমীয়া কবিতাৰ এক বিশিষ্ট ধাৰা এই দুজনাৰ হাততে গঢ় লৈ উঠিছিল। মূলতে ধৰ্মপ্ৰচাৰক হোৱা বাবে আৰু সাহিত্যৰ আটাইবোৰ দিশত হাত দিয়া বাবে মহাপুৰুষ দুজনাক কেৱল কবি বুলি গণ্য কৰা নহয়। কিন্তু বাকীবোৰ দিশ আঁতৰাই থৈ কেৱল কবিতাখিনি হাতত ল'লে দেখা যাব যে এইবোৰ স্বকীয় সৌন্দৰ্যৰে অনুপম। সৰ্বমুঠ বিচাৰত বৈষ্ণৱ কবিতাত এটি সীমাবদ্ধতা লক্ষ্য কৰা যায়। কাৰণ বিষ্ণু বন্দনাই মূল ভাব হোৱাৰ বাবে বক্তব্যৰ পৰিসৰ ঠেক হৈ পৰে। কিন্তু এওঁলোকৰ কাব্যসমূহৰ কিছু খণ্ড-কবিতা স্বতন্ত্ৰ কবিতাৰূপেও সুন্দৰ। এইবোৰ খণ্ডত প্ৰকৃতিৰ ছবি, বৰষাৰ ছবি, শৰতৰ ছবি আৰু মনৰ বিবিধ অনুভূতি সুন্দৰৰূপে বিৰিঙি ওলাইছে। শংকৰদেৱৰ দশম আৰু কীৰ্তন পুথি অসমীয়া কবিতাৰ মূল্যৱান সম্পদ। কিশোৰ বয়সতে 'কৰতল কমল' লিখা শংকৰদেৱে বাকীবোৰ দিশত হাত নিদি কেৱল কাব্যহে ৰচনা কৰা হ'লে তেওঁক হয়তো অসমৰ শ্ৰেষ্ঠ কবি আখ্যা দিয়া হ'লহেঁতেন। মহাপুৰুষ মাধৱদেৱৰ ক্ষেত্ৰতো একে কথাকে ক'ব পাৰি। বৰগীতবোৰৰ কাব্যিক সৌন্দৰ্যৰ কথা এৰিলেও 'নামঘোষা'ৰ মাজত প্ৰকট হৈ আছে মাধৱদেৱৰ কবি মনৰ সৌন্দৰ্য।

অসমীয়া ৰহস্যবাদী কবিতাৰ আলোচনা কৰিলে প্ৰথমতেই যিখিনি কবিতাৰ কথা ক'ব লাগিব সেয়া হৈছে 'নামঘোষা'ৰ অন্তৰ্গত ৰহস্যবাদী

কবিতাখিনি। পৰম বাঞ্ছিতৰ সন্ধানত আকুল হৈ পৰা কবিৰ দুখ-বেদনা, আশা-আকাঙ্ক্ষা আৰু মিনতি অভিযোগেৰে ভৰপূৰ এই প্ৰকাশ এজন ধৰ্মগুৰুৰ আধ্যাত্মিক চিন্তাধাৰাতকৈও এজন ৰহস্যবাদী কবিৰ মনোবেদনাৰূপে বেছি উজ্জ্বল। দুয়োজনা মহাপুৰুষৰ কাব্যকেইখনিৰ মাজত সুকীয়াকৈ উলিয়াই আনিব পৰা যিবোৰ স্বয়ংসম্পূৰ্ণ খণ্ড আছে, প্ৰাচীন অসমীয়া কবিতাৰ সৌন্দৰ্য নিৰ্ণয় কৰিবৰ বাবে সেইবোৰ যথেষ্ট মূল্যবান সমল। এইখিনিতে উল্লেখযোগ্য যে মাধৱদেৱৰ 'আলো মঞি কি কহব দুখ' গীতটিক প্ৰথম অসমীয়া শোক কবিতা বুলি বিশিষ্টজনে স্বীকৃতি দিছে।

বৈষ্ণৱ যুগৰ অবৈষ্ণৱ কবিসকলৰ কবিতাৰ ঘাই উপাদান আছিল ৰস বৈচিত্ৰ্য। এওঁলোক বৈষ্ণৱ কবিসকলৰ দৰে উদ্দেশ্যধৰ্মিতাৰ শিকলিৰে আবদ্ধ নাছিল। সেয়েহে, কবিতাৰ যিটো ঘাই লক্ষ্য সেইটো পূৰণ কৰাত অৰ্থাৎ মনোৰঞ্জন কৰাত এওঁলোকে অকৃত্ৰিমভাৱে শ্ৰোতা আৰু পাঠকৰ মনৰ কাষ চাপিব পাৰিছিল। পাচালী কবিসকলৰ ৰচনাৰীতি আছিল বিস্তৃত আৰু আড়ম্বৰপূৰ্ণ। মনকৰ আৰু সুকবি নাৰায়ণদেৱৰ কাব্যৰ বিষয়বস্তু আছিল মনসাদেৱীৰ মাহাত্ম্যসূচক। কিন্তু শংকৰী-সাহিত্যত বিষ্ণুমাহাত্ম্য প্ৰচাৰৰ যি উগ্ৰতা, সেই উগ্ৰতা মনসা কাব্যবোৰত নাই। মনকৰে তেওঁৰ কাব্যত মনসাদেৱীৰ জন্মৰ কাহিনী ক'বলৈ গৈ শিৱ আৰু দুৰ্গাৰ প্ৰণয় কাহিনীৰ যি ছবি আঁকিছে সি উগ্ৰ আদি ৰসাত্মক যদিও কবিতাৰ নিৰাৱৰণ ৰূপ এটি তাৰ মাজত বিচাৰি পোৱা যায়। সুকবি নাৰায়ণদেৱৰ গীতবোৰৰ মাজত করুণ ৰসৰ এটি হৃদয়পৰশা আবেদন বৰ্তমান। লক্ষ্মীন্দৰক খুটিবলৈ যোৱা কালীনাগৰ বেদনাৰ বিলাপবোৰ কোনো কোনো অংশত দুখৰ কবিতাৰ দৰে মনপৰশা। এই দুজন কবিতকৈও দুৰ্গাবৰ আৰু পীতাম্বৰৰ কাব্যৰ মাজত প্ৰকৃত কবিতাৰ সমল বেছি। কাহিনীৰ বিশাল অৰণ্যৰ মাজত পথ হেৰুওৱা নিজৰাৰ দৰে এওঁলোকৰ কবি প্ৰতিভা মাজে মাজে দেখা দি আকৌ হেৰাই গৈছে। দুৰ্গাবৰৰ ৰামায়ণত ৰাৱণৰ মুখত সীতাৰ ৰূপৰ বৰ্ণনা পৰম্পৰাগত আৰ্হিৰ হ'লেও তাত প্ৰকাশৰ সৌন্দৰ্য আছে—

"নাহি দেখো নাহি শুনো নাহি আন থান।
সাক্ষাতে দেখিয় চিত্ৰ পুতলি সমান॥
চন্দ্ৰতো সুন্দৰ দেখি মুখ অগ্ৰভাগ।
কেতেকীৰ বৰ্ণ সম দেহা অনুৰাগ॥
মৃণাল সদৃশ যেন বাহু দুইখান।
সিন্দুৰ চামৰ হাৰ বক্ষে যে শোভন॥
হৃদয় সুবৰ্ণ বৰ্ণ দেহা মধ্য ক্ষীণ।
লয়লাস গতি যায় ৰাজহংস চিন॥"

এইজনা কবিৰ অৰণ্যকাণ্ডৰ কবিতাসমূহো সুন্দৰ। পীতাম্বৰ কবিৰ ৰচনাৰ

মাজতো প্ৰণয় আৰু বিৰহৰ টুকুৰা ছবি কিছুমান সজীৱ হৈ আছে। প্ৰকৃতিৰ ছবিৰ লগত মিলাই মানৱ মনৰ সুকোমল ছবি অঁকাত তেওঁৰ নৈপুণ্য লক্ষ্য কৰা যায় নানা অংশত।

"বিষাদ বিমনা উষা হে সময় মধু মাসে
এই হেন সময়ে মোৰ স্বামী নাই পাশে।"

উষাৰ বিলাপসূচক এইটি গীতৰ মাজত কন্যা বাৰমাহী গীতৰ দৰে বিৰহিণী নাৰীৰ মনোবেদনাৰ কাব্যিক প্ৰকাশ লক্ষ্য কৰা যায়। 'উষা-পৰিণয়' কাব্যৰ নানা অংশতে কোমল কবিতাৰ সোৱাদ অনুভূত হয়।

শংকৰ-মাধৱৰ পিছত কেইবাজনো প্ৰতিভাসম্পন্ন কবিয়ে নৱ-বৈষ্ণৱ সাহিত্যৰ ধাৰাবাহিকতা সযত্নে ৰক্ষা কৰিছিল। তাৰ ভিতৰত অনন্ত কন্দলি, ৰামসৰস্বতী, ৰত্নাকৰ কন্দলি, শ্ৰীধৰ কন্দলি আদি কবিসকলৰ নাম ল'ব পাৰি। এওঁলোকৰ কবিতাত শংকৰী সাহিত্যৰ অতিৰিক্ত কোনো সম্পদ নাই যদিও অভিনৱত্ব আছে শ্ৰীধৰ কন্দলিৰ 'কাণখোৱা'ত। এই অকণমানি কাব্যখনিত মনোৰম শিশু চৰিত্ৰ এটি ফুটি উঠিছে ঘুমটি নোযোৱা কানাইৰ ছবিৰ মাজত। অসমীয়া ধেমেলীয়া কবিতা তথা শিশু কবিতাৰ এইখনিয়েই বোধকৰো আদি ৰূপ। মাধৱদেৱৰ কিছুমান গীতৰ মাজতো অৱশ্যে শিশু কবিতাৰ বীজ দেখা যায়। কিন্তু গীতবোৰৰ মাজত থকা আধ্যাত্মিক তাৎপৰ্যই শিশু-কবিতাৰ লক্ষণ এইবোৰত ঢাকি পেলাইছে। কন্দলিৰ কাণখোৱাত মাকে নানা ধৰণে ভয় দেখুৱাই শুৱাবলৈ বিচৰা অকণমানি শিশুৰ মৰম লগা ছবি স্পষ্ট।

অসমীয়া কবিতাৰ এই প্ৰাচীন ইতিহাস আলোচনা কৰিলে আজান ফকিৰ আৰু চান্দসাইৰ গীতবোৰৰ কথাও দুআষাৰ কোৱা উচিত। আজান ফকিৰৰ গীতৰ মাজত আছে ইচলামীয় আৰু বৈষ্ণৱ ৰীতিৰ সংমিশ্ৰণ। "চান্দসাইৰ গীতত 'নো'মিক' কবিতাৰ সোৱাদ আছে।[১]" পূৰণি কবিতাৰ ভিতৰত এই দুজন পুৰুষৰ ৰচনাত অন্যত বিৰল এটি সোৱাদ পোৱা যায়। সেই সোৱাদ হ'ল ঘৰুৱা মাত-কথা আৰু বৈষ্ণৱী ৰীতিৰ লগত ইচলামৰ আদৰ্শৰ সুমিশ্ৰণ। এনে ধৰণৰ সোৱাদ দিয়ে আৰু দুখন প্ৰণয় কাব্যই। এখন হ'ল দ্বিজৰামৰ 'চাহাপৰী উপাখ্যান' আৰু অজ্ঞাত কবিৰ 'মধুমালতী'। এই দুয়োখন কাব্যতে চুফী কবিতাৰ ক্ষীণ সুঁতি এটি দেখ-নেদেখকৈ বৈ আছে।

ইয়াৰ পিছত বহুকাললৈকে অসমীয়া কবিতাৰ এক অন্ধকাৰ যুগ চলি আছিল বুলি ক'ব পাৰি। ইংৰাজৰ শাসন, আহোম ৰাজত্বৰ অৱসান, অসমীয়া ভাষাৰ বিতাৰণ আৰু শক্তিশালী ব্যক্তিত্বৰ নেতৃত্বৰ অভাৱত কবি আৰু কাব্য-ৰসিক উভয় শ্ৰেণীয়েই যেন এই সময়ত সুপ্ত অৱস্থাত আছিল। দুতিৰাম

---

১। মহেশ্বৰ নেওগ, 'অসমীয়া কবিতাৰ ৰূপৰেখা', পৃঃ ১৪৮

হাজৰিকাৰ অসম্পূৰ্ণ 'ৰসিক-পুৰাণ' নামৰ পুৰণি আৰ্হিৰ পদত কানি-ভাং আদিৰ উৎপত্তিৰ কথা ধেমেলীয়া সুৰত কোৱাৰ লগতে কোম্পানীৰ কানিবেচা নীতিৰ এটি তীব্ৰ সমালোচনা কৰা হৈছে। এইফালৰ পৰা এইটিক আধুনিক প্ৰকৃতিৰ কবিতা বুলিব পাৰি। ইয়াৰ পিছতে ল'বলগীয়া নামটো হ'ল নিধি লিবাই ফাৰোৱেল। ফাৰোৱেলৰ 'বিনই বচন', 'প্ৰভু যিচু খ্ৰিষ্টৰ অৱতাৰ বিৱৰণ' আদি কবিতাবোৰ পুৰণি আৰ্হিৰ হলেও তেওঁৰ দুটি এটি কবিতাত 'নতুন আদৰ্শ লৈ আঁতৰি আহিবৰ যত্নও দেখা যায়।'"[1] গতিকে 'আধুনিক অসমীয়া কবিতাৰ দুৰ্বল আৰম্ভণি ফাবোৱেলতে হয়।"[2] 'অৰুনোদই' কাকতৰ যোগেদি অসমীয়া সাহিত্যৰ নতুন ৰূপ এটা বিৰিঙি ওলাবলৈ ধৰিছিল। বৈষ্ণৱ আদৰ্শৰ পৰিৱৰ্তে নতুন নতুন ভাব আৰু চিন্তাধাৰা এই সময়তে সাহিত্যৰ মাজেদি প্ৰকাশিত হয়। অৱশ্যে এই সময়তো খ্ৰীষ্টিয়ান ধৰ্মৰ মূলভাব প্ৰচাৰ কৰাটো সাহিত্যৰ এৰাব নোৱাৰা লক্ষণ আছিল। কাব্য সাহিত্যও আছিল দুৰ্বল আৰু বিশেষত্বহীন।

অৰুনোদই যুগলৈকে পদ-দুলড়িৰ গতানুগতিক ছন্দসজ্জাই অসমীয়া কবিতাৰ লগ এৰা নাছিল। ভাব আৰু ভাষা শৈলীতো আছিল এক আড়ষ্ট অৱস্থা। ইয়াৰ পিছতে আহি পৰে নতুন অসমীয়া ভাষাত অসমীয়া কবিতাৰ প্ৰথম অনুশীলনবোৰ। বলদেৱ মহন্তৰ সুৱলা ল'ৰা-কবিতা এই সময়ৰে সম্পদ। ৰমাকান্ত চৌধাৰীয়ে এই সময়তে গতানুগতিকতাৰ পৰা আঁতৰি আহি সৃষ্টি কৰে অমিত্ৰাক্ষৰ ছন্দৰ প্ৰথমখন অসমীয়া কাব্য 'অভিমন্যু বধ'। একে আৰ্হিকে লৈ ভোলানাথ দাসেও ৰচনা কৰে 'সীতা হৰণ' কাব্য। ভোলানাথ দাসৰ কাব্য-প্ৰতিভা সুন্দৰকৈ প্ৰকাশ পাইছে 'মেঘ' নামৰ কবিতাটিত। মেঘক দেখি কবিয়ে ভাবিছে—

> "কৃষ্ণ বক্ষে জ্বলে যেন স্ফটিকৰ মণি,
> কিম্বা শ্যাম দুৰ্বাদলে যথাজল বিন্দুজলে
> ছায়াবৃত জলে যেন শোভে কমলিনী,
> বিস্তীৰ্ণ সমুদ্ৰে কিম্বা ধৱল তৰণী।"

প্ৰায় এই সময়াতে আত্মপ্ৰকাশ কৰে অন্য এজন প্ৰখৰ প্ৰতিভাসম্পন্ন কবি কমলাকান্ত ভট্টাচাৰ্যই। তীব্ৰ স্বদেশপ্ৰেম এইজনা কবিৰ ৰচনাৰ বৈশিষ্ট্য। ৰোমাণ্টিক আন্দোলন আৰম্ভ হোৱাৰ আগতেই যদিও এওঁ কবিতা ৰচনা কৰিছিল, তথাপিও অতীত-প্ৰীতি এওঁৰ কবিতাৰ উজ্জ্বল বৈশিষ্ট্য হৈ ধৰা পৰিছিল। তেওঁ কৈছে—

> "ই শিল দুখৰি কোনে কাটিছিলে,
> কাৰনো হাতৰ ই পুৰণি চিন?

---

১। মহেশ্বৰ নেওগ, 'অসমীয়া কবিতাৰ ৰূপৰেখা', পৃঃ ২৪৬

২। পাতনি 'নতুন কবিতা'

কোনে বান্ধিছিল শিলৰ আৱাস
পমি বা সি জাতি ক'ত হ'ল লীন?"

তেওঁৰ আশা—

"জন্মিব সিদিনা শ৻ক মেট-চিনি
তুচ্ছ পৰি থকা শিলৰ পৰা;
শত পৰিবলৈড়ি জনম লভিব
কবিব পোহৰ ভাৰত ধৰা।"

এই সময়তে বলীনাৰায়ণ বৰাই ৰচনা কৰিছিল দুটিমান সামাজিক ব্যংগ কবিতা। মাফিজুদ্দিন হাজৰিকাই ৰচনা কৰিছিল তেওঁৰ যুগমীয়া কাব্য 'জ্ঞান-মালিনী'। এইসকল কবিৰ কবিতা আছিল ব্যক্তিগত ইচ্ছা আৰু প্ৰচেষ্টাৰ ফল। কিছু পৰিমাণে নতুন সোৱাদ দিয়াৰ বাহিৰে এইবোৰ কবিতাই কোনো জাগৰণৰ সৃষ্টি কৰিব পৰা নাছিল।

অসমীয়া সাহিত্যৰ সবাতোকৈ বৈভৱময় কাল 'জোনাকী যুগ'ৰ কাব্যিক অৱদানৰ তুলনা নাই। উল্লেখৰ প্ৰয়োজন নাই, ৰমণ্যাসিক চিন্তাধাৰা এই যুগৰ ঘাই অৱদান। এই যুগতে কবিসকলৰ কল্পচকু মেল খালে সবাক প্ৰকৃতিৰ ফালে, হৃদয়ে পালে ক্ষুদ্ৰ মানৱৰ মাজত থকা মহত্বৰ সন্ধান। প্ৰণয় কাহিনীবোৰ কেৱল দেৱতা আৰু ৰাজপুৰুষৰ মাজতে আবদ্ধ হৈ নাথাকি সৰ্বসাধাৰণৰ কাহিনী ৰূপেও স্বীকৃতি হ'ল। অলৌকিক জগতৰ ৰহস্যময় প্ৰাণীয়েও কাব্যত আত্মপ্ৰকাশ লভিলে। ক্ষুদ্ৰ মানৱৰ ব্যক্তিগত আবেগ-অনুভূতি প্ৰথমবাৰৰ বাবে হৈ পৰিল কবিতাৰ বিষয়বস্তু। ইমানবোৰ ন-ন লক্ষণৰ মেটমৰা বোজাৰে ফলৰ ভৰত দো-খাই পৰা বৃক্ষৰ দৰে হৈ পৰিছিল অসমীয়া কবিতা। যিসকলৰ সযত্ন হাতবুলনিত এই বৃক্ষ দিনে দিনে বিকশিত হৈছিল তাৰ ভিতৰত প্ৰধান হ'ল জোনাকী যুগৰ ত্ৰিমূৰ্তি বুলি খ্যাত চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামী। এই তিনি বন্ধুৰ আশাশুধীয়া প্ৰযত্নতে জন্ম হৈছিল 'জোনাকী' কাকতৰ আৰু অসমীয়া সাহিত্যলৈ আহিছিল অভিনৱ নতুন লহৰ।

চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী' নামৰ কবিতাটিৰ যোগেদি অসমীয়া সাহিত্যলৈ ৰমন্যাসিক কবিতাৰ আগমন ঘটে। আগৰৱালাৰ বিবিধ কবিতাৰ মাজত ৰমন্যাসিক সাহিত্যৰ বেছিভাগ লক্ষণেই জিলিকি আছে। তাৰে ভিতৰত 'তেজীমলা', 'বীণ-ব'ৰাগী', 'মানৱ-বন্দনা' আদি দুটিমান কবিতা মিনা কৰোৱা অলংকাৰৰ দৰে সাহিত্যৰ ভূষণ হৈ আছে। আগৰৱালাৰ ছন্দৰীতি সকলো ক্ষেত্ৰতে নিমজ নহয়। কিন্তু তাৰ মাজতে 'মাধুৰী'ৰ দৰে অপূৰ্ব ছন্দময় কবিতাও তেওঁ ৰচনা কৰিছে। এইটি কবিতা ভাবৰ সুকুমাৰতাৰ ফালৰ পৰা মনোমোহা। সাধাৰণতে 'প্ৰতিমাৰ খনিকৰ' আখ্যাৰেহে তেওঁ খ্যাত যদিও অন্য এখনি সংকলন 'বীণ-ব'ৰাগী'ও কম সুন্দৰ নহয়। আগৰৱালাৰ পোনপটীয়া নিভাঁজ

কথ্যৰীতিৰ মাজত আলংকাৰিক শব্দ-প্ৰয়োগ বিশেষ চকুত নপৰে। তেওঁৰ কবিতাত কেতিয়াবা বৰ্তমান দীপ্ত হৈ উঠে, কেতিয়াবা অতীতৰ বেঙণি পৰে আৰু কেতিয়াবা হয়তো ভৱিষ্যতেও ভুমুকি মাৰি যায়। কবিতাবোৰত আছে একৰ মাজত অনেকৰ প্ৰকাশ দেখি অভিভূত হোৱা কবি প্ৰাণৰ প্ৰতিবিম্ব। মানৱৰ মাহাত্ম্যত তেওঁ মুগ্ধ, সৃষ্টিৰ সৌন্দৰ্যত আত্মহাৰা। ৰমন্যাসৰ পৰশ লাগি তেওঁৰ পুৰণি মনটোৰ যেন "ছিগিল হৃদয়-গ্ৰন্থি, গুচিল সংশয়" আৰু তেওঁ হৈ পৰিল "নতুন বলেৰে বলী মুকলি বিশ্বত।" তেওঁৰ কবি-কণ্ঠই কৈ উঠে—

"মোৰেই মুখেদি মানৱ প্ৰাণৰ
ফুটক আকুল মাত।
মোৰ চিন্তাতেই গূঢ় ৰহস্যৰ
সত্য হ'ক প্ৰতিভাত॥"

আগৰৱালাৰ কবিতাৰ প্ৰিয় বিষয় হ'ল মানুহ। মানুহৰ শক্তি, মহত্ব, ঐশ্বৰ্য আৰু মানুহৰ নীচতা, শঠতা, অহংকাৰৰ কথা তেওঁৰ কবিতাত প্ৰকাশ পাইছে। অসমীয়া মানুহৰ কল্পনাৰ জগতৰ আলসুৱা চৰিত্ৰ তেজীমলাক কবিতালৈ আনি তেওঁ তেজীমলাৰ মুখেৰে কোৱাইছে—

"মানুহৰ চোতালত মাধুৰী ফুটিলে
মানুহে নিচিনি, হায়,
সাৰি তুলি ছিঙি মোহাৰি পেলালে
মানুহৰ মৰমো নাই।"

আগৰৱালাৰ কবিতাত প্ৰকৃতি এক বিচিত্ৰ শক্তি। এই প্ৰকৃতি ৰূপময়ী, স্নেহময়ী আৰু চিৰন্তনা। প্ৰকৃতিৰ চিৰন্তন শক্তিৰ আগত মানৱ-জগত তুচ্ছ আৰু ক্ষুদ্ৰ—

"ক'ৰ কোন কিবা হ'ল
চিন স্মৃতি পমি গ'ল
প্ৰকৃতি যে তেনেকৈয়ে ৰ'ল।"

আগৰৱালাই দি গ'ল কবি-প্ৰাণৰ অভিনৱ অৱদান; এক সৌন্দৰ্যবোধৰ চেতনা—"সৌন্দৰ্যৰ আৰাধনা জীৱনৰ খেল।" এই মহাবাণীৰ মাজতে আছে কবিতা আৰু জীৱন সম্পৰ্কে তেওঁৰ আন্তৰিক উপলব্ধিৰ দীপ্ত প্ৰকাশ।

'জোনাকী'ৰ জেউতি উজ্জ্বল কৰি তোলা আৰু সেই জেউতিৰে বাট বুলা অন্যতম ব্যক্তি বেজবৰুৱাৰ কবিতাতকৈও তেওঁৰ শক্তিশালী ব্যক্তিত্বহে আছিল এক কাব্যিক প্ৰেৰণাৰ থল। সাহিত্যৰ বিভিন্ন অংগতে তেওঁ হাত ফুৰাইছিল আৰু কবিতাত দিছিল বিচিত্ৰ আস্বাদ। তেওঁৰ বেছিভাগ কবিতাই প্ৰকৃত কবিতাৰ সোৱাদ নিদিব পাৰে, কিন্তু এমুঠি সাৰ্থক কবিতাৰ মাজত আছে তেওঁৰ কবি প্ৰতিভাৰ মনোৰম স্বাক্ষৰ । বেলাড জাতীয় ৰচনাত তেওঁৰ দক্ষতা ফুটি

ওলাইছে 'ধনবৰ আৰু ৰতনী', 'ৰতনীৰ বেজাৰ' আদি কবিতাৰ মাজত। এইবোৰৰ প্ৰকাশ-ৰীতি বনগীত সুৰীয়া—

"বালিতে উৰিছে দুটি বালিমাহী
লগৰে লগৰী পাই;
পাৰতে কান্দিছে ধনবৰ দুখীয়া
ৰতনী লগতে নাই।।"

ৰমন্যাসিক বৈশিষ্ট্যৰে প্ৰিয়াৰ ৰূপ ধ্যান কৰা তেওঁৰ এটি সুন্দৰ কবিতা হ'ল 'মালতী'। আগৰৱালাৰ 'মাধুৰী'ৰ দৰে এইটি কবিতাটো অৰ্ধ প্ৰস্ফুটিত সৌন্দৰ্যৰ বৰ্ণনা কৰা হৈছে—যিটোৰে মনত পেলায় ৱৰ্ডছ্ৱৰ্থৰ 'লুচি'ৰ আধা ওলাই আধা ঢাক খাই থকা ভায়োলেট ফুলপাহ অথবা অকলশৰে জিলিকি থকা তৰাটিৰ সৌন্দৰ্যলৈ। এই মালতী—

"ভাৱৰে প্ৰতিমা ভাৱতে বাঢ়িছে
ভাবৰে বেহানি কৰে;
বুকুৰে ভিতৰত চেনেহৰ সঁফুৰাত
মালতীৰ চেনেহকণ চৰে।"

বেজবৰুৱাৰ সুন্দৰ আশাবাদ কেতিয়াবা তেওঁৰ কবিতাৰ মূল আকৰ্ষণ হৈ পৰে। 'বীণ-ব'ৰাগী' কবিতাত তাৰ প্ৰকাশ—

"নতুন প্ৰাণৰ
ন চকুযুৰি
দীপিতি ঢালি দে তাত;
পুৰণি পৃথিৱী
নকৈ চাই লওঁ
হে বীণ এয়াৰি মাত।"

বেজবৰুৱাৰ হাতত প্ৰাণ পায় আৰু এবিধ কবিতাই। সেইবিধ হ'ল পেৰডী আৰু হাস্যৰসাত্মক কবিতা। বেজবৰুৱাৰ হাস্যৰসৰ তুলনা নাই। ই একেধাৰে নিৰ্মল আৰু চোগে ব্যংগৰে ভৰপূৰ। নিৰ্মল হাস্যৰসেৰে ঘৰুৱা মাত-কথাৰ প্ৰয়োগ কৰি ৰচনা কৰা তেওঁৰ পেৰডীবোৰে সৰ্বসাধাৰণৰ মন সহজে জয় কৰিছিল। বংগৰ দ্বিজেন্দ্ৰলালৰ বিখ্যাত স্বদেশপ্ৰেমৰ গীত 'ধনে-ধান্যে-পুষ্পে ভৰা'ৰ পেৰডী তেওঁ কৰিছে—

"ক'ত এনে কুঁজি ঠেকেৰা টেঙাই যায় দাঁত
এঠাদৈ ক'ত এনে নেবাই ধুলে যাক।"

'ৱন্দা-চন্দ্ৰাৱলী সংবাদ' আদি কবিতাত মাজে মাজে ইংৰাজী শব্দ ভৰাই তেওঁ সৃষ্টি কৰিছে অভিনৱ ৰচনাশৈলী। এনে শৈলী কেৱল বেজবৰুৱাৰ বাবেহে সম্ভৱ। বেজবৰুৱাৰ কবিতাৰ মূল সুৰ তিনিটা—সবল দেশপ্ৰেম, গভীৰ আধ্যাত্মিকতা আৰু নিৰ্মল হাস্যৰস। একোটি মধুৰ সাংগীতিক লয়ে তেওঁৰ

কিছুমান কবিতাক মনোৰম কৰি তুলিছে।

আগৰৱালা আৰু বেজবৰুৱাৰ হাততে হাত মিলাই কবিতাৰ জগতত খোজ দিয়া অন্যতম কবি হ'ল হেমচন্দ্ৰ গোস্বামী। এওঁৰ অভিনৱ অৱদান হ'ল অসমীয়া ছনেট। ছনেটৰ বিশিষ্ট ছন্দসজ্জাৰ মাজত সুকোমলা প্ৰিয়াৰ প্ৰেমৰ ধ্যান 'প্ৰিয়তমাৰ চিঠি' কবিতাটিৰ মূল আকৰ্ষণ। কবিতাৰ দুটিমান শাৰী—

"ফুল ফুলে, সৰি যায়, শুকায় বৰ্নানি;
বসন্তৰ কুঁহিপাত ৰ'দত লেবেলে।
তোমাৰ চিঠিয়ে, প্ৰিয়ে, জানে কি মোহিনী,
নিতৌ নোহোৱা বাহী, ন ন ফুল মেলে।
যত শুঙো, চুমা খাওঁ, নালাগে আমনি,
হৃদয়ত হেঁপাহৰ ভোটা তৰা জ্বলে।"

এইজনা কবিৰ দুটামান সুন্দৰ কবিতাই 'জোনাকী' আন্দোলনৰ বিস্তৃতি ঘটাইছিল যদিও অনুশীলনৰ অভাৱত তেওঁৰ সাৰ্থক কবিতাৰ সংখ্যা কম।

ৰমন্যাসিক কবিতাৰ ঢৌৱে অসমৰ কবি আৰু কবিতা প্ৰেমীৰ মন বুৰাই পেলোৱাৰ ফলতে বহুতো প্ৰতিভাৱান সাহিত্যিকৰ এই সময়তে উন্মেষ ঘটিছিল। তাৰে ভিতৰত অন্যতম আছিল পদ্মনাথ গোহাঞিবৰুৱা। গোহাঞিবৰুৱা এজন নিপুণ গদ্যশিল্পী। কবি ৰূপে তেওঁৰ দক্ষতা বৰ বেছিকৈ প্ৰকাশ পোৱা নাই যদিও 'জুৰণি', 'লীলা' আৰু 'ফুলৰ চানেকি' নামৰ তিনিখন কাব্যৰ মাজত ঠায়ে ঠায়ে ৰচনাৰ বিশিষ্ট সৌন্দৰ্য প্ৰতিভাত হৈ উঠিছে। 'উৰ্মিলা' তেওঁৰ এটি সুন্দৰ কবিতা। 'লীলা' কাব্যৰ আঁৰত আছে আধুনিক শোক কবিতাৰ লক্ষণ। কম পৰিমাণৰ কবিতাৰ দ্বাৰা সাহিত্যৰ ইতিহাসত নাম থৈ যোৱা আৰু দুজন কবি হ'ল বেনুধৰ ৰাজখোৱা আৰু আনন্দ চন্দ্ৰ আগৰৱালা। আগৰৱালাৰ বৈশিষ্ট্য আছিল বিদেশী কবিতাৰ নিমজ আৰু শুৱলা অনুবাদ। মূলৰ সৌন্দৰ্য তেওঁ এনেভাৱে অক্ষুণ্ণ ৰাখিছিল যে সেই কৃতিত্বৰ বাবেই 'জীৱন-সংগীত', 'চহা আৰু পণ্ডিত', 'সুখৰ ঠাই' আদি কবিতা অসমীয়া সাহিত্যৰ অমূল্য সম্পদ ৰূপে স্বীকৃত হৈছে।

উত্তৰ-জোনাকী স্তৰত কবি-প্ৰাণ আৰু অধিক বিকশিত হোৱা দেখা যায়। জোনাকী যুগৰ বিশিষ্ট কবিসকলৰ অনুপ্ৰেৰণা আৰু চাৰিওফালে দেখা দিয়া জাগৰণৰ কোলাহলে কবিসকলক নিজৰ হৃদয় ৰ্বভিক ন-কৈ আৱিষ্কাৰ কৰিবলৈ উৎসাহিত কৰিলে। নতুন নতুন ভাৱ-অনুভূতিৰ উখল-মাখলৰ মাজত কাব্য জগতত যিসকলে খোজ পেলালে তাৰে এজন হ'ল চন্দ্ৰধৰ বৰুৱা। তেওঁৰ ভাল কবিতাৰ সংখ্যা কম। কিন্তু তাৰে এটি 'ধূলি-কণা মই'ৰ দৰে ভাল কবিতাৰ

অন্যত বিৰল এক সহজ-সৰল সৌন্দর্য বর্তমান। এই সৌন্দর্য নির্ভৰ কৰিছে নিচেই সামান্য এটি পাৰিবাৰিক বিষাদৰ কাহিনীক অসামান্য ৰূপ দিয়াৰ কৃতিত্বত। অসমীয়া শোক কবিতাৰ ক্ষেত্ৰত আগশাৰীৰ কবি হ'ল হিতেশ্বৰ বৰবৰুৱা। এওঁ প্ৰথমখন ছনেট পুথিৰো প্ৰণেতা। বৰবৰুৱাৰ কবিতাত করুণ ৰস, জাতীয় চেতনা আৰু পৈণত অমিত্ৰছন্দ লক্ষণীয়। এই সময়তে কাব্য-জগতত পদাৰ্পণ কৰে অসমৰ অন্যতম শ্ৰেষ্ঠ কবি ৰঘুনাথ চৌধাৰীয়ে। চৌধাৰী প্ৰকৃতিৰ কবি। তেওঁ অসমীয়াৰ আদৰৰ বিহগী কবি। প্ৰকৃতিৰ ৰূপে-ৰসে ভৰা জগতৰ বিচিত্ৰ সৌন্দৰ্যৰ সম্ভেদ পাই উতলা হোৱা কবি প্ৰাণেৰে তেওঁ ৰচনা কৰিছে অসংখ্য শ্ৰুতিমধুৰ আৰু হৃদয় পৰশা কবিতা। বোধকৰো চৌধাৰীৰ ক্ষেত্ৰতে অসমীয়া কবিতাত 'উৎকৃষ্ট শব্দৰ সুবিন্যাস'ৰ নীতি সাৰ্থকভাৱে প্ৰয়োজিত হৈছে। 'গিৰি-মল্লিকা'ৰ মাজত ভৰপূৰ হৈ আছে সংস্কৃত শব্দ-সম্ভাৰ, যাৰ দ্বাৰা পৌৰাণিক পৰিৱেশ এটি চকুৰ আগত ভাঁহি উঠে—

"শেষাদ্ৰি শিখৰ যেৱে ৰঞ্জি সন্ধ্যা-ৰাগে
সুখেৰে বিশ্ৰাম লভে সান্ধ্য নভোমণি।
বিবুধ-বনিতাসৱে সিঞ্চি নভো-ৰেণু
দিছেহি পিন্ধাই মুক্তাহাৰ আভৰণ
কৌমুদী-প্লাৱিত তৰু কোমল বুকুত।"

ইয়াৰ তুলনাত 'গোলাপ' কবিতাটিৰ শব্দ-চয়ন ভিন্ন সোৱাদৰ। দূৰ পাৰস্যৰ ছবি এখন যেন বিচিত্ৰ শব্দৰ বোকোচাত ভাহি আহে—

"আৰৱ পিয়াৰী বছৰা ৰাণীৰ
গুল্-বদন পেলালি জুৰ;
ভাহি ফুৰে তোৰ ৰূপ্ন তৰংগত
পাপিয়াৰ স্নিগ্ধ করুণ সুৰ?"

'কেতেকী' নামৰ সুদীৰ্ঘ কবিতাটিৰ মাজত আকৌ কবিৰ শব্দ প্ৰয়োগৰ ৰীতি নিভাঁজ অসমীয়া—

"তোৰে মাত শুনি জীয়ৰী ছোৱালী
ব'বলৈ এৰে তাঁত,
হাতৰ মাকোটি হাততে থাকে
মুখেৰে নোলাই মাত।"

সূক্ষ্ম পৰ্যবেক্ষণ আৰু গভীৰ ৰস-গ্ৰহণৰ ক্ষমতাৰে কবি চৌধাৰীৰ হৃদয় সমৃদ্ধ। কালিদাসৰ দৰে তেওঁ প্ৰত্যক্ষ কৰিছে শব্দ-গন্ধ-বৰ্ণে ভৰা এখন অপৰূপ প্ৰকৃতিৰ জগত। এই জগতৰ চৰাই আৰু ফুলে দেৱদূতীৰ দৰে কবিৰ হৃদয়ক দিছে অলৌকিক আনন্দৰ সম্ভেদ।

বিহগৰ কল-কুজনত অসীমৰ সন্ধান পোৱা কবিয়ে যিকেইটি চৰাই কবিতা ৰচনা কৰি থৈ গৈছে সেইকেইটিৰ তুলনা নাই। 'কেতেকী'ত "চৰাই জীৱনৰ

আনন্দময় ৰূপে একপ্ৰকাৰ সৰ্বেশ্বৰবাদৰ ৰূপ-পৰিগ্ৰহ" কৰি অসমীয়া কবিতাত যুগমীয়া অভিলেখ এৰি থৈ গৈছে। ভাৰতীয় চিত্তবৃত্তিৰ চিৰচিনাকি জ্ঞান আৰু বৈৰাগ্যৰ দুটি এটি চমকে চৌধাৰীৰ কলমত 'ফুলশয্যা' আদি সাৰ্থক কবিতাৰ জন্ম দিলেও তেওঁৰ ঘাই অৱদান হ'ল প্ৰকৃতি তথা বিহগ বিষয়ৰ কবিতাকেইটিহে। কাৰণ অসমীয়া সাহিত্যত এনে বাণী-চিত্ৰৰে সুশোভিত ভাব-ভাষাৰে সুষম কবিতা তেওঁৰ আগে পিছে কোনেও লিখিব পৰা নাই।

প্ৰকৃতি বিষয়ক কোমল অনুভূতিৰ বিপৰীতে অন্য এটি উত্তপ্ত অনুভূতি হ'ল—স্বদেশ চেতনা। অসমীয়া কবিতাত এই উত্তপ্ত অনুভূতিৰ যিজনে জ্বালাময়ী প্ৰকাশ ঘটাইছিল তেওঁ হৈছে অম্বিকাগিৰি ৰায়চৌধুৰী। ৰায়চৌধুৰী বুলিলেই মনলৈ আহে—

> "এইটো নহয় হাঁহি তামাচাৰ ভাগৰ জুৰোৱা গান,
> ই যে জীৱন মৰণ একাকাৰ কৰা মৰণ বীণাৰ তান।"

প্ৰতিটো শব্দৰ আঁৰত যেন ফিৰিঙতি থুপ খাই থাকে, প্ৰতিটো চৰণত যেন বিয়পি থাকে জুই, সেয়েই হ'ল—ৰায়চৌধুৰীৰ কবিতা। বিদ্ৰোহাত্মক চিন্তা আৰু স্বদেশপ্ৰেমৰ অপূৰ্ব সমাহাৰত তেওঁৰ কবিতাৰ শক্তিশালী ৰূপ এটি দেখা যায়। অন্য এটি সুকুমাৰ লক্ষণ হ'ল তেওঁৰ কবিতাত ৰহস্যবাদ। 'তুমি' কাব্যৰ মাজত এই ধাৰাৰ উন্মেষ লক্ষ্য কৰা যায়। তেওঁৰ প্ৰিয়াৰ ৰূপ কেনেদৰে ক্ৰমে ক্ৰমে বিকশিত হৈ নানা স্তৰৰ মাজেদি গৈ ভগৱৎ-প্ৰেমত পৰিণত হৈছে—তাকে চমক লগা ৰূপত বৰ্ণিত হৈছে 'তুমি' কাব্যত। 'তুমি'ৰ মাজেদি আত্মপ্ৰকাশ কৰা সাৰ্থক ৰহস্যবাদী কবি ৰায়চৌধুৰী ব্যস্ত জীৱনৰ চলমান সোঁতত হেৰাই গ'ল; কিন্তু অসমীয়া সাহিত্যলৈ দি গ'ল এমুঠি দীপ্তমান কবিতা।

উত্তৰ-জোনাকী কালৰ অন্য কবিসকলেও নিজা নিজা অৱদানেৰে এই সময়ত সাহিত্যৰ ভঁৰাল চহকী কৰিছিল। এই আটাইবোৰ কবিতা গুণগত মানেৰে মূল্যবান নহ'লেও কবিতাৰ ইতিহাসত এইবোৰৰো যথাযথ ভূমিকা আছে।

আলোচনী-কেন্দ্ৰিক অসমীয়া কাব্য-সাহিত্যত ইয়াৰ পিছতে আৱিৰ্ভাৱ ঘটে 'বাঁহী' আৰু 'আলোচনী'ৰ। 'বাঁহী'ৰ জৰিয়তে পোহৰলৈ অহা কবিৰ ভিতৰত অন্যতম হ'ল যতীন্দ্ৰনাথ দুৱৰা। ব্যক্তিগত বিষাদবোধ তেওঁৰ কবিতাৰ মূল সৌন্দৰ্য। সুতীব্ৰ অনুভূতি আৰু গীতিময় প্ৰকাশে দুৱৰাৰ কবিতাৰ ব্যক্তিগত কাৰুণ্যক সাৰ্বজনীনতা প্ৰদান কৰিছে। "ইংলেণ্ডৰ প্ৰাক্ ৰোমাণ্টিক কবি গ্ৰে, ৰোমাণ্টিক শ্বেলী, নব্য-ৰোমাণ্টিক টেনিছন, জাৰ্মান কবি হেইনৰিখ হাইনে, কথা-কবিতাৰ ৰুছ দেশৰ টুৰ্গেনেভ আৰু পাৰস্যৰ মহাকবি ওমৰ খায়্যাম আৰু হাফেজ, সকলোৰে প্ৰতিভাৰ জেউতি তেওঁৰ মনোমুকুৰত প্ৰতিফলিত হৈছে আৰু সকলো বায়ুৰ হেঁচাত তেওঁৰ অনুভূতিৰ এওলিয়ান বীণত ক্ৰন্দনধ্বনি

উঠিছে।[১]" নিজস্ব অধ্যয়ন আৰু জ্ঞানৰ দ্বাৰা কাব্য সাহিত্যত বিভিন্ন ৰুচিৰ সোৱাদ দান কৰা দুৰ্গাৰ কবিতা কোমল শব্দ, নিমজ শৈলী, সুনিপুণ প্ৰতীক প্ৰয়োগ আৰু সুগভীৰ অনুভূতিৰে সিক্ত। তেওঁৰ সৰ্ববিধ কবিতাৰ মাজত স্পষ্ট এটি অনুভৱ—

"কোনোৱেবা চুই যায় কোনোৱে দূৰতে চায়
চেনেহ কণিকা বুলি কৰোঁ তাকে ভুল;
সপোন আঁতৰি গ'লে দিঠকে জনাই দিয়ে
বাটৰ কাষৰ মই বনৰীয়া ফুল।"

এই সুকোমল আৰু অভিমানী বিষাদে কবিতাবোৰত কৰুণ আবেদনৰ সৃষ্টি কৰিছে। তেওঁৰ প্ৰতিখন কাব্য-গ্ৰন্থই স্বকীয় বৈশিষ্ট্যৰে উজ্জ্বল। 'বনফুল' আৰু 'আপোন সুৰ'ৰ কোমল বেদনাৰ ঠাইত 'ওমৰ তীৰ্থ'ত আছে ওমৰৰ ভোগবাদী দৰ্শন আৰু 'মিলনৰ সুৰ'ত আছে চুফীবাদৰ এচেৰেঙা। 'কথা-কবিতা' তেওঁৰ অপূৰ্ব সুন্দৰ অৱদান। কবি দুৰ্গাৰ আলসুৱা, অভিমানী, আশা-নিৰাশাৰ ছাঁ-পোহৰেৰে ঢকা মনৰ উমান তেওঁৰ প্ৰতিখন কাব্যতে জিলিকি আছে।

দুৰ্গাৰ সমপৰ্যায়ৰ প্ৰতিভাসম্পন্ন কবি এই কালছোৱাত আৰু দেখা নাযায়। কিন্তু এই সময়খিনিতে দুৰ্গাৰ দৰে উচ্চ শিক্ষিত আৰু অধ্যয়ন-প্ৰিয় এচাম কবিয়ে বিদেশৰ ভাৱৰ বীজ আনি দিনে দিনে দুই এটি মনোমোহা কবিতা উপহাৰ দি আছিল এই কথাও সত্য। এই সময়ৰ যুৱকসকলৰ মহৎ-প্ৰেৰণা আছিল কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ। ভাৱ, ভাষা আৰু ছন্দত এইজনা মহৎ কবিৰ পৰোক্ষ প্ৰভাৱে অসমীয়া কবিতাত ৰহণ সানিছিল। ৰাবীন্দ্ৰিক প্ৰভাৱেৰে মনোৰম কবিতা ৰচনা কৰোঁতাসকলৰ এজন হ'ল—ৰত্নকান্ত বৰকাকতী। 'শেৱালী' পুথিৰ মাজেদি এওঁৰ কবিতাত প্ৰেম আৰু প্ৰেমৰ বিবিধ সুষমা প্ৰকাশ পাইছে। কাব্যৰ উপেক্ষিতা ৰামায়ণৰ 'উৰ্মিলা' তেওঁৰ এটি সুৱদী কবিতাৰ মনোৰমা নায়িকা। তেওঁৰ সুষম ছন্দ-বিন্যাসে মনোমোহা কৰা এটি কবিতাৰ এটুকুৰা—

"মনে যাক চিনে চকুৱে চিনায়
সেইহে হ'বলা
তোমাৰ চকুত
ইমান মউ?

বতাহ হ'লেই নুফুলেতো ফুল
বসন্তৰ বা
লাগিলে ফুলৰ
উঠে যি ঢউ!"

---

১. মহেশ্বৰ নেওগ, 'অসমীয়া সাহিত্যৰ ৰূপৰেখা', পৃঃ ২৮২

ছন্দৰ প্ৰসংগতে আহি পৰে শৈলধৰ ৰাজখোৱাৰ 'পাষাণ-প্ৰতিমা' নামৰ অনুপম কবিতাটিৰ কথা। এই অভিনৱ ছন্দসজ্জাৰ কবিতাত কবিৰ দেশপ্ৰেম, কাব্যিক প্ৰতিভা আৰু বিশিষ্ট শব্দৰ সুপ্ৰয়োগৰ সংমিশ্ৰণ ঘটিছে—

"গুৰুম গুৰুম ফুটিছে কামান, উঠিছে পৰিছে সহস্ৰ অসি,
নাচে তালে তালেডাকিনী-যোগিনী, তেজেৰে ৰাঙলী শ্মশান পশি।
কোন কেনি আছ আজি শেষবাৰ
চাই যা খেমালি অসম বীৰৰ,
মৰিও নমৰে পৰিও নপৰে, বাণ-ভগদত্ত-চুকাফা জাত।
গৃহ বিবাদত জলাকলা আজি, নহ'লে কোনেনো দিয়েহি হাত ?"

কবিতা আৰু গীতৰ মাজত ৰোমাণ্টিক আদৰ্শ, ৰবীন্দ্ৰনাথৰ প্ৰভাৱ, স্বদেশী আন্দোলনৰ প্ৰতিক্ৰিয়া ইত্যাদি মিশ্ৰিত লক্ষণেৰে বিশ আৰু ত্ৰিশৰ দশকত কিছুমান ভাল কবিতা ৰচিত হৈছিল। এইবোৰৰ ৰচকসকল যে প্ৰতিজনেই সাৰ্থক কবি আছিল এনে নহয়, হয়তো সাহিত্য-সংস্কৃতিৰ অন্য কোনো দিশতহে তেওঁলোক নামজ্বলা আছিল। তথাপিও তেওঁলোকৰ কিছুমান কবিতা আছিল অতুলনীয়ভাৱে সুন্দৰ। তেনে কেইজনমান কবি হ'ল জ্যোতিপ্ৰসাদ আগৰৱালা, ডিম্বেশ্বৰ নেওগ, সূৰ্যকুমাৰ ভূঞা আদি। গীতিকবি পাৰ্বতীপ্ৰসাদ বৰুৱাৰ কোমল গীতি কবিতা এইকালৰ মূল্যবান সম্পদ। এইজনা কবিৰ—

"জীৱন যদি হেৰালে তোৰ
মৰণ যদি নাই, হে
মৰণ যদি নাই,
ঘৰটি যদি ভাগিলে তোৰ
বাটত নহ'ল ঠাই ঐ
বাটত নহ'ল ঠাই,
তোৰ কি গতি হ'ব হায়
দুৰ্কপলীয়া !"

আদি গীতি কবিতাৰ লোকগীত সুৰীয়া সৌন্দৰ্য অসমীয়া কবিতাত মনোমোহা সংযোজন। বকুল বনৰ কবি আনন্দচন্দ্ৰ বৰুৱা আৰু তপোবনৰ কবি অতুলচন্দ্ৰ হাজৰিকাৰ অসমীয়া কাব্য সাহিত্যত সুকীয়া আসন আছে। হাজৰিকাৰ কবিতাৰ সংখ্যা বিশাল আৰু সেইবোৰ বহু লক্ষণযুক্ত। ছন্দৰ স্বচ্ছন্দতা তেওঁৰ কবিতাৰ লক্ষণীয় বৈশিষ্ট্য। প্ৰায় একে সময়তে জনপ্ৰিয়তাৰ শিখৰলৈ উঠা কবিজন হ'ল গনেশ গগৈ। দুৰ্বাৰ দৰে এওঁবো কবিতাৰ মূল হ'ল ব্যক্তিগত বেদনা। গগৈয়ে তেওঁৰ কাব্যপুথি 'পাপৰি'ৰ পৰিচয় নিজে দিছে—

"পদুম ফুলৰ পাপৰি নহয়
পাপৰি প্ৰাণৰ মোৰ
সুখৰ নহয় দুখৰ নহয়
হিয়াভৰা চকুলোৰ।"

দুৱৰা আৰু গগৈৰ কবিতাৰ অসমীয়া প্ৰেমৰ কবিতাৰ মাজত সুকীয়া আসন আছে।

অসমীয়া কবিতাৰ ইতিহাসত তিনিগৰাকী মহিলাৰ বিশিষ্ট অৱদানৰ কথা সোণালী আখৰেৰে লিখা আছে। তেওঁলোক হ'ল নলিনীবালা দেৱী, ধৰ্মেশ্বৰী দেৱী বৰুৱানী আৰু যমুনেশ্বৰী খাটনিয়াৰ। ত্ৰিশৰ দশকৰ সমাপ্তিৰ পৰত জিলিকি উঠে নলিনীবালা দেৱীৰ অগতানুগতিক কবি প্ৰতিভা। ব্যক্তিগত কাৰুণ্য এওঁৰ কবিতাৰ উৎস। এক গভীৰ অতীন্দ্ৰিয়বাদৰ সুৰ আৰু ভগৱৎ-প্ৰেমৰ ৰহস্যবাদী প্ৰকাশেৰে এই কবিতাবোৰ নলিনীবালাৰ কবি প্ৰতিভাৰ চূড়ান্ত চানেকি। তেওঁৰ হৃদয় আৰু চিন্তাধাৰা ভাৰতীয় মনৰ আধ্যাত্মিক পৰম্পৰাৰে পুষ্ট। অসমীয়া সাহিত্যত আধ্যাত্মিক চিন্তাধাৰাৰ ইমান উচ্চ খাপৰ ৰচনা আৰু নাই। জন্মান্তৰবাদ, কৰ্মফল আদি সকলো মানিলৈ কবিয়ে নিজকে প্ৰশ্ন কৰে—

"কিয় আহিছিলো বাৰু
গৈছিলো কিয়নো উভতি,
অপূৰণ কৰমৰ ভাৰ বান্ধি লৈ
বাৰে বাৰে আহিছো উলটি।"

ৰহস্যবাদী সাধিকাৰ দৰে ভগৱানক বিচাৰি আকুল হৈ তেওঁ সন্ধান কৰে—

"অ' মোৰ পৰম প্ৰিয়,
তুমি ক'ত, তুমি ক'ত
তুমি ক'ত?"

মানুহৰ অন্তৰৰ অসীম সৌন্দৰ্যতৃষ্ণা আৰু সুন্দৰী প্ৰকৃতিৰ প্ৰতি অংগতে ফুটি উঠা চিৰ-সুন্দৰৰ মন-মোহন ৰূপৰ তীব্ৰ আকৰ্ষণ—এই দুইৰ সংযোগত আকুল উদাস হৈ অনন্তলৈ উৰা মাৰিব খোজা মনেৰে নলিনীবালা দেৱীয়ে অনন্য সুন্দৰ কাব্য সৃষ্টি কৰি থৈ গ'ল। ধৰ্মেশ্বৰী দেৱী বৰুৱানী আৰু যমুনেশ্বৰী খাটনিয়াৰৰ কবিতাৰ উৎসত ব্যক্তিগত বেদনা আৰু প্ৰকাশৰীতি নাৰীসুলভ নম্ৰতাৰে ভৰা। আধ্যাত্মিক অনুভূতিৰে ৰচনা কৰা এওঁলোকৰ কবিতাসমূহ নলিনীবালা দেৱীৰ ৰচনাৰ দৰে উচ্চ খাপৰ নহয় যদিও কেইবাদশকৰো আগৰ মহিলা কবিৰ ৰচনা হিচাপেই এইবোৰৰ নিজস্ব মূল্য আছে।

বিস্তৃত আলোচনাৰ দ্বাৰা দেখা যায় যে চল্লিশৰ দশকলৈকে ৰমন্যাসিক চিন্তাধাৰা, প্ৰেম আদি সুকোমল অনুভূতিয়েই কাব্যৰ মূল প্ৰেৰণা হৈ আছিল।

প্ৰিয়া, প্ৰেম, দেশপ্ৰেম, প্ৰকৃতি আদি একেবোৰ বিষয়তে কবিসকলে বিভিন্ন দিশৰ পৰা বাৰে বাৰে মনঃসংযোগ কৰিছিল। ব্যক্তিকেন্দ্ৰিকতা আছিল কবিতাৰ ঘাই লক্ষণ। অন্ত্যমিলযুক্ত ছন্দসজ্জাৰ বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ মাজতো নতুনত্বৰ সোৱাদ ক্ৰমে কমি আহিছিল। এনে সময়তে আৱিৰ্ভাৱ ঘটিল এচাম নতুন কবিৰ। এওঁলোকে ৰমন্যাসিকতাক প্ৰত্যক্ষভাৱেই প্ৰত্যাহ্বান জনালে। পুৰণি কবিতাৰ কল্পনা-প্ৰৱণতাৰ ঠাইত কঠোৰ বাস্তৱৰ কবিতাৰ বুকুত ঠাই দিয়া এইসকল কবিয়ে "ৰোমাণ্টিক কবিতাৰ জীৰ্ণ আংগিক আৰু ক্লিষ্ট মানসিকতাক তাচ্ছিল্য কৰি" স্থানচ্যুত কৰে। 'জয়ন্তী' যুগৰ কবিসকলৰ মনত বাহিৰৰ পৃথিৱীৰ উদাৰ পোহৰ পৰাত তেওঁলোক নতুন ৰীতিৰে কবিতা লিখিবলৈ উদ্বুদ্ধ হৈছিল। এক নতুন চেতনা আৰু বলিষ্ঠতা তেওঁলোকৰ কবিতাত আছিল যদিও বেছি ভাগ কবিতাই কিন্তু ৰসোত্তীৰ্ণ বুলি দাবী কৰিব পৰা নাছিল। "জয়ন্তীৰ কবিসকলৰ ৰোমাণ্টিক বিৰোধী দৃষ্টিভংগীৰ মূলত থকা ৰাজনৈতিক-সামাজিক চেতনাৰ লগত নন্দনতাত্ত্বিক চেতনাৰ প্ৰয়োজনীয় সংযোগ নঘটাটোৱেই তাৰ এটা প্ৰধান কাৰণ।[১]" এই সময়ৰ প্ৰতিশ্ৰুতিসম্পন্ন কবি অমূল্য বৰুৱাৰ চমকপ্ৰদ আৱিৰ্ভাৱে কাব্যামোদীৰ মনত আলোড়ন জগাইছিল। 'কয়লা', 'কুকুৰ', 'বেশ্যা' এইবোৰকো কবিতাৰ বিষয়বস্তু কৰি লৈছিল অমূল্য বৰুৱাই।

"শান্তিহীন, শ্ৰান্তিহীন
মহাসমৰৰ দাৱানলে পোৰা
পৃথিৱীৰ শ্মশানত
ভয় লগা স্পিৰিটৰ দৰে"

মাটিৰ মানুহৰ সঁচা ছবি আঁকিছিল। অমূল্য বৰুৱাৰ যুগৰ উলংগ সত্য, কঠোৰতা আৰু ৰমন্যাসিক যুগৰ কল্পনাপ্ৰৱণ মনৰ কোমল অনুভূতি—এই দুটি বিপৰীত তীৰৰ মাজত সেতুৰ দৰে আছে অন্য এজন খ্যাতিমান কবি দেৱকান্ত বৰুৱা। এওঁ আৱাহন যুগৰ শ্ৰেষ্ঠতম কবি। দেৱকান্ত বৰুৱাৰ কবিতাত প্ৰেমেই মূল সুৰ যদিও তাত দুৰ্বাৰ বিষাদ বা গণেশ গগৈৰ বিননি নাই, আছে এক পুৰুষসুলভ দৃঢ়তা। দেহৰ প্ৰেমৰ বলিষ্ঠ প্ৰকাশেৰে নতুবা কলংপাৰত মাজনিশা লগপোৱা প্ৰেয়সীৰ উদ্দেশ্যে যচা অকৃপণ প্ৰণয় অঞ্জলিৰে তেওঁৰ কবিতা অভিনৱ। নাটকীয় একোক্তিৰ লক্ষণেৰে শক্তিশালী তেওঁৰ কবিতা—

"শুচি যাবা ? এতিয়াই ? কিয় কেনেবাকৈ
কোনোবাই যদি সাৰ পায় ?
তুমি গোলাপৰ আজি লভিছো পৰশ প্ৰিয়া
কাঁইটৰ শংকা মোৰ নাই।"

তেওঁৰ কাব্যশৈলী গদ্যৰ ওচৰ চপা। যৌৱনৰ জয়গান শক্তিশালী শব্দচয়নেৰে প্ৰকাশ কৰিছে তেওঁ। সেই বিদ্ৰোহ প্ৰচলিত সমাজ ব্যৱস্থাৰ কঠোৰ ৰীতি আৰু

১। নীলমণি ফুকন, পাতনি, 'কুৰিশতিকাৰ অসমীয়া কবিতা'।

পাপৰ ধাৰণাৰ বিৰুদ্ধে। বৰুৱাৰ " 'আমি দুৱাৰ মুকলি কৰোঁ' নতুন কবিতাৰ কপালত ৰঙা সেন্দুৰৰ অকণি তিলক, সন্ধ্যাকাশৰ সুদূৰ নিঃসংগ তৰাৰ দৰে।[১]" আত্মমুক্তিৰ পথ বিচৰা কবি-প্ৰাণৰ সবাক হাহাকাৰ এইটি কবিতাত ফুটি উঠিছে। যুগে যুগে সৌন্দৰ্য-সন্ধানৰ বহু পথ অতিক্ৰম কৰা চিৰন্তন মানৱৰ অনন্ত তৃষাৰ মূৰ্তৰূপ যেন তেওঁৰ কবিকণ্ঠ—

"জানো। জীৱনৰ উদ্‌ভ্ৰান্ত ছন্দৰ তালে
উতলা কৰিছে মোক।
জানো মোৰ গতি নাই গতিৰ বাহিৰে
কিন্তু যাত্ৰাৰ শেহত ক'ত মুকলি দুৱাৰ?"

দেৱকান্ত বৰুৱাৰ ছন্দৰীতিৰ নতুনত্ব থাকিলেও পুৰণি ছন্দ-বিন্যাসৰ ভিত্তিতে তাৰ এই নৱৰূপ। অসমীয়া কবিতালৈ নতুন ছন্দ-সজ্জা আনি যিসকলে নতুন কবিতাৰ পথ মুকলি কৰে, তাৰে প্ৰথমজন হ'ল মহেশ্বৰ নেওগ। তেওঁৰ 'অন্ত্যজা'ত ভাৱ আৰু ভাষা ৰসঘন কৰিছে মুক্তক ছন্দৰ প্ৰথম প্ৰয়োগে—

"এই
শিশিৰৰ নিশা সমাপ্তিৰ
বাস্তৱৰ পংক ভেদি উঠা ব্যথাক্লিষ্ট পদুম সপোন
লক্ষ্মীহীন সৌন্দৰ্যৰ লখিমী গোসাঁনী।"

মুক্তকছন্দৰ এই সগৌৰৱ আগমনৰ যোগেদি নতুন কবিতাৰ ছন্দৰীতি সলনি হৈ আহিল। কিন্তু বহুদিন ধৰি চলি থাকিল ৰসহীন আৰু বৈশিষ্ট্যহীন কবিতাৰ ৰাজত্ব।

অমূল্য বৰুৱাৰ অকাল মৃত্যু অসমীয়া সাহিত্যৰ বাবে অপূৰণীয় ক্ষতিৰূপে চিহ্নিত হ'লেও এইজন কবিৰ খালি ঠাই পূৰাবলৈকে যেন আগবাঢ়ি আহিল অন্য এক বিস্ময়কৰ প্ৰতিভা—হেম বৰুৱা। হেম বৰুৱাৰ অধ্যয়নলব্ধ জ্ঞানৰ অসীম ভাণ্ডাৰৰ পৰা নতুন কবিতা ওলাই আহিল নতুন সাজেৰে।

হেম বৰুৱাৰ প্ৰায় লগে লগেই ওলাই আহিল নৱকান্ত বৰুৱা—অসমীয়া কবিতাৰ মুকুটবিহীন সম্ৰাট। এই দুজন কবিৰ প্ৰতিভা আৰু প্ৰজ্ঞাৰ উমান পায়ে যেন তেওঁলোকৰ কবিতাৰে সোমাই আহিল প্ৰতীকবাদ, অভিব্যক্তিবাদ, চিত্ৰকল্পবাদ আদি কঠিন মতবাদসমূহ। এওঁলোকৰ খোজত খোজ মিলাই যিসকল কবি আগবাঢ়ি আহিল তেওঁলোকৰ কবিতাত ফুটি উঠিল ধৰ্ম, প্ৰেম, সৌন্দৰ্য আদি প্ৰতিষ্ঠিত মূল্যবোধত সংশয়, নগৰকেন্দ্ৰিক যান্ত্ৰিক সভ্যতাৰ কঠোৰতা, ফ্ৰয়েডীয় অৱদমিত সত্ত্বৰ প্ৰাদুৰ্ভাৱ, মৃত্যুচেতনা, মাৰ্ক্সীয় চিন্তাধাৰাৰ প্ৰভাৱ, প্ৰতীকবাদী, ছুৰৰিয়েলিষ্ট আৰু অস্তিত্ববাদী দৰ্শনত বিশ্বাস, এক গভীৰ ক্লান্তি আৰু ক্ষোভৰ মনোভাৱ, চীনা, জাপানী আৰু আৰবী আদি কবিতাৰ সৌৰভ গ্ৰহণ, অপৰিপাটি ছন্দ-বিন্যাস আৰু ইচ্ছাকৃত বা অনিচ্ছাকৃত এক

১। মহেন্দ্ৰ বৰা, 'অৱতৰণিকা, 'নতুন কবিতা'।

ভাষিক দুৰ্বোধ্যতা। প্ৰতিবেশী বাংলা কাব্যত জীৱনানন্দ দাস, বুদ্ধদেৱ বসু, বিষ্ণু দে আদি কবিসকলৰ প্ৰেৰণাই পৰোক্ষভাৱে অসমীয়া কবিতাতো ছাঁ নেপেলোৱাকৈ নাথাকিল। ঈশ্বৰ, সমাজ আৰু সুখাৱহ পৰিবেশৰ বিৰুদ্ধে এটি বিদ্ৰোহী মনোভাৱেৰে এই সময়ৰ কবিতাবোৰ প্ৰতীকবাদী কণ্ঠস্বৰেৰে কেতিয়াবা ভৰি উঠিছিল। এই সময়ৰ কবিতাৰ মাজত উজ্জ্বল হৈ আছে সাম্যবাদী আৰু ব্যক্তিগত অনুভূতিবাদী এই দুই ধাৰাৰ ইংগিত।

আধুনিক অসমীয়া কাব্য আন্দোলনৰ গুৰি ধৰি হেম বৰুৱাই পিছৰ কবিসকলৰ বাবে মহৎ প্ৰেৰণাৰ কাম কৰিছিল। ১৯৪০ চনৰ মাৰ্চ মাহত 'আৱাহন'ৰ পাতত ওলোৱা 'বান্দৰ' নামৰ কবিতাটো আছিল নতুন কবিতাৰ শক্তিশালী বাৰ্তাবাহক। সমাজ সচেতনতা তেওঁৰ কবিতাৰ লক্ষণীয় বৈশিষ্ট্য। জয়ন্তী, পছোৱা, আৱাহন আৰু ৰামধেনুৰ পাতত হেম বৰুৱাৰ কবিতা প্ৰকাশিত হৈ এক আলোড়নৰ সৃষ্টি কৰিছিল। সৰ্বসাধাৰণৰ বাবে আশা আৰু সাহসৰ বাতৰি লৈ নিপীড়িতৰ কাষত থিয় দি তেওঁ কৈছিল—

> "তোমাৰ লাৱনী দুবাহুত একোটা মেটমৰা ডাঙৰিৰ বল
> আমাৰ বাহুত।
> হেজাৰ যুগৰ শৌৰ্য-বীৰ্য। হাতত তোমাৰ কাঁচিৰ নাচ।
> চকুৰে নমনা সোণালী ধান। কপালত কেঁচা মুকুতাৰ খোপা
> চেনাই ঐ মৰণা মাৰেগৈ আহা"

প্ৰথম দৰ্শনত হেম বৰুৱাৰ কবিতা সাধাৰণ পাঠকৰ বাবে দুৰ্বোধ্য—

স্বপ্ন-ম্লান চকুৰ পৰ্দাত মহাকাব্যৰ অনুৰ্বৰ মন্দাক্ৰান্তা। অভিজ্ঞান শকুন্তলা। (জ্ঞান-বৃক্ষৰ গুটি খাই আমি জীৱনক বুজিছোঃ অন্তঃসত্ত্বা নাৰী) তলসৰা শুকান পাতৰ গম্বুজত মৰণৰ অভিধান।

চিনাকি আখৰ। মৰে কোন? ষ্টেলিন নে গান্ধী? এনেবোৰ স্তৱক হৃদয়ংগম কৰিবলৈ পাঠকৰো কবিতাৰ ভাষা বুজা হৃদয় আৰু জ্ঞানৰ প্ৰয়োজন। হেম বৰুৱাৰ দিনৰে পৰা অসমীয়া কবিতা এচাম অনুৰাগী পাঠকৰ মাজতে সীমিত হৈ পৰিল। অৱশ্যে কবিৰ বক্তব্যৰ আচল ৰূপটো বিচাৰি নেপালেও যিটো ৰমণীয় গুণে কবিতাৰ আকৰ্ষণ বৃদ্ধি কৰে সেই গুণ হেম বৰুৱাৰ কবিতাত প্ৰচুৰ আছে। 'এটা ৰোমাণ্টিক কবিতা'ত তেওঁৰ সুকুমাৰ প্ৰকাশভংগী জিলিকি আছে—

> "মনৰ কোঠাত মোৰ বহুত কথাৰ সোঁত,
> উজনি নামনি যেন বালিমাহীৰ জাক।
> সোণপাহী, ৰহাঁ। মোৰ কাষৰতে ৰহাঁ।
> চুলিৰ তোমাৰ আঁউসী এন্ধাৰে মোৰ
> জীৱন জ্বলাওক। কামনাৰ জুইকুৰা

ছাই হৈ যাওক। মোৰ বন্ধ কোঠাৰ তুমি
জ্বলি থকা মম। বাহিৰত জোনাকীৰ
টিমিক ঢামাক।
অস্পষ্ট এন্ধাৰ আৰু এবুকু মৰম।"

হেম বৰুৱাৰ কবিতাত বহুতো তীব্ৰ প্ৰকাশিকা শক্তি সম্পন্ন ব্যঞ্জনাময় বাক্য পোৱা যায়। "নাহৰ ফুটুকীৰ চকুতকৈয়ো চোকা তোমাৰ চকুৰ জুইত মৰ-আঁউসীৰ জোন পুৰি ভস্ম হয়", "প্ৰথম নিশাৰ অপৰিচিতা পত্নীৰ দৰে, থৰে থৰে পৃথিৱী কঁপিছে", "আমাৰ নাঙলৰ সিৰলুত স্বৰ্ণসীতাই পোখা মেলে" আদি তাৰ দুটিমান উদাহৰণ।

"বাৰিষাৰ ৰাতি তোমাৰ কবিক
মনত পৰেনে অৰুন্ধতী?
সেমেকা পোহৰে সোঁৱৰাই দিয়া
তোমাৰ খোপাৰ আবেলি আবেলি গোন্ধ"

অথবা—

"শিমলুফুলৰ মৌ পিয়লাত এপিয়লা ৰঙীন খবৰ
পলাশৰ আধাজ্বলা জুইৰে তপত
(বন্ধুৰ ষ্টভত কৰা যেন অতি মৰমৰ উমসনা কুহুমীয়া চাহ এপিয়লা)"

এনেবোৰ অনন্যসুন্দৰ স্তৱক ওলাইছে নৱকান্ত বৰুৱাৰ কবিতাৰ পৰা। চমকপ্ৰদ মানসচিত্ৰৰ প্ৰয়োগেৰে এওঁৰ কবিতা মনোলোভা। 'চকুপানী ফাগুনৰ', 'প্ৰাৰ্থনা ঃ আকাশৰ প্ৰতি ঃ খিৰিকিৰে', 'ইয়াত নদী আছিল' আদি বহুতো কবিতাই অৰ্থৰে নহ'লেও সুষমাৰে হৃদয় চুই যায়। তেওঁৰ কবিতাত প্ৰথমৰ ফালে সমাজৰ অৰ্থনৈতিক অসাম্য আৰু তাৰ ফলত উদ্ভৱ হোৱা জন-জীৱনৰ দুৰ্যোগৰ ছায়া লক্ষ্য কৰা যায়। সৰ্বসাধাৰণৰ প্ৰতি সহানুভূতিৰ সুৰ স্পষ্ট হৈ আছে 'প্ৰাণ গংগাৰ বন্দৰ' আদি বহুতো কবিতাত। কিন্তু সৰ্বমুঠ বিচাৰত তেওঁৰ কবিতা হ'ল নিবিবিলি মুহূৰ্তৰ ভাৱঘন প্ৰকাশ। ইংৰাজী সাহিত্যৰ বিস্তৃত অধ্যয়নে কবিৰ মনৰ জগত বহল কৰিছিল আৰু তাত সোমাই পৰিছিল ইংৰাজী কবিতাৰ কিছুমান মূল্যবান বৈশিষ্ট্য। ইলিয়টৰ Wasteland -ৰ দৰে তেওঁৰ 'ইয়াত নদী আছিল' হৈ পৰিছে মানসিক অৱক্ষয়ৰ বাতৰি বহনকাৰী। আধুনিক মনৰ সকলো সংশয়ৰ প্ৰতিবাদ, অবিৰাম গতিৰ মাজতে জিৰণিৰ ব্যাকুলতা, কোলাহলময় ব্যস্ততাৰ মাজতে এপলক নিজৰে সৈতে মুখামুখী হোৱাৰ বাসনা--এনেবোৰ লক্ষণেৰে তেওঁৰ কবিতা সমৃদ্ধ। 'সম্ৰাট' নামৰ কবিতাটোৰ মাজত তেওঁৰ তীব্ৰ সংবেদনশীল হৃদয় আৰু গভীৰ বিশ্লেষণ ক্ষমতা ফুটি উঠিছে। আধুনিক কালৰ অন্যতম শ্ৰেষ্ঠ কবি নৱকান্ত বৰুৱাৰ চিত্ৰকল্প প্ৰয়োগৰ

দক্ষতা অতীব সুন্দৰ। তেওঁৰ শব্দ-চয়নো বিচিত্র, কবিতাভেদে কোমল অথবা কঠিন। কঠোৰ দিঠকৰ অকৃত্রিম উপলব্ধি আৰু তাৰ মাজতে অকণমান স্বপ্নময় স্থানৰ সন্ধান—এয়ে তেওঁৰ কবিতাৰ মূল আকৰ্ষণ।

হৰি বৰকাকতিৰ কবিতাও একেদৰে নিৰিবিলি ক্ষণৰ সংগোপন অনুভূতিৰ ঐন্দ্রজালিক প্রকাশ। একান্ত ব্যক্তিগত তেওঁৰ অনুভৱ, তাৰে প্রকাশ বহা বহা শব্দ-সম্ভাৰৰ মাজত জিলিকি উঠিছে কেইটিমান মনোমোহা কবিতা। 'কোনোবা শীতৰ এটি বগা সন্ধিয়াত' কবিতাটিৰ মাজত কবি বৰকাকতিৰ কথনভংগীৰ লয়লাস চকুত পৰে। 'ইভনছং' কবিতাটিয়ে বনলতা সেনৰ সন্ধানত হাজাৰ বছৰ ধৰি পৃথিৱীৰ পথত বাট বুলা জীৱনানন্দৰ কবি মনৰ উমান দিবলৈ বিচাৰে। "হেজাৰ প্ৰিয়াৰ চকুৰ লোতক গোট মাৰি হোৱা আকাশৰ চেচা জোন" আদি দৰদী বাক্যৰে বৰকাকতিৰ কবিতা সমৃদ্ধ। তেওঁৰ কবিতাৰ বাক্য অগতানুগতিক অলংকাৰেৰে চমকপ্রদ। যেনে—'মংগেশকাৰ কণ্ঠী কুলিজনী', 'ব্ৰাউন দুচকুৰ মৰম' ইত্যাদি। আপেক্ষিকভাৱে কম কবিতাৰ মাজতে নিজৰ বৈশিষ্ট্য বৰকাকতিয়ে অটুট ৰাখিছে।

কবি মহেন্দ্ৰ বৰাৰ কবিতাৰ সৌন্দৰ্য তেওঁৰ অধ্যয়নপুষ্ট মনৰ সংযোগত গাঢ় হৈ উঠা ব্যক্তিগত কিছুমান বিচিত্র অনুভৱৰ প্ৰকাশ। তেওঁৰ অনুভূতিৰ জগত বিস্তৃত। কেতিয়াবা সুকোমল বিষণ্ণতা, কেতিয়াবা ৰমন্যাসিক দীপ্তি, কেতিয়াবা লোক-কথাৰ চৰিত্ৰৰ প্ৰতি আকৰ্ষণ আৰু কেতিয়াবা জীৱন-মৃত্যুৰ সীমাহীন ৰহস্যৰ প্ৰতি সচেতনতা—এই আটাইবোৰ লক্ষণেই তেওঁৰ কবিতাত পৰিস্ফুট হৈ আছে। 'কেৰেণী শ্যেলীৰ চিঠি'ত কবি প্ৰাণৰ দৰদী উমেৰে তেওঁ ছবি আঁকিছে মানুহৰ কেইটামান নিঃসংগ মুহূৰ্তৰ। নাতিদীৰ্ঘ এইটি কবিতা জোনৰ পোহৰত জিলিকি উঠা এটোপাল নিয়ৰৰ দৰেই দীপ্তিমান। কবি বৰাৰ কবিতা মাজে মাজে গান যেন লাগে—

> "কালি নিশা জোনৰ মুখৰ
> কুঁৱলিবোৰ থুপ খাই খাই সৰি পৰিছিল
> ঠিক যেন এজাক ফুলৰ বৰষুণ নামি আহিছিল জিৰ্‌জিৰ্কৈ"

নদী তেওঁৰ কবিতাৰ প্ৰিয় প্রতীক যেন লাগে। অবিৰাম বৈ যোৱা নদীৰ লগত চলমান জীৱনৰ সাদৃশ্য তেওঁ দেখা পায়। তাৰ মাজতে কেতিয়াবা অবিনশ্বৰ মানৱৰ চিৰন্তন আশ্বাস আৰু বেদনাৰ অদ্ভুত সমাহাৰ কবি-বাণী হৈ ফুটি উঠে—

> "এই নদীয়েদি ভাঁহি গ'ল বহুবাৰ নিৰাশ্রয় আত্মাৰ অনেক আশ্রয়
> মৃত্যুৰ গভীৰ গৰ্ভত ধীৰে ধীৰে প্রস্ফুটিত মই এক স্নিগ্ধ শতদল
> নিষ্কলাংক সূৰ্যৰ প্ৰখৰ দীপ্তিৰে দগ্ধ চিৰন্তন আত্মা
> মই কাল নিৰবধি সেই মৃত অতীতৰ জীৱন্ত প্ৰতিভূ"

বৰ্ণাঢ্য উপমা, সাংগীতিক লয়, স্ব-সৃষ্ট শব্দৰ কাৰিকৰী আৰু সুষমামণ্ডিত বৰ্ণিকাভংগ, এইবোৰেই বৰাৰ কবিতাৰ আকৰ্ষণ। তেওঁ লিমাৰিকো ৰচনা

কৰে। অসমীয়া কাব্য-সাহিত্যত লিমাৰিকৰ অৱদান যোগোৱাত তেওঁক প্ৰায় একক ব্যক্তি বুলিয়েই ক'ব পাৰি।

নীলমণি ফুকনৰ কবিতাৰ আলোচনাৰ বেলিকা ফৰাচী প্ৰতীকী কাব্য, মানস চিত্ৰবাদ আৰু ইম্প্ৰেছনিষ্ট চিত্ৰৰ আলোচনা প্ৰয়োজন বুলি সমালোচকসকলে ক'বলৈ বিচাৰে। জাপানী কবিতাৰ অভিনৱ ব্যঞ্জনাধৰ্মিতায়ো তেওঁৰ কবিতাক প্ৰেৰণা নিদিয়া নহয়। অসমীয়া কবিতাত প্ৰতীকৰ সাৰ্থক প্ৰয়োগ কৰা ফুকনেই হ'ল সবাতোকৈ সফল কবি। তীৰ্যক ভাষা তেওঁৰ কবিতাৰ ঘাই আকৰ্ষণ—

"গোধূলিৰ ধূলি আৰু ধোঁৱাৰ মাজেৰে
চাকিটিৰ পোহৰত দেখা পালো
তোমাৰ চকুত
তালপাতৰ দৰে এন্ধাৰ
অকণি
এখন আকাশ।
কলেজীয়া গাভৰুৰ দৰে চঞ্চল ক'তো এটি
তৰা নেদেখিলো ; মেঘবোৰে
হাঁহি হাঁহি ফাঁচী দিলে ধুনীয়া
জোনক।"

ৰসগ্ৰাহীসকলৰ বাবে ফুকনৰ কবিতা ধ্ৰুপদী সংগীতৰ দ্ৰুতলয়ৰ দৰে আমেজেৰে ভৰা। বুদ্ধিনিষ্ঠতা আৰু গীতিধৰ্মিতাৰ এইবোৰ অপূৰ্ব সমাহাৰ।

সাম্প্ৰতিক কালৰ সবাতোকৈ জনপ্ৰিয় কবিজন হ'ল হীৰেন ভট্টাচাৰ্য। এওঁৰ কলমৰ পৰা ওলোৱা প্ৰতিটো শব্দই যেন সৌন্দৰ্য আৰু ৰমণীয়তাৰ সমুদ্ৰত স্নান কৰি ওলাই আহে। প্ৰেম, স্বদেশ-প্ৰেম আৰু দলিতজনৰ প্ৰতি সহানুভূতি এওঁৰ কবিতাৰ বৈশিষ্ট্য। অদ্ভুত আৰু অভুতপূৰ্ব সংজ্ঞাৰে তেওঁ প্ৰেমৰ সংজ্ঞা নিৰূপণ কৰিছে—

"তুমিটো জানাই
এই কবিৰ আৰু একো নাই
এটাই মাথোন কামিজ
তাৰো ছিগো ছিগো চিলাই
প্ৰেম চাগে' এনেকুৱাই
আৱৰণ খুলি হৃদয় জুৰাই।"

কবিতাৰ বিষয়ে তেওঁৰ উক্তি—

"ভঙা কলিজাত কোনে বিনায়
কবিতা মোৰ দুখৰ ঋতুৰ
এপাহ খৰিকা জাঁই"

তেওঁৰ কবিতাৰ প্ৰগতিবাদী চিন্তাধাৰা বৰ সংযতভাৱে আৰু কলাসুলভভাৱে ৰমণীয় হৈ কবিতাৰ মাজত প্ৰকাশ পাইছে। বহুত কথা য'ত ক'ব লাগে, তাত মাথোন কেইটিমান শব্দৰ দ্বাৰাই তেওঁ অলেখ কথা বুজাব পাৰে। যেনে--"মোৰ হাতৰ কাঁচিখনলৈ চালেই গম পাবা কাৰ ডিঙিৰ জোখেৰে গঢ়িছো।" বিষাদ তেওঁৰ কাব্যৰ সম্পদ। কিন্তু ই ৰোমাণ্টিক কবিৰ বিননিৰ সমপৰ্যায়ৰ নহয়। এই বিষাদ চিৰন্তন কবিপ্ৰাণৰ মনৰ গহনত সংগোপনে বিচৰণ কৰা সোণালী বেদনা। অলস দ্বি-প্ৰহৰৰ কপৌৰ ৰুণৰ দৰে অথবা বন্ধুৰ মেহ্‌ফিলত শুনা সুকণ্ঠী কবিৰ খ্বায়েৰীৰ দৰে হীৰেন ভট্টাচাৰ্যৰ কবিতাত এক ৰাগী লগা আমেজ বৰ্তমান। অলেখ অনুৰাগী আৰু এচাম একে পথেৰে বাট বুলা তৰুণ কবিৰ সৃষ্টি কৰিব পৰাতেই হীৰেন ভট্টাচাৰ্যৰ সৰ্বশ্ৰেষ্ঠ কৃতিত্ব।

আধুনিক অসমীয়া কবিতাত অজিৎ বৰুৱা, বীৰেশ্বৰ বৰুৱা, কেশৱ মহন্ত, হীৰেন্দ্ৰনাথ দত্ত, ৰাম গগৈ—এইবোৰো স্মৰণীয় নাম। অজিৎ বৰুৱাৰ কম সংখ্যক কিন্তু উচ্চ মানদণ্ডৰ কবিতা অসমীয়া সাহিত্যৰ মূল্যবান সম্পদ। কেশৱ মহন্তৰ 'আঘোণৰ কুঁৱলী' আৰু ৰাম গগৈৰ 'পথাৰ' দুয়োজন কবিৰ দুটা উৎকৃষ্ট সৃষ্টি। এইসকল কবিৰ চিন্তা আৰু সংবেদনশীলতাই কল্পলোকৰ জগতখনক ত্যাগ কৰি দিঠকৰ ধূলিৰ মাজত সঁচা মানুহৰ মাজত অমৃতৰ সন্ধান কৰিছিল। এওঁলোকৰ পৃথিৱী সুন্দৰ কেৱল এইবাবেই যে পৃথিৱীৰ উৰ্বৰা বুকুতে আছে দুঃখী জনতাৰ আশাৰ সমল। সৰ্বহাৰা কৃষক-শ্ৰমিকদলৰ প্ৰতি আধুনিক কবিসকলৰ যি প্ৰীতি, তাৰ বলিষ্ঠ নিদৰ্শন অমূলেন্দু গুহ আৰু হেমাংগ বিশ্বাসৰ কবিতাত। হেমাংগ বিশ্বাসৰ কবিতাৰ স্পষ্ট ৰেখাংকন লক্ষণীয়--

"মুখত দেখিছো, তাৰ দাৰিদ্ৰ্যৰ চেকা
চকুত জিলিকি উঠে ভৱিষ্যৰ আভা
নাম তাৰ
কমৰেড ৰত্নেশ্বৰ ৰাভা।"

এইসকল জনতাৰ কবিৰ লগত সুৰতে সুৰ মিলাই সৰ্বহাৰাৰ বাবে সহানুভূতি প্ৰকাশ কৰা আৰু এচাম কবিয়ে কবিতাত বামপন্থী চিন্তাধাৰা অব্যাহত ৰাখিছে। ইয়াৰে যিবোৰত কাব্যসুলভ ৰমণীয়তা ৰক্ষিত হৈছে সেইবোৰ স্বীকৃত হৈছে উৎকৃষ্ট কাব্যসম্পদ ৰূপে।

আধুনিক অসমীয়া কবিতাত নানা আদৰ্শ, ৰাজনৈতিক ভাৱধাৰা, বুদ্ধিদীপ্ত প্ৰয়োগ কৌশল আদিৰ পৰীক্ষা-নিৰীক্ষা চলি থকাৰ মাজতো নিজা বৈশিষ্ট্যৰে সমৃদ্ধ কবিতা লিখি থকা কবিসকলৰ অন্যতম দুজন হ'ল নিৰ্মলপ্ৰভা বৰদলৈ আৰু হোমেন বৰগোহাঞি। বৰদলৈৰ কবিতা গানৰ দৰে কোমল, গুঞ্জনময়। "বৰগোহাঞিয়ে প্ৰতীকবাদী কবিসকলৰ দৰে বৰ্ণবহুল, সৃষ্টি কৰে এক ৰহস্যময় জগত। আত্মাৰ গভীৰ কন্দৰত সেই জগত। সেইখন মিষ্টিক জগতত আছে মানুহৰ মনৰ গভীৰতম বেদনা—অন্ধকাৰ কামনা, অৰণ্য-প্ৰীতি

আৰু এক মৃত্যুৰ আকাংক্ষা।"[১] যাইকৈ কথা শিল্পীৰূপে খ্যাত চৈয়দ আব্দুল মালিক, মহিম বৰা আৰু বীৰেন্দ্ৰনাথ ভট্টাচাৰ্যৰ কাব্যিক অৱদানো যথেষ্ট মূল্যবান। কবি হীৰেন্দ্ৰনাথ দত্তৰ কবিতাসমূহত নান্দনিক আবেগ, সৌন্দৰ্যৰ অনুধাৱন আৰু অতীত স্মৃতিৰ নিঃসংগতা প্ৰতিফলিত হৈছে। বীৰেণ বৰকটকীৰ কবিতাত সমাহিত মনৰ অতীত-সোঁৱৰণ লক্ষ্য কৰা যায়। ভবেন বৰুৱা আৰু হৰেকৃষ্ণ ডেকাৰ কবিতাৰ ঘাই বৈশিষ্ট্য প্ৰতীকি শব্দৰ অত্যধিক প্ৰয়োগ।

অসমীয়া কবিতাৰ আধুনিক যুগটোত একেবাৰে সৰলভাৱে বিচাৰ কৰিলে দুটা ধাৰা স্পষ্টভাৱে চকুত পৰে। এটা হ'ল কবিতাৰ বাবে কবিতা লিখা নন্দনতাত্ত্বিক দৃষ্টিভংগীৰ আৰু আনটো হ'ল বিভিন্ন আদৰ্শ বা বাদ ('ইজম') প্ৰচাৰ কৰিবলৈ বুদ্ধিদীপ্ত দৃষ্টিভংগীৰ ধাৰা। এই দুয়োটা ধাৰাতে বহুতো সুন্দৰ কবিতাৰ সৃষ্টি হৈছে। তাৰে ভিতৰত কিছুমানৰ প্ৰকাশভংগী সাধাৰণ পাঠকৰ হৃদয় চুই পৰা বিধৰ আৰু কিছুমানৰ মুষ্টিমেয় এমুঠি ৰসগ্ৰাহীয়ে উপলব্ধি কৰিব পৰা বিধৰ। আধুনিক কবিতা দুৰ্বোধ্য বুলি এটা ধাৰণাই আছে। ইয়াৰ মূলতে হ'ল কঠিন আৰু অপ্ৰচলিত শব্দৰ অত্যধিক আওপকীয়া প্ৰয়োগ। সাম্প্ৰতিক কালৰ এচাম তৰুণ কবিৰ হাতত কবিতাই সহজ-সৰল ঘৰুৱা ৰূপেৰে দেখা দি পাঠকৰ মন জয় কৰিব পাৰিছে। ই নিশ্চয় শুভ লক্ষণ। এইসকল কবিয়ে কবিতাক মুকলি চিন্তাৰ বাহন কৰি তুলিছে। প্ৰতীক আৰু চিত্ৰকল্পৰ হেতা-ওপৰাত উশাহ নোপোৱা হোৱা সাধাৰণ পাঠকে ক্ৰমে ক্ৰমে কবিতাৰ সহজাত প্ৰীতিৰ সোৱাদ পাবলৈ ধৰিছে। অৱশ্য এই কথাও লক্ষণীয় যে তৰুণ দলৰ হাতত কবিতাই কেতিয়াবা শ্লোগানত পৰিণত হোৱাৰ উপক্ৰম নকৰাকৈ থকা নাই, এনেও নহয়। তথাপিও, ধাৰণা হয় যে আধুনিক অসমীয়া কবিতা বৰ্তমান অধিকতৰ পূৰ্ণতাৰ ফালে আগবাঢ়ি গৈছে। তৰুণ কবিসকলৰ হৃদয় কক্ষত আছে অগ্ৰজসকলৰ ছাঁ আৰু বুদ্ধিৰ অলিন্দৰে সোমাই আহিছে দূৰ-দূৰণিৰ চিন্তা আৰু প্ৰগতিৰ জ্যোতি। ইয়াৰ ফলত সাৰ্থক অনুশীলনৰ যোগেদি অধিক সুন্দৰ কবিতা পাবলৈ কবিতা-প্ৰেমীসকলে বাট চাই আছে।

অসমীয়া কবিতাৰ এই ইতিকথা নিতান্তই অসম্পূৰ্ণ। ইয়াত মাথোন আভাসহে আছে, পূৰ্ণৰূপ নাই। বহুতো সুকবিৰ উল্লেখ আৰু সুকবিতাৰ আলোচনা ইয়াত সামৰিব পৰা নহ'ল। সেই কাম থাকিল ভৱিষ্যতে কোনো যোগ্যজনৰ বাবে।

---

১। পাতনি 'নতুন কবিতা'।

# প্ৰথম অধ্যায়

# অসমীয়া কবিতাৰ বাদ-বৈচিত্ৰ্য

অসমীয়া কবিতাৰ গতি নদীৰ দৰে প্ৰৱাহমান। এই নদীৰ লহৰত নানা ৰীতি, নানা মতবাদৰ উঠানমা ঘটিবই লাগিছে। এই কথা ঠিক যে অসমীয়া কবিতাৰ মাজত পৰিৱৰ্তনৰ উত্তাপ কিছু মৃদু। বিশ্বৰ আৰু ভাৰতৰ অন্যান্য অঞ্চলৰ কিছুমান ভাষাৰ সাহিত্যত স্পষ্টভাৱে প্ৰতিভাত হোৱা বহুতো চিন্তা আৰু মতবাদৰ ছবিও অসমৰ কবিতাত অনুজ্জ্বল। অধ্যয়নলব্ধ জ্ঞান আৰু সচেতনাৰ অভাৱেই হয়তো ইয়াৰ কাৰণ। তথাপিও অসমীয়া কবিতাৰ ইতিহাসত কিছুমান ধাৰা যে ফুটি উঠা নাই এনে নহয়। তাৰে কেইটিমান ধাৰা আলোচনাৰ বাবে লোৱা হ'ল।

## ১.১ ভক্তিবাদ ঃ

অসমীয়া সাহিত্যৰ সোণালী সময়খিনি আছিল শংকৰ-মাধৱৰ অৱদানেৰে পুষ্ট। এইখিনি সময়ত অসমীয়া সাহিত্য আছিল ধৰ্মীয় চিন্তাধাৰাৰে অন্য এক ৰূপ। সেয়েহে ধৰ্ম আৰু ভক্তি সম্পৰ্কীয় নানা চিন্তা আৰু বিশ্বাসেৰে এই সময়ৰ সাহিত্য ভৰি আছিল। নৱ-বৈষ্ণৱ ধৰ্মৰ মূল মন্ত্ৰ আছিল প্ৰেম আৰু ভক্তি। ভগৱান বিষ্ণুৰ চৰণত একান্ত ভক্তিৰে আত্মসমৰ্পণ কৰিবলৈ মহাপুৰুষ দুজনে ভক্তসমাজক আহ্বান কৰিছিল। এই আহ্বান প্ৰকাশ পাইছিল গীত-নাট আৰু কবিতাৰ মনোমোহা মাধ্যমেৰে। গতিকে এক উল্লাস আৰু আনন্দৰ লহৰত উটি যোৱা পাঠক-সমাজে সম্পূৰ্ণ কলা-সুলভতাৰ মাজতহে ভক্তিৰসৰ আস্বাদন কৰিছিল। ধৰ্মপ্ৰচাৰক শংকৰ-মাধৱৰ মাজত সোমাই থকা গীতিকাৰ-নাট্যকাৰ -কবি ৰূপটোৰ প্ৰতিভা আছিল অসীম। তেওঁলোকে কবিতাৰ মাধুৰ্য ক্ষুণ্ণ নোহোৱাকৈ ভাগৱতৰ ভক্তিতত্ত্ব প্ৰকাশ কৰিব পাৰিছিল। ফলত ভক্তি আৰু কবিতা এটা বিন্দুত মিলিপৰা মুহূৰ্তত শ্ৰোতা-পাঠকক তেওঁলোকে লৈ যাব পাৰিছিল এনে এখন জগতলৈ — য'ত সত্য সুন্দৰ ভগৱানৰ দয়া আৰু প্ৰেমৰ উপলব্ধিত বিশ্বসংসাৰ মধুময় হৈ উঠে, পাৰ্থিৱ বেজাৰ আঁতৰি পলায় অপাৰ্থিৱ আনন্দৰ পৰশত।

সাহিত্যৰ জগতত একোটি বিশেষ মতবাদ জিলিকি উঠে তেতিয়াহে, যেতিয়া সমসাময়িক সমাজ আৰু পৰিস্থিতিত তাৰ উপযোগিতা তীব্ৰভাৱে অনুভূত হয়। শংকৰদেৱে যি পৰিস্থিতিত ধৰ্মপ্ৰচাৰ কৰিছিল, তাৰো আঁৰত আছিল এক বিচিত্ৰ পটভূমি। শাক্ত, শৈৱ, বৌদ্ধ ধৰ্মৰ তান্ত্ৰিক মতবাদ আদি নানা ধৰ্মীয় বিশ্বাস আৰু অন্ধবিশ্বাসেৰে সেইসময়ৰ সমাজ ভৰি আছিল। সবাতোকৈ ভয়াবহ আছিল শাক্ত ধৰ্মৰ প্ৰবল অনাচাৰ আৰু ব্যভিচাৰ। 'কালিকা-পুৰাণ' আৰু 'যোগিনী তন্ত্ৰ'ৰ মাজত সেই জটিল ধৰ্মীয় বিচাৰৰ আভাস এটা পাব

পাবি। 'শবৰোৎসৱ' নামৰ এক উৎসৱৰ পুৰণি কামৰূপত প্ৰচলিত আছিল য'ত মুকলিভাৱে অশ্লীল কথা কৈ নানা উন্মাদ আচৰণ কৰি স্ত্ৰী-পুৰুষ লগে-ভাগে মতলীয়া হ'ব পাৰিছিল। কামাখ্যা মন্দিৰক কেন্দ্ৰ কৰি গঢ় লৈ উঠা বিচিত্ৰ বিশ্বাসে জন্ম দিছিল ভোগীসকলক। তেওঁলোক নিজে দেৱীৰ আগত বলি যাবলৈ সাজু হৈছিল বা সপ্তাদেশ পোৱা বুলি ঘোষণা কৰাৰ বাবে ইচ্ছামতে আচৰণ কৰিব পাৰিছিল। তেওঁলোকৰ আহাৰ-বিহাৰ, ৰুচি-অভিৰুচিৰ কোনো সংযমৰ প্ৰয়োজন নহৈছিল। এই সময়তে ঘোষণা কৰা হৈছিল যে মাতৃৰ বাহিৰে সকলো ৰমণীৰ লগতে সংগম কৰিব পাৰি। পঞ্চম-কাৰৰ প্ৰয়োগ সেই সময়ত শাক্ত ধৰ্মত প্ৰায় এৰাব নোৱৰা অংগ আছিল। এনে অনাচাৰে ভৰা পৰিবেশত এছাটি শান্তিৰ বতাহৰ প্ৰয়োজন আছিল বৰ বেছি।

শাক্ত ধৰ্মৰ আৰু এক প্ৰধান লক্ষণ হ'ল বলি-বিধানৰ প্ৰাধান্য। 'যোগিনী-পুৰাণ'ৰ মাজতে বলিযোগ্য জীৱ-জন্তুৰ বিস্তৃত তালিকা এখন পোৱা যায়। জলচৰ, বনচৰ আদি নানা শ্ৰেণীৰ প্ৰাণীক সামৰা সেই তালিকাত মানুহো এবিধ বলিৰ বাবে উপযোগী প্ৰাণী। নিজৰ গাৰ তেজ আৰু মাংস দি গোসানীক পূজা কৰাৰ কথাও জনা যায়। শৰীৰৰ কোন অংশৰ আৰু কিমান পৰিমাণৰ তেজ-মাংস দিয়া উচিত সেই কথাও বহলাই আলোচনা কৰা হৈছে।

পুৰণি পুথিবোৰে এই কথা স্পষ্ট কৰে যে প্ৰাচীন কামৰূপৰ চিন্তা-জগত কু-সংস্কাৰ আৰু অন্ধবিশ্বাসে আৱৰি আছিল। মানুহৰ মনবোৰ আছিল পোহৰ নোসোমোৱা অৰণ্যৰ দৰে অস্বাস্থ্যকৰ ভাৱে ছায়াছন্ন। সুকুমাৰ চিন্তা-চৰ্চা ক'তো নাছিল। গতিকে ভিতৰি ভিতৰি তৃষিত মৰুৰ দৰে মানুহৰ হৃদয়ে মেঘলৈ যেন বাট চাইহে আছিল। এনে সময়তে সুশীতল বৰষুণৰ দৰে নামি আহিছিল শংকৰদেৱৰ উদাৰ ধৰ্মীয় মতবাদ, সাহিত্য আৰু সংস্কৃতিৰ সোণোৱালী ধ্বজা লৈ।

শংকৰদেৱৰ প্ৰধান উদেশ্য আছিল একশৰণ বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰি সমসাময়িক সমাজত শান্তি আৰু শৃংখলা প্ৰচাৰ কৰা। তেওঁ বিষ্ণুক একমাত্ৰ উপাস্য দেৱ বুলি ঘোষণা কৰি সেই পৰমপুৰুষৰ উপাসনাৰ বাবে ভক্তিকে সবাতোকৈ উপযোগী মাধ্যম বুলি মত প্ৰকাশ কৰিছিল। তেওঁৰ সুযোগ্য সহযোগী মাধৱদেৱ আৰু অন্যান্য অনুগামীসকলৰ সহযোগত ভক্তি-ধৰ্মৰ এক বিশাল আন্দোলন দিশে দিশে বিয়পি পৰিছিল। এই ভক্তি ধৰ্মৰ ঘাই আহিলা আছিল সাহিত্য আৰু সংস্কৃতি। অসংখ্য গীত আৰু নাটৰ বাবে-বহণীয়া উপচাৰেৰে গুৰু দুজনাই মানুহৰ মন মোহিত কৰিছিল। জনতাৰ প্ৰাণত ভক্তি-ধৰ্মৰ বীজ সিঁচিবলৈ তেওঁলোকে বহুবোৰ কাব্য আৰু আলোচনা পুথিও ৰচনা কৰিছিল। তেওঁলোকৰ ৰচনাৰ এক বিশাল অংশই কবিতাৰ সুন্দৰ সোৱাদ দিব পাৰে। এই কবিতাবোৰৰ মাজত ভক্তিবাদৰ প্ৰকাশ আলোচনা কৰাটো এক সুখকৰ প্ৰচেষ্টা। কাৰণ ভক্তিৰ দৰে আধ্যাত্মিক এক উপলব্ধিক

কবিতা-সুলভভাৱে প্ৰকাশ কৰাটো সহজ নহয়। এই অসহজ কামটোকে শংকৰ-মাধৱে দক্ষতাৰে সম্পাদন কৰিছিল।

ভক্তিবাদ বুলি এই ক্ষেত্ৰত নৱ-বৈষ্ণৱ ভক্তিৰ আদৰ্শ আৰু চিন্তাধাৰাক বুজোৱা হৈছে। সৰ্বভাৰতীয় পটভূমিত ভক্তি-ধৰ্মৰ এক বিস্তৃত আৰু গভীৰ আবেদন আছে। দাক্ষিণাত্যৰ ৰামানুজাচাৰ্যই পোন প্ৰথমে ভক্তি ধৰ্ম প্ৰচাৰ কৰে। দাক্ষিণাত্যৰে আলোৱাৰসকলে তাৰো আগতে বিষ্ণুভক্তি প্ৰচাৰমূলক কিছুমান গীত-মাত ৰচনা কৰিছিল। এই আলোৱাৰসকল আছিল নানা জাতি-কুলৰ। এওঁলোকে বিষ্ণুৰ বিভিন্ন অৱতাৰৰ বিষয়ে গীত ৰচি গাই ফুৰিছিল। ৰামানুজে বিশিষ্টাদ্বৈতবাদী শ্ৰীসম্প্ৰদায় প্ৰতিষ্ঠা কৰে। বিষ্ণুভক্তিমূলক এই সম্প্ৰদায়ত শুদ্ৰৰ সন্মান আছিল যদিও জাতি-ভেদক ইয়াত বিসৰ্জন দিয়া হোৱা নাছিল। ৰামানুজৰ পিছত তেওঁৰে পৰম্পৰাত চলি অহা ধৰ্মমতৰ পিছৰ কালৰ এজন গুৰু হ'ল ৰামানন্দ। ৰামানন্দই ভক্তি ধৰ্মৰ দুৱাৰ সকলোৰে বাবে মুকলি কৰি তোলে। তেওঁৰ শিষ্যসকলৰ ভিতৰত ভিন্নধৰ্মৰ আৰু তথাকথিত নিম্ন সম্প্ৰদায়ৰ লোকো আছিল। ভক্তি যে সকলোৰে উমৈহতীয়া সম্পদ, এই কথা ৰামানন্দৰ দিনতে মুক্তভাৱে ঘোষিত হয়। এই সম্প্ৰদায়ৰ ভক্তকবি কবীৰৰ গীতৰ মনোহৰত্ব আছিল ভক্তিৰ অন্যতম জয়ধ্বজা বাহক। আচাৰ-অনুষ্ঠানতকৈ আন্তৰিক ভক্তি আৰু প্ৰেমক আগঠাই দিয়া আৰু কেইজনমান সাধক কবি আছিল তুলসীদাস, সুৰদাস, চৈতন্যদেৱ আদি। এইসকলৰ প্ৰেম-ভক্তিৰ বাণীয়ে মানুহৰ চিন্তাজগতত আলোড়ন তুলিছিল। হৃদয়ত দিছিল অনাস্বাদিত তৃপ্তিৰ সন্ধান।

বিশাল ভাৰতবৰ্ষৰ বিভিন্ন শ্ৰেণীৰ আৰু বিভিন্ন ধৰ্মৰ মানুহৰ মিলনৰ সুপ্ত আকাংক্ষাই বোধকৰো আছিল ভক্তিধৰ্মৰ মূল ভিত্তি। অসমতো মহাপুৰুষ শংকৰদেৱে সাম্য মৈত্ৰীৰ বাণীৰ দ্বাৰা মানুহৰ মাজত একতাৰ ভাব দৃঢ় কৰি তুলিছিল। তেওঁ প্ৰচাৰ কৰা নৱ-বৈষ্ণৱ ধৰ্মৰ সাৰভাগ গঠন কৰা হৈছিল ভাগৱত-পুৰাণৰ শিক্ষাৰ ভিত্তিত। ইয়াত মিশ্ৰিত কৰা হৈছিল গীতাৰ একশৰণ আৰু পদ্মপুৰাণৰ সহস্ৰনামৰ উপদেশ। বিষ্ণুক একমাত্ৰ উপাস্য দেৱ বুলি ঘোষণা কৰা এই ধৰ্মত জাতিভেদ নাই। কোনো প্ৰকাৰৰ আড়ম্বৰপূৰ্ণ আচাৰ-অনুষ্ঠানৰ কথাও নাই। কেৱল আন্তৰিক ভক্তিক প্ৰাধান্য দিয়া এই ধৰ্মমতত সেয়েহে সকলোশ্ৰেণীৰ লোকৰ বাবে অবাৰিত দ্বাৰ আছিল।

অসমীয়া কবিতাত ভক্তিবাদ বুলি ক'লে শংকৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলি, ৰাম সৰস্বতী, গোপালদেৱ, যদুমণিদেৱ আদিৰ কবিতাখিনিকে আলোচনা কৰিব পাৰি। এইখিনিৰ কিছুমান হ'ল কাহিনী-কাব্যৰ খণ্ড আৰু কিছুমান হ'ল গীত। এইবোৰৰ মাজত থকা কবিতাসুলভ সোৱাদৰ ভিত্তিতে এইবোৰক কবিতা বোলা হৈছে। শংকৰদেৱৰ কীৰ্তন, ভাগৱতৰ কোনো কোনো

অংশ, কাব্যসমূহৰ অংশ, মাধৱদেৱৰ নামঘোষা, ৰাজসূয় কাব্যৰখণ্ড আৰু দুয়োজনা মহাপুৰুষৰে গীতসমূহ কবিতাৰ উত্তম নিদৰ্শন।

মহাপুৰুষ দুজনাৰ বক্তব্য আছিল যে পবিত্ৰ অন্তৰেৰে আহ্বান কৰিবলৈ জানিলে তপ-জপ-তীৰ্থ-ব্ৰতেৰে পাব নোৱাৰা ভগৱানে সহজে ধৰা দিয়ে। তেওঁলোকৰ মতে ভক্তি কেৱল এক অনুভূতিয়েই মাত্ৰ নহয়। ই প্ৰতি পুৰুষৰে এক অৱশ্যে পালনীয় কৰ্তব্য। নাৰদীয় ভক্তিসূত্ৰৰ মতে ভগৱানৰ প্ৰতি থকা গভীৰ আৰু ঐকান্তিক প্ৰেমেই হৈছে ভক্তি। শাণ্ডিল্যৰ ভক্তিসূত্ৰতো গভীৰ ভগৱৎ-প্ৰেমক ভক্তি আখ্যা দিয়া হৈছে। মহাপুৰুষীয়া ধৰ্মত ভক্তিক বোলা হৈছে ৰসময়ী, অৰ্থাৎ অতি আনন্দদায়ক। 'নামঘোষা'ত ভক্তিক মুক্তিতকৈও শ্ৰেষ্ঠ স্থান দিয়া হৈছে। 'ভক্তি-ৰত্নাৱলী' পুথিতো কোৱা হৈছে —

"জীৱন্তে-মুকুত ভৈল যিটো অতি
আত্মাত মাত্ৰ ৰময়।
শাস্ত্ৰ বহিৰ্ভূত ভৈল হৃদয়তো
দূৰ ভৈল গ্ৰন্থি চয়॥
তাৰা সবে সদা পৰম নিষ্কামে
ভকতি কৰে কৃষ্ণত।
মোক্ষতো অধিক ভকতিৰ সুখ
জানিয়া অতি মনত॥
মুকুত সকলো নেড়া ভকতি
কিনো অতি অদভূত।"

ভক্তিৰ দ্বাৰা অপ্ৰাপ্য একো নাই। দয়ালু ভগৱানে ভক্তৰ সৰ্ববিধ মনোকামনা পূৰ্ণ কৰে। নিষ্কাম ভক্ত যিহেতু স্বাৰ্থহীন, তেওঁলোকে ভক্তিৰ বিনিময়ত একোকে নিবিচাৰে। কিন্তু ভক্তিৰ মহিমা আকৌ ইমান বেছি যে ইয়াৰ দ্বাৰা প্ৰকৃত ভক্তসকলে নিবিচৰাকৈও চতুৰ্বৰ্গৰ ফল লাভ কৰে। ভগৱৎ ভক্তিৰ বাবে উচ্চবৰ্ণ বা বিশিষ্ট জ্ঞানৰ দৰকাৰ নহ'লেও হয়। সকলো তপ-জপতকৈ ভক্তিৰ শ্ৰেষ্ঠত্ব ঘোষণা কৰি 'ভক্তি-ৰত্নাৱলী'য়ে কৈছে —

"দেৱ দ্বিজ ঋষি তপ-জপ যজ্ঞ দান।
যত শৌচাচাৰ তীৰ্থ ব্ৰত মহাজ্ঞান॥
ইটো সবে বিড়ম্বন জানা নিষ্ঠ কৰি।
কেৱলে ভক্তিতে মাত্ৰ তুষ্ট হোন্ত হৰি॥"

বাহ্যিক আচাৰতকৈ নাম-ধৰ্মৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰি 'কীৰ্তন'ত কোৱা হৈছে—

"তন্ত্ৰ মন্ত্ৰ আনো দ্ৰব্য অনেক।
দেশ কাল পাত্ৰ ছিদ্ৰ যতেক॥
পূৰ্ণ নুহি যত যজ্ঞৰ অঙ্গ।
হৰি নামে কৰে সবে সসাঙ্গ॥"

ভগৱৎ প্ৰাপ্তিৰ বিবিধ পথৰ ভিতৰত জ্ঞান, কৰ্ম আৰু ভক্তিৰ কথাকে ঘাইকৈ লেখত লোৱা হয়। এই তিনিওটি পথৰ ভিতৰত শ্ৰেষ্ঠ হ'ল ভক্তি। কাৰণ—

"ভকতি সহায় বিনে জ্ঞানে কৰ্ম্মে
নসাধে কাৰো মুকুতি।
কাহাকো সহায় নচাৱে ভকতি
গৰিষ্ঠ এহি যুগুতি॥" [ভক্তি-ৰত্নাৱলী]

ভক্তি উৎপাদনৰ বাবে সৎসংগৰ প্ৰয়োজনৰ কথাও কোৱা হয়। যিদৰে পোহৰৰ উপস্থিতিৰ লগে লগে আন্ধাৰ, শীত আৰু আতংক দূৰ হয়—সেইদৰে সাধুজনৰ উপস্থিতিয়ে আৰু সান্নিধ্যই কৰ্মবন্ধ, বৈষয়িক চিন্তা আৰু অবিদ্যাজনিত অন্ধকাৰ একেলগে আঁতৰ কৰে।

'ভাগৱত-পুৰাণে' বিভিন্ন সময়ত ভক্তিৰ বিভিন্ন প্ৰকাৰৰ কথা উল্লেখ কৰিছে। এইদৰে তিনিৰ পৰা ছয়ত্ৰিশ বিধলৈকে ভক্তিৰ প্ৰকাৰভেদ দেখা যায়। ইয়াবে নৱবিধ ভক্তি অসমৰ বৈষ্ণৱ সমাজত বেছি চিনাকি। 'কীৰ্তন'ৰ প্ৰহ্লাদ-চৰিত খণ্ডত তাৰ উল্লেখ আছে। সেই নৱবিধ হ'ল—শ্ৰৱণ, কীৰ্তন, স্মৰণ, অৰ্চন, বন্দন, পদসেৱন, দাস্য, সখ্য আৰু আত্মনিবেদন। 'ভক্তি-ৰত্নাৱলী' পুথিত মাধৱদেৱে অন্য এক প্ৰকাৰেও ভক্তিৰ বিভাজন কৰিছে। সেইকেইটা হ'ল ভাগৱতী ভক্তি, প্ৰেম-ভক্তি আৰু কেৱল ভক্তি।

মহাপুৰুষ দুজনাৰ মতে, ভক্তি হ'ল ভগৱানক পোৱাৰ সহজতম আহিলা। নৱবিধ প্ৰকাৰৰ ভিতৰতো সহজতম হ'ল শ্ৰৱণ আৰু কীৰ্তন। ভগৱানৰ নাম লোৱা আৰু তাক শ্ৰৱণ কৰাটো এক উত্তম উপায়। ইয়াৰ দ্বাৰা ভগৱান তুষ্ট হয় আৰু ভক্তয়ো ভগৱানৰ কৃপা লাভ কৰে।

"বৰ্ণাশ্ৰম ধৰ্ম যত যাৰ যেন বিধি আছে
তাৰেসে কেৱল অধিকাৰ।
হৰিনাম কীৰ্তনত নাহিকে নিয়ম একো
এতেকেসে ধৰ্ম মাজে সাৰ॥"
[নামঘোষা]

এই উদাৰ মতবাদেই হ'ল শংকৰদেৱৰ ভক্তি-ধৰ্মৰ শ্ৰেষ্ঠ আহ্বান। ইমান দিন ধৰি বন্ধ হৈ থকা মন্দিৰৰ দুৱাৰমুখৰ পৰা আঁতৰি যাবলগীয়া দুখীয়া-অজলা সাধাৰণ মানুহখিনিয়ে নামঘৰৰ মুকলি দুৱাৰ দেখিলে। সেই নামঘৰৰ ভিতৰ সোমাই ব্ৰাহ্মণ আদিৰ লগত একেলগে বহিবলৈ পালে। তেওঁলোকৰ বাবে ধৰ্মৰ অৰ্থই বেলেগ হৈ পৰিল। এক আত্মবিশ্বাসৰ ভাবে তেওঁলোকক দৃঢ়মনা কৰি তুলিলে। সেই আত্ম-বিশ্বাস যোগাইছিল শংকৰ-মাধৱৰ গীত-কবিতাবোৰে।

ভক্তিবাদৰ দুৰূহ তত্ত্ববোৰ কবিতাত সোমাই সহজ আৰু সোৱাদলগা হৈ

পৰিছিল। সেই সময়ৰ পাঠক সমাজৰ ৰুচিবোধৰ প্ৰতি লক্ষ্য ৰাখি গুৰুদুজনাই প্ৰায়ে একোটি কাৰ্যৰ আলমতহে ভক্তিতত্ত্ব ব্যাখ্যা কৰিছিল। এই কাহিনীবোৰৰ নায়ক আছিল কৃষ্ণ, তেওঁ বিষ্ণুৰ পূৰ্ণ অৱতাৰ। কৃষ্ণৰ নানাপ্ৰকাৰ লীলা মাহাত্ম্যক কেন্দ্ৰ কৰি তেওঁত শৰণ লোৱা যুক্তিযুক্ততা মহাপুৰুষ দুজনাই প্ৰদৰ্শন কৰিছিল। এই কাহিনীবোৰত হাস্য, কৰুণ, বীৰ আৰু শৃংগাৰ ৰসৰ যথেষ্ট প্ৰকাশ লক্ষ্য কৰা যায়। ৰস আৰু অলংকাৰৰ সৌন্দৰ্যত মন্ত্ৰ-মুগ্ধ পাঠকে নিজৰ অজানিতে এইবোৰৰ মাজেৰে ভক্তিৰ তাৎপৰ্য উপলব্ধি কৰিছিল। এনে ৰচনাৰ কিছুমান খণ্ড আছিল সুন্দৰতম কবিতা। শংকৰদেৱৰ 'কীৰ্তন' পুথিৰ ৰাসক্ৰীড়া আৰু গোপীৰ কৃষ্ণ অন্বেষণৰ অংশকেইটি সৌন্দৰ্যৰে ভৰপূৰ। শাৰদী পূৰ্ণিমা ৰাতি যমুনাৰ ফুলেভৰা তীৰত কৃষ্ণৰ লগত গোপীসকলে বিহাৰ কৰিছিল। তেওঁলোকৰ প্ৰেম অবৈধ, কিন্তু আন্তৰিক বাবেই সি মূল্যবান। ব্যক্তিগত আৰু সামাজিক জীৱনৰ সকলো বাধা নেওচি কৃষ্ণৰ ওচৰলৈ যাব পৰাৰ ঐকান্তিক আগ্ৰহেই তেওঁলোকৰ প্ৰেমৰ মূলধন। এই প্ৰেমৰে অন্য নাম হ'ল ভক্তি। কৃষ্ণৰ বিৰহত বাহ্য-জ্ঞান শূন্য হৈ গছে -বনে কৃষ্ণৰ বাতৰি সোধা অথবা নিজেই কৃষ্ণ হৈ অভিনয় কৰা গোপীসকল ভক্তিৰ চূড়ান্ত স্তৰত উপনীত হোৱা সাধকৰ সমপৰ্য্যায়ৰ। এনে গোপীভক্তিৰে উদাহৰণ হ'ল গোপালদেৱৰ গীতত থকা কৃষ্ণ-বিৰহ কাতৰা গোপীসকলৰ অনুভৱ। এই গোপীসকলৰ বাবে কৃষ্ণৰ অবিহনে জীয়াই থকাই টান।

"জল বিনে মীন নোহে
ৰবি বিনে দিন
কৃষ্ণ বিনে গোপীৰ
জীৱন ভেল ক্ষীণ।"

নৱ-বৈষ্ণৱ ভক্তি-ধাৰাত গোপীভক্তি এক উচ্চতৰ খাপৰ ভক্তিৰূপে পৰিগণিত। ব্ৰজগোপীকাৰ দৰে সৰ্বস্ব ত্যাগ কৰি কেৱল কৃষ্ণত দেহ-মন-প্ৰাণ অৰ্পণ কৰিব পৰাটো ভক্তৰ বিৰল ভাগ্য। ভাগৱতৰ ৰাসলীলা, শংকৰদেৱৰ 'কেলি-গোপাল' আদিত এই ৰসঘন ভক্তিকে দাঙি ধৰা হৈছে। 'উদ্ধৱ-সংবাদ' নাটখনিতো গোপালদেৱে প্ৰেমিকা গোপীসকলৰ মাজেৰে আদৰ্শ ভক্তৰ ছবি আঁকিছে।

আপাতদৃষ্টিত শৃংগাৰ, কৰুণ, বীৰৰস আদিয়ে ঢাকি থোৱা কাহিনীবোৰেও সদায় ভক্তিৰ মাহাত্ম্যহে প্ৰচাৰ কৰে। এইবোৰৰ নায়ক প্ৰধানকৈ কৃষ্ণ যদিও 'কুমৰ-হৰণ' আদি কাব্যত অনিৰুদ্ধক নায়কৰ ঠাইত থৈও কৃষ্ণৰ পৰমপুৰুষত্ব প্ৰচাৰ কৰা হৈছে। নায়ক-নায়িকা ইয়াত কাহিনীৰ অগ্ৰগতিৰ নিমিত্ত মাত্ৰ। হৰি-হৰৰ যুদ্ধ আদি বৰ্ণনাৰ যোগেদি সকলো দেৱ-দেৱীৰ ওপৰত কৃষ্ণৰ শ্ৰেষ্ঠত্ব ইয়াত প্ৰমাণ কৰা হৈছে।

ভক্তি-কবিতাৰ ভিতৰত শ্ৰেষ্ঠতম এবিধ হ'ল শংকৰদেৱৰ 'কীৰ্তন'ৰ ভিতৰুৱা ৰচনাসমূহ। কীৰ্তন-ঘোষাৰ প্ৰতিটি কাহিনীৰ মাজতে শংকৰদেৱে

প্ৰচাৰ কৰিছে উপাস্য দেৱতা কৃষ্ণ-ভগৱানৰ লীলা-মাহাত্ম্য। অৱতাৰী পুৰুষ কৃষ্ণ আৰু তেওঁৰ অনুৰক্ত ভক্তসকলৰ মাজেদি ভক্ত-ভগৱানৰ অপূৰ্ব সমন্ধ দাঙি ধৰাৰ লগতে ভক্ত-বৎসল ভগৱানৰ কৃপালু গুণ প্ৰকাশ কৰা হৈছে। মনোৰঞ্জক আখ্যানৰ মাজত পৰম কৌশলেৰে সৰ্বসাধাৰণে বুজি পোৱাকৈ গুৰুজনাই প্ৰচাৰ কৰিছে অনাদি-অনন্ত ভগৱানৰ প্ৰকৃত স্বৰূপ। বেদান্তৰ পৰম তত্ত্ব সাধাৰণ লোকেও বুজি পোৱাকৈ ৰচনা কৰাটো সহজ নহয়, বিশেষকৈ জনসাধাৰণৰ সৰহ সংখ্যকেই যেতিয়া অশিক্ষিত আৰু নিৰক্ষৰ হয়। গীত-মাতৰ যোগেদি মানুহক শিক্ষা দিবলৈ বিচৰা শংকৰদেৱে অনায়াসেই ভাগৱতৰ তাৎপৰ্য, বেদান্তৰ দৰ্শন সৰ্বসাধাৰণৰ বোধগম্য কৰাত সক্ষম হৈছিল তেওঁৰ অনবদ্য ৰচনা-কৌশলেৰে। 'কীৰ্তন'ৰ বেদস্তুতি অধ্যায়ত পৰমব্ৰহ্ম ভগৱানৰ স্বৰূপ আলোচনা কৰা হৈছে এইদৰে —

"তুমি সত্য ব্ৰহ্ম তোমাতে প্ৰকাশে
জগত ইটো অসন্ত।
জগততো সদা তুমিও প্ৰকাশা
অন্তৰ্য্যামি ভগৱন্ত ॥"

বেদান্তৰ তত্ত্ব বিশদভাৱে আলোচনা কৰি পুনৰ মহাপুৰুষে কৈছে—

"মুকুট কুণ্ডল যেন সুবৰ্ণৰ ভিন্ন নুহি
মিছা মাত্ৰ নাম-ৰূপ যত।
অহংকাৰ পঞ্চভূত তোমাত পৃথক নোহে
প্ৰভু পৰমাৰ্থ-বিচাৰত ॥"

কীৰ্তন পুথিৰ প্ৰথমটি পদতে সৰ্ব অৱতাৰৰ কাৰণ আৰু ব্ৰহ্মৰূপী সনাতন ভগৱন্তৰ বন্দনা কৰা হৈছে। বিভিন্ন শাস্ত্ৰ-পুৰাণ মন্থন কৰি মহাপুৰুষজনাই নৱ-বৈষ্ণৱ ধৰ্মৰ মূল নীতিসমূহ যেনে একশৰণবাদ, নাম-ধৰ্মৰ শ্ৰেষ্ঠত্ব, দাস্য ভক্তিৰ উপযোগিতা আদি যুগুত কৰিছিল। এই আটাইখিনিকে কীৰ্তন-পুথিত বিভিন্ন প্ৰকাৰে বিৰিঙি উঠা দেখা যায়।

মহাপুৰুষীয়া ধৰ্মই শ্ৰৱণ আৰু কীৰ্তনক প্ৰাধান্য দিয়ে। প্ৰকৃততে নিৰক্ষৰ জনতাৰ বাবে এই দুটাই আছিল সবাতোকৈ প্ৰকৃষ্ট পন্থা। মহাপুৰুষৰ মতে, শাস্ত্ৰ অধ্যয়নৰ দ্বাৰা যি ফল প্ৰাপ্তি দুৰূহ, শ্ৰৱণ-কীৰ্তনৰ দ্বাৰা তাক সহজে পাব পাৰি—

"জ্ঞান অভ্যাসকো কহো নেদেখি
শ্ৰৱণ-কীৰ্তন তৰে সংসাৰৰ ক্লেশ"

মহাপুৰুষীয়া ধৰ্মৰ প্ৰকৃতি হ'ল দাস্য স্বামীৰ প্ৰতি দাসৰ যেনে ভক্তি আৰু অনুৰক্তি থাকে, ভগৱানৰ প্ৰতিও ভক্তৰ অনুৰাগ তেনে হোৱা উচিত। 'কীৰ্তন'ত মহাভক্ত বলিৰ মুখত দিয়া হৈছে —

"ঐশ্বৰ্য-জঞ্জাল নালাগে আমাৰ
ছিণ্ডা মোৰ মোহ পাশ
কৰা প্ৰভু দায়া জন্মে জন্মে হৈবো
তোমাৰ দাসৰো দাস ॥"

নিজকে দাসবো দাস আৰু দীন-হীন বুলি গণ্য কৰি প্ৰকৃত ভক্তসকলে ভগৱানৰ চৰণত আত্মসমৰ্পণ কৰে। এই আত্মসমৰ্পণ যেন স্বামীৰ কাষত ভৃত্যৰ আত্মোৎসৰ্গা। নৱবৈষ্ণৱ ধৰ্মৰ অন্য এক বৈশিষ্ট্য জাতিভেদ-হীনতা। উচ্চ কুলজাত আৰু শাস্ত্ৰজ্ঞ লোকেহে ধৰ্মৰ গুৰি ধৰা প্ৰথাৰ শংকৰদেৱে পৰিৱৰ্তন সাধিলে। "কুকুৰ চাণ্ডাল গদৰ্ভবো আত্মা ৰাম" বুলি তেওঁ কৈছে —

"ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যেন দৃষ্টি এক তুল॥
নীচত সাধুত যাৰ ভৈল এক জ্ঞান।
তাহাকেসে পণ্ডিত বুলিয় সৰ্বজন॥"

হৰিভক্তৰ মনত উচ্চ-নীচৰ পাৰ্থক্য নাথাকে। জাতি-বৰ্ণ নিৰ্বিশেষে সকলোৱেই হৰিভক্তিৰ অধিকাৰী।

দাস্যভক্তিৰ প্ৰসংগতে আহি পৰে মাধৱদেৱৰ কথা। তেওঁৰ 'নামঘোষা'ত দেখা যায় দাস্যভক্তিৰ অনুপম প্ৰকাশ। নানা সম্বোধনেৰে ভক্তকবিজনে তেওঁৰ দেৱতাক সম্বোধন কৰিছে। সখা, সুহৃদ, প্ৰিয়তম আদি সকলো আপোন সম্বন্ধৰে সম্বোধন কৰাৰ পিছত নাথ বা স্বামীৰূপে ভগৱানক গ্ৰহণ কৰি ভৃত্যৰূপে তেওঁ নিজকে সমৰ্পণ কৰিছে। ভক্তিৰ আতিশয্যত ভগৱানৰ প্ৰতি তেওঁ অভিযোগ কৰি ক'ব পাৰে -

"মোক নিজ দাস কৰি লৈলে হৰি এ
কহিয়ো কৃপাল
কি হয় তোমাৰ হানি।"

নামঘোষাত কোৱা হৈছে যে ভগৱান ভক্তৰ প্ৰতি দয়াশীল। ধেনুৱে যিদৰে বৎস পালন কৰে, ভগৱানেও সেইদৰে তেওঁৰ ভক্তসকলৰ তদাৰক কৰে। প্ৰকৃত ভক্তসকলে ভগৱানৰ চৰণ সেৱাৰ বাহিৰে অন্য কোনো সুখ কামনা নকৰে। এজন প্ৰকৃত ভক্তও ভগৱানৰ দৰে সেৱাৰ যোগ্য। তেনে এজনৰ দাস হ'বলৈ পোৱাটোও ভাগ্যৰ কথা। সেয়ে মাধৱদেৱে কৈছে —

"নোহো জানা আমি চাৰি জাতি
চাৰিও আশ্ৰমী নোহো আতি
কিন্তু পূৰ্ণানন্দ সমুদ্ৰৰ
গোপীভৰ্তা পদ কমলৰ
দাসৰো দাসৰ
তান দাস ভৈলো আমি।"

এটি বৰগীতত আছে —

"গোবিন্দ দীন দয়াশীল স্বামী।
তুহু মেৰি সায়েব চাকৰ হামি॥
কাকু কৰিয়া তেৰা চৰণে লাগো।
অৰুণ চৰণে চাকৰি মাগো॥
তেৰি চৰণে মেৰি পৰনাম।
চাকৰি মাগো - নাহি আন কাম॥"

কেৱল ভক্তিৰ বাবে ভক্তি কৰাই দাস্যভাৱৰ মূল কথা। সমস্ত কৰ্ম ভগৱানৰ চৰণত অৰ্পণ কৰি নিঃস্বাৰ্থভাৱে তেওঁৰ চৰণত বন্দনা কৰিলে সকলো আসক্তিৰ হাত সাৰিব পাৰি। আসক্তিবিহীন মনেৰে ভগৱানৰ সেৱা কৰিলে যি আনন্দ পোৱা যায় তাৰ কাষত মোক্ষলাভৰ আনন্দও তুচ্ছ হৈ পৰে।

মহাপুৰুষ দুজনাৰ ভক্তি-চিন্তা প্ৰকাশ কৰাৰ এক মনোৰম মাধ্যম আছিল বৰগীতবোৰ। পৰমপুৰুষৰ চৰণত আশ্ৰয় লোৱাৰ এক গভীৰ বাসনাৰে এইবোৰ সমৃদ্ধ। বৰগীতত ভক্তিয়েই ঘাই ৰস। হাস্য, কৰুণ, শৃংগাৰ আদি অন্যান্য ৰসৰ সৰু সৰু জুৰিবোৰ আহি ইয়াত ভক্তিৰ বৰলুইতত মিলি পৰে। তাৰ মাজতো কিন্তু তীব্ৰভাৱে জিলিক আছে বাৎসল্য ৰসৰ মনোৰম গীতসমূহ। এইবোৰ গীতত কৃষ্ণ এটি চঞ্চল শিশু। তেওঁৰ হাতত বাঁহী, মুখত লৱনুৰ গোন্ধ আৰু বচনত সীমাহীন চাতুৰি। এই শিশুকৃষ্ণৰ ৰূপ-ধ্যান বিশেষকৈ মাধৱদেৱৰ ভক্তি কবিতাৰ বিশেষত্ব। গোপীৰ ঘৰত লৱনু চুৰ কৰি ধৰা পৰা, ধৰা পৰি মিছা মতা, মাকৰ কাষত কথাই প্ৰতি ওজৰ পতা শিশুকৃষ্ণৰ মানৱীয় লীলাৰ মাজত প্ৰকাশ পোৱা ঐশ্বৰিক শক্তিৰ বিষয়ে তাত্ত্বিক আলোচনালৈ নগৈ মাধৱদেৱে সহজ সিদ্ধান্ত আগবঢ়াইছে —

"চাৰিত নিগম বেদ বন পৰিহৰা।
গোৱালীৰ ঘৰে গৈয়া ব্ৰহ্ম চিনি ধৰা॥"

সন্তকবি সুৰদাস আৰু টুকাৰামৰ গীতত এইদৰে শিশুকৃষ্ণৰ লীলাৰ মাজত ভগৱানক বিচৰা হৈছে।

বিৰক্তি আৰু পৰমাৰ্থৰ বৰগীতবোৰৰ মাজত শংকৰ-মাধৱে জীৱনৰ অনিত্যতাৰ প্ৰতি সচেতনতা আৰু মায়া -মোহেৰে ভৰা সংসাৰৰ পৰা হাত সৰাৰ ইচ্ছা প্ৰকাশ কৰিছে। ব্ৰহ্মৰ স্বৰূপ, ব্ৰহ্ম আৰু জীৱৰ সম্বন্ধ, মায়া আৰু অবিদ্যাৰ প্ৰভাৱত পৰা জীৱৰ দুখ-দুৰ্দশা একমাত্ৰ ত্ৰাণকৰ্তাৰূপে ভগৱান বিষ্ণুৰ শ্ৰেষ্ঠত্বৰ ঘোষণাৰে এইবোৰ ভৰপূৰ।

## ১.১.১ অসমীয়া বৈষ্ণৱ কাব্যত ভক্তিৰস ঃ

অসমীয়া বৈষ্ণৱ কবি আৰু ভক্তিৰস, দুয়োটাৰে সম্পৰ্ক যেন ইটোৰ পৰিপূৰক সিটো। অসমীয়া বৈষ্ণৱ কবিৰ ৰচনা বুলি ক'লেই যিখিনি গীত-নাটৰ কথা মনলৈ আহে তাৰ মাজত ভক্তিৰসৰ অবাধ প্ৰৱাহ সবাতোকৈ লক্ষণীয় বৈশিষ্ট্য। মহাপুৰুষ শংকৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱৰ সুবিশাল ৰচনা সম্ভাৰে অসমীয়া বৈষ্ণৱ সাহিত্যৰ অধিকাংশ ভৰাই থৈছে বাবে অসমীয়া বৈষ্ণৱ কবি বুলি ক'লে প্ৰথমতে এই দুজন মহাপুৰুষৰ নামেই মনলৈ আহে। প্ৰকৃততে কিন্তু আৰু কেইবাজনো বৈষ্ণৱ কবিয়ে নিষ্ঠা আৰু উৎসাহেৰে এওঁলোকৰ অনুপ্ৰেৰণাত সাহিত্য ৰচনা কৰিছিল। সূৰ্য আৰু চন্দ্ৰৰ দৰে দীপ্তিমান মহাপুৰুষ দুজনাৰ তুলনাত এওঁলোক আছিল দিনৰ নক্ষত্ৰৰ দৰে আপেক্ষিকভাৱে ম্লান। গতিকে অসমীয়া বৈষ্ণৱ কবিৰ ৰচনা বুলি ঘাইকৈ শংকৰদেৱ আৰু মাধৱদেৱৰ ৰচনাকে আমি আলোচনালৈ আনিম যদিও তেওঁলোকৰ অনুগামীসকলৰ ৰচনাৰ কিছু আলোচনায়ো ইয়াত ঠাই পাব।

বৈষ্ণৱ আৰু নৱ-বৈষ্ণৱ এই দুয়োটা শব্দৰ মাজত থকা সম্পৰ্কও বিশদ আলোচনাৰ যোগ্য। খুব চমুকৈ ক'বলৈ গ'লে বিষ্ণুভক্তসকলেই হ'ল বৈষ্ণৱ। তেন্তে নৱ-বৈষ্ণৱ সকলনো কোন? এনে ক্ষেত্ৰত ক'ব পাৰি যে বিষ্ণু দেৱতাক একমাত্ৰ উপাস্য বুলি ভবা যি বিশ্বাস প্ৰাক্‌শংকৰী যুগৰ আৰু শংকৰদেৱৰ সমসাময়িক সময়তো কোনো কোনো অঞ্চলত থকা বুলি জনা যায়, সেই বিশ্বাসৰ অনুগামীসকল আছিল বৈষ্ণৱ। তেওঁলোকে পূজা-অৰ্চনাৰ যোগেদি বিষ্ণুৰ উপাসনা কৰিছিল। এই বৈষ্ণৱ ধৰ্মৰ পিছত শংকৰদেৱেও নানা ধৰ্মীয় বিশ্বাস আৰু সংস্কাৰেৰে ভৰা এখন সমাজত প্ৰতিষ্ঠা কৰে নৱ-বৈষ্ণৱ ধৰ্মৰ। এই ধৰ্মত পূজা-অৰ্চনাৰে নহয়, কেৱল ভক্তিৰ দ্বাৰা ভগৱান বিষ্ণুক পোৱাৰ পথ নিৰ্দেশ কৰা হৈছে। গতিকে ভক্তি হ'ল এই ধৰ্মৰ সৰ্বপ্ৰধান বৈশিষ্ট্য। শংকৰদেৱ আৰু মাধৱদেৱে ধৰ্ম প্ৰচাৰৰ বাবে যিবোৰ অভিনৱ পন্থা গ্ৰহণ কৰিছিল, সাহিত্য-ৰচনা আছিল সেইবোৰৰ ভিতৰত অন্যতম। গতিকে এই সমূহ ৰচনাতে ভক্তিৰস যে উজ্জ্বল হৈ জিলিকি থাকিব সেইকথা নিশ্চিত। এই দুজনা মহাপুৰুষৰ অসংখ্য অনুগামীয়ে ৰচনা কৰা নানা প্ৰকাৰৰ সাহিত্য কৰ্মত ভক্তিৰসক প্ৰাধান্য দিয়াটো এটা ৰীতিতে পৰিণত হৈছিল। বৈষ্ণৱ কবি বুলি ক'লে আমি শংকৰ, মাধৱ আৰু তেওঁলোকৰ অনুগামীসকলকে ধৰিব লাগিব, যদিও সূক্ষ্ম বিচাৰত এওঁলোক নৱ-বৈষ্ণৱ ভাৱধাৰাৰহে কবি।

ভক্তিৰ স্বৰূপ আৰু উপযোগিতা—অসমীয়া বৈষ্ণৱ কবিসকলৰ ৰচনাৰ বহু অংশত ভক্তি সম্পৰ্কে বিস্তৃত আলোচনা দেখা যায়। এই আলোচনাত ভক্তিৰ স্বৰূপ, সংজ্ঞা আৰু উপযোগিতাৰ কথা নানাভাৱে ব্যাখ্যা কৰা হৈছে। ভক্তিয়ে

দিব পৰা অপৰিসীম আনন্দ আৰু ভক্তিৰ মাহাত্ম্যৰ কথা শংকৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলি, ৰামসৰস্বতী, ৰত্নাকৰ কন্দলি, গোপালদেৱ, ৰামচৰণ ঠাকুৰ, ভট্টদেৱ, পদ্মপ্ৰিয়া, যদুমণিদেৱ আদিয়ে নানা ঠাইত কৈ গৈছে। ভাগৱত-পুৰাণৰ নিৰ্দেশিত পথেৰেই শংকৰ-মাধৱে সৰ্ববিধ পন্থৰ ভিতৰত ভক্তিক উচ্চ আসন দিছিল। এওঁলোকে মত প্ৰচাৰ কৰিছিল যে পৱিত্ৰ অন্তৰেৰে আহ্বান কৰিবলৈ জানিলে তপ-জপ-তীৰ্থ ব্ৰতেৰে পাব নোৱৰা ভগৱানে সহজে ধৰা দিয়ে। শংকৰদেৱৰ 'ভক্তি-ৰত্নাকৰ' আৰু মাধৱদেৱৰ 'ভক্তি-ৰত্নাৱলী' পুথিৰ মাজত ভক্তিৰ মাহাত্ম্য তীব্ৰভাৱে ঘোষিত হৈছে। কিন্তু গীত, কাব্য আৰু নাটসমূহৰ মাজত ভক্তিৰসৰ প্ৰকাশ এইবোৰতকৈ বেছি কলাসুলভ।

মহাপুৰুষ দুজনাৰ মতে ভক্তি এনে এক অনুভূতি—যি দিব পাৰে গভীৰ আনন্দৰ সন্ধান। ভক্তি, গভীৰ প্ৰেমৰে অন্য এক ৰূপ। 'নাৰদীয় ভক্তি সূত্ৰ'ৰ মতে ভগৱানৰ প্ৰতি থকা গভীৰ আৰু ঐকান্তিক প্ৰেমেই হৈছে ভক্তি। শাণ্ডিল্যৰ ভক্তি সূত্ৰতো গভীৰ ভগৱৎ-প্ৰেমক ভক্তি আখ্যা দিয়া হৈছে। মাধৱদেৱে কৈছে যে ভক্তি হ'ল ৰসময়ী, আনন্দৰ আধাৰ। ভাগৱত-পুৰাণে বিভিন্ন প্ৰকাৰৰ ভক্তিৰ কথা নানা ঠাইত উল্লেখ কৰিছে। অসমৰ বৈষ্ণৱ সমাজত নৱবিধ ভক্তিৰ কথা শুনা যায়। এই নৱবিধ হ'ল শ্ৰৱণ, কীৰ্তন, স্মৰণ, অৰ্চন, বন্দন, পদসেৱন, দাস্য, সখ্য আৰু আত্মনিবেদন। 'ভক্তি-ৰত্নাৱলী' পুথিত অন্য এক প্ৰকাৰেও মাধৱদেৱে ভক্তিৰ শ্ৰেণী বিভাগ কৰি দেখুৱাইছে। সেই কেইটা হ'ল—ভাগৱতী ভক্তি, প্ৰেম ভক্তি আৰু কেৱল ভক্তি। বৈষ্ণৱ সাহিত্যৰ মাজত সঘনে উচ্চাৰিত হোৱা ভক্তিৰ পথ দুবিধ হ'ল—শ্ৰৱণ আৰু কীৰ্তন। মহাপুৰুষীয়া ধৰ্মৰ মূল আদৰ্শ এই দুবিধৰ ওপৰতে প্ৰতিষ্ঠিত। বৈষ্ণৱ কবি-সকলৰ ৰচনাৰ নানা ঠাইত নানাভাৱে শ্ৰৱণ-কীৰ্তনৰ মাহাত্ম্য প্ৰকাশ পাইছে। সেইবোৰৰ প্ৰকাশ পুৰণি পুথিৰ পাত মেলিলেই চকুত পৰে। কিন্তু অসমীয়া বৈষ্ণৱ কবিৰ কবিতাৰ মাজত ভক্তিৰ যি স্বৰূপ মোহনীয়ভাৱে ধৰা পৰে, সেয়া হ'ল দাস্য ভক্তি। দাসৰ দৰে ভগৱানৰ চৰণত নিজকে অৰ্পণ কৰিব পৰাৰ এক অতুলনীয় আনন্দ আছে। সেই আনন্দৰ তুলনা নাই। এই আনন্দৰ তুলনাত পাৰ্থিৱ সকলো সুখ নগণ্য হৈ পৰে। ভক্তি হ'ল নিৰৱচ্ছিন্ন সাধনা। এই সাধনাত ৰত হৈ থাকিব পৰাৰ শান্তিৰ তুলনাত মুক্তিৰ আনন্দ তুচ্ছ হৈ পৰে। মুক্তিতকৈ ভক্তি শ্ৰেষ্ঠ—এই চৰম ঘোষণা হ'ল অসমীয়া বৈষ্ণৱ কবিসকলৰ ৰচনাৰ ঘাই বৈশিষ্ট্য। ভক্তিক মোক্ষ লাভৰ আহিলা বুলি স্বীকাৰ কৰা হৈছে। কিন্তু মোক্ষ সাধনৰ বাবে ভক্ত যেতিয়া ভক্তিত ৰত হয়—তেতিয়া আৰু মোক্ষৰ কথা তেওঁৰ মনত নাথাকে। তেওঁৰ বাবে একমাত্ৰ কথা হৈ পৰে ভক্তিৰ অমৃত সাগৰত বুৰ গৈ থকাটো। ভগৱন্তৰ সেৱাত ইমানেই আনন্দ আছে যে এবাৰ সেই আনন্দৰ সোৱাদ পোৱাৰ পিছত "মুকুতি সুখকো তেজি মহাজনে সদা ৰাম নাম ধৰে।" ভক্তিৰ মাহাত্ম্য ইমানেই বেছি যে সকামী লোকেও যদি কোনো কামনা

মনত লৈ হৰিসেৱাত ৰত হয়, পিছলৈ তেওঁ কামনা শূন্য হৈ নিষ্কাম ভক্তত পৰিণত হয়। কৰ্ম, যোগ, জ্ঞান, বেদমন্ত্ৰ নাইবা তীৰ্থস্নানেৰে বশ্য কৰিব নোৱাৰা ভগৱন্তক একান্ত ভক্তিৰে সহজে বশ কৰিব পাৰি।

বৈষ্ণৱ কবিসকলৰ অনুভৱ হ'ল—

"তোমাৰ ভকতি ৰসে মুকুতিকো
কৰে আতি উপহাস"

আত্ম উপলব্ধিৰ ক্ষেত্ৰত ভক্তি প্ৰধান আছিলা। গতিকেই ভক্তি হৈছে এক প্ৰকাৰ সত্যস্পৃহা। ভক্তি হ'ল আত্মসমৰ্পণ, তাৰ লগতে থাকে আন্তৰিক শ্ৰদ্ধা। এই দুইৰ সংযোগত জীৱ আৰু ব্ৰহ্মৰ অভেদত্ব সম্পৰ্কে অপ্ৰয়াস জ্ঞান লাভ হয়।

ভক্তি যেতিয়া ঐকান্তিক হয়, তেওঁৰ সমগ্ৰ অনুৰক্তি থূপ খায়গৈ ইষ্টদেৱৰ চৰণত। সকলো চিন্তা আৰু সংকোচ আঁতৰাই থৈ ব্ৰজগোপীকাৰ দৰে লোক-লজ্জা, চক্ষুলজ্জা এৰি অহৰ্নিশে কৃষ্ণপ্ৰেমত মগ্ন হ'ব পৰাই হৈছে প্ৰকৃত ভক্তি।

আগতেই কোৱা হৈছে যে অসমীয়া বৈষ্ণৱ কবিৰ ৰচনাত ফুৰ্টি উঠা ভক্তি-ভাবৰ বৈশিষ্ট্য হ'ল দাস্য ভাব। শংকৰদেৱ আৰু মাধৱদেৱৰ ৰচনাত ইয়াৰ সুন্দৰ প্ৰকাশ চকুত পৰে।

পৰৱৰ্তী কবিসকলৰ ভিতৰত অনন্ত কন্দলিয়ে অনুবাদ কৰা দশমৰ এছোৱাৰ মাজত ভক্তিৰসৰ প্ৰকাশ পৰিস্কাৰ আৰু আকৰ্ষণীয়। এওঁ ৰচনা কৰা ৰামায়ণখনিতো ভক্তিৰসৰ প্ৰলেপ দিয়াৰ কথা নিজে এইদৰে কৈছে—

"ভাগৱত ৰস মিশলাইলো কিছো কৃষ্ণৰ
কৃপাক পাই ॥"

'কুমৰ-হৰণ' নামৰ মনোমোহা কাব্যখনিতো কন্দলি কবিয়ে প্ৰচুৰ ভক্তিৰসৰ মিশ্ৰণ দিছে। এইখিনিতে আৰু এটা কথা মন কৰা উচিত। বৈষ্ণৱ কবিসকলৰ ৰচনাত ভক্তিৰস বিচাৰ কৰিবলৈ যাওঁতে তেওঁলোকৰ ৰচনাসমূহৰ এটি চমু বিভাজন কৰি লোৱা আৱশ্যক। কবি শব্দটোৰ দ্বাৰা কেৱল কবিতাৰ কথা আহি পৰে, আনহাতে ৰচনা শব্দটোৱে সাহিত্যৰ বাকীবোৰ দিশকো সামৰি লয়। গীত,নাট, কাব্য আৰু তত্ত্বমূলক আলোচনাৰ পুথি ঘাইকৈ এই বিভাগসমূহৰ ভিতৰত পৰে। কিন্তু ভক্তি আৰু ভক্তিৰস শব্দকেইটাৰ অৰ্থৰ মাজত পাৰ্থক্য আছে। তত্ত্বমূলক আলোচনাৰ মাজত ভক্তিৰ স্বৰূপ বা লক্ষণৰ যি অধ্যয়ন পোৱা যায়, সি ৰসহীন অথচ যুক্তিপূৰ্ণ আলোচনা মাথোন। তাত ৰসৰ আস্বাদ নাই। সেই আস্বাদ আছে ঘাইকৈ গীত আৰু কাব্যবোৰত, আৰু কেতিয়াবা নাটৰ মাজত। গতিকে ভক্তিৰ সম্পৰ্কে কিছু কথা ক'বলৈ যদিও ভক্তি-ৰত্নাকৰ আৰু ভক্তি-ৰত্নাৱলীৰ সহায় লোৱা হৈছে—ভক্তিৰসৰ আলোচনাৰ বাবে এইবোৰে সহায় কৰিব নোৱাৰে। ইয়াত লাগিব কীৰ্তন, নামঘোষা, ৰুক্মিনী হৰণ কাব্য,

ৰাজসূয় কাব্য , কুমৰ-হৰণ কাব্য, নাট-ঝুমুৰা আৰু পিছৰ কালৰ কিছু গীত-কাব্যৰ সহায়।

ৰস শব্দটোৱে দিয়ে গভীৰ আনন্দময়তাৰ ইংগিত। যি আনন্দ ব্ৰহ্মানন্দৰ সমপৰ্যায়ৰ। বৈষ্ণৱ কবিসকলে ভক্তিকো ৰসৰ মাজত থৈছে, যদিও নৱবিধ ৰসৰ মাজত ভক্তিৰ নাম মূলতে নাই। অসমীয়া সাহিত্যত য'তে ভক্তিৰসৰ জিলিকনি—তাতে আছে অসীম মানসিক শান্তিৰো আভাস। অনুভূতিৰ গভীৰতা ভক্তি-কবিতাসমূহৰ প্ৰধান আকৰ্ষণ। ভক্ত কবিৰ গভীৰ বিশ্বাস আৰু তীব্ৰ ভগৱৎ-প্ৰেমৰ প্ৰকাশেৰে ভক্তি কবিতাসমূহ সুন্দৰ হৈ উঠিছে। বৰগীতবোৰ হ'ল ভক্তিৰসৰ আকৰ। পৰমপুৰুষৰ চৰণত আশ্ৰয় লোৱাৰ গভীৰ বাসনাৰে এইবোৰ সমৃদ্ধ। মায়া মোহেৰে ভৰা সংসাৰৰ মাজত যন্ত্ৰণাকাতৰ ভক্তৰ আকূতি প্ৰকাশ পাইছে শংকৰদেৱৰ গীতত—

"পাৱে পৰি হৰি কৰোহো কাতৰি
প্ৰাণ ৰাখবি মোৰ
বিষয় বিষধৰ বিষে জৰ জৰ
জীৱন নাৰহে মোৰ ॥"

একে সুৰতেই মাধৱদেৱেও কৈছে—

"মোকে দেখিও না কেনে আহে জগন্নাথ
মই বৰ পাপেৰ পাপী
সংসাৰ-চক্ৰত পৰিয়া তোমাৰ
চৰণে নধৰো চাপি ॥"

বিষ্ণু বন্দনাৰ একেই সুৰ ফুটি উঠিছে গোপালদেৱৰ গীতত—

"মাধৱ মাধৱ প্ৰাণ মাধৱ মাধৱ আত্মা
মাধৱ মাধৱ গুৰু ইষ্ট
মাধৱ মাধৱ নাম সুমৰণে সুমঙ্গল
মাধৱেসে ইষ্ট দেৱ নিষ্ট।"

এনে উদাহৰণ গীতবোৰত অসংখ্য পোৱা যায়। তাক ব্যাখ্যা কৰি আলোচনা সুদীৰ্ঘ কৰাতকৈ অন্য দিশ কেইটিমান চোৱা যাওক।

বৈষ্ণৱ সাহিত্যত অন্য ৰস যে নাই এনে নহয়। হাস্য, কৰুণ, শৃংগাৰ আদি নানা ৰসৰ ভুৰিবোৰ আহি ইয়াত ভক্তিৰসৰ বৰলুইতত মিলি পৰিছে। শৃংগাৰৰ দৰে প্ৰবল আবেদনযুক্ত ৰসক বৈষ্ণৱ কবিসকলে কেনেকৈ ভক্তিৰসৰ ফালে টানি নিছিল তাৰ উদাহৰণ হ'ল শংকৰদেৱৰ 'কীৰ্তন' পুথিৰ অন্তৰ্গত 'হৰমোহন' আৰু 'ৰাসক্ৰীড়া'ৰ অধ্যায় দুটা। উপকৰা দৃষ্টিত চাবলৈ গ'লে শংকৰদেৱৰ 'হৰমোহন' খণ্ড উগ্ৰ আদি ৰসাত্মক। ই কিছু পৰিমাণে অশ্লীলতাৰে কাষ চপা। মোহিনীবেশী বিষ্ণুৰ পাছে পাছে দৌৰি ফুৰা শিৱৰ বিভিন্ন অংগি-ভংগি আৰু প্ৰলাপ বাক্যবোৰ অতিশয় আদিৰসাত্মক। সেইদৰে

কৃষ্ণ-গোপিকাৰ কামকেলিৰ বৰ্ণনাও সম পৰ্যায়ৰ।

ভক্তি কবিতাৰ মাজত প্ৰকাশ পোৱা এবিধ সুকুমাৰ সৌন্দৰ্য হ'ল কেতিয়াবা এইবোৰৰ মাজেদি প্ৰকাশ পোৱা এক ৰহস্যবাদী ভাবধাৰা। ৰহস্যবাদ এক বিচিত্ৰ অনুভূতি। অদ্ভুতভাৱে ভক্তি-কবিতাৰ লগত ই মাজে মাজে জড়িত হৈ পৰে। ভাৰতীয় সাহিত্যত যিবোৰ প্ৰেম-ভক্তিৰ গীত প্ৰচলিত হৈ আছে তাৰে বহুতৰ মাজত ৰহস্যবাদৰ প্ৰচ্ছন্ন সুৰ এটি ধৰা পৰে। অসমীয়া বৈষ্ণৱ কবিৰ ভক্তি কবিতাত ৰহস্যবাদৰ প্ৰকাশৰ এটি মনোমোহা নিদৰ্শন হ'ল মাধৱদেৱৰ 'নামঘোষা'ৰ অন্তৰ্গত কেইটিমান কবিতা। উকা দৃষ্টিত চাবলৈ গ'লে 'নাম-ঘোষা' এখন ধৰ্মপুথি। কিন্তু কাব্যিক সৌন্দৰ্যৰ ফালৰ পৰা চাবলৈ গ'লে এইখন এখন কবিতাৰ পুথিও। ইয়াৰ কেইটিমান কবিতা অসমীয়া ৰহস্যবাদী কবিতাৰ উৎকৃষ্ট নিদৰ্শন। কবি মাধৱদেৱে যি আকুলতাৰে তেওঁৰ প্ৰিয় ভগৱানৰ, যিজন শ্ৰীমন্ত সুন্দৰ গুৰ্ণনিধি,সন্ধান কৰিছে সেই আকুলতা তুলনীয় এজন ৰহস্যবাদী কবিৰ প্ৰিয়া-সন্ধানৰ লগত। ৰহস্যবাদীসকলে সকলো সুন্দৰ বস্তুৰ আঁৰতে একেটি সুন্দৰ আৰু মংগলময় সত্তাৰ অস্তিত্ব অনুভৱ কৰে আৰু সেই সত্তাৰ অনুসন্ধানত পাৰ কৰে অলেখ অশান্ত প্ৰহৰেৰে ভৰা দিন-ৰাতি। মাধৱদেৱৰ বাবেও প্ৰিয়তমৰ লগত সংযুক্ত সকলো বস্তুৱেই সুন্দৰ আৰু মংগলময়। তেওঁৰ বাবে "ৰাম নামেসে অমিয়া ঝুৰে।" এই মংগলময় চিৰসুন্দৰক বিচাৰি তেওঁ যি নিৰাশা আৰু হতাশাৰে মাজে মাজে ভাৰাক্ৰান্ত হৈ পৰিছে তাৰ ইংগিত পোৱা যায় নামঘোষাৰ কেইটিমান ঘোষাত। বাঞ্চিতক পোৱাৰ পিছত তেওঁৰ মনত উদয় হোৱা শান্তিৰো সম্ভেদ পোৱা যায় একেখনি পুথিত।

ভক্তি-কবিতাৰ অন্যতম এক আকৰ্ষণ হ'ল অলংকাৰৰ প্ৰয়োগ। সাধাৰণতে অলংকাৰ প্ৰয়োগৰ লক্ষণ সংস্কৃত ধ্ৰুপদী সাহিত্যৰ অনুৰূপ। ইয়াত ভগৱানৰ অমৃতময় ৰূপৰ উপমা নানা ধৰণে তুলি ধৰা হয়। তেওঁৰ মুখ পদুমৰ দৰে। চকুও পদুমপাহিৰ দৰে, চৰণো কমল-সদৃশ আৰু হস্তও পদ্মৰ অনুৰূপ। কেতিয়াবা তুলনা কৰা হৈছে পূৰ্ণচন্দ্ৰৰ লগত তেওঁৰ মুখমণ্ডলৰ আৰু গোপীসকলৰ চকুক তুলনা কৰা হৈছে চকোৰৰ লগত। উজ্জ্বল সূৰ্যৰ লগত কৃষ্ণক তুলনা কৰা এটি সুন্দৰ গীতত গোপালদেৱে এনেধৰণৰ সজীৱ অলংকাৰ প্ৰয়োগ কৰিছে—

"গোকুলে আজু গোপাল বিনে ভয়ো আন্ধিয়াৰি
উগত সুৰ দূৰ গয়োৰে গোবিন্দ।
নয়নে নেদেখো আৰু পদ অৰবিন্দ॥
ৰবি বিনে দিন নোহে জল বিনে মীন।
হৰি বিনে গোপীৰ জীৱন ভৈল ক্ষীণ॥"

শংকৰদেৱৰ উত্তৰ-কাণ্ড ৰামায়ণত পৰমপুৰুষ ৰামচন্দ্ৰৰ মানৱী-লীলাৰ প্ৰকাশ কবি লক্ষ্মণৰ বিয়োগত করুণ ৰসাত্মক বিলাপৰ পদ সিদ্ধিনি দিয়া হৈছে—তাৰ মাজত আছে অত্যন্ত অৰ্থবহ উপমা—

"সীতাৰো সন্তাপে ইটো যেন ভৈল চুলি।
তোৰ শোক অগনিয়ে আৰে মাৰে পুলি ॥
আসি ঋষি দুৰ্ব্বাসা খোচনি ভৈল দাণ্ডি।
কালৰে বচনে তোৰ ভৈলো তল গাণ্ডি ॥"

শিশুকৃষ্ণৰ ৰূপ বৰ্ণনাত ভক্ত-কবি মাধৱদেৱে যিবোৰ অলংকাৰ প্ৰয়োগ কৰিছে তাৰ মাজত উবুৰি খাই পৰিছে তেওঁৰ আন্তৰিক অনুৰক্তি। কানাইৰ ৰূপৰ মাজত মেঘ, বিজুলি, নীল আকাশ, চিকিমিকি নক্ষত্ৰ আদি সকলোৰে শোভা তেওঁ দেখা পাইছে। কানাইৰ চূয়াবন্ধা চুলিত সুগন্ধি পুষ্পৰাজিক তেওঁ তুলনা কৰিছে ফুলেভৰা শিখৰৰ লগত। তেওঁৰ পুৰাৰ গীতসমূহত প্ৰাকৃতিক সৌন্দৰ্যৰ মনোমোহা ছবি স্পষ্ট।

ভক্তি-সাহিত্যৰ অন্যতম বৰগীতবোৰৰ বৈশিষ্ট্য হ'ল সুৰ আৰু তালত। ভাৰতীয় ৰাগ-সংগীতৰ পৰম্পৰা বহন কৰি অনা এই বৰগীতবোৰৰ বিষয়ে বহল আলোচনাৰ থল আছে। ভক্তিৰস ইয়াত উপচি আছে। অন্যান্য ৰসে ভুমুকি মাৰিলেও বৰগীতৰ মূল বক্তব্য হ'ল ভগৱান বিষ্ণুৰ শ্ৰেষ্ঠত্ব আৰু তেওঁৰ চৰণত শৰণ লোৱাৰ যুক্তিযুক্ততা।

বাৎসল্য ভাৱৰ মাজেদি ভক্তিৰস নিগৰাই অনাটোও অসমীয়া বৈষ্ণৱ কবিসকলৰ এটি ৰীতি। 'কৃষ্ণকৰ্ণামৃত'ৰ এধানি শিশু কানাই মাধৱদেৱৰ গুণতে অসমীয়া সমাজত এটি চিনাকি শিশু। তেওঁৰ মুখত লৰুনুৰ গোন্ধ, কথাত চাতুৰি। হাতত শিঙা-বেত আৰু গৰখীয়া ৰূপৰ মাজত অসীম শক্তিমন্ত বিৰাটৰ আভাস। মাতৃ যশোদাৰ মৰমী হিয়াৰ মাজত যি চেনেহ আৰু আকুলতা সোমাই আছে সি ভক্তিৰে নামান্তৰ।

"সব পুৰুষৰ শিৰৰ ভূষণ
তুমি সে বাপু গোবিন্দ" বুলি কানাইৰ প্ৰেমত গদ্ গদ্ হোৱা যশোদাই ত্ৰিজগতৰ পতি হৰিক ৰাখোৱাল স্বৰূপে পাইছে। তাৰ মাজত নিহিত হৈ আছে ভক্তিৰ মাহাত্ম্য আৰু প্ৰসাদ বা অনুগ্ৰহৰ তাৎপৰ্য।

যশোদাৰ বাৎসল্য স্নেহক বিবুদ্ধি কৰি শ্ৰীধৰ কন্দলিৰ 'কাণখোৱা'ত কানাইয়ে কৈছে—

"অনাদি স্বৰূপে জগত স্ৰজিলো
চৰাচৰ ভেদ কৰি
সমস্ত জগত প্ৰতিপাল কৰি
আত্মা ৰূপে আছো ধৰি ॥
ব্ৰহ্মা মহেশ্বৰ আদি কৰি যত
সমস্তে মোৰ স্ৰজনা
মই নজানিলো সিটো কাণখোৱা
স্ৰজিলেক কোনজনা ॥"

এইদৰে বাৎসল্য ৰসো মিলি পৰিছে ভক্তিৰসত।

বৈৰীভাৱে চিন্তি হৰিক লাভ কৰা—ইও এক গভীৰ তাৎপৰ্যপূৰ্ণ ৰহস্য। শংকৰদেৱৰ বিষ্ণুৱে শাপভ্ৰষ্ট জয়-বিজয়ক কৈছে—

"বৈৰীভাৱে চিন্তিবিহি মোক।
অন্তকালে পাইবি এহি লোক॥"

ইয়াৰ মাজত আছে ৰাতি দিনে ভগৱানক সুঁৱৰিলে সেই পৱিত্ৰ স্মৰণৰ দ্বাৰা কেনেদৰে জীৱৰ মুক্তি ঘটে তাৰ ইংগিত।

ভক্তিৰসৰ উদ্দীপনৰ বাবে কাব্য বা নাটসমূহত কিছুমান পাত্ৰ-পাত্ৰী লাগে। সাধাৰণতে ৰুক্মিনী, সীতা, অক্ৰুৰ, উদ্ধৱ, গোপীসকল, যশোদা আদিৰ স্তুতিৰ দ্বাৰাই বৈষ্ণৱ কবিসকলে এই ৰসৰ সৃষ্টি কৰে। ৰাধাৰ স্থান ইয়াত নাই। সেইটোৱেই হ'ল সবাতোকৈ লক্ষণীয় বৈশিষ্ট্য। য'ত ৰাধা নামটো আছে—তাত তেওঁ এগৰাকী সাধাৰণ গোপবধূ, কৃষ্ণৰ প্ৰেমিকা নহয়।

ভক্তিৰসৰ সৃষ্টিৰ বাবে খেদ আৰু আত্মলঘিমা অসমীয়া বৈষ্ণৱ কবিসকলৰ ব্যৱহৃত এটি মাধ্যম। দুয়োজনা মহাপুৰুষৰ ৰচনাখিনি বাদ দিলে দেখা যাব যে পিছৰ কালৰ কবিসকলেও সময়মতে যথোচিত ভক্তি মনত নোপজাৰ বাবে নিজকে দোষাৰোপ কৰাটো এটি সাধাৰণ কথা আছিল। ৰত্নাকৰ কন্দলিয়ে 'সহস্ৰ-নাম-বৃতান্ত'ত কৈছে—

"কি কৰিলো কি কৰিলো ভকতি নকৰি।
অন্তক পাইলেক প্ৰভু ৰক্ষা কৰা হৰি॥"

ৰামচৰণ ঠাকুৰে গোপীসকলৰ মুখেদি যেন নিজৰে বেদনা ব্যক্ত কৰিছে—

"বিধি ভৈল বাম মাধৱৰ নাম
বান্ধৱে ভৈলো বঞ্চিত
কৃষ্ণৰ বিৰহে জীৱন নাৰহে
মৰণে ভৈলো সন্নিত॥"

শ্ৰৱণ আৰু কীৰ্তন—মহাপুৰুষীয়া ধৰ্মৰ এই দুই মূল পন্থাই আছিল বৈষ্ণৱ কবিসকলৰ ভক্তিৰ আদৰ্শ। তাকে তেওঁলোকে নানা ঠাইত নানাভাৱে প্ৰচাৰ কৰিছে।

**ভক্তি সাহিত্যৰ সীমাবদ্ধতা ঃ** যিবোৰ সাহিত্যত বেছিকৈ ভক্তিৰস আছে, সেইবোৰেই হ'ল ভক্তি সাহিত্য। বৈষ্ণৱ কবিসকলৰ ৰচনাত বিষ্ণু-ভক্তিৰ মাহাত্ম্য ইমানেই সুস্পষ্ট যে সেইবোৰ কেতিয়াবা ধৰ্মগুৰুৰ ভাষণৰ দৰে ৰসহীন হৈ পৰে। দুয়োজনা মহাপুৰুষৰ ৰচনাত যি শক্তিশালী প্ৰতিভাৰ নিদৰ্শন আছে—সেইবোৰৰ আবেদন অৱশ্যে সাৰ্বজনীন। তেওঁলোকৰ নাট আৰু কাব্যৰ চৰিত্ৰসমূহে সাধাৰণ মানুহৰ সুখে-দুখে ভৰা জগতত অপূৰ্ব আনন্দৰসৰ সন্ধান দিব পাৰে। কিন্তু প্ৰায়ক্ষেত্ৰতে মাধৱ কন্দলি, পীতাম্বৰ কবি আদিৰ ৰচনাত থকা তৰল আনন্দৰ পৰা এইবোৰ বঞ্চিত। দুজনা গুৰুৰ কথা বাদ দি বাকী বৈষ্ণৱ

কবিসকলৰ ক্ষেত্ৰত দেখা যায় যে লোক-ৰঞ্জনৰ বাবে প্ৰয়োজন হোৱা বহুতো উপাদান এইবোৰত নাই। লৌকিক কবিসকলৰ ৰচনাত আছিল মাটিৰ গোন্ধ। তেজ-মঙহৰ মানুহৰ সঁচা কামনা-বাসনা আৰু দুখ-বেজাৰৰ দীঘলীয়া বৰ্ণনা দি তেওঁলোকে সাধাৰণৰ মন মুহিব পাৰিছিল। কিন্তু বৈষ্ণৱ কবিসকলৰ আনন্দ-দানৰ ক্ষমতা আছিল কিছু সীমাবদ্ধ। কাৰণ তেওঁলোকে জীৱনৰ একেটি চৰম উদ্দেশ্যৰ কথাহে সকলো ঠাইত কৈছিল। সেই উদ্দেশ্য হ'ল হৰিত ভকতি কৰা। ভক্তিৰ আগত জীৱনৰ বাকী সকলো উদ্দেশ্য অৰ্থহীন বুলি গণ্য কৰা হৈছিল। কিন্তু যিসকল লোক সেই সময়ত বৈষ্ণৱ ধৰ্মৰ বৃত্তৰ বাহিৰত আছিল তেওঁলোকৰ বাবে সেই প্ৰচাৰ ধৰ্মীতা ৰসহীন বোধ হোৱাই স্বাভাৱিক। তদুপৰি বিষ্ণু, কৃষ্ণ বা ৰামৰ পৰমপুৰুষত্ব যেতিয়া অতিমাত্ৰাই স্পষ্ট হৈ জিলিকি থাকে, তেতিয়া ৰচনাৰ কলাসুলভতা কমি যোৱাৰ আশংকাও বেছি হৈ পৰে। দুয়োজনা মহাপুৰুষৰ নিপুণ ৰচনাত কলাসুলভতা কোনো ক্ষেত্ৰতে হ্ৰাস পোৱা নাছিল যদিও অনুগামীসকলৰ ৰচনা কেনেভাৱে গতানুগতিক হৈ পৰিছিল অংকীয়া নাটৰ অৱনতিলৈ মন কৰিলেই সেইকথা জানিব পাৰি। বিবিধ ৰসৰ প্ৰয়োগৰ ক্ষেত্ৰতো বৈষ্ণৱ কবিসকলে কিছু সীমাবদ্ধতা মানি চলিবলগীয়া হৈছিল। মাধৱ কন্দলিৰ দৰে লৌকিক কবি আৰু সুকবি নাৰায়ণদেৱ আদি পাঁচালী কবিৰ দৰে মুকলি মনেৰে শৃংগাৰ বা কৰুণ ৰস ব্যৱহাৰ নকৰি এইবোৰক ভক্তিৰসলৈ বোৱাই নিয়াটো এটা ৰীতিতে পৰিণত হৈছিল। ফলত ৰচনা কেতিয়াবা কৃত্ৰিম হৈ পৰাটোও লক্ষণীয়।

ভক্তিৰস প্ৰধান এই ৰচনাসমূহে অসমীয়া সাহিত্যৰ বিশাল অংশ অধিকাৰ কৰি আছে। এইবোৰৰ মাজত সোমাই থকা উপদেশ আৰু নীতি-বচনে আজিও অসমীয়া মানুহৰ আধ্যাত্মিক চিন্তাৰ জগতখন নিয়ন্ত্ৰণ কৰি আছে। মূলতে এইবোৰ উদ্দেশ্যমূলক ৰচনা হ'লেও এইবোৰৰ ৰচনা-কৌশল, ভাষাৰ আলংকাৰিক গুণ আৰু মাজে মাজে ফুটি উঠা সামাজিক ছবিৰ একাংশই এইবোৰক সৰ্বকালৰ সৰ্বশ্ৰেণীৰ অসমীয়া মানুহৰ জাতীয় সম্পদত পৰিণত কৰিছে।

অসমীয়া বৈষ্ণৱ কবিৰ ৰচনাত ভক্তিৰস বিচাৰিবলৈ গ'লে তাৰ উদাহৰণ দি অন্ত কৰিব পৰা নাযায়। এই প্ৰবন্ধত ভক্তিৰস প্ৰধান ৰচনাসমূহৰ বিবিধ বৈশিষ্ট্যহে আলোচনা কৰা হ'ল।

## ১.২ ৰহস্যবাদ ঃ

কবিতাৰ জগতত ৰহস্যবাদ এটি পুৰণি নাম। ই এটি বিশিষ্ট ধাৰা। প্ৰকৃততে কবিৰে নহয়, সকলো মানুহৰে মনত কিছুমান চিৰন্তন প্ৰশ্ন থাকে, যিবোৰৰ কোনো সহজ উত্তৰ নাই। নদীৰ অবিৰাম গতি, পখীৰ গীত, পাহাৰৰ

উচ্চতা সকলোবে মাজত বিস্ময়ব গভীৰ সমল থুপ খাই আছে। আনহে নালাগে, মানুহৰ নিজৰ মাজতে চোন, অসীম ৰহস্য। এই সকলো ৰহস্য, সকলো বিস্ময়, সকলো জিজ্ঞাসাৰ আঁৰ কাপোৰখনি উদঙাবলৈ যুগে যুগে মানৱৰ যত্নৰ শেষ নাই। এচাম মানুহে সেই যত্নৰ শেষত আৱিষ্কাৰ কৰিছে পৰম শক্তিমান এটি সত্তাৰ অস্তিত্ব। কোনো সীমাৰে আবদ্ধ কৰিব নোৱৰা, কোনো বান্ধোনেৰেও বান্ধিব নোৱৰা সেই নামহীন, ব্যাখ্যাহীন, সত্তাটিৰ সন্ধানত মানৱ প্ৰাণে চিৰকলীয়া যাত্ৰা কৰে। এই যাত্ৰা যন্ত্ৰণা আৰু বিষাদেৰে ভৰা, যিজনক জানিবলৈ, দেখিবলৈ বা ওচৰত পাবলৈ অন্তৰেৰে কামনা কৰা হয়, তেওঁক যদি বুজো বুজোকৈও বুজিব নোৱাৰি, দেখা দিও যদি তেওঁ পলকতে হেৰায়, তাতোকৈ বেদনাৰ কথা আৰু কি হ'ব পাৰে? সেয়েহে ৰহস্যৰ পিছত লৰি ফুৰোঁতে সাধক, কবি আৰু দাৰ্শনিক, প্ৰতিজনেই অনুভৱ কৰে ৰহস্যময় আকুলতা। কবিৰ ক্ষেত্ৰত এই আকুলতা বেছি গভীৰ হয়। কাৰণ তেওঁ হ'ল সাধাৰণতেই এক সংবেদনশীল হৃদয়ৰ গৰাকী।

ৰহস্যবাদ সাহিত্যৰ সম্পদ যদিও তাৰ ঘাই সম্বন্ধ আধ্যাত্মিক জগতখনৰ লগতহে। ধৰ্ম আৰু দৰ্শনৰ আপাত দৃষ্টিত ৰসহীন ব্যাখ্যাৰে ৰহস্যবাদৰ পৰিচয় দাঙি ধৰিব পাৰি যদিও কবিতাৰ ৰহস্যবাদ কিছু বেলেগ। ই শান্ত আৰু ৰমণীয়।

ৰহস্যবাদৰ ইংৰাজী প্ৰতিশব্দ 'mysticism' গ্ৰীক ভাষাৰ শব্দ Muco'-ৰ পৰা আহিছে বুলি ভবা হয়। এই শব্দৰ অৰ্থ হ'ল 'joining together the edges of a wound" অৰ্থাৎ এটি ক্ষতৰ দুটি দাঁতিৰ একত্ৰীকৰণ। ইয়াৰ অৰ্থৰ আঁৰত আছে মানুহৰ সৰ্বশক্তিমানৰ সৈতে একীভূত হ'বৰ বাসনা। বিজ্ঞানী বা দাৰ্শনিকসকলতকৈও সাহিত্যিকসকলেহে ৰহস্যবাদৰ হৃদয় পৰশা প্ৰকাশ ঘটোৱা দেখা যায়। ৰহস্যবাদী উপলব্ধি আৰু সাহিত্যিক অনুপ্ৰেৰণাৰ সোণ-সুৱগাৰ মিলন স্বৰূপে বিশ্ব সাহিত্যত নানা মূল্যবান ৰচনাৰ সৃষ্টি হৈছে। প্ৰাচ্য আৰু পাশ্চাত্য উভয় জগতৰে সাহিত্যত ৰহস্যবাদ এটি প্ৰধান ধাৰা। প্ৰাচীন গ্ৰীচ আৰু জাৰ্মানিৰ শ্ৰেষ্ঠ সাহিত্যসম্ভাৰসমূহৰ মাজত ৰহস্যবাদৰ নিমজ প্ৰকাশ এটি চকুত পৰে। সাহিত্যৰ বিভিন্ন বিভাগসমূহৰ ভিতৰত ঘাইকৈ কবিতাই হ'ল ৰহস্যবাদৰ শ্ৰেষ্ঠ বাহন। ইংৰাজী সাহিত্যত পোন প্ৰথমে কবি উইলিয়াম ব্লেকৰ কবিতাত গতানুগতিকতাৰ পৰা আঁতৰি ৰহস্যবাদৰ অভিনৱ সুৰ ধ্বনিত হোৱা শুনা যায়। এওঁৰে সমসাময়িক জাৰ্মান কবি J.C.F.Holderlin-ৰ কবিতাত খ্ৰীষ্টিয় ৰহস্যবাদৰ লগত মিশ্ৰিত হৈছে প্ৰাচীন গ্ৰীক কবিতাৰ সুন্দৰ চিত্ৰসমূহ। এই সময়ৰে পৰাই কবিতা জগতত ৰহস্যবাদৰ স্পন্দন ভালদৰে অনুভূত হ'বলৈ ধৰে। পাৰ্থিৱ জগতৰ সীমাৰ সিপাৰে থকা কুঁৱলী-কুঁৱলী সৌন্দৰ্যৰ মায়া ভৰা প্ৰকাশে কবিতা ৰসিকক অভিনৱ আনন্দলোকৰ সন্ধান দিলে।

ৰহস্যবাদৰ এটি বিশিষ্ট ধাৰা হ'ল ছুফীবাদ। ছুফীবাদে পাৰ্থিৱ প্ৰেমৰ মাজেদি পৰম প্ৰেমৰ সন্ধান কৰে। পাৰস্যদেশৰ সাধক সম্প্ৰদায়ৰ ছুফীসকলে পোনতে ধৰ্মীয় নীতি আলোচনা কৰিলেও পিছলৈ কবিতাত অধিক গুৰুত্ব দিছিল। আটৰ, জালালুদ্দিন ৰুমী আৰু ছাদ্দী আদি কবিসকলে ছুফীবাদত এক মাধুৰ্য প্ৰদান কৰিছিল। ভক্ত কবি, সাধক বা ৰহস্যবাদীসকলৰ বাবে আকাঙ্ক্ষিতৰ ৰূপ বেলেগ বেলেগ। ছুফীসাধকসকলে তেওঁক বিচাৰে কেতিয়াবা প্ৰিয়াৰ ৰূপত, কেতিয়াবা স্বামীৰ ৰূপত। বেদান্ত দৰ্শনৰ দেশ ভাৰতবৰ্ষত বেদান্তৰ কঠোৰতাও কবিসকলে আপোন প্ৰতিভাৰে কোমলাই সৰস কৰি লয়।

অসমীয়া সাহিত্যত ৰহস্যবাদৰ মনোৰম প্ৰকাশ কেইবাজনো কবিৰ ৰচনাত দেখা যায়। মন দি চালে দেখা যায় যে ইয়াৰ প্ৰথম বীজ ৰোপিত হৈছে মহাপুৰুষ মাধৱদেৱৰ "নামঘোষা'ৰ মাজত। 'নামঘোষা' আধ্যাত্মিক ভাৱৰ পুথি। কিন্তু কবি মাধৱদেৱৰ প্ৰতিভাৰ সোণৰ-কাঠিৰ পৰশত ইয়াৰ বহুতো ঘোষা উত্তম কবিতা যেন হৈ পৰিছে। মাধৱদেৱৰ হৃদয় ভৰি আছিল ভগৱানৰ প্ৰতি অকৃত্ৰিম ভক্তিৰে, যি ভক্তি হ'ল ঐকান্তিক প্ৰেমৰে নামান্তৰ। এই প্ৰেমৰ বলত বলীয়ান হৈ ভগৱান বিষ্ণুক তেওঁ সখা, সুহৃদ, প্ৰিয়তম আদি নানা আপোন সম্বন্ধৰে সম্বোধন কৰিছে। তেওঁৰ ভক্তি আছিল দাস্য ভক্তি। ভক্তিৰ আতিশয্যত ভগৱানৰ প্ৰতি তেওঁৰ সহজ অভিযোগ—

"মোক নিজ দাস কৰি লৈলে হৰি এ
কহিয়ো কৃপাল
কি হয় তোমাৰ হানি।"

'নামঘোষা'ৰ অধিকাংশ ঘোষাকে এজন ৰহস্যবাদী কবিৰ অকৃত্ৰিম অনুভূতিৰ নিজৰা যেন লাগে। ৰহস্যবাদীসকলে সংসাৰৰ প্ৰতিটো বস্তুকে সুন্দৰ যেন দেখে,মংগলময় যেন দেখে। তেওঁলোকে সন্ধান কৰে এই সকলোৰে মূল এক একক সত্তাৰ। আকাঙ্ক্ষিতক পোৱাৰ আগতে সন্ধানৰ যন্ত্ৰণাই ৰহস্যবাদীসকলক অস্থিৰ আৰু ক্ষত-বিক্ষত কৰি তোলে। এইখিনি সময় যন্ত্ৰণাৰ অন্ধকাৰেৰে ভৰা। মাধৱদেৱে এই তমসা অতিক্ৰম কৰি আৱিষ্কাৰ কৰিছে তেওঁৰ " প্ৰিয় আত্মা পৰম দেৱতা"ক। তেওঁতে বিচাৰি পাইছে চৰম আনন্দৰ অন্তহীন উৎস—

"হৰি তুমি আনন্দ সিন্ধু।
হামু ভিখাৰি মাগো একবিন্দু॥"

বহুতো লুকা-ভাকুৰ পিছত বিচৰাজনক যেতিয়া ওচৰত পোৱা যায়, ভাগৰুৱা মনে তেওঁক আৰু এৰি দিবলৈ নিবিচাৰে। বিচৰাজনৰ ওচৰত কিছুপৰ নিটোল মাৰি থকাৰ লোভ সকলোৰে। বহুতো লুকা-ভাকুৰ পিছত বিচৰাজনক ওচৰত

পাই মাধৱদেৱেও কাতৰ কণ্ঠে কৈ উঠিছে—

"ইবাৰ কৰুণাময় হৰি কমলাপতি
মোকে নচাড়িবা নাৰায়ণ
অৰুণ চৰণতলে হৰি কমলাপতি
সত্যে সত্যে পশিলো শৰণ।"

এই "মোকে নচাড়িবা" সুৰটোৱেই 'নামঘোষা'ত ৰহস্যবাদী পৰশ। মাধৱদেৱৰ ভগৱান কেৱল দুষ্টক দমন কৰোঁতা আৰু সন্তক পালন কৰোঁতাই নহয়। তাতোকৈও অধিক মোহন তেওঁৰ ৰূপ। তেওঁ অৰূপ জগতৰ অপাৰ্থিৱ আনন্দৰ গৰাকী। তেওঁ সুন্দৰ শ্ৰীমন্ত। তেওঁ গুণনিধি। তেওঁৰ দয়া তথা আন্তৰিক সান্নিধ্য লাভৰ বাবে মাধৱদেৱে ৰচনা কৰা আৱেগ, অনুৰাগ প্ৰীতি আৰু সহজ অভিযোগেৰে ভৰা ঘোষাকেইটিৰ মাজত কবি মাধৱদেৱৰ সীমাৰ পৰা অসীমলৈ কৰা যাত্ৰাৰ সম্ভেদ আছে। সেইখিনিতে এইবোৰৰ ৰহস্যবাদী ৰূপৰ সাৰ্থকতা।

মাধৱদেৱৰ ভক্তি কবিতাৰ প্ৰকৃতি লক্ষ্য কৰিলে দেখা যায় যে ইয়াত ভক্তিক মুক্তিতকৈ উচ্চ আসন দিয়া হৈছে আৰু নিষ্কাম ভক্তি জীৱনৰ লক্ষ্য বুলি গণ্য কৰা হৈছে। তেওঁৰ ধৰ্মীয় বিশ্বাসৰ কেন্দ্ৰীয় পুৰুষজনাক মাধৱ দেৱে যি সহজাত প্ৰীতিৰে বান্ধি পেলাইছে তাৰ মাজত তেওঁৰ ৰচনাৰ ৰহস্যবাদী গুণ ফুটি উঠিছে। ভগৱানৰ লগত তেওঁ সদায় সুন্দৰ আৰু মংগলময় বস্তুৰ সম্পৰ্ক বিচাৰি পায়। তেওঁৰ বাবে " ৰাম নামেসে অমিয়া ঝুৰে ", তেওঁৰ বন্দনা কৰে পদুম-নয়ন, পদুম-সদৃশ চৰণৰ গৰাকী ভগৱান। ভগৱান তেওঁৰ প্ৰাণৰ আপোন। তেওঁৰ ভক্তি কবিতাত কেৱল এজন ধৰ্মগুৰুৰ আধ্যাত্মিক চিন্তাধাৰাই নাই, আছে এজন ৰহস্যবাদী কবিৰ অকৃত্ৰিম অনুভূতি।

অসমীয়া ৰহস্যবাদী কবিতাৰ ক্ষেত্ৰত অম্বিকাগিৰী ৰায়চৌধুৰী এটা উল্লেখযোগ্য নাম। তেওঁৰ কবিতাৰ দুটা শাখা। এটা শাখাত আছে বিদ্ৰোহী অনুভূতিৰ প্ৰচণ্ড শক্তিশালী কবিতাবোৰ আৰু আনটো শাখাত আছে প্ৰেম আৰু অনুৰাগৰ সুকোমল অনুভূতিৰ মনোৰম প্ৰকাশ থকা কবিতাবোৰ, যাৰ উদাহৰণ হ'ল 'তুমি' কাব্য। সীমাৰ পৰা অসীমলৈ কৰা যাত্ৰাপথৰ সাৰ্থক ৰূপায়ণ ৰূপে অম্বিকাগিৰীৰ 'তুমি' কাব্য জিলিকি আছে। 'তুমি' কাব্যক কবিৰ বিশ্বৰূপ দৰ্শন বুলি ক'ব পাৰি। কাৰণ বিন্দুতে সিন্ধুৰ দৰ্শনৰ দৰে তেওঁ এক পৰমশক্তিৰ মাজতে দেখা পাইছে অজস্ৰ ৰূপৰ মেলা। সকলো সুন্দৰ সকলো মংগলময় ৰূপৰ আধাৰ যেন সেই পৰমশক্তি। প্ৰথম ছেদত এজনী সুন্দৰীৰ ৰূপে-ৰসে ভৰা ৰমণীয়তাৰ লগত কবিয়ে তেওঁৰ সাদৃশ্য বিচাৰি পাইছে। এই অংশত কবিৰ চকুত পৰিছে দৈহিক ৰূপৰ প্ৰাণ টানি নিয়া আবেদন। পাৰ্থিৱ শৰীৰক সুন্দৰ কৰে যিবোৰ সৌন্দৰ্য কণিকাই, সেই আটাইবোৰকে কবিয়ে বিভিন্ন দৃষ্টিকোণৰ পৰা পৰ্যবেক্ষণ কৰিছে—

"তুমি অমিয় মাধুৰী সনা
মুখ খনি সুন্দৰ নিখুঁত ;
তুমি সুৰদী কটাক্ষ এটি
সুন্দৰীৰ পদুমী চকুত।"

য'তে সুন্দৰতা, য'তে মধুৰতা তাতে তেওঁ। তীব্ৰ দেহজ সৌন্দৰ্যই যৌৱন মতলীয়া যুৱকক যিদৰে আকৰ্ষণ কৰে, যিদৰে দেহ সৌন্দৰ্যৰ প্ৰতিৰেখাৰ মাজেৰে উদগ্ৰ কামনাই প্ৰেমিকক অহ্বান কৰে ; সেইদৰেই তেওঁৰ প্ৰিয়ৰ ৰূপে কবিক উন্মাদ প্ৰায় কৰি তুলিছে। তেওঁৰ উপলব্ধি—

'সকলো তুমিয়ে নাথ
জগতত দেখিছো যিমান।"

প্ৰিয়াৰ প্ৰেমৰ মাদকতাতকৈও বেছি গভীৰ জননীৰ স্নেহ। সেই স্নেহৰ সৰোবৰত বুৰ দিলে পৃথিৱীৰ কোনো পাৰ্থিৱ দুখ আৰু অৱসাদে স্পৰ্শ কৰিব নোৱাৰে। এই অতুলনীয় স্নেহৰ মাজতো আছে 'ৰায়চৌধুৰীৰ 'তুমি'ৰ প্ৰকাশ, দাম্পত্য জীৱনৰ সুখে-দুখে ভৰা মৰম-চেনেহৰ সংসাৰত তেওঁ আনন্দ, বিশ্ৰাম, দায়িত্ব আৰু বুজা-বুজিৰ সকলো শুভ-শক্তি হৈ জিলিকি থাকে। তেওঁ—

"ভাই-ভনী মিলি কৰা
ফুলনিত সৰল ধেমালি ;
তুমি হিয়াই হিয়াই বন্ধা
নিছিগা প্ৰেমৰ ডোল ডালি।"

পৰিয়ালৰ বান্ধোনতকৈ বেছি বিস্তৃত সমাজৰ বিচিত্ৰ পৰিবেশ। এনে পৰিৱেশত যিমানবোৰ সৎবুদ্ধি আৰু শুভ চিন্তা বিকশিত হ'ব পাৰে, সেই আটাইবোৰৰ মাজতে কবিয়ে দেখিছে ভগৱানৰ প্ৰকাশ।

ঘৰ আৰু সমাজৰ সীমিত পৰিসৰৰ পৰা কবিয়ে এইবাৰ মূৰ তুলি চালে প্ৰকৃতিৰ অপৰূপ জগতলৈ, তাত সৌন্দৰ্যৰ পাৰাপাৰ নাই। সকলো সুন্দৰ। কোনোটো শান্ত, স্নিগ্ধ ; কোনোটো ভয়ঙ্কৰ। কিন্তু প্ৰতিটোৰ মাজতে ভগৱানৰ অস্তিত্বৰ প্ৰচণ্ড প্ৰকাশ। জোনাকৰ ৰূপোৱালী জুই, বিজুলীৰ চঞ্চল লয়লাস, ৰামধেনুৰ মায়াময় ৰূপ, নদীৰ উজ্জ্বল গতি এই সকলোবোৰ সৌন্দৰ্যৰ চিত্ৰৰ মাজত ভাস্বৰ হৈ আছে তেওঁৰে ৰূপ। বাৰে বাৰে বৰণ সলোৱা প্ৰকৃতিৰ ৰূপৰ চমকনিৰ আঁৰত পৰম সুন্দৰৰ অৱস্থিতি অনুভৱ কৰি কবি মুগ্ধ আৰু বিস্মিত হৈ পৰিছে। তেওঁৰ মুগ্ধতা মাজে মাজে বিস্ময়লৈ পৰিৱৰ্তিত হৈ পৰে—

"তুমি কি বিশাল! কি বিৰাট!
মহানীল সীমাহীন শূন্য ;
তুমি কি গুৰু গুঢ় ৰহস্য
কি তত্ত্ব কৰিছা প্ৰতিপন্ন ?"

এই বিস্ময়ৰ সিপাৰে থকা পৰমসুন্দৰৰ কবিয়ে যেন প্ৰথম অৱস্থাত বুজোঁ

বুজোঁ-কৈও বুজিব পৰা নাই। কাৰণ তেওঁৰ মনত থকা প্ৰেম আছিল কামনাত মতলীয়া। যি মুহূৰ্তত কবিয়ে কামনাৰে ভৰা প্ৰেমৰ পৰা বিশ্বসংসাৰত নিজবাৰ দৰে বৈ থকা বিশাল প্ৰেমত হৃদয় অৰ্পণ কৰিলে, সেই মুহূৰ্তৰ পৰা তেওঁৰ হৃদয় আকুল হৈ পৰিল প্ৰেমময়ৰ দৰ্শনৰ বাবে। যিজনক বিচাৰি চিৰকাল সাধক আৰু কবিৰ মনত জমা হৈ থাকে পুঞ্জীভূত অতৃপ্তি, তেওঁকে বিচাৰি কবিয়ে কৈছে—

"কি সতে বান্ধিছা নাথ! ভীষণ হেঙাৰ
সৌন্দৰ্য উপচি পৰা দাবত তোমাৰ?
নাজানানে দয়া-মায়া?
আকুল এখনি হিয়া
বিৰহৰ বহ্নিময় বেলিৰ তলত
তোমাকে ধিয়ান কৰি বিভোৰ ভাবত।"

এই সহজ প্ৰীতিয়ে জন্ম দিয়া অভিযোগ সেইখন হিয়াতহে উৎপন্ন হ'ব পাৰে, য'ত আছে গভীৰ বিশ্বাস আৰু নিবিড় আস্থা। ৰায়চৌধুৰীৰ ভগৱৎ প্ৰীতি সেইবাবেই উকা-অভিপ্ৰায়ৰ ঠাইত হৈ পৰিছে অতীন্দ্ৰিয়বাদীৰ বাসনা।

কবিৰ যেন কাণত পৰে সেই চিৰ-সুন্দৰৰ আগমনৰ মৃদুমধুৰ পদধ্বনি। কিবা এটা বুজা-নুবুজা সুৰত তেওঁৰ হৃদয় কঁপি উঠে—

"উগুল থুগুলকৈ
খিৰ্য়া দিলো দুৱাৰ মুখত
উদাস চঞ্চল
শুনিলো কি এটি সুৰ
বিয়পি সুদূৰ দূৰ,
বিনাইছে কিহৰ দুখত
কঁপাই চঞ্চল"

চিনো চিনো কৰিও চিনিব নোৱৰা, মনত পৰো পৰো কৰিও নপৰা সেই অভিনৱ সুৰে তেওঁৰ মন বিস্ময় আৰু কৌতুহলেৰে ভৰাই তুলিছে—যেন "অঞ্চল ধৰিবতে গেলে পালাও চঞ্চল কলকণ্ঠে হেসে।" কবিৰ মন উৰা মাৰিছে সেই অৰূপৰ সন্ধানত সীমাৰ পৰা অসীমৰ বুকুলৈ। তাৰ পিছত ক্ৰমে ক্ৰমে আহিছে কবিৰ সিদ্ধিলাভৰ অৱস্থা। নিজৰ মাজতে তেওঁ বিচাৰি পাইছে সেই ৰহস্যময়ৰ অস্তিত্ব—

"সহায় সম্পদহীন ক্ষুদ্ৰ ই জীৱন
সমুখত দেখি কিবা অজানা ৰতন
সুখ শান্তি কাতি কৰি
নানা বাট ধৰি ধৰি
মিছাতে ভৰমি মৰে অনন্ত জগত
পূৰ্ণ ৰূপে আছে কিন্তু হিয়াৰ মাজত।"

'তুমি' কাব্যত কবি-মানসৰ বিচিত্ৰ চিন্তাধাৰাৰ সীমাৰ পৰা অসীমলৈ হোৱা উত্তৰণ স্পষ্টভাৱে প্ৰতিভাত হৈ আছে। প্ৰথম অংশৰ কবিতাবোৰ উকা-দৃষ্টিত স্থূল দৈহিক প্ৰেমৰ বন্দনা বুলি ভুল হ'ব খোজে। অৱশ্যে ইবোৰে শ্যেলী, বাইৰণৰ কাব্যৰ নিচিনা কামজ প্ৰেমৰ গণ্ডীৰ ভিতৰত আৱদ্ধ নাথাকি ইন্দ্ৰিয়গ্ৰাহ্য সম্ভোগৰ ভিত্তিত ইন্দ্ৰিয়াতীত অনুভূতিত পৰিণত হৈ জাগতিক আসক্তিৰ ক্লেশৰ হাত এৰাই অনন্তৰ ভূমা সৌন্দৰ্যত সান-মিহলি হৈ যাবলৈ প্ৰয়াস বিচাৰিছে। "সুন্দৰী বিয়েত্ৰিচৰ 'স্বৰ্গীয় নয়ন' দুটিয়ে ইটালীৰ মহাকবি ডাণ্টেক চৈধ্যভুৱন আৰু ভগৱন্তৰ ৰূপ দেখুওৱাৰ দৰে আমাৰ কবিকো— উদ্ভিন্ন-যৌৱনা যুৱতীৰ মদন পিছলি পৰা সৌন্দৰ্য প্ৰপঞ্চই জগতৰ সকলো সৌন্দৰ্যৰ মাজত বিহাৰ কৰাইছে আৰু শেষত অনন্তৰ লগত সাক্ষাৎ কৰাব খুজিছে। চমুকৈ ক'বলৈ হ'লে ইয়াত "ব্যক্তিগত সন্মোহনৰ ভিত্তিত সাৰ্বজনীন সন্মোহন প্ৰতিষ্ঠিত হৈছে আৰু ইয়াৰ জৰিয়তে কবি আত্মা আৰু ঈশ আত্মা একীভূত হৈছে।"[১]

অসমীয়া ৰহস্যবাদী কবিতাৰ ক্ষেত্ৰত এটা চিৰস্মৰণীয় নাম হৈছে নলিনীবালা দেৱী। 'শান্ত, স্নিগ্ধ আৰু কৰুণ আকৃতিৰে ভৰা এইবোৰ কবিতাত কবিৰ হৃদয় যেন মমৰ দৰে গলি গলি সৰিছে। তেওঁৰ হৃদয়ৰ পাত্ৰ বিষাদেৰে ওপচা। অথচ সেই বিষাদৰ পৰাই তেওঁ অমৃত মন্থন কৰি উলিয়াইছে। অতীন্দ্ৰিয়বাদী কবিতাসমূহত নলিনীবালা দেৱীৰ কেৱল হৃদয়ৰ আকুলতাই নহয়, চিন্তাৰ গভীৰতাও প্ৰকাশ পাইছে। তেওঁৰ চিন্তাধাৰা আছিল আধ্যাত্মিক জ্ঞান আৰু অধ্যয়নেৰে পৰিপুষ্ট। বেদান্ত দৰ্শন আছিল তেওঁৰ একান্ত প্ৰিয়। গতিকে কবিতাৰ মাজতো তাৰ প্ৰকাশ স্পষ্টভাৱে চকুত পৰে। তেওঁ বিশ্বাস কৰিছিল আত্মাৰ অবিনশ্বৰতা আৰু জন্মান্তৰবাদ। ব্যক্তিগত জীৱনৰ নিদাৰুণ বেদনাই তেওঁক ভগৱানৰ চৰণত আত্মসমৰ্পণ কৰাইছিল। এই আত্মসমৰ্পণ বিশ্বাস আৰু সংশয়ৰ দোমোজাৰে মধুৰ আৰু ছয়া-ময়া গুণেৰে ভৰা। তেওঁ মানুহৰ মাজত দেখিছে ৰূপ আৰু সৌন্দৰ্যৰ প্ৰতি চিৰন্তন হেঁপাহ ; এই হেঁপাহক মহত্ত্বৰ কবি কৰিয়ে কৈছে—

"মানুহৰ অন্তৰৰ অসীম সৌন্দৰ্য তৃষ্ণা
সুখ আশা হেঁপাহ বুকুৰ
নহয় ই মৰতৰ খন্তেকীয়া জীৱনৰ
সুখ আশা পৰম পদৰ
ৰূপ তৃষ্ণা চিৰ সুন্দৰৰ।"

নলিনীবালাৰ দুখময় জীৱনত শান্তিৰ ছায়া আছিল চিৰ সুন্দৰৰ প্ৰতি থকা অনাবিল ভৰষা। তেওঁৰ কবিতাৰ মাজত সেই ভৰষাৰ মনোৰম ছবি এখন ফুটি

১। পাতনি 'তুমি' কাব্য

ওলায়। কর্মফলবাদ মানি লৈ কবিয়ে নিজৰ দুখ আৰু যন্ত্ৰণাক স্বাভাৱিক প্ৰাপ্তি বুলি মানি লৈছে। তেওঁ জানে, জনমে জনমে তেওঁৰ লগত আছে চিৰ সুন্দৰৰ মংগলময় সান্নিধ্য। তেওঁ সেয়েহে কয়—

"শত জনমৰ মোৰ
শত কৰমৰ আঁৰে আঁৰে
কল্যাণ সংকল্প ৰূপে
নৱ জীৱনৰ পাৰে পাৰে
জ্বলিছা, জ্বলিবা তুমি প্ৰাণৰ মাজত
অনিৰ্বাণ আলোকৰ ৰেখা।"

অনন্তৰ বহস্যৰ ফালে কবিৰ যাত্ৰা, আন্ধাৰ নে পোহৰ সেইখন দেশ কবিয়ে নাজানে। মাথোন জানে, সময় নদীৰ সোঁতত নাও এৰি সেই দেশলৈ তেওঁ যাবই লাগিব। অচিন সেই যাত্ৰা-পথৰ দায়িত্ব ভগৱানৰ ওপৰতে এৰি দি কবি নিচিন্ত হৈছে—

"নেজানো একোকে মই
উৱাদিহ নাপাওঁ বাটৰ
তুমিয়েই হ'বা মোৰ
অসীমৰ চিৰ লগৰীয়া।"

আত্মাৰ লক্ষ্য হ'ল পৰমাত্মাৰ লগত মিলন। এই মিলনৰ যাত্ৰা-পথ বাধা-বিঘিনিৰে ভৰা। সকলো বাধা নেওচি প্ৰিয়তম ভগৱানৰ সান্নিধ্য লাভৰ বাবে কবি ব্যাকুলা হৈ উঠিছে। তেওঁ অনুভৱ কৰিছে সমস্ততে ভগৱানৰ দৰদী হাতৰ পৰশ, ৰূপৰ জিলিকনি। জীৱনত নাপালেও মৃত্যুৰ সিপাৰে সেই পৰম সুন্দৰক পাবলৈ কবি স্থিৰ বিশ্বাসেৰে সাজু হৈ আছে। তেওঁৰ বাবে 'মৰণ' সেইবাবে বাঞ্ছিত সুন্দৰ। যিদিনা প্ৰিয়তমৰ লগত মিলন হ'ব, সেইদিনা—

"চিতাগ্নি হোমাগ্নি হ'ব
    সমীৰণ মলয় চন্দন
সেইদিনা পূৰ্ণ হ'ব শূন্য অৰ্ঘ্য
    পূৰ্ণ ই জীৱন।"

অন্য এটি কবিতাত মৃত্যুৰ প্ৰশস্তি কৰি কবিয়ে ভগৱানক নতুন ৰূপত যেন চাবলৈ বিচাৰিছে—

"ৰূপহীন বিনাশী মৃত্যুক—
সমুজ্জ্বল অপৰূপ দানি
মৰ্ম্মৰ মাজত শুনো
তোমাৰেই চৰণৰ ধ্বনি।"

কবিৰ হৃদয় যেন মাজে মাজে নিজৰ বাবেই অচিনাকি। তেওঁ নিজৰ মাজতে বিচাৰি পায় অন্তহীন ৰহস্য, কোনো এক শুভ শক্তিয়ে যেন ওবে জীৱন তেওঁক পৰিচালনা কৰি আছে—

"নেজানো নিজেই মই
কোনে মোক লৈ যায়
কিহৰ কামত মোক
কোন বাটে নিয়ে আগুৱাই।"

এই ৰহস্যময় শক্তিটিৰ সন্ধানত কবি নলিনীবালাৰ অন্তৰ, জীৱন সদায় আকুল হৈ আছে। হৃদয়ৰ দুখৰ বোজা ভগৱানৰ চৰণত নমাই থৈ এধানি শান্তিৰ জিৰণি পাবলৈ তেওঁ কামনা কৰিছে। এই কামনাৰ ফলত সৃষ্টি হৈছে তেওঁৰ সীমাৰ সিপাৰৰ বাসনাৰে ভৰা ৰহস্যবাদী কবিতাসমূহ।

এইকেইজন কবিৰ পিছতে মনলৈ আহে বঘুকান্ত বৰকাকতীৰ নাম। বৰকাকতীৰ কবিতাত ৰহস্যবাদী চিন্তাধাৰা নানাভাৱে বিৰিঙি উঠিছে। ৰবীন্দ্ৰ-প্ৰভাৱপুষ্ট এইজন কবি মূলতে প্ৰেমৰ কবি যদিও কিছুমান কবিতাত এক বিশিষ্ট ৰহস্যবাদী দৃষ্টিভংগীয়ে প্ৰাণ পাই উঠা দেখা যায়। তেওঁৰ প্ৰাণত আছে এক চিৰসুন্দৰৰ প্ৰতি আকুলতা। বিচাৰিও ওচৰত নোপোৱা সেই সুন্দৰৰ বিৰহৰ বেদনাখিনিও তেওঁ গৌৰৱৰ সম্পদ বুলি আদৰি লৈছে এইদৰে—

"হে মোৰ হৃদয় চোৰ!
মহা শূন্য ভৰি যদি
নুঠিলহেঁতেন আজি
তোমাৰ বিৰহ হাঁয়
ভুৱনে ভুৱনে বাজি;

তৰায় তৰায় মোৰ
তেন্তে ই বুকুৰ জুই
সুদূৰ আকাশ চুই
জ্বলিলহেঁতেন ক'ত
অগ্নি-বীণা বাজি?"

'দুটি মানুহ' কবিতাত তেওঁ কৈছে—

"এটি ঘৰত
দুটি মাথোন
দুটি মানুহ ধৰে,
এটি খেলে
লুকাই সপোন

এটি জ্বলি মৰে।"

এয়া যেন নিজৰ মাজতে থকা দুটি সত্তাৰ কথা। জীৱাত্মাৰ মাজত থকা পৰমাত্মাৰ কথা। তেওঁ অনুভৱ কৰে বিশ্ব-সংসাৰৰ মাজত বিয়পি থকা এক মহা আনন্দৰ লহৰ। যি আনন্দৰ সুৰত লক্ষ তাৰকা আৰু ইন্দু নাচি উঠে, সিন্ধু উছলি উঠে, সেই আনন্দ যেন নিগৰি আহিছে অখণ্ড অনন্তৰ পৰা। সীমাৰ মাজত থাকিও সেই অসীমৰ আনন্দ তেওঁ অন্তৰ ভৰি উপলব্ধি কৰিছে।

দুৰ্গেশ্বৰ শৰ্মাৰ কবিতাতো কিছু পৰিমাণে একে ধৰণৰ চিন্তাৰ উন্মেষ দেখা যায়। তেওঁৰ কবিতাত আছে এক দাৰ্শনিক চিন্তাধাৰা। তেওঁৰ প্ৰাণত স্পন্দন উঠে কোনোবা দূৰৰ পৰা উটি অহা এক ৰহস্যময় সুৰৰ। তেওঁৰ অনুভৱ —

"ৰত্তাহত শুনো অলপ অলপ
ৰজাৰ সভাৰ ৰোল
ক'ৰপৰা আহে নোৱাৰোঁ বুজিব
নবুজোঁ বিশ্বৰ বোল।"

এই সুৰ যেন শ্ৰীকৃষ্ণৰ বাঁহীৰ সুৰ। কৃষ্ণ হ'ল আনন্দ আৰু সৌন্দৰ্যৰ প্ৰতীক। তেওঁ এক পৰম শক্তি। সেই শক্তিৰ বলতে বিশ্ব-সংসাৰ নিয়ন্ত্ৰিত হয়। কবিৰ কথাত,

"সেইটি বাঁহীকে শুনি জগতে নাচিছে
সূৰ্য্যই চন্দ্ৰই দুয়ো পোহৰ ঢালিছে
এইখনি বৃন্দাবন সুৰম্য কানন
আন নাই তাত মাথো আছে গোপীগণ।"

সংসাৰখনক এক ভাওনাৰ মঞ্চ বুলি অভিহিত কৰি তেওঁ ভাবিছে যে সকলোৰে আঁৰত আছে কোনোবা এজন নিয়ন্তা। তেওঁক বিচাৰি নাপালেও উপলব্ধি কৰিব পাৰি, কিন্তু তেওঁৰ স্বৰূপ বুজা টান,—

"আমি মাটিৰ পুতলা নাচিব লাগিছো
কোনে নচায় নেদেখোঁ,
আমি কাৰবাৰ বাঁহী বাজিব লাগিছো
কোনে বজায় নেদেখোঁ।"

নীলমণি ফুকনৰ ৰহস্যবাদী কবিতাকেইটি ভাবত গভীৰ, ভাষাৰ ফালৰ পৰা নিমজ নহয় যদিও। সংসাৰৰ সকলো সৌন্দৰ্যৰ মূল এক চিৰ সুন্দৰ আছে বুলি জানিও তেওঁক বিচাৰি নাপাই কবি ব্যাকুল হৈ পৰিছে। গছে-বনে আকাশে-পাহাৰে সুন্দৰৰ ৰূপ-প্ৰভা দেখা কবিয়ে কৈ উঠে—

"বাট চাই ব'লোঁ সুন্দৰ আহিব
ইপাৰত মই, কোনে কই দিব
মোৰ নো সুন্দৰ ক'ত ?"

তেওঁৰ 'সন্ধানী' নামৰ কবিতা পুথিখনৰ মাজেদি এনে চিন্তাৰ বিস্তাৰিত ৰূপ ফুটি ওলাইছে। প্ৰকৃতিৰ নানা ৰূপৰ মাজত পৰম শক্তিমানৰ প্ৰকাশ দেখি কবিৰ হৃদয় অভিভূত হৈ উঠিছে। তেওঁ কৈছে—

"বিজুলী চমক তোমাৰেই হাঁহি
মেঘ গৰ্জ্জন তোমাৰেই সুৰ।"

তেওঁৰ ৰূপৰ জ্যোতিৰে মন ভৰি উঠা কবিয়ে বিশ্বখন ৰূপ-সাগৰত পৰিণত হোৱা দেখা পাইছে। তাৰ লগে লগে তেওঁৰ কাণত পৰিছে, "কোন সুদূৰৰ আহিছে তান, কোন অসীমৰ অনন্ত গান"। সেই ৰূপ আৰু সেই সুৰ বিচাৰি তেওঁৰ প্ৰাণে অন্বেষণ কৰিছে ব্যাকুলভাৱে। শেষত কবিয়ে বুজিছে যে বাহিৰত নাই, নিজৰ অন্তৰতহে সেই চিৰসুন্দৰৰ অনন্ত স্থিতি।

চন্দ্ৰকুমাৰ আগৰৱালা, ৰঘুনাথ চৌধাৰী, যতীন্দ্ৰনাথ দুৱৰা, অতুলচন্দ্ৰ হাজৰিকাৰ নানা কবিতাত ৰহস্যবাদৰ জিলিকনি দেখা যায়। কিন্তু নলিনীবালা দেৱী বা ৰায়চৌধুৰীৰ দৰে এওঁলোকক একেবাৰেতেই ৰহস্যবাদী কবি বুলি ক'ব নোৱাৰি। এওঁলোকৰ কবিতাৰ নানা দিশৰ ভিতৰত ৰহস্যবাদ এটি বেঙণিহে। বিহগী কবিৰ কবিতাত প্ৰকৃতি-প্ৰীতিৰ লগতে জিলিকি উঠিছে পৰমাত্মাৰ লগত মিলনৰ বাসনা। যতীন্দ্ৰনাথ দুৱৰাৰ প্ৰেম আৰু বিষাদৰ কবিতাত অভিমান ভৰা প্ৰাণে শান্তি বিচাৰি পাইছে চিৰ সুন্দৰৰ উপলব্ধিত। তেওঁৰ উক্তি—

"মহা গায়কৰ বাঁহীৰ সুৰত
কবিৰ প্ৰাণত কঁপিল সুৰ
মন্দাকিনীৰ স্নিগ্ধ ধাৰাই
জীৱন শ্ৰান্তি কৰিলে দূৰ।"

অতুলচন্দ্ৰ হাজৰিকাৰ শেষ বয়সৰ কবিতাবোৰতো এনে ভাব জিলিকি উঠা দেখা যায়। জীৱনৰ শেষৰ পৰত তেওঁৰ ভগৱৎমুখী হৈ পৰা প্ৰাণে এধানি শান্তি বিচাৰি ভগৱানৰ সান্নিধ্য কামনা কৰিছিল। ভগৱানক ওচৰত নাপাই তেওঁ কৈ উঠিছে—

"আঁতৰত থাকি লুকাভাকু খেলি
ল'বানো কিমান পৰীক্ষা মোৰ,
তীব্ৰ দহনত যিমানে পুৰিব
সিমানে জ্বলিব জীৱন-জোৰ।"

অসমীয়া ৰহস্যবাদী কবিতাত এইসকল কবিৰ ভগৱৎ-প্ৰেমৰ কবিতাসমূহ মিলি পৰিছে। এনে ধৰণৰ বিক্ষিপ্ত অনুভূতিৰ কবিতা আৰু বহুতো পোৱা যায়। কিন্তু ৰহস্যবাদী কবি বুলি ক'লে নলিনীবালা দেৱী আৰু ৰায়চৌধুৰীৰ নামহে পোনতে মনলৈ আহে। কাৰণ এই দুগৰাকী কবিৰ কবিতাত ৰহস্যবাদ বেছি স্পষ্ট আৰু উজ্জ্বল।

## ১.৩ ৰমন্যাসবাদ ঃ

সাহিত্যৰ জগতত এটা কোমল নাম হৈছে ৰমন্যাসবাদ। এইটো শব্দই মনলৈ আনে কিছুমান আলসুৱা অনুভৱ। কবিতাক কবিতাৰূপেৰে বোধকৰো ৰমন্যাসবাদেহে প্ৰথম প্ৰতিষ্ঠা কৰে। ৰমন্যাসবাদৰ স্বৰূপ বুজিবলৈ হ'লে ধ্ৰুপদী সাহিত্যৰ লগত নাইবা ধ্ৰুববাদৰ লগত ইয়াৰ তুলনা কৰি চাব পাৰি। "ধ্ৰুপদী সাহিত্যৰ বৈশিষ্ট্য পৰিলক্ষিত হয়, সৌন্দৰ্যৰ ধীৰ আৰু অচঞ্চল অভিব্যক্তিত। ইয়াৰ নিৰুত্তাপ অভিব্যঞ্জনা, নিটোল বিন্যাস আৰু পৰিচ্ছন্ন স্পষ্টতা ধ্ৰুপদী সাহিত্যৰ প্ৰশংসনীয় লক্ষণ। আনহাতে ৰমন্যাসিক সাহিত্য উচ্ছল, আৱেগময়, শিথিল-বিন্যস্ত আৰু ধঁৱলী-কুঁৱলী ভাৱমিহলি।[১]" ৰমন্যাসিক সাহিত্যত কবিৰ মনে কল্পনাৰ ডেউকা মেলি অৰূপ জগতলৈ উৰি যাব পাৰে, যুক্তি বা সত্য তাত কেতিয়াবা কম থাকে। ধ্ৰুপদী সাহিত্যৰ বিপৰীতে ইয়াত থাকে ৰীতিৰ বান্ধোন এৰাই চলাৰ এক মনোবৃত্তি। ৰমন্যাসিক সাহিত্যত তিনিটা উল্লেখযোগ্য দিশ প্ৰতিফলিত হয়। সেইকেইটা হ'ল ভাৱ-প্ৰৱণ আৰু লঘু-কল্পনাচঞ্চল গুণ, ভাষা আৰু আংগিকৰ ক্ষেত্ৰত নতুন আদৰ্শৰ অৱতাৰণা আৰু নতুন চিন্তা আৰু দাৰ্শনিকতাৰ অভিব্যক্তি। অষ্টাদশ শতিকাৰ অন্তিম-ভাগত পাশ্চাত্য জগতত যি ৰমন্যাসবাদৰ অভ্যুত্থান ঘটিছিল, তাৰ মূলতে আছিল ঘাইকৈ ফৰাচী বিপ্লৱৰ ফলত সৃষ্টি হোৱা মানুহৰ নতুন চেতনা। ফৰাচী, জাৰ্মান আৰু ইংৰাজী সাহিত্যত ৰমন্যাসিক চিন্তাধাৰাৰ প্ৰথম বিকাশ চকুত পৰে। এইবিধ সাহিত্যৰ বৈশিষ্ট্যসমূহ থূল-মূলকৈ এনেধৰণৰ ঃ

(১) ৰমন্যাসিক কবিৰ কবিতাত বৰ্ণনীয় বিষয়ৰ কেৱল যথাযথ ছবি এখনকে পোৱা নাযায়, যি দৰে পোৱা যায় ধ্ৰুপদী সাহিত্যত। ৰমন্যাসিক কবিতাত থাকে অতিৰিক্ত এটি গুণ। সেই নিৰুত্তাপ বিষয় বস্তুক প্ৰাণৰ উত্তাপ সানি তেওঁলোকে দাঙি ধৰে। কবিৰ ব্যক্তিগত অভিজ্ঞতা আৰু অনুভৱে ইয়াত সাৰ্বজনীন ৰূপ পৰিগ্ৰহণ কৰে। ফলত ৰমন্যাসিক কবিতাৰ ৰূপ-ছবিবোৰ পাঠকৰো আপোন আপোন যেন লাগে।

(২) এক অপূৰ্ব বিস্ময়ৰ মনোভাৱ ৰমন্যাসিক কবিতাৰ অন্যতম লক্ষণ। কবিসকলে সকলোতে সৌন্দৰ্য দেখা পায়, নতুনত্ব দেখা পায়। দুবৰিৰ পাত এখিলাতো অভিনৱ অৰ্থ বিচাৰি পায়। কিন্তু এই সুন্দৰতা আৰু অভিনৱত্বৰ ব্যাখ্যা দিবলৈ তেওঁলোকৰ বুকুত ভাৱৰ নাটনি। কাৰণ সকলো প্ৰশ্নৰ উত্তৰ বিচাৰি তেওঁলোক নিজেই বিস্ময়ৰ মহাসমুদ্ৰত বুৰ দি থাকে। ব্যাখ্যাহীন মনোভাৱৰ বিস্ময়ৰ অনুভূতিয়ে এইবোৰ কবিতাত সৌন্দৰ্যৰ সৃষ্টি কৰে।

(৩) ৰমন্যাসিক কবিতাৰ আৰু এক লক্ষণ হ'ল অতীতলৈ ঘূৰি চোৱাৰ

---

১। মহেন্দ্ৰ বৰা, 'ৰমন্যাসবাদ' পৃঃ ১।

প্ৰবৃত্তি। সামান্য এটি বস্তু অথবা স্মৃতিচিহ্নক কেন্দ্ৰ কৰি তেওঁলোকৰ মন উভৰি যায় অতীতৰ সোনোৱালী দিনবোৰলৈ। সেই অতীতৰ বুকুত কল্পনাৰে বিচৰণ কৰি তেওঁলোকে আশা-নিৰাশা, সপোন-দিঠকৰ মায়াময় ছবি আঁকে। অতীতত কি আছিল, সেই লৈয়েই তেওঁলোকে সুদীৰ্ঘ চিন্তা কৰি কল্পলোকত বিচৰণ কৰিব পাৰে।

(৪) ৰমন্যাসিক কবিতাৰ আৰু এক মনোৰম বৈশিষ্ট্য হ'ল প্ৰকৃতিৰ চিত্ৰায়ণত। ধ্ৰুপদী সাহিত্যত কাহিনীৰ অলংকাৰৰূপে থকা প্ৰকৃতি ইয়াত হৈ উঠিছে কাহিনীৰ প্ৰাণ। কবিসকলে প্ৰকৃতিৰ মাজত দেখা পায় একাধিক বৈচিত্ৰ্যৰ সমন্বয়। প্ৰকৃতি সুন্দৰী আৰু শান্তিদাত্ৰী। প্ৰকৃতিয়ে শিক্ষা আৰু প্ৰেৰণা দুয়োটাই দিব পাৰে। প্ৰকৃতিৰ মাজেদি ফুটি উঠে এক চিৰসুন্দৰৰ ৰহস্যময় হাতৰ পৰশ। গতিকে ৰমন্যাসিক কবিতাত প্ৰকৃতি হ'ল এক সজীৱ আৰু সুন্দৰ উপাদান।

(৫) ৰমন্যাসিক কবিতাৰ শ্ৰেষ্ঠতম অৱদান হ'ল মানুহৰ অসীম সম্ভাৱনাৰ স্বীকৃতি। ধ্ৰুপদী সাহিত্যৰ দেৱতা আৰু ৰজা-ৰাজপুৰুষৰ ঠাইত ৰমন্যাসিক সাহিত্যই স্বীকৃতি দিলে সুখে-দুখে ভৰা সাধাৰণ মানুহৰ। এই সৰল সাধাৰণ মানুহখিনি সকলো ধৰণৰ স্বাভাৱিক চৰিত্ৰ আৰু সমস্যাৰে সৈতে কবিতাত জিলিকি উঠিল। ই এক ডাঙৰ কৃতিত্ব।

(৬) কেতিয়াবা অতিপ্ৰকৃতিবাদেও ৰমন্যাসিক কবিতাত ভুমুকি মাৰে। কবিসকলে আৱিষ্কাৰ কৰে এইখন জগতৰ মাজতে থকা এখন অলৌকিক জগত। সেইখন জগততো সৌন্দৰ্য আৰু বিস্ময়ৰ অন্ত নাই।

এইখিনি লক্ষণৰ ভিত্তিতে ক'ব পাৰি যে ৰমন্যাসবাদ হ'ল বৈচিত্ৰ্যৰ সমাবেশ। ইয়াৰ ভাষা আৰু শৈলী ধ্ৰুপদী সাহিত্যতকৈ বেলেগ। অনাড়ম্বৰ অথচ মধুৰ আৰু স্বচ্ছন্দ ভাষা এইবোৰৰ বৈশিষ্ট্য। ছন্দৰ ক্ষেত্ৰতো ৰমন্যাসিক কবি সদায়ে নতুন পথৰ সন্ধান কৰোঁতা।

অসমীয়া সাহিত্যত ৰমন্যাসবাদৰ আগমন ঘটে 'জোনাকী' নামৰ আলোচনীখনিৰ যোগেদি। কলিকতা প্ৰৱাসী অসমীয়া ছাত্ৰসকলৰ চকুত পৰা পাশ্চাত্য জগতৰ পোহৰৰ বেঙণি এই 'জোনাকী'ৰ মাজেদি বিৰিঙি ওলাইছিল।

'জোনাকী' প্ৰকাশৰ মূলতে আছিল চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামী। আগৰৱালা আছিল ইয়াৰ প্ৰথম সম্পাদক। এইসকল সাহিত্যপ্ৰেমী যুৱকে আগৰ চামৰ পৰা পোৱা সাহিত্যিক পৰম্পৰাক নেওচি নতুন ৰীতি, নতুন আদৰ্শ আৰু নতুন ভাৱধাৰা আদৰি লৈছিল। তেওঁলোকৰ মনত আছিল পৰাধীন দেশৰ গ্লানি আৰু অসমৰ লুপ্তপ্ৰায় গৌৰৱৰ পুনৰুদ্ধাৰৰ হাবিয়াস। ইংৰাজী ৰমন্যাসিক কবিতাৰ বিবিধ নতুনত্বই এই

কবিসকলক যিদৰে আকৃষ্ট কৰিছিল, তাৰ লগে লগে নিজা সাহিত্যৰ অথবা চিন্তা-জগতৰ কিছুমান বৈশিষ্ট্যকো তেওঁলোকে নতুন ৰূপত সজাই তুলিছিল। ইংৰাজ কবিৰ দৰে তেওঁলোকে দেখা পালে প্ৰকৃতিৰ মাজত অসীম মহত্ত্ব, সৰু এপাহি ফুলৰ মাজতো বিশাল ৰহস্য। মানুহৰ মাজত যেন প্ৰকাশিত হৈ উঠিল অমিত শক্তি। প্ৰেম হ'ল ত্ৰিভুৱনৰ চালিকা শক্তি। পৰাধীনতাৰ বিষাদে তেওঁলোকক নিজা জাতি আৰু সংস্কৃতিৰ প্ৰতি আস্থাৱান কৰি তুলিছিল আৰু জন্ম দিছিল এক সুতীব্ৰ স্বদেশ-চেতনাৰ। এওঁলোকৰ কবিতাত আৰু এওঁলোকৰ আশে-পাশে থকা কবিসকলৰ কবিতাত এইবোৰ লক্ষণৰ বাহিৰেও ফুটি উঠিছিল ভাৰতীয় অতীন্দ্ৰিয়বাদ আৰু আধ্যাত্মবাদৰ এক সুৰ। ঘাইকৈ 'জোনাকী'য়ে পাতনি মেলা এই ৰমন্যাসবাদী কবিতাৰ আন্দোলনত পিছলৈ পদ্মনাথ গোহাঞিবৰুৱা, আনন্দচন্দ্ৰ আগৰৱালা, চন্দ্ৰধৰ বৰুৱা, হিতেশ্বৰ বৰবৰুৱা, ৰঘুনাথ চৌধাৰী, অম্বিকাগিৰি ৰায়চৌধুৰী, দুৰ্গেশ্বৰ শৰ্মা আদি কবিসকলৰ ভিন ভিন দিশৰ কবি-প্ৰতিভা সংযোজিত হৈছিল।

## ১.৩.১ চন্দ্ৰকুমাৰ আগৰৱালা ঃ

জোনাকীযুগৰ সাহিত্যত প্ৰকৃতি, সৌন্দৰ্য, ব্যক্তিগত প্ৰেম-প্ৰণয় আৰু ক্ষুদ্ৰ মানৱ কবিতাৰ গৌৰবান্বিত স্বতন্ত্ৰ বিষয়-বস্তু হৈ পৰিছিল।[১] ইয়াৰে কেইবাটিও লক্ষণে কবি আগৰৱালাৰ কলমত পূৰ্ণতা লাভ কৰা দেখা যায়। তেওঁৰ কবিতাত সুন্দৰী প্ৰকৃতিৰ নিষ্ঠুৰতা, অতি প্ৰাকৃত চৰিত্ৰৰ সৌন্দৰ্য, সাধাৰণ মানুহৰ মাজত প্ৰচ্ছন্ন ঐশিক শক্তি আৰু সকলো অশুভক নাশ কৰি নিজহাতে মংগল-প্ৰতিষ্ঠাৰ বাসনা আদি নতুন ভাব-অনুভূতিৰ প্ৰকাশ ঘটিছে। অতদিনে বৈষ্ণৱ ৰীতিৰ কবিতা পঢ়ি অহা অসমীয়া পাঠকৰ বাবে আগৰৱালাৰ কবিতাত আছিল নতুন চমক। তেওঁৰ আগৰ ৰমাকান্ত চৌধুৰী, ভোলানাথ দাস আদি কবিসকলৰ ৰচনাত এনে চমক নাছিল। গতিকে আগৰৱালাই হ'ল অসমীয়া সাহিত্যত ৰমন্যাসবাদৰ প্ৰথম হোতা।

'প্ৰতিমা' নামৰ কবিতাৰ পুথিখনৰ মাজত আগৰৱালাৰ নতুনৰ পোহৰে ভৰা কবি-প্ৰাণে এনেকৈ প্ৰকাশৰ বাট বিচাৰিছে—

"আধাফুটা আবেগৰ ইমান জুমুৰি
দিলো মেলি হৃদয় দুৱাৰ।"

এই ৰীতি নতুন, কোমলতা আৰু অস্পষ্টতাৰে ভৰা, কবিৰ প্ৰাণত প্ৰকাশৰ বাট বিচৰা অনুভূতিৰ আধিক্যত যি বিষাদৰ সৃষ্টি হয়, তাৰ উমান তেওঁৰ কবিতাত আছে। তেওঁৰ কবিতা বহুমুখী। ব্যক্তিগত শোকৰ পৰা মহাজাগতিক

১। মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃঃ ২৬৮।

সৌন্দৰ্যবোধেকে নানা বিষয় সামৰি তেওঁ কবিতা ৰচনা কৰিছে। মানৱ-জীৱনৰ ক্ষুদ্ৰতা, নীচতা আৰু যন্ত্ৰণাই তেওঁক বিষাদিত কৰাৰ লগতে মানৱৰ মহত্ত্বয়ো তেওঁক অভিভূত কৰিছে। মানুহৰ শ্ৰেষ্ঠতম সম্পদ হ'ল প্ৰেম। এই প্ৰেমৰ বিষয়ে তেওঁ কয়—

"যি প্ৰেমেই তোমাৰ সম্বল।
সেয়ে স্পৰ্শমণি সংসাৰৰ।"

সংসাৰৰ সিপাৰে থকা সৌন্দৰ্যৰ মহামেলা তেওঁৰ কবি প্ৰাণত ধৰা পৰে। তেওঁৰ অনুভৱত মানুহৰ জীৱনৰ উদ্দেশ্যই হ'ল সৌন্দৰ্যৰ মহানুষ্ঠান—'সৌন্দৰ্যৰ আৰাধনা জীৱনৰ খেল।' মানুহৰ মাজত নানা ৰূপ, নানা লীলা। মানুহৰ ৰহস্যৰ পাৰাপাৰ নাই। মানুহৰ মাজত এক ৰহস্যময় চিৰসুন্দৰৰ প্ৰকাশ দেখি কবিয়ে বিস্ময়ৰ সুৰত কৈ উঠিছে—

"সৃষ্টি পাতনিৰে পৰা নীল আকাশত
কিৰণৰ জাল মেলি ভাৱৰ ধৰিছা।
টিপচীটি হৈ উৰি টিপতে লুকাই
গৰুড়ৰ পখা মেলি বিচাৰি ফুৰিছা।"

আগৰৱালাৰ কবিতাৰ এটি মনোৰম গুণ হ'ল আধাফুলা সৌন্দৰ্যৰ বন্দনা। এই বন্দনা পাৰ বাগৰি উপচি পৰিছে 'মাধুৰী' আৰু 'কিশোৰী' নামৰ কবিতাত। অসমীয়া কবিতাত এই সুৰ অভিনৱ। কবি ৱৰ্দছৱৰ্থৰ 'লুচি'ত থকাৰ দৰে—অকলশৰীয়া তৰা আৰু আধা ঢাক খাই থকা ফুলৰ ৰূপৰ শোভা আমাৰ কবিৰো হৃদয়ে অনুভৱ কৰিছে। কৈশোৰ আৰু যৌৱনৰ দোমোজাত থকা নাৰী-ৰূপৰ মাজত তেওঁ প্ৰত্যক্ষ কৰিছে স্বৰ্গীয় এক শোভনতা, যাৰ তুলনা অন্যত পাবলৈ নাই। তেওঁৰ অনুভৱে জন্ম দিছে এনেবোৰ সুন্দৰ স্তৱকৰ—

"সোলোকাই মোকলাই
এধাৰক্কা খোপাটি
হয়নে নহয় কৈ
আধা ফুটা মাতটি।
শুনো কি নুশুনো ঐ
উটি অহা গীতটি
ৰিণিকি ৰিণিকি কৈ
ক'ৰবাৰ বাঁহীটি।"

সৰপ-মৰত মিহলি কৰা সৌন্দৰ্যেৰে প্ৰতিভাত হৈ উঠিছে তেওঁৰ 'মাধুৰী'ৰ ৰূপ শোভা।

আগৰৱালাৰ কবিতাৰ অন্য এটি বৈশিষ্ট্য হ'ল অতি প্ৰাকৃত উপাদানৰ প্ৰয়োগ। এইবোৰ কবিতাত ধুঁৱলী-কুঁৱলী জগত এখনৰ অবুজ সৌন্দৰ্য জিলিকি উঠিছে। নিজম দুপৰীয়াৰ উজ্জ্বল ৰ'দে ভৰা স্তব্ধ পৰিৱেশত প্ৰকৃতিৰ মাজত যেন

এখন গোপন জগতে সাৰ পাই উঠে। এই জগতত জলকুঁৱৰীয়ে খেলা কৰে, বনকুঁৱৰীয়ে দেখা দিয়ে, যক্ষিণী ছোৱালীয়ে চাপৰি বাই নাচে। গছ-বন, পশু-পক্ষী সকলোৰে মাজত সাৰ পাই উঠে মানুহে চুকি নোপোৱা উলাহ। এই উলাহ কিন্তু মানুহে নুবুজা প্ৰকৃতিৰ। ক্ষুদ্ৰ মানৱৰ বাবে য'ত ভয় আৰু শংকাৰ স্থান—, প্ৰকৃতিৰ সেই গোপন ৰং-মেলাত মানুহৰ প্ৰৱেশ নিষেধ। 'তেজীমলা' কবিতাত প্ৰকাশ পাইছে মৰমী প্ৰকৃতিৰ শান্তিদায়িনী গুণ। তাৰ বিপৰীতে জিলিকি উঠিছে মানুহৰ শঠতা আৰু হৃদয়হীনতা। 'তেজীমলা' যেন মানৱী-মনৰ আশা আৰু বেদনাৰ প্ৰতীক। মানুহে মোল নোপোৱা আজলী তেজীমলাই প্ৰকৃতিৰ বুকুতহে শান্তি পাইছে। কাৰণ—

"মানুহৰ চোতালত মাধুৰী ফুটিলে
মানুহে নিচিনি হায়।
সাৰি তুলি ছিঙি মোহাৰি পেলালে
মানুহৰ মৰমো নাই।"

প্ৰকৃতিৰ ৰং-ৰূপৰ নানা ছবি কবিয়ে আঁকিছে। এই ছবিত-অলংকাৰপূৰ্ণ বাক্যৰীতিৰ উচ্ছ্বাস নাথাকিলেও তেওঁৰ সহজাত প্ৰকৃতি-প্ৰীতিৰ পৰিচয় পোৱা যায়।

ৰমন্যাসিক সাহিত্যৰ সকলো লক্ষণৰ ভিতৰত মানৱ-শক্তিৰ স্বৰূপ মূল্যায়নৰ দিশটো আগৰৱালাৰ কবিতাৰ মাজত জিলিকি আছে। "মানৱক তেওঁ বিশ্ব-জগতৰ পৰাৎপৰ কেন্দ্ৰ ৰূপে দেখা পাইছে আৰু পংকিল বিশ্বক সেই মানৱৰ পবিত্ৰ লীলা-ক্ষেত্ৰত পৰিণত কৰিবলৈ' বিচাৰিছে।" বৈষ্ণৱ কবি চণ্ডিদাসে মানুহক সকলোতকৈ শ্ৰেষ্ঠ বোলাৰ দৰে আগৰৱালায়ো "মানুহেই দেৱ ইহ জগতৰ" বুলি মানৱৰ জয়গান গাইছে। ইয়াৰ আগলৈকে অসমীয়া সাহিত্যত দেৱদেৱী আৰু প্ৰকৃতিয়েই স্থান দখল কৰি আছিল। আগৰৱালাই এই দুয়োবিধৰ ওপৰত মানুহৰ স্থান নিৰূপিত কৰি অসমীয়া কবিতালৈ নতুন ধাৰা বোৱাই আনিলে। তেওঁৰ কবিতাৰ মাজত আৰু আছে এটি বিষাদৰ সুৰ। এই বিষাদ কল্পনা পিয়াসী কবিৰ ব্যক্তিগত হা-হুমুনিয়াহেৰে ভৰপূৰ নহয়। এয়া হ'ল মানৱ প্ৰেমী কবিৰ মনত মানৱৰ কিছুমান ক্ষমাহীন দোষে সৃষ্টি কৰা বিষাদ।

'বীণ-বৰাগী' নামৰ সুদীৰ্ঘ কবিতাটিত কপটতা ভৰা সমাজৰ প্ৰতি কবিৰ তীব্ৰ বিতৃষ্ণা আৰু তাৰ লগে লগে নতুন সমাজ গঢ়াৰ বাসনা বিচিত্ৰ ৰূপত প্ৰকাশ পাইছে। সম-সাময়িক কবি বেজবৰুৱাৰ "বীণ-বৰাগী' কবিতাত থকাৰ দৰে ইয়াত অতীত গৌৰৱ স্মৃতিয়েই কেৱল নাই। নিজে বৰাগী ভূমিকা গ্ৰহণ কৰি কবি আগৰৱালাই কেতিয়াবা দুখৰ কাহিনী গাইছে, কেতিয়াবা বিদ্ৰোহৰ সুৰ তুলিছে তেওঁৰ প্ৰাণৰ বীণত। বীণখনি তেওঁৰ প্ৰাণৰ বন্ধু; অন্তৰৰ সমস্ত দুখ-বেদনা উজাৰি দিব পৰা আৰু এখনি শান্তি বিচাৰি আশ্ৰয় ল'ব পৰা নিৰাপদ

আশ্ৰয়স্থল। সংসাৰ যাত্ৰাৰ নানা ঘাত-প্ৰতিঘাতে ক্লান্ত কৰা কবিয়ে বীণৰ সুৰীয়া মাতৰ মাজতে বিচাৰি পাইছে দুখক সুখ কৰিব পৰা পৰম-শক্তি; সেই সুৰত—'দুখো সুখ হৈ পৰে'। তেওঁৰ কবি প্ৰাণৰ কাতৰ সমৰ্পণ—

"দুখ-ভাগৰৰ অন্ত তোমাতেই
সন্তাপ আঁতৰাই নিয়া—
তোমাতেই আশ্ৰয়, তোমাতেই নিৰ্ভয়
তোমাতেই নিচুক হিয়া।"

মানুহৰ পৃথিৱীত একমাত্ৰ সৰগীবস্তু হ'ল সংগীতৰ ধ্বনি। বীণৰ ঝংকাৰত দীন-দৰিদ্ৰৰ প্ৰাণতো মধুৰ কল্পনাই পাখি মেলে। চিৰন্তন মানৱ প্ৰাণে সৃষ্টিৰ পাতনিৰে পৰা যি এক অপাৰ্থিৱ সম্পদৰ কামনাত দিনে-নিশাই ব্যাকুল হৈ আছে, সেয়েই ধৰা দিয়েহি এই ঝংকাৰত। সুৰৰ ৰাগীত মতলীয়া হোৱা মানুহে ক্ষণিকৰ বাবে পাহৰি পেলায় দুখ-বেদনা-জ্বালা-যন্ত্ৰণাৰ কথা। মানুহৰ অন্তৰৰ নিভৃত স্থলত যি এক অসীম তৃষ্ণা সদায়ে শুই থাকে; সেই তৃষ্ণাই পৰম আশাৰে পৰিতৃপ্তি বিচাৰে সুৰৰ মাজত। আমাৰ কবিৰো মনৰ মাজৰ বীণৰ কাষতে উজাৰি দিছে সমস্ত—পুঞ্জিভূত ক্ষোভ আৰু বেদনা। তেওঁ নকৈ পৰা নাই যে—

"গোটেই সংসাৰৰ দুখৰ বোজাটো
নহয় যে এলাপেচা,
সেয়ে প্ৰতিক্ষণে খুন্দিয়ায় মোক
বুকুত গধুৰ হেঁচা।"

হৃদয় পাতল কৰিবৰ বাবে তেওঁ বীণৰ কাষ চাপিছে—যাৰ সুৰত লুইত উজায়, জোন তধা লাগে; যতনেৰে যি বুকুত ভৰাই লয় মানুহৰ কৌটিকলীয়া দুখ। 'একৰ দুখক এশত ভগাই' মানুহৰ প্ৰাণৰ এশ সুঁতি আনি একেটি ধাৰতে বোৱাই নিয়া বীণধ্বনিৰ সুৰত তেওঁ যেন নিজৰ প্ৰাণৰ সুৰটি মিলাইছে দিব। হিয়াৰ সকলো গোপন কামনা, দুখৰ অনুভূতি আৰু শুধ্ধিবৰ বাসনা—বীণৰ সুৰতে ফুটি উঠক,—এয়ে তেওঁৰ কামনা।

কবিৰ অনুভৱ সংসাৰত প্ৰকৃত সুখ ক'তো নাই। ৰাবেৰহণীয়া সুখৰ পখিলাটি দুখৰ চিলাই থপিয়াই নিয়ে। সুখৰ সন্ধানত ভ্ৰমি ফুৰা কবিৰ অভিজ্ঞতা দুখজনক—

"দেখিলো কোনেনো নৰ-সমাজত
বিষম জঞ্জাল হায়!
মানুহে মানুহে পৰতকৈ পৰ
একেৰি মৰমো নাই।"

তেওঁ দেখিছে ভাওৰৰ ভাওৰ ভেম, দুখীয়াৰ প্ৰতি ঘৃণা, মৰম ভৰা সুখে ভৰা একো একোটি পৰিয়ালত চেনেহতকৈও প্ৰাধান্য পোৱা ধনৰ মোহ। মিঠা মাতষাৰৰ ঠাইত মানুহৰ মুখত হৃদয় বিদৰি যোৱা বাক্যবাণ। "মানুহৰ তেজ শুহি শুহি খায় মানুহ ৰাক্ষসে চোৱা" বুলি কবিয়ে তেওঁৰ আক্ষেপৰ সুৰ প্ৰকাশ

কৰিছে। কিন্তু ইমানতো মানুহৰ শঠতাৰ কথা অন্ত পৰা নাই,

"ফুলনিৰ ফুল লখিমী জীয়ৰী
দলিছে ভৰিৰে হায়
সৰগী বস্তুৰ কি জানিব মোল?
—পৃথিৱী পাপৰ ঠাই।"

মানুহৰ প্ৰতি মানুহৰ অবিচাৰত তেওঁৰ প্ৰাণে হাহাকাৰ কৰি উঠিছে। য'ত কেৱল অন্যায়, অত্যাচাৰ আৰু অবিচাৰৰ মেলা, য'ত পাপ আৰু ছলনাৰ মায়া-জাল, প্ৰয়োজনেই বা কি তেনে এখন সমাজৰ? যিখন সমাজত নিঃকিনলৈ মাথো দুখ-দুৰ্দশা আৰু "দুৰ্বলীৰ গতি জীয়ন্তে মৰণ", তেনেখন সমাজ কবিক নালাগে। সেই সমাজে দান কৰা সম্ভ্ৰম, সন্মান, কৃপা, ভিক্ষা একোৰে প্ৰতি তেওঁৰ স্পৃহা নাই। তেওঁৰ মনোভাব—আহিলে আহক প্ৰলয়ৰ দিন, চূৰ্ণ হৈ যাওক সমাজ। শক্তি হ'লে কবিয়ে নিজেই নমালেহেঁতেন ঘনঘোৰ প্ৰলয়—

"আঙুলি বুলাব জনাহ'লে আজি
পেলালোহেঁতেন টানি,
হিমালয় চূড়া বুৰালোঁহেঁতেন
উছালি কলীয়া পানী।"

আকাশৰ তৰা লাখে লাখে থপিয়াই, জোন-বেলি, গ্ৰহ দলিয়াই পৰা হ'লে তেওঁ পাপৰ পৃথিৱীখন সাগৰত তল নিয়ালেহেঁতেন। শ্যেলীৰ প্ৰমিথিউছৰ দৰে আমাৰ কবিৰো কামনা মানুহে মানুহৰূপে স্বীকৃতি পাব পৰা এখন নতুন সমাজৰ সৃষ্টি। দুখ-লাজ-ভয়বিহীন সেই নতুন জগতত সদায়ে থাকিব মাথোঁ আনন্দৰ সুৰ, মান-অপমান আঁতৰি যাব প্ৰলয়ৰ জলধিত। নতুন সৃষ্টিৰ অৰুণ কিৰণত পবিত্ৰ হৈ উঠিব মানুহৰ নতুন সংসাৰ।

ববাগী কবিয়ে জগতৰ ৰহস্যৰ মাজতে বিচাৰি পাইছে এক ঐশিক শক্তি। মানুহ এই শক্তিৰেই ৰূপান্তৰ মাথোঁ। মানুহ হ'ল জীৱনৰ পথত বাট বুলি থকা যুগে যুগে পথ-শ্ৰমৰ ক্লান্তিত ভাগি পৰা অসীমৰ যাত্ৰী। তাৰেই এটি প্ৰতীক যেন এটি ববাগী। জীৱনৰ পথত বাট বুলনিত ক্ষণিক জিৰণিৰ বাবে বহি তেওঁ অনুভৱ কৰিছে প্ৰকৃতি-জগতৰ মুকলিমুৰীয়া সৌন্দৰ্য। তেওঁৰ বুকুলৈ সোমাই আহিছে এনে এক অনুভৱ—পৃথিৱীখনি যেন বিমল সুখৰ আলয়। ইয়াক মাথোন অসুন্দৰ কৰে দুখ, দন্দ, শোক আৰু কোঢ়ালে। এই উপসৰ্গ দূৰ হ'লেই পৃথিৱী হৈ পৰিব স্বৰ্গতকৈও মনোৰম। তেওঁৰ মধুৰ উপলব্ধি—

"দেখিছো পৃথিৱী স্বৰ্গতো অধিক
মানুহৰ নিজাপী ঘৰ,

মানুহেই দেৱ ইহ জগতৰ
মানুহেই পৰাৎপৰ।"

মানুহ দেৱতাতকৈও শ্ৰেষ্ঠ। মানুহৰ প্ৰীতি সাধিবৰ বাবেই বিশ্ব-জগত নিৰ্মিত হৈছে, তৰাই দীপ জ্বলাইছে, মলয়াই দিছে শীতলা বা। "হাঁহিছে মানুহে, কান্দিছে মানুহে, পাতিছে মানুহে প্ৰেম", মানুহৰ যি লীলা-খেলা সেয়েই পৃথিৱীৰ সৌন্দৰ্য। আত্মচিন্তাত মগ্ন হৈ বৰাগী কবি পৰিণত হৈছে ৰহস্যবাদী কবিলৈ। সৃষ্টিৰ দিনৰেপৰা আৰম্ভ হোৱা মানৱ-জীৱনৰ অনন্ত যাত্ৰাত তেওঁ প্ৰত্যক্ষ কৰিছে চৰাচৰৰ মাজত পৰম শক্তিৰূপে জিলিকি থকা মানৱ-সত্তাক। নীচতা-হীনতা আদি নানাবিধ বিচ্যুতিয়ে কলংকিত কৰিলেও প্ৰকৃত মানৱ সৃষ্টিৰ শ্ৰেষ্ঠ জীৱ। মানুহৰ হাঁহি-কান্দোন, মিলা-প্ৰীতিয়ে সৰগৰ জেউতিও চেৰ পেলাব পাৰে।

'বীণ-বৰাগী' কবিতাটিৰ মাজত কোনো কোনো ঠাইত কবিৰ দাৰ্শনিক চিন্তা-ধাৰা প্ৰকাশ পোৱা দেখা যায়। পুতলা-নাচৰ দৰে সংসাৰত লীলা-খেলা চলাই থকা মানুহৰ বেহৰূপে তেওঁক কেতিয়াবা বিস্ময়াভিভূত কৰিছে, কেতিয়াবা আমোদ দিছে। তেওঁ দেখা পাইছে নানাৰূপে বিচৰণ কৰা মানুহৰ জগতত একৰ মাজত বহুতৰ আৰু বহুতৰ মাজত একৰ প্ৰকাশ। কেতিয়াবা বন্ধুৰ মাজত, কেতিয়াবা পুত্ৰ-কন্যাৰ মাজত মৰম বিলাই মানুহে নিজৰ লগতে যেন ধেমালি কৰে। কেতিয়াবা দুষ্টৰ ভূমিকাত, কেতিয়াবা সন্তৰ ভূমিকাত নিতে নিতে নানাধৰণৰ লীলা-খেলা কৰা মানুহে সৃষ্টি ভাঙে যেনেদৰে, পাতেও সেইদৰেই। জগতৰ সৈতে মানুহৰ অটুট সম্পৰ্ক। ইয়াৰ মাজতে কেতিয়াবা মনত ভ্ৰম জাগে, সপোনতে উমিলি-জামলি ফুৰা মানুহে সপোনকে সঁচা বুলি ভাবি দিঠকত হাঁহাকাৰ কৰে। স্বাৰ্থ-অহংকাৰত মোহান্ধ মানুহে মুগাৰ খোলাৰ মাজত "ৰ-লগা পলু যেনে" হৈ সংসাৰ পতাৰ অলীক অহংকাৰত আকণ্ঠ নিমজ্জিত হয়। যেতিয়া এই অজ্ঞানতাৰ অন্ধকাৰ আঁতৰি যায়, তেতিয়া পুনৰ অসীমৰ অনুভূতিৰে ভৰি পৰে প্ৰাণ-মন। নিজকে অনুভৱ হয় পৰম সম্পদশীল যেন।

জীৱন-যাত্ৰাৰ পথ বৰ দীঘলীয়া। বৰাগী কবিৰ দেহলৈ ক্লান্তি নামিলেও মনৰ মাজত বীণৰ ঝংকাৰটোৱে প্ৰতি উঠি আহে নৱ নৱ উছাহ। মানুহ সকলোটি মহা-প্ৰয়াণৰ যাত্ৰী। জন্মৰ দিনৰে পৰা মানুহৰ বাট-বুলনি অন্তিমৰ সুখৰ ধামলৈ। "হিয়াৰ মাজত অনন্ত সুখৰ পৰি আছে ৰাজবাট" যদিও—

"সুখ সুখ বুলি জগৎ বলিয়া
হেৰাল পৰম সুখ,
স্বাৰ্থৰ কন্দলে জগৎ জুৰিলে
দুখ যে থাকি গ'ল দুখ।"

কবিৰ হৃদয় সমৰ্পিত হৈছে "নিঃকিনৰ ধন জগৎ ৰঞ্জন" ভগৱানলৈ। এই সমৰ্পণ বৈষ্ণৱ কবিতাত থকা ভগৱানৰ কাষত ভক্তৰ আত্মসমৰ্পণ নহয়। এয়া

হৈছে চিৰন্তন মানৱ-প্ৰাণৰ সৰ্ব-শক্তিমানৰ প্ৰতি থকা আস্থা আৰু নিৰ্ভৰতাৰ প্ৰকাশ। প্ৰাণতে থকা প্ৰাণৰ সম্বল পাহৰি গৈ যিসকলে বাহ্যিকতাৰ মাজত সুখ-শান্তিৰ সন্ধান কৰে, সেইসকলৰ বিস্মৃত জ্ঞানৰ পুনৰুদ্ধাৰৰ বাবে কবিয়ে সেই সৰ্বশক্তিমানক—"জড় জগতৰ চেতন নিয়ন্তা" আখ্যা দি তেওঁৰ অন্যায়-অসত্য আৰু পাশৱ-বলেৰে সৈতে কৰা সংগ্ৰামৰ কথা স্মৰণ কৰিছে। ক্ৰমে ক্ৰমে কবিৰ মনেও গতি কৰিছে পাৰ্থিৱ-জগতৰ ক্ষুদ্ৰতাৰ পৰা অপাৰ্থিৱ জগতৰ মহত্ত্বলৈ। সেই সৰগী অনুভূতিৰ ভাগ ল'বলৈ তেওঁ বিশ্ববাসী নৰগণলৈ আহ্বান জনাই কৈছে ঃ—

"বিশ্বৰ বীণত ঝঙ্কাৰ উঠিছে
মিলোৱাঁ তাৰেই সুৰ,
আকাশৰ লক্ষ গ্ৰহ সমন্বিতে
ওঙ্কাৰ ধ্বনিৰে পূৰ।"

ধ্ৰুৱলোকৰ সত্য আৰু অৰুন্ধতীৰ প্ৰেম কেৱল কিম্বদন্তিয়েই নহয়। এইবোৰ মানৱৰ চিৰকলীয়া মহৎ গুণ। আজিৰ মানৱে পাহৰি পেলোৱা সকলো শুভ শক্তি পুনৰ পৃথি· 'লৈ নমাই আনিব লাগিব—

"পৃথিৱীক তোলা স্বৰ্গৰ খাপলৈ
স্বৰ্গক নমাই আনা,
সৰগ নহয় দূৰ-দূৰণিৰ
বাহিৰবো নোহে জানা।"

মানুহে-মানুহে বিশ্বপ্ৰেমৰ দোলেৰে বান্ধ খাবলৈ শিকিলেহে পৃথিৱী সুন্দৰ হ'ব। সত্য-পিয়াসী মানৱ-প্ৰাণে অসীম ৰহস্যৰ মাজত বুৰগৈ হৃদিস্থিত আনন্দৰ স্বাদ পাহৰি গৈছে। প্ৰকৃতি-জগতৰ মাজত জিলিকি উঠা পৰম-সুন্দৰৰ সৃষ্টিৰ উদ্দেশ্য, যি প্ৰকাশ কৰে মানৱক সুখী কৰা আৰু সংসাৰ সুখময় কৰাৰ প্ৰচেষ্টা, হৃদয়ংগম কৰিবলৈ পাৰিলেহে মানুহে সৃষ্টি কৰিব পাৰিব এখনি সুন্দৰ পৃথিৱী।

## ১.৩.২ লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতা ঃ

'জোনাকী' যুগৰ ঘাই ব্যক্তিত্ব আৰু অসমীয়া সাহিত্যৰ মূৰ্তিমন্ত প্ৰেৰণা লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰতিভা আছিল বহুমুখী। তেওঁ আছিল এজন নিপুণ গদ্যলেখক। কিন্তু কবিতাৰ মাজতো পোৱা যায় তেওঁৰ কবি-প্ৰাণৰ সঁচা স্বাক্ষৰ। এই কথা ঠিক যে বেজবৰুৱাৰ কবিতাৰ মাজত ৰূপাবৰে ভুমুকি মাৰি কেতিয়াবা অসুবিধাৰ সৃষ্টি কৰে, কিন্তু সেই স্বাধীনচিতীয়া মনোভাৱো কবিতাৰ ক্ষেত্ৰত ৰমন্যাসিক মনোভাৱৰহে পৰিচায়ক। 'কদমকলি' তেওঁ নিজে উলিয়াই থৈ যোৱা কবিতাৰ পুথি। 'পদুমকলি' হ'ল 'অযত্নপালিতা' কন্যাৰ দৰে অ'ত

ত'ত বৈ যোৱা কবিতাবোৰৰ পিছত আনে উলিওৱা সংগ্ৰহ।

বেজবৰুৱাৰ কবিতাৰ জগত বিস্তৃত। ইয়াত প্ৰেম, দেশপ্ৰেম, প্ৰকৃতি, অতীত-প্ৰীতি আদি নানা ৰং-ৰূপে ভুমুকি মাৰিছে। আশাবাদ তেওঁৰ কবিতাৰ প্ৰধান সুৰ। পুৰণি পৃথিৱীক ন-কৈ চাই লোৱাৰ প্ৰয়াস তেওঁৰ কবিতাত দেখা যায়। প্ৰেমৰ কবিতাবোৰত তেওঁৰ অনুভূতি স্পষ্ট, সজীৱ আৰু ব্যাকুলতাৰে ভৰা।

"তোমাকেই দিনে-ৰাতি ফুৰোঁ মই দেখি
তোমাকেহে ভাল পাওঁ মৰমৰ সখী—"

—বুলি কোনোবা মানসী প্ৰিয়াৰ ওচৰত হিয়া উবুৰিয়াই দি কবিয়ে গোটেই বিশ্ব-সংসাৰত চুমাৰ ৰাগী দেখি কৈ উঠিছে—

"সেই দেখি লেখি লেখি এশচুমা দিয়া।
অন্তত ই প্ৰাণ মোৰ বুজি বাজি লোৱা"

প্ৰেমৰ পৰশ লগা চকুৰে বিশ্বসংসাৰ মধুময় দেখে। কবিৰো চকুত পৰিছে প্ৰিয়াৰ অপৰূপ সৌন্দৰ্য আৰু সেই সৌন্দৰ্যৰ তুলনাত ম্লান হৈ পৰা প্ৰকৃতিৰ ৰূপ। কাঁইট নথকা ৰূপহ গোলাপৰ দৰে প্ৰিয়াৰ সেন্দুৰী গালৰ নিমজতাত তেওঁৰ প্ৰেমিক মন মগ্ন হৈ পৰিছে। কিন্তু শৰীৰৰ ৰূপক তুচ্ছ কৰি জিলিকি উঠে যি অন্তৰৰ জ্যোতি, তাৰ সন্ধানো তেওঁ পাইছে। শৰীৰী প্ৰিয়াৰ ৰূপৰ মাদকতাত দুদিনৰ বাবে চমক থাকিব পাৰে, কিন্তু চিৰদিনৰ বাবে প্ৰেৰণা যোগাব পাৰে আন্তৰিক প্ৰেমেহে। তেওঁৰ বাবে প্ৰেম ত্ৰিভুৱনৰ চালিকা শক্তি। তেওঁৰ ভাষাত —

"প্ৰেমত ঘূৰিছে ভূমণ্ডল।
প্ৰেমত ফুলিছে শতদল॥"

প্ৰেমৰ ক্ষেত্ৰত এক উদাৰ আৰু সাহসী মনোভাৱ বেজবৰুৱাৰ কবিতাতে প্ৰথম লক্ষ্য কৰা যায়। ব্যক্তিগত অনুভৱৰ আলসুৱা প্ৰেম, যি প্ৰিয়াৰ মাজত আৱিষ্কাৰ কৰে সীমাহীন ৰহস্য, আৰু সাধাৰণ পাত্ৰ-পাত্ৰীৰ আন্তৰিক প্ৰেম—এই দুয়োটাৰে প্ৰকাশ তেওঁৰ কবিতাত দেখা যায়।

বেজবৰুৱাৰ কবিতাৰ ৰমন্যাসবাদ কেৱল ইংৰাজী শিক্ষাৰ ফলেই নাছিল। তাৰ অন্তৰালত গভীৰভাৱে আছিল স্বদেশ আৰু স্বজাতিৰ সাহিত্যক বাহুকবনীয়া ৰূপে দাঙি ধৰাৰ বাসনা। অসমীয়াৰ গুণ-গৰিমা আৰু শৌৰ্য-বীৰ্যৰ ছবি বাহিৰৰ জগতত দাঙি ধৰিবৰ বাবে তেওঁৰ প্ৰয়াসৰ অন্ত নাছিল। অসমৰ লগত থকা তেওঁৰ হৃদয়ৰ নিবিড় সম্পৰ্ক কেইবাটিও কবিতাৰ মাজত ফুটি উঠিছে। মাতৃভূমিলৈ তেওঁৰ কিমান মৰম তাৰ উমান পোৱা যায় কবিতাৰ সহজ শব্দ-চয়নত। পাহাৰী নিজৰাৰ দৰে আপোন গতিৰে বৈ আহিছে এইকেইটি শব্দ —

"চাই লওঁ এবাৰ
মুখনি তোমাৰ
হেঁপাহ মোৰ পলোৱা নাই।"

'বীণ-বৰাগী' কবিতাত অসমৰ অতীতলৈ ঘূৰি চোৱা তেওঁ এজন ব্যথিত অথচ আশাবাদী কবি। অতীত অসমৰ বীৰত্ব আৰু গৌৰৱেৰে ভৰা দিনবোৰৰ কথা শুনিবৰ বাবে তেওঁৰ মন ব্যাকুল —

"শুনা ঐ বৰাগী আনন্দৰ কাহিনী
অসমৰ যশৰাশি
হিয়া মোৰ হেৰ বলৱন্ত হোৱা
পৰাণ উঠক উল্লাসি।"

দুখ-বেদনাৰ কাহিনীয়ে হৃদয় দুৰ্বল কৰে। কিন্তু প্ৰেৰণাৰ কাহিনীয়ে হৃদয়ত দিয়ে নতুন আশা। শক্তি-সামৰ্থ্যৰে ভৰপূৰ অসমীয়া জাতিৰ নীচাত্মিকাৰ মনোভাৱে তেওঁক যন্ত্ৰণা দিলেও আশা নেহেৰুৱাই তেওঁ কৈ উঠিছে —

"বাজক ডবা বাজক শংখ
বাজক মৃদং খোল
অসম আকৌ উন্নতি পথত
জয় আই অসম বোল।"

প্ৰকৃতিৰ ছবিয়ে বেজবৰুৱাৰ কবিতাত কোমল সৌন্দৰ্যৰ সৃষ্টি কৰিছে। এই প্ৰকৃতি আগৰৱালাৰ কবিতাৰ প্ৰকৃতিৰ দৰে শিক্ষাদাত্ৰী আৰু ৰহস্যময়ী নহয়। স্বভাৱ সুন্দৰী নাৰীৰ দৰে বেজবৰুৱাৰ কবিতাত প্ৰকৃতি কমনীয়তাৰে ভৰপূৰ। প্ৰকৃতিৰ ৰূপমুগ্ধ কবিয়ে কেতিয়াবা অসাধাৰণ সৌন্দৰ্যযুক্ত একোটি স্তৱক ৰচনা কৰে। যেনে—

"কোনে কয় সিটি হৰিণা পোৱালি
ইমান চেতনা নাই
বনৰ সৌন্দৰ্যই ৰূপ ধৰি আহি
দেও দি দুবৰি খায়।"

বসন্তৰ বৰ্ণনা কৰি এটি কবিতাত স্বাভাৱিকতাৰ মাজতে তেওঁ মনোমোহা সৌন্দৰ্যৰ সৃষ্টি কৰিছে।

"বকুলে সিঁচিলে তৰা একোকণি
মদাৰে খেলিলে ফাকু
যুতি ফুলজুপি নিশাহ এৰিলে
পদুমে মেলিলে চকু।"

কবিয়ে দেখে পখিলাৰ পাখিচিত বন্দুলিৰ পাহিচিত ধুনীয়া বহণৰ খেলা, টেপাইতিতাৰ কপালত ন তিলক অমাৰু ফুলি উঠা মৰুৱা মধাইৰ হাঁহি। লুইতৰ শুকুলা বালি, তিৰবিৰকৈ জিলিকা আকাশৰ তৰা, নৱ-বধূৰ দৰে চাপি অহা সন্ধ্যাতৰা, কবি-হৃদয়ে আৱিষ্কাৰ কৰে সীমাহীন সৌন্দৰ্য।

বেজবৰুৱাৰ প্ৰকৃতি-প্ৰীতি আৰু চহা-জীৱন প্ৰীতিৰ নিদৰ্শন হ'ল 'ধনবৰ ৰতনী', 'ৰতনীৰ বেজাৰ', 'নিমাতী কন্যা', 'তিলকা' আদি কবিতাকেইটি। এই-কেইটি কবিতাৰ প্ৰকাশভংগি লোকগীত সুৰীয়া। ৰতনীৰ বেজাৰত বিলাপ কৰা ধনবৰৰ ছবি সহজ-সৰলভাৱে ফুটি উঠিছে—

"লুইতৰ পাৰতে কাৰে এৰাবাৰী
চপৰা চপৰে খহে
লুইতৰ পাৰতে কাৰে ধনবৰ
ৰতনীৰ বেজাৰত জহে।"

কাহিনীৰ সোৱাদ থকা কবিতাটিত আছে, ৰতনীৰ বেজাৰ সহিব নোৱাৰি ধনবৰে লুইতৰ বুকুত ঠাই ল'লে। আনফালে ধনবৰৰ মৃত্যুৰ পিছত ৰতনীৰ বিননি ফুটি উঠিছে 'ৰতনীৰ বেজাৰ' নামৰ কবিতাটোত—

"মৰি গৈ সোণ সৌ
তৰা এটি হ'ল
হে তৰা এটি হ'ল
টুঁপি টুঁপি চকুৰ লোৰে
মোলৈ চাই ৰ'ল
হে মোলৈ চাই ৰ'ল॥"

'তিলকা'ত বাৰী ঘাট-মাউৰী তিলকাৰ বিননি আছে। 'নিমাতী কইনা' অন্য এটি মালিতা সুৰীয়া কবিতা। সাধুকথাৰ প্ৰকৃতি আৰু মালিতাৰ সুৰৰ সমাৱেশ ইয়াত লক্ষ্য কৰা যায়।

বেজবৰুৱা তত্ত্বদৰ্শী ভগৱৎ প্ৰেমৰো কবি। 'ঈশ্বৰ আৰু ভকত', 'মহা-প্ৰয়াণৰ যাত্ৰী' আদি কবিতাত তেওঁৰ ভক্তিত অটল বিশ্বাস প্ৰকাশ পাইছে। 'পদুমপাতৰ পানী'ত তেওঁ কৈছে সংসাৰখনৰ ক্ষণভংগুৰতাৰ কথা। 'বাঁহী' তেওঁৰ বাবে জীৱাত্মাৰ পৰমাত্মালৈ আকুল আহ্বানৰ প্ৰতীক। তেওঁ কৈছে —

"অন্ত অনন্তৰ মাজত আসন
বাঁহীটিত বাজে আত্ম বিলোপন
শুনাহে শুনাহে অমৃত সন্তান
আত্মা পৰমাত্মাত॥"

বেজবৰুৱাৰ কবিতাৰ এটি শাখা হ'ল লঘু কবিতাবোৰ। এইবোৰ কবিতাত বেজবৰুৱাক পিছলৈ ঠেলি ওলাই আহিছে ৰসৰ উঁৱাল কৃপাবৰ, চন্দ্ৰ, কুলিক লৈ আন কবিয়ে গৌৰৱ কৰে, কৃপাবৰে কৰে ইতিকিং। তেওঁ কবিতা বিচাৰি পায় ধোঁৱা-খোৱাৰ 'টোৰোক ভৈৰৱ নাদ'ত। দ্বিজেন্দ্ৰলালে যদি মাতৃভূমিৰ বন্দনা

কবি গায়—

"এমন ধানের ওপর ঢেউ খেলি যায়
বাতাস কাহার দেশে ?"

চঞ্চল কৃপাবৰে লগে লগে ল'ৰামতীয়া দুষ্টালিৰে সুৰ ধৰি গায়—

"ক'ত এনে কুঁজী থেকেৰা টেঙাই যায় দাঁত ?
ক'ত পাবা পকা খৰিছা, ক'ত ঢেকীয়া শাক ?
এঠা দৈ ক'ত এনে নেবাই ধুলে যাক ?"

বেজবৰুৱাৰ কবিতাত 'বাঁহী' চিৰন্তন ৰহস্যৰ প্ৰতীক, শ্ৰদ্ধা আৰু মাধুৰ্যৰ সৃষ্টিকাৰক। অথচ এই বাঁহীয়েই সময় বিশেষে তেওঁৰ চকুত—

"ধপাত ভৰাব পাৰি
পিঠা পুৰি খাব পাৰি
কুকুৰ মৰা-মাৰি সেইডাল ঠিক হ'ব পাৰে।"

বুদ্ধিনিষ্ঠ ব্যঙ্গাত্মক কবিতা ৰচনাৰ ক্ষেত্ৰত বেজবৰুৱা অসমত অগ্ৰগণী। তেওঁ পেৰডী কৰা কবিতাৰ ভিতৰত গুৰুদুজনাৰ বৰগীতো আছে, শেলী কীট্‌ছৰ ঋতু কবিতাও আছে।

বেজবৰুৱাই কৈছিল, "মোৰ মনৰ বহল পথাৰখন বাইৰণৰ কবিতাই কোমলালে, শেলীৰ কবিতাই হাল বালে, কীট্‌ছৰ কবিতাই মৈয়ালে আৰু ৰবীন্দ্ৰৰ কবিতাই এনে কৰিলে যে তাত লাহিধানৰ কঠিয়াৰতো কথাই নাই, বিহমনা, কোঁটকৰা, পথৰুৱা বিহলঙনী আৰু চোৰাতকে আদি কৰি যিহৰে গুটি হওক পৰিলেই সিয়েই ভৰভৰ কৰি গজি 'মোকচা মোকচা' কৈ উঠিব।"

কথাখিনি সঁচা। সেয়েই অলপ মনপুতি চালে তেওঁৰ 'চুমা'ৰ আঁৰত শেলীৰ Love Philosophy, 'মালতী'ৰ আঁৰত ৱৰ্ডছৱৰ্থৰ Lucy-ৰ প্ৰতিফলন চকুত পৰে। তেওঁৰ ৰোমাণ্টিক কবিতাবোৰৰ আঁৰত পাশ্চাত্য জগতৰ প্ৰভাৱ সুস্পষ্ট। 'বৃন্দা-চন্দ্ৰাৱলী সংবাদ', 'চন্দ্ৰা-ৰাধাৰ দ্বন্দ্ব', 'ধোঁৱা-খোৱা', 'ছয় ঋতুৰ ডাক' আদি ব্যংগ কবিতাৰ মাজতো পাশ্চাত্য জগতৰ ব্যংগ সাহিত্যৰ ছয়া-ময়া প্ৰভাৱ দেখা যায়।

বেজবৰুৱাৰ সকলো কবিতাৰে ছন্দ কিন্তু নিমজ নহয়। কিছুমান কবিতাৰ ছন্দ উজুতি খোৱা বিধৰ। কিছুমানৰ পিছে অতি নিমজ আৰু সুন্দৰ। কিছুমান কবিতাত আকৌ সামৰণিটো কৃপাবৰী ঢঙত হোৱা বাবে নাইবা ৰচনা-ৰীতিৰ মাজতো ইংৰাজী শব্দ প্ৰয়োগৰ বাবে সেইবোৰ তৰল কবিতালৈ পৰিণত হৈছে।

বেজবৰুৱাৰ কবিতা অসমীয়া ৰমন্যাসিক সাহিত্যৰ প্ৰথমৰ ফালৰ মূল্যৱান সম্পদ। তেওঁৰ প্ৰেৰণা আৰু প্ৰভাৱত পিছৰ ৰমন্যাসিক কবিসকল যথেষ্ট অনুপ্ৰাণিত হৈছিল।

## ১.৩.৩ হেমচন্দ্ৰ গোস্বামীৰ কবিতা ঃ

'জোনাকী' যুগৰ অন্যতম ব্যক্তিত্ব হেমচন্দ্ৰ গোস্বামীৰ পাণ্ডিত্যপূৰ্ণ ৰচনাৰ মাজত কবিতাৰ সংখ্যা বেছি নহয়। কিন্তু যিখিনি কবিতা তেখেতে ৰচনা কৰি গৈছে, তাৰ মাজতে ৰমন্যাসিক প্ৰভাৱৰ সুন্দৰ স্ফুৰণ লক্ষ্য কৰা যায়। তেওঁৰ কবিতাত আছে প্ৰকৃতিৰ মনোৰম চিত্ৰ, প্ৰেমৰ কোমলতা আৰু তাৰ লগে লগে আছে স্বদেশৰ গ্লানি তথা বিদেশৰ প্ৰগতি দেখি সৃষ্টি হোৱা এক খেদৰ মনোভাৱ।

হেমচন্দ্ৰ গোস্বামীৰ কবিতাত প্ৰকৃতিৰ বৰ্ণনা স্বাভাৱিক সৌন্দৰ্যৰে ভৰা। উচ্ছ্বাসৰ আধিক্য ক'তো নাই। এই প্ৰকৃতি অলৌকিক বা ৰহস্যময়ীও নহয়, আগৰৱালাৰ কবিতাৰ দৰে। ইয়াত আছে এক শান্তি স্নিগ্ধ ৰূপৰ প্ৰভা। 'পুৱা' কবিতাত আন্ধাৰ-পোহৰৰ দোমোজাৰ যিখন ছবি পোৱা যায়, তাত কিছুমান সুন্দৰ চিত্ৰৰ প্ৰয়োগ কৰা হৈছে—

"স্বৰ্গৰ জেউতি দেখি ৰাজহাঁহ জুবি
প্ৰেমৰ আলচ ভুলি গৈ
চিত্ৰৰ পুতলি হেন আছে থৰ লাগি
ইটিয়ে সিটিক চাই ৰৈ।"

কবিয়ে যেন দেখা পায়, প্ৰকৃতিৰ জগতৰ মাজত এক অনাবিল শান্তি আৰু প্ৰেমৰ তৰংগ প্ৰৱাহিত হৈছে। ফুলি থকা পদুমৰ চাৰিওফালে বেঢ়ি লৈ কোমল ঢৌবোৰৰ যি স্নেহ-সনা উচ্ছ্বাস, সি তেওঁক অভিভূত কৰিছে। তেওঁ জানে, এই উলাহ প্ৰকৃতিৰ নিজৰ। মানুহৰ তাত ভাগ নাই। তথাপিও স্বাভাৱিক সৌন্দৰ্য-স্পৃহাৰে তেওঁৰ মন যায়—

"ময়ো যেন তেনেকৈয়ে
চুমা এটি খাম?
আলফুল কৰি যেন বুকুত শুৱাই
টোপনিতে লালকাল মুখখনি চাম।"

'প্ৰকৃতি' নামৰ কবিতাটোত প্ৰকৃতিৰ অপাৰ মাহাত্ম্যৰ বন্দনা কৰিছে। ফুল ফুলোৱাৰ মন্ত্ৰ-মাতি প্ৰকৃতিয়ে যেন গছে-গছে ফুলৰ পাপৰি মেলায়, পখীৰ কণ্ঠত দিয়ে সুমধুৰ গীত। আকাশখন তৰাৰে সজাই তুলি, জোনৰ পোহৰেৰে পৃথিৱী ধুনীয়া কৰি, চকোৰক জোনাক পান কৰিবলৈ শিকাই প্ৰকৃতিয়ে সংসাৰত ৰং-ৰূপৰ পোহাৰ পাতে। প্ৰকৃতিৰ অফুৰন্ত শক্তি আৰু মাহাত্ম্যৰ কথা কবিয়ে এইদৰে অনুভৱ কৰিছে—

"গোলাপ, তগৰ, জাঁই, বকুল, মালতী,
ফুলাই মুখত দিছা মধুৰ হাঁহিটি।

তুমিয়েই বিশ্ববাণী,
ধীৰ বায়ু মাতি আনি,
লাহে লাহে ফুলনিত বলাই ফুৰিছা,
ঘৰে ঘৰে সুগন্ধেৰে যোগান ধৰিছা।"

প্ৰকৃতি অপৰূপা। প্ৰকৃতি শক্তিমতীও। নানাধৰণৰ শুভ-শক্তিৰ মূলৰূপে প্ৰকৃতিক তেওঁ অংকন কৰিছে।

অসমীয়া সাহিত্যত হেমচন্দ্ৰ গোস্বামীৰ নাম অমৰ হৈ আছে 'প্ৰিয়তমাৰ চিঠি' নামৰ চনেটটোৰ বাবে। ছন্দৰ ক্ষেত্ৰত নতুন পৰীক্ষা-নিৰীক্ষাই পাশ্চাত্য-সাহিত্যত চনেটৰ জন্ম দিছিল। আমাৰ কবিয়েও চনেটৰ সকলো লক্ষণ ৰক্ষা কৰি এইবিধ কবিতাৰ সৃষ্টি কৰিছিল। কেৱল নিটোল ৰূপৰ বাবেই নহয়, ৰচনাৰ সৌন্দৰ্যৰ বাবেও কবিতাটি মূল্যবান। প্ৰিয়াৰ চিঠিৰ মাজত থকা মোহিনী গুণে প্ৰেমিক হিয়াক কেনেদৰে উদ্বাউল কৰে, তাৰে ইংগিত ইয়াত আছে। প্ৰেমবিষয়ক কবিতাৰ মাজত 'প্ৰিয়তমাৰ চিঠি'ৰ স্থান আগশাৰীত। সুন্দৰ আৰু শুৱলা শব্দেৰে কবিয়ে কৈছে—

"ফুল ফুলে সৰি যায়, শুকায় বননি,
বসন্তৰ কুঁহিপাত ৰ'দত লেৰেলে;
তোমাৰ চিঠিয়ে প্ৰিয়ে জানে কি মোহিনী,
নিতৌ নোহোৱা বাহী ন ন ফুল মেলে।"

হৃদয়ত হেঁপাহৰ ভোটা তৰা জ্বলা এই অনুভৱ বৰ সাৰ্থক আৰু মনোৰম। প্ৰিয়াৰ চিঠিৰ মাজত প্ৰকাশি উঠা গোপনে লুকুৱাই থোৱা ভালপোৱাই তেওঁক মধুৰ তৃপ্তি দিয়ে।

কবিৰ বাবে প্ৰেমৰ স্বৰূপ অবুজ আৰু অস্পষ্ট। মানুহৰ অন্তৰে ভালপোৱাৰ বাবে হাঁহাকাৰ কৰি মৰে; কিন্তু ভালপোৱা হ'ল উৰণীয়া পখীৰ দৰে। দুদিনৰ বাবে হিয়া শাঁত পেলোৱাৰ পিছত ই পুনৰ আঁতৰি যায় হিয়া উকা কৰি। ভালপোৱাৰ পিছে পিছে মৰীচিকা খেদি ফুৰা কবিয়ে সেয়েহে কৈ উঠে—

"থাকোঁতে থাকোঁতে হায়
বুকুত ছবিটি নাই,
কান্দিলে বুকুৰে হাঁও হাঁও;
অনেক বিচাৰি চালোঁ
নেপায় শপত খালোঁ
কাকো আৰু হিয়া নিবিলাওঁ।"

হেমচন্দ্ৰ গোস্বামীৰ কবিতাত স্বদেশ-চেতনাৰ সুৰ এটিও স্পষ্ট। প্ৰগতিৰ পোহৰত আগবাঢ়ি যোৱা দেশ-বিদেশৰ উন্নতিৰ ছবিয়ে তেওঁৰ মনত হতাশাৰ ভাৱৰ সৃষ্টি কৰে। ভাৰতৰ অতীতৰ গৌৰৱেৰে ভৰা দিনবোৰৰ তুলনাত

পৰাধীনতাৰ অন্ধকাৰ দিনবোৰে তেওঁক দিয়ে বিষাদৰ অনুভূতি। চেনেহী অসমৰ হীন দশাত ব্যথিত হৈ পৰা অন্তৰেৰে তেওঁ আক্ষেপ কৰিছে—

"সকলো দেশতে মধ্যাহ্ন আলোক
চোৱাঁ অসমত আজিও নিশা,
সকলো দেশতে বসন্ত হাঁহিছে
চোৱাঁ অসমত ঘোৰ বাৰিষা।"

'মেঘদূত' নামৰ কবিতাটোৰ মাজত ভাৰতভূমিৰ অধঃপতন দেখি দুখ আৰু ক্ষোভত উপচি উঠা তেওঁৰ অন্তৰৰ উমান পোৱা যায়। যি দেশ অতীতত আছিল শৌর্য-বীর্যৰ লীলাভূমি, বীৰপুত্ৰৰ জননী, সেই দেশ কালৰ গতিত ম্লান পৰি উঠিছে। তাৰ কাৰণ বিচাৰি কবিয়ে দেখিছে, আত্মকলহেই ইয়াৰ মূল। তথাপিও তেওঁ আশাবাদী। তেওঁৰ কথা —

"নকৰো বেজাৰ তাত নহওঁ কাতৰ,
আশাক কৰিম ৰাণী হৃদয়-পটৰ,
ভাবিম ভাৰতভূমি,
হ'ব সেই আৰ্য্যভূমি,
অৰ্জুন ভীমেও আহি জনম ধৰিব,
কালৰ গতিৰ লগে সকলো ঘূৰিব।"

ৰমন্যাসবাদৰ অন্যতম এক বিশেষত্ব হ'ল আশাবাদ। কবিৰ প্ৰাণত ধৰা দিয়া সকলো নিৰাশ আৰু বেজাৰৰ ঘাত-প্ৰতিঘাত তেওঁলোকে আশাৰ পোহৰত অতিক্ৰম কৰিবলৈ যত্ন কৰে। নতুন বলেৰে বলীয়ান আমাৰ কবিয়েও কৈছে—

"দুখৰ কোলাত আনি সুখ বহুৱাম, ,
দুখৰ তেজেৰে আই লেখনী ধুৱাম।
দেখিলে দুখৰ ছায়া,
মাতিম সুখৰ মায়া,
আশাৰ তৰীৰে দুখ-সাগৰ তৰিম,
নিৰ্জ্জীৱ প্ৰাণত ঘূৰি শক্তি সঞ্চাৰিম,"

হেমচন্দ্ৰ গোস্বামীৰ কবিতাৰ সংখ্যা কম আৰু এইবোৰৰ বৈচিত্ৰ্যও কম। কবিতাত থাকিবলগীয়া কোমলতাও প্ৰতিটো কবিতাৰ মাজত নাই। তথাপিও 'প্ৰিয়তমাৰ চিঠি', 'পূৰ্বা' আদি কবিতা সৌন্দৰ্য্যৰ ফালৰ পৰা প্ৰথম শ্ৰেণীৰ। ৰমন্যাসিক সাহিত্যৰ নতুন পোহৰত বাটবুলা এই পণ্ডিত ব্যক্তিজনৰ মনৰ মাজত থকা কবি প্ৰাণৰ আত্মপ্ৰকাশৰ বাসনা কবিতাবোৰত দেখা যায়। প্ৰকৃতি, প্ৰেম আৰু দেশাত্মবোধেই তেওঁৰ কবিতাৰ মাই লক্ষণ।

## ১.৪ প্ৰতীকবাদ আৰু চিত্ৰকল্পবাদ ঃ

অসমীয়া কবিতা আধুনিক হৈ উঠা এতিয়াও বৰ বেছি দিন হোৱা নাই। প্ৰতীক আৰু চিত্ৰকল্প, এই দুটা শব্দও পাঠকৰ মাজত চিনাকি হৈ পৰা বেছি দিন হোৱা নাই। এই দুয়োবিধ আদৰ্শ অসমীয়া সাহিত্যত সোমাই পৰে ইংৰাজী কবিতাৰ প্ৰভাৱত।

কবিতাৰ জগতত প্ৰতীক হ'ল এটা জনপ্ৰিয় আৰু চিনাকি শব্দ। প্ৰতীকে কবিতাৰ ভাষা ব্যঞ্জনাময় কৰি তোলে। একোটা বক্তব্যৰ আঁৰত কবিৰ এটা বা অধিক কথাই নিজকে লুকুৱাই থয়। মাথোন ৰসগ্ৰাহীসকলেহে তাক বিচাৰি উলিয়াব জানে। ১৯ শতিকাৰ শেষৰ ফালে পাশ্চাত্য জগতত প্ৰতীকবাদে ব্যাপক স্বীকৃতি লাভ কৰে। এই মতবাদৰ মূল হোতা হ'ল ফৰাচী কবি-সাহিত্যিক মাৰ্লামে, ভঁালে আৰু বাৰ্ঁ। তেওঁলোকৰ মতে কবিতাই যিবোৰ বক্তব্য প্ৰকাশ কৰে, সেইবোৰৰ যথাৰ্থ আৰু পোনপটীয়া হোৱাতকৈ আওপকীয়া হোৱা উচিত। প্ৰতীকৰ সহায়ত এই পৰোক্ষ প্ৰভাৱ সুচাৰুভাৱে সম্পন্ন হয়। গতিকে প্ৰতীকবাদ হ'ল কলাকাৰৰ ধাৰণা আৰু অনুভূতিৰ এক বিশিষ্ট প্ৰকাশ। এই প্ৰকাশত ক'বলগীয়া সকলো কথা উজাৰি নিদি তাৰ আভাসমাত্ৰ পাঠকক দিয়া হয়। পাঠকে নিজস্ব মনৰ মাজত প্ৰতীকবোৰৰ অৰ্থ ভাঙি বাকী অংশ বিচাৰি উলিয়াব লাগে। "প্ৰতীকবাদীসকলে সাহিত্যৰ অনুকৰণমূলক তত্ত্ব (mimetic theory) প্ৰত্যাখান কৰি ইয়াক শিল্পকলা আৰু সংগীতৰ ওচৰ চপাই আনিবলৈ বিচাৰিছিল। এজন কবিৰ মনৰ জগতখনৰ অভিজ্ঞতাসমূহ যিহেতু সাধাৰণ ভাষাৰে প্ৰকাশ কৰা অসম্ভৱ, গতিকে প্ৰতীকৰ সহায়ত কবিতাৰ প্ৰকৃত অৰ্থৰ আভাস এটাহে দিয়াৰ প্ৰয়াস কৰা হৈছিল। ভাষাৰ অৰ্থ প্ৰকাশ কৰিব পৰা ক্ষমতাৰ গুৰুত্ব কমাই দি প্ৰতীকবাদীসকলে সাহিত্যক অধিক আত্মবাদী কৰিছিল"।[১] তেওঁলোকে কবিতাত সম্পূৰ্ণ চিত্ৰখন ৰচনা কৰি নিদিয়ে, পাঠকৰ হাতৰ কাষতে গোটাই দিয়ে কবিতাৰ শব্দ, ভাব আৰু চিত্ৰকল্প—যাতে গোটেইবোৰৰ সমাৱেশত কবিতাৰ প্ৰকৃত চিত্ৰখন পাঠকে নিজেই আঁকি ল'ব পাৰে।

সাম্প্ৰতিক কালত চিত্ৰকল্প এক চিনাকি নাম। কবিৰ মনে শব্দৰ তুলিকাৰে ৰহণ বুলাই যি ছবি আঁকে, পাঠকে তাৰ মাজত বিচাৰি ল'ব পাৰে সবল কবিতাই দিব নোৱৰা অনন্য এক তৃপ্তি। চিত্ৰকল্প, উপমাতকৈ কিছু বেলেগ। উপমাই কোনো এটি ৰূপ-অনুভূতিৰ গাঢ়তা বঢ়াই তোলে, কিন্তু চিত্ৰকল্পই কবিয়ে নোকোৱা কথাখিনিৰো ছবি এখন আনি পাঠকৰ মনৰ চকুত দাঙি ধৰে। উপমাত কিবা এটি সাদৃশ্য কল্পিত হয়, চিত্ৰকল্পত সাদৃশ্যৰ উপৰিও

---

১. সাহিত্যৰ বাদ-বৈচিত্ৰ, পৃঃ ৪১

থাকে সাধাৰণ মনে চুকি নোপোৱা অতিৰিক্ত এটি কল্পনাৰ ৰেখাচিত্ৰ।

চিত্ৰকল্পবাদী আন্দোলনৰ জন্ম হৈছিল কুৰি শতিকাৰ প্ৰথমৰ ফালে। ১৯০৯ চনৰ পৰা প্ৰায় দহ বছৰ কাল এই আন্দোলনে ব্যাপক বিস্তৃতি লাভ কৰিছিল। আমেৰিকাৰ কবি এজ্‌ৰা পাউণ্ডে এই আন্দোলনৰ গুৰি ধৰিছিল। তেওঁৰ লগত আছিল টি.ই.হিউম, এমি লাৱেল, হিল্ট ডুলিটল, জেমচ্ জয়েচ আদি বিশিষ্ট কবিসকল। হিউম আৰু ইলিয়টৰ দুটামান কবিতাক চিত্ৰকল্পবাদী কবিতাৰ আৰ্হি বুলি মনা হয়। তেওঁলোকৰ কবিতাৰ জোনতৰা হ'ল খেতিয়ক অথবা শেতামুখীয়া ল'ৰা-ছোৱালী, গধূলিটো হ'ল অৱসন্ন ৰোগী। দেখাতেই এইবোৰ লক্ষণ অভিনৱ। এই কবিগোষ্ঠীয়ে ৰমন্যাসবাদীসকলৰ দৰে সুন্দৰতাৰ সমাহাৰ অথবা প্ৰতীকবাদীসকলৰ দৰে ব্যক্তিগত অনুভূতিৰ প্ৰতীকী প্ৰকাশ বিচৰা নাছিল। এওঁলোকৰ হাতত আছিল কঠোৰ সত্যক কবিতালৈ পৰিৱৰ্ত্ত কৰাৰ অভিনৱ আহিলা। সেই আহিলা হ'ল চিত্ৰকল্পৰ প্ৰয়োগ। কেতিয়াবা একেটি চিত্ৰকল্পৰে, কেতিয়াবা এটাৰ পিছত এটাকৈ জাপি দিয়া চিত্ৰকল্পৰে এওঁলোকে কবিতাৰ শৰীৰ গঠন কৰিছিল। সেই শৰীৰৰ আঁৰত লুকাই থকা কবিতাৰ মনটো চিত্ৰকল্পবোৰে নিজে নিজে পাঠকৰ বুকুলৈ কঢ়িয়াই আনিছিল। পাউণ্ডৰ মতে চিত্ৰকল্প কবিতাৰ অলংকাৰ নহয়, ই হ'ল কবিতাৰ বাণী। প্ৰতীকবাদীসকলে বাস্তৱবাদী চিন্তাধাৰাক অস্বীকাৰ কৰিছিল আৰু ৰহস্যময় প্ৰকাশভংগিৰে নিজৰ বক্তব্য প্ৰকাশ কৰিছিল। তেওঁলোকে ব্যঞ্জনা বিচাৰিছিল সংগীতৰ লয়লাসৰ মাজত। কিন্তু চিত্ৰকল্পবাদীসকলে সংগীতৰ ধুঁৱলী-কুঁৱলী প্ৰকাশ-ভংগিতকৈ ভাস্কৰ্য বা চিত্ৰৰ নিটোল ৰেখাংকন বেছি ভাল পাইছিল। তেওঁলোকে পৰিষ্কাৰভাৱে বক্তব্যখিনি ফুটাই তুলিবলৈ বিচাৰে। এজন চিত্ৰকাৰে তুলিকা বুলাই ৰহণৰ পিছত ৰহণ সানি এসময়ত এখনি পৰিণত ছবি অংকন কৰাৰ দৰে এইসকল কবিয়ে শব্দ আৰু ব্যঞ্জনা নানাভাৱে সজাই একোটি চিত্ৰকল্প নিৰ্মাণ কৰে।

প্ৰতীক আৰু চিত্ৰকল্পৰ ব্যৱহাৰৰ লগত অসমীয়া পাঠক চিনাকি হয় হেম বৰুৱাৰ দিনৰ পৰা। তাৰো এক পটভূমি আছে। তাৰ আগৰ সময়খিনিত যি 'আধুনিকতা' সোমাই পৰিছিল, সি পাঠকক বিস্মিত কৰি তুলিছিল। তেওঁলোকৰ সমুখত আছিল কবিতাৰ দুটা ৰূপ। এফালে ৰমন্যাসিক কবিতাৰ লয়লাসভৰা প্ৰিয়াৰ ৰূপৰ বৰ্ণনা আৰু ব্যক্তিগত হা-হুমুনিয়াহৰ প্ৰকাশে পাঠকক আমনি লগাইছিল, আনহাতে আধুনিক কবিতাৰ দুৰ্দান্ত জটিল শব্দ-সমাহাৰ আৰু কঠোৰ মনোবৃত্তিয়ে তেওঁলোকক বিমুখ কৰিছিল। ফলত কবিতা বেছিভাগ পাঠকৰ ওচৰৰ পৰাই আঁতৰি গৈছিল। এনে সময়তে ইংৰাজী সাহিত্যৰ অধ্যয়নৰ ফলত কবিসকলে প্ৰতীক, চিত্ৰকল্পৰ সুপ্ৰয়োগ আৰু আংগিকৰ অভিনৱত্বৰে আধুনিক কবিতাত প্ৰাণৰ সঞ্চাৰ কৰিলে। এনেবোৰ অভিনৱত্বৰ মূলতে ঘাইকৈ আছিল অসমীয়া কবিসকলৰ ওপৰত পৰা টি.এচ.ইলিয়টৰ

কাব্য-কলাৰ সুস্পষ্ট, অথবা কেতিয়াবা অস্পষ্ট, প্ৰভাৱ। আধুনিক কবিতাৰ পাঠকে এনেবোৰ কবিতাৰ মাজত নতুনত্বৰ সন্ধান পালে আৰু আদৰেৰে তাক গ্ৰহণ কৰিলে। কাৰণ পাঠক সমাজো ইতিমধ্যে হৃদয়-বৃত্তিক লৈ বিব্ৰত হৈছিল আৰু বিচাৰিছিল চিন্তা তথা বুদ্ধিমত্তাৰ সমল। ইলিয়টৰ প্ৰভাৱ-পুষ্ট কবিতাসমূহে তেওঁলোকক বিচৰাখিনি দিব পাৰিছিল।

ক্লান্ত আৰু নিৰাশ পাঠকে অসমীয়া কবিতাৰ মাজত বহুদিনৰ মূৰত আমেজ বিচাৰি পালে হেমবৰুৱাৰ কবিতাত। এইবোৰ কবিতা বুদ্ধিদীপ্ত মনৰ চানেকি। গতানুগতিকতাৰ পৰা আঁতৰি নতুন পথ বিচৰাৰ কবিতা এইবোৰ। ইংৰাজী কবিতাৰ মাজত ফুটি উঠা মানস-চিত্ৰৰ জনপ্ৰিয়তাই হেমবৰুৱাৰ কবিতাতো মানস-চিত্ৰৰ প্ৰেৰণা যোগাইছিল। তেওঁৰ 'জাবৰ দিনৰ সপোন' নামৰ কবিতাত আছে,—

"আমাৰ চকুত আশাৰ নেজাল তৰা
এই জ্বলে এই মৰে
বালিমাহীৰ ময়ূৰচালিত
ৰুদ্ধ পৰাণত সাত সাগৰৰ বান নামে।"
................
হাতত তোমাৰ কাঁচিৰ নাচ,
চকুৰে নমনা সোণালী ধান,
................
মৰা পৃথিৱীত তেজৰ আৱৰ্তি
এটা টুনী আছে দুটা টুনী আছে ;"

এনেবোৰ মানস-চিত্ৰ একোখন মাত্ৰ স্থিৰ ছবি নহয়। এইবোৰে উদ্ৰেক কৰে জটিল চিন্তাবৃত্তিৰ। সচেতন পাঠকে এই নতুন কবিতাবোৰৰ মাজত লক্ষ্য কৰিলে টি.এচ.ইলিয়টৰ অনুপ্ৰেৰণাত নতুন হৈ গঢ় লোৱা ইংৰাজী কবিতাৰ প্ৰভাৱ। ইলিয়টৰ কবিতাৰ মাজত থকা চিত্ৰকল্পৰ নতুন ব্যঞ্জনাই পাঠকক ইতিমধ্যে চমকৃত কৰিছিল। তেওঁৰ কবিতাত আছে—

"Shall I say, I have gone at dusk
through narrow streets
And watched the smoke that rises
from the pipes
Of lonely men in shirt-sleeves
leaning out of windows ?"

আধুনিক মানুহৰ একান্ত নিঃসংগতাৰ ছবি ইয়াত ফুটি উঠিছে। এই ছবিত আৱেগ নাই, আছে এক ধাতৱ কাঠিন্য। হেম বৰুৱা, নৱকান্ত বৰুৱা আদি

কবিসকলৰ কবিতাত এই নতুন ভংগিমা পাঠকৰ চকুত পৰিল। আধুনিক সমাজৰ অৱক্ষয়ৰ ছবি অংকন কৰা কেইটামান কবিতাই পাঠকৰ মন জয় কৰি ল'লে। নৱকান্ত বৰুৱাৰ 'হে অৰণ্য হে মহানগৰ' কবিতাৰ দুটিমান পংক্তি—

"কাৰ্ফুৰ সময় হ'ল
সূৰ্যস্নাতা নগৰীৰ আচলৰ শেষ ৰশ্মিকণো
শুহি ল'লে ৰাতিৰ আকাশে;
নিস্তব্ধ মৰণ নামে। নগৰীৰ ধমনীত
কৰোঁ অনুভৱ
কাজিৰঙা ডবকাৰ আৰণ্যক অপস্মাৰ
সৰীসৃপ-ক্ৰূৰ মৃত্যু...সৰ্পিল জীৱন;
পলাতক দৈনন্দিন-নিয়ম-উজ্জ্বল গধূলিৰ
ৰঙা-নীলা শেতা মুখ
হেনা মধুমালা আৰু অলকানন্দাৰ..."

মহানগৰীৰ কুটিল জীৱন আৰু পণ্য সভ্যতাৰ ৰথচক্ৰত নিপিষ্ট ৰূপ তেওঁৰ কবিতাৰে ওলোৱাৰ পিছতেই যেন কবিতাৰ এইটো দিশৰ প্ৰতিও পাঠক সজাগ হ'ল। নৱকান্ত বৰুৱাৰ কিছুমান কবিতাত যেন সিঁচৰতি হৈ আছে এক বিভ্ৰান্ত প্ৰমূল্যৰ চেতনাবোধ। তেওঁৰ কবিতাৰ বিষয়ে অন্য এক চিত্ৰকল্পবাদী কবি মহেন্দ্ৰ বৰাই কৈছে—"সিবোৰত চিত্ৰিত প্ৰতিটো চিত্ৰকল্পই যেন আলি-দোমোজাত বাটৰ নিচান হেৰুৱাই পেলোৱাৰ বিমূঢ় যন্ত্ৰণাকেই নিৰ্দেশ কৰিছে। আৰু, প্ৰত্যেকটো দৃশ্যমান বস্তুৱেই যেন প্ৰতিভাসিক ৰূপ আৰু পাৰমাৰ্থিক স্বৰূপৰ অন্তৰ্লীন বিৰোধৰ চেতনাৰে অভিষিক্ত। সেইবাবেই তেওঁৰ দৃষ্টিত মহানগৰীৰ জীৱন যেন জীৱন নহয়, মাথোন এক বেনামী মৃত্যু—যাক কবি ইলিয়টে বৰ্ণনা কৰিছে 'death in life' বুলি, তাৰেই নামান্তৰ।"

ইলিয়টৰ কাব্য-প্ৰৱাহৰ ভৰপূৰ অৱস্থাৰ আগে-পিছে ইংৰাজী সাহিত্যত কিছুমান চমকপ্ৰদ চিত্ৰকল্পৰ জন্ম হৈছিল। ইলিয়টে সন্ধ্যাটোক তুলনা কৰিছিল enasthesia দি শুৱাই থোৱা ৰোগীৰ লগত। কবি হিউমৰ 'হাতত জোনটো হৈ পৰিছিল red-faced farmer অৰ্থাৎ ৰঙামুৱা খেতিয়ক। অসমীয়া কবিতাত জোনটো ইমানদিনলৈকে শান্ত, সুন্দৰ আৰু প্ৰিয়াৰ মুখমণ্ডল অনুৰূপ বুলিয়েই কল্পিত হৈ আহিছিল। চল্লিশৰ দশকত নৱকান্ত বৰুৱাই ৰচনা কৰে—

"মৰা জোন উঠি আহে, আধা জোন
শিং লগা বেঁকা এটি জোন
ৰবকাকতীৰ সেই কবিতাৰ জোন
পাত তাৰ কবৰৰ মাটি।"

(সন্ধ্যাৰ বেপচ'ডি)

ইলিয়টৰ কবিতাৰ আৰ্হিত আগাহত্ত যুগৰ হমুনিয়াহে অসমীয়া কবিতাত মৃদু আলোড়নৰ সৃষ্টি কৰিলে। দেশ, সমাজ আৰু জগতৰ ৰুক্ষ, কঠিন ছবি কবিতাৰ মাজত দেখি ভয়, নৈৰাশ্য আৰু ক্ষয়ৰ ধাৰণাই পাঠকক ভৰাই তুলিলে। আবেগহীন অথচ চিন্তাৰ উদ্রেক কৰা এনেবোৰ কবিতাৰ বিষয়ে উৎসুকতা কাব্য-প্ৰীতিত পৰিণত কৰিলে নৱকান্ত বৰুৱা, বীৰেশ্বৰ বৰুৱা, মহেন্দ্ৰ বৰা, নীলমণি ফুকন আদি কবিৰ কবিতাই।

মহেন্দ্ৰ বৰাৰ কবিতাত বেদনা আৰু যন্ত্ৰণাৰ গাঢ়তা ফুটাবৰ বাবে কিছুমান মনোৰম প্ৰতীক আৰু চিত্ৰকল্পৰ প্ৰয়োগ কৰা হয়। 'শূন্য এখন সোণৰ পিৰিচ'ত জোনটোক তেওঁ নতুন ৰূপত সজাই চাইছে—

"খিৰিকিৰে চালোঁ, পূৰ্ণিমা ৰাতিৰ জোনটো আছিল শুই
আকাশৰ কোলা জুৰি যেন ৰঙচুৰা এখনি শিশুৰ মুখ"

তেওঁৰ বাবে সূৰ্যৰ ৰূপো নতুন—

"সূৰ্য্য আছে বিশ্বস্ত ভৃত্যৰ দৰে
লাজ পায় কেতিয়াবা ঘড়ীৰ কাটাই
টাবৰ ফুলত ঢালে সামান্য পোহৰ
মন প'লে মেলি দিয়ে বিলাতী ফুলৰ পাহি।
ভয়ানক কামৰ ব্যস্ততা চহৰৰ আনমূৰে কাছাৰী ঘৰৰ পিনে
অফিচৰ কেৰাণীৰ পুৰণি জোতাত দিব লাগে আৰু এটা টাপলি
অক্লান্ত শ্ৰমেৰে সি দুপৰীয়া উতলায় কঠিন বাটৰ পীচ্।
অফিচ ছুটীৰ পাচত গুচি যায় সেই সূৰ্য্য
ডাগৰুৱা চিপাহীৰ দৰে যান্ত্ৰিক চালাম যাচি।"

হৰি বৰকাকতিৰ কবিতাৰ চিত্ৰকল্পবোৰ ৰঙীন আৰু মনোৰম। কবিতাত সাংগীতিক গুণ এটা এইবোৰেই আনি দিয়ে। কিছুমান সংবেদনশীল চিত্ৰকল্পৰে তেওঁৰ কবিতাবোৰ সুশোভিত। 'প্ৰিয়াৰ চিঠি' নামৰ কবিতাত আছে—

"...কোনো নাই, নাই। সাৰে আছে মাথোঁ
হেজাৰ প্ৰিয়াৰ চকুৰ লোতক গোট মাৰি হোৱা
আকাশৰ চেৰ্চা জোন।"

বৰকাকতিৰ কিছুমান চিত্ৰকল্পত সম্পূৰ্ণ নতুনত্ব দেখা যায়। এইবোৰত উকা দিঠকৰ বুকুৰ পৰা অদ্ভুতভাৱে শব্দ বুটলি চিত্ৰ ৰচনা কৰা হয় —

"ধূলি আৰু ধোঁৱা — চিক্কৰ চিকিমিকি
তেজৰঙা ব্লাউজৰ অপাৰ সমুদ্ৰ"

অথবা,

"তোমাৰ ব্ৰাউন দুচকুৰ মৰম সিঁচি
বিগত দিনৰ চিতাভস্মৰ পৰা
মোক জীয়াই তোলা
ফিনিক্স জীয়াদি।"

অজিত বৰুৱাৰ কবিতা প্ৰতীক আৰু চিত্ৰকল্পৰে ভৰপূৰ। প্ৰতীকৰ আধিক্যই কেতিয়াবা কবিতাবোৰ গধুৰ কৰি পেলায়। চিত্ৰকল্পৰ প্ৰয়োগো বিচিত্ৰ। ইন্দ্ৰিয়জ অনুভূতিৰ মিশ্ৰণৰ দ্বাৰা তেওঁ চিত্ৰকল্প সৃষ্টি কৰে—

"সেই নীৰৱ গধূলি পথাৰৰ মাজত অকলে থিয় হোৱা
চাৰিওফালে পথাৰ পথাৰ
বুকুত খামোচ
দূৰৰ গাঁৱৰ পৰা গুণগুণকৈ ধোঁৱা
উৰিছিল।"

চিত্ৰকল্পবাদী কবিসকলৰ ভিতৰত নীলমণি ফুকন আৰু ভবেন বৰুৱা অন্যতম। ফুকনৰ কবিতাত প্ৰতীক আৰু মানস চিত্ৰৰ প্ৰয়োগ বুজি পাবলৈ পাঠকৰ বৌদ্ধিক সচেতনতাৰ প্ৰয়োজন হয়। "নিনাও বৃদ্ধাৰ হাড়ৰ স্তব্ধতা, শূন্যতাৰ পিণ্ড, ক্ষুধিত, বিষাদ আৰু নিৰ্জনতা, সমুদ্ৰ সৰ্বস্বান্ত, পৃথিৱী শুকান নাভিৰ উত্তেজিত যান — বিভিন্ন কবিতাত এই চিত্ৰকল্পবোৰৰ মাজেদি প্ৰকাশ পাইছে তেওঁৰ 'আত্মাৰ মালঞ্চ ঘেৰি' মথিত বিষাদ আৰু অপ্ৰহিত যন্ত্ৰণা।"[১]

তেওঁৰ ৰচনাৰ বৈশিষ্ট্যৰ এটা উদাহৰণ —

"ইমান দিনেও উভতি নহা
শ্যাম বৰণীয়া নাৱিকবোৰৰ কথাকে
পাতি আছিলো
ন-কৈ মেলা কলপাতখনৰ পৰা
নিয়ৰৰ দৰে টোপাটোপে
এন্ধাৰবোৰ পৰিছিল।"

বীৰেশ্বৰ বৰুৱাৰ কবিতাত প্ৰতীকৰ ব্যৱহাৰ আৰু চিত্ৰধৰ্মী ভাষাৰ প্ৰয়োগ অত্যধিক হোৱাৰ বাবে কবিতাবোৰ কেতিয়াবা দুৰ্বোধ্য হৈ পৰে। তেওঁৰ ৰচনাৰ জটিলতাৰ মাজতে দুই-এটি মনোৰম সৃষ্টি মাজে মাজে জিলিকি উঠে। 'এই শব্দবোৰৰ বাবে' নামৰ কবিতাটোৰ এনে এটুকুৰা—

"এন্ধাৰৰ মৌ-মাখিয়ে ভন্‌ভনাই আছে। সপোনৰ
গচকত উৰাদিহ নোপোৱা তুলাপাতৰ
আলি কেঁকুৰিত ব্যাকৰণৰ জেওৰাখন
আঁতৰাই দিছোঁ
এই শব্দবোৰ অহা-যোৱাৰ বাবে।"

চিত্ৰকল্পবাদী কবি ভবেন বৰুৱাৰ কবিতাৰ বিষয়ে সমালোচকে কৈছে, "ভবেন বৰুৱাৰ কবিতাত ৰূপ আৰু সুৰ আছে, কিন্তু সত্তাৰ অভাৱ; কেৱল

১. আধুনিক অসমীয়া সাহিত্য, পৃঃ ১১৭।

চিত্ৰকল্পৰ মোহতেই অনেক কবিতাৰ সৃষ্টি হৈছে।[১] কিন্তু ভবেন বৰুৱাৰ কবিতাৰ মাজতো সুন্দৰ চিত্ৰকল্প অলেখ আছে।

হোমেন বৰগোহাঞিয়ে জীৱনৰ কদৰ্য আৰু সুন্দৰ দুয়োটা ছবি আকোঁতে একাধিক প্ৰতীক আৰু চিত্ৰকল্পৰ সহায় লৈছে। তেওঁৰ কবিতাত গধূলিৰ চিত্ৰ বৰ মনোৰম —

> "গধূলিৰ স্বপ্নালু চহৰ
> তোমাৰ মুখৰ দৰে লাগে মোৰ অতিকৈ আপোন।
> কৰুণ আভাৰে দীপ্ত সূৰ্যাস্তৰ সোণালী মদৰ।"

কবিতাৰ মাজত সংগীতময় চিত্ৰ নিৰ্মাণ কৰা আৰু প্ৰতীকৰ অভিনৱ প্ৰয়োগেৰে জনপ্ৰিয় হৈ পৰা কবিজন হ'ল হীৰেন ভট্টাচাৰ্য। তেওঁৰ প্ৰায় প্ৰতিটো কবিতাতে অপৰূপ এক প্ৰতীক বিচাৰি পোৱা যায়। প্ৰেম, মৃত্যু, কবিতা, নিঃসংগতা আদি বিভিন্ন বিষয় বুজাবলৈ তেওঁ ভালেমান মৌলিক প্ৰতীক ব্যৱহাৰ কৰিছে। তাৰ লগতে সোমাই আছে কিছুমান খুদ্ খুদ্ চিত্ৰকল্প। প্ৰেম সম্পৰ্কে তেওঁৰ বিখ্যাত হৈ পৰা উক্তি—

> "তুমিতো জানাই
> এই কবিৰ আৰু একো নাই
> এটাই মাথো কামিজ
> তাৰো ছিগো ছিগো চিলাই
> প্ৰেম চাগে' এনেকুৱাই
> আৱৰণ খুলি হৃদয় জুৰাই।"

কবিতাৰ বিষয়ে তেওঁ কৈছে—

> "ভগা কলিজাত কোঁনে বিনাই
> কবিতা মোৰ দুখৰ ঋতুৰ
> এপাহ খৰিকাজাই।"

এই ৰমণীয় চিত্ৰসমূহৰ প্ৰয়োগে হীৰেন ভট্টাচাৰ্যৰ কবিতাক সুখপাঠ্য কৰিছে।

বিচাৰি বুটলি অনা এইকেইটি উদাহৰণে অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰকল্প প্ৰয়োগৰ আভাসহে দাঙি ধৰিছে। নতুন কবিতা প্ৰায় সকলোবোৰেই চিত্ৰকল্পবাদী কবিতা। কবিসকলৰ ৰচনাৰ বিস্তৃত ক্ষেত্ৰত অসংখ্য চিত্ৰকল্পৰ সাক্ষাৎ পোৱা যায়। এইবোৰে কবিতাৰ ভাৱত আৱৰণ দিয়ে যদিও এক সৌন্দৰ্যবোধ সৃষ্টি কৰে। নৱকান্ত বৰুৱাৰ কবিতাৰ পৰা চিত্ৰকল্পই ক্ৰমে উৎকৰ্ষ লাভ কৰি আহিছে। কেতিয়াবা একোটা জটিল আৰু কষ্ট কল্পিত চিত্ৰকল্পই

---

১. 'আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়', পৃঃ ১০১।

কবিতাত দুৰ্বোধ্য আঁৰকাপোৰ তৰে যদিও ভাল চিত্ৰকল্পৰে নিৰ্মিত নৱকান্ত বৰুৱাৰ 'চকুপানী ফাগুণৰ' নামৰ কবিতাটোতে চিত্ৰকল্পৰ সৌন্দৰ্য দীপ্তিমান হৈ উঠিছে। মুঠতে, কবিসকলে চিত্ৰকল্পৰ সহায়ত অসমীয়া সাহিত্যত এক নতুন আৰু সুন্দৰ ধাৰাৰ জন্ম দিছে। এই ধাৰা আয়ত্ত কৰিব পাৰিলে পাঠকৰ বাবে কবিতাৰ মূল্য কেতিয়াও হ্ৰাস নহয়।

## ১.৫ প্ৰগতিবাদ ঃ

অসমীয়া কবিতাত প্ৰগতিবাদী চিন্তাধাৰাৰ গতি যথেষ্ট প্ৰবল। এই ধাৰাৰ কবিসকলৰ আদৰ্শ হ'ল কাৰ্ল মাৰ্ক্স আৰু ফ্ৰেডৰিখ এংগেল্‌চৰ যুক্তিবাদী চিন্তাসমূহ। এই দুজন মহৎ ব্যক্তি যাইকৈ সমাজতত্ত্বৰ নিৰ্মাতা আছিল যদিও সাহিত্যৰ ক্ষেত্ৰতো তেওঁলোকে মূল্যবান তত্ত্ব এৰি থৈ গৈছে। সাহিত্য সম্পৰ্কে তেওঁলোকে বিশেষ গ্ৰন্থ ৰচনা কৰা নাছিল যদিও সাহিত্য আৰু কলাৰ বিষয়ে নানা সময়ত নানা মন্তব্য দিছিল। এই মন্তব্যসমূহ আৰু তেওঁলোকৰ ৰচনাসমূহৰ ওপৰত ভিত্তি কৰি পিছলৈ মাৰ্ক্সীয় সাহিত্য তত্ত্ব প্ৰস্তুত কৰা হয়। লেনিন, প্লেখানভ, গৰ্কী আদিয়ে ইয়াৰ প্ৰচাৰ আৰু বিকাশত প্ৰভূত অৰিহণা যোগাইছিল।

এই মতবাদৰ মতে সাহিত্য মানুহৰ স্বাভাৱিক শক্তি আৰু বহুকালৰ অধ্যাৱসায়ৰ সংমিশ্ৰিত ফল। সাহিত্য সৃষ্টিৰ মূলতে কোনো দৈৱিক প্ৰেৰণাই কাম নকৰে। সাহিত্যত সমাজৰ প্ৰতিফলন ঘটে যদিও সেই প্ৰতিফলন যান্ত্ৰিক নহয়। বাহিৰৰ ৰূপটোৰ উপৰিও একোখন সমাজৰ ভিতৰুৱা ৰূপত যিবোৰ পৰিৱৰ্তন আৰু প্ৰতিক্ৰিয়া ঘটে, সাহিত্যই সেইবোৰৰো পৰিৱৰ্তন ঘটায়। তদুপৰি সাহিত্যত থকা উচিত এক সাৰ্বজনীনতা। এখন বিশেষ সমাজৰ পৰা উদ্ভূত হ'লেও সাহিত্যই দেশ-কাল সমাজৰ সীমা পাৰহৈ সমগ্ৰ মানৱজাতিৰ কথা কোৱা উচিত। এই সাহিত্যই কেতিয়াবা এক প্ৰবল শক্তি স্বৰূপেও কাম কৰিব পাৰে। সাধাৰণতে পুঁজিবাদী সমাজখন মহৎ সাহিত্য সৃষ্টিৰ বাবে প্ৰতিকূল বুলি ভবা হয়। কাৰণ এনে সমাজত সাহিত্যও পণ্য হিচাপেহে বিবেচিত। কিন্তু পুঁজিবাদী সমাজৰ শোষণ আৰু নিষ্পেষণে যদি কোনো লেখকৰ মনত মানৱতাৰ আদৰ্শ জগাই তুলিব পাৰে, তেন্তে কোনো কোনো ক্ষেত্ৰত মহৎ সাহিত্য সৃষ্টি হোৱাও সম্ভৱ। এনে সাহিত্যই কেতিয়াবা শোষিত শ্ৰেণীক গণ-আন্দোলনলৈ অনুপ্ৰাণিত কৰে আৰু সংগ্ৰামৰ ইচ্ছা জগাই তোলে। প্ৰচাৰৰ মনোভাৱ এই মতবাদত অস্বীকাৰ কৰা নহয়। কিন্তু বেছিকৈ গুৰুত্ব দিয়া হয় সাহিত্যৰ কলাগুণত। কলাসুলভতাৰে দাঙি ধৰা কোনো বক্তব্যত প্ৰচাৰৰ মনোভাৱ যেতিয়া আপোনা-আপুনি বিৰিঙি উঠে, তেতিয়াহে সাহিত্য সাৰ্থক হয়। এই মতবাদে নাৰীৰ মাজত থকা মানৱীয় শক্তিক গুৰুত্ব দিয়ে আৰু উপযুক্ত

মূল্যায়নেৰে সাহিত্যত নাৰীৰ ৰূপ চিত্ৰিত হোৱাটো বিচাৰে।

অসমীয়া কবিতাত মাৰ্ক্সবাদৰ আগমন ঘটে ভবানন্দ দত্তৰ কবিতাৰ যোগেদি। শ্ৰেণী-বৈষম্যৰ প্ৰতি কটাক্ষপাত আছিল তেওঁৰ কবিতাৰ বৈশিষ্ট্য। 'ৰাজপথ' নামৰ কবিতাৰ মাজত ধনীশ্ৰেণীৰ বিলাসৰ লগত দুখীয়া শ্ৰেণীৰ যন্ত্ৰণাৰ পাৰ্থক্য ফুটি উঠিছে। তেওঁৰ কবিতাত পোন প্ৰথমবাৰৰ বাবে জিলিকি উঠে কবিতাৰ শৰীৰত এক ধাতৱ কাঠিন্য। কোমলতা আৰু ৰমণীয়তাৰ পৰা এইবোৰ আছিল দূৰত। 'ৰাজপথ' কবিতাটোৰ দুটামান শাৰী, য'ত প্ৰকট হৈ উঠিছে সমাজৰ দুই শ্ৰেণীৰ মানুহৰ পাৰ্থক্য—

"পাঁচ তলাৰ ওপৰত শুনা যায় ৰেডিঅ'ৰ গান,
অৰ্গেনত ৰবীন্দ্ৰ-সংগীত ;
ডবল ডলিচা পৰা মেহগনি পালেংত
বিৰহ-কাতৰা কলেজ গাৰ্লৰ
অলসায়িত দেহা।
আৰু তাৰ তলতেই ফুটপাথত
( ধন্য তোমাৰ-দয়া ! )
শূন্য ভিক্ষা পাত্ৰ লৈ শুই পৰা
মৃতপ্ৰায় কংকালৰ শাৰী ;"

অমূল্য বৰুৱাৰ কবিতাতো একেধৰণৰ এক সজাগ মনোভাৱ ফুটি উঠিছিল। তেওঁ দেখিছিল মানুহৰ মাজত সীমাহীন বৈষম্য। কষ্ট আৰু দৰিদ্ৰতাই দানৱত পৰিণত কৰা মানুহৰ আত্মাৰৰ ৰূপ দেখি তেওঁ শিঙৰি উঠিছিল। 'বেশ্যা', 'কুকুৰ', 'কয়লা' আদি কবিতাত তেওঁ ছবি আঁকিছে এই নিৰুপায় নিপীড়িত দলৰ। সুখী-সুন্দৰ বিলাসবহুল পৃথিৱীৰ অন্ধকাৰ কোণত এই মানুহখিনিৰ বাস। সভ্য আৰু তথাকথিত ভদ্ৰ মানুহে নিৰাপদ দূৰত্বৰ পৰা এই মানুহখিনিক প্ৰত্যক্ষ কৰে "সিহঁতৰ ক'লা ক'লা লেতেৰা জীৱনবোৰ, সিহঁতৰ আত্মৰৰ হাঁহাকাৰ"। কবিয়ে অনুভৱ কৰে—

"সৰু সৰু অশৃংখল
মানুহৰ জীৱনৰে সিহঁতো এজাক
নিষ্পেষিত, ৰুক্ষ, শুষ্ক অনাথৰ দল।"

মানুহৰ মাজত অমিত শক্তিক কবিয়ে চিনি পায়। খাটিখোৱা শ্ৰেণীৰে এজন হৈ কবিয়ে বিপ্লৱৰ পথেৰে নতুন সমাজ গঢ়াৰ সপোন দেখে। তেওঁ কয়,

"আমি যুগ পৰিস্থিতিৰ প্ৰতীক
বস্তু আৰু আদৰ্শৰ
দ্বন্দ্বাত্মক গতি
সংগ্ৰাম লিপ্ত বিপ্লৱী।"

অসমীয়া প্ৰগতিশীল কবিতাত ধীৰেন্দ্ৰনাথ দত্তৰ নামটো এটা উল্লেখযোগ্য

নাম। এইজন কবি আছিল মনে-প্ৰাণে বিপ্লৱী। সাম্যবাদী চিন্তাধাৰাৰ পৰা ওলোৱা তেওঁৰ কবিতাসমূহত বিপ্লৱৰ ফিৰিঙতি উফৰি পৰা দেখা যায়। কৃষক, বনুৱা আদি শ্ৰমজীৱী লোকে কেনেকৈ আনৰ ওঁৰাল ভৰাই নিজে উপবাসে আছে আৰু সংসাৰৰ সকলো বিষ নিজে গ্ৰহণ কৰি নীলকণ্ঠ হৈ আছে, সেই কথা অন্তৰেৰে অনুভৱ কৰিছে কবি দত্তই। তেওঁ অসহ্য হৈছে জাতিভেদৰ নিঠুৰ ৰূপ দেখি, তেওঁ কৈছে —

"মাটি ফালি তই আৰ্জি শস্য ভৰেই পুহিছ
ছত্ৰিশ জাত,
তাৰফল পালি মহাহীন হ'লি শাস্ত্ৰৰ কঠিন
বান্ধোন গাত ॥"

তেওঁৰ পুঞ্জীভূত বিদ্ৰোহ কবিয়ে যেন শোষিত শ্ৰেণীলৈও বিয়পাই দিব বিচাৰে। তেওঁ কৈ উঠে —

"উঠ খেতিয়ক নাঙল চলা লগাই দে ভাই গণ্ডগোল;
নতুন যুগৰ বাবুক দেখি ফাঁকত পৰি নকৰ ভুল।"

তেওঁৰ 'কাঠমিস্ত্ৰীৰ ঘৰ' নামৰ কবিতাটো অসমীয়া প্ৰগতিবাদী কবিতাৰ ভিতৰতে অন্যতম। কবিতাটোত নিষ্পেষিতসকলক নিজ অধিকাৰৰ প্ৰতি সজাগ হ'বলৈ আহ্বান জনোৱা হৈছে,

"উঠা মিস্ত্ৰী, কহঁাৰ কমাৰ/আন্ধাৰৰ শেষ আহিল তোমাৰ
লোৱা অধিকাৰ নিজ বলে/নিজে কৰা কৰ্মৰ/কাঠ মিস্ত্ৰীৰ ঘৰ।"

প্ৰগতিশীল কবিতাৰ লক্ষণ হেম বৰুৱাৰ কবিতাতো দেখা যায়। কিন্তু তেওঁৰ মনত আছিল অতীতৰ মোহ আৰু নতুনৰ আকৰ্ষণৰ দোমোজাৰ উপলব্ধি। শ্ৰেণী সংঘৰ্ষৰ কথা তেওঁ কবিতাত লিখিলেও সি বেছি স্পষ্ট হৈ উঠা নাই। মানুহৰ শ্ৰমৰ মৰ্যাদা তেওঁ দিছিল আৰু নাৰীকো বিচাৰিছিল কৰ্মসংগিনী ৰূপে, কৃষকৰ কাষত দাৱনীৰ দৰে। কিন্তু হেম বৰুৱাৰ কবিতাৰ চিত্ৰকল্প সমৃদ্ধ ভাষা আৰু ছন্দৰ নতুনত্বৰ মাজত যি কৰুণ কোমল সৌন্দৰ্য আৰু আশাবাদী মনৰ প্ৰকাশ জিলিকি আছে, শ্ৰেণী-সংগ্ৰাম তাত নিষ্প্ৰভ।

মাৰ্ক্সীয় দৰ্শনে উদ্বুদ্ধ কৰা এজন কবি হ'ল বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য। কমসংখ্যক কবিতাৰ মাজতে তেওঁৰ আশাবাদী প্ৰাণৰ প্ৰকাশ ফুটি উঠিছে। "বিষ্ণুৰাভা এতিয়া কিমান ৰাতি" কবিতাটিত বন্দী শিল্পী প্ৰাণৰ প্ৰতি থকা জনতাৰ হেঁপাহ এনেদৰে ফুটি উঠিছে—

"তুমি য'ত আছা, সৰু কাৰাগাৰ,
থিয় একেখনি ইটাৰ দেৱাল।
আমি য'ত আছো বৰ পোতাশাল
শত নাগপাশে বন্ধা।

তোমাৰে আমাৰে যিহু সম্মিলন হ'বলৈ বেছি নাই,
হিয়া-হালধিৰে দেহ-মন ধুই
আমি গোট খাম,
নৱজীৱনৰ পূজা।"

কেশৱ মহন্ত এজন শ্রেষ্ঠ প্রগতিবাদী কবি। তেওঁৰ কবিতাত সহজ-সবল মানুহৰ নিষ্পাপ অন্তৰ আৰু দুখেভৰা জীৱনৰ প্রতিফলন দেখা যায়। তেওঁৰ কবিতাত আছে বিশ্ব-মানৱৰ ব্যথিত প্রাণৰ ভাষা। তেওঁ কয় —

"এটা পূৰঠ বীজৰ বেদনাত মই বাস কৰিছোঁ
যি বীজ মাতৃত্বৰ তপস্যাত মাটিৰ কোলাত মগ্ন
যি বীজৰ বেদনাত বাস কৰিছে
সমগ্র কৃষ্ণ-আফ্রিকা"

তেওঁৰ কবিতাৰ সোনজীৰা মাহী যেন মানুহৰ ভিতৰৰ সত্তাটোৰ পৰিচায়ক। তেজক পানী কৰি খেতি কৰিও পেট ভৰাই খাবলৈ নোপোৱা মাহীজনীৰ অন্তৰত আছে সকলোৰে বাবে শুভ চিন্তা। সুদূৰ কংগোৰ পেট্রিচ লুমুম্বাৰ নামো নুশুনা মাহীয়ে লুমুম্বাৰ মৰা পোনাটিৰ বাতৰি শুনি ভাবে —

"কোন এই মৰা কেঁচুৱাটি?
কোন তাৰ মাক? তাৰ পিতাকেই বা কোন?
জানোবা সিহঁতো মোৰে কোনোবা আপোন!"

ৰাম গগৈৰ কবিতাত 'এনে চেতনা আৰু প্রবল। তেওঁৰ 'পথাৰ' সংগ্রামী জনতাৰ অসীম সম্ভাৱনাৰ প্রতীক। পুঁজিপতি আৰু শোষকক ধ্বংস কৰিবৰ বাবে সাজু হোৱা নতুন মানুহৰ প্রাণৰ স্পন্দন, তেওঁৰ কবিতাত শুনা যায়। মহাজনী অর্থনীতিত নিৰন্ন, বিমর্ষ আৰু ক্লান্ত হৈ পৰা দৰিদ্র জনতাৰ প্রাণৰ ভাষাৰে তেওঁৰ কবিতা সমৃদ্ধ। 'শ্রেণী চেতনাৰে ধৌত মুক্ত তৰোৱাল' হাতত লৈ থকা মানৱৰ ইতিহাস অধ্যয়ন কৰি তেওঁ এখন নতুন সমাজ গঢ়িবৰ বাবে সাজু হৈছে। 'ইতিহাস' নামৰ কবিতাত তেওঁ কৈছে —

"তুমি ইতিহাস।
মানুহৰ অবিৰাম প্রাণছন্দত তোমাৰ স্বীকৃতি আছে।
স্পষ্ট আৰু স্পষ্টতৰ। মার্কচ এঙ্গেলচ্‌ক লাল চালামেৰে
অভিবাদন আৰু বিপ্লবী অভিনন্দন,
ইতিহাসঃ নির্দেশ, আমাক তোমাৰ নির্দেশ লাগে
সংকেত আৰু নির্ভুল ইংগিতৰ। আমি সদায় সাজু।"

প্রগতিবাদী ধাৰাটোৰ এক শক্তিশালী ব্যক্তিত্ব হ'ল হেমাংগ বিশ্বাস, যি জনৰ 'কুল খুৰাৰ চোতাল'ৰ মাজত নিজৰ সাম্যবাদী ধাৰণা সুস্পষ্ট। 'মঘাই ওজাৰ ঢোল' নামৰ কবিতাত তেওঁ দীপ্ত কণ্ঠে ঘোষণা কৰিছে —

"ধুমুহাৰ বাঢ়নী লাগে
লাগে আজি মাটিহীন খেতিয়কৰ
ঢোলৰ চাপৰ
লাগে লক্ষজনতাৰ কণ্ঠে কণ্ঠে
আদিম আৰণ্যক বাঘমৰা ৰিঙনিৰ গীত।"

এক মধুৰ কাব্যিক আবেদনৰ মাজত প্ৰগতিবাদী আদৰ্শ দাঙি ধৰিছে কৱি হীৰেন ভট্টই। তেওঁৰ সংগীতময় মিঠা ভাষাৰ কবিতাত প্ৰতিবাদৰ ভাষা উগ্ৰ নহয় যদিও বিচিত্ৰ তাৰ প্ৰকাশভংগি। তেওঁৰ বুকুৰ মাজত শোষকলৈ ঘৃণা আৰু শোষিতলৈ সমবেদনা দুয়োটাই আছে। তেওঁৰ খং ৰিৰিৰিঙি উঠে অভিনৱ ভাষাত—

"মোৰ হাতৰ কাঁচিখনলৈ চালেই গম পাবা
কাৰ ডিঙিৰ জোখেৰে গঢ়িছো।"

নতুন সূৰ্যৰ অপেক্ষাত বলিষ্ঠ আশাৰে বাট চোৱা তেওঁৰ সাহসী মনৰ পৰিচয় কবিতাবোৰত পোৱা যায়। এটি কবিতাত আছে—

"কমৰেড, বুকুখন বিষাইছে, বন্দুকটো উম দি বুকুতে থাকক
ৰাতিটো পাৰ হৈ গ'লে আমাৰ আৰু ভয় কি?
নলেগলে লগ লাগি পামগৈ ফৰকাল বেলতলাৰ পথাৰ।"

প্ৰগতিবাদী ধাৰাটোত বহুতো ভাল কবিতা ৰচিত হৈছে। কবিসকলৰ ভিতৰত ৰবীন্দ্ৰ সৰকাৰ, অৱনী চক্ৰৱৰ্তী, পুণ্ডৰীকাক্ষ ভঁৰালী, জ্ঞান পূজাৰী, যতীন্দ্ৰ কুমাৰ বৰগোহাঞি, ৰফিকুল হুছেইন, সনন্ত তাঁতী, সমীৰ তাঁতী, ৰাজু বৰুৱা আদিৰ নাম মনলৈ আহে। সাম্প্ৰতিককালত এই ধাৰাত বহুতো কবিতা ৰচিত হৈছে। সেই আটাইবোৰেই যে ভাল কবিতা, এনে নহয়।

আদৰ্শ প্ৰচাৰৰ নামত শ্ল'গানত পৰিণত হোৱা বহুত কবিতা দেখা যায়, যিবোৰে প্ৰগতিবাদী চিন্তাৰ মূল্যই কমাই পেলাইছে। তথাপিও, সৰ্বমুঠ বিচাৰত দেখা যায় যে অসমীয়া কবিতাত ই এক প্ৰধান ধাৰা।

॥ দ্বিতীয় অধ্যায় ॥

# অসমীয়া কবিতাত প্ৰেমৰ সুৰ

## ২.১ অসমীয়া বৈষ্ণৱ কাব্যত প্ৰেমৰ স্বৰূপ ঃ

সকলো দেশৰে সকলো কালৰ সাহিত্যত প্ৰেম এটা প্ৰধান বিষয়। সাহিত্যই চিৰন্তন মানৱপ্ৰাণৰ সকলোখৰণৰ অনুভূতি প্ৰকাশ কৰে। তাৰে ভিতৰত প্ৰেমো অন্যতম। কিন্তু সাহিত্য যিহেতু তাৰ বাহ্যিক স্বৰূপত সময়ে সময়ে পৰিবৰ্তনশীল, গতিকে নতুন নতুন দৃষ্টিভংগিৰে আৰু নতুন আংগিকেৰে কোনো বিষয় ৰূপায়িত কৰোঁতে ই একেটা বস্তুতে সময়ে সময়ে বেলেগ ৰহণ সানে। প্ৰেমৰ কথাকে ধৰা যাওক। ধ্ৰুপদী কবিতা, ৰোমন্যাণ্টিক কবিতা আৰু সাম্প্ৰতিক কবিতাৰ মাজত প্ৰেমৰ স্বৰূপ সম্বন্ধে কোনোবাই যদি অধ্যয়ন কৰে, তেন্তে তেওঁ দেখা পাব যে তিনিও-ঠাইতে ই বেলেগ বেলেগ ৰূপেৰে প্ৰস্ফুটিত হৈছে। গতিকে সাহিত্যৰ গতিপথৰ ওপৰত ভিত্তি কৰিও বক্তব্য, বিষয়ৰ প্ৰকৃতি বেলেগ বেলেগ হ'ব পাৰে।

সাহিত্যৰ গতিপথনো সলনি হয় কিয়, ইও এটা প্ৰশ্ন। সময়ৰ প্ৰৱাহত মানুহৰ মনত কেতিয়াবা নতুন একোটি চেতনাৰ জন্ম হয়। কেতিয়াবা নতুন বাদ (ism) একোটাৰ সৃষ্টি হয়, যিটোৱে সম-সাময়িক সমাজত প্ৰবল আলোড়নৰ সৃষ্টি কৰে। কেতিয়াবা আকৌ একোজন প্ৰবল ব্যক্তিত্বসম্পন্ন ব্যক্তিৰ চিন্তা আৰু প্ৰতিভাৰ ফলত তেওঁৰ সময়খিনিয়ে এক বিশিষ্ট গঢ়েৰে জিলিকি উঠে। এনেবোৰ সময়ৰ প্ৰবল ছাঁ পৰে তাৰ সম-সাময়িক সাহিত্যত। অসমৰ নৱ-বৈষ্ণৱ সাহিত্য মহাপুৰুষ শংকৰদেৱৰ শক্তিশালী চিন্তাধাৰাৰ প্ৰভাৱযুক্ত। এইখিনি সময়ৰ সাহিত্যক বৈষ্ণৱ সাহিত্য বুলিয়েই বুজোৱা হয়।

বৈষ্ণৱ কাব্যত প্ৰেমৰ স্বৰূপ বুলি ক'লে কথাষাৰ ব্যাখ্যাৰ যোগ্য হৈ পৰে। শংকৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত নৱ-বৈষ্ণৱ সাহিত্যত প্ৰেমৰ ভূমিকা ইয়াৰ এটি দিশ। দ্বিতীয় দিশত আলোচনা কৰিব পাৰি অসমক বাদ দি ভাৰতীয় অন্য অঞ্চলৰ বৈষ্ণৱ কাব্যৰ মাজত প্ৰকাশ পোৱা প্ৰেমৰ দিশসমূহ। এনে আলোচনাত প্ৰেমৰ লগত ভক্তিৰ সম্পৰ্কৰ কথা স্বাভাৱিকতেই আহি পৰিব। আমি এই আলোচনাত মূলতঃ অসমীয়া বৈষ্ণৱ কাব্যত প্ৰেমৰ স্বৰূপ সম্বন্ধে আলোচনা কৰিম, তাৰ লগতে প্ৰাসঙ্গিকভাৱে অন্যান্য বৈষ্ণৱ কাব্যৰ কথাও আলোচনালৈ আহিব।

অসমীয়া বৈষ্ণৱ কাব্যৰ আলোচনাৰ বাবে মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলি আৰু গোপালদেৱৰ ৰচনাখিনিক হাতত ল'ব পাৰি। এইখিনিৰ ভিত্তিত প্ৰেমৰ স্বৰূপ আলোচনা কৰোঁতে চাৰিওটা দিশৰ ওপৰত ৰেখাপাত কৰা যায়। সেইকেইটা হ'ল—

(১) প্ৰেম আৰু মন,
(২) প্ৰেম আৰু দেহ,
(৩) প্ৰেম আৰু আত্মা,
(৪) প্ৰেম আৰু ভক্তি।

এই চাৰিওটা দিশতে লক্ষণীয় হৈ জিনিকি আছে যে ইয়াত প্ৰেম হৈছে এবিধ এনে অনুভূতি যি ঘাইকৈ হৃদয়ক আৰু গৌণৰূপে দেহক আশ্ৰয় কৰে। অসমীয়া বৈষ্ণৱ কাব্যত কিছুমান সীমাবদ্ধতা আহি পৰে। কাৰণ এইবোৰ সদায় সূৰুযমুখী ফুলৰ দৰে মূল উদ্দেশ্য অৰ্থাৎ বিষ্ণুৰ মাহাত্ম্য প্ৰকাশৰ ফালে মুখ কৰি ৰয়। এইবোৰত সেয়ে এটি সংযত ভাব, সংযত ৰুচিবোধ আৰু গাম্ভীৰ্যৰ সুৰে প্ৰেমৰ প্ৰকাশক উগ্ৰ আৰু চঞ্চল ৰূপ ল'বলৈ নিদিয়ে। ইয়াত প্ৰেম, ভক্তিৰেই অন্য নাম। শংকৰদেৱৰ আদিৰ কাব্যত প্ৰেমিকাৰ প্ৰেম সদায় ধাবিত হয় প্ৰিয়তম পুৰুষ কৃষ্ণৰ ফালে। এই কৃষ্ণ যিহেতু পৰম ব্ৰহ্মৰে অন্য নাম; গতিকে প্ৰেম ইয়াত ভক্তা নাৰীৰ অনুৰাগ মাত্ৰ।

বৈষ্ণৱ কাব্যত প্ৰেম বুলি ক'লে অসমৰ বাহিৰে অন্য অঞ্চলত পোনতেই মনলৈ আহে ৰাধাৰ নাম, লগে লগে আহি পৰে তমাল বনৰ সেউজ আৰু কদম ফুলৰ শোভাৰে ভৰা বৃন্দাবনৰ অভিসাৰী ৰাতিৰ ছবি। এই ছবি কোমল আৰু সুন্দৰ। ৰাধা-কৃষ্ণৰ প্ৰেম মানেই মান-অভিমান, অনুৰাগ আৰু বিৰহৰ এক বিচিত্ৰ খেলা। কিন্তু পৰস্ত্ৰী ৰাধাৰ লগত ভগৱান কৃষ্ণৰ এই লীলাৰ কথা অসমীয়া বৈষ্ণৱ কবিসকলে স্বীকাৰ নকৰে। ৰাধা নামৰ এগৰাকী গোপীক কৃষ্ণই বিশেষভাৱে প্ৰেম কৰাৰ কথা আমাৰ কাব্যত নাই। ইয়াৰ কাৰণ হ'ল অসমৰ বৈষ্ণৱ ধৰ্ম সম্পূৰ্ণভাৱে ভাগৱত-পুৰাণক আশ্ৰয় কৰি গঢ় লোৱা, আৰু ভাগৱত পুৰাণত ৰাধাৰ কাহিনী নাই।

গৌড়ীয় বৈষ্ণৱ কবিসকলে মধুৰ ভক্তিৰ দ্বাৰা কৃষ্ণত উপাসনা কৰে। অসমৰ বৈষ্ণৱ ভক্তই তেওঁক বিচাৰে দাস্য ভক্তিৰ যোগেদি। যি স্থলত অসমৰ বৈষ্ণৱ এজনে নিজকে ভগৱানৰ দাসৰো দাস বুলি মানি কৃতাৰ্থ হয়, সেই স্থলত বংগৰ এজন বৈষ্ণৱে নিজকে অষ্টসখীৰ এগৰাকী বুলি ধৰি মধুৰ ভাবৰ সাধনা কৰে। মধুৰ ভাবত ভক্তসকল হয় কান্তা, কান্ত হ'ল ভগৱান। অৰ্থাৎ বিশ্ব-সংসাৰত পুৰুষ মাথোন এজন, বাকী সকলো প্ৰকৃতি। এই গোপীভাব শংকৰদেৱ আদি বৈষ্ণৱসকলে অভ্যাস কৰা নাছিল যদিও কৃষ্ণ আৰু তেওঁৰ প্ৰেমিকাসকলৰ যিমানবোৰ ছবি তেওঁলোকে অংকন কৰিছিল, তাৰ ভিতৰত গোপীসকলৰ প্ৰেমেই তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। শংকৰী সাহিত্যত ৰুক্মিণী, সত্যভামা, সীতা আৰু ব্ৰজগোপীকাৰ মাজেৰে প্ৰেমৰ সজীৱ ছবি অংকন কৰা হৈছে। ৰুক্মিণীৰ প্ৰেমৰ মাজত অনুৰাগ, বিপ্ৰলম্ভ, সম্ভোগ আদি নানা স্তৰ স্ফূৰ্তি উঠিছে। তেওঁৰ প্ৰেম হৈছে মনৰ প্ৰেম, দেহৰ নহয়। বহুদিন ইজনে সিজনৰ কথা শুনি আকুল হৈ থকা কৃষ্ণ আৰু ৰুক্মিণীৰ প্ৰথম সাক্ষাতৰ বৰ্ণনা শংকৰদেৱে সুন্দৰভাৱে দিছে—

"দুই দুইহাস্তক চাহিলন্ত নেত্ৰ ভৰি ॥
আতি হাবিয়াসে চক্ষু নভাসন্ত আৰ।

নিমিষ কাটন্তে আতি হোৱে ঘোৰ পাৰ ॥
চাহন্তে চাহন্তে দুইবো নখণ্ডে তৃপিতি।
বাঢ়ন্তেসে যায় স্নেহ আতিশয় প্ৰীতি ॥"

ই হৈছে চিৰন্তন প্ৰেমৰ এটি ৰূপ। ভগৱান আৰু ভক্তৰ ৰূপ বিলুপ্ত হৈ ইয়াত প্ৰেমিক-প্ৰেমিকাৰ স্বাভাৱিক হৃদয়বৃত্তি ফুটি উঠিছে। কিন্তু সামগ্ৰিকভাৱে শংকৰদেৱৰ কৃষ্ণ সাধাৰণ মানৱ প্ৰেমিক নহয়। তেওঁ ভক্ত-বৎসল ভগৱান। তেওঁক নোপোৱাৰ বেজাৰত ৰুক্মিণীয়ে বিলাপ কৰিছে—

"মই পাপিষ্ঠীত কিবা দেখি কুলক্ষণ।
মোত হুইবে আশা এড়িলন্ত নাৰায়ণ ॥"

ৰুক্মিণীৰ প্ৰেমৰ গভীৰতাই আৰু আকুল হৈ কৃষ্ণক বিচাৰিব পৰাৰ ঐকান্তিকতাইহে কৃষ্ণক ওচৰ চপাইছিল। সত্যভামাৰ প্ৰেমৰ মাজত নাৰীৰ ঈৰ্ষাকাতৰ প্ৰকৃতি এটিৰ ৰূপ আৰু সীতাৰ মাজত সংযত গভীৰ ভালপোৱাৰ সুৰ ধ্বনিত হৈছে। কিন্তু প্ৰেমৰ প্ৰতি শংকৰদেৱৰ ধাৰণা এইকেইটি চৰিত্ৰৰ মাজত ফুটি উঠা নাই। সেয়া ফুটি উঠিছে 'ৰাসলীলা' খণ্ডত থকা গোপীসকলৰ আকুল প্ৰেমৰ বিৱৰণৰ মাজত। কথাষাৰ তাৎপৰ্যপূৰ্ণ। কাৰণ ৰাসলীলা মানেই অবৈধ প্ৰেম, গোপন অভিসাৰ আৰু দৈহিক সম্ভোগৰ বিচিত্ৰ বিৱৰণ। শাৰদী ৰাতিৰ মনোমোহা পৰিবেশত কৃষ্ণৰ বাঁহীৰ মাতে গোপীসকলক উতলা কৰে। তেওঁলোকে ঘৰ-সংসাৰ, স্বামী-পুত্ৰ সকলোকে নেওচি মাজৰাতি উন্মাৱল হৈ ঘৰৰ পৰা ওলাই যায় প্ৰিয়তম কৃষ্ণৰ লগত মিলিত হ'বলৈ। এই মিলনৰ ছবি—শৃংগাৰ ৰসেৰে ভৰা। শুভ্ৰ জোনাক, যমুনাৰ শুকুলা বালি, শুকুলা ফুলৰ মেলা—চাৰিওফালে মিলনৰ অনুকূল বাতাবৰণ। ইয়াৰ মাজত সুন্দৰীসকলক দৈহিক আৰু মানসিক তৃপ্তিৰে বুৰাই পেলোৱা কৃষ্ণক প্ৰথম সাক্ষাতত পুৰুষৰ দেহসৰ্বস্ব প্ৰেমৰ প্ৰতীক বুলি ভুল হোৱাৰ আশংকা থাকিলেও ক্ষন্তেক পিছতে সেই ভুল ভাগে। কাৰণ গোপীৰ দৰ্পচূৰ্ণ কৰিবলৈ অন্তৰ্ধান হোৱা ভগৱানে আকৌ তেওঁলোকৰে কৰুণ আহ্বানত সঁহাৰি দি কয়—

"বাঢ়োক তোমাৰ প্ৰেম ভকতি।
ভৈলো অন্তৰ্দ্ধান এহি যুগুতি ॥"

কীৰ্তন পুথিৰ পদসংখ্যা ১০৬-ৰ পৰা ১১২ লৈকে কৃষ্ণক পুনৰ লাভ কৰি আনন্দিত হোৱা গোপীসকলৰ কামজনিত আনন্দৰ কথাকে বৰ্ণোৱা হৈছে। কিন্তু তাৰ লগতে শংকৰদেৱে এনেকৈও কৈছে—

"এড়াইল বিৰহ-তাপ আনন্দে ভৰিল।
ভকতক পায়া যেন সংসাৰী তৰিল ॥"

ইয়াৰ দ্বাৰা গোপীসকলৰ প্ৰেমজনিত আনন্দক মোক্ষৰ আনন্দৰ লগত তুলনা কৰা হৈছে। পতিকে আওপকীয়াকৈ ইয়াত ফুটি উঠিছে যে এই প্ৰেম হ'ল

ভক্তিৰেই নামান্তৰ। কাৰণ মহাপুৰুষীয়া ধাৰণামতে ভক্তি হৈছে মুক্তিতকৈ শ্ৰেষ্ঠ। মুক্তিত নিস্পৃহ ভক্তক বন্দনা কৰা মাধৱদেৱে কৈছে—

"মুকুতি সুখকো তেজি মহাজনে
সদা ৰাম নাম ধৰে"

গতিকে গোপীসকলৰ আকুলতা আৰু ঐকান্তিকতা এজন ঐকান্তিক ভক্তৰ ভক্তিৰ সমতুল্য।

বৈষ্ণৱসকলৰ বাবে ব্ৰজগোপীকাৰ ভক্তি হ'ল পৰম আদৰণীয় আৰু অনুকৰণীয়। ভক্তি হোৱা উচিত 'যথা ব্ৰজগোপীকানাম'। কৃষ্ণক পাবলৈ গোপীসকলে চক্ষুলজ্জা, লোকলজ্জা, প্ৰাণৰ ভয় সকলো ত্যাগ কৰিছিল। তেওঁলোকৰ বাবে সংসাৰ হৈ পৰিছিল কেৱল কৃষ্ণময়। নাৰীয়ে সকলো সহিব পাৰে, সহিব নোৱাৰে সমাজত অপবাদৰ আশংকা। অথচ গোপীসকলে সেই আশংকাও হেলাৰঙে ত্যাগ কৰিছিল। সমাজে কলংক দিলেও তেওঁলোকে বিচাৰিছিল একমাত্ৰ কৃষ্ণৰ সান্নিধ্য। গতিকে বিশ্ব-সংসাৰৰ সকলো নেওচি একমাত্ৰ কৃষ্ণক আকাংক্ষা কৰা তেওঁলোকৰ প্ৰেম অতিশয় উচ্চস্তৰৰ। এই স্তৰত হৃদয় বিলীন হৈ যায় প্ৰেমাস্পদৰ চিন্তা আৰু উপলব্ধিত। শংকৰদেৱৰ দৃষ্টিত এয়ে হ'ল শ্ৰেষ্ঠ প্ৰেম। এই প্ৰেমে মানুহক তললৈ ননমায়, এখন অপাৰ্থিৱ জগতৰ সন্ধেদহে দিয়ে।

প্ৰেম মানেই যে যুৱক-যুৱতীৰ পৰস্পৰক পোৱা ইচ্ছা এনে নহয়। প্ৰেম মানে ভালপোৱা, গভীৰ অনুৰক্তি। এই অনুৰক্তি যেতিয়া সন্তানলৈ ধাবিত হয়, তেতিয়া ই বাৎসল্য প্ৰেম নাম পায়। মাধৱদেৱ হ'ল বাৎসল্য প্ৰেমৰ কবি। এই প্ৰেমৰ এক সুকীয়া সৌন্দৰ্য আছে। ই তীব্ৰ, উগ্ৰ আৰু দীপ্ত নহয়, কিন্তু শান্ত, স্নিগ্ধ আৰু মোহময়। যশোদা আৰু কৃষ্ণৰ অপূৰ্ব সমন্ধৰ মাজত এই প্ৰেমৰ বিকশিত ৰূপটো প্ৰত্যক্ষ কৰা যায়। কৃষ্ণক চাই চাই যশোদাৰ হেঁপাহ নপলায়, পদুমৰ দৰে লাৱণী মুখত চুমা দি দি আমনি নালাগে। কৃষ্ণক তেওঁ এচাৰি হাতত লৈ খেদিও ফুৰে, উৰলত বান্ধিও থয়; অথচ সেই কৃষ্ণৰে ক্ষন্তেকৰ বিৰহত—

"বিলাপ কৰিয়া কান্দে দেৱী যশোমতী
কাহে গৈলে পাইবো লাগ পুতা যদুপতি"

যশোদাৰ কৃষ্ণ প্ৰেম বৈষ্ণৱ কবিসকলৰ আদৰৰ সম্পদ। মাধৱদেৱৰ বৰগীতৰ মাজত ইয়াৰ সাৰ্থক প্ৰকাশ চকুত পৰে।

গোপীসকলৰ কৃষ্ণপ্ৰেমৰ বিষয়ে মাধৱদেৱে গীতৰ মাজত যিখিনি কথা কৈছে, তাৰ ভিতৰত সবাতোকৈ তুলনাবিহীন হ'ল এই দুশাৰী—

"কানাইৰ ৰূপৰ উপমাৰ কিবা কাম।
একপুঞ্জ হয়া আছে গোপিনীৰ প্ৰেম॥"

কানাই সুন্দৰ। কিমান সুন্দৰ তাৰ কোনো তুলনা নাই। কাৰণ প্ৰেমময় অন্তৰে প্ৰেমাস্পদক সদায়েই সুন্দৰ দেখে। কানাইৰ দেহত অৰ্পিত হৈছে সমস্ত গোপীৰ পুঞ্জীভূত অনুৰাগ। গতিকে তেওঁ সুন্দৰতকৈও সুন্দৰ।

দেখা যায় যে বৈষ্ণৱ-কাব্যত সদায় গোপীসকলৰ মাজেদিহে কৃষ্ণ-প্ৰেমৰ উপযোগিতা ব্যাখ্যা কৰা হয়। ইয়াৰ আৰু এবিধ উদাহৰণ হ'ল গোপালদেৱৰ—গোপীৰ বিৰহৰ গীতসমূহ। কৃষ্ণক নাপাই গোপীসকলৰ অৱস্থা—

"ৰবি বিনে দিন নোহে
জল বিনে মীন।
হৰি বিনে গোপীৰ
জীৱন ভেল ক্ষীণ॥"

বাংলা বৈষ্ণৱ কাব্যত ৰাধাৰ যি ভূমিকা, যি প্ৰেম আৰু বিৰহৰ লীলা—আমাৰ কাব্যত সেয়া গোপীসকলে সমূহীয়াভাৱে পালন কৰিছে। অৱশ্যে মাধৱদেৱৰ নামত প্ৰচলিত কেইটিমান গীতত ৰাধাৰ নাম আছে। এই ৰাধাও কৃষ্ণৰ প্ৰেমিকা। তেওঁ অহংকাৰত মত্তা হৈ কৃষ্ণৰ কান্ধত উঠিছে আৰু পিছত ভুল বুজি ক্ষমাও খুজিছে। কিন্তু 'ভূষণ-হৰণ'ৰ গীতৰ ৰাধা কৃষ্ণৰ প্ৰেমিকা নহয়। কৃষ্ণৰ লগত তেওঁৰ সম্পৰ্ক বায়েক আৰু ভায়েকৰ দৰে।

ভাৰতৰ বহুতো অঞ্চলতে ৰাধাও কৃষ্ণৰ সমানে পূজিতা। ৰাধা হ'ল কৃষ্ণৰ হ্লাদিনী শক্তি। এই ৰাধাৰ কৈশোৰ আৰু যৌৱনৰ দোমোজাত থকা মন, কেঁচাসোণ বৰণৰ দেহ, ভয়-শংকা তথা কামনাৰে ভৰা প্ৰেমৰ বৰ্ণনাৰে মুখৰ গীতবোৰ সৌন্দৰ্যৰ ফালৰ পৰা অনুপম। বিদ্যাপতি, চণ্ডীদাস আৰু জয়দেৱৰ গীতৰ মাজত ৰাধা-কৃষ্ণৰ পৰকীয়া প্ৰেম দীপ্ত প্ৰভাৱে বিচ্ছুৰিত হৈ উঠিছে। ইয়াত ৰাধা-কৃষ্ণৰ প্ৰেম, মিলন, বিৰহ, মান আদি লক্ষণবোৰ ফুটি উঠিছে।

পৰকীয়া প্ৰেমৰ এক তাৎপৰ্য আছে। এই প্ৰেমত বিচ্ছেদৰ ভয় বেছি। গতিকে ইয়াত আকুলতাও বেছি। ইয়াত মিলনৰ পথত বাধা অনেক। ৰাধাৰ স্বামী আছে, শাহু-ননদো আছে। তাৰ মাজতে সকলোৰে চকু এৰাই তেওঁ শ্যাম-অভিসাৰলৈ আহে। ঠিক যেন ব্ৰহ্মোপলব্ধিলৈ আগবঢ়া এজন ভক্তহে। চণ্ডীদাসৰ কাব্যৰ ৰাধা বিদ্যাপতিৰ ৰাধাৰ দৰে নহয়। তেওঁৰ প্ৰেমত যোগিনী হোৱা বেশ। এই প্ৰেম আত্মাৰ-আকুলতা, দেহৰ নহয়।

"কি জ্বালা হৈল মোৰে কানুৰ পিৰীতি
আখি ঝুৰে পুলকিত প্ৰাণ কান্দনিতি
খাইতে সোয়াথ নাহি নিন্দ গেল দূৰে
নিৰবধি প্ৰাণ মোৰ কানু কৰি ঝুৰে"

ৰাধাৰ একোতে সুখ নাই। একোতে তেওঁৰ মন নবহে। গভীৰ প্ৰেমেৰে ওপচা হৃদয়েৰে তেওঁ ম্যাথোন চকুপানী টোকে। শ্যামৰ আলিংগনত থাকিও তেওঁ চকুপানী টোকে। প্ৰেমৰ মাজত যি বিৰহ-দশা, সেইটোৱেহে ৰাধাৰ হৃদয় বেছিকৈ মথন কৰে।

ৰাধাৰ কথা আৰু পোৱা যায় সুৰদাসৰ ব্ৰজ-বিহাৰ কাব্যত। এই ৰাধা মিলন কামনাৰে দীপ্তিমতী, কিন্তু পিছত প্ৰেমৰ জ্বালাত আৰু আন্তৰিক প্ৰীতিৰ জ্যোতিত তেওঁ সাধিকাৰ পৰ্যায় পাইছেগৈ।

প্ৰেমৰ কবিতা বুলি ক'লে মনলৈ আহে—মীৰাবাইৰ ভজনসমূহৰ কথা। ইয়াত কৃষ্ণ হ'ল প্ৰিয়তম, সাধিকা মীৰাৰ বাবে একমাত্ৰ আশ্ৰয়। কৃষ্ণৰ বাবে মীৰাই সকলো সহিব পাৰে, লোকলজ্জা, প্ৰাণৰ ভয় আদি সকলো। গতিকে মীৰাৰ প্ৰেমো ব্ৰজ-গোপীৰ সমপৰ্যায়ৰ।

গতিকে দেখা গ'ল যে ভাৰতৰ অন্যান্য অংশৰ বৈষ্ণৱ কবিৰ লগত অসমীয়া বৈষ্ণৱ কবিৰ প্ৰেম সমন্ধীয় ধাৰণাসমূহ বীজটোৰ ক্ষেত্ৰত একে হ'লেও তাৰ প্ৰকাশ-ৰীতি কিছু বেলেগ। অসমীয়া কাব্যত প্ৰেমতকৈ দাস্য ভক্তিৰ সুৰটো বেছি জিলিকি আছে। আদি অংশত দেহৰ মাজেৰে গৈ আত্মাত আলোড়ন তোলা প্ৰেমৰ প্ৰকাশ ঘটোৱা হৈছে।

সাধাৰণতে কাব্যসমূহত কৃষ্ণ নায়ক যদিও অনন্ত কন্দলিৰ 'কুমৰ-হৰণ' কাব্যত উষা-অনিৰুদ্ধৰ প্ৰেমৰ কাহিনী বৰ্ণিত হৈছে। একে কাহিনীৰে অন্য এখন কাব্য পীতাম্বৰ কবিৰ 'উষা-পৰিণয়'ৰ লগত তুলনা কৰিলে দুয়োখনতে থকা প্ৰেমৰ স্বৰূপ-ব্যাখ্যাৰ পাৰ্থক্য স্পষ্ট হৈ ওলাই পৰে। পীতাম্বৰ কবিয়ে লৌকিক মনৰ তৃপ্তিৰ বাবে শৃংগাৰ ৰসেৰে ভৰা প্ৰেমৰ মনোমোহা ছবি আঁকিছে। অনন্ত কন্দলিৰ কাব্যত কিন্তু আছে এক সংযত আৰু গহীন সুৰ। কাৰণ বৈষ্ণৱ কবিৰ আদৰ্শৰে তেওঁ প্ৰেমক ভক্তিলৈ ৰূপান্তৰিত কৰাত ব্যস্ত হ'ব লগা হৈছিল।

গতিকে দেখা যায় যে বৈষ্ণৱ কবিসকলৰ কাব্যত থকা সীমাবদ্ধতাই ইয়াক এক গাম্ভীৰ্য প্ৰদান কৰিছে আৰু অন্য দিশত সৌন্দৰ্য সৃষ্টি হ'লেও প্ৰেমৰ কমনীয় ৰূপৰ মাজত এইবোৰে সৌন্দৰ্যৰ সৃষ্টি কৰা নাই। এইবোৰত যি কোনো প্ৰকাৰে ভক্তিয়েই প্ৰাধান্য পায়।

## ২.২ দুৱৰাৰ কবিতা ঃ

অসমীয়া কবিতাৰ জগতৰ সবাতোকৈ ঠুনুকা মনৰ কবিজন বোধকৰো যতীন্দ্ৰনাথ দুৱৰা। প্ৰেমৰ কবি ৰূপে দুৱৰা জনপ্ৰিয়। তেওঁৰ কবিতাৰ সুকোমল শব্দ আৰু মনোৰম প্ৰতীকী প্ৰকাশে পাঠকৰ মনত এক সোণালী

বিষাদৰ সৃষ্টি কৰে। দুৰৰাৰ কবিতাৰ উৎস তেওঁৰ ব্যৰ্থ প্ৰেম। এই প্ৰেম একান্ত ব্যক্তিগত যদিও তাৰ প্ৰকাশৰ মনোহাৰীত্বৰ বাবে ই সাৰ্বজনীন আবেদন লাভ কৰিছে। অসমীয়া কবিতাৰ মাজত সকলোতকৈ মন-পৰশা প্ৰেমৰ কবিতা দুৰৰাৰ কলমতেই পোৱা যায়।

দুৰৰা বিষাদৰ কবি। তেওঁৰ বিষাদ তেওঁৰ আলসুৱা হিয়াৰ সম্পদ। তেওঁৰ অন্তৰৰ গান সদায়েই কাৰুণ্যৰে ভৰা—

"জীৱনৰ দুখৰ ৰাশিৰ
এটি এটি কণা তুলি লৈ
ৰচোঁ মই অন্তৰৰ গান
শুনো তাকে বহি অকল'ই।"

নিঃসংগতাৰ মাজত কবিৰ অন্তৰ নিজৰ দুখত নিজেই মগন, এই নিঃসংগতা তেওঁলৈ, তেওঁৰ যৌৱনৰ উপহাৰ। যৌৱনৰ পুৱতি বেলা কবিৰ জীৱনলৈ প্ৰেম আহিছিল, প্ৰেমিকাৰ প্ৰেমভৰা হিয়া বিচাৰি কবিয়ে আশা আৰু সপোনৰ মাজত বিচৰণ কৰিছিল। কিন্তু আশাহত কবিয়ে বুজি পালে, প্ৰেম তেওঁৰ বাবে এক দূৰৰ সপোন মাথোন। কোনোবাই ভুলতে চুই যোৱা তেওঁ হ'ল বাটৰ কাষৰ বনৰীয়া ফুলৰ দৰে উপেক্ষিত আৰু অপ্ৰয়োজনীয়। এই দুখজনক অনুভূতিয়ে কবিৰ মনত এক তীব্ৰ অভিমানৰ জন্ম দিলে—

"মানুহৰ ভালপোৱা? আছে যদি থ'ক
নাই তাত মোৰ প্ৰয়োজন"

"আপোন সুৰ" পুথিখনৰ আদিতেই বুজিব পাৰি কি গভীৰ বেদনা, কি আত্মনিপীড়নৰ ভাব সোমাই আছে তেওঁৰ কবিতাত,

"নিয়া মোৰ ফুলপাহি বুকু শুদা কৰি
মালতীৰ মালা নিয়া খোপা সোলোকাই
ধুনীয়া জোনাক ৰাতি, যোৱা আগবাঢ়ি
তৰাই হাঁহিৰে দিব বাট দেখুৱাই"

দুৰৰাৰ গোটেইবোৰ কবিতাৰ মাজতে এই দুঃখভৰা অভিমানৰ সুৰ শুনা যায়। তেওঁৰ বাবে ভালপোৱা এক বিষাদৰ সম্পদ। ই অযাচিতে আহি সুখ-সপোনৰ লহৰেৰে জীৱন ভৰাই তোলে। কিন্তু সপোনৰ ৰাথী আঁতৰি গ'লে ভালপোৱাই এৰি থৈ যায় ৰিক্ত নিঃস্ব হৃদয়। প্ৰেম এক অদ্ভুত অনুভূতি। ইয়াক সহজে চিনা নাযায়। কেতিয়াবা দুটি এটি আলসুৱা অনুভৱকো মিছাতে প্ৰেম বুলি কল্পনা কৰা যায়। তাৰ ফলত বহু পলমকৈ সাৰ পোৱা হিয়াই নিজকে আৱিষ্কাৰ কৰে সীমাহীন শূন্যতাৰ মাজত। কবি দুৰৰাৰো তেনে এক অনুভৱেই প্ৰকাশ পাইছে এই ফাঁকি কবিতাত—

"কোনোৱেৰ চুই যায় কোনোৱে দৃষ্টতে চায়
চেনেহ কণিকা বুলি কৰোঁ তাকে ভুল
সপোন আঁতৰি গ'লে দিঠকে জনাই দিয়ে
বাটৰ কাষৰ মই বনৰীয়া ফুল।"

সচৰাচৰ প্ৰেমৰ কবিতাত থকাৰ দৰে দুৱৰাৰ কবিতাত প্ৰিয়াৰ দৈহিক সৌন্দৰ্যৰ প্ৰাণ চমকোৱা বিৱৰণ নাই। প্ৰিয়াৰ হৃদয়ৰ বাবে ব্যাকুল হোৱা তেওঁৰ হিয়াৰ বেদনাৰ বতৰাহে ইয়াত বেছি প্ৰকট। ৰমন্যাসিক কবিৰ ভাব-বিলাসেৰে ভৰা মনেৰে দুখৰ মাজত উমলি-জামলি তেওঁ এক প্ৰকাৰ বেদনা-মধুৰ আনন্দ লাভ কৰিছিল। নিজকে ৰিক্ত-নিঃস্ব বুলি ভাবি লৈ নিজৰ দুখৰ বাবে চকুলো টুকি তেওঁ এক নিৰ্জন দ্বীপত বাস কৰিছিল। সেই দ্বীপত বাৰে বাৰে খুন্দা মাৰেহি সোঁৱৰণিৰ জোৱাৰে। কবিয়ে অতীতক পাহৰিবলৈ বিচাৰে, কেতিয়াবা আকৌ নিজেই আদৰি আনি সেই অতীতৰ লগত পাৰ কৰে নিঃসংগ সময়। নিজৰ দুৰ্ভগীয়া হৃদয়ৰ উপমা বিচাৰি এপাকত তেওঁ কৈ উঠে—

"মোৰ এই হিয়াখনি জেতুকা পাতৰ দৰে
সেউজীয়া বননিৰ বৰণৰে ঢকা
অন্তৰ জ্বলোৱা ছবি অতীতৰ স্মৃতি ল'ই
বুকুৰ তেজেৰে আছে অন্তৰতে অঁকা।"

সুন্দৰ আৰু নিমজ শব্দৰ খাপখোৱা প্ৰয়োগৰ বাবে এইবোৰ একান্ত ব্যক্তিগত অনুভূতিয়ে পাঠকৰ বুকুত সহজেই প্ৰতিধ্বনি তোলে।

পাৰ্থিৱ প্ৰেমৰ মাজেৰে কবিয়ে সৌন্দৰ্যময় সংসাৰৰ মনোৰম দিশটি যিদৰে অনুভৱ কৰিছে, সেইদৰে তাৰ সিপাৰে থকা অনিত্যতা আৰু ক্ষণ-ভংগুৰতাও প্ৰত্যক্ষ কৰিছে। জীৱন-দৰ্শন তেওঁৰ বিচিত্ৰ। ওমৰৰ কবিতাই তেওঁক দিছে সমুখৰ পান-পাত্ৰ হাতত পাওঁতেই শেষ কৰাৰ বাসনা। ভাৰতীয় দৰ্শনৰ ৰহস্যবাদে তেওঁক দিছে ভগৱান আৰু মৃত্যুৰ প্ৰতি এক অমোঘ বিশ্বাস। ওমৰৰ দৰ্শনত মানুহৰ জীৱন কাৰুণ্যৰে ভৰা। ই অসহায় আৰু ক্ষুদ্ৰ। দুৱৰাই নিজৰ জীৱনৰ কাৰুণ্যৰ লগত সাদৃশ্য দেখি কিছুমান ব্যক্তিগত অনুভূতিত এই দৰ্শনৰ বোল সানিছিল। ব্যক্তিগত প্ৰেমৰ করুণ পৰিণতিক এনে দৃষ্টিৰে চাই তেওঁ কৈছে—

"আজ্ঞাৰ-মুজ্ঞাৰ বাট একোকে নমনি
সমুখত স্মৃতিৰ শ্মশান,
কতনা প্ৰেমৰ ছবি লয় গ'ই তাতে
তোলে এটি সকৰুণ তান।"

দুৱৰাৰ কবিতাত ইংৰাজী কবিতাৰ প্ৰতিধ্বনিও শুনা যায়। যিবোৰ কবিতাৰ ভাব আৰু ভাষাই তেওঁৰ অন্তৰ চুই গৈছিল অথবা যিবোৰ কবিতাৰ মাজত

তেওঁৰ নিজৰো প্ৰাণৰ কথা ফুটি উঠা যেন লাগিছিল, সেইবোৰ একোটুকুৰা কেতিয়াবা তেওঁ নিজা প্ৰাণৰ পৰশেৰে নতুনকৈ সজাই উলিয়াইছিল। শ্যেলীৰ কিছুমান কবিতাৰ তেওঁ মুকলি ভাঙনি কৰিছিল। শ্যেলী, টেনিচন আৰু এড্গাৰ এলান পোৰ কবিতাৰ করুণ প্ৰেম, হতাশা আৰু জীৱনৰ ক্ষণভংগুৰতা দুৱৰাৰ কবিতাত কোমলভাৱে প্ৰকাশ পাইছে। তাৰে কিছুমান স্তৱক তেওঁৰ নিজা অনুভূতিৰ বোলেৰে বৰ প্ৰাণ পৰশা হৈ উঠিছে। যেনে, এড্গাৰ এলান পোৰ "এ ড্ৰিম উইদিন এ ড্ৰিম" নামৰ কবিতাৰ ভাঙনি "সোণোৱালী ৰঙিৰ এমুঠি"ত তেওঁৰ উক্তি—

"পাৰোঁতেনো কওঁ বেজাৰেৰে
সমুখত মায়াৰ সপোন
ছয়াময়া পুতলাৰ নাচ
সপোনতে দেখিছো সপোন।"

এই বেজেৰুৱা ভাব আৰু বেছি প্ৰকট কৰি তুলিবলৈ তেওঁ নাও, নাৱৰীয়া, পাহৰণি নৈ আদি কিছুমান প্ৰতীক ব্যৱহাৰ কৰিছে। প্ৰতীকবোৰে এক ৰহস্যবাদী ভাবধাৰা জগাবলৈ বিচাৰে যদিও এইবোৰৰ সৰলতাৰ বাবে ৰহস্যবাদ গভীৰ হৈ উঠা নাই। প্ৰতীকৰ প্ৰয়োগৰ অন্তত যি ধাৰণা দীপ্ত হৈ জিলিকি উঠে সি হ'ল তেওঁৰ বুকু ভঙা বেদনাৰ করুণ সুৰ আৰু নিয়তিৰ হাতত আত্ম সমৰ্পণৰ নিৰুপায় উপলব্ধি।

দুৱৰা কবিৰ বিষাদ, নিৰাশা, আত্ম গোপনৰ চেষ্টা, নিয়তিৰ ওচৰত অসহায় আত্ম-সমৰ্পণ আদি সকলো লক্ষণৰ মূলতে তেওঁৰ প্ৰেমজনিত দুখ। অন্তৰৰ জগতত সেই দুখকে লিৰিকি-বিদাৰি তেওঁ বাৰে বাৰে নানা সপোন গঢ়িছে আৰু ভাঙিছে। তেওঁৰ অন্তৰ তীব্ৰভাৱে সংবেদনশীল। সেয়েহে অভিমানে তেওঁক জীৱনৰ ৰঙীন দিশৰ পৰা আঁতৰাই দি নীৰৱে থাকিবলৈ উদগনি দিছে। নিৰাশাই তেওঁক সমাজৰ মৰম-চেনেহৰ প্ৰতি বীতশ্ৰদ্ধ কৰি তুলিছে। মনে বিচৰাজনৰ পৰা মৰম নোপোৱা কবিয়ে কাৰো পৰাই মৰম বিচৰা নাই। তেওঁৰ কবিতাত আছে ক্ষুদ্ৰ মানৱৰ অসহায় প্ৰাণৰ হাহাকাৰ, যি প্ৰাণ ভাগ্যৰ হাতৰ পুতলা মাথোন। ওমৰৰ দৰ্শনৰ প্ৰতিধ্বনি হ'লেও তেওঁৰ এইটি স্তৱকত এক বুকু কঁপাই যোৱা সত্যৰ প্ৰতিধ্বনি হৈছে।

"গৰ্জিলে সাগৰে গহীন সুৰেৰে
নাই নাই ক'তো আলোক পথ
অন্ধ নিয়তিৰ অন্ধ বিশ্বাসত
চলে মানৱৰ জীৱন ৰথ।"

তেওঁ অনুভৱ কৰিছে—

"মানুহক লৈ পাৰঘটি খেলিছে

বহি নিয়তিয়ে অনন্তকাল।"

গতিকে নিজৰ ব্যৰ্থতা আৰু বেদনা নিয়তিৰ অমোঘ বিধান বুলি মানি লৈ কবিয়ে "য'ক উটি যেনিতেনি সোঁতৰ লগত মেলি দিয়া নাও নাৱৰীয়া" বুলি পাৰ হৈ যোৱা সোণালী দিনৰ স্মৃতিকে সাৱতি জীৱন সোঁতত গা এৰি দিছে।

দুৱৰাৰ প্ৰেমৰ কবিতা তেওঁৰ যেন দিনলিপিৰেই একাংশ। দেশ-বিদেশৰ কবিৰ কবিতাত থকা প্ৰেম আৰু বেদনাৰ, আশা আৰু নিৰাশাৰ কোমল ছবি নিজৰ কবিতাত তেওঁ প্ৰকাশ কৰিছে যদিও কবিৰ নিজা প্ৰাণৰ ৰচনা আৰু প্ৰভাৱযুক্ত ৰচনাৰ মাজত পাঠকৰ বাবে কোনো পাৰ্থক্য পৰিলক্ষিত নহয়। কাৰণ প্ৰতিটোৰে মাজত তেওঁৰ তপত হুমুনিয়াহ অতি স্পষ্ট। এই একে কথাকে ক'ব পৰা যায় কথা-কবিতাৰ ক্ষেত্ৰতো। "কথা-কবিতা" অসমীয়া সাহিত্যলৈ দুৱৰাৰ মূল্যবান অৱদান। কথা-কবিতাৰ মাজত কবিতাত থকাৰ দৰেই তেওঁৰ দুখ-বেদনা আৰু জাগতিক কৰুণ অভিজ্ঞতাৰ স্বাক্ষৰ পোৱা যায়। প্ৰেম সম্পৰ্কে থকা তেওঁৰ ধাৰণাৰ এটি আভাসো ইয়াত পোৱা যায়। তেওঁৰ বাবে মৰ্ত্যৰ প্ৰেম দুদিনীয়া। কিন্তু আত্মাৰ লগত আত্মাৰ যি বন্ধন সি চিৰযুগমীয়া। "সোণ-বৰণীয়া দেশ" কথা-কবিতাটিত এনে ইংগিত পোৱা যায়। দিঠকৰ জগতত নোপোৱা যি মনোৰম সম্পদৰ বাবে কবি লালায়িত, সপোনতে তাকে পোৱাৰ হেঁপাহ ইয়াত ফুটি উঠিছে। ই তেওঁৰ অৱচেতনৰ আকাংক্ষা—প্ৰেয়সীৰ প্ৰেমৰ বাবে। "কেতেকী" কথা কবিতাত মানুহৰ নিষ্ঠুৰতা আৰু বিশ্বাস-ঘাটকতাৰ ছবি আঁকি স্পৰ্শকাতৰ কবিয়ে তেওঁৰ ব্যক্তিগত জীৱনত লাভ কৰা নিদাৰুণ অভিজ্ঞতাৰ যেন এখনি ছবি আঁকিছে। "দেৱী"ত ফুটি উঠিছে ছয়া-ময়া ৰূপ কল্পনা-দিঠক মিলি একাকাৰ হোৱা তেওঁৰ প্ৰেমৰ ৰাণীৰ নিজৰ উকা জীৱনৰ পৰিচয় দি "মোৰ লগৰীয়া" নামৰ কথা-কবিতাটিত কবিয়ে কৈছে—"মই অকলশৰীয়া, মোৰ কোনো লগৰীয়া নাই। মই নিজেই নিজৰ কামত ব্যস্ত থাকোঁ, অইনৰ ফালে চাবলৈ মোৰ সময় নাই। মই অকলে ফুৰোঁ, হাঁহো, কান্দো আৰু অকলে আপোন মনেৰে নিজেই নিজৰ লগত কথা পাতো। কিন্তু হঠাতে এদিন বসন্তৰ প্ৰথম পুৱাতে সাৰ পাই উঠি দেখোঁ যে মোৰ ধেমালি কৰা ঠাইডোখৰৰ ওচৰতে আৰু এজন কোনোবা আহি বহি আছেহি।" একে ধৰণৰ ভাব ফুটি উঠিছে দুৱৰাৰ "এহালি পাৰ" নামৰ কথা-কবিতাটিত, "মোৰ ঘৰৰ আওলাৰ তলত ওলোমাই থোৱা পেৰাটোৰ ওপৰত পাৰ হালিয়ে ইটিয়ে সিটিৰ পাখিত মূৰ সুমুৱাই নিতাল মাৰি বহি আছে।...এতিয়া দুয়ো আনন্দতে পাখিত পাখি লগাই কেনে ৰং মনে বহি আছে। বাস্তৱিকতে সিহঁত এতিয়া কেনে সুখী — সিহঁতৰ সুখতে ময়ো সুখী,—যদিও মই অকলশৰীয়া – চিৰকালেই অকলশৰীয়া।"

দুৱৰাৰ কবিতা পঢ়িলে ভাব হয়, এইবোৰ যেন এজন অৱহেলিত নিষ্পেষিত মানুহৰ নিজৰে সৈতে পতা কথা। তেওঁৰ সমুখত পৰিপূৰ্ণ পৃথিৱী,

আনন্দৰ মেলা। তাত তেওঁৰ কোনো ভাগ নাই। কোনো এক অন্ধকাৰ ক্ষেত্ৰৰ পৰা সোণালী পোহৰেৰে ভৰা, ৰং-উলাহৰ ফালে তেওঁ হেঁপাহ আৰু বিষাদেৰে চাই আছে। তেওঁৰ হাতত শূন্য পাত্ৰ। সেই পাত্ৰৰ উলাহখিনি কেতিয়াবাই অন্ত হ'ল। এতিয়া কিহবাই যদি তাক পূৰ্ণ কৰিব পাৰে, তেন্তে কেৱল বিষাদেহে।

দুৰ্ব্বাৰ প্ৰেমৰ কবিতাৰ আলোচনাত ঘাইকৈ চকুত পৰে তেওঁৰ কোমল মনৰ বেদনা; ভাগ্যৰ হাতত আত্ম সমৰ্পণ, জাগতিক জগতৰ প্ৰেমৰ ব্যৰ্থতাত বিস্মৃতিৰ প্ৰচেষ্টা আৰু প্ৰেমৰ চিৰন্তন শক্তিৰ ওপৰত আস্থা। সৰল-সহজ প্ৰতীকৰ কোমল ব্যৱহাৰ আৰু আলসুৱা শব্দ-সম্ভাৰ দুৰ্ব্বাৰ প্ৰেমৰ কবিতাৰ মনোমোহা সম্পদ।

## ২.৩ গণেশ গগৈৰ কবিতা ঃ

প্ৰেমৰ কবিতা বুলিলে গণেশ গগৈৰ কবিতাৰ আলোচনা নকৰি উপায় নাথাকে। এইবোৰ কবিতাৰ চিনাকিও বেলেগ। কলিজাৰ তেজেৰে লিখা কবিতা এইবোৰ, দুৰ্ব্বাৰ দৰে চকুপানীৰে লিখা নহয়। প্ৰেম বুলি ক'লে যি দেহ-মন ভাঙি গুৰি কৰা তীব্ৰ যন্ত্ৰণাৰ অনুভূতিৰ কথা মনলৈ আহে, গগৈৰ কবিতা তাৰেই স্বাক্ষৰ।

১৯০৭ চনত গণেশ গগৈৰ জন্ম হয় উত্তৰ লক্ষীমপুৰৰ ঢকুৱাখানাত। পিতৃ আছিল কণকচন্দ্ৰ গগৈ আৰু মাতৃ আছিল কণকা গগৈ। গুৱাহাটী, কাশী আৰু কলিকতাত শিক্ষা-জীৱন পাৰ কৰা গণেশ গগৈ আছিল জীৱনৰ প্ৰতিটো দিশতে উৎসাহেৰে ভৰপূৰ এজন তজবজীয়া যুৱক। ব্যক্তিগত জীৱনত ৰাজনীতিত হাত দিলেও স্বভাৱত তেওঁ আছিল এজন কবি। বৰ কম বয়সত, মাথোন একুৰি আঠ বছৰত, জীৱন-লীলা শেষ কৰোঁতা গণেশ গগৈৰ সংক্ষিপ্ত জীৱনটোত নানা সপোন নানা বাসনাৰ ৰহণে জিলিকনি তুলিছিল। প্ৰেম আছিল এই জিলিকনিৰ মূল উৎস। কবিৰ ব্যক্তিগত জীৱনৰ আলোচনা এই প্ৰসংগত প্ৰয়োজনীয় নহয়। সেই জীৱনৰ অনুপম অৱদান তেওঁৰ কবিতাখিনিহে আলোচনাৰ বাবে লোৱা হ'ল।

"পদুম ফুলৰ 'পাপৰি' নহয়
'পাপৰি' প্ৰাণৰ মোৰ
শোকৰ নহয় দুখৰ নহয়
প্ৰেমভৰা চকুলোৰ।"

এই কেইফাকি কবিতাই বোধকৰো এসময়ৰ বহুতো প্ৰেমিক-প্ৰেমিকাৰ প্ৰেমপত্ৰত ঠাই পাইছিল। ইয়াৰ মাজেদি ফুটি উঠা তীব্ৰ বেদনাৰ সংযত সুৰ

সহজেই লক্ষণীয়। আন বহুতো কবিৰ দৰে ব্যৰ্থ প্ৰেমে তেওঁক দিছিল বেদনা নিষ্ক্ৰামণৰ এক পথ, কবিতা ৰচনা। 'পাপৰি', 'স্বপ্নভংগ' আৰু 'ৰূপজ্যোতি'ৰ মাজেদি সেই বেদনা নিজৰি ওলাইছে।

গণেশ গগৈৰ কবিতাৰ মূল ভাব প্ৰেম যদিও প্ৰেমতকৈ বিৰহেহে ইয়াত ঘাই আসন পাইছে। কোনোবা প্ৰিয়াৰ প্ৰতি ওপজা মৰমে তেওঁক আকুল কৰিছে। সেই প্ৰিয়াৰ অৱহেলাত সৃষ্টি হৈছে তেওঁৰ অভিমান। প্ৰেমৰ ব্যৰ্থতাত তেওঁ লাভ কৰিছে নিদাৰুণ যন্ত্ৰণা। গতিকে স্নেহ, অভিমান আৰু বিষাদৰ মিশ্ৰিত প্ৰকাশত তেওঁৰ কবিতাই ৰূপ লৈছে। "পাপৰি"ৰ কবিতাখিনি স্তৰে স্তৰে পৰিণতিৰ ফালে আগবাঢ়ি গৈছে। প্ৰথম অংশত জিলিকি উঠিছে পূৰ্বৰাগৰ ৰেঙণি। প্ৰেমিকাৰ কণ্ঠৰ মৌসনা গীতৰ মাজত তেওঁৰ অন্তৰৰ প্ৰেমিক পুৰুষৰ প্ৰথম সাৰ পোৱাৰ পুলকমিশ্ৰিত বিস্ময়। কবিয়ে অবাক মুগ্ধ মনেৰে প্ৰত্যক্ষ কৰিছে নিজৰে মাজত ঘটা বিচিত্ৰ পৰিৱৰ্তন। এফাকি গীতৰ কলিয়ে তেওঁক অন্য এখন সুন্দৰ হিয়াৰ সম্ভেদ দিছে। সেই গীতৰ গায়িকাৰ অন্তৰ খনো যেন পৰিপূৰ্ণ পৃথিৱীৰ মাজত অকলশৰীয়া। এক বিষাদ আৰু শূন্যতাৰ অনুভূতিয়ে ভৰাই পেলোৱা হিয়াৰ পৰা ওলোৱা সেই গীতৰ কলিয়ে কবিক চুম্বকৰ দৰে টানিছে। কাৰণ লগে লগে তেৰোঁ বুজি উঠিছে আপোন হিয়াৰ শূন্যতাৰ কথা। সেয়েহে আকৰ্ষণৰ সোঁতত হৃদয় এৰি দি কবিয়ে কৈ উঠিছে—

> "হোৱা তুমি যেয়ে হোৱা, নিয়া টানি টানি নিয়া
> যোৱাটো মাধুৰী আছে লক্ষ্যহীন হই;"

প্ৰেমৰ শক্তি পৰশ পাথৰৰ দৰে। ই শিলক সোণলৈ পৰিণত কৰে। প্ৰেমৰ পৰশ লগা মনে বিশ্ব-সংসাৰ সুন্দৰ দেখে আৰু অনুভৱ কৰে সকলো সুন্দৰতা যেন তেওঁৰ প্ৰেমাস্পদৰেই ৰূপৰ বিকাশ মাথো।
কবিৰো অনুভৱ—

> "তোমাৰ পৰাই নে কি চুৰ কৰি সমীৰণে
> সুৰভি নিশ্বাস লৈ উৰি গুচি যায়,
> শৰতৰ শান্তিময়ী সন্ধিয়া সখিৰ সতে
> শেৱালি সৌৰভ বুলি জগত বেহায়?"

সোণৰ কাঠিৰ পৰশত সাৰ পোৱা নতুন যৌৱনৰ বাবে বিশ্ব-সংসাৰ সুন্দৰ হৈ উঠে। চকু মেলিলে যি সৌন্দৰ্য চকুত পৰে, মুদিলে যেন মনৰ চকুত সি দুগুণে সুন্দৰ হৈ ধৰা দিয়ে। নতুন প্ৰাণত বজা প্ৰণয়ৰ সুৰেৰে প্ৰিয়াক কবিয়ে আথে-বেথে আগবঢ়াইছে যৌৱনৰ অৰ্ঘ্য। এই অৰ্ঘ্য বহুমূলীয়া মণি-মুকুতাৰ নহয়। তাতোকৈও অধিক মূল্যবান কবিৰ হিয়া ভৰা চেনেহ। তেওঁৰ উক্তি—

> "সেয়েই তুলসী মোৰ সেয়ে মোৰ গঙ্গাজল,

তাতেই দুবৰি আছে তাতে বেল পাত,
তাতেই নিতউ জ্বলে প্ৰণয়ৰ ধূপ-দীপ,
সেয়েই নৈবেদ্য মোৰ তোমাৰ পূজাত !"

এয়া যেন কবি চণ্ডীদাসৰ প্ৰেমিকা ৰামীৰ প্ৰতি থকা সুগভীৰ প্ৰেমৰেই অন্য এক ৰূপ। চণ্ডীদাসৰ বাবে সকলো আধ্যাত্মিক ক্ৰিয়া আৰু অনুভূতিৰ শেষ ফল তথা উৎস আছিল সাধাৰণী প্ৰিয়াৰ মাজত থকা অসাধাৰণ প্ৰেম। গগৈৰ ভালপোৱাত সেইদৰে প্ৰিয়াৰ পূজাৰ বেদীত জ্বলা ধূপৰ সুগন্ধ আৰু দীপৰ দীপ্তিৰ দৰে পবিত্ৰ সৌন্দৰ্যৰে শক্তিমান।

প্ৰেমৰ প্ৰথম অনুৰাগৰ সুখ আৰু সপোনেৰে ভৰা এইখিনি কবিতাত ইয়াৰ পিছতে আহি পৰিছে এক তীব্ৰ অভিমানৰ সুৰ। গৰবিনী প্ৰিয়াই কবিৰ প্ৰেমৰ পূজা গ্ৰহণ নকৰিলে। কবিৰ পবিত্ৰ অন্তৰৰ ভালপোৱাৰ এনে অৱহেলা দেখি অভিমানী কবিয়ে কৈছে যে অনাদৰে তেওঁক ব্যথিত নকৰে। একোৱেই বিপৰ্য্যয় নহয় তেওঁৰ। তেওঁৰ অন্তৰৰ গোপন দেশৰ বেদনাৰ ভাগ কাকো নিদিবলৈকে যেন তেওঁৰ এই উক্তি। প্ৰকৃততে কিন্তু কবিৰ আলসুৱা অন্তৰ দুখ আৰু অভিমানে মোহাৰি পেলাইছে—

"কলিজাৰ একোণত জ্বলিলে চিতাৰ জুই
থাকিম নিতউ তাকে অকলে ফুঁৱাই !"

এই উক্তি কি নিকৰুণ বিষাদৰ সেইকথা অলপ মন কৰিলেই বুজিব পাৰি। এই বিষাদ ভৰা অভিমানৰ ভাষাই হ'ল গগৈৰ কবিতাৰ মূল সৌন্দৰ্য।

ব্যৰ্থ প্ৰেমে কেতিয়াবা এক প্ৰকাৰ আত্ম-প্ৰবোধৰ কাম কৰে। গগৈৰ বাবেও প্ৰেমে দুখৰ মাজতে এক সান্ত্বনাৰ সৃষ্টি কৰিছে। তেওঁৰ যি প্ৰাণে প্ৰেম চিনি পালে, অথচ প্ৰেমৰ প্ৰতিদান নাপালে ; সেই প্ৰাণো তেওঁৰ বাবে বিধাতাৰ শ্ৰেষ্ঠতম দান। কাৰণ সেই প্ৰাণে অনুভৱ কৰিব পাৰিলে মানৱীয় অনুভূতিসমূহৰ ভিতৰত সবাতোকৈ শ্ৰেষ্ঠতম অনুভূতিটো। সেয়েহে ব্যৰ্থতাক ভাগ্যৰ উপহাৰ বুলি ধৰি লৈ তেওঁ দুখৰ মাজত জীয়াই থকাৰ সপক্ষে যুক্তি বিচাৰি প্ৰকৃতিৰ জগতলৈ চাইছে। প্ৰেমৰ বেদীত ধূপৰ দৰে জ্বলিছে তেওঁৰ জীৱন। সুগন্ধী ধোঁৱাৰ দৰে উৰি শেষ হৈছে সকলো সুখী অনুভৱ। বিষাদ আৰু শূন্যতাৰ মাজত মৰুভূমিৰ দৰে হাহাকাৰেৰে ভৰা নিঃসংগ বুকু লৈ কবি সম্পূৰ্ণ অকলশৰীয়া।

এই একেখিনি অনুভৱেৰে কেৱল চকু পানীৰে ভৰা কবিতা হয়তো বহুত বচিব পৰা গ'লহেঁতেন। কিন্তু গগৈৰ আছে অশ্ৰুক উদাসীনতালৈ পৰিণত কৰিব পৰা এক শক্তি। তাৰ লগে লগে এক সুতীব্ৰ অভিমান, যি অভিমানে চকুপানী উলিয়াবলৈ নিদিয়ে। কবি দুৱৰাৰ দৰে গগৈৰো বিৰহী হিয়াৰ একান্ত হাবিয়াস হ'ল কোনোবা দূৰণিৰ নিৰলাত কেৱল নিজৰ বেদনাৰ সৈতে বাস কৰাৰ। তেওঁ

বিচাৰিছে এনে এখন ঠাই, য'ত ফুল নুফুলে, ভোমোৰাই গুণ্‌জন নকৰে। সকলো সুন্দৰ বস্তুৰেই তাত অনুপস্থিত। যদি সঁচাকৈয়ে তেনে এখন ঠাই আছে, তেন্তে—

"আছে যদি তেনে ঠাই নাও খনি বাই বাই
নিতউ তালৈকে সখী উটি গুচি যাম,
পদুম নুফুলে তাত নুফুলে মালতী ফুল
তোমাৰ চানেকী আৰু তাতো নাপাম ?"

এই আত্মগোপনৰ ভাব সকলো আলসুৱা অন্তৰতে থাকে। কবি গগৈৰ আলসুৱা মনেও বেদনা সহ্য কৰিবৰ বাবে এক বিস্মৃতিৰ সন্ধান কৰিছে। মধুময় সপোনৰ দৰে পাৰ হৈ যোৱা যৌৱনৰ এচমকা মিঠা সময় এতিয়া বিষৰ দৰেই জ্বালাময়। সেই সপোনত আছিল চিৰন্তন মানৱ-প্ৰাণৰ ভালপোৱাৰ প্ৰতি থকা অকৃত্রিম হেঁপাহ। এই হেঁপাহ বৰ স্বাভাৱিক। মনৰ মাজত শুই থকা কাবোবাৰ ছবিখন দিঠকত যদি মিলি যায়, মানুহে তেতিয়া তেওঁক আপোন কৰি ল'বলৈ বিচাৰে। বিচৰা বস্তুটো নাপালে যি যন্ত্ৰণাৰ সৃষ্টি হয়, সিও স্বাভাৱিক। সাধাৰণ মানুহ এই ক্ষেত্ৰত ভাগি পৰে, কিন্তু কবিৰ বাবে দুখৰ অন্য নাম তৃপ্তি। গণেশ গগৈৰ প্ৰতিদানহীন প্ৰেমেও তেওঁক এক প্ৰকাৰ বিষাদিত আনন্দ দান কৰিছে। অতীতক পাহৰি পেলাবলৈ প্ৰয়াস কৰি তেওঁ বুকুৰ তেজেৰে ওপচা ক্ষত-স্থানৰ প্ৰতি বেছি সচেতনতাহে প্ৰকাশ কৰিছে। নিজৰ বিষাদ লৈ নিজেই মগ্ন হৈ থকাৰ এই সুকোমল বাসনা বহুতো ৰমন্যাসিক কবিৰ কবিতাৰ মাজতে দেখা যায়।

গণেশ গগৈৰ বিৰহী প্ৰাণৰ মাজত এক সুন্দৰ আশাবাদে মূৰ তুলি উঠা চকুত পৰে। দিঠকত যদিও প্ৰিয়াৰ লগত মিলন নহ'ল, প্ৰেম তেওঁৰ মূল্যবান সম্পদ ৰূপে হিয়াতে ৰৈ গ'ল। তেওঁৰ বাবে সেয়েহে প্ৰেমে ভৰা হিয়া যাৰ আছে, তেওঁ কেতিয়াও ব্যৰ্থতাৰ চিকাৰ হ'ব নোৱাৰে। তেওঁ জয়ী, তেওঁ সফল। ভগৱানৰ শ্ৰেষ্ঠ উপহাৰ প্ৰেমে মানুহৰ জীৱনত দিয়ে ব্যৰ্থতাক জয় কৰিব পৰা এক মহান শক্তি। গতিকে হিয়া ভাগিলেও মন নভগা কৰিয়ে ক'ব পাৰে,

"সেয়েহে কইছোঁ, শুনা সখি মোৰ
আমি জগতত সদায় জয়ী,
পূজিবা দেৱতা, পূজিম দেৱীক
চিৰ প্ৰেমময়, কৰুণাময়ী।
তুলসী নালাগে, দুৰৱি নালাগে,
নালাগে নৈবদ্য, নালাগে ধূপ ;
প্ৰাণৰ দাপোণ দুয়ো মেলি চাম,
একেলগে পাম দুয়োটি ৰূপ ;"

(স্বপ্নভংগ)

গণেশ গগৈৰ কবিতাৰ উপমা অন্যত পাবলৈ নাই। তেওঁৰ অনুভূতি প্ৰকাশৰ শৈলী সম্পূৰ্ণ তেওঁৰ ব্যক্তিগত প্ৰতিভাৰ নিদৰ্শন। তথাপিও কেতিয়াবা তেওঁক ইংৰাজ কবি কীট্‌ছৰ লগত ৰিজোৱা হয়। দুয়োজন কবিৰ কবিতাৰ উৎস আছিল ব্যক্তিগত প্ৰেম। প্ৰেমৰ ব্যৰ্থতাই তেওঁলোকক কবিতা লিখিবলৈ বাধ্য কৰিছিল। ব্যক্তিগত জীৱনতো প্ৰেম-জনিত আশা-নিৰাশাৰ সংঘাত দুয়োজনৰ একেই আছিল। দুয়োৰে জীৱন আছিল সংক্ষিপ্ত। কীট্‌ছৰ পঁচিশ বছৰ আৰু গগৈৰ আঠাইশ বছৰ। তেওঁলোকৰ কবিতা ঘাইকৈ ইন্দ্ৰিয়গ্ৰাহ্য সৌন্দৰ্যৰ ওপৰত প্ৰতিষ্ঠিত আছিল যদিও গণেশ গগৈৰ কবিতাত দেহৰ প্ৰেমক দেহাতীত কৰাৰ এক প্ৰৱণতাও দেখা যায়। দুখৰ জুইত দহি সোণ হোৱা মনেৰে তেওঁ উপলব্ধি কৰে,

"প্ৰেমে নিৰ্বিচাৰে বিৰহ মিলন
বিচাৰে মাথোন বুকুৰ সুৰ,
প্ৰেমৰ কামত জগত খনেই
যাউতিযুগীয়া অলকাপুৰ।"

অসমীয়া প্ৰেমৰ কবিতাৰ আৰু দুজন শ্ৰেষ্ঠ কবি দুৱৰা আৰু দেৱকান্ত বৰুৱাৰ লগতো গণেশ গগৈৰ কবিতাৰ সাদৃশ্য দেখা যায়। কিন্তু দুৱৰাৰ অতি বিষাদ আৰু দেৱকান্তৰ অহংকাৰ এটাও এওঁৰ কবিতাত নাই। এওঁৰ কবিতা চহা-প্ৰাণৰ লোকগীতৰ দৰে অনাড়ম্বৰ সৌন্দৰ্যৰে ভৰপূৰ হৈ অন্তৰৰ পৰা ওলাই আহে, নিজৰাৰ দৰে। দুৱৰাৰ দৰে দুখৰ বুকুত আত্মগোপনৰ ভাব, দূৰ-দূৰণিৰ কোনোবা নিৰলালৈ যোৱাৰ ইচ্ছা, এক সংযত মৃত্যু চেতনা—এইবোৰো গগৈৰ কবিতাত আছে। কিন্তু তাৰো অতিৰিক্ত এটি গুণে গগৈৰ কবিতাত হঠাৎ এটি চমকনি তোলে, সি হৈছে ভাগ্যৰ প্ৰতি, সমাজৰ প্ৰতি, জীৱনৰ প্ৰতি অনুভৱ কৰা প্ৰৱল ক্ষোভ আৰু অনিহাৰ ভাব, অকণো দোষ নকৰাকৈ তেওঁৰ জীৱন জ্বলি-পুৰি গ'ল, অকালতে ভাগি পৰা হিয়ালৈ অকালতে চাপি আহিল মৃত্যু, তেওঁৰ খং আৰু বিদ্ৰোহ প্ৰকাশ পাইছে এনেকৈ—

"ময়েই চিতাৰ জুই     ময়ে মৃত তাতে শুই
শেষ কৰো নিজ দেহা ভষ্ম থাকে পৰি;
তাকেই বুটলি ল'ই     পুনৰ প্ৰেতাত্মা হ'ই
শ্মশানত নৃত্য কৰো নিজ ৰূপ ধৰি।"

গনেশ গগৈ আছিল যৌৱনৰ কবি, ভৰ যৌৱনত তেওঁ কবিতা লিখিছিল আৰু যৌৱনৰ মাজ দুপৰতে তেওঁৰ জীৱনৰ অন্ত পৰিছিল। গতিকে তেওঁৰ প্ৰতিটো অনুভৱেই আছিল তীক্ষ্ণ আৰু উজ্জ্বল। যৌৱনত হৃদয়-আৱেগ প্ৰৱল হয়। যুক্তি আৰু বিবেচনা আহে অস্তমিত যৌৱনতহে। গতিকে গগৈৰ প্ৰেমৰ

কবিতা বিচাৰ কৰোঁতে মন কৰা উচিত যে এইবোৰত আৱেগৰ আতিশয্য হোৱা অতি স্বাভাৱিক। যি বয়সত জগত সুন্দৰ যেন লাগে, আকাশে-বতাহে সৌন্দৰ্য বিৰিঙি উঠা যেন লাগে, সেই বয়সৰে কবিতা এইবোৰ। সকলো নতুন যৌৱনৰ বাবে গণেশ গগৈৰ কবিতা নিজৰ একান্ত ব্যক্তিগত অনুভূতিৰ দৰে আপোন। এইবোৰ কবিতাত চিৰন্তন প্ৰেমিক-প্ৰাণৰ সপোন আৰু বেদনা পিছৰ পুৰুষলৈ এৰি যোৱা হৈছে।

## ২.৪ দেৱকান্ত বৰুৱাৰ কবিতা ঃ

অসমীয়া কাব্য সাহিত্যলৈ যৌৱন সুলভ তেজ আৰু সৌন্দৰ্য অনা প্ৰেমৰ কবিজন হ'ল দেৱকান্ত বৰুৱা। তেওঁৰ কবিতাৰ ষ্টাইল তেওঁৰ নিজস্ব, কাৰো লগতে নিমিলে। তেওঁৰ প্ৰেমিক কবি মনৰ উক্তি—

"ছন্দ গীতৰ মোৰ এই পূজা, গোপন আশাৰে
সপোন সজা ;
এয়া যে লাহৰী। তোমাক সজাই নিজৰ সুৰতে
নিজেই মজা ;"

কোনোবা লাহৰীক সজাবলৈ সুৰ তুলি সেই সুৰৰ বুকুত নিজেই মজি গৈ কবি দেৱকান্তই ছন্দগীতৰ পূজা পাতিছে। তেওঁৰ পূজাত প্ৰতিষ্ঠাৰ উলাহক তল পেলাই বাৰে বাৰে প্ৰকট হৈ উঠিছে বিসৰ্জনৰ কাৰুণ্য। কাৰুণ্য তেওঁৰ কবিতাৰ অন্তঃস্ৰোতহে, মূলভাৱ নহয়। যৌৱনৰ বিফলতাক হেলাৰঙে জয় কৰি বাস্তৱৰে সৈতে তেওঁ গভীৰ আত্মবিশ্বাস লৈ মুখামুখী হৈছে। যৌৱনৰ বেদনাই জীৱনলৈও আনিব বিচৰা বেদনাখিনিক প্ৰশয় নিদি যি দৃঢ়তাৰে তেওঁ দিঠকৰ বুকুত থিয় দিছে, তাতে তেওঁৰ পৌৰুষৰ সাৰ্থকতা আৰু সেয়ে তেওঁৰ কবিতাৰ শ্ৰেষ্ঠ আকৰ্ষণ।

দেৱকান্ত বৰুৱাৰ কাব্যধাৰাৰ উৎস কোনো এক গাভৰু ; তেওঁৰ প্ৰিয়া, সখী, লাহৰী, ৰাণী, মনোৰমা। 'হিয়াহীনা প্ৰিয়া'ই তেওঁৰ অনুৰাগ হয়তো নুবুজিলে, ফলত গগৈ, দুৱৰা, ৰায়চৌধুৰীৰ দৰে তেওঁৰো ব্যৰ্থ প্ৰেমে জন্ম দিলে কবিতাৰ। প্ৰেম ব্যৰ্থ হলেই জীৱন ব্যৰ্থ নহয় ; ৰক্ত-মাংসৰ যৌৱন কেৱল দেহাতীত প্ৰেমতেই তৃপ্ত হ'ব নোৱাৰে ; "গাভৰুৰ ওঁঠৰ লালিমা"ৰ অবিহনে জীৱন-যৌৱন দুয়োটাই অসাৰ্থক ; এইবোৰ বাস্তৱৰ চৰম সত্যক দেৱকান্তই কবিতাত ৰূপ দিলে। তেওঁৰ বাবে দেহ আৰু মন দুয়োটাই সঁচা। শাৰীৰিক সৌন্দৰ্যৰে সৈতে যোগ হৈছে প্ৰেমিকাৰ হিয়াৰ সৌন্দৰ্যই তেওঁৰ মৰু-জীৱনলৈ ৰস আনিছে। তেওঁৰ অকপট অনুভৱ,

"নিটোপল বুকু, লাটুমণি ওঁঠ
দুয়োপাৰি দাঁত ডালিম গুটি

মৰুময় মোৰ জীৱনত সখী
তুমি কবিতাৰ একোটি সুঁতি।”

তেজ-মঙহৰ সামান্য এটি পুতলা হ'লেও, “মৰতৰ মৃত্যুশীল ফুল” হ'লেও তেওঁৰ প্ৰেয়সী বিজুলীৰ ক্ষন্তেকীয়া শোভা নহয়, যৌৱনৰ অক্ষয় দীপালীহে। “নাৰী-শৰীৰৰ কামনাৰ জুইত তেওঁৰ সৌন্দৰ্যবোধৰ প্ৰকৃত প্ৰতীক বিচাৰি” কবিয়ে সাহসী যৌৱনৰ গীত গাইছে। ফলত কলঙ পাৰত মাজনিশা জগ ধৰা মনোৰমা নাইবা খোপাত বগা কৰবীৰ ফুল পিন্ধা প্ৰেয়সীৰ সৈতে তেওঁ দেহমনৰ প্ৰধান-মানো ব্যৱধান ৰাখিব বিচৰা নাই। মনোৰমাৰ নিশাহত “কোমল ঘাঁহৰ সুৰভিৰে পূৰ মৃদুল বা” আৰু জোন যেন মুখখনিৰ সপোন মায়া সনা চকুযোৰে তেওঁক কল্পজগতৰ স্নিগ্ধ প্ৰেমেই কেৱল দান কৰা নাই; দিঠকৰ নিষেধ নেওচি প্ৰাপ্যখিনি গ্ৰহণ কৰাৰ সাহসো দিছে—

“এতিয়াই যাবা ঘৰল'ই? কিয় কেনেবাকে কোনোবাই
যদি সাৰ পায়?
তুমি গোলাপৰ আজি লভিছো পৰশ প্ৰিয়া। কাঁইটৰ
শংকা মোৰ নাই।

দেৱকান্ত বৰুৱাই মনে বিচৰা প্ৰেয়সীক আজীৱনৰ বাবে পোৱা নাই। কিন্তু তাৰ বাবে তেওঁৰ কবিতাত ভগ্ন হৃদয়ৰ হা-হুতাশ ফুটি উঠা নাই। প্ৰেমিকাৰ প্ৰত্যাখানত মৰ্মাহত হৈ কবি দুৰৰাই নিজকে উপেক্ষিত বনফুল আখ্যা দিলে, গগৈয়ে “সুখৰ নহয়, দুখৰ নহয় হিয়া ভৰা চকুলোৰ” প্ৰাণৰ পাপৰি ফুলালে আৰু ৰায়চৌধুৰীয়ে এক ‘তুমি’ৰ বিৰহত সমগ্ৰ বিশ্বকে তুমিময় কৰি পেলালে। তেওঁলোকৰ হৃদয় যেন দিঠকৰ ৰূঢ়তাত ভাগি পৰিছে। আনফালে প্ৰেমৰ কবিতালৈ নতুনৰ বাতৰি বহন কৰোঁতা বংগৰ কবি জীৱনানন্দৰ কবিতাত বাস্তৱক সহজভাৱে গ্ৰহণ কৰাৰ প্ৰয়াস দেখা যায়। সুৰঞ্জনা, সুচৰিতা, বনলতা সেনৰ স্মৃতিখিনিয়েই তেওঁৰ বাবে যথেষ্ট, পোৱা-নোপোৱাৰ হিচাপ-নিকাচৰ কোনো প্ৰয়োজন নাই। তেওঁ কয়—

“হেমন্ত ঘাঁসে নীল ফুল ফোটে
হৃদয় কেন যে কাঁপে
ভালো বাসতাম স্মৃতি-অংগাৰ তাপে
তৰ্কিত কেন ৰয়েছে বৰ্তমান।”

ভালপোৱা যৌৱনৰ ধৰ্ম। কবি দেৱকান্তৰ মতে, দুদিনীয়া যৌৱনত কাৰোবাক ভালপোৱাটো এটা স্বাভাৱিক সত্য, পাপ-পুণ্যৰ উৰ্দ্ধৰ অনুভূতি।

“আমিও মৰহি যাম? অসাৰ্থক প্ৰেম মোৰ? পাপ-মাখোঁ
এই চুমাচুমি?

কি কৰিম? হক পাপ ক্ষতি নাই, মই পাম স্বৰ্গ তাতে
তুমি হ'বা তুমি।"

কবিৰ মতে সংসাৰ অনিত্য যদিও তাৰ মাজতে অন্তহীন সুখৰ খনি আছে। জীৱনত পোৱাতকৈ নোপোৱাৰ সংখ্যাই সৰহ। কিন্তু যি কণ পোৱা, তাৰো অসীম মূল্য। সঁচা-মিছাৰ মায়াজালেৰে ভৰা, পংকিলতাৰে পূৰ্ণ-জীৱন এইবাবেই আদৰণীয় যে ইয়াত আছে ওঁঠতে লগাই ওঁঠ পদুমৰ দৰে ফুটিবলৈ দুখন একেসুৰী হিয়া। হ'ব পাৰে প্ৰেমৰ আনন্দ ক্ষন্তেকীয়া। কিন্তু ক্ষণিকৰ মাজতে প্ৰেমে হৃদয়ত যি ছবি আঁকে সি কেতিয়াও মচ নাখায়। সেয়েহে—

"তোমাৰ বিয়ালৈ আৰু কেইদিন বাকী? দহদিন? মাথোঁ
দহদিন আছে?
এনে দহ নিশা, তুমি যাবা তোমাৰ বাটেদি, মই যাম
মোৰ বাটে বাটে।"

—বুলি প্ৰেয়সীৰ বিদায় পৰত দুখ পালেও আমাৰ কবি ভাঙি পৰা নাই। তেওঁৰ সমস্ত জীৱনৰ বাবে প্ৰেমে দি গৈছে এটা সম্পদ, এক অহংকাৰ—

"......মোৰ অহংকাৰ,
প্ৰথম জগালো ময়ে, তন্দ্ৰালসা গাভৰুক
মনোৰমা হিয়াৰ তোমাৰ।"

কবিৰ মানস পটত মনোৰমা নানাৰূপা। তেওঁ চঞ্চলা হৈ কবিক আহ্বান কৰে, তৰা হৈ মন আকাশত জিলিকনি তোলে, মেটেকাৰ বিহফুল হৈ বাসনাক প্ৰলুব্ধ কৰে। হিয়াহীনা সেই প্ৰিয়াই কিন্তু দেখা নাই কবিৰ সাগৰৰ দৰে নীলা বেদনাৰে ভৰা হিয়াখন। তেওঁৰ প্ৰেমত উচ্ছলতা থাকিলেও গাঢ়তা হয়তো কম। সেয়েহে কবিৰ আক্ষেপ—

"তুমি নুবুজিবা সখী!
কিনো বেদনাত
ষষ্ঠীত প্ৰতিষ্ঠা কৰা দেৱীক বিসৰ্জো আমি বিজয়াৰ
বিফল সন্ধ্যাত।"

প্ৰেয়সী বা মানসীক সবাতোকৈ শ্ৰেষ্ঠ কবি গঢ়িবলৈ কবি মাত্ৰেই প্ৰয়াস কৰে। কালিদাসৰ শ্ৰেষ্ঠতমা নায়িকা শকুন্তলা অনাঘ্ৰাত কুসুম, অক্ষত কিশলয় আৰু অবিদ্ধৰত্নৰ দৰে মোহনীয়। ওৱৰ্ডছৱৰ্থৰ লুচি, আকাশত অকলে জিলিকি থকা তৰাটিৰ দৰে সুন্দৰ। কবি দেৱকান্তয়ো গছে-বনে প্ৰিয়াৰ উপমা বিচাৰি এপাকত কৈ উঠিছে—

"যি ছাটি জোনাক দেহি আজিও পোৱাহি নাই
ধৰণীৰ ধূলিৰ পৰশ,

তুমি সেই আনন্দৰ আগমনী অনুভূতি
যৌৱনৰ প্ৰকাশ হৰষ।"

'প্ৰথমা'ত তেওঁৰ প্ৰেয়সী মূৰ্তিমতী প্ৰেৰণা। এই প্ৰেয়সীৰ বাবেই তেওঁ ছন্দ-গীতৰ পূজা পাতিছে। তেওঁ... গোটেই তেওঁৰ জীৱন বস্তি প্ৰথমা প্ৰেয়সীৰ প্ৰেমৰ বেদীতে উৎসৰ্গিত। গাভৰুৰ চকু ভৰা জুয়ে, বুকু ভৰা বাসনাই তেওঁৰ পৃথিৱীত উলাহৰ বোল সানিছিল। উৰ্দু শ্বায়ৰে প্ৰিয়াৰ আগমনত চাৰিওফালে বসন্তময় দেখাৰ দৰে কবিয়েও অনুভৱ কৰিছে—

"জীৱনত আজি প্ৰথম ফাগুণ, পলাশ ৰেণুৰে
আকাশ পূৰ।"

সেই প্ৰেৰণাৰ বাণীয়ে কবিৰ অগ্নি-বীণাত ফুলৰ ভাষা তুলিছিল, নিতে প্ৰেম সৃষ্টিৰে সৰৱ হৈ উঠিছিল তেওঁৰ হৃদয় আৰু কলম—

"তপ্ত হিয়াত উৰিল কবিৰ তৃপ্তি মেঘৰ ধৱল পাল,
নতুন প্ৰেমৰ লাজুক দৃষ্টি
আৱেগত তাৰ জাগিল সৃষ্টি
প্ৰথম পুৱাৰ হিৰণ-বৰণ-অৰুণ-কিৰণ, ইন্দ্ৰজাল।"

প্ৰেৰণাময়ী বাণী, কবিৰ কাৰণে পূজাৰ ফুলৰ দৰে পবিত্ৰ। ইৰাণ দেশৰ আঙুৰ-গোলাপ বাগ, মৰুভূমিৰ নিজান মৰুদ্যান, পাতালপুৰীৰ নিবিড় অন্ধকাৰ কতোৰেই সেই মায়াৱতীৰ বাবে উপযুক্ত স্থান তেওঁ বিচাৰি পোৱা নাই। সেই প্ৰেয়সী এফালে সুকোমল-হৃদয়া, আনফালে নিৰ্দয়া। তেওঁ জীৱন্ত কামনা। চিৰন্তনী নাৰী তেওঁ, যাৰ ওঁঠৰ লালিমাত বিহফুলীয়া বিষাক্ত হাঁহি —যাৰ আকৰ্ষণ এৰাব নোৱাৰি। 'ভায়ে ভায়ে কৰিছে সংগ্ৰাম।' তেওঁৰ উপমা কিহত নাই! চেতাৰৰ মধুৰ গুঞ্জৰণত, তৰাৰ জেউতিত, 'বুভুক্ষু দেৱতা কাম'ৰ পূজাৰ অঞ্জলিত তেওঁৰেই প্ৰকাশ। তেওঁ কোমলতাৰ অংশ, কঠোৰতাৰো অংশ, সকলোৰে সাৰভাগ লৈয়েই তেওঁৰ সৃষ্টি—

"দৃপ্তফনা কালনাগ, বিহ উগাৰত যাৰ নীলকণ্ঠ ভোলানাথ
তুমি তাৰ মণি
উৎপীড়িত বেদনাৰ চিৰন্তন বিদ্ৰোহৰ গগন উতলা কৰা
তুমি তূৰ্য ধ্বনি।"

কবিয়ে দেখে তেওঁৰ প্ৰিয়াৰ দেহ ভংগীত বিশ্বত অবৰুদ্ধ যৌৱনৰ প্ৰকাশ, "হৰিণচকুত জ্বলে বন্ধুৰ মৰণ।" ৰাঙলী ওঁঠত জ্বলে বিহসনা মউ। তথাপিও সেই পৰম আকাংক্ষিতাক কোনোমতেই এৰি থাকিব নোৱাৰি। সেয়ে তেওঁ কৈ উঠিছে—"মৰণ যাচোঁ ৰাণী তোমাৰ কমল-চৰণ চুমি।"

প্ৰেম তেওঁৰ বাবে জানি-শুনি কৰা মধুৰ ভুল, ঠিক ভুলো নহয়, "বেজাৰ দুখৰ তেজেৰে ৰাঙলী হেজাৰ ফুল।" ভগ্ন হৃদয়ক লৈ গৌৰৱ কৰাৰ ক্ষমতা খুব

কম কৰিবহে থাকে। সেই ক্ষমতা আছে দেৱকান্তৰ—

"হিয়া নিয়া আমাৰ খেমালি মাথো, ভগা হিয়া মানুহৰ
নিজস্ব গৌৰৱ
বিৰহৰ চকুপানী মৰতৰ মন্দাকিনী, প্ৰেম তাৰ
মন্দাৰ সৌৰভ।"

তেওঁৰ অনুভূতি পৌৰুষদীপ্ত প্ৰাণৰ চানেকি। কোনো কাতৰ করুণ ভাবে তেওঁৰ কবিতাক সেমেকাই তোলা নাই।

দেৱকান্ত বৰুৱাৰ প্ৰেমৰ কবিতাত আছে দেহ আৰু মনৰ যুগল বন্দনা। প্ৰেমৰ বাবেই তেওঁৰ প্ৰেম। দুদিনৰ পোৱাতেই তেওঁৰ বাবে আজীৱনৰ তৃপ্তি। নোপোৱাৰ বেদনাই দুখ দিলেও কবিক কাতৰ কৰা নাই। কোনো গভীৰ দৰ্শনে তেওঁৰ কবিতাক ভাৰাক্ৰান্ত কৰা নাই। ইয়াত আছে এক সৌন্দৰ্য কামনা। প্ৰিয়াৰ মাজত আৰু প্ৰিয়াৰ সান্নিধ্যত ধন্য হোৱা জগতত তেওঁ লক্ষ্য কৰিছে অবিৰাম সৌন্দৰ্যৰ স্ফুৰণ। এই সৌন্দৰ্যই তেওঁৰ সকলো বেদনা আৰু নৈৰাশ্যৰ ঠাইত এক আত্মতৃপ্তিৰ ভাব জগাই তুলিছে। প্ৰণয়ৰ পথত বাধা দিয়া সমাজৰ নিষ্ঠুৰ ৰীতিলৈ তেওঁৰ ৰোষ আছে যদিও সেই ৰীতিক উপেক্ষা কৰিবৰ সাহস আৰু প্ৰবৃত্তিও আছে। গতিকে দেৱকান্ত বৰুৱাৰ প্ৰেমৰ কবিতাই মনলৈ যি ভাব আনে, সি হ'ল এক পৌৰুষদীপ্ত প্ৰেমিকৰ অহংকাৰ ভৰা যৌৱনৰ প্ৰেমৰ জগতৰ বাস্তৱ অভিজ্ঞতা। এই অভিজ্ঞতা কল্পনাৰ বোলেৰে ৰঙীন আলসুৱা নহয়, দিঠকৰ মাটি আৰু বতাহৰ গোন্ধহে ইয়াত বেছি স্পষ্ট।

## ২.৫ অন্যান্য কবিৰ কবিতাত প্ৰেম ঃ

অসমীয়া কবিতাত নানা ৰূপে নানাভাৱে প্ৰেমে আত্মপ্ৰকাশ কৰিছে। মানৱ জগতৰ সবাতোকৈ সুকুমাৰ এই অনুভূতিটো ৰমন্যাসিক যুগতে অসমীয়া কবিতাত সোমাই পৰিলে। প্ৰথমৰ ফালে কবিতাত প্ৰেম আছিল ৰূপৰ বন্দনা আৰু ব্যক্তিগত হুমুনিয়াহৰ মাজতে সীমাবদ্ধ। ক্ৰমে ক্ৰমে নতুন ৰূপ লোৱা কবিতাৰ জগতখনত প্ৰেমৰ ৰূপো কিন্তু নিতে সলনি হৈছে। তাৰ মাজতে চমকলগা বুকু চুই যোৱা কবিতাও বহুত সৃষ্টি হৈছে। ইয়াৰ আগতে আলোচনা কৰি অহা তিনিওজন কবিৰ কবিতাত প্ৰেমৰ বিচিত্ৰ ৰূপ ধৰা পৰে। এওঁলোকৰ বাহিৰেও আৰু কেইজনমান কবিৰ কবিতাত প্ৰেম পৰশমণিৰ দৰে জিলিকি আছে। এই কবিতাবোৰৰ সম্যক আলোচনাৰ যোগেদি অসমীয়া কবিতাত প্ৰেমৰ ৰং-ৰূপৰ এটি আভাস পোৱা যাব পাৰে।

দুটিমান এনেকুৱা কবিতা আছে, যাৰ মাজত বিন্দুত সিন্ধু থকাৰ দৰে একোজন কবিৰ অনুভূতিৰ একোটা দিশ হঠাতে চমকি উঠে। তৰুণৰাম ফুকন আমাৰ সাহিত্য জগতত কবি ৰূপে প্ৰখ্যাত নহয়। অথচ প্ৰেমৰ কবিতাৰ মাজত জিলিকি থাকে তেওঁৰ "তোমালৈ" নামৰ কবিতাটি। কবিতাটিত প্ৰিয়াৰ ৰূপৰ প্ৰতি হেঁপাহ ভৰা ধাউতি আছে। কিন্তু সেই ধাউতি ওলাইছে বুকুভৰা মৰমৰ পৰা। প্ৰিয়াৰ ৰঙা ওঁঠত চুমা দিবলৈ ব্যাকুল হৈ পৰা তেওঁৰ বাসনা নিজেই তেওঁ দমন কৰে। কাৰণ কবিৰ ভয় লাগে, কিজানি সেই মৰমীৰ অন্তৰত আঘাত কৰে তেওঁৰ অযোগ্য ভাল পোৱাই। তেওঁৰ কথা —

"তথাপি লুকাওঁ মোৰ ভালপোৱা
কিয়নো জানানে হায়।
কিজানি তোমাৰ এটুপি চকুলো
মোৰ হন্তে বই যায়।"

দয়িতাৰ প্ৰতি থকা এই সুগভীৰ সুভকামনা প্ৰেমৰ এক মহত্ত্বৰ ৰূপ। বেজবৰুৱা আৰু চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতা আছিল ৰমন্যাসিক গুণেৰে ভৰপূৰ। ৰমন্যাসিক কবিতাত প্ৰেম এক মুখ্য অংগ। এই প্ৰেম সপোন আৰু কল্পনাৰ বোল সনা কবিৰ দৃষ্টিত অপৰূপভাৱে ধৰা পৰে। সকলো সুন্দৰ বস্তুত তেওঁলোকে দেখা পায় প্ৰিয়াৰ সাদৃশ্য, নিজৰ জীৱনৰ পূৰ্ণতাত অথবা যৌৱনৰ ব্যৰ্থতাত তেওঁলোক অতিশয় উদ্বেলিত হয় অথবা অত্যন্ত ভাগি পৰে। মানসী-প্ৰিয়াৰ ৰূপ-ধ্যান এই সময়ৰ কবিতাৰ প্ৰধান বৈশিষ্ট্য।

ৰমন্যাসিক কবিতাত প্ৰেমৰ ভূমিকা কেৱল সুন্দৰ কবিতা সৃষ্টি কৰাত। ব্যক্তিগত উচ্ছ্বাস ইয়াত, কবিতাৰ প্ৰয়োজনত আনি লোৱা হয়। প্ৰেমৰ কবিতা লিখাতো যিহেতু এটা প্ৰচলিত ৰীতিতে পৰিণত হৈছিলগৈ গতিকে কবিসকলে প্ৰেম আৰু প্ৰেমিকাৰ বিষয়ে কষ্ট-কল্পিত বিষয়েৰে অসংখ্য কবিতা লিখিছিল; ইয়াত ব্যক্তি প্ৰাণৰ বাতৰি আছে, কিন্তু সঁচা অনুভূতি নাই। দুৰৰা, গণেশ গগৈ আদি কেইজনমান কবিৰ কথা অৱশ্যে বেলেগ। তেওঁলোকৰ মনৰ গোপন দেশৰ একান্ত আপোন বতৰাও কবিতাৰ মাজত প্ৰকাশিত হৈ সাৰ্বজনীন আবেদন লাভ কৰিছিল, বাকীসকল কবিৰ কবিতাত এক বিক্ষিপ্ত চিন্তা-ছায়া প্ৰতিফলিত হয়। তেওঁলোকে শোকৰ কবিতা, প্ৰকৃতি বিষয়ক কবিতা, আধ্যাত্মিক ভাবৰ কবিতা ইত্যাদি নানা ভাবৰ কবিতা লিখিছিল। প্ৰেম তাৰ মাজত এটি ৰেওণি মাথোন। সেই সময়ৰ কবিতাবোৰ পঢ়িলে দেখা যায় মানসী প্ৰিয়াৰ ৰূপ ধ্যান আৰু মিলনৰ ক্ষণটোলৈ কৰা প্ৰতীক্ষা এইবোৰৰ মূল বৈশিষ্ট্য। তেনে ভাবৰে এটি ভাল কবিতা আনন্দ চন্দ্ৰ বৰুৱাৰ "ভাবী প্ৰিয়া" কবিতাটো যেন চিৰকালৰ সকলো যুৱকৰ একোটা বয়সৰ প্ৰাণৰ কথা। ইয়াত আছে—

"কোন তুমি কেনি আছা ক'তেৰা লুকাই
মাজে মাজে মাৰিছা ভুমুকি ?
নেদেখি দেখিছো যেন, নুশুনি শুনিছো
তোমাৰেই দীঘলীয়া উকি !"

আৰু আছে,

"মানস মাধুৰী মোৰ মাধৰী মূৰতি
কোনে জানে কেনি আছা প্ৰিয়া
তোমাৰ সুৰতে বাজে মধুৰ বাঁহীটি
তোমাতেই নাচে মোৰ হিয়া।"

"মানসী" নামৰ কবিতাটোত প্ৰায় একে কথাকে কৈছে অতুলচন্দ্ৰ হাজৰিকাই,

"মানসী মোৰ প্ৰেয়সী মোৰ সপোনৰ প্ৰিয়া
অৰূপত তোমাৰ ৰূপ বিচাৰি বিয়াকুল হিয়া।"

একেধৰণৰ ভাবেৰে দুটামান ভাল কবিতা লিখিছিল সিদ্ধেশ্বৰ গোহাঁয়ে। অপেক্ষাৰ মধুৰতম সময়বোৰক লিৰিকি-বিদাৰি পোৱা আনন্দৰ বহুতো কবিতা আছে। যি সময়ত যৌৱনৰ বা লগা মন সপোনৰ দেশত উটি ভাঁহি ফুৰে, সেই সময়ৰে কবিতা এইবোৰ। অনুভূতি কেতিয়াবা পাৰ বাগৰি যায়, কল্পনাই বিচাৰি নাপায় উপযুক্ত ভাষাৰ মাধ্যম। তেনেকুৱা ক্ষণৰ কিছুমান কবিতাত উন্মাদ বাসনাৰ স্থূলতাৰ বাহিৰে বিশেষ সৌন্দৰ্য চকুত নপৰে। মুনীন্দ্ৰনাথ বৰকটকীৰ কবিতাত তেনেবোৰ সময়তে পোৱা যায় কামনাৰে ভৰপূৰ এনেকুৱা একোটা স্তৱক—

"আবেগ নহয় ভাব নহয়
আজি আমাৰ সঁচা-সঁচি
বুকুৰ মিলন বিয়া
লাজ নোহোৱা কাজ নোহোৱা
প্ৰিয়ৰ বুকুত প্ৰিয়া
ভাবৰ নহয় ভাষাৰ নহয় দেহৰ দেহত বিয়া।"

প্ৰেমৰ নামত স্থূল কামনাৰ বন্দনা দেখা যায় ফণীন্দ্ৰ তালুকদাৰৰ "প্ৰাণৰ কথা" নামৰ কবিতা এটিত—

"নাই তাত বাধাৰ এডালি চুলি
দেহাটি আৱৰি নাই ফটাকানি এডুখৰি
নাই তাত ভাষাৰ কঁঠুৱা বুলি
নাই মান-অভিমান, সৰু-বৰ-মই-তুমি।"

আছে তাত,—

আছে তাত প্ৰাণ

যৌৱনৰ অপূৰ্ব স্ফুৰণ"
বাসনাৰ উন্মাদ নৰ্তন।"

প্ৰেমৰ সৰগী ৰূপত মৰতৰ ধূলি লগোৱা এইবোৰ কবিতা ৰমন্যাসিক সাহিত্যৰ লক্ষণৰ পৰা দূৰত, আধুনিকতাৰ ফালেহে ইহঁতৰ পদক্ষেপ।

বিৰহৰ কবিতাৰ সৌন্দৰ্য আৰু আকৰ্ষণ সদায়ে বেছি। কবিসকলে সেয়েহে হয়তো নিজৰ ভগা হিয়াখন লৈ অথবা প্ৰিয়াৰ উদাসীনতাক লৈ কবিতা লিখিবলৈ ভাল পাইছিল। অৱশ্যে দুৱৰা আৰু গগৈৰ বিৰহী প্ৰাণৰ হাহাকাৰেৰে ভৰা কবিতাবোৰো এইবোৰৰ প্ৰেৰণাৰ উৎস হ'ব পাৰে। উপকৰা দৃষ্টিত চালে কবিতাবোৰত নতুনত্ব নাই। একে ভাব, ভাষা আৰু ছন্দৰীতিৰ একেধৰণৰ বান্ধোনেৰে এইবোৰে একোটা গতানুগতিক সোৱাদ দিছিল মাত্ৰ। এনে ধৰণৰ কবিতাৰ মাজত নিমজ আৰু গুৱলা আছিল শশীকান্ত গগৈৰ কবিতা। অতীতৰ স্মৃতি আহি কঁপাই পেলোৱা মনেৰে তেওঁ কৈছে—

"সেইদিন সেইক্ষণ যদিও পূৱণি সখি
মোৰ হ'ল জীৱনৰ গান ভাষাহীন;
কিবাদৰে মচি দিম যৌৱন তেজেৰে মোৰ
হৃদয় তলিত অকাঁ ভালপোৱা চিন।"

প্ৰেমৰ এই সুকুমাৰ ৰূপৰ লগত দেহজ কামনাৰ মিশ্ৰণ ঘটিলেও তাৰ ফলত প্ৰেমৰ গাঢ়তা হ্ৰাস পোৱা নাই। তাতেই প্ৰেমৰ কবিতাৰ বৈশিষ্ট্য।

প্ৰিয়াৰ প্ৰতি অংগৰ ভিতৰত চকুযোৰতেই বোধকৰো মোহিনী সবাতোকৈ বেছি। হৰিণ-নয়না প্ৰিয়াৰ চকুযোৰৰ মাজত সীমাহীন সপোন আৰু কল্পনাৰ উৎস। ৰবকাকতিৰ কবিতাৰ মাজত তাৰেই মনোৰম প্ৰকাশ—

"মনে যাক চিনে চকুৱে চিনায়
সেইহে হ'বলা
তোমাৰ চকুত
ইমান মউ,
বতাহ হ'লেই নুফুলেতো ফুল
বসন্তৰ বা
লাগিলে ফুলৰ
উঠে যি ঢৌ।"

মহিদুল ইছলাম বৰাৰ 'চেনেহী' কবিতাত প্ৰিয়াৰ চকুত ভাষাক সৰ্বনাশী ৰূপ দিয়া হৈছে — "চেনেহী চকুৰ এটি কটাক্ষতে হাজাৰ প্ৰেমিক মৰে।" আব্দুল মালিকৰ কবিতাত আছে "হাবিৰ হৰিণী দৰে মোহৰ মদিৰা সনা নীলা

চকুযোৰ"ৰ কথা। সিদ্ধেশ্বৰ গোহাঁইৰ "প্ৰিয়তমা" কবিতাত সহজ-সৰল চকুৰ চাৱনিৰ মাজত গভীৰ আস্থা বিচাৰি পোৱাৰ শান্তি ফুটি উঠিছে—

"একেটি চাৱনি দেৱী তোমাৰ চকুৰ
নাই তাত কুটিলতা সনা
নিভাজ সৰল প্ৰীতি নিৰলে ওপচা
তুলনাত বিশ্ব হাৰমনা।"

ৰমন্যাসিক যুগৰ প্ৰথমৰ ফালে বেজবৰুৱাৰ কবিতাত প্ৰেমৰ যি আলসুৱা বন্দনা দেখা গৈছিল, হেমচন্দ্ৰ গোস্বামীৰ কবিতাত যি "হেঁপাহৰ ভোটাতৰা জ্বলা" হৃদয়ৰ উমান পোৱা যায়, পিছৰ কাললৈ সি কিছু স্তিমিত হৈ পৰিছিল। নিৰলাত বহি নিজৰ লগত কথা পাতি বা বিদায়-বেলাত প্ৰিয়াৰ লগত আধাফুটা মাতেৰে পতা কথাবোৰ সুঁৱৰি কবিসকলে বেছি ভাল পোৱা হৈছিল। দুখী কবিয়ে দেখিছিল ৰূপে-ৰসে ভৰপূৰ আনন্দময় পৃথিৱীত নিজ হৃদয়ৰ শূন্যতা। সেয়েহে ডিম্বেশ্বৰ নেওগৰ "প্ৰণয়ৰ অৱশেষ"ত আছে —

"মধুৰ মাধৱী মাহ কেউপিনে প্ৰেমানন্দ
বতাহত উঠে আজি কীচক কাকলি
মোৰ কিন্তু বাঁহী মাত কাঁহ পৰি জীণ যোৱা
চকুৰ আগত দেখো ধুঁৱলি-কুঁৱলী।"

প্ৰিয়াৰ লগত সম্পৰ্কযুক্ত সকলো বস্তুতে মাদকতা বিচাৰি পোৱাটো প্ৰেমিকৰ স্বভাৱ। সহজ-সৰল ভাষাত মন চুই যোৱা সুৰেৰে তেনে এক অনুভৱকে দাঙি ধৰিছে "সোণটিহঁতৰ ঘৰ"ত কবি আনন্দচন্দ্ৰ বৰুৱাই এনেদৰে—

"সৌটি বেঁকা বাটৰ মূৰত সোণটিহঁতৰ ঘৰ,
তাৰে, দুৱাৰমুখত বহি থাকে সোণটি মৰমৰ।
সন্ধ্যা দেখোঁ সোণটিহঁতৰ চোতাল আগৰ জুই,
ত-তয়াই জ্বলি থাকে মোৰে মৰম ছুই।
সামাজিকত দেখি তাকে হেৰায় মনৰ থৰ,
একে মনৰ মানুহ আকৌ কিহৰ আপোন-পৰ?"

প্ৰেমে যেতিয়া দেহৰ স্তৰ এৰি এক অতিন্দ্ৰীয় স্তৰলৈ গতি কৰে, তেতিয়া তাৰ মহিমাময় জ্যোতিত বিশ্ব-জগত উদ্ভাসিত হৈ উঠে। প্ৰেমিকাৰ তুচ্ছ শৰীৰৰ পৰা প্ৰেমে গতি কৰে সুবিশাল পটভূমিলৈ। তাৰ সুন্দৰ উদাহৰণ ৰায়চৌধুৰীৰ মনোৰম কাব্যগ্ৰন্থ "তুমি"ৰ অন্তৰ্গত কবিতাসমূহ।

প্ৰেমৰ কবিতাৰ এইখিনি সময়ত মহিলা কবিৰ অৱদান বিশেষ চকুত নপৰে। যি সময়ত পুৰুষ কবিয়ে "মাজনিশা আহিবা লাহৰী" জাতীয় কবিতা লিখিছিল, সেই সময়ৰ সামাজিক পটভূমিত মহিলা কবিৰ বাবে মুকলি প্ৰেমৰ কবিতা লিখা সম্ভৱো নাছিল। তেওঁলোকে সেই প্ৰেম সঁপি দিছিল ভগৱানৰ চৰণত। কেতিয়াবা কোনোবা কাহিনী-নায়িকাৰ মাজেদিও প্ৰেমৰ মনোৰম

উক্তিৰ প্ৰকাশ ঘটোৱা হৈছিল, যমুনেশ্বৰী খাটনিয়াৰৰ 'উষা-কুঁৱৰী' কবিতাত যুৱতী উষাৰ মনোবেদনা প্ৰকাশ পাইছে এইদৰে—

"কুলি মাতে মিঠা মনে লাগে বেথা ভাৱৰে বাগৰে ঢউ
কাহানি আহিনো কুমাৰে দিবহি ওঁঠতে চুমাৰে মউ।
ঈশ্বৰে কপালে কি লেখ লেখিলে, মনতে বিৰহ লই
সপোনৰে মোৰ হিয়াৰ মাণিক কাহানি দেখিম অই।"

পিছৰ কালত মহিলা কবিৰ সংখ্যা যেতিয়া বাঢ়ি আহিল, কবিতাৰ ধাৰাও যেতিয়া ক্ৰমে ক্ৰমে সলনি হ'ল, তেতিয়া কিন্তু বহুতো সুন্দৰ প্ৰেমৰ কবিতা মহিলা কবিৰ কলমৰ পৰাই ওলাবলৈ ধৰিলে। সেই প্ৰসংগ পিছলৈ আছে।

নতুন কবিতাতো প্ৰেম এক আদৰণীয় বিষয়। প্ৰতীকময় ভাষাৰে প্ৰকাশ কৰা এইবোৰ কবিতাত শামুকৰ বুকুৰ মুক্তাৰ দৰে প্ৰেম সোমাই থাকে আৱৰণৰ মাজত। নতুন কবিতাৰ চিন্তাধাৰা বিক্ষিপ্ত, তদুপৰি কবিতা সুলভ "কোমলতা" এইবোৰৰ পৰা আপাত দৃষ্টিত বহুত দূৰত। কবিসকলৰ সমুখত এখন বিশৃঙ্খল আৰু সমস্যাৰে ভৰা জগত। সেই জগতৰ প্ৰতি তেওঁলোকৰ দায়িত্বও অধিক। গতিকে ব্যক্তিগত প্ৰেমৰ কথা কোৱা মানে, একাংশ কবিৰ কাৰণে সংকীৰ্ণ চিন্তাৰ কথা কোৱা। কবিসকলে বহু ওপৰৰ স্তৰৰ কথা কয়, নিজা প্ৰেমৰ পূৰ্ণতা অথবা ব্যৰ্থ প্ৰেমৰ হাহাকাৰ তেওঁলোকৰ বাবে ক্ষুদ্ৰ সমস্যা। গতিকে নতুন কবিতাৰ বুদ্ধিদীপ্ত বক্তব্যৰ মাজত প্ৰেমৰ স্থান প্ৰথমৰ শাৰীতে নাই, যি দৰে আছিল ৰমন্যাসিক কবিতাত।

কিন্তু এই চিৰন্তন অনুভূতিটো কবিসকলে সম্পূৰ্ণ অস্বীকাৰ কেতিয়াও কৰা নাই। যান্ত্ৰিক যুগৰ কোলাহলে প্ৰেম-পখীৰ কাকলি তল পেলাব পৰা নাই। কবিসকলৰ কলমৰ ইংগিতময় ভাষাত চিৰন্তন মানৱ-প্ৰাণৰ আদিমতম সুকুমাৰ এই অনুভূতিটো মাজে মাজেই প্ৰাণ পাই উঠিছে। হেমবৰুৱা, নৱকান্ত বৰুৱা, হৰিবৰ কাকতি, হীৰেন ভট্টাচাৰ্য, নিৰ্মলপ্ৰভা বৰদলৈ আৰু পিছৰ কালৰ তৰুণ কবিৰ কবিতাত প্ৰেমৰ স্নিগ্ধ জোনাক মাজে মাজে বিৰিঙি উঠে, সেই আলোচনা অন্য ঠাইত আছে।

খুব চমুকৈ ক'বলৈ গ'লে নতুন কবিতাত প্ৰেম কেতিয়াবা ৰঙীন-মদিৰ আৰু কেতিয়াবা উকা, আভৰণহীন দিঠকৰ অনুভূতি। কবিৰ চকুত কল্পনাৰ কাজল যি দৰে থাকে, ধূলিভৰা পৃথিৱীৰ প্ৰতি সঁচা দৃষ্টিভংগীও সেইদৰে থাকে। এই প্ৰেম সেয়েহে সঁচা মানুহৰ বাস্তৱ অনুভূতিৰ প্ৰতিফলন।

॥ তৃতীয় অধ্যায় ॥

# অসমীয়া কবিতাত প্ৰকৃতিৰ ৰং ৰূপ

## ৩.১ অসমীয়া কবিতাত বৰ্ষা-বন্দনা :

কবিৰ বাবে সবাতোকৈ আমেজভৰা ঋতু হ'ল বৰষা। বৰষুণৰ ৰিমঝিম শব্দ শুনি, ধুমুহাত হালি-জালি থকা বিৰিখৰ নাচোন চাই, ক'লা মেঘৰ গাত জিলিকি থকা বগলিৰ ৰেখা চাই অ-কবিৰ প্ৰাণতো কবিতাই গোখা মেলিব খোজে। গতিকে এনেটো ঋতুক লৈ যে নানা কবিতা ৰচিত হ'ব, তাত সন্দেহ নাই। পৃথিৱীৰ সকলো দেশৰ কবিতাতে বৰ্ষা এক প্ৰধান বিষয়। মেঘৰ ক'লা বুকুত কবিসকলে যুগে যুগে বিচাৰি পায় অন্তহীন ৰহস্য আৰু প্ৰেৰণাৰ উৎস। কালিদাসৰ 'মেঘদূত'ৰ সৌন্দৰ্যৰ কথা প্ৰতিজন কবিতাপ্ৰেমীয়ে হৃদয়েৰে অনুভৱ কৰে। ৰবীন্দ্ৰনাথৰ কবিতাতো আছে মেঘৰসংগী হৈ নিঃসীম নীলিমালৈ উৰি যাবলৈ থকা কবি-প্ৰাণৰ বাসনাৰ কথা। অসমীয়া কবিতাত বৰ্ষাৰ মাদকতাভৰা আমেজ বেছি স্পষ্ট নহয় যদিও ই হ'ল কবিতাৰ এক প্ৰিয় বিষয়। তাতোকৈ কোৱা ভাল বিষয়ৰ পটভূমি। বৰ্ষাকালত কবিৰ কল্পনাই ডেউকা মেলে। সেই ডেউকাৰে উৰি নানা অনুভূতি নানা সপোনৰ সমল তেওঁলোকে গোটাই লয়। বৰ্ষাৰ কবিতাবোৰত তাৰে প্ৰতিফলন দেখা যায়।

অসমৰ চিৰকালৰ শ্ৰেষ্ঠ কবি শংকৰদেৱৰ ৰচনাত বৰ্ষাৰ এক মনোৰম ছবি পোৱা যায়। একে ধৰণৰ ছবি পোৱা যায় মাধৱকন্দলিৰ ৰামায়ণৰ মাজত। দুয়োঠাইতে বৰ্ষাৰ ছবি সুস্পষ্ট। শংকৰদেৱৰ ৰচনাত ই বলিষ্ঠভাৱে বাস্তৱৰ প্ৰতিফলন ঘটাইছে, কিন্তু কন্দলিৰ ৰচনাত ই সংক্ষিপ্ত আৰু যথাযথ। শংকৰদেৱৰ 'দশম'ত আছে এনে বৰ্ণনা—

"বিদ্যুত সঞ্চাৰে চণ্ড বতাসে চঞ্চল।
নিৰন্তৰে মেঘগণ বৰিষিল জল।
খাল বাম ভৰি ভূমি ভাগি বৱৈ জান।
যেন মহা মহন্তে দুখীক দিলা দান॥"

এই বৰ্ণনাত কাব্যিক সৌন্দৰ্যতকৈও মূল বিষয়ৰ গুৰুত্ব বঢ়োৱাতহে বেছি গুৰুত্ব আৰোপ কৰিছিল। কন্দলিৰ ৰামায়ণৰ সমগ্ৰ অংশবোৰেই ৰূপ আৰু ৰসেৰে ভৰা। ভাষা আলংকাৰিক। কন্দলিৰ ভাষা বৰ্ণনো সেইবাবে অধিক মনোগ্ৰাহী। কিন্তু বৰ্ষাকালৰ প্ৰসংগত তেওঁ বিস্তৃত বিৱৰণৰ মাজলৈ নগৈ কেৱল বৰ্ষাৰ উপকাৰী দিশৰ কথাহে কৈছে—

"যেৱে অঙ্গদেশে আসি ভৈলন্ত প্ৰৱেশ।
তেৱে জল বৃষ্টি মেঘে কৰিলা অশেষ॥
ভৈল শস্য সম্পূৰ্ণ ৰাজ্যত নিৰন্তৰ।
নানা ভোগ ভুঞ্জি সুখী ভৈল সবে নৰ॥"

এই বৰ্ণনা চমু হ'লেও অৰ্থবহ।

সেয়া আছিল পুৰণি কবিতাৰ কথা ঠিক যি সময়ৰপৰা আমি প্ৰকৃত অৰ্থত

অসমীয়া কবিতাৰ ইতিহাস বিচাৰ কৰোঁ, সেই সময়তে লগ পোৱা এজন কবি হ'ল ভোলানাথ দাস।

দাসৰ 'মেঘ' কবিতাটো এই ইতিহাসৰ নিচেই প্ৰথমৰ ফালৰ এটি ভাল কবিতা। কবিসকলৰ বাবে মেঘ অপাৰ ৰহস্য আৰু বিস্ময়ৰ উৎস। সেয়ে বিৰহী প্ৰাণৰ বেদনা বৃদ্ধি কৰে। কিন্তু কবিয়ে অনুভৱ কৰে, মেঘৰ মাজতো আছে সীমাহীন বিষাদ। হেমচন্দ্ৰ গোস্বামীৰ 'সংসাৰত সুখ নাই' কবিতাৰ মাজত মেঘৰ দুখী হৃদয়ৰ বাতৰি এনেদৰে দিয়া হৈছে—

"সেইয়ে দেখিছা মেঘ, আকাশে আকাশে,
প্ৰিয় বিজুলীক লৈ ভ্ৰমিছে উল্লাসে।
ভাবানে তুমি মনত,
সুখী মেঘ সংসাৰত।
মেঘৰ সমান দুখী নাই জগতত,
জ্বলিছে শোকৰ জুই মেঘৰ বুকুত।
নহলে কি এইদৰে
গগন ফালি চিয়ঁৰে
কান্দি কান্দি ধাৰাসাৰে পানী হৈ যায়।
মেঘৰ অন্তৰে ভাই তিল সুখ নাই।"

মেঘৰ দুখত কাতৰ হোৱা কবিৰ মনৰ কথা ফুটি উঠাৰ লগে লগে কিছুমান কবিতাত মেঘৰ মাতত ময়ূৰৰ দৰে নাচি উঠা মনৰো বতৰা আছে। কিন্তু বেছিভাগতে এই বতৰা সংযত আৰু চমৎকাৰ সুখানুভূতিৰ পৰিচায়ক। কবিৰ আপোন প্ৰাণৰ গোপন কথাৰ বাতৰি পিছৰ কালৰ কবিতাতহে বেছি জিলিকি উঠিছে। প্ৰথমৰ ফালৰ কবিসকল বৰ্ষাৰ প্ৰাণময় ছবি এখন আঁকাত বেছি ব্যস্ত আছিল। প্ৰকৃতি কবি ৰঘুনাথ চৌধুৰীয়ে 'বৰ্ষা' নামৰ কবিতাত বৰ্ষাৰ বন্দনা কৰিছিল এইদৰে—

"স্নিগ্ধ জলধাৰা ঢালি ধাৰাসাৰে
জুৰোৱা তটিনী প্ৰাণ,
তৃষ্ণাতুৰ প্ৰাণ প্ৰিয়া চাতকক
কৰা প্ৰেমামৃত দান
মৰু প্ৰান্তৰৰ শ্ৰান্ত পথিকৰ
তুমিয়েহে পান্থ তৰু
কৰা সঞ্জীৱিত তৃষিত জনৰ
দগধ হৃদয় মৰু।"

নীলমণি ফুকনৰ কবিতাৰ মাজত সুন্দৰ-সন্ধানৰ যি এটি তীব্ৰ আকাংক্ষা দেখা যায়, সি তেওঁৰ কবিতাক সুকীয়া বৈশিষ্ট্য প্ৰদান কৰিছে। সকলো সুন্দৰ আৰু

প্ৰাণময় বস্তুৱে তেওঁৰ বাবে সুন্দৰৰ ইংগিত দিয়ে। ঘোৰ বাৰিষাৰ উপচি পৰা জুৰিটি যেতিয়া নদী অভিমুখে বৈ যায়, কবিয়ে অনুভৱ কৰে—সেয়া যেন সুন্দৰৰ সন্ধানতহে আগবঢ়া প্ৰকৃতিৰ প্ৰাণ। একেদৰে ৰায়চৌধুৰীয়ে দেখিছে বৰ্ষাৰ ভৰপূৰ নৈৰ মাজত চিৰসুন্দৰৰ মোহন ৰূপৰ অপৰূপ প্ৰকাশ,

"তুমি দুকাষে উপচি পৰা
বাৰিষাৰ ভৰপূৰ নৈ;
কিমান তৰঙ্গ তুলি
মিলি পৰা সাগৰত গৈ,
অন্তৰৰ আনন্দত
তুলি কত হাঁহিৰ লহৰি
সাৱটি সকলোটিকে
বই যোৱা বাগৰি বাগৰি"

অতুলচন্দ্ৰ হাজৰিকাৰ বৰ্ষা বৰ্ণন মহত্তম চিন্তা বা মনোৰম সৌন্দৰ্যৰে ভৰপূৰ নহ'লেও তাত অসমৰ বাৰিষাৰ এক জীৱন্ত ৰূপ দেখা যায়। তেওঁ দেখিছে—

"ভৰি গ'ল বিল-খাল, বাৰী ঘৰ একেকাৰ,
বানপানী হ'ল ৰাণী, দশোদিশে হাহাকাৰ।
নাচি উঠে নদ-নদী বাঢ়ি যেনে ফুটোকাৰ
বুঢ়া লুইতবো পাত যৌৱনৰ সাজপাৰ।"

......আৰু মেটেকা ফুলেৰে সুসজ্জিতা হৈ উঠা প্ৰকৃতিৰ ৰূপ তেওঁ প্ৰত্যক্ষ কৰিছে। তেওঁ অনুভৱ কৰিছে—

"মেঘৰ ডম্বৰু বাজে হিৰ্ হিৰ্ গিৰ্ গিৰ্
দেওধনী বেশভূষা অপৰূপা প্ৰকৃতিৰ।"

এনেবোৰ যথাযথ চিত্ৰময় বৰ্ণনাই বৰ্ষাৰ প্ৰকৃত আমেজ আনিব নোৱাৰে। এই আমেজ আৰম্ভ কৰিলে পিছৰ কালৰ নতুন কবিসকলে। প্ৰথমতেই দেৱকান্ত বৰুৱাৰে যোধকৰো ইয়াৰ আৰম্ভ কৰিলে। তেওঁৰ উপমাবোৰ সদায়ে অভিনৱ। সেয়েহে প্ৰিয়াৰ তীব্ৰ সুন্দৰ আকৰ্ষণৰ কথা তেওঁ এনেকৈ কৈছে—

"আগবাৰিষাৰ বতাহৰ দৰে বা ধিৰ ধিৰ
তোমাৰ হাঁহি
উলাহত তাৰ নাচিছে কজাং বিয়মেটেকাই
মেলিছে পাহি,"

বাৰিষাৰ মাজত থকা সৃষ্টি আৰু ধ্বংসৰ দুই বিপৰীতমুখী শক্তিক তেওঁ যেন

নাৰীৰ মাজত বিচাৰি পাইছে।

বাৰিষাৰ ৰাতি মায়াময়। অন্য সময়ত মনত নপৰা বহুতো আলসুৱা অনুভৱ বাৰিষাৰ ৰিম্ ঝিম্ বৰষুণে ভৰা ৰাতিবোৰত সহজে মনত সোমাই পৰে। তেনে অনুভৱৰে এক স্বাক্ষৰ নৱকান্ত বৰুৱাৰ এইটি স্তৱক,

"বাৰিষাৰ ৰাতি তোমাৰ কবিক
মনত পৰেনে, অৰুন্ধতী?
সেমেকা পোহৰে সোঁৱৰাই দিয়া
তোমাৰ খোপাৰ আবেলি-আবেলি গোন্ধ
মনত পৰেনে,
অৰুন্ধতী!"

মহেন্দ্ৰবৰাৰ বাৰিষাৰ মাজত ইমান স্বপ্নৰ মদিৰতা নাই যদিও তেওঁৰ মনৰ এক ৰমন্যাসিক উচ্ছ্বাস ফুটি উঠা চকুত পৰে—

শাওণৰ ৰাতিপুৱা
এইটো বাটতে থাকে থুপ খাই এথোপা কজলা মেঘ
বিজুলীয়ে আঁকে তাতে একোবাৰ চিকণ সোণৰ ৰেখা
লাহে লাহে নামি আহে পকোৱা মেঘৰ সূতা
কিন্ কিন্ চিপ্ চিপ্ ওৰেদিন নামে বৰষুণ
উলাহতে ভেকুলীয়ে ঘনেপতি সোধে আকাশক
দিবা নেকি দিবা নেকি বৰষুণ আকৌ এজাক
নাইনে চিনাকি বাৰু এইটো বাটৰ সতে
উপচি পৰেহি য'ত আকাশৰ সোলোকা খোপাৰ চুলি
পিছল এইটো বাট কজলা এইটো বাট এখন গাঁৱৰ।"

চিনাকি গাঁৱৰ চিনাকি বাৰিষাৰ এই মোহময় ছবিখনিৰ বিপৰীত এক আভাস পোৱা যায় কবি ৰাম গগৈৰ পথাৰৰ মাজত। বাৰিষাৰ উত্তাল নাচোনত সৌন্দৰ্যৰ লগে লগে আছে ধ্বংসৰ মহামেলা। সৃষ্টিয়ে প্ৰাণ পায় বাৰিষাৰ পৰশত, মৃত্যুৱেও ৰূপ পায় বাৰিষাৰ হাতবুলনিত। বৰষুণৰ ৰুণ্-জুন নেপুৰধ্বনি যেতিয়া পাৰ ভঙা পানী হৈ বৈ আহে, তেতিয়া ধূলিত লুটি খাই পৰে কৃষকৰ সোণৰ সপোন। তাৰ কাব্যিক ছবি—

"ক্ৰূৰ স্পৰ্শ ঃ ফেনিল উত্তাল তৰংগ বাজি
বুকুৰ সেউজী সপোনটোকে কাঢ়ি লৈ যায়
বাধা নাই, অবাধে আহিল আৰু গ'ল।
তেতিয়া মই কান্দো, সি আৰু পথাৰেও
ইনাই-বিনাই কান্দে।"

বৰ্ষাৰ এই নিদাৰুণ ৰূপৰ আভাস ৰবীন্দ্ৰ সৰকাৰৰ কবিতাতো আছে।

সকলোৰে বাবে বৰ্ষাই নানে মিঠা সৌৰৱণৰ আমেজ, আনে বহুতো জটিল সমস্যা। তেনে এক ব্যক্তিৰ হৈ কবিয়ে কৈছে—

"বৰ্ষামুখৰ ৰাতি তেওঁৰ মনলৈ
অৰুন্ধতীৰ স্মৃতি নাহিল। উকখা পঁজাটোৰ বাবে
বাৰে বাৰে ঘৰৰ মালিক ঈশ্বৰক
গালিহে পাৰিলে।"

বৰ্ষাৰ কবিতাবোৰৰ মাজত জিলিকি আছে নিৰ্মলপ্ৰভা বৰদলৈৰ গীতৰ এইকেইশাৰী—

"বৰ্ষাৰ ঋতু ভাল পাওঁ মই
প্ৰতিশ্ৰুতি আছে তাত
সেউজী বৰণ ইয়েই সানে
শুকান গছৰ গাত।"

গীত হ'লেও কবিতাৰ গুণগত মূল্যৰে এইখিনি মূল্যবান। বৰ্ষাৰ ধ্বংসলীলাৰ মাজত থকা প্ৰতিশ্ৰুতিৰ কথা ইয়াত বৰ সুন্দৰকৈ কোৱা হৈছে। ধ্বংসৰ মাজত সৌন্দৰ্য অথবা প্ৰাণ প্ৰাচুৰ্য বিচাৰি পাবলৈ হ'লে থাকিব লাগিব তীব্ৰ অন্তৰ্দৃষ্টি সম্পন্ন এযোৰ মনৰ চকু। তেনে চকু আছে কবি হীৰেন ভট্টাচাৰ্যৰ। আপাতদৃষ্টিত নিঠুৰ আৰু ভয়াবহ বাঢ়নি পানীৰ মাজত কবিয়ে পাইছে কবিতাৰ কি অপূৰ্ব সমল! 'কপিলী-কলং' কবিতাটোত তাৰ প্ৰকাশ এনেধৰণৰ—

"নৈৰো আছে নিজৰ জীৱন
ধান মৰাপাট থাকক পানীৰ তলত,
মেটেকাই ভাওক দলং।
আমাৰ গাত নৈৰ ঘোলা পানীৰ গোন্ধ,
উচপিচ বোৱতী সোঁত।
জীৱন বিষয়ক এটা গল্পৰ আঁত ধৰি নৈৰ সতে
মই গৈ আছিলো
হঠাতে
মেল ছিঙি গুছি গ'ল মোৰ নৈ দুখন, কপিলী কলং
য'ৰে মানুহ ত'তে থাকিল, ঘৰৰ চালে বেৰে নৈৰ চকু।
পানীয়ে বেৰি ধৰিলে গাঁও-ভূঁই, থানবান মানুহ
যেন তেজৰ পদুম।
বোকাত পানীত ফুলি উঠে......"

চৈইদুদ্দিন আহ্‌মেদৰ 'তিনিটা স্মৃতিঃ পক্যাঘাটৰ' নামৰ কবিতাত 'ৰিম্‌ঝিম্ বৰ্ষণমুখৰ নিশা যুৱতীৰ অভিসাৰ মেঘ-কুঁৱৰীৰ পদুম-পাপৰি যেন নিমজ গালত ৰঙা দাগ অৱশ চুমাৰ' বুলি বৰ্ষাৰ উন্মাদনাময় ৰূপটো ফুটাই তোলা

হৈছে। নতুন কবিতাত কিন্তু পিছলৈ এই ৰূপ প্ৰায় অনুপস্থিত। নতুন কবিৰ প্ৰতীকী ভাষাৰ মাজত বৰ্ষা এক অস্পষ্ট আৰু ধূসৰ বিষয়। বৰ্ষাই আনি দিয়া আমেজ এওঁলোকে প্ৰাণেৰে উপেক্ষা নকৰে যদিও প্ৰত্যক্ষভাৱে তাৰ ঘোষণাও নকৰে। ভবেন বৰুৱাৰ 'বৰ্ষা'—

"ক'লা তাৰবোৰৰ শব্দত
মন্ত্ৰিত আকাশ
বোবা প্ৰান্তৰত
বিজুলীৰ ইস্পাত"

কিন্তু 'বাৰিষাৰ ৰাতি' কবিয়ে অনুভৱ কৰে—

"মেঘে মেঘে বিজুলীৰ ৰেখা
দেহৰ মাজেদি এজাক চৰাইৰ শব্দ।"

বাৰিষাৰ ৰাতিয়ে বহুধৰণৰ অনুভৱ আনে মনলৈ। তাৰে কিছুমান সপোন কোমল, কিছুমান ৰূঢ় কঠিন দিঠকৰ নিদাৰুণ সত্য। যৌৱনৰ এটা বয়সত বৰষুণ মানেই সপোন। চেতাৰৰ গুঞ্জনৰ দৰে সৰা বৰষুণত ভাবুক কবিমনে নানা ৰঙীন কল্পনাৰে বোলাই লয়। কিন্তু চিৰাচৰিতভাৱে সেই মনত দিঠকৰ ছায়াও পৰে। গতিকে সাম্প্ৰতিক কবিতাত বৰ্ষাৰ মদিৰ ৰূপৰ লগত কৃষকৰ সপোনৰ কথা যিদৰে আছে, উৰুখা চালেৰে পানী পৰা দুখীয়া প্ৰাণৰ আতংকৰ কথাও সেইদৰে আছে। 'তেইশৰ উপকণ্ঠত বৰ্ষা' কবিতাত হৰেকৃষ্ণ ডেকাই কৈছে —

"এতিয়া বৰ্ষা নামিল। তেইশৰ উপকণ্ঠত বৰ্ষা নামিল।
তাৰ গভীৰ আৰাওত সকলো নিমগ্ন হ'ল। অসংখ্য
ৰূপালী সূতাই মোক বেঢ়ি ধৰিলে। বাহুত
ইমান চুলিৰ সমাৰোহ।
কিছুমান শব্দ কোন অটলৰপৰা ভাঁহি আহিল
নীলা হৈ খুব নীলা হৈ
সোমাই গ'ল বুকুৰ গভীৰলৈ। পাহাৰৰ কথা
ক্ষন্তেকৰ বাবে পাহৰিলো।
আঃ বৰষুণ।"

এনে ধৰণেৰে অন্য এটি শীতল নিমজ বৰষাৰ অনুভৱ আছে কৰবী হাজৰিকাৰ 'ধুমুহা' নামৰ কবিতাত—

"ধুমুহা হঠাতে আহে
এনেকৈয়ে
ৰূপালী নখেৰে ফালি মেঘময় বুক

দিশহাৰা পখীবোৰে ভাবে
আকাশৰ ৰূপ চৰে এনেকৈয়ে
লাজুকী পখীৰ টানি বিজুলী বসন
উন্মাদ মেঘে হাঁহে এনেকৈয়ে
ধুমুহা হঠাতে আহে
এনেকৈয়ে”

বিস্তৃত বিচাৰত দেখা যায়, শৰত বা বসন্তৰ দৰে বৰ্ষাই অসমৰ কবিতাত মাদকতাৰ সৃষ্টি কৰা নাই। আমাৰ দেশত বৰ্ষাৰ ৰূপত সৌন্দৰ্যতকৈ ভয়াবহতা বেছি। এইটোও হয়তো এটা কাৰণ। নতুন কবিয়ে এই ভয়াবহ ৰূপৰ ছবি যিমান সচেতনতাৰে আঁকিব লাগিছিল, সিমান সচেতনতাৰে যে অঁকা নাই, সেই কথাও সঁচা।

## ৩.২ অসমীয়া কবিতাত শৰতৰ ছবি :

শুকুলা ঋতু শৰত। ৰূপ আৰু সুবাসৰ প্ৰাচুৰ্যৰে মনোৰম। বসন্তৰ ৰমক-জমক লাহ-বিলাহৰ তুলনাত শৰতৰ ৰূপৰ স্নিগ্ধতা বেছি। এই স্নিগ্ধতাই যুগে যুগে কবিসকলৰ হৃদয় জয় কৰি আহিছে। বিশ্ব-সাহিত্যৰ বুকুত শৰতৰ আছে সুকীয়া আসন। ভাৰতীয় সাহিত্যত শৰতৰ ৰূপ আৰু মহিমাৰ বন্দনা নানা ঠাইত ফুটি উঠিছে। অসমীয়া কবিতাতো জিলিকি আছে নিজ মহিমাৰে ভাস্বৰ শৰত। সেই জিলিকনিৰ সবাতোকৈ দীপ্তিমান অংশ হ'ল শংকৰদেৱৰ ৰচনাৰ শৰত। আধুনিক কাব্য-সাহিত্যতো শৰতৰ ৰূপ-ৰস নানাভাৱে বিৰিঙি উঠিছে। ৰমন্যাসিক সাহিত্যত প্ৰকৃতিৰ ৰূপছবিৰ মাজেদি আত্মপ্ৰকাশ কৰা এইটি সুন্দৰ ঋতুৱে নতুন কবিতাৰ মাজতো ঠাই পাইছে। নতুন কবিতাৰ শৰত সুন্দৰ, বিষণ্ণ আৰু ৰহস্যময়।

নীলা আকাশ, স্বচ্ছ জলৰাশি আৰু সুৰভিত মৃদু মলয়াৰ দাক্ষিণ্যৰে পুষ্ট শৰতৰ মহিমাময় ৰূপৰ ছবি পোৱা যায় শংকৰদেৱৰ বিবিধ ৰচনাৰ মাজত। শংকৰদেৱৰ শৰত কেৱল প্ৰকৃতিৰে ছবি নহয়, গভীৰ আধ্যাত্মিক ভাবেৰেও এইবোৰ সমৃদ্ধ। ফুল আৰু সুৰভিৰে ভৰা এই ঋতুত —

“পক্ষী কৰৈ ধ্বনি সৰোবৰ ছানি
বিকশিত পুষ্পবন।
যেন যোগভ্ৰষ্টে দুনাই অভ্যাসিয়া
কৰিল নিৰ্মল মন॥”

ভক্ত কবিজনে নক্ষত্ৰজিলিকা আকাশত তৰাৰ মাজত শোভা পোৱা অখণ্ডমণ্ডল চন্দ্ৰটিবো তুলনা কৰিছে বৃষ্টি বংশৰ মধ্যত শোভা পোৱা কৃষ্ণৰ লগত। শংকৰদেৱৰ বহুতো মনোমোহা ৰচনাৰ মাজত শৰতৰ বিচিত্ৰ ছবি

নানাধৰণে ফুটি উঠিছে। এইবোৰত শৰতৰ সুন্দৰতা, শৃংগাৰ ৰসৰ উদ্দীপনত শৰতৰ ভূমিকা আৰু কৃষ্ণ আৰু গোপীসকলৰ সুকুমাৰ দেহ-মনত শৰতৰ প্ৰভাৱৰ কথা বিভিন্ন উপমাৰে ফুটাই তোলা হৈছে। শংকৰদেৱৰ তুলনাত মাধৱদেৱৰ ৰচনাত প্ৰকৃতিৰ ভূমিকা কম। শৰতৰ ছবিও তেওঁ বিশেষ অঁকা নাই। মাথোন 'নামঘোষা'ৰ এটি গুৰুত্বপূৰ্ণ ঘোষাত তেওঁ পৰোক্ষভাৱে শৰতক মহিমা প্ৰদান কৰা দেখা যায়। এইটি ঘোষাত হৰিনাম শ্ৰৱণৰ মাহাত্ম্যৰ লগত তেওঁ তুলনা কৰিছে শৰতৰ স্বাভাৱিক গুণ জল নিৰ্মলকৰণৰ। শৰতে স্বাভাৱিকতে জলৰাশি নিৰ্মল আৰু স্বচ্ছ কৰি ৰাখে, সেইদৰে হৰিনামেও কুবাসনা আঁতৰাই মানুহৰ মন নিৰ্মল কৰিব পাৰে, এয়ে মহাপুৰুষজনাৰ মনোভাৱ।

প্ৰাচীন অসমীয়া কবিতাত শৰতে বসন্তৰ সমানে প্ৰাধান্য পোৱা নাই। লৌকিক কবিসকলেও কুলিৰ গীত আৰু নাগেশ্বৰৰ ৰেণুৰেভৰা বসন্ত কালৰ পৰিৱেশত নায়ক-নায়িকাৰ মিলন-বিৰহৰ ছবি আঁকি বেছি তৃপ্তি লাভ কৰিছিল। শৰতৰ নিয়ৰকণাই কবিৰ কলমেৰে সৰি পাঠকৰ বুকু সেমেকাবলৈ শিকিলে জোনাকী যুগতে প্ৰথমে। চন্দ্ৰকুমাৰ আগৰৱালাই শৰতৰ নিয়ৰকণাৰ মাজত সন্ধান পালে নৃত্যৰতা দেৱকন্যাৰ সৰি পৰা মণিধাৰিৰ। কুঁৱলিৰ অৱগুণ্ঠনেৰে ঢাক খোৱা মনোৰমা প্ৰকৃতি, দুবৰি দলিচাত মুখ গুজি ৰোৱা শেৱালি, শেৱালিৰ অশ্ৰু স্বৰূপ নিয়ৰৰ টোপাল আদি সকলো শাৰদী উপচাৰে জোনাকী যুগৰ কবিসকলৰ কলমেদি পোন প্ৰথমে আড়ম্বৰভাৱে আত্মপ্ৰকাশ কৰে। এই আত্মপ্ৰকাশে লয়লাস লাভ কৰে উত্তৰ জোনাকী যুগৰ কবিসকলৰ হাতত।

প্ৰকৃতিৰ ৰূপে-ৰসে ভৰা জগতৰ বিচিত্ৰ সম্ভেদ পাই উতলা হোৱা এজন কবি হ'ল ৰঘুনাথ চৌধাৰী। কালিদাসৰ দৰে তেওঁ প্ৰত্যক্ষ কৰিছে শব্দ-গন্ধ-বৰ্ণে ভৰা এখন অপৰূপ প্ৰকৃতিৰ জগত। এই জগতৰ বসন্ত যিমান জাক-জমকতাৰে ভৰা, শৰতো সিমান কোমল সৌন্দৰ্যৰে অপৰূপ। পখীৰ মাতেদি আহে শৰত। সেই শৰতৰ সৌন্দৰ্যৰ চমক দেখি কবিয়ে দহিকতৰা চৰাইটিকে কৈ উঠিছে —

> "পুষ্পবৃষ্টি হ'ল তোৰ পৰশমণিত
> নিজম ঘাঁহনি ভৰা
> পানীপিয়লীৰে ভৰা
> মুকুতাৰ শুভ্ৰমালা শ্যামল পাটীত
> কি সুন্দৰ স্নিগ্ধকান্তি ফুলবননিত।"

সৰোবৰত পাহি মেলা ভেটফুলৰ মাজতো শৰতৰ সুৱাগী-হাতৰ স্পৰ্শ। শৰতক হিয়া ভৰি ভালপোৱা বাবেই এবাৰ আহি আঁতৰি যোৱা এই ঋতুটিৰ

পুনৰ আগমনৰ আশা কৰি তেওঁ কয় —

"আকৌ এদিন আহিব শৰত
হাঁহিব শেৱালি পাহি,
ঠেও ধৰি ধৰি কৰিব নৰ্ত্তন
খঞ্জন পখীটি আহি।"

শৰতৰ স্নিগ্ধতাই কেতিয়াবা পোনে পোনে আৰু কেতিয়াবা পৰোক্ষভাৱে গুঞ্জনি কৰিছে বনফুলৰ কবিৰ কবিতা। এইজন কবি অভিমানী বিষাদেৰে ভৰা আলসুৱা অন্তৰত নিজৰ বেদনাই কাব্যসৃষ্টিৰ প্ৰেৰণা, প্ৰকৃতি তাত মুখ্য বিষয় নহয়। তথাপিও প্ৰেম আৰু প্ৰিয়াৰ স্মৃতি ৰোমন্থনৰ মাজতে শাৰদী প্ৰকৃতিৰ দুই-এচেৰেঙা ইয়াত বিৰিঙি উঠা দেখা যায়। তেওঁৰ কবিতা আৰু কথাকবিতাত কুঁৱলী, নিয়ৰ, ভেটফুল আৰু শেৱালিৰ সাৰ্থক ব্যৱহাৰ দেখা যায়। এইবোৰে শৰতৰ বাতৰি পোনে পোনে নিদিলেও প্ৰেম আৰু প্ৰিয়াৰ লগত শৰতৰ বিভিন্ন উপচাৰৰ যি অবিচ্ছেদ্য সাদৃশ্য, তাৰে ইংগিত দিয়ে।

জুইৰ ফিৰিঙতিৰে কবিতা ৰচনা কৰা কবি অম্বিকাগিৰি ৰায়চৌধুৰীৰ কবিতাত শৰতৰ কোমলতাৰ সন্ধান কৰাটো এটা অসাৰ্থক প্ৰচেষ্টা যেন লাগিব পাৰে। কিন্তু 'তুমি' কাব্যত প্ৰিয়াৰ ৰূপ আৰু সৰসতাৰ উপমা দিবলৈ তেওঁ যিমানবোৰ উপমা ব্যৱহাৰ কৰিছে, তাৰ ভিতৰত শৰতৰ স্নিগ্ধৰূপেও ঠাই নোপোৱাকৈ থকা নাই। "শাৰদীয় চন্দ্ৰমাৰ ব'ই অহা ৰূপালী জোনাই" যেন তেওঁৰ প্ৰিয়া, সতেজ শেৱালিজুপিৰ দৰে নহ্‌পহীয়া তেওঁৰ শোভা। সেই প্ৰিয়াৰ সাৰ্থক উপমা দি তেওঁ কৈছে—

"তুমি শৰতৰ কপালত
সুৱদি সন্ধিয়া নিৰমল
তুমি চাৰিফালে ভাহি ফুৰা
এফেৰি সুষমা সুৰিমল।"

'পাপৰি'ৰ কবি গণেশ গগৈৰ অশ্ৰু-সেমেকা হৃদয়ত শৰত এটি মায়াময় নাম। শাৰদী ৰাতি জোন-তৰা জিলিকা আকাশখনে তেওঁৰ মনত আনন্দ আৰু বিষাদৰ ৰহস্যময় অনুভূতিৰ সৃষ্টি কৰে। ৰাগীলগা মনেৰে তেওঁ কয় —

"আজি শৰতৰ এই মধুৰ মাধৱী নিশা
টানি নিছে প্ৰাণ মোৰ নেজানো কলই
হোৱা তুমি যেয়ে হোৱা নিয়া টানি টানি নিয়া
যোৱাটো মাধুৰী আছে লক্ষ্যহীন হই।"

শৰতৰ জোনে মন উন্মনা কৰা আৰু এজন কবি হ'ল চন্দ্ৰধৰ বৰুৱা। নাট্যকাৰৰূপে বেছি খ্যাতিমান এইজন কবিৰ প্ৰকৃতি বিষয়ক কবিতা কম যদি শাৰদী জোনৰ মায়াময় ৰূপৰ কল্পনাৰে ৰচনা কৰা এটি ... তাত তেওঁ ...

আন্তৰিকতা ফুটি উঠিছে। প্ৰিয়াৰ আগমনলৈ বাট চাই থকা প্ৰেমিকৰ দৰে দিনৰ দিনটো সন্ধিয়াৰ বাবে তেওঁ বাট চাই থাকে—যি সন্ধিয়া আকাশ শুৱনি কৰিব জোনৰ শোভাময় মুখে। কবিৰ কল্পনাপ্ৰৱণ মনে জোনটোক এগৰাকী গাভৰুৰ ৰূপ আৰোপ কৰি ভাবিছে, শৰতৰ জোনটিয়েও নিশ্চয় তেওঁক ভাল পায়। কাৰণ নহলে চকুত চকু পৰিলে হঠাৎ—

"চাওঁতে ধুনীয়া মুখখনি
মিচিকি হাঁহিটি মাৰি মূৰ তল কৰি
কিয় ল'বা মেঘৰ ওৰণি ?"

'শাৰদী সন্ধিয়া নিকুঞ্জ বনত' অকলে ভ্ৰমি ফুৰোঁতে হেৰোৱা সপোনৰ সৌৰৰণিত ব্যাথাতুৰ হোৱা এজন কবি হ'ল শৈলধৰ ৰাজখোৱা। পদুম ফুলৰ হাঁহিৰ মাজত, শেৱালিৰ সুবাসৰ মাজত আৰু শাৰদী মলয়াৰ মৃদু পৰশৰ মাজত কবিয়ে অন্তৰ উজাৰি কৈ উঠিছে —

"আজি শৰতৰ সন্ধিয়া পৰত
বাজিছে প্ৰাণত হেৰোৱা সুৰ,
জোনটি জ্বলিছে নীল আকাশত
তৰাটি জ্বলিছে বুকুতে মোৰ।"

কবি লক্ষ্মীনাথ ফুকনেও প্ৰিয়াৰ ৰূপ-ধ্যানত মগ্ন হৈ শাৰদী প্ৰকৃতিৰ মাজত অনুভৱ কৰিছে তেওঁৰে অস্তিত্ব—

"দুবৰি ডৰাত নিয়ৰৰ টউ
মালা নে মণি
কিজানি তোমাৰ চৰণৰ সাঁচ
সকলোকনি।"

অসমীয়া শৰত কবিতাৰ ভিতৰত এলানি অনুপম কবিতা হ'ল গীতিকবি পাৰ্বতী প্ৰসাদৰ 'শুকুলা ডাৱৰ ঐ কঁহুৱা ফুল'ৰ অন্তৰ্গত কবিতাসমূহ। এইবোৰ যেন নিয়ৰসনা শেৱালি ফুলহে। শাৰদী সন্ধিয়া মন কেনেবা কৰা কবিয়ে শৰতৰ মোহময় ৰূপৰ মন কেনেবা কৰা কেইচমকামান ছবি তেওঁৰ কবিতাবোৰত গোটাই থৈছে। "সাৰ পাই উঠি খিৰিকি মেলি" তেওঁ প্ৰত্যক্ষ কৰিছে শুকুলা শৰতৰ অপৰূপ শোভা। সেই শোভাই মন্ত্ৰমুগ্ধ কৰা কবিয়ে কৈ উঠিছে —

"কিনো সুন্দৰ ধৱলী বৰণ
চমকি উঠিলে মন।"

শৰতৰ মাজত সকলো ভাৰতীয় কবিয়েই কিবা এটি শুভ লক্ষণ আৱিষ্কাৰ কৰে। কালিদাসৰ শৰত 'পংকজনয়না ৰাজলক্ষ্মী'। নানা শুভ্ৰ উপচাৰেৰে সজাই ন-কইণা ৰূপেৰেও তেওঁ শৰতৰ ৰূপ বৰ্ণনা কৰিছে। বিশ্বকবিয়ে কৈছিল—

"এসো হে শাৰদী লক্ষ্মী তোমাৰ
শুভ্ৰ মেঘেৰে ৰথে"

আমাৰ গীতিকবিৰো অনুমান —

"আজি নীল আকাশতে শুকুলা ডাৱৰৰ
ধূলি উৰুৱাই
সৌ পদুলিয়ে আহিছে হ'বলা
শাৰদী লখিমী আই।"

শৰতক তেওঁ 'এটি ফুল তোলা ল'ৰা' ৰূপেও সজাই চাইছে। কেতিয়াবা আকৌ ৰূপমুগ্ধ কবিয়ে শৰতক ভূষিত কৰিছে 'কোঞৰ' আখ্যাৰে। গোটেইবোৰ কবিতাতে ভাব, ভাষা আৰু ছন্দৰ অদ্ভুত এক মায়াজাল। দক্ষ কাৰিকৰৰ দৰে চিত্ৰকল্প প্ৰয়োগ কৰা কবিৰ চকুত পৰে ডাৱৰেৰে সৈতে সূৰুযৰ যুঁজ অথবা পোহৰৰ কাড়েৰে সূৰুযে ডাৱৰক কৰা বিতাড়ণ। তেওঁ শুনিবলৈ পায় মাটিৰ বুকুত মেঘৰ সুৰ। নীলিমাৰ ৰূপ সাগৰত বুৰ যোৱা নয়নেৰে তেওঁ মাথোন দেখা পায় শাৰদী সৌন্দৰ্যৰ মহামেলা। এই সৌন্দৰ্য নয়নত প্ৰতিভাত হোৱাৰ পিছত হৃদয়ত তেওঁ অনুভৱ কৰিছে —

"বাহিৰত যি ৰূপ কায়া
ভিতৰত তাৰ পৰে ছায়া
হিয়াৰ মাজত অপৰূপে
কৰিছ মন-হৰণ।"

শেৱালিৰ মাদকতাভৰা সুবাসত, ব'দ পৰি তিৰবিৰোৱা নিয়ৰকণাত, লুইতৰ দুয়োপাৰে গা ভাঙি নচা কঁহুৱাত এই সকলোবোৰে মাজত শৰতৰ প্ৰকৃতিয়ে লুকুৱাই থৈছে অন্তহীন ৰূপ আৰু আনন্দৰ ৰহস্য। এই ৰহস্যৰে সন্ধানত বাউল হৈ পৰা বৰাগী মনৰ প্ৰকাশেৰে পাৰ্বতী প্ৰসাদৰ শৰত-কবিতাসমূহ অসমীয়া সাহিত্যত সম্পূৰ্ণ একক।

কবি অতুলচন্দ্ৰ হাজৰিকায়ো শৰতৰ কবিতা বুজন পৰিমাণে ৰচনা কৰিছে। এইবোৰত শৰতৰ অলোক ছবি একোখন পোৱা গলেও শাৰদী সৌন্দৰ্যৰ মায়াভৰা ৰহস্যৰ উমান পাবলৈ নাই। দুই এটি কবিতাত প্ৰকৃতিৰ ৰাজসিংহাসনত অধিষ্ঠিত শৰতৰ ৰাজকীয় ৰূপৰ গাম্ভীৰ্যপূৰ্ণ ছবি পোৱা যায়। 'শৰতৰ অভিষেক' নামৰ কবিতাটিত তাৰে বিৱৰণ —

"শৰতৰ -ভিষেক শুকুলা মেঘত
জোনবিৰি পৰিহিতা তাৰকা-দেশত।
নূপুৰ-কিংকিণী ধ্বনি শুনি ৰুণ-জুন
ৰ'দে-বৰষুণে মিলি গঢ়ে ইন্দ্ৰধনু।"

শৰতৰ আগমণত চপৰাচপৰে শুকুলা ডাৱৰে সজোৱা ৰূপালী আলি, বনকুঁৱৰীয়ে আগবঢ়োৱা নিয়ৰৰ মুকুতামণি, এই আটাইবোৰৰ চিত্ৰৱৎ উপস্থাপন হাজৰিকাৰ

কবিতাবোৰৰ বৈশিষ্ট্য।

কেইবাজনো অসমীয়া কবিৰ কবিতাৰ একেটি লক্ষণ হ'ল নিয়ৰৰ টোপালবোৰক নৃত্যৰতা দেৱকন্যাৰ ডিঙিৰ মণিৰপৰা সৰি পৰা মুকুতামণি বুলি কৰা কল্পনা। চন্দ্ৰকুমাৰ আগৰৱালা, পাৰ্বতীপ্ৰসাদ বৰুৱা আৰু অতুলচন্দ্ৰ হাজৰিকাৰ কবিতাত এই লক্ষণ বেছি স্পষ্ট।

যাৰ প্ৰায়ভাগ কবিতাই নিয়ৰত তিতা শেৱালি ফুলৰ দৰে অশ্ৰুৰে সেমেকা সেইগৰাকী কবি নলীনিবালা দেৱীৰ দুটামান মনোমোহা শৰত কবিতা আছে। শুভ্ৰ শৰতৰ মধু বাতৰি দি শেৱালিক কবিয়ে কৈছে—

"সূৰুযমুখীয়ে চোৱা মূৰ তুলি চায়
মদুমণি হাঁহে জকেমকাই
ডাৱৰ আঁতৰি নীলা মুকলি হ'ল
ধৰাৰ এন্ধাৰবোৰো আঁতৰি গ'ল
অ' শেৱালি তুমি জাগা জাগা
শাৰদী আহিল।"

নলীনিবালাৰ হৃদয় ৰূপৰ পিয়াসী। "শাৰদী নিশাৰ জোন জোনাকৰ সোণ জোনালীতে বুৰ মাৰি" তেওঁ সপোনৰ ৰূপ ছবি আঁকিছে।

এটি মনোমোহা শৰত কবিতা হ'ল বিনন্দচন্দ্ৰ বৰুৱাৰ 'শৰতৰ আৱাহন'। কবিৰ কল্পনাত জিলিকি উঠিছে শৰতক স্বাগতম জনাবলৈ ব্যস্ত হৈ পৰা প্ৰকৃতিৰ ছবি। মেঘ আঁতৰি গৈ আকাশ হৈ নীলা চন্দ্ৰোৱাৰৰ দৰে, তাত জিলিকিব দিনৰ বেলি আৰু নিশাৰ জোন। পথাৰৰ বতীয়া হৈ পৰিব মিনা কৰা। সেই বাটেদি গৈ শাৰদী মিলিত হ'ব ৰূপহ লুইতৰ লগত। কবিয়ে কৈছে—

"শেৱালিৰ তলতে সেউজি দলিছা
ফুলেৰে ফুলাম কৰা
তাতে বহিবহি ৰূপহী শাৰদী
উজলি উঠিব ধৰা।"

কবিৰ চকুযুৰি 'ৰূপত বলিয়া'। সেই চকুৰে আৰু স্পৰ্শকাতৰ হৃদয়েৰে তেওঁ অনুভৱ কৰিবলৈ বিচাৰে চিক্‌মিক্ নীলা আকাশ, পদুমফুল, নিয়ৰ আৰু সোণালী ৰ'দেৰে ভৰা শৰতৰ ৰূপ।

কমসংখ্যক কবিতা ৰচনা কৰোঁতা কবি বদন শৰ্মাৰ কবিতাত প্ৰেম আৰু বিষাদৰ ৰহস্যময় অনুভৱৰ পটভূমি ৰূপে বৈছে শৰত। 'শৰতৰ শেৱালি ক্ষণ'ত মানসীৰ লগত হোৱা মধুমিলনৰ সোঁৱৰণিত তেওঁ কাতৰ। 'শৰতৰ জোনালী ধল'ত প্ৰেমৰ যি সংগীত তেওঁৰ বুকুলৈ ভাঁহি আহিছিল, তাৰে ৰাগীত মতলীয়া কবি। প্ৰেমৰ বিষাদময় ৰূপ আৰু শৰতৰ বিষণ্ণ সৌন্দৰ্য মিলি পৰিছে তেওঁৰ 'সপোনস্মৃতি' নামৰ কবিতাটিত। একেদৰে শশীকান্ত গগৈৰো মানস প্ৰিয়াৰ বাসস্থান শৰতৰ নীলা আকাশৰ সিপাৰে। শৰতৰ জোন-তৰাই সেই প্ৰিয়াৰ

বাতৰিকে বহন কৰে। বকুলবনৰ কবি আনন্দচন্দ্ৰ বৰুৱাৰ কবিতাত আছে কঁহুৱাবনৰ কঁপনিত উদাসী বুকুৰ স্পন্দন দেখা পোৱাৰ কবিসুলভ কল্পনা। 'শৰতৰ সুৰ' নামৰ তেওঁৰ এটি কবিতাত প্ৰিয়তম শৰতৰ আগমনত আকুলহৈ পৰা প্ৰেমিকা শেৱালিৰ আলফুলীয়া হিয়াৰ বাতৰি পোৱা যায়। শৰতৰ শুভাগমনত আনন্দিত হৈ পৰা আৰু এজন কবি হ'ল ভৱপ্ৰসাদ ৰাজখোৱা। শৰতৰ সোণৰ কাঠিৰ পৰশত পৃথিৱী সোণালী হয়, কবিৰো হৃদয়ত জাগে সোণালী সপোন। সেয়ে তেওঁ প্ৰিয় ঋতু শৰতক কয় —

"প্ৰিয় মোৰ, তোমাৰেই চাই ৰওঁ আগমনি
সকলো ঋতুৰ মাজে তুমিয়ে সপোন।"

এইসকল কবিৰ কবিতাৰ তুলনাত নতুন কবিতাত আপেক্ষিকভাৱে শৰতৰ ভূমিকা কম। কাৰণ নতুন কবিসকলে প্ৰকৃতিৰ বুকুৰপৰা চকু আঁতৰাই আনি মানুহ আৰু মানুহৰ কঠোৰ বাস্তৱত তাক স্থাপন কৰিছে। এটোপাল নিয়ৰতকৈ বঞ্চিতজনৰ চকুপানীত তেওঁলোকে বেছি আকৰ্ষণ বিচাৰি পায়। গতিকে হৃদয়তকৈ চিন্তা আৰু বুদ্ধিমত্তাক বেছি প্ৰাধান্য দিয়া নতুন কবিতাত ৰূপ সুবাসেৰে ভৰা স্নিগ্ধ শৰত প্ৰায় অনুপস্থিত। অৱশ্যে ব্যক্তিগত আৰু সমষ্টিগত বিবিধ অনুভূতিৰ চিত্ৰণ গাঢ় কৰিবলৈ নতুন কবিতাত শৰতক নানাভাৱে ব্যৱহাৰ কৰা হৈছে।

বুকু চুই যোৱা এটা কবিতা 'মমতাৰ চিঠি'ত হেমবৰুৱাই শৰতৰ এটুকুৰা এনেভাৱে ব্যৱহাৰ কৰিছে —

"সিদিনা আছিল কাতিৰ কুঁৱলীসনা
এটা কোমল পুৱা। পদূলিত তলসৰা
শেৱালিবোৰ উপচি আছিল। আৰু সন্ধিয়া,
মই তোমালোকৰ ঘৰলৈ নকৈ আহিবৰ
দিনা আকাশৰ মেঘৰ মোহনাত হালধীয়া
জোনটো নাওখন হৈ আমাক যে বিৰিঙিয়াই
মাতিছিল তৰাৰ দেশলৈ।"

ইয়াত শৰতৰ প্ৰত্যক্ষ ভূমিকা নাই, কিন্তু অবিচ্ছেদ্যভাৱে আছে জীৱনৰ কাৰুণ্য, কুঁৱলীৰ ৰহস্য আৰু সৰা শেৱালিৰ সংক্ষিপ্ত সুখী জীৱনৰ তল-সৰা ইতিহাসৰ প্ৰতীকী প্ৰকাশ।

মহেশ্বৰ নেওগৰ এটি শৰত-কবিতাৰ নাম হ'ল 'সুমথিৰাটিৰ গোন্ধ উঠিছেনে'। এইটি কবিতাত আছে নতুন নিয়ৰে মলচা বাটেদি আগবাঢ়ি অহা শৰতক স্বাগতম জনোৱা দহিকতৰা আৰু শৰালিৰ গীতৰ কথা, ভেট আৰু পদুমৰ লাজসনা হাঁহিৰ কথা। দেৱকান্ত বৰুৱাৰ কবিতাত মোহময়ী প্ৰকৃতিয়ে ঠাই নাপালেও জীৱনৰ কামনা-বাসনাৰ লগত জড়িত পটভূমিৰূপে শাৰদীয়

পৰিৱেশে ঠাই পাইছে। প্ৰিয়ালৈ তেওঁৰ অনুৰোধ —

"নিশা হলে আহিবা লাহৰী! ৰূপোৱালী জোনাকত
শেৱালীৰ সুবভিৰ সতে।"

কবি বীৰেন বৰকটকীয়ে কঠোৰ বাস্তৱৰ মাজত এপলক শান্তি বিচাৰি চাইছে শৰতৰ মুখলৈ। তেওঁ দেখিছে—

"আহিনৰ কুঁৱলীৰ হাতে হাতে ধৰি
শুকুলা মন লই শৰত আহিছে
পথাৰত লখিমীয়ে আকৌ হাঁহিছে
ক্ষন্তেকীয়া জীৱনবে সুবাস বিলাই
দুবৰি দলিছাত শেৱালি শুইছে"

কবি মহেন্দ্ৰ বৰাৰ কবিতাত কুঁৱলী আৰু নিয়ৰে বিভিন্ন অৰ্থ বহনত গভীৰ নিষ্ঠাৰে নিজ নিজ দায়িত্ব বহন কৰিছে। তেওঁৰ হৃদয়ে অভিভূত হৈ লক্ষ্য কৰে—

"ঘূৰণীয়া জোনটোৱে কুঁৱলীৰ ঢাকনিৰে ঢাকি দিয়ে
গাগৰি উজাৰ কৰি সোণপানী সোণৰ নিজৰা"

নিৰ্মলপ্ৰভা বৰদলৈৰ কবি মানসত ধৰা পৰে শৰতৰ উজ্জ্বলতা আৰু পকাফলৰ দৰে ৰতৰৰ সুঘ্ৰাণত অথিৰ হৈ পৰা দেহ-মনৰ বাতৰি। তেওঁ অনুভৱ কৰে—

"শৰতৰ
ৰুণ-জুন গোন্ধ
পাৰ হয় ভগা সাঁকোৱেদি
দূৰ দূৰে
বুকুত ছাঁ পৰে কৰুণ কোমল
যেন সপোনতে।"

ভবেন বৰুৱাই দেখা পায় নল-খাগৰিবোৰৰ মাজত আকাশৰ ফটিকবোৰ নামি অহা; হয়তো তাৰ মাজতে কবিয়ে বিচাৰি পায় শৰতৰ প্ৰতিচ্ছবি। তেওঁৰ 'শৰৎ' নামৰ কবিতাটোত এনে শাৰদী অনুভৱৰ প্ৰতিফলন দেখা যায়। ৰাম গগৈৰ 'আকাশৰ প্ৰতি প্ৰাৰ্থনা'ত এটুকুৰা শৰত এনেভাৱে বিৰিঙি উঠিছে—

"এদিন শাৰদী ৰাতি আকৌ দেখিলোঁ
কেঁচা হালধীয়া ৰং এটি জোন
আকাশত ওলমি আছিল

অনেক নক্ষত্ৰ স্বপ্ন, স্বপ্নৰ শিখাই পুৰি
সোণালী উজ্জ্বল হৈ ফুলিছিল তাত
য'ত মোৰ হৃদয় আকাশ হৈ গ'ল
সেইদিনা।"

হীৰেণ ভট্টাচাৰ্যৰ সুনিপুণ শব্দ-চয়নত প্ৰাণবন্ত হৈ উঠা কবিতাবোৰৰ মাজত বিভিন্ন ঋতুৰ ৰূপ আৰু লয়লাসৰ প্ৰাচুৰ্য লক্ষ্য কৰা যায়। ঋতু তেওঁৰ ব্যঞ্জনাৰ প্ৰিয় আহিলা। 'এদিন শৰৎ' কবিতাত অৰ্থবহ ব্যঞ্জনাৰে তেওঁ কৈছে—

"সুখী শেৱালিৰ উৰণীয়া গোন্ধ তোমাৰ অমল শৰীৰৰ
শৰৎময় সোণোৱালী ছাঁ ফট্‌ফটীয়া বিলৰ পানী
মোৰ গাৰ কাষেৰে গুচি যায় নিৰ্বিঘ্নে......"

হীৰেন্দ্ৰনাথ দত্ত, কেশৱ মহন্ত, অমিত সৰকাৰ আদিৰ কবিতাত শৰতৰ কুঁৱলী আৰু শাৰদী দিনৰ বিষণ্ণতাৰ মনোৰম টুকুৰা কেইটামান চকুত পৰে। অগ্ৰজ কবিসকলৰ বাটেৰে বাটবুলা পিছৰচাম কবিয়েও এনেবোৰ প্ৰতীকী শব্দ সযতনে বুটলি লৈছে।' সাম্প্ৰতিক কবিতাত নানা জটিল পৰীক্ষা-নিৰীক্ষা আৰু নিত্য-নূতন ৰীতি-বৈচিত্ৰ্যৰ মাজতো এই শব্দবোৰ হেৰাই যোৱা নাই।

এই সংক্ষিপ্ত আৰু নিতান্তই অসম্পূৰ্ণ আলোচনাটিত দেখা গ'ল যে মায়াৰী ঋতু শৰতে অসমীয়া কবিতাত সমাদৰৰ স্থান লাভ কৰিছে। অতি সাম্প্ৰতিক কালৰ কবিসকলৰ কবিতাৰ তালিকা এই আলোচনালৈ অনা হোৱা নাই। তাৰবাবে বিস্তৃত পৰিসৰত দীৰ্ঘতম আলোচনাৰ প্ৰয়োজন।

শেষত ক'ব পাৰি, অতিশয় বস্তুবাদী একোজন লোকেও নিজৰ অজ্ঞাতে জোন, কুঁৱলী, নিয়ৰ, শেৱালি আদিৰ বাবে অলপ চেনেহ অন্তৰত সাঁচি থয়। কবিৰ হৃদয় সংবেদনশীল, অসমৰ প্ৰকৃতিও মায়াভৰা। গতিকে অসমীয়া কবিতাত প্ৰকৃতিৰ এইবোৰ শাৰদী উপচাৰে নতুন নতুন বৈশিষ্ট্যৰে সদায় ঠাই পাই থাকিব নিশ্চয়।

## ৩.৩ কেইজনমান প্ৰকৃতি কবি ঃ

### ৩.৩.১ ৰঘুনাথ চৌধাৰীৰ প্ৰকৃতি কবিতা ঃ

প্ৰকৃতি বুলি ক'লে এক বিশাল ক্ষেত্ৰ সোমাই পৰে। আকাশ, পাহাৰ, নদী, ফুল, চৰাই, এটোপাল নিয়ৰ সকলোবোৰেই প্ৰকৃতিৰ অংশ। এইবোৰৰ প্ৰতিটো বিষয় লৈয়েই বিশ্ব-সাহিত্যত কিমানবোৰ যে কবিতাৰ সৃষ্টি হৈছে তাৰ সীমা-সংখ্যা নাই। প্ৰকৃতি কেতিয়াবা হয় বিষয়ৰ পটভূমি, কেতিয়াবা নিজেই বিষয় হৈ পৰে। প্ৰকৃতিক বিচাৰ কৰাৰ দৃষ্টিভংগীও কবি ভেদে বেলেগ বেলেগ হয়। ধ্ৰুপদী কবিতাত প্ৰকৃতিৰ ভূমিকা আছিল কেৱল অলংকাৰৰ দৰে কাহিনীৰ শোভাবৰ্ধক। ৰমন্যাসিক যুগত প্ৰকৃতি সমাদৃতা হ'ল কবিতাৰ প্ৰাণৰূপে। প্ৰকৃতিৰ মাজত কবিয়ে বিচাৰি পালে সৌন্দৰ্যৰ বাহিৰেও অনাবিল শান্তি, অফুৰন্ত প্ৰেৰণা।

অসমীয়া কবিতাত প্ৰকৃতিৰ অপৰূপ ছবি প্ৰথমে আঁকিছিল মাধৱ কন্দলিয়ে। তেওঁৰ ৰামায়ণ খনি বহুতো অনুপম প্ৰকৃতিৰ ছবিৰে সমৃদ্ধ। শংকৰদেৱৰ ৰচনাতো প্ৰকৃতিৰ কিছুমান ছবি জিলিকি আছে। কিন্তু প্ৰকৃততে কবিতাৰ মাজত প্ৰকৃতিৰ প্ৰকৃত মহত্ব ফুটি উঠে অসমীয়া সাহিত্যৰ 'জোনাকী' যুগতহে। এই সময়তে উন্মেষ হোৱা ৰমন্যাসিক কবিৰ প্ৰতিভাই প্ৰকৃতিৰ বুকুত থকা অপাৰ ৰহস্যৰ আঁৰকাপোৰ প্ৰথম দাঙি ধৰে। কিন্তু বহুদিনলৈকে কবিসকলৰ কবিতাত প্ৰিয়া, প্ৰকৃতি, মানুহ আদি ইমানবোৰ বিষয় সানমিহলি হৈ আছিল যে কেৱল প্ৰকৃতি কবি বুলি কোনো এজনকে আখ্যা দিব পৰা নগৈছিল। এই আখ্যা সাৰ্থকভাৱে খাপ খায় ৰঘুনাথ চৌধাৰীত, যিজন বিহগী কবি আখ্যাৰেও খ্যাত।

ৰঘুনাথ চৌধাৰীৰ কবিতাত ফুল আৰু চৰাইৰ বিশেষ ভূমিকা লক্ষ্য কৰা যায়। তেওঁৰ কবিতাৰ মাজত প্ৰকাশ পোৱা প্ৰকৃতি সাধাৰণ হৈও অসাধাৰণ। আমাৰ চাৰিওফালৰ জগতত চিনাকি প্ৰকৃতিৰ মাজত তেওঁ কল্পনা আৰু অনুভৱেৰে এক বিচিত্ৰ মায়াময় ছবি আঁকিছে। ফলত সদায়ে দেখি থকা বস্তুটোও তেওঁৰ কবিতাত অচিনাকি যেন লাগে। তেওঁ প্ৰত্যক্ষ কৰিছে প্ৰকৃতিৰ মাজত সৌন্দৰ্যৰ মহামেলা। অকণমানি এটি ফুল অথবা চৰাইৰ মাতক আশ্ৰয় কৰি তেওঁৰ মন উৰি যায় কল্পলোকৰ চিৰসুন্দৰৰ মহামেলালৈ। সেয়েহে বিহগী কবিৰ কবিতাসমূহ পঢ়িলে এক সৌন্দৰ্যস্পৃহা তাৰ মাজত বিৰিঙি উঠা চকুত পৰে।

তেওঁৰ ফুলৰ কবিতাৰ মাজত 'গিৰিমল্লিকা'ৰ ৰূপ-ৰস জাকত জিলিকা। কবিতাটোৰ শব্দ-সম্ভাৰ গুৰু-গম্ভীৰ আৰু অৰ্থবহ। গোটেইটো কবিতাৰ মাজত এক পৌৰাণিক পৰিবেশ বিৰাজমান। পাহাৰৰ গাত ফুলি থকা বনৰীয়া ফুলৰ মাজত কবিয়ে দেখিছে এক অলৌকিক সৌন্দৰ্য। লুইতৰ তীৰৰ পাহাৰত ফুলি

থকা এই ফুলে যেন সৰগৰ ৰূপ আৰু পৰিমল আনি পৃথিৱীত মেলি দিছেহি। তাইৰ সৰগী সৌন্দৰ্যত মুগ্ধ হৈ পৰা হৃদয়েৰে গছে সজাইছে কুঁহিপাতৰ আদৰণি, ফুলেৰে উপচি পৰা লতাৰ উথলি উঠিছে প্ৰেম। প্ৰকৃতিজগতৰ এই জাগৰণ দেখি কবিয়ে ভাবিছে—

"প্ৰিয়া, তুমি ঢালিলা কি মোহন মদিৰা
হাঁহি কটাক্ষৰ। যি হাঁহিত বনে বনে
হৰিত ক্ষেত্ৰত তৰু-তৃণ লতিকাবো
ভাঙিল চমক।"

বগা বগা দ্ৰোণফুলবোৰে সেউজীয়া বনৰ মাজত আঁখৰ অঞ্জলি দিয়াৰ দৰে পৱিত্ৰ পৰিবেশৰ সৃষ্টি কৰিছে, সেয়া গিৰিমল্লিকাৰ বাবেই। দিনৰ ভাগত গছ-লতাৰ সুবাসিত আদৰণি আৰু ৰাতিৰ ভাগত জোনাকে ওপচাই তোলা বতাহত মাথোন যেন ফুলপাহৰ বাবেই প্ৰকৃতিৰ উলহ-মালহ। নিদ্ৰাৰ কেতেকীৰ মাতত ফুলপাহৰ বাবেই নিগৰি পৰে অমৃত সুৰৰ ধাৰা। বিশ্ব-জগতৰ এনে আদৰ-সাদৰ দেখি কবিয়ে নাভাবি পৰা নাই,—

"নাজানো অপ্সৰী বেশে কোন দেৱতাৰ
আছিলা হৃদয় ৰাণী আলাসৰ লাড়ু!
মদনৰ কামশৰ আছিলা নে প্ৰিয়া
গিৰি কৈলাশত, যিদিনা মোহিনী ৰূপ
ধৰিছিলা ধূৰ্জ্জটিৰ ধ্যানভংগ হেতু!"

ৰূপমুগ্ধ কবিয়ে ফুলপাহৰ অলৌকিক সৌন্দৰ্যৰ উহ বিচাৰি গৈ ভাবিবলৈ বাধ্য হৈছে, হয়তো শাপভ্ৰষ্টা হৈহে এই ফুলপাহ মৰতলৈ নামি আহিছে। আকৌ কল্পনাৰ জগতত বুৰ মাৰি কবিয়ে ভাবিছে —

"আছিলা নে তুমি প্ৰিয়া ঋষি-আশ্ৰমত
ফুলৰ কুঁৱৰী সাজি, পুষ্প উপবন
কৰি জাতিষ্কাৰ।"

তেওঁৰ মানস-চকুত ভাঁহি উঠিছে মালিনী নদীৰ তীৰৰ কোনো আশ্ৰম-কন্যাৰ আলফুলীয়া ছবি। প্ৰেম আৰু যৌৱনেৰে সমৃদ্ধ সেই সুন্দৰীক তেওঁ বিচাৰি পাইছে এপাহ সাধাৰণ ফুলৰ মাজত। কাৰণ তেওঁৰ অন্তৰ্দৃষ্টি হ'ল অসাধাৰণ। সামান্যত অসামান্যত্ব প্ৰদান কৰা সেই দৃষ্টিৰে তেওঁ গিৰিমল্লিকা ফুলপাহক নিৰ্মাণ কৰি উলিয়াইছে আৰু কামনা কৰিছে তেওঁৰ নিঃসংগ হিয়াত সেই ফুলৰ স্বৰ্গীয় সৌন্দৰ্য আৰু স্নেহৰ অলপ ছিটিকনি।

'গিৰিমল্লিকা'ৰ সংস্কৃত শব্দ-সম্ভাৰৰ বিপৰীতে 'গোলাপ' কবিতাত পোৱা যায় আৰবী শব্দৰ প্ৰাচুৰ্য। এইটি ফুলৰ কবিতাত কবিয়ে বন্দনা কৰিছে কোনো

অখ্যাত বনফুলৰ নহয়, ফুলৰ ৰাণী গোলাপৰ। কিন্তু তেওঁৰ মনৰ মাজত গোলাপেও জগাই তুলিছে একে ৰহস্যময় অনুভৱ। এই সুন্দৰ ফুলপাহৰ লগত তেওঁ বিচাৰি পাইছে বহুতো যুগৰ মনোৰম ইতিহাসৰ সম্পৰ্ক। তেওঁ কৈ উঠিছে—

"আৰৱ পিয়াৰী বচ্‌ৰা ৰাণীৰ
গুলবদন গেলালি জুৰ,
ভাহিফুৰে তোৰ ৰূপ তৰংগত
পাপিয়াৰ স্নিগ্ধ করুণ সুৰ।"

বাদ্‌ছা হেৰেমৰ সুন্দৰীইঁতৰ মাজত গোলাপৰ আদৰৰ কথা কবিৰ মনত পৰিছে। মনত পৰিছে সম্রাজ্ঞী নুৰজাহানৰ গোলাপ-প্ৰীতিৰ কথা। গোলাপ প্ৰেমৰ প্ৰতীক। বহুতো প্ৰেমিক-প্ৰেমিকাৰ তপত নিশাহেৰে বুকু ভৰা এই ফুলপাহৰ। কবিয়ে অনুভূত হৈ অনুভৱ কৰিছে গোলাপৰ মাজত থকা প্ৰেম আৰু সৌন্দৰ্যৰ এই যুগমীয়া সমাহাৰ।

'ভেট কলি' কবিতাত চন্দ্ৰৰ প্ৰেমিকা চন্দ্ৰমল্লিকাৰ শান্ত শোভাৰ ছবি এখনি ফুটি উঠিছে। নীলা পানীৰ মাজত জিলিকি থকা বগা ফুলপাহৰ কি অপৰূপ সৌন্দৰ্য। নম্ৰ, শান্ত, বিনয়ী স্বভাৱৰ যুৱতীৰ দৰে ফুলপাহে এক সৰগী সৌন্দৰ্যৰ বতৰা বিলাইছে। তাকে দেখি কবিৰ প্ৰাণে কৈ উঠিছে —

"অমল ধৱল ৰূপ লৱনু সদৃশ
দিলে কোন বিশ্ব-খনিকৰে ;
দেখুৱাই দিয়া বাট যাওঁগৈ বিচাৰি
হাবি বন দেশ দীপান্তৰে।"

বিহগী কবিৰ সুন্দৰতম ৰচনা হ'ল তেওঁৰ চৰাই কবিতা কেইটি। ড° কাকতিয়ে কৈছে যে "প্ৰিয় বিহঙ্গিনী" আদি কবিতাৰ পৰা আৰম্ভ কৰি 'দহিকতৰা' লৈকে সমভাবাপন্ন কবিতাবোৰ চিৰকৌমাৰ্যব্ৰতী অসমীয়া কবিৰ কামনাবিহীন অতিন্দ্ৰীয় প্ৰেমৰ বুৰঞ্জী মাথোন।" এই প্ৰেমত মাদকতা নাই, আছে একপ্ৰকাৰ তন্ময়তা। চৰাইৰ মাতত তেওঁৰ বাবে বিশ্ব-সংসাৰ মধুময় হৈ পৰে। তাৰ মাজতে তেওঁ সন্ধান কৰে মধুময়তাৰ উৎস এক চিৰসুন্দৰৰ। এইফালৰ পৰা তেওঁৰ কবিতাৰ মাজত এক ৰহস্যবাদী ভাৱধাৰাও চকুত পৰে।

এটি অখ্যাত চৰাই দহিকতৰা। তাৰ গীতৰ মাজত সাধাৰণৰ বাবে কোনো আকৰ্ষণ নাই। অথচ কবিৰ সৌন্দৰ্য-পিয়াসী মনে তাৰ মাজতো বিচাৰি পাইছে অন্তহীন অমৃতৰ সন্ধান। চৰাইটিৰ মাতত যেন বুজা-নুবুজা সাঁথৰৰ সম্ভেদ —

"আলোক নে অন্ধকাৰ সুদূৰ প্ৰান্তৰ
কোন সাগৰৰ পৰা
অমৃত গৰল ভৰা
মেলি দিছ সঁফুৰাটি মোহিনী কণ্ঠৰ
বই গ'ল বিশ্বব্যাপি দিক্-দিগন্তৰ!"

দহিকতৰাৰ আগমনৰ লগে লগে প্ৰকৃতি-জগতত জাগৰণ ঘটে। বননিৰ শ্যামল পাটীত শেৱালি ফুলে সিঁচে মুকুতা-মণি। পুখুৰীত জিলিকে পদুম। শৰতৰ পৰশত সোণবৰণৰ হৈ পৰে সেউজী প্ৰকৃতি। এখোজ-দুখোজকৈ আহে বসন্ত। গছ-বন কিবা এক অভিনৱ হৰষত শিহৰিত হৈ উঠে। সকলোৰে মূলতে আছে দহিকতৰাৰ গীতে আনি দিয়া সজাগতা। পখীটিৰ গীতৰ মোহত কেৱল মৰ্ত্য-ভূমিয়েই নহয়, সৰগতো যেন প্ৰাণ-চাঞ্চল্য নামে।

"মেঘকন্যাসবে পিন্ধি তড়িতৰ হাৰ,
গাত-লই নীলাম্বৰী
আবোৱানখনি ধৰি
আগ্ৰহেৰে দিছে তোক প্ৰীতি-উপহাৰ,
কুঞ্জে কুঞ্জে ঘূৰি কত কৰিছ বিহাৰ!"

লুইতৰ পাৰে পাৰে ৰূপৰ পোহাৰ বহিছে কেৱল যেন দহিকতৰাৰ গীতৰ বাবেই। সোণাৰুৱে সোণালী ৰঙেৰে আকাশৰ বুকুত প্ৰেমৰ কবিতা লিখিছে, কঁহুৱাবনে বতাহত হালি-জালি শুকুলা ৰঙৰ পোহাৰ পাতিছে। সোণালী ৰহণেৰে জিলিকি উঠিছে সৰিয়হডৰা। সকলো ফুলৰ প্ৰেমভৰা উপচাৰ যেন আগবঢ়োৱা হৈছে এই মধুকণ্ঠী চৰাইটিৰ বাবেই। চম্পা, মালতী, তগৰৰ সুবাসেৰে মদিৰ হৈ পৰা বতাহত উলাহৰ লহৰ উঠে। মৌ-পিয়া, পখিলা ৰঙতে হৈ পৰে চঞ্চল।

কবিৰ যেন নতুনকৈ চকুত পৰিছে বিশ্ব-সংসাৰৰ মাজত বৈ থকা মৰম আৰু পাৰস্পৰিক প্ৰণয়ৰ মধুৰ চিত্ৰবোৰ। দহিকতৰাৰ গীতে তেওঁৰ মনৰ চকু মুকলি কৰিলে। কিন্তু এই মধুকণ্ঠী চৰাইটিৰ বিষয়ে অন্য কবিৰ কলম নিবৰ দেখি তেওঁ সুধিবলৈ বাধ্য হৈছে—

"কবি লেখনীত তই নুফুটিলি কিয়?
ৰূপ তোৰ নাই দেখি
অনাদৃতা হ'লি নেকি
হ'লি জীৱ-জগতৰ অতি ক্ষুদ্ৰ জীৱ
কিন্তু প্ৰিয়ে তয়ে মোৰ অতি প্ৰাণপ্ৰিয়।"

"কোমলতা, পবিত্ৰতা, সৌন্দৰ্য-মাধুৰী"ৰে ভৰা চৰাইৰ গীতে কবিৰ মনলৈ অতীতৰ সুন্দৰ দিনবোৰৰ ছবি চপাই আনিছে।

শৈশৱৰ মধুৰ দিনৰ ছবিবোৰ পখীৰ গীতৰ সুৰে সুৰে কেনেকৈ চাপি আছে, তাৰ উল্লেখ আছে অন্য এটি বিহগ কবিতা 'গোৱা হে এবাৰ মোৰ প্ৰিয়

বিহঙ্গিনী' নামৰ কবিতাটিত। সংসাৰৰ তাপক্লিষ্ট মানুহৰ বাবে পখীৰ গীত হ'ল এছাটি শান্তিৰ বা। পখীয়ে যেন বহন কৰে কোনোবা সৰ্বশক্তিমানৰ বতৰা। তেওঁৰ প্ৰেমভৰা হৃদয়ৰ উমান দি সংসাৰত বিহগে গীতৰ মায়াজাল তবে। গীতৰ আঁৰত থকা সেই প্ৰেমময়ক বিচাৰি কবিয়ে কৈছে—

"বিহগী নোহোৱা তুমি কাৰ প্ৰেমাধীনি।
কোনেনো কৰিলে কোৱা
অমৃতৰ ভাৰ বোৱা,
কোন সেইজন প্ৰেম-কৰুণাৰ খনি
দেখুৱাই দিয়া মোক প্ৰিয় বিহঙ্গিনী।"

কবিৰ বাবে সুন্দৰ বস্তু মাত্ৰেই সৰগৰ দূত। সামান্যৰ মাজতে অসামান্যৰ সম্ভেদ পাই তেওঁ উপস্থিত হয়গৈ ৰহস্য-জগতৰ দুৱাৰডলিৰ ছায়া-মায়া পোহৰত। এই ৰহস্যৰ সঁচাৰকাঠি লৈয়ে আহিছে কেতেকীজনী,

"ক'ৰ পৰা তই আহিলি সোনাই
কোন দিশে যাব উৰি,
কিয় বা ফুৰিছ দূৰ দূৰণিত
অকলই ঘূৰি ঘূৰি ?"

এই অপৰূপ প্ৰাণীটি এই জগতৰ যেন কবিৰ লগা নাই। নিজান প্ৰান্তৰ সুৰেৰে মুখৰিত কৰি, গিৰিশিখৰত সুৰৰ খলকনি তুলি আপোন মনেৰে বিচৰণ কৰা কেতেকীজনী পাপ-প্ৰলোভন-ভয়-বিভীষিকাৰ পৰা মুক্ত কোনোবা পবিত্ৰপুৰীবহে যেন বাসিন্দা। কিন্তু সেই পুণ্য নগৰী এৰি মানুহৰ মাজত কি বিচাৰি আহিছে এই দেৱদূতী পখী ? পাতৰ মাজৰ এধানি ঘৰখন এৰি, লগৰ লগৰী এৰি মানুহক বুকুৰ সুৰ উজাৰি শুনোৱা কেতেকীলৈ কবিৰ সকিয়নী—

"নহয় ই ঠাই নন্দন কানন
নহয় অমৰাৱতী,
আচল পিছল আছে বহুবাট
আছে বহু লটিঘটি।"

এই মৰমভৰা বাণীৰ মাজত যেন সোমাই আছে কবিৰ আপোন জীৱন-যাত্ৰাৰ ঘাত-প্ৰতিঘাত ভৰা অনুভৱ। কবিয়ে দেখিছে, ক'তোৱেই যেন নিঃস্বাৰ্থ মৰমৰ উঁহ নাই, সকলোতে মাথোন লোভ-মোহৰ মায়াজাল। মানুহৰ মাজত প্ৰকৃত প্ৰীতিৰ সন্ধান নোপোৱা কবিয়ে বিহগ-কণ্ঠৰ মৌমিঠা-সুৰতে বিচাৰি পাইছে স্বৰ্গীয় প্ৰেমৰ আশ্বাস—

"তোৰেই নিচিনা জীৱ আছে দেখি
আছে মৰমৰ ভাষা

কোমল হাঁহিটি কটাক্ষ চাৱনি
তয়ে নিৰাশাৰ আশা"

'কেতেকী' কাব্য-গ্ৰন্থৰ প্ৰথম তৰংগত এয়ে হৈছে মূলভাৱ। বিস্ময় আৰু পুলকেৰে ভৰা হৃদয়েৰে কবিয়ে কেতেকীক সকলো শুভ আৰু মংগলৰ প্ৰতীকৰূপে আদৰি লৈছে।

দ্বিতীয় তৰংগত কবিৰ কেতেকীৰ যেন ৰাজৰাণী বেশ। প্ৰকৃতিজগত কেতেকীৰ আগমনত উখল-মাখল, কেতেকীৰ গীতৰ বাবেই যেন ফুল ফুলে, মলয়া বলে, সুন্দৰ হৈ উঠে বাসন্তী পৃথিৱী। তাইৰ গীতৰ সুৰত সবাৰে হিয়াত লুকাই থকা মৰম-ভালপোৱা আপোনা-আপুনি সাৰ পাই উঠে। প্ৰকৃতিজগতৰ দৰে মানৱজগততো উঠে আলোড়ন। প্ৰকৃতি জগতত নৱ-বসন্তৰ উন্মেষ ঘটোৱা কেতেকীজনীয়ে গাভৰুহঁতৰ বাসন্তী মনত মধুৰ বিপৰ্যয়ৰ সৃষ্টি কৰে।

তৃতীয় তৰংগত কেতেকীৰ মাজত কবিয়ে বিচাৰি পাইছে বহু দূৰ-অতীতৰ সোঁৱৰণী। কল্পনাৰ ডেউকা মেলি ভ্ৰমণ কৰিব পৰা কবিয়ে কণ্বমুনিৰ আশ্ৰমত সুন্দৰী শকুন্তলাক দেখিছে প্ৰিয়জনৰ চিত্ৰ অংকন কৰি থকা অৱস্থাত। কিন্তু কেতেকীৰ সুৰে দুচকুৰ পানীৰে ভৰাই পেলোৱাত অশ্ৰু টোপালে সেই ছবি বিয়পাই পেলালে। কেতেকীৰ গীতত আছে প্ৰণয়ৰ উন্মাদনা জগাই তুলিব পৰা যাদু। সেয়েহে কবিয়ে কৈছে—

"প্ৰণয় পুৰীতো কঞ্চুকীৰ দৰে
গতি তোৰ অনিৰ্বাৰ,
তোৰ ইংগিততে নায়ক-নায়িকা
লভে সুখ অভিসাৰ।"

প্ৰণয়ীজনৰ মনত বিষাদ-অনুভূতি জগাই তোলা কেতেকীয়ে বিৰহীজনলৈ উলাহৰ বাণীও কঢ়িয়াই নিয়ে। হাঁহি-কান্দোনৰ সান-মিহলিৰে তাইৰ মাতে শুনোতাৰ প্ৰাণক দিয়ে বিচিত্ৰ অনুভৱ।

কোনোবা পবিত্ৰ পুৰীৰ বাতৰি বহন কৰা কেতেকীক কবিয়ে নিজৰ দুখ-বেদনাৰ ভাগ দিছে চতুৰ্থ তৰংগত। যাৰ গীতৰ সুৰত আকাশ তৰাৰে ভৰে, মেঘে লয়লাসে বিচৰণ কৰে, বিলৰ বুকুত পদুম ফুলে, সেই কেতেকীৰ গীতত কবিয়ে বিচাৰি পাইছে অসীমৰ এটি আহ্বান। স্বৰ্গীয় প্ৰেমৰ জ্যোতিত অন্তৰ উদ্ভাসিত হৈ পৰা কবিয়ে পখীটিক কৈছে—

"ময়ো যাওঁ ৰ'বি প্ৰেমপুৰী লই
প্ৰেমৰ ভুৰত উঠি
প্ৰেমময়ে য'ত প্ৰেমৰ প্ৰসাদ
বিলায় মুঠিয়ে মুঠি।"

পঞ্চম তৰংগত দুখ-বেদনা আৰু অভিমানেৰে কবিৰ কোমল হৃদয় ভৰি পৰিছে। কাৰণ—"নাম গাই গাই উৰি গ'ল পখী দুনাই নাহিল ঘূৰি।" অকলশৰীয়া কেতেকী কিয় গুচি গ'ল, ক'লৈ গুচি গ'ল এনেবোৰ চিন্তাই তেওঁক বিচলিত কৰিছে। মাজে মাজে তেওঁৰ অবুজ মনৰ অভিমান, কি জানিবা বাটৰ ভিকহু বুলি কেতেকীয়ে তেওঁক ভুৱা দিয়েই আঁতৰি গ'ল।

ড° কাকতিয়ে 'কেতেকী'ৰ সমালোচনা প্ৰসংগত বিহগী কবিৰ বৰ্ণনা-শক্তিক মহাকবি কালিদাসৰ প্ৰতিভাৰে সৈতে তুলনা কৰিছে। মহাকবিৰ 'কুমাৰ-সম্ভৱ' কাব্যত বসন্তকালৰ প্ৰাণ মতলীয়া কৰা ছবি এখনি পোৱা যায়। বিহগী কবিৰ কাব্যত "বসন্তৰ হিল্লোলত পৰ্বত, প্ৰান্তৰ, ভূচৰ, খেচৰ এনেকি জড়-জগতো বিকম্পিত হৈ উঠিছে।" কবিৰ আলংকাৰিক বাক্যসমূহে কেৱল কল্পনাৰ আলসুৱা ছবি অঁকাতে ক্ষান্ত নাথাকি মাজে মাজে বাস্তৱসম্মত মোহনীয় চিত্ৰও দাঙি ধৰিছে।

বিহগী কবিৰ কবিতাসমূহৰ শ্ৰেষ্ঠতম আকৰ্ষণ হ'ল এইবোৰৰ মাজত উৎকৃষ্ট শব্দৰ সুবিন্যাস আৰু চিত্ৰ-প্ৰয়োগ। তেওঁৰ কবিতাত কেতিয়াবা সংস্কৃতগন্ধী শব্দৰ হেতা-ওপৰা লাগিলেও সেয়া ইমান কলাসন্মতভাৱে প্ৰয়োগ কৰা হয় যে ফলত কবিতাটিৰ বহণ চৰেহে। উদাহৰণ স্বৰূপে 'গিৰিমল্লিকা' কবিতাটোলৈ আঙুলিয়াব পাৰি। তেওঁৰ শব্দৰ মায়াজাল ৰচনাৰ সুন্দৰ উদাহৰণ হ'ল 'কেতেকী'ৰ এটি স্তৱক—

"মধুবিমাময় মধুকণ্ঠে তোৰ
মধুৰ সংগীত তালে
মধুৰে মধুৰে মধুময় কৰি
মাধৱী মাধুৰী খেলে।"

বিহগী কবিৰ কবিতাত প্ৰকৃতিয়েই প্ৰধান উপজীব্য যদিও তাকে কেন্দ্ৰ কৰি ৰহস্যবাদৰ সুৰ এটিও ধ্বনিত হোৱা শুনা যায়।

ৰহস্যবাদী কবিসকলে সকলো সুন্দৰ বস্তুৰ আঁৰতে বিচাৰি পায় এক মংগলময় শুভ শক্তিৰ অৱস্থিতি। কবি চৌধাৰীয়েও প্ৰকৃতিৰ বুকুত দেখিছে আনন্দৰ মহামেলা। 'বহাগীৰ বিয়া' কবিতাত ইয়াৰ বিস্তৃত বিৱৰণ আছে। এই সকলো ৰূপ আৰু উলাহৰ মূল উৎসৰূপে থকা শুভ শক্তিৰ সান্নিধ্যৰ বাবে কবিৰ হৃদয় লালায়িত হৈ পৰিছে। তদুপৰি তাৰ মাজতে ফুটি উঠিছে নিজৰ ব্যক্তিগত জীৱনৰ শূন্যতাৰ কথা। তেওঁ মানুহৰ সংসাৰ ভাল নাপায়, কাৰণ ইয়াত আছে কপটতা আৰু ছলনা। কিন্তু প্ৰকৃতিৰ বুকুত আছে মাথোন উদাৰতা আৰু শান্তি। সেয়েহে মনেৰে তেওঁ বিচৰণ কৰে প্ৰকৃতিৰ মায়াভৰা বুকুত। মানুহৰ সংগ তেওঁ নিবিচাৰে —

"বনৰ চৰাই পহু বনে বনে আছে বহু
সিহঁতেই সংগী মোৰ জীৱনে-মৰণে।"

তেওঁৰ বাবে সকলো মধুৰতা আৰু সৰগী আনন্দ অকৃত্ৰিম ৰূপেৰে পোৱা সম্ভৱ একমাত্ৰ প্ৰকৃতিৰ বুকুতহে। প্ৰকৃতি তেওঁৰ মাতৃ, প্ৰিয়া আৰু বান্ধৱী। প্ৰকৃতি তেওঁৰ জৰ্জৰিত জীৱনত শান্তিৰ নিৰ্জন দ্বীপ।

## ৩.৩.২ পাৰ্বতীপ্ৰসাদৰ গীতি-কবিতাত প্ৰকৃতিৰ সুৰ ঃ

"জোনাক জোনাক শীতল জোনাক
চাই মোৰ চকুলো সৰে
অন্তৰ মোৰ উগুল থুগুল
উদাস আকুল কৰে।"

জোনাক চাই চকুলো সৰাৰ এই মনোৰম শীতল অনুভূতি আছে পাৰ্বতীপ্ৰসাদৰ কবিতাত। তেওঁৰ গীত আৰু কবিতাৰ এটা ধাৰাই প্ৰকৃতিৰ মাজত সৌন্দৰ্যৰ খনি আৱিষ্কাৰ কৰি আপোনপাহৰা হয়। এই সৌন্দৰ্য ধূসৰ আৰু ছায়া-মায়া লক্ষণেৰে ভৰা। ফুল-পাতেৰে ভৰা যি সাধাৰণ প্ৰকৃতিক তেওঁ প্ৰত্যক্ষ কৰে, তেওঁৰ কবিপ্ৰাণৰ পৰশ লাগি সেই প্ৰকৃতিয়েই অসাধাৰণ হৈ জিলিকি উঠে। কিছুমান কবিতাৰ মাজত দীপ্তিমান হৈ আছে তেওঁৰ উদ্ভাৱনী প্ৰতিভা। দুবৰিৰ পাতত লাগি থকা নিয়ৰৰ টোপাল দেখি তেওঁৰ কবি প্ৰাণে ভাবিছে —

"হৰিণীৰ চকুতে পানী বিৰিঙিলে
এটুপি দুটুপি সৰে;
দুবৰি খাওঁতে চকুপানী টুপি
দুবৰিতে লাগি ধৰে।"

গীতিকবিজনৰ সমগ্ৰ কবিতাৰ মাজত প্ৰকৃতিৰ ৰূপৰ টুকুৰা উপচি আছে। সেইবোৰ সজাই লৈ চালে চকুত পৰে শৰতৰ ৰূপেই যেন তেওঁৰ চকুত ধৰা পৰিছে বেছি। "সাৰ পাই উঠি খিৰিকি মেলি" তেওঁৰ চকুত পৰিছে শুকুলা শৰতৰ অপূৰ্ব শোভা। এই মুগ্ধতাই জন্ম দিয়া তেওঁৰ কাব্যপুথি 'শুকুলা ডাৱৰ ঐ কঁহুৱা ফুল'ৰ মাজত শাৰদীয় সৌন্দৰ্যৰ যেন মেলাহে বহিছে।

এইখনি পুথিত আছে ভাব-ভাষা-ছন্দৰ এক অদ্ভুত মায়াজাল। প্ৰতিটো খাপ খাই পৰা শব্দ যেন সাতসাগৰ সিঁচি বিচাৰি অনা একোটা মুকুতা মণিহে। প্ৰকৃতিৰ বুকুৰ সম্পদ বুটলি ৰচনা কৰা তেওঁৰ কবিতাত এটি মাটিৰ গোন্ধো পোৱা যায়; যেনে—"ওপঙি আহিলেঁ লেক্‌লৌ পৰুৱা শুকাবৰ বাঢ়নি পানী", "তাৰ নাও বোলে হেনো শৰত কোঞ্চৰ" আদি। 'ধূপ-ছায়া' জাতীয় নতুন শব্দৰ লগে লগে 'নিশা হ'ল পৰভাত', 'ধৱলী বৰণ' আদি বৰগীতৰ শব্দৰ সযত্ন প্ৰয়োগৰ দ্বাৰা তেওঁ প্ৰকৃতিৰ অমল ৰূপৰ প্ৰাণ-পৰশা ছবি আঁকিছে।

কবিৰ চকুত পৰে ডাৱৰৰে সৈতে সূৰুযৰ যুঁজ অথবা পোহৰৰ কাড়েৰে ডাৱৰে সূৰুযক কৰা বিতাড়ন। তেওঁ শুনিবলৈ পাই মাটিৰ বুকুত মেঘৰ সুৰ।

হয়তোবা প্ৰকৃতিৰে সৈতে একান্ত আৰু ঘনিষ্ঠ হোৱা বাবেই প্ৰকৃতিয়ে তেওঁক দিছে বিবিধ শিক্ষাৰ পাঠ। কাৰণ প্ৰকৃতিপ্ৰিয় হৃদয়ক সদায়েই প্ৰকৃতিয়ে দিয়ে বিভিন্ন অভিজ্ঞতাৰ উপহাৰ। পাৰ্বতীপ্ৰসাদৰ নয়ন নীলিমৰ ৰূপ-সাগৰত বুৰ গৈছে। তেওঁ দেখিছে মাথোন সৌন্দৰ্যৰ মহামেলা। এই সৌন্দৰ্য নয়নত প্ৰতিভাত হোৱাৰ পিছত তেওঁ হৃদয়ত অনুভৱ কৰিছে—

"বাহিৰত যি ৰূপ কায়া
ভিতৰত তাৰ পৰে ছায়া
হিয়াৰ মাজত অপৰূপে
কৰিছে মন হৰণ"

কথিত শব্দৰ সঘন প্ৰয়োগৰ মাজত কবিয়ে পাঠকক কল্পলোকৰ বম্যবনত উপস্থিত কৰায়গৈ। "কোনোবা পৰীৰ ডেউকা দুখনি মনে মনে কৰি চুৰ" তেওঁ মহাশূন্যত উৰি ফুৰিছে; অথচ "দূৰে দূৰে ভুমুক মাৰি" "পোহৰ-উজ্জ্বল-ৰূপ-জেউতি"ত কবিৰ হৃদয় হৰণ কৰোঁতাজনক তেওঁ লগ ধৰিব পৰা নাই। শেৱালিৰ মাদকতা ভৰা সুবাসত, ব'দ পৰি তিৰ্‌বিৰোৱা নিয়ৰকণাত, লুইতৰ দুপাৰে গা-ভাঙি নচা কঁহুৱা বনৰ মাজত সেই পৰম সুন্দৰক এপলক পালেও নিমিষতে তেওঁ হেৰাই যায়। কবিয়ে দেখা পায় এটোপাল নিয়ৰতে জ্যোতিময় সুন্দৰৰ প্ৰকাশ। অথচ—

"হাতেৰে ধৰিলে পোহৰ সৰি পৰে
ব'ৰাগী বলিয়া হয়।"

'বীণ-ব'ৰাগী'ৰ কবিয়ে নিয়ৰ বিন্দু দেখি 'ফুলনিত কোনে নিশা নাচিছিল, ছিগি বৈ গ'ল মণি" বুলি কোৱাৰ দৰে আমাৰ কবিয়েও কৈছে—

"জোনাকী নিশাত 'কাৰে ঐ
মুকুতাৰ মণি সৰি গ'ল?
জানোচা শৰতে এৰি থৈ গ'ল?"

অন্য এক দিখৌপৰীয়া কবি দুৰ্গাৰ কবিতাৰ কিছুমান জনপ্ৰিয় চিত্ৰকল্পৰ প্ৰতিফলনো যেন পাৰ্বতীপ্ৰসাদৰ কবিতাত ধৰা পৰে। টুলুঙা নাও, সেউজী পাম আদিৰ প্ৰতীক ব্যৱহাৰ কৰাৰ বাহিৰেও দুৰ্গাৰ "সোণালী ৰথত আলোকি বিমান, মাৰিলে সূৰুযে সোণালী কাড়"ৰ সাদৃশ্যত তেওঁ কৈছে—

"পোহৰৰ কাড়েৰে ডাৱৰ সৰকালে
আন্ধাৰ কৰবালে গ'ল।"

পাৰ্বতীপ্ৰসাদৰ—

"নিলগত জিলিকা চাপৰিটি চাই
টুলুঙা নাওখন বা

আকৌ চোন এবাৰ জীৱনত তোৰ
সেউজী পাম নে মা।"

চন্দ্ৰৰ কবিতাৰ মাজত ভাগৰুৱা মনৰ শান্তিৰ কামনা দেখা যায়। প্ৰকৃতিৰ মাজতে তেওঁৰ সকলো মনোভাব ব্যক্ত কৰাৰ আহিলা সোমাই আছে। শান্তিৰ আশ্ৰয় বুজাবলৈ সেউজী শাম আৰু অশান্তিৰ আধিক্য বুজাবলৈ তমোময় ৰ'দ অতি সাৰ্থক শব্দ।

কবিৰ বাবে প্ৰকৃতি মায়াময়। আবেশ মদিৰ। প্ৰকৃতিৰ সীমাহীন ৰূপে তেওঁৰ মনত ধাৰণা জন্মাইছে, এই সকলোৰে মূলত থকা কোনোবা চিৰসুন্দৰৰ অস্তিত্বলৈ। সাধাৰণ আৰু ক্ষুদ্ৰ বস্তু একোটাও তেওঁৰ দৃষ্টিৰ পৰা সাৰি যোৱা নাই। এখানি টিপচিৰ অকণমানি বুকুত পুৱাৰ ৰদে জগাই তোলা উল্লাহ, আশ্ৰয়চ্যুত টুনীৰ বেজাৰ, লুইতৰ লহৰত পোহৰৰ খেলা, কুঁহিপাতৰ বুকুত জিলিকি উঠা সেউজী বৰণ — এই সকলোবোৰে তেওঁৰ হৃদয়ত তোলা খলকনি কবিতাবোৰত প্ৰতিফলিত হৈছে।

## ৩.৩.৩ অতুলচন্দ্ৰ হাজৰিকাৰ কবিতাত প্ৰকৃতি ঃ

'তপোবন'ৰ কবি অতুলচন্দ্ৰ হাজৰিকাৰ কবিতাৰ সংখ্যা যিদৰে বিশাল, তাৰ বক্তব্যৰ পৰিধিও সেইদৰে বিস্তৃত। তেওঁৰ কবিতাত নানা ভাব আৰু অনুভূতিৰ বৈচিত্ৰ্য লক্ষ্য কৰা যায়। বিবিধ উপলক্ষ্যত ৰচনা কৰা তেওঁৰ কবিতাসমূহে কবিজনাৰ কবি-প্ৰতিভাৰ স্বচ্ছন্দ প্ৰবাহৰ ইংগিত দিয়ে। হাজৰিকাৰ কবিতাবোৰৰ একাংশ হ'ল প্ৰকৃতি বিষয়ক। ৰসগ্ৰাহী দৰ্শকৰূপে প্ৰকৃতিক তেওঁ যিভাৱে প্ৰত্যক্ষ কৰিছে, সেইভাৱেই দাঙি ধৰিছে।

প্ৰকৃতিৰ প্ৰতি কবিৰ ধাৰণা ফুটি উঠিছে তেওঁৰ 'প্ৰকৃতি' নামৰ কবিতাটোত। তেওঁ কৈছে—

"প্ৰকৃতি সৌন্দৰ্য্যময়ী
ৰহস্যৰূপিনী
ছয় ঋতু, বাৰ মাহে
কৰে ৰূপ সলনি॥
বসন্তত মনোৰমা
পুষ্পবেনীধাৰিনী,
মধুগন্ধা মধুছন্দা
মদন মন মোহিনী॥"

ঋতুৰে ঋতুৰে প্ৰকৃতিৰ নানা ৰূপ। সেই ৰূপৰ মধুৰ ৰহস্যৰ পাৰ পোৱা টান। যুগে যুগে কবি-মহাকবিয়ে প্ৰকৃতিৰ ৰূপৰ ছবি আঁকি গৈছে ; কিন্তু তাতো যেন অতৃপ্তি। প্ৰকৃতিৰ সীমাহীন ৰূপ-ৰহস্যৰ যথাযথ মূল্যায়ন কৰা সহজ নহয়। কবিৰ কথা—

"অখণ্ড বীণত বাজে
প্ৰকৃতিৰ সুৰ,
বিন্দুসমা তিলোত্তমা
লেখনিত মোৰ।"

ৰূপসিন্ধুৰ এটি বিন্দু বুটলিবলৈ তেওঁৰ প্ৰয়াস। এই প্ৰয়াসতে সৃষ্টি হৈছে তেওঁৰ প্ৰকৃতিৰ কবিতাসমূহৰ। হাজৰিকাৰ 'বহাগী' নামৰ কবিতাটোত বহাগৰ ছবি এখনি পোৱা যায়। এই ছবিয়ে বিহগী কবিৰ 'বহাগীৰ বিয়া' কবিতালৈ মনত পেলায়। কিন্তু চৌধাৰীৰ কবিতাত থকা প্ৰাণ উচ্ছল বৰ্ণনা হাজৰিকাৰ কবিতাত পাবলৈ নাই। ইয়াত মাথোন যথাযথভাৱে প্ৰকৃতিৰ এখনি ছবি ৰূপে বহাগৰ ৰূপ দাঙি ধৰা হৈছে—

"সোণালী সুৱাগী ৰূপহী বহাগী
ৰূপে-ৰসে ৰঙে ভৰা
লাহতী প্ৰকৃতি হ'ল যে ধুনতী
খোপাত আকাশী তৰা।"

বহাগীক সজাবলৈ প্ৰকৃতিয়ে আনিছে বিবিধ উপচাৰ। মদাৰে বহাগীৰ শিৰত সেন্দুৰ সানিলে, গোলাপে গালত বোল সানিলে। ৰং আৰু সুবাসৰ পোহাৰ মেলি ফুলৰ জগত যেন আনন্দত উতলা হৈ পৰিল। কইনা ৰূপেৰে জিলিকি উঠা বহাগক ইয়াত মনোৰমা ৰূপে দাঙি ধৰা হৈছে।

হাজৰিকাৰ প্ৰকৃতি-কবিতাত বসন্ত এটা মুখ্য বিষয়। বসন্তৰ আগমনত ৰূপৱতী হৈ পৰা ধৰাত তেওঁ দেখা পায় অভিনৱ সৌন্দৰ্য। তেওঁ অনুভৱ কৰে সংসাৰত জাগি উঠা যৌৱনৰ হিল্লোল। অনিন্দ্যসুন্দৰ বসন্তৰ পৰশত গছ-লতিকাৰ আৰু প্ৰাণী জগতৰো হৃদয়ত প্ৰণয়ৰ উন্মেষ ঘটে। তেওঁ দেখিছে—

"এটি ইংগিতৰ ললিত ভংগীত
বিশ্বপ্ৰকৃতিৰ ঘুমটি ভাঙিল
অংগে অংগে কিনো অনংগ-ৰাগত
মহা আনন্দত যৌৱন জাগিল।"

লতা আৰু বিৰিখৰ আলিংগনত প্ৰণয়ৰ যি চিৰন্তন ছবি ফুটি উঠিছে, সি যেন বসন্তৰেই জয়জয়কাৰ ঘোষণা কৰিছে। বসন্তৰ সংগী হ'ল কামদেৱ, যাৰ পঞ্চশৰৰ আঘাতত শিৱৰো ধ্যান ভংগ হয়। বছৰে বছৰে বসন্ত আহে, লগতে আহে ভুৱন বিজয়ী কামদেৱ—

"পঞ্চশৰ অজৰ অমৰ
মৰি মৰি জীয়ে বাৰেবাৰ,
জীৱনৰ মধু-বসন্তত
জনে জনে যাচে ভেটীভাৰ।"

বহাগ আহিলে বসন্ত আহে, বসন্তই আনে প্ৰণয়ৰ উন্মাদনা। এই প্ৰণয় স্থান-কালৰ জ্ঞানহীন। উন্মাদ। বসন্তই কৰিব নোৱাৰা অঘটন একো নাই। মহাযোগী শিৱক সংসাৰী কৰিলে বসন্তই। উৰ্বশীৰ প্ৰাণত চাঞ্চল্য জগাই পাষাণী কৰিলে। শূৰ্পনখাৰ দুৰ্গতিৰ মূলতেও এই বসন্ত। শকুন্তলাৰ প্ৰণয় পীড়াৰ মূলতেও বসন্ত। কৃষ্ণৰ মোহন বাঁহীৰ ধ্বনিত এই বসন্ততে গোপী উন্মাদিনী হৈছিল, আকুল হৈছিল ৰুক্মিণী। উষা-অনিৰুদ্ধৰ মদন দগ্ধ যৌৱনতো এই বসন্তৰে মাদকতা ভৰা প্ৰভাৱ আছিল।

ফুলৰ মাজত কবি-কল্পনাই গোধা মেলাটো এক চিৰন্তন ৰীতি। ফুলৰ ৰূপৰ উহ বিচাৰি কবিয়ে কল্পনা কৰি লয় নানা মনোমোহা কথা। কবি হাজৰিকাৰ কল্পনাত ফুলবোৰ যেন ষোড়শী গাভৰু। মধুমল্লিকা ৰূপৰ জ্যোতিত কবিৰ মন উদ্ভাসিত হৈ উঠিছে—

"মন কাননতো মোৰ হে মধুমল্লিকা।
তুমি এটি দীপলিকা ষোড়শী বালিকা।"

কবিৰ ফুলনিত থকা কনকচম্পা আৰু ৰজনীগন্ধাক দেখি তেওঁৰ ধাৰণা হৈছে এয়া যেন দুজনী ছোৱালীহে —

"কনকচম্পা, ৰজনীগন্ধা
দীপলিপ কন্যা দুটি
এজনী সোণালী, এজনী ৰূপালী
লক্ষ্মী আৰু সৰস্বতী।"

ফুলে তেওঁক দিছে স্বাভাৱিক এক আনন্দ। এই সৰল-সহজ আনন্দত বিহগী কবিৰ দৰে তন্ময়তাৰ প্ৰকাশ নাই।

হাজৰিকাৰ বৰ্ষা কবিতাবোৰ বাৰিষাকালৰ যথাযথ চিত্ৰ। এইবোৰত প্ৰকৃতিৰ শোভাতকৈ বেছি প্ৰকট হৈ উঠিছে বাৰিষাৰ সৃষ্টি আৰু ধ্বংসৰ ছবি। নৈ-উপনৈত উপচি উঠা পানী, বুঢ়া লুইতৰ ভৰপূৰ ৰূপ, কৃষ্ণচূড়াৰ ৰঙা বোল আৰু গছে-বনে উঠা সেউজী ৰহণ—এই সকলোবোৰৰ বৰ্ণনা থাকিলেও সেইবোৰত কল্পনাৰ কোমল বোল নাই। সকলো বাস্তৱৰ ছবি। বৰষুণৰ বতৰত নাঙল লৈ ওলাই অহা কৃষকৰ সোণালী সপোনৰ কথাও কবিয়ে কৈছে। বৰ্ষাৰ ভয়াবহ ৰূপটোৰ ছবি দাঙি ধৰিবলৈও কবিয়ে পাহৰা নাই। বৰদৈচিলা অহা বতৰত সৃষ্টি আৰু ধ্বংসই একেলগে দেখা দিয়ে—

"নামি আহে নাচি নাচি
জাকে জাকে বৰষুণ,
বাজি উঠে বতাহত
নূপুৰৰ কণ্জুন।

আকাশৰ বুকু ভাগি
শিজনোৰ পৰে সৰি
চপৰাচপৰ শিল
ৰৰফেৰে প'ল ভৰি।"

হাজৰিকার কবিতাত শৰতৰ বন্দনাও চকুত পৰে। আহিন মাহৰ শেৱালি, নিয়ৰ আদিক লৈও তেওঁ কবিতা ৰচিছে। এইবোৰ কবিতাত ভেট-পদুমেৰে ভৰা, শেৱালিৰ সুবাসে ওপচা, কঁহুৱাবনে সজাই তোলা শুকুলা শৰতৰ ছবি পোৱা যায়। 'নিয়ৰ' কবিতাত ৰিণিকি ৰিণিকি শুনা যায় চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ প্ৰতিধ্বনি।

হেমন্তৰ সোণালীৰূপৰ মাজত জিলিকি উঠা ভৰপূৰ তৃপ্তি আৰু আনন্দৰ ছবি এখনিও তেওঁ দাঙি ধৰিছে। শীতৰ প্ৰকৃতিৰ শুকুলা ৰূপো তেওঁৰ কবিতাত পোৱা যায়। সেইদৰে ফাগুন মাহৰ ধূলিৰ ধুমুহাৰ কথাও তেওঁ বাদ দিয়া নাই।

'বাৰমাহী' নামৰ কবিতাত তেওঁ বছৰৰ বাৰমাহে হোৱা প্ৰকৃতিৰ বিচিত্ৰ পৰিৱৰ্তনৰ ছবি আঁকিছে। এই পৰিৱৰ্তন কেতিয়াবা ৰূপে-ৰসে ভৰা। মনোৰমা। কেতিয়াবা প্ৰলয় নাচোনেৰে ভয়াবহ। প্ৰকৃতি পৰিৱৰ্তনৰ লগে লগে মানৱ-জগততো আনন্দ, আতংক আৰু হাঁহি-বিষাদৰ পৰিৱৰ্তন আহে। এই পৰিৱৰ্তনৰ প্ৰতিটোৱেই স্বাভাৱিক আৰু অসমৰ বাস্তৱ চিত্ৰ।

অসমৰ পৰ্বত-পাহাৰ আৰু নদীসমূহলৈও কবি হাজৰিকাই অসংখ্য কবিতা ৰচনা কৰিছে। কিছুমান কবিতাত নদীসমূহৰ বুৰঞ্জীও দিবলৈ যত্ন কৰা হৈছে। তেওঁৰ প্ৰকৃতি কবিতা অলৌকিক কল্পনাৰে সমৃদ্ধ নহয়। চকুৰে দেখাৰ দৰে আৰু হৃদয়েৰে অনুভৱ কৰাৰ দৰে তেওঁ প্ৰকৃতিৰ ভাল-বেয়া দুয়োটা দিশৰেই ছবি আঁকে। অসমৰ চিনাকি প্ৰকৃতি তেওঁৰ কবিতাৰ বিষয়। আলোকচিত্ৰৰ দৰে তেওঁ প্ৰকৃতিৰ ৰূপ সংৰক্ষণ কৰে, পাৰভগা সপোনত কেতিয়াও উটি নাযায়। প্ৰকৃতিৰ আলমত অতীতত বিচৰণ কৰিলেও দিঠকৰ বুকুলৈ তেওঁ পিছ মুহূৰ্ততে ঘূৰি আহে।

॥ চতুৰ্থ অধ্যায় ॥

# অসমীয়া কবিতাত দেশপ্ৰেমৰ সুৰ

## ৪.১ অসমীয়া কবিতাত দেশপ্ৰেম ঃ

দেশপ্ৰেম কবিতাৰ এটি পুৰণি বিষয়। অসমীয়া কবিতাত জোনাকী যুগে অনা নতুন লহৰত দেশ-প্ৰেমৰ উজ্জ্বল প্ৰকাশ প্ৰথমে চকুত পৰে। দেশপ্ৰেমৰ কবিতাৰ মাজত সাধাৰণতে আৰু দুটা ৰূপ লুকাই থাকে। সেয়া হ'ল বিদ্ৰোহ আৰু আশাবাদ। কবিৰ স্পৰ্শকাতৰ মনত দেশলৈ থকা সীমাহীন প্ৰীতিয়ে বিদ্ৰোহে স্পন্দন তোলে, দেশ আৰু জাতিৰ দুৰ্দশাই সেইদৰেই ক্ষোভৰ সৃষ্টি কৰে। কবিসকলে সদায়েই পোষণ কৰে সবল আশা। সেই আশাৰ লক্ষ্য হ'ল এখন সবল আৰু সুন্দৰ মাতৃভূমি গঢ়ি তোলা। ৰমন্যাসিক যুগৰ কবিতাত দেশ-প্ৰেমৰ প্ৰভাৱ আছিল সবল আৰু স্পষ্ট। নতুন কবিতাত ইয়াৰ প্ৰকাশ জটিল আৰু কিছু পৰিমাণে অস্পষ্ট।

পুৰণি কবিসকলৰ প্ৰায় প্ৰতিজনেই কম-বেছি পৰিমাণে দেশপ্ৰেমৰ কবিতা ৰচনা কৰিছে। কিন্তু তাৰ ভিতৰত দেশপ্ৰেমেই প্ৰধান বিষয়ৰূপে জিলিকি আছে মাথোন দুজনমান কবিৰহে। বেজবৰুৱাৰ কবিতাৰ প্ৰকৃতি সান-মিহলি ধৰণৰ। তেওঁ কল্পনাৰ ডেউকাৰে উৰা মাৰি প্ৰিয়া আৰু প্ৰকৃতিৰ ৰূপ চাবলৈ জানে। মাটিৰ মানুহৰ মাজত থকা সীমাহীন শক্তিৰ কথাও জানে। তেওঁ আশাবাদী। 'বীণ আৰু ব'ৰাগী' কবিতাত এই আশাবাদ সুন্দৰকৈ ফুটি উঠিছে। তেওঁৰ মনত জাগিছে অতীত-অসমৰ শৌৰ্য-বীৰ্য ভৰা এখন ছবি। তেওঁ কৈ উঠিছে—

> "শুনা ঐ ব'ৰাগী
> আনন্দ কাহিনী
> অসমৰ যশৰাশি
> হিয়া মোৰ হেৰ'
> বলৱন্ত হোক
> পৰাণ উঠক উল্লাসি।"

অতীতত কেৱল সুখৰ ছবিয়েই নাই, বেজাৰ আৰু গ্লানিৰ কথাও আছে। কিন্তু সেইবোৰ দুখদায়ক দিশলৈ মন কৰিবলৈ কবিৰ ইচ্ছা নাই। তেওঁক লাগে হিয়া মন-পোহৰাব পৰা আশাৰ বাতৰি। অসমৰ পাৰ হৈ যোৱা দিনবোৰৰ সকলো গৌৰৱময় কাহিনী স্মৰণ কৰি তেওঁ নিজেই আক্ষেপ কৰে,

"আমি অসমীয়া নহওঁ দুখীয়া
কিহৰ দুখীয়া হ'ম ?
সকলো আছিল সকলো আছে
নুবুজোঁ নলওঁ গ'ম।"

অসমদেশৰ সকলো সু-সন্তানৰ কীৰ্তি সোঁৱৰণ কৰি তেওঁ কৈ উঠিছে—

"অসম আকৌ উন্নতিৰ পথত
'জয় আই অসম' বোল"

কেৱল দেশৰ বাবেই অহৰ্নিশে চিন্তা কৰোঁতা এজন কবি হ'ল কমলাকান্ত ভট্টাচাৰ্য। দেশৰ বাবেই চিন্তা কৰি খং আৰু ক্ষোভত জুইৰ দৰে জ্বলি উঠা এইজন অগ্নিকবিৰ প্ৰধান সপোন আছিল এখন সোণৰ অসম গঢ়ি তোলা। তেওঁৰ মনত আছিল সীমাহীন শক্তি আৰু উৎসাহ। তেওঁ দেখিছে বাহিৰৰ পৃথিৱীৰ মুকলি পোহৰত অন্য দেশ-জাতি বহুতো আগবাঢ়ি গৈছে। অসমবাসী কিন্তু এতিয়াও অচেতন। তেওঁলোকৰ মনত লাজ-সংকোচ-অপমানৰ কোনো প্ৰতিক্ৰিয়া ঘটা নাই। সেয়ে তেওঁ সকিয়াই দিছে—

"নেলাগেনে লাজ অসম সমাজ
হাঁহে সভ্যজাতি অসভ্য বুলি
ক্লেশ অপমান ভুগিছা কিমান
নোচোৱানো কিয় এলাহ ভুলি ?"

কবিৰ অন্তৰত আশা আৰু হতাশ দুয়োটাই খেলা কৰে। দেশৰ মানুহৰ অধঃপতন দেখি তেওঁৰ প্ৰাণে কান্দি উঠে। পূৰ্ণিমা ৰাতিৰ ভৰা জোনাকত বিশ্ব-সংসাৰ যেতিয়া সুখ-নিদ্ৰাত মগ্ন হৈ থাকে, তেতিয়া তেওঁ কটায় বিনিদ্ৰ ৰজনী। জোনাকত জিলিকি উঠা দুৰ্ভগা অসমৰ ৰূপে হৰি নিয়ে তেওঁৰ সুখ আৰু শান্তি। তেওঁ অনুভৱ কৰিছে অসমবাসীৰ অজ্ঞতাৰ কথা। অন্যান্য অঞ্চলৰ পৰা অহা নানালোকে অসমৰ বুকুৰ পৰা সোণ বুটলিছে, কিন্তু অসমবাসী নিৰ্বিকাৰ। অসমৰ বুকুত আছে ব্ৰহ্মপুত্ৰ, আছে বিভিন্ন প্ৰাকৃতিক আৰু খনিজ সম্পদ। কিন্তু সেই সম্পদৰ সদ্-ব্যৱহাৰ কৰা সম্পৰ্কত অসমীয়াৰ কোনো আগ্ৰহ নাই। গতিকে কবিয়ে নাভাবি পৰা নাই—

"এই দেশখান দেখোঁ সৰ্বস্থান
স্বৰ্ণ প্ৰসৱিনী, জগত বখান
যি শস্য কৰিব উপচি ফলিব
কিয়নো দৰিদ্ৰ অসম সন্তান ?"

সম-সাময়িক অসমীয়া সমাজৰ মানুহৰ এলেহুৱা স্বভাৱ দেখি তেওঁৰ অন্তৰ ক্ষোভত ভৰি পৰিছিল। দুখে-বেজাৰে তেওঁ কৈ উঠিছিল—

"পূৰ্ব জনমৰ কি শাপে
পালে কিবা পাপে অসম দেশ,
এই শাপ ফলে যুগ যুগ কালে
নাই অসমীয়াৰ বুধিৰ লেশ।"

'জাতীয় গৌৰৱ' নামৰ কবিতাটোৰ মাজেৰে কবিৰ আক্ষেপ আৰু অধিক তীব্ৰভাৱে ফুটি উঠিছে। তেওঁ অনুভৱ কৰিছে যে অসমীয়া মানুহে গুণীক উপযুক্ত মূল্য দিবলৈ নাজানে। সেয়েহে এই ৰাজ্যৰ সাহিত্য-সমাজ-সংস্কৃতিৰ আকাশ পোহৰাই থোৱা ব্যক্তিসকলৰ গুণ-গৰিমা মানুহে পাহৰি পেলাইছে। অন্যদেশত গুণীৰ মোল বুজি পোৱা আছে, কিন্তু অসমীয়া মানুহে শংকৰ-মাধৱ, অনন্ত কন্দলি আদিক উপযুক্ত মূল্য দিবলৈ পৰা নাই। কবিৰ আক্ষেপ—

কত পৰিশ্ৰম কৰি কবিজন
সাজিলে মৌবাহ কেৱল বৃথাই
আজি অসমত ডেকাৰ মাজত
বিচাৰি কোনো তাক খাওঁতা নাই;
বাপেকৰ নাম নজনা সন্তান
কালে হল আজি এই মাটিখান।
পঢ়িছে মিল্টন পঢ়ে বাইৰণ
দেখোঁ সৌদলে শলাগ লৈ
স্বজাতি অসভ্য যিনি হয় সভ্য
পিতাৰ পুত্ৰৰ নাই পৰিচয়।"

'সম্বোধন' নামৰ কবিতাটো প্ৰচাৰধৰ্মী। ইয়াত অসমক সকলো ফালে স্বাৱলম্বী কৰি তুলিবলৈ অসমীয়া ডেকাক আহ্বান জনোৱা হৈছে। কবিতাটোৰ কাব্যিক সৌন্দৰ্য কম, কিন্তু কবিৰ দেশৰ বাবে বিনিদ্ৰ চিন্তা ইয়াত গভীৰভাৱে ফুটি উঠিছে: 'ভিক্ষা' নামৰ কবিতাটোত অসমৰ শিক্ষা জগতৰ উন্নতিৰ বাবে কৰা কবিগৰাকীৰ ব্যক্তিগত যত্নৰ আভাস ফুটি উঠিছে। তেওঁৰ এটি সুন্দৰ হৃদয় পৰশা কবিতা হ'ল 'পাহৰণি'। পাহৰণিৰ বুকুত সোমাই পৰা নিজৰ মাতৃ-ভূমিৰ অতীতৰ সোণোৱালী দিনবোৰৰ স্মৃতিচিহ্ন বিচাৰি কবি উন্মাৱল হৈ পৰিছে। তেওঁৰ মনৰ চকুত ভাঁহি উঠিছে ঐশ্বৰ্য-বৈভৱেৰে ভৰা, কলাশিল্পত নিপুণ কচিমান এটা জাতিৰ। সেই জাতি এসময়ত আছিল প্ৰাণশক্তিৰে ভৰপূৰ; কিন্তু এতিয়া নিৰ্জীৱ আৰু প্ৰাণহীন। বৰ প্ৰাণ পৰশা সুৰেৰে কবিৰ হৃদয়ে বিলাপ কৰিছে —

"চিএৰি কান্দিছে শুনা ব্ৰহ্মপুত্ৰে
শিলনি ডবাত নিৰলে বহি,
বিলাপে ই নদে যেই দিন ধৰি
আৰ্য্যৰ গৌৰৱ পৰিল খহি।

শুনি ই বিলাপ কুকুৰাই কান্দিছে
পামীৰ কাষত গছত পৰি,
মনৰ দুঃখেৰে হৃদয় বিদাৰি
আৰ্য্যৰ কাহিনী স্মৰণ কৰি।"

কবিয়ে কণিকৰ বাবে আশা কৰে, হয়তো ভাৰতবাসী আকৌ সঞ্জীৱিত হৈ উঠিব, হয়তো একতাৰ বলেৰে বলিয়ান হৈ পৰাধীনতাৰ শিকলি ছিঙি পেলাব। কিন্তু পিছ ক্ষণতে তেওঁ বুজি পায়, এই আশা মিছা। জাতিভেদ আদি অসংখ্য দোষেৰে দুষ্ট ভাৰতীয় সমাজ আকৌ জাগি উঠাৰ আশা নাই। খং আৰু ক্ষোভেৰে এনে এটা জাতিক চিৰকাললৈ গ্ৰাস কৰি থ'বলৈকে তেওঁ পাহৰণিক আহ্বান কৰিছে।

'চিন্তাতৰংগ'ৰ কবিতাখিনিৰ মাজতো কমলাকান্ত ভট্টাচাৰ্যৰ ক্ষোভ, আক্ষেপ আৰু বেজাৰ প্ৰকাশ পাইছে। এই সকলোৰে মূলতে দেশৰ প্ৰতি তেওঁৰ সীমাহীন উদ্বেগ আৰু চিন্তা।

অন্য এজন খঙাল কবি অম্বিকাগিৰি ৰায়চৌধুৰী। তেওঁৰ কবিতাত এফালে আছে ৰহস্যবাদে গৰকা প্ৰণয়ৰ সুৰ। আনফালে আছে বিদ্ৰোহ আৰু বিপ্লৱৰ ফিৰিঙতি। পৰাধীন দেশৰ মানুহৰ গ্লানিত তেওঁ অগ্নি-শিখাৰ দৰে জ্বলি উঠিছিল।

প্ৰচলিত সমাজৰ মানুহৰ ভণ্ডামি আৰু শঠতা ধুই-মচি নিকা কৰিবৰ বাবে তেওঁৰ বিপ্লৱী প্ৰাণ ব্যগ্ৰ হৈ উঠিছিল। পৰাধীনতাৰ শিকলি ছিঙিবৰ বাবে মাতৃ-পূজালৈ তেওঁ সতীৰ্থসকলক আহ্বান কৰিছিল। সেই আহ্বানৰ 'অগ্নি-বীণাৰ তান' তেজ উতলোৱা সুৰেৰে ভৰপূৰ। কবিৰ ভাষাত—

ই যে মুক্ত জীৱন বন্ধন কৰা কঠোৰ বেথাৰ হান,
ই যে মানৱতা অৱমাননাকাৰীক মৰ্দিত কৰা ধ্যান।
ই যে শত আঘাতৰ ৰক্ত ধুউৱা শ্ৰাৱণৰ মহাবান,
ই যে মাতৃ আদেশ, সন্তান প্ৰাণ দিবলকে বলিদান।"

বিদ্ৰোহী কবি প্ৰসন্নলাল চৌধুৰীৰ কবিতাত বিদ্ৰোহৰ লগতে আছে এক আশাবাদ। নতুন পুৰুষৰ মাজত তেওঁ সীমাহীন সম্ভাৱনা লক্ষ্য কৰিছে আৰু আশা কৰিছে, সাহস, শক্তি আৰু কৌশলৰ সমাবেশত অসৎ শক্তিক পৰাজিত কৰি তেওঁলোকে নতুন শুভ শক্তিৰে ভৰা দেশ আৰু সমাজ গঢ়ি তুলিব। তেওঁ কৈছে —

"কধিৰাক্ত বলিশাল খড়্গ উঠে নামে,
আৰু লাগে বলি
সশস্ত্ৰ অৰাতি দুৱাৰত উপস্থিত
খোজে গলা-গলি
তোৰ বুকু উঠক উতলি।"

দেশপ্ৰেমৰ কবিতাৰ মাজত বিদ্ৰোহৰ এই উতলা সুৰৰ তুলনাত নলিনীবালাৰ দেশপ্ৰেমাত্মক কবিতাবোৰ যেন এছাটি শান্তিৰ বা। তেওঁৰ 'জনমভূমি' কবিতাটিৰ ভিতৰত জন্মভূমিৰ প্ৰতি থকা অকৃত্ৰিম স্নেহ আৰু অনুৰাগ কোমল ছন্দময় ৰূপত ফুটি উঠিছে। দেশৰ প্ৰতি মৰমত্তে পমা কবিৰ বাসনা—

"পখী হে আকাশৰ বুকুত ফুৰিম উৰি
বাহ ল'ম ওখ বিৰিখত,
পুৱতিৰ লগে লগে জগাম তোমাক নিতে
বনবীয়া সুৱদী গীতত।"

কবিয়ে ভাৰতবৰ্ষক ভাল পায় নানা জাতি-উপজাতিৰ মিলনভূমি ৰূপে। নিজৰ ওপজা ঠাই অসমক ভাল পায় মাতৃভূমি ৰূপে। চেনেহী মাতৃৰ গুণ-গৰিমা আৰু সৌন্দৰ্যৰ কথা কবিয়ে যেন কৈও অন্ত কৰিব নোৱাৰে। শংকৰৰ দেশ এইখনি গুৱনি ৰাজ্যৰ কথা তেওঁ এইদৰে কৈছে—

"পৃথিৱীৰ মাজত ক'তো বিচাৰি নোপোৱা
এইখনি অপৰূপা অসম সোণৰ
অতুলন অনুপম ভাগৱতী ধৰমৰ
জাতিৰ জনক গুৰুদেশ শংকৰৰ।"

কবি নলিনীবালাই অসমৰ আকাশে-বতাহে, নৈয়ে-পৰ্বতে সৌন্দৰ্য আৰু মহিমাৰ মহামেলা লক্ষ্য কৰে। এনেখন মনোৰমা দেশৰ বন্দনাত তেওঁৰ একাংশ কবিতা মুখৰ।

এই প্ৰসংগতে মনলৈ আহে সংখ্যাত কম কবিতা লিখিলেও দুটিমান সুন্দৰ দেশপ্ৰেমাত্মক কবিতা ৰচনা কৰোঁতা তৰুণৰাম ফুকনলৈ। 'আই মোৰ অসম' কবিতাৰ মাজত বৰ নিমজভাৱে তেওঁৰ চেনেহৰ অনুভূতি বিৰিঙি ওলাইছে —

"আই মোৰ অসম, নিছলা অসম, দুখুনী অসম আমাৰ দেশ
কিয়নো আই তোৰ এনুৱা বিলাই, কিয়নো আই তোৰ এনুৱা বেশ?"

নবীনচন্দ্ৰ বৰদলৈৰ গীতত আছে একেধৰণৰ অনুভূতিৰ লগতে নতুন পুৰুষৰ প্ৰতি তেজ উতলোৱা আহ্বান।

"যুগ-যুগান্তৰ পাৰ হৈ গ'ল
মাতৃ অনাথা তোৰ
পৰ-পদাঘাত কতনো সহিবি
নপঁখিৰ তাৰ ওৰ।
বুকুত বাজক বীণ অমনিৰ

কন্দ হিয়াৰ ওপৰত কাঢ়িব
ৰৈ যাওক আজি অৰুণ বোলেৰে
বোলাই ধৰণীতল।"

জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীত আৰু কবিতাৰ মাজত আছে এক উদ্দাত্ত আহ্বান। মাতৃপূজাৰ মহান যজ্ঞত নিজকে উছৰ্গা কৰিবলৈ তেওঁ নতুন পুৰুষক সাহস যোগাইছে। লুইতপৰীয়া ডেকাৰ মৰণ-বিজয়ী প্ৰাণৰ বিজয় সুৰেৰে তেওঁৰ গীত-কবিতা ভৰপূৰ। অসমৰ গাঁৱে-ভূঞে থকা জুইৰ দৰে শক্তিমন্ত আৰু ফুলৰ দৰে পৱিত্ৰ ডেকা-গাভৰুক বিপ্লৱৰ সন্তান বুলি অভিহিত কৰা তেওঁৰ গীত আৰু কবিতাবোৰ দেশপ্ৰেমৰ অপূৰ্ব ব্যঞ্জনাৰে সমৃদ্ধ।

অসমীয়া কবিতাৰ জগতত আৰু বহুতো সুন্দৰ কবিতা আছে, যিবোৰ দেশপ্ৰেমৰ আদৰ্শ চানেকি। কবি অতুলচন্দ্ৰ হাজৰিকাৰ এনানি কবিতা স্বাধীনতাৰ পটভূমিত ৰচনা কৰা 'কৌমুদী' আৰু 'মিনাক্ষি' নামৰ কবিতা দুটাৰ মাজত মহাত্মাৰ মহানবাণীত জাগি উঠা ভাৰতৰ প্ৰতিচ্ছবি আছে। চীনা যুদ্ধৰ পটভূমিতো এইজন কবিয়ে বহুতো কবিতা ৰচনা কৰিছে। বিনন্দ চন্দ্ৰ বৰুৱা, আনন্দ চন্দ্ৰ বৰুৱা, গণেশ গগৈ, শৈলধৰ ৰাজখোৱা, পদ্মধৰ চলিহা আদিৰ কবিতাৰ মাজত দুটি-এটি ভাল দেশপ্ৰেমৰ কবিতা পোৱা যায়।

কবিতাৰ নতুন যুগত দেশপ্ৰেম জিলিকি উঠে নতুন বোলেৰে। দেৱকান্ত বৰুৱা এই নতুন যুগৰ আহ্বায়ক। নতুন কবিসকলে পুৰণি কথাকে কৈ উঠে নতুন বোলেৰে। দেৱকান্তয়ো মনোৰমাৰ ৰূপ-সাগৰতে বুৰদি নাথাকি সমালোচকৰ দৃষ্টিৰে চাইছে নতুন পৃথিৱীখন। এই পৃথিৱীত তেওঁ দেখিছে আপোন জাতি আৰু সংস্কৃতিৰ কৰুণ অৱক্ষয়। তথাপিও তেওঁ ভাল পায় সভ্যতাৰ কাৰেঙত প্ৰেম আৰু সাহসৰ শলিতা জ্বলোৱা ৰূপহী অসম আৰু ভাৰতবৰ্ষক। এইদেশৰ মানুহে ফাঁচিকাঠৰ আমন্ত্ৰণ হেলাৰঙে গ্ৰহণ কৰিব পাৰে, বুকুৰ তেজেৰে মাটি সেমেকাব পাৰে দেশ ৰক্ষাৰ বাবে। কবিয়ে দেখে এইখন দেশৰ—

"ঘৰে ঘৰে আশাৰ প্ৰদীপ
পথাৰত সোণোৱালী ধান।
নতুন দিনৰ স্বপ্ন দুচকুত
ডেকা গাভৰুৰ
দুবাহুত শক্তিৰ সঞ্চয়"

দেৱকান্ত বৰুৱাৰ 'লাচিত ফুকন' কবিতাত এক ক্ষোভ আৰু গ্লানিৰ সুৰ শুনা যায়। অন্তঃসাৰশূন্য দেশপ্ৰেমিকৰ বক্তৃতা, সামাজিক নীতি-নিয়মৰ বিশৃংখলা, বিজতৰীয়া সংস্কৃতিৰ কবলত পৰা অসহায় স্বদেশৰ সংস্কৃতি আদি নানা দিশত চকু পৰি তেওঁ ব্যথিত হৈ পৰিছে। তেওঁ দেখিছে—

" 'অসমৰ এই কামাখ্যাভূমি'ত চৰিছে পাথৰ পাল,
বোজা বই বই পবিত্ৰ কঁকাল পিঠিৰ ছিগিল হাল।
তেওঁতো অকণো কাণসাৰ নাই, কত যে ৰঙেৰে চেক
এমুঠি দানাৰ কাৰণে সকলো প্ৰভুৰ পিছত ফুৰে।"

প্ৰতিবাদৰ এই বিচিত্ৰ সুৰৰ মাজতে সোমাই আছে নতুন কবিতাৰ দেশপ্ৰেমৰ বীজ।

আব্দুল মালিকৰ কবিতাৰ মাজত এক আপুৰুগীয়া সৌন্দৰ্য আৰু প্ৰীতিৰ সুৰ লক্ষ্য কৰা যায়। কবিতাবোৰৰ কিছুমান টুকুৰা যেনেকৈ জীৱন মনত ৰাখি যাব লগীয়া। 'মই অসমীয়া' কবিতাটোত অসমভূমিৰ অতীতৰ শৌৰ্য-বীৰ্য আৰু সম্পদৰ সৌৰৱণ কৰি তেওঁ এখন মনোৰম ছবি আঁকিছে—

"এয়েই অসম, চৌদিশে ধূসৰ পাহাৰ,
প্ৰতিটো বনৰ পাত জাংফাই মিনাকৰা, ৰূপ-জাতিষ্কাৰ।
দুবৰিৰ পাতে পাতে মুকুতাৰ থোপা, গচকত ভাগে 'মৰকত',
হাতীৰ দাঁতেৰে কৰে খৰমৰ তুলা
ভৰি থোৱে পোৱালৰ ভৰা দলঙত।"

এনেখন দেশৰ মানুহৰ প্ৰতিও অসীম আস্থা। দূৰ-দূৰণিৰ জনতাৰ সোঁত আহি এই দেশৰ মহান বুকুত এক হৈ মিলি পৰিছিল। এইদৰে সৃষ্টি হোৱা বৰ অসমৰ বিশাল অসমীয়া জাতিৰ ওপৰত তেওঁৰ গভীৰ বিশ্বাস—

"অসমীয়া মৰা নাই, অসমীয়া মৰা নাই
কোনো কালে নোৱাৰে মৰিব,
লুইতৰ সোঁতে ক'ব, অতীতৰ ভূতে ক'ব
অসমীয়া চিৰজীৱী, চিৰদিন জীৱ।"

নতুন কবিতাত কবিসকলৰ উদ্বেগ দেশতকৈ মানুহৰ প্ৰতিহে। মানুহ তেওঁলোকৰ কবিতাৰ প্ৰধান বিষয় সকলো সমস্যা আৰু সম্ভাৱনাৰে সৈতে। গতিকে নতুন কবিতাৰ মানৱ-প্ৰীতি হ'ল দেশপ্ৰেমৰে নামান্তৰ। তাৰ মাজতো কিন্তু মহেন্দ্ৰ বৰাৰ দৰে কবিয়ে পাহৰা নাই ক'বলৈ—

"দেশ সি যে নহয় মাথোন এচমকা মাটি
অথবা নহয় আঁকোতে উঙুচি থোৱা এচকল পৃথিৱীৰ
অঁকৰা হাতেৰে আঁকা সমতল ছবি মাথোন ভূগোল বহীৰ
সি যে সত্তাৰ গুহাত তিলে তিলে গঢ় লোৱা
তিলোত্তমা ভাৱনাৰ এক অমেয় চেতনা।"

এনে এখন অজেয়-আত্মাৰ দেশৰ পৰিৱৰ্তিত আৰু সমস্যা জৰ্জৰিত ৰূপটোৱেও

কিন্তু এচাম কবিক ভৱাই তুলিছে। হতাশা আৰু বিস্ময়েৰে ভৰপূৰ মন লৈ ৰবীন্দ্ৰ বৰাই সেয়েহে অবাক প্ৰশ্ন কৰে—

"ই কোন পৃথিৱীৰ মুখামুখি থিয় হ'লোঁ, আই ?
কগ্ন মুখ, নগ্ন দেহ, শীৰ্ণ দুটি হাত,
মূৰৰ পৰা ভৰিলৈকে তাৰ লুণীয়া দুখ
দুচকুত অনাদৃত ভাষা— মৃত্যুৰ।
ই কোন পৃথিৱীৰ মুখামুখি থিয় হ'লোঁ, আই ?"

এই ব্যথিত আৰু আশাৰ প্ৰশ্ন নতুন কবিতাৰ এক প্ৰধান সুৰ। কবিসকলে দেশৰ মানুহৰ মাজত দেখা বিষাদ, ব্যথা আৰু ক্ষোভৰ কাৰণৰ অনুসন্ধান কৰে। সেই কাৰণৰ অনুমানত অথবা আৱিষ্কাৰত তেওঁলোক কেতিয়াবা উগ্ৰ হৈ উঠে। যি দৰে হৈছে হীৰেন ভট্টাচাৰ্য।

"মোৰ হাতৰ কাঁচিখনলৈ চালেই গম পাবা
কাৰ ডিঙিৰ জোখেৰে গঢ়িছো।"

একেই মনোভাবেৰে নিৰ্মলপ্ৰভা বৰদলৈ হ'ব খোজে মাৰৈ পূজাৰ দেওধনী, যাৰ নাচোনৰ চেৰত প্ৰলয়, নিশাহত আছে সমাজ সলাই পেলোৱা ধুমুহা।

এইদৰেই দেশপ্ৰেম জিলিকি আছে অসমীয়া কবিতাৰ এক বিস্তৃত অংশত। এই প্ৰেম প্ৰধানকৈ ফুটি উঠিছে প্ৰতিবাদৰ কবিতাবোৰত। এই প্ৰতিবাদ হ'ল সমাজৰ প্ৰতি, শোষণৰ প্ৰতি এক প্ৰত্যাহ্বান স্বৰূপ। কোৱা বাহুল্য, নতুন কবিতা কিছু পৰিমাণে জটিল। প্ৰতীকৰ প্ৰয়োগেৰে ভাৰাক্ৰান্ত। গতিকে প্ৰত্যাহ্বানৰ আঁৰত থকা কবিজনৰ দেশৰ প্ৰতি থকা প্ৰীতি সকলো সময়ত ওপৰতে জিলিকি নাথাকে। কিছুমান খণ্ডৰ কবিতাও নিৰ্দিষ্ট আদৰ্শৰ বাহক যেন লাগে। কিন্তু যেনে আদৰ্শই নহওক, দেশৰ প্ৰতি থকা গভীৰ চেনেহ এইবোৰৰ আঁৰত বৈ থাকে।

## ৪.২ অতি সাম্প্ৰতিক কবিতাত স্বদেশ-চেতনা ঃ

নতুন কবিতাৰ প্ৰকৃতি বিচিত্ৰ। মানুহৰ মনৰ জগতৰ সূক্ষ্মতম অনুভূতিসমূহকলৈ খেলা কৰা এইবোৰ কবিতাত দিঠকৰ কোমল কঠোৰ সকলো বৈশিষ্ট্যই সোমাই পৰে। নতুন কবিয়ে নিজৰ একান্ত আপোন অনুভূতি ব্যক্ত কৰাতকৈ বেছি ভাল পায় সামূহিক আশা আৰু বেদনাৰ কথা ব্যক্ত কৰি। স্বদেশ চেতনা এইবোৰ কবিতাৰ মূাই বৈশিষ্ট্য। সাম্প্ৰতিক অসমীয়া কবিতাত তৰুণ কবিসকলৰ কলমেদি নানা ৰূপ নানা ৰহণেৰে জিলিকি উঠিছে এই স্বদেশ চেতনা।

অসমীয়া নতুন কবিতাত দেশৰ কথা গুণ্‌গুণাই কোৱাৰ প্ৰথম আমেজ

বোধকৰো পোৱা গ'ল হীৰেন ভট্টাচাৰ্যৰ কবিতাত। তাৰ আগতে ৰায়চৌধুৰীৰ জুই যেন তপত ভাষাৰ আৰু দেৱকান্ত বৰুৱাৰ নাটকীয় ভাষাৰ কবিতাত দেশপ্ৰেমৰ উম আছিল যদিও নতুন কবিতাৰ বিচিত্ৰ প্ৰকৃতি সেইবোৰৰ মাজত নাছিল। কেশৱ মহন্ত, হেমাংগ বিশ্বাস আদিৰ কবিতাত এটি বিশেষ ৰাজনৈতিক মতাদৰ্শৰ আঁৰেদি স্বদেশৰ প্ৰতি থকা চিন্তা আৰু দায়িত্ব বিৰিঙি উঠিছিল। অগ্ৰজ কবিসকলৰ স্বদেশ চেতনাৰ উম থকা এই কবিতাবোৰেই পিছৰ কালৰ তৰুণ কবিসকলক মোহিত কৰিছিল। অতি সাম্প্ৰতিক কালৰ তৰুণ কবিৰ কবিতাত স্বদেশ আৰু স্বজাতিৰ প্ৰতি থকা প্ৰীতি আৰু অনুৰাগত পূৰ্বসূৰি দুই এজন কবিৰ তীখাৰ দৰে চোকা কবিতাৰো প্ৰভাৱ নেপেলোৱাকৈ থকা নাই। অৱশ্যে প্ৰভাৱ পৰক বা নপৰক, কবিসকলৰ মৌলিকতা আৰু তাৰ লগে লগে ফুটি উঠা স্বদেশ চেতনা সাম্প্ৰতিক অসমীয়া কবিতাৰ চকুতলগা বৈশিষ্ট্য।

বৰ্তমান কালৰ অস্থিৰ দিন-ৰাতি, মানুহৰ প্ৰতি মানুহৰ অসীম শত্ৰুতা আৰু নিৰ্দোষ সৰল মানুহৰ যন্ত্ৰণা—এইবোৰ ফুটি উঠিছে ৰফিকুল হুছেইনৰ কবিতাত। অত্যাচাৰিত মানৱৰ প্ৰতিভূ এটি শিশুৰ ছবি তেওঁ এইদৰে আঁকিছে—

> "সি বিলখনৰ পাৰে পাৰে দৌৰি ফুৰিছিল
> বিৰিণা কঁপাদি কঁপি
> সি যেঁহ পথাৰখন পাৰ হৈছিল
> পাহাৰফলা চিয়ঁৰটি মাৰি
> ... ...
> তাৰ পাছে পাছে আহি আছিল শেনজনী অহাৰ দৰে
> হো হো কৈ কাড় এপাট
> হো হো কৈ যাঠি এপাট"

দেশৰ ৰাজনীতিৰ নানা উত্থান-পতন আৰু ৰাজনীতিজ্ঞৰ শঠতা আৰু ছলনাও আজিৰ কবিৰ সতৰ্ক চকুৰ আগৰপৰা সাৰি নাযায়। 'পোষ্ট মৰ্টেম' নামৰ কবিতাত প্ৰদীপ প্ৰসাদ শইকীয়াই লক্ষ্য কৰিছে—

> "সংকেত : কলংপাৰত যুদ্ধকালীন তৎপৰতা
> বিধানসভাত 'নিভীক-মন্ত্ৰী'ৰ 'আশ্বাস'
> আৰু আয়োগৰ প্ৰতিবেদনত ? 'আশাৰ বেঙণি'।
> অনিশ্চয়তা, আতংকত 'ভীতিবিহ্বল' ভাৱৰ উন্মেষ,
> সমুখত প্ৰেতৰ কচা-আজোৰা।"

কিন্তু ৰাজনীতিৰ ক'লা জগতৰ মেৰপেচতকৈও বেছি ভয়াবহ মানুহৰ মাজত থকা ঘৃণা আৰু অসূয়াৰ অন্ধকাৰ। নতুন কবিয়ে তাৰ লগে লগে দেখা পাইছে, দেশক ভাল পোৱাটোও কি যে এক ভয়াবহ অপৰাধ! জ্যোতিমালা গোহাঁইৰ

কবিতাও এই অচিন অনুভৱৰ জ্বালাৰে ভৰপূৰ। বিদ্ৰোহী চেতনাৰে তেওঁ কৈ উঠে—

"সত্য মানেই দেশদ্ৰোহ
চকু মেলিলেই বুকুত বুটজোতাৰ গচক
কণ্ঠত বেয়নেটৰ খোচ।"

তেওঁৰ কবিতাত ৰিয়পি আছে অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ বহুতো তেজেধোৱা দিনৰ সোঁৱৰণ। দেশলৈ থকা মৰমতে হেলাৰঙে প্ৰাণ তিয়াগিব পৰা অগণন তেজাল তৰুণৰ প্ৰতিনিধি হৈ তেওঁ কয়—

"তেজত জ্বলিছে জুই জীৱন ৰণৰ
বয়স কোমল বুলি নাকান্দিবি আই
বন্দুকৰ আগত থিয় হ'ব পৰাকৈ
মোৰ অন্তৰখন ডাঙৰ।"

আধুনিক সমাজৰ অৱক্ষয়ৰ অনুভূতি নতুন কবিতাৰ এক বিশিষ্ট চেতনা। দিনে দিনে বাঢ়ি অহা মানুহৰ পশুত্বই জন-জীৱন বিষাক্ত কৰি তুলিছে। সেই বিষে সহজেই স্পৰ্শ কৰে তৰুণ কবিৰ হৃদয়। স্পশকাতৰ কবিসকলে স্বদেশ আৰু স্বজাতিৰ এই তিল্‌তিল্‌কৈ ঘটা অপমৃত্যু গভীৰ ক্ষোভেৰে অনুভৱ কৰে। তেনে এটি অনুভূতি জিলিকি উঠিছে শচীন দাসৰ কবিতাত—

"দিনে দিনে বাঢ়ি আহিল
সাম্প্ৰদায়িক সংঘৰ্ষ, হিংসা-খেয়াল
অধৰ্ম অনীতি, চুৰি ডকাইতি
ঘৰে ঘৰে পাৰ্টি-পলিটিক্স
বাটে-পথে খুন-জখম
আৰু
গধূলি গধুৰ অন্ধকাৰত
কুমাৰীৰ সতীত্ব হৰণ"

এই একে অনুভৱেৰে হৰেন্দ্ৰ কুমাৰ দত্তই প্ৰশ্ন কৰে—

"সেয়ে মই উৎকণ্ঠাৰে বাট চাওঁ
কেতিয়া শেষ হ'ব নিশাচৰৰ ৰামৰাজ্য
কেতিয়া পুৱাব ৰাতি ?
কেতিয়া মোৰ দেশৰ মানুহে কৰিব স্নান
সূৰ্যস্নাত তপত নদীত !"

চাৰিওফালে হাহাকাৰ, ভুল বুজাবুজি আৰু সীমাহীন অশান্তি। অশুভ শক্তিয়ে গ্ৰাস কৰি নিছে মানুহৰ সীমাহীন সম্ভাৱনা। এনে পৰিস্থিতিত কবিৰ মন বেদনা

আৰু হতাশাই ছাকি পেলায়। তেওঁলোকৰ ক্ষোভ আৰু প্ৰতিবাদে প্ৰকাশৰ—

মেঘালি ফুকনে কৈ উঠে—

"বাজক ৰণশিঙা,
বাজক খৎশিঙা,
দোপালপিটা বৰ্ষণমুখৰ ৰাতি
কলমৌপাতত কৃষ্ণ ওপজক
খহি পৰক বসুদেৱৰ হাতৰ শিকলি"

খং বিৰক্তি আৰু প্ৰতিবাদৰ লগে লগে এক সুন্দৰ আশাবাদো নতুন কবিতাত নোহোৱা নহয়। তৰুণ কবিৰ মনৰ সপোন হ'ল এখন সুন্দৰ সুস্থ সমাজ আৰু মৰমৰ উমেৰে ভৰা দেশ ৰচনা কৰা। কিন্তু তাকে কৰিবলৈ গ'লে বহুতো বাধা অতিক্ৰম কৰিব লাগিব। ফুলৰ দৰে কোমল হিয়া লৈ আৰু চেনেহ বিয়পা মনোভাব লৈ সেই বাধা পাৰ হ'ব নোৱাৰি। জুইৰে খেলা কৰা আৰু তেজৰ নদীতে স্নান কৰাৰ সাহসো থাকিব লাগিব। তৰুণ কবিৰ বাবে সকলো আশা আৰু ভৰসাৰ স্থল হ'ল মানুহ—যাৰ মাজত নিহিত হৈ আছে—সীমাহীন সম্ভাৱনা। মানুহৰ মাজৰপৰা হেৰাই যাবলৈ বিচৰা মানৱতাৰ সন্ধানত কবি কমল কছাৰীৰ উক্তি—

"বিচাৰি আহিছো আমি গিৰি গুহা-গহ্বৰ জয়াল অৰণ্যত।
গভীৰ সমুদ্ৰ তলি পলসুৱা মাটিৰ বুকুত আমি
বিচাৰি আহিছো শ হাজাৰ পদ্ম মহাপদ্ম বছৰ
ৰণাংগনৰ তেজৰ ডোঙাত ঈদৰ জোনৰ হাঁহিৰ মন্দিৰৰ
ঘণ্টাধ্বনিত এক শ্বাশত শান্তি আৰু নিৰাপদ ভূমি
মানৱতা"

এইদৰেই কবিসকলে সন্ধান কৰে দেশৰ মানুহৰ মাজত লুকাই থকা শক্তি আৰু সম্ভাৱনাৰ ভাণ্ডাৰ। তেওঁলোকে কামনা কৰে বিপুল কুমাৰ মহন্তৰ দৰে—

"নদীৰ দৰেই হ'ব সকলোবোৰ এদিন
পৃথিৱীৰ অন্তৰংগ মানুহ
অতিক্ৰম কৰি গিৰি পৰ্বত দেশ দেশান্তৰ
বৈ যাব সকলো মানুহ।"

এই শুভইচ্ছা হ'ল সাম্প্ৰতিক কবিতাৰ মাজত এক শান্তিৰ প্ৰতিশ্ৰুতি। সকলো দেশৰ সকলো শ্ৰেণী কবিতাৰ মাজত এচেৰেঙা আশা ক'ৰবাত লুকাই থাকে। আশাই হ'ল কবিতা জীয়াই থকাৰ সুলক্ষণ। হতাশা আৰু বেদনাৰে ভৰা এখন পৃথিৱীত কবিসকলে আশাৰ আলোকত সুস্থ সমাজ গঢ়াৰ সপোন দেখে।

দেখা যায় যে অতি সাম্প্ৰতিক কবিতাৰ স্বদেশ-চেতনাৰ ঘাইকৈ ক্ষোভ

আৰু যন্ত্ৰণাৰ ওপৰত প্ৰতিষ্ঠিত। কবিসকলৰ দেশলৈ থকা প্ৰীতি মাজে মাজে পৰিবৰ্তিত হৈছে দেশ কালৰ নিম্নগামী পৰিস্থিতিয়ে সৃষ্টি কৰা হতাশালৈ। তেওঁলোকৰ চকুত মানুহৰ সকলো নীচতা আৰু শঠতা উলংগভাৱে ধৰা পৰিছে। এই মানুহখিনি আৰু তেওঁলোকৰ ষড়যন্ত্ৰৰপৰা বাকী সাধাৰণ সৰল লোকক বচাবলৈ নোৱাৰিলে দেশ যে ধ্বংসৰ ফাললৈ আগবাঢ়ি যাব সেইকথা প্ৰতিজন কবিয়েই বুজিছে। কবিসকলে হৃদয়েৰে অনুভৱ কৰিছে স্বদেশ আৰু স্বজাতিৰ নিৰাপত্তাহীনতা। এই জুই আৰু বন্দুক বেয়নেটেৰে ভৰা পৰিৱেশৰ মাজত চৰাইৰ গীত শুনিবলৈ অথবা ফুলৰ ৰূপ চাবলৈ তেওঁলোকৰ মানসিক প্ৰস্তুতি নাই। তেওঁলোকৰ যৌৱন কঠোৰ বাস্তৱৰ মুখামুখি। গতিকে দেশৰ কথা ভাবি তৰুণ কবিসকলে যি কয়, তাত দিঠকৰ ধূলি আৰু ধোঁৱা ভৰা অনুভূতিয়েই বেছি স্পষ্ট।

অতি সাম্প্ৰতিক কালত অসমীয়া তৰুণ কবি কেইবাজনো ওলাইছে। প্ৰতিজনেই যে সফল কবি, সেইকথা এতিয়াও ক'ব পৰা হোৱা নাই। বেছিভাগৰে কবিতাত বিদ্ৰোহ, বিপ্লৱ, ৰঙা সূৰ্য, তেজ আদি বহু ব্যৱহৃত শব্দৰ-প্ৰাচুৰ্য লক্ষ্য কৰা যায়। কিছুমান কবিতা হয়তো শ্লোগানত পৰিণত হোৱাৰো উপক্ৰম হৈছে। তথাপিও এইবোৰ কবিতাই সূচায়, সাম্প্ৰতিক কালৰ তৰুণৰ মন কিমান পুঞ্জিভূত ক্ষোভেৰে ভৰি আছে। স্বদেশ চেতনা মানে এতিয়া কেৱল দেশৰ আকাশ-মাটিৰ বন্দনাই নহয়, এতিয়া খং, ঘৃণা, প্ৰতিবাদ আৰু আশাভৰা দৃঢ় সংকল্পই নতুন কবিতাৰ মাজত স্বদেশ চেতনাৰ ইংগিত দিয়ে। অতি সাম্প্ৰতিক কালৰ অসমীয়া কবিতাত স্বদেশ চেতনাৰ এইটো ৰূপ বেছি স্পষ্ট।

॥ পঞ্চম অধ্যায় ॥

# অসমীয়া কবিতাৰ বিশিষ্টা মহিলাসকল

## ৫.১ কবিতাৰ জগতত মহিলা ঃ

কবিতাৰ জগতত প্ৰকৃততে পুৰুষ আৰু মহিলা বুলি দুটা বিভাগ থকাই উচিত নহয়। কাৰণ কবি সদায়েই কবি, তেওঁৰ বেলেগ পৰিচয় নাথাকে। তথাপিতো কেতিয়াবা ভাবি চাবৰ মন যায় – নাৰীৰ গভীৰ মন আৰু সূক্ষ্ম অনুভূতিয়ে কিছুমান কবিতাক বিশেষ ৰূপ দিছে নেকি! সৰ্বমুঠ বিচাৰত অসমীয়া সাহিত্যত উল্লেখযোগ্য অৱিহণা আগবঢ়োৱা পুৰুষতকৈ মহিলাৰ সংখ্যা কম। এনে হোৱাৰ অৱশ্যে কাৰণো আছে। আমাৰ সামাজিক পৰিস্থিতি বহুক্ষেত্ৰতে নাৰী-প্ৰতিভাৰ বিকাশৰ বাবে অনুকূল নহয়। কথামাৰ বহুধৰণে ব্যাখ্যা কৰি বুজাব পাৰি যদিও আলোচ্য বিষয়ত সি অপ্ৰাসংগিক হ'ব। মুঠ কথাত, নাৰীৰ মাজত থকা সীমাহীন সম্ভাৱনাৰ প্ৰতি উপযুক্ত সঁহাৰি জনোৱা পৰিবেশৰ অভাৱৰ বাবেই অসমীয়া সাহিত্যত নাৰীৰ মূল্যৱান অৱদান কম হৈ আছে।

অসমীয়া কবিতাৰ জগতত সামগ্ৰিকভাৱে মহিলাৰ পদাৰ্পণ বৰ বেছি নহয় যদিও তাৰ মাজত হীৰকখণ্ডৰ দৰে জিলিকি আছে কেইগৰাকীমান কবি। এই কেইগৰাকী কবিৰ কবিতাত এনে একোটি সুৰ ধ্বনিত হয়, যিটি সুৰ সমসাময়িক পুৰুষ কবিৰ কবিতাত নাই। গভীৰ ভগৱত-প্ৰীতি, মাতৃপ্ৰাণৰ স্নেহ আৰু হাহাকাৰ, প্ৰেমৰ নিজস্ব সংজ্ঞা আৰু কোমল প্ৰাণৰ স্বপ্নেৰে এইবোৰক সহজেই চিহ্নিত কৰিব পাৰি।

অসমীয়া কবিতালৈ মহিলাৰ অৱদান বুলি বিচাৰি চালে মৌখিক যুগৰ কিছুমান গীতকো ধৰিব পাৰি। নাৰী সমাজৰ সবাতোকৈ আলফুলীয়া ৰচনা বোধকৰো নিচুকনি গীতখিনি। এইবোৰ গীত মৰম আৰু আনন্দৰ, স্বাভাৱিক প্ৰতিভা আৰু সৃজনী কল্পনাৰ অনুপম সংযোগ। শিশুৰ মনৰ লগে লগে মাতৃৰ চেনেহ-ওপচা মনেও যেন ইয়াত ৰচনা কৰি লয় এখন অপাৰ্থিৱ জগতৰ। সেই জগতত জোনবায়ে কথা পাতে, আবেলি বতাহত লাই হালে জালে, ব'দালিয়ে বৰ পীৰা পাৰি বহে, চুকত লুকাই থাকে ৰতনপুৰৰ শিয়ালী। কোমল সুৰৰ এই গীতবোৰ নাৰী জগতৰ একান্ত নিজা অনুভূতি। আৰু এবিধ গীত আছে, যিবোৰ একান্ত ভাৱেই নাৰীৰ সম্পত্তি। সেইবোৰ হ'ল বিয়ানাম। ৰং-ধেমালি, বিষাদ আৰু আনন্দৰ ৰামধেনু বোলেৰে এইবোৰ ৰমকজমক। আৰু বহুতো গীত আছে – যিবোৰে নাৰীপ্ৰাণৰ অনুভূতিৰ গভীৰতা আৰু প্ৰতিভাৰ তীব্ৰতা প্ৰকাশ কৰে। পিছে সেইবোৰ কথাও ইয়াত ক'বলৈ বিচৰা নাই। এই আলোচনা হ'ব ঘাইকৈ নতুন কালৰ কবিতাৰহে।

পদ্মাৱতী দেৱী ফুকননীৰ কবিতা আৰু মিছনেৰী মহিলা এনী গোল্ডস্মিথ, সুৱৰ্ণ গোল্ডস্মিথ আৰু এমিলি গোল্ডস্মিথৰ প্ৰাৰ্থনা গীতকেইটি অষ্টাদশ শতিকাৰ সম্পদ। ফুকননীৰ কবিতাৰ ৰীতি সহজ-সৰল। কোনো

অলংকাৰ নোহোৱাকৈ স্বাভাৱিক সুষমাৰেও যে কবিতা জিলিকি থাকিব পাৰে তাৰ উদাহৰণ তেওঁৰ "ফুলৰাণী" কবিতাটো। তাৰে দুফাকিমান—

"চোৱাচোন সখী, মোক কেনে দেখি, ৰূপহী হৈছোনে মই,
ফুলেৰেই সাজিছোঁ, কি ৰূপ ধৰিছোঁ, দেখিলে খাবানে ভয়?
সুগন্ধি ফুলৰ গাঁথি চন্দ্ৰহাৰ হিয়াত পিন্ধিছো সখী,
নৱৰত্ন মালা গাঁথি যতনেৰে থৈছো হাতত ৰাখি।
দহো আঙুলিত ফুলৰ আঙঠি পিন্ধিছো হেঁপাহত মই,
খোপাৰ ওপৰত মালতীৰ থোপা পৰিছে ভোমোৰা চয়।"

ইয়াৰ পিছৰ কালৰ সবাতোকৈ জিলিকি থকা নামটো হ'ল নলিনীবালা দেৱী। এইগৰাকী বিশিষ্টা কবিৰ প্ৰতিভা সুগভীৰ চিন্তাধাৰা আৰু সুনিবিড় অনুভূতিৰ মিশ্ৰিত ৰূপ। অন্য এগৰাকী কবি ধৰ্মেশ্বৰী দেৱী বৰুৱানীৰ কবিতাতো স্বাভাৱিক কবি প্ৰতিভাৰ উমান পোৱা যায়। অসমীয়া সাহিত্যত প্ৰায় পাহৰি পেলোৱা এটি নাম হ'ল হিমলা বৰুৱানী। এওঁ আছিল নিয়তিয়ে অসহায় কৰি পেলোৱা এক অভাগিনী মাতৃ। তেওঁৰ মনৰ মাজত থকা কবি-প্ৰাণে গভীৰ যন্ত্ৰণাৰ আঘাততহে আত্মপ্ৰকাশ কৰিছিল। অসমীয়া শোক কবিতাৰ ভিতৰত হিমলা বৰুৱানীৰ "বিননি"ৰ অন্তৰ্গত কবিতাসমূহৰ স্থান আগশাৰীত। তাৰে এটি উদাহৰণ, কিশোৰী কন্যাৰ অকাল বিয়োগত লিখা এইটি চৰণ—

"কেলেই ফুলিলি শৰতৰ শেৱালি
কেলেই পেলালি কলি,
কোছ ভৰি তোক কোনেনো নিবহি
থাক তলভৰি সৰি।
নাই আৰু সেই ফুলৰে কুঁৱৰী
আৰুতো নোগোঁঠে মালা,
সৰগৰ দেৱী সৰগলৈ গ'ল
সামৰি মৰতৰ মেলা।"

আন এগৰাকী কবি যমুনেশ্বৰী খাটনিয়াৰৰ কবিতাৰ মাজত বিষাদ, আধ্যাত্মিক চিন্তা আৰু এক মৃত্যুচেতনা ফুটি উঠা দেখা যায়। তেওঁৰ বাবে জীৱনৰ সিপাৰে থকা অপৰূপ দেশখনৰ আকৰ্ষণো কম নহয়—

"এইৰূপে জীৱনৰ সন্ধিয়া কালত
মৃত্যুৰ কোলাত মই কৰিলে শয়ন
দেখিম নতুন কত জ্যোতিৰ্ময় দেশ
যদিও মুদিম মই এই দুনয়ন।"

এওঁৰ কবিতাত এক আধ্যাত্মিক সুৰ বিদ্যমান। দুখ আৰু বেদনাৰ এক মৃদু কঁপনি থাকিলেও তেওঁৰ কবিতাত বেছি স্পষ্ট হৈ আছে কবি প্ৰাণৰ চিৰন্তন

নিঃসংগতাৰ সুৰ। কবিৰ হৃদয় সদায়ে অতৃপ্তিৰে ভৰা। যমুনেশ্বৰীয়েও কয়—

"ভাগকৰা আতমাক
জিৰণি বিলাই
সন্ধিয়া সুকয় দেৱ
ধীৰে চলি যায়,
সেই সময়তো প্ৰাণে
নাপায় জিৰণি
মোৰ যে অন্তৰ হায়
অতৃপ্তিৰ খনি।"

তেওঁ দেখে, পৰিপূৰ্ণ সংসাৰত প্ৰকৃতিৰ অবাৰিত দান। সকলো সুন্দৰ, সকলো স্বচ্ছন্দ। তথাপিতো কবিৰ প্ৰাণ যেন নোপোৱাৰ বেদনাৰে ভৰা—

"তেও কিয় মন মোৰ
অথিৰ সদায়
দিনে ৰাতি ভাবে যেন
কিবা নাই নাই।"

যমুনেশ্বৰীৰ কবিতাৰ সৌন্দৰ্য হ'ল এইবোৰৰ অকৃত্ৰিম আন্তৰিকতা।

অসমীয়া কবিতাৰ জগতত কেইবাগৰাকীও মহিলা কবি আছে, যি সকলে এবাৰ-দুবাৰমান আত্মপ্ৰকাশ কৰি পুনৰ সময়ৰ সোঁতত কবিতাৰ জগতৰ পৰা অন্য জগতলৈ গুচি গৈছে। তেনে এগৰাকী কবি প্ৰতিভা দেৱীৰ এটা কবিতা বোধকৰো বহুতো পাঠকৰ শৈশৱৰ মধুৰ চিনাকি আৰু ওৱে জীৱনৰ সংগী। কবিতাটোৰ নাম হ'ল 'তুমি' আৰু তাৰে প্ৰথম কেইফাকিমান হ'ল—

"নদী দেখি ভাব হয় তুমি শান্তিদাতা,
শস্য দেখি ভাব হয় তুমি বিশ্বপিতা,
ফুল দেখি ভাব হয় তুমি কি সুন্দৰ,
চন্দ্ৰ দেখি ভাবো তুমি হাঁহিৰ আকৰ।"

আজলীতৰা নেওগৰ কবিতাত স্বাভাৱিক আৰু স্বচ্ছন্দ গতিৰে বৈ অহা অনুভূতিৰ উমান পোৱা যায়। লোকগীতৰ ঠাঁচ থকা তেওঁৰ কিছুমান কবিতা কোনোবা স্বভাৱকবিৰ ৰচনা বুলি ভুল হ'বলৈ ধৰে। দিব্যপ্ৰভা ভঁৰালীৰ কবিতাতো গভীৰ অনুভূতিৰ এক উৎসৰ সন্ধান পোৱা যায়। আৰু কেইবা-গৰাকীও কবি আছে, যি সকলৰ কবিতা সংখ্যাৰ ফালৰ পৰা বেছি ন'হলেও গুণৰ ফালৰ পৰা প্ৰথম শ্ৰেণীৰ। বহুতৰে কবিতাবোৰ পুৰণি কাকত-আলোচনীৰ পাততে হেৰাই গৈছে। গতিকে অসমীয়া কাব্য-সাহিত্যলৈ তেওঁলোকৰ অৱদান সম্পৰ্কে আজিও পূৰ্ণ আলোচনা হৈ উঠা নাই।

# ৫.২ নলিনীবালা দেৱী ঃ

নলিনীবালা দেৱী কবিতা জগতৰ এটি গৌৰৱপূৰ্ণ নাম। কেৱল মহিলা কবিৰ মাজত নহয়, সমগ্ৰ কবিৰ মাজতেই এই নামটো থাকিব প্ৰথমৰ ফালে। নলিনীবালাৰ কবিতা নিজস্ব বৈশিষ্ট্যৰে ভৰপূৰ। কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ কন্যা নলিনীবালাৰ শৈশৱ আৰু যৌৱনৰ এছোৱা সুখ-স্বচ্ছন্দতাৰ মাজতে অতিবাহিত হৈছিল যদিও অকাল বৈধব্যই আৰু সন্তানৰ মৃত্যুৱে তেওঁক দিছিল সীমাহীন যন্ত্ৰণা। এই যন্ত্ৰণাৰ সান্ত্বনা বিচাৰি হাতত কলম তুলি লোৱা অভাগী নাৰী নলিনীবালা প্ৰথমখন পুথি প্ৰকাশৰ লগে লগেই স্বীকৃতা হৈছিল প্ৰতিভাসম্পন্না কবি বুলি। তেওঁৰ কবিতা তেওঁৰ প্ৰজ্ঞা আৰু প্ৰতিভাৰ অপূৰ্ব-মিলন। বেদনাৰে ভৰা এক সমাহিত ভাবৰ বাবে এইবোৰ অসমীয়া সাহিত্যত সম্পূৰ্ণভাৱে একক।

মাত্ৰ দহ বছৰ বয়সত নলিনীবালাই ৰচনা কৰিছিল 'পিতা' নামৰ এটি কবিতা। সেই শৈশৱৰে পৰা তেওঁৰ কবি প্ৰতিভাই প্ৰকাশৰ বাট বিচাৰিছিল। তাৰে পূৰ্ণতম স্ফুৰণ ঘটিছিল পিছৰ কালৰ কবিতাসমূহত। তেওঁৰ ঘাই ঘাই কবিতা সংকলনকেইটি হ'ল 'সন্ধিয়াৰ সুৰ' (১৯২৮), 'সপোনৰ সুৰ' (১৯৪৩), 'পৰশমণি' (১৯৫৪), 'যুগ দেৱতা' (১৯৫৭), 'অলকানন্দা' (১৯৬৭), 'জাগৃতি' (১৯৬২), আৰু 'অন্তিম সুৰ' (১৯৭৭)। অপ্ৰকাশিত-ভাৱে থকা কবিতা পুথি কেইখন হ'ল 'জোনাকী স্বপ্ন', 'সুৰভি', 'মন্দাকিনী', 'সন্ধিয়াৰ সপোন পৰশ', সাঁজৰ পূৰৱী', আৰু 'মেঘদূত' (অনূদিত)। গদ্য ৰচনাৰ ভিতৰত নবীনচন্দ্ৰ বৰদলৈ জীৱন-চৰিত—'স্মৃতিতীৰ্থ' (১৯৪৮) এখন উপভোগ্য পুথি। কবি গৰাকীৰ আত্মজীৱনী 'এৰি অহা দিনবোৰ'ৰ মাজতো অনুভূতি আৰু অভিজ্ঞতাৰ মনোমোহা মিশ্ৰণ লক্ষ্য কৰা যায়। 'চৰ্দাৰ-পেটেল' আৰু 'বিশ্বদীপ' আন দুখন জীৱনী গ্ৰন্থ। 'শান্তিপথ' তেওঁৰ প্ৰকাশিত প্ৰবন্ধ গ্ৰন্থখনিৰ নাম। অপ্ৰকাশিত প্ৰবন্ধ গ্ৰন্থ হ'ল 'মানস-তীৰ্থ' আৰু 'নাৰদীয় ভক্তিসূত্ৰ'। প্ৰকাশিত নাটিকাসমূহ হ'ল 'শেষপূজা', 'পাৰিজাতৰ অভিষেক', 'প্ৰহ্লাদ' আৰু 'মীৰাবাই'। অপ্ৰকাশিত নাটকো কেইবাখনো আছে।

নলিনীবালা দেৱীৰ কবিতাসমূহৰ সঠিক উপমা বোধকৰো এয়ে যে এইবোৰ হৈছে নিয়ৰত তিতা শেৱালি ফুল; চকুপানীৰে সিক্ত, কিন্তু বৰ মনোমোহা। তেওঁৰ কবিতাত দুখৰ অভিষেক লক্ষ্য কৰা যায়। এই দুখ ৰোমাণ্টিক কবিৰ বেদনা-বিলাস নহয়। ই হ'ল স্বামীহাৰা-সন্তানহাৰা অভাগী নাৰী হৃদয়ৰ যথাৰ্থ বিননি। এই বিননিত সাধাৰণ ৰমণীৰ হা-হুমুনিয়াহ নাই—আছে কবি হৃদয়ৰ পৰা নিগৰি ওলোৱা বিষাদৰ সাৰ্বজনীন অনুভৱ। তেওঁৰ কাব্য-প্ৰতিভাৰ উমান ল'বলৈ 'সন্ধিয়াৰ সুৰ', 'সপোনৰ সুৰ','পৰশমণি', 'অলকানন্দা', আৰু

'যুগদেৱতা'—এইকেইখনি কাব্য-গ্ৰন্থৰ সহায় ল'ব পাৰি। থূল-মূল বিচাৰত নলিনীবালা দেৱীৰ কাব্য সম্ভাৰক তিনি ভাগত ভগাব পাৰি,—অতীন্দ্ৰিয়বাদী কবিতা, দেশপ্ৰেমাত্মক কবিতা আৰু বিভিন্ন বিষয়-সামৰি লোৱা অন্য এক শ্ৰেণীৰ কবিতা।

অতীন্দ্ৰিয়বাদী কবিতাসমূহৰ মাজত নলিনীবালা দেৱীৰ প্ৰজ্ঞা আৰু প্ৰতিভাৰ অপূৰ্ব মিলন লক্ষ্য কৰা যায়। এইবোৰৰ মাজত প্ৰকাশিত হৈছে ভাৰতীয় দৰ্শনত বিশ্বাসী তেওঁৰ সুকুমাৰ হৃদয়। অবিনাশী আত্মাৰ চিৰন্তন প্ৰকৃতি আৰু সংসাৰ চক্ৰৰ আৱৰ্তনৰ ফলত জগতত ঘটি থকা অফুৰন্ত ৰহস্যময় কাৰ্যৰ প্ৰতি তেওঁৰ চিন্তা আৰু অনুভূতি সজাগ। জন্মান্তৰবাদত বিশ্বাসী কবিৰ বাবে দুখৰ মাজতো আশা আৰু সান্ত্বনাই একেলগে ধৰা দিয়ে। সেয়েহে তেওঁক একোকে নিদিয়া পৃথিৱীখনিলৈও যেন কবিৰ মৰমৰ শেষ নাই —

"আজিৰ নোহোৱা তুমি সুন্দৰী পৃথিৱী
জনমৰ যুগমীয়া তুমি
তুমি মোৰ জীৱনৰ শান্তিৰ জিৰণি
অতীতৰ স্বপ্নলীলা ভূমি।"

মানৱ প্ৰকৃতিৰ মাজতো কবিয়ে দেখা পাইছে অন্তহীন ৰহস্য। মানুহৰ তৃষ্ণাৰ শেষ নাই, 'ভোগতেই মানুহৰ তৃপিতি' নপলায়, বাসনাও মানুহৰ অন্তহীন। নিজৰ কৰ্মৰ ফলত নিজেই আৱদ্ধ হৈ বাৰে বাৰে সংসাৰ-চক্ৰত আৱৰ্তিত হোৱা অসংখ্য মানুহৰ মাজৰে এজন হৈ কবিয়ে কেতিয়াবা নিজকে প্ৰশ্ন কৰে —

"কিয় আহিছিলো বাৰু
গৈছিলো কিয়নো উভতি?
অপূৰণ কৰমৰ ভাৰ বান্ধি লৈ
বাৰে বাৰে আহিছো উলটি।"

আত্মা চিৰন্তন। আত্মাৰ সনাতন স্পৃহা হ'ল পৰমাত্মাৰে সৈতে একান্ত মিলন। এই মিলনৰ যাত্ৰা-পথ আশা-আকাংক্ষা-আনন্দ-বেদনাৰ সানমিহলিৰে বিচিত্ৰ। নলিনীবালাৰ কবিতাত সেই বিচিত্ৰ যাত্ৰাপথৰ বহুৰঙী আৰু হৃদয়পৰশা বিৱৰণ পোৱা যায়। ৰহস্যবাদী চিন্তাধাৰাৰ সাৰ্থক প্ৰকাশেৰে তেওঁৰ কবিতা সমৃদ্ধ। ভক্তিমতী সাধিকাৰ বিশ্বাস আৰু প্ৰেমেৰে ভগৱানক তেওঁ প্ৰাণবায়ু ৰূপে গ্ৰহণ কৰিছে। প্ৰিয়তম ভগৱানৰ সান্নিধ্য তেওঁৰ চেতন-অৱচেতন মনৰ দুৰ্লভ সম্পদ—

"শিতানত থকা বকুল জোপাত
শুনিলো তোমাৰ মাত,
সাৰ পাই দেখো চন্দন সুবাস
আমোল-মোলাই গাত।"

এনে ধৰণৰ অনুভৱে মন ভৰাই তুলিলেও কবিক মাজে মাজে চুই যায় এটি নিঃসংগতা, এটি-বিষণ্ণতাৰ অনুভূতিয়ে। সীমাৰ বান্ধোন এৰি অসীমত মিলি পৰিবলৈ তেওঁৰ মন তেতিয়া ব্যাকুল হৈ উঠে। এনেবোৰ পৰত হৃদয় যেন হয় পিঁজৰা-বন্ধ এটি পখী। দূৰণিৰ পখীৰ মুকলিমূৰীয়া গতিয়ে কবিকো দিয়ে ডেউকা মেলি উৰি যোৱাৰ বাসনা—

"দূৰণিৰ পখীজাক উৰি যায় ৰিঙিয়াই
বিয়াকুল উদাসী সুৰত
প্ৰতিধ্বনি বাজে সুদূৰত
মোৰ এই পিঁজৰাৰ অশান্ত পখীটি দেখো
মিলি যাব খোজে অনন্তত
অসীমৰ অচিন বাটত।"

কবিৰ অন্তৰৰ পৰমতৃষ্ণা ভাৰতীয় দৰ্শনৰ প্ৰভাৱেৰে পৰিপুষ্ট হ'লেও তেওঁৰ ব্যক্তিগত সুকীয়া প্ৰকাশ-ৰীতিয়ে ইয়াৰ সমসাময়িক ভাৰতীয় কবিতাসমূহৰ মাজত এক বিশিষ্ট ৰূপ দান কৰিছে। যি ঐকান্তিক তেওঁৰ আত্ম-সমৰ্পণ, তাৰ তুলনা নাই। প্ৰিয়ৰ লগত তেওঁৰ সম্পৰ্ক অভিমান, অভিযোগ আৰু প্ৰাৰ্থনাৰে পূৰ্ণ। তেওঁৰ অধিকাংশ কবিতাই সসীম জগত পাৰ হৈ এক অসীমৰ সম্ভেদ দিয়ে — য'ৰ প্ৰতিটো অণু-পৰমাণু এক অপাৰ্থিৱ আনন্দ আৰু অলৌকিক সৌন্দৰ্যৰে সমুজ্জ্বল।

নলিনীবালা দেৱীৰ কবিতাসমূহৰ দ্বিতীয়টি ঘাই সুৰ হ'ল দেশ-প্ৰেম। এইবোৰৰ মাজত বিৰিঙি উঠিছে দেশলৈ নিবিড় মৰম আৰু মাটিলৈ গভীৰ মোহ। তেওঁৰ 'জনমভূমি' কবিতাটিৰ লগত তুলনা কৰিব পৰা অসমীয়া কবিতা আৰু দ্বিতীয় এটি নাই। কবিতাটিৰ প্ৰতিটি চৰণ তেওঁ যেন ৰচনা কৰিছে দেশৰ প্ৰতি থকা অকৃত্ৰিম প্ৰেম আৰু আন্তৰিক কৃতজ্ঞতা মন্থন কৰি। তেওঁৰ 'জনমভূমি' ধনেৰে বৈভৱশালী নহ'লেও শান্তি আৰু সৌন্দৰ্যৰ অনুপম আলয়। সেয়েহে তেওঁ কৈছে —

"দুখীয়াৰ ভগা পঁজা      একোখনি তীৰ্থ তাত
একোখনি পুণ্যৰ আশ্ৰম
মৰিলে পুনৰ আহি      দুখীয়া দেশতে মোৰ
লওঁ যেন পুনৰ জনম।"

'জনমভূমি'ৰ বন্দনাৰে সমৃদ্ধ তেওঁৰ আন এটি শ্ৰেষ্ঠ কবিতা "আমাৰ ওপজা ঠাই

এইখনি মৰ্ত্ত্য স্বৰ্গভূমি"। ইয়াত আছে অসমৰ অতীতৰ উজ্জ্বল গৌৰৱময় ছবি। নানা জাতি, নানা সংস্কৃতিৰ অনুপম মিলনৰ স্থল এই অসম দেশ—য'ত আকাশে-বতাহে, ফুলে-পাতে সৌন্দৰ্যৰ মহামেলা বহে, লুইতৰ পানীয়ে য'ত কঢ়িয়াই আনে অতীতৰ শৌৰ্য-বীৰ্য ভৰা হেজাৰ স্মৃতি। সেইখনি দেশৰ প্ৰতি গভীৰ ভালপোৱা আৰু দায়িত্ববোধে কবি নলিনীবালাক অভিভূত কৰিছে। তেওঁ কৈ উঠিছে —

"প্ৰেম প্ৰীতি দয়া ক্ষমা সুমহান ত্যাগেৰে বঞ্জিত
এইখনি সুবিশাল দেশ
পৃথিৱী ভৰমি ক'তো নোপোৱা বিচাৰি
ইখনি দেশৰ দৰে শান্ত পৰিৱেশ
এইখনি অতি মোৰ মৰমৰ দেশ।"

কবিতাৰ মাজেৰে ফুটি উঠিছে তেওঁৰ আশা —

"চেনেহী মাতৃৰ সংস্কৃতিৰ হ'ব অভ্যুদয়।"

নলিনীবালা দেৱীৰ কবিতাৰ এই দুটি ঘাই সুৰৰ পিছত বাকী বিভিন্ন ভাবৰ সিঁচৰতি কবিতাখিনিক অন্য এটা ভাগত সামৰি থ'ব পাৰি। অতীন্দ্ৰিয়বাদ বা দেশ প্ৰেমৰ দৰে নিৰ্দিষ্ট সুৰত বন্ধা নহ'লেও এইবোৰৰ মাজতো তেওঁৰ কাব্য প্ৰতিভাৰ সুৰীয়া প্ৰকাশ অনুভৱ কৰা যায়। বিভিন্ন উৎসৱ, মহাপুৰুষ ব্যক্তি, ব্যক্তিগত শোক আৰু প্ৰকৃতিক উপজীব্য ৰূপে লৈ এইবোৰ কবিতা ৰচিত হৈছে। মায়াভৰা জোনাক ৰাতি, পৰ্বতৰ নাচনী নিজৰা, সেউজীয়া অৰণ্য কলকণ্ঠী বিহগ — সকলোৱে তেওঁৰ কবিতাত ভুমুকি মাৰিছে। এইবোৰৰ মাজত প্ৰতিভাত হৈছে তেওঁৰ সুকোমল হৃদয়ৰ সংবেদনশীলতা আৰু তীক্ষ্ণ পৰ্যবেক্ষণ শক্তি। শোকৰ কবিতা হিচাপে তেওঁৰ 'পুতলী' কবিতাত মাতৃপ্ৰাণৰ হাহাকাৰৰ সুৰ অতিশয় হৃদয়পৰশা।

নলিনীবালা দেৱীৰ কবিতাসমূহৰ মাজত এটি অপূৰ্ব কবিতা সোমাই আছে —আজিও সমালোচকসকলৰ বিশেষ দৃষ্টি আকৰ্ষণ নকৰাকৈ। সেইটি হৈছে - 'ভ্ৰষ্ট লগ্ন'। তাৰে কেইফাকিমান হ'ল —

"সাঁজৰ বন্তি তেতিয়াও জ্বলা নাই
পিন্ধিছিলো মই কপালত সোণ ফোঁট
খিড়িকী মুখত সোণৰ দাপোণ ধৰি
আপোন মনেৰে বান্ধিছিলো খোপা মোৰ —
এই লগনতে গধূলি ধূসৰ বাটে
কৰুণ দুচকু তৰুণ পথিক ৰথে
ভাগৰ ঘামত ভাগৰা ৰথৰ ঘোঁৰা
বাটৰ ধূলিৰে ধূসৰিত বাস বেশ
সন্ধিলে কাতৰে — তেওঁ ক'ত, তেওঁ ক'ত ?

ক্লান্ত চৰণে মোৰ দুৱাৰত বৈ
লাজত মৰছি নোৱাৰিলো কব মই
শ্ৰান্ত পথিক। সেয়ে মই, সেয়ে মই।"

ৰূপকধৰ্মী এই কবিতাটিত নায়ক-নায়িকাৰ মাজেৰে ভগৱান আৰু জীৱাত্মাৰ সংকেত বিচাৰি পোৱা গলেও গোটেইটো কবিতাত প্ৰকট হৈ আছে এক গীতিময় সৌন্দৰ্য। বিদ্যাপতিৰ গীত বা চণ্ডীদাসৰ পদাৱলীৰ দৰে আশা আৰু হতাশাৰ ছাঁ-পোহৰ-খেলাত প্ৰিয়ৰ বাবে ব্যকুলা লজ্জাৱতী প্ৰেমিকাৰ অপূৰ্ব ছবি জিলিকি উঠিছে। ভগৱৎ প্ৰেমৰ এনে সুকোমল মায়া ভৰা প্ৰকাশ দেখা যায় মীৰাবাইৰ ভজনসমূহত। প্ৰেমৰ এই বুকু জোঁকাৰি যোৱা প্ৰকাশ হয়তো কেৱল মহিলা কবিৰ কলমতহে সম্ভৱপৰ।

নলিনীবালা দেৱীৰ সমসাময়িক ভাৰতীয় সাহিত্যত কেইবাগৰাকীও মহিলা কবিৰ আবিৰ্ভাৱ ঘটিছিল। বংগ দেশৰ সেই সময়ৰ কাকত আলোচনী-বোৰত মহিলাসকলৰ বহুতো কবিতা প্ৰকাশ পাইছিল যদিও নিজা বৈশিষ্ট্যৰে সুকীয়া পৰিচয় থৈ যাব পৰা মহিলা কবি বিশেষ চকুত নপৰে। সৰ্বভাৰতীয় পটভূমিত বিচাৰ কৰিলে সেই সময়ৰ মহিলা কবিসকলৰ ভিতৰত প্ৰথমেই মনলৈ আহে মালায়ালাম ভাষাৰ কবি বালমণি আম্মাৰ নাম। পঞ্চাশৰ দশকত অধিক কবিতা ৰচনা কৰোঁতা এইগৰাকী কবিৰ শ্ৰেষ্ঠতম ৰচনা হ'ল 'আম্মা' নামৰ এখনি খণ্ডকাব্য। এগৰাকী গাভৰু মাতৃৰ আশা, সপোন, উৎকণ্ঠা আৰু আন্তৰিক বিষাদৰ মনোমোহা ছবি ইয়াত ফুটি উঠিছে। পিছৰ কালৰ তেওঁৰ ৰচনাসমূহত 'আম্মা' কাব্যৰ সংবেদনশীলতা পাবলৈ নাই। এইবোৰত আছে বেদান্ত-দৰ্শনৰ উপলব্ধি আৰু ৰহস্যবাদৰ মৃদু আভাস। এই ফালৰ পৰা তেওঁৰ জীৱন-দৰ্শন নলিনীবালা দেৱীৰ লগত তুলনীয়। ব্যক্তিগত শোকৰ ফলস্বৰূপেও দুয়োজন কবিয়ে সমগোত্ৰীয় কবিতা ৰচনা কৰিছে।

অমৃতা প্ৰীতমৰ কবি প্ৰতিভা বৰ্তমান কালৰ বাবেহে আলোড়নকাৰী বিষয় হ'লেও প্ৰথমৰ ফালে এওঁ আছিল নলিনীবালাৰ সমসাময়িক। ১৯৩৬ চনত প্ৰকাশ পায় এওঁৰ প্ৰথম কাব্য সংকলন "অমৃত লহেৰোঁ"। ব্যক্তিগত জীৱনৰ ছায়াপাত এওঁৰো কবিতাত পৰিছে। কিন্তু তাৰ ধৰণ নলিনীবালা দেৱীতকৈ সম্পূৰ্ণ বেলেগ। ১৯৬৮ চনত প্ৰকাশ পোৱা 'ক'লা-গোলাপ' নামৰ পুথিত তেওঁৰ আত্মজীৱনীৰ কাব্যময় ৰূপ দেখা যায়। স্বাধীনচিতীয়া, বিদ্ৰোহী মনৰ এইগৰাকী কবিক খুব কম বয়সতে বিবাহৰ বান্ধোনলৈ ঠেলি দিয়া হৈছিল, তাৰে বিচিত্ৰ তিক্ত-অম্ল অভিজ্ঞতাই তেওঁৰ মনত জন্ম দিছিল প্ৰতিবাদৰ এক অপ্ৰতিৰোধ্য চেতনাৰ। নলিনীবালাৰ কবিতাৰ ৰহস্যবাদ আৰু ভগৱৎ-প্ৰীতিৰ ঠাইত অমৃতা প্ৰীতমৰ কবিতাত পোৱা যায় মাটি, মন আৰু শৰীৰৰ শাশ্বত আশা, ইচ্ছা আৰু প্ৰতিজ্ঞাৰ সুৰ।

পঞ্চাশৰ দশকৰ এগৰাকী ভোগ্ৰী মহিলা কবি হ'ল 'পদ্মা'। এওঁৰ ৰচনাৰ

ভালেমান লক্ষণৰ লগত নলিনীবালাৰ কাব্য ৰীতিৰ মৃদু সাদৃশ্য চকুত পৰে। এওঁৰ এটি সুদীৰ্ঘ কবিতাৰ নাম হ'ল '১৮৫৭'। এইটি দেশপ্ৰেমৰ কবিতা। যিদৰে নলিনীবালাৰ "জনমভূমি" কবিতাটি সকলো দেশপ্ৰেমৰ কবিতাৰ মাজতে জিলিকি থাকে—সেইদৰে পদ্মাৰ '১৮৫৭' ডোঙ্গ্ৰী ভাষাৰ এটি শ্ৰেষ্ঠ দেশাত্মকবোধক কবিতা। সুন্দৰ শব্দ-চয়ন আৰু বাক্য-বিন্যাসৰ কাৰিকৰিৰে কবিতাটি সমৃদ্ধ। তেওঁৰ কোনো কোনো কবিতাত ফুল-তৰা-গানৰ মধুৰ পৰশ অনুভূত হয়। কেতিয়াবা মৰুভূমিৰ মাজত তোকে-পিয়াহে আকুল হৈ প্ৰিয়তমৰ বাবে অপেক্ষা কৰি থকা প্ৰেমিকাৰূপে তেওঁ নিজৰ ছবি আঁকে। এই অপেক্ষাই মনত পেলায় নলিনীবালাৰ "অ' মোৰ পৰম প্ৰিয়, তুমি ক'ত?" উক্তিটিলৈ। পদ্মাৰ কবিতাত কল্পনাৰ ৰহণেই কেৱল নাই, দিঠকৰ কঠোৰ ছবিও আছে। দুঃখীৰ মুখৰ গ্ৰাস কাঢ়ি নিয়া, অসহায়া ৰমণীৰ সৰ্বস্ব হৰণ কৰা, ধনী শ্ৰেণীৰ প্ৰতি তেওঁৰ কলম সৰৱ হৈ উঠে।

প্ৰতিভাময়ী কবি নলিনীবালা দেৱীয়ে ১৯৫৪ চনৰ অসম সাহিত্য সভাৰ যোৰহাটত বহা ত্ৰয়োবিংশ অধিবেশনত সভানেত্ৰীত্ব কৰে। ১৯৫৮ চনত তেওঁ লাভ কৰে "পদ্মশ্ৰী" সন্মান। তাৰ আগতে ১৯৫৬ চনত তেওঁ "কাব্যভাৰতী" উপাধি লাভ কৰিছিল সৰ্বভাৰত সংস্কৃত সঞ্জীৱনী সভাৰ অসম শাখাৰ পৰা। ১৯৬৮ চনত 'অলকানন্দা' পুথিৰ বাবে সাহিত্য একাডেমীৰ বঁটাই তেওঁৰ কাব্য প্ৰতিভাৰ স্বীকৃতি দিয়ে। এনেবোৰ বিৰল সন্মানৰ অধিকাৰিণী এইগৰাকী মহিলা কবি অসমবাসীৰ শ্ৰদ্ধাৰ আসনত আজিও সসন্মানে প্ৰতিষ্ঠিতা। ১৯৭৭ চনৰ ২৪ ডিচেম্বৰ তাৰিখে গুৱাহাটীৰ নিজা বাসভৱন 'স্বপ্নাচল'ত তেওঁৰ মৃত্যু হয়। মৃত্যুবিজয়ী প্ৰতিভাই তেওঁক অমৰ কৰি থৈছে কবিতাপ্ৰেমী প্ৰতিজন মানুহৰ হৃদয়ত।



কৰিছে। ব্যক্তিগত প্ৰেম আৰু বেদনাৰ আলফুল অনুভৱক প্ৰশ্ৰয় নিদি তেওঁলোকে অধিক গুৰুত্ব দিছে সমূহীয়া সমস্যাবোৰক। ফলত সাম্প্ৰতিক কালত মহিলা কবিসকলৰ হাতত বেছিভাগেই দেখা যায় প্ৰত্যাহ্বান আৰু প্ৰতিবাদৰ সুৰ। দুই এটা ভাল কবিতাত যথেষ্ট সৌন্দৰ্য দেখা যায় যদিও সৰ্বমুঠ বিচাৰত কবিতাবোৰ একেসুৰীয়া। এইবোৰত নাৰীপ্ৰাণৰ বিশিষ্ট জিলিকনিতকৈও বেছি স্পষ্ট হৈ আছে নতুন পুৰুষৰ প্ৰতিবাদী কণ্ঠস্বৰ।

## ৫.৩ ধৰ্মেশ্বৰী দেৱী বৰুৱানী ঃ

ধৰ্মেশ্বৰী দেৱী বৰুৱানীৰ কবিতাসমূহৰ মাজত তেখেতৰ দুখী প্ৰাণৰ প্ৰকাশ লক্ষ্য কৰা যায়। নলিনীবালা দেৱীৰ দৰে এইগৰাকী কবিয়েও বেদনা মন্থন কৰি কবিতা সৃষ্টি কৰিছিল। স্বাস্থ্যজনীত কাৰণত ওৰে জীৱন প্ৰায় শয্যাশায়ী আৰু পংগু হৈ পৰা কবিগৰাকীৰ মনোবল আছিল অসীম। এই মনোবল দৃঢ় কৰিছিল সহৃদয় স্বামীৰ প্ৰেৰণাই। গতিকে দুখ আৰু কৃতজ্ঞতাৰ দুটা সুৰ তেওঁৰ কবিতাত ফুটি উঠা দেখা যায়। তেওঁৰ কবিতা আধ্যাত্মিক চিন্তাধাৰাৰে ভৰা। তাৰ লগে লগে প্ৰকৃতিৰ বুকুলৈও তেওঁ চাইছিল, সম-সাময়িক সমাজখনতো চকু ফুৰাইছিল।

তেওঁৰ আধ্যাত্মিক চিন্তাধাৰা নলিনীবালাৰ কবিতাৰ দৰে ৰহস্যবাদী কবিতাৰ সৌন্দৰ্যৰে ভৰি উঠা নাই যদিও সেইবোৰৰ সুকীয়া সৌন্দৰ্য নোহোৱা নহয়। তেওঁৰ অনুভৱত ধৰা পৰে বিশ্ব-সংসাৰত জিলিকি থকা কোনোৱা অৰূপৰূপৰ জ্যোতি। সেই অৰূপক বিচাৰি তেওঁৰ প্ৰাণে ব্যাকুলভাৱে সন্ধান কৰিছে সকলোতে। কিন্তু তেওঁৰ সাক্ষাৎ যে ক'তোৱেই পাবলৈ নাই। তেওঁৰ অনুভৱ—

"হিয়াৰ দেৱতা বিচাৰি ফুৰিলোঁ
ক'তো যে নাপালোঁ দেখা,
শোক হুমুনিয়া চকুলোৰে মাথোঁ
ৰ'ল এটি ক্ষীণ ৰেখা।"

এই বৃথা অন্বেষণেৰে প্ৰাণ ভাগৰি পৰাৰ পিছত নতুন এক উপলব্ধি তেওঁ লাভ কৰিছে। তেওঁৰ অনুভৱত প্ৰতিধ্বনিত হৈছে এটি প্ৰেৰণা—

"অচিন্ত্য অব্যক্ত ৰূপে আছে তোৰ
হিয়া মণিকূট মাজে
দেখা পাবি তাতে প্ৰাণৰ দেৱতা
মোহন মূৰতি সাজে।"

নিজৰ মাজতে থকা পৰমাত্মাৰ কথা 'অন্তৰ্দ্ধান' নামৰ কবিতাটোত তেওঁ এইদৰে কৈছে—

"দুদিনীয়া সংসাৰৰ মায়া পৰিহৰি
মৰমৰ দেহসজা এৰি থৈ যায়,
পৰাণ পখীটি যায় কোন দেশলৈ
মানৱৰ দুচকুৱে বিচাৰি নাপায়
আত্মাই দিলে বাণী, চাই চকু মেলি
আত্মা মিহলি হ'ল মহা-চৈতন্যত
অবুজ পৰাণ হয় অবোধ মানৱ
আত্মাক বিচাৰি পাবি আপোন প্ৰাণত।"

ৰোগশয্যাত পৰি থকা কালত তেওঁৰ মন নানা জটিল চিন্তাৰে ভৰি উঠিছিল। মৃত্যু কি, মৃত্যুৰ সিপাৰে কি আছে, ভগৱানৰ স্বৰূপ কি ইত্যাদি কথাৰ তেওঁ ভাবি ভাবি ওৰ পোৱা নাছিল। তেওঁৰ দুখৰ জীৱনত কবিতাই আছিল শান্তিৰ উৎস। শৰীৰৰ প্ৰায় প্ৰতিটি অংগ পংগু হৈ পৰা অৱস্থাত মনৰ মাজতে তেওঁ বিচাৰি পাইছিল অসীম শক্তি, তেওঁৰ ডাঙৰ প্ৰেৰণা আছিল স্বামীৰ স্নেহ আৰু সহযোগিতা। সেই কথাকে কৃতজ্ঞতাৰে স্মৰণ কৰি কবিয়ে কৈছিল—

"যদিওবা সজা নাই দেৱ
বাহিৰত ওখ দৌল এটি
কি অসীম কৰুণা তোমাৰ
কিবা স্নেহ দিলা মোৰ প্ৰতি।"

ধৰ্মেশ্বৰী দেৱী বৰুৱানীৰ কবিতাসমূহৰ ভিতৰত 'নীৰৱ দেৱতা' নামৰ কবিতাটি ভাৱ আৰু ভাষাৰ ফালৰ পৰা ওপৰ খাপৰ। জীৱনৰ প্ৰতি ক্ষণতে তেওঁক ধৰা দিও আঁতৰি ফুৰা জীৱন-দেৱতাৰ বাবে তেওঁৰ সৌন্দৰ্য-পিপাসু মনৰ ৰূপ-তৃষ্ণা ইয়াত ফুটি উঠিছে। দুখৰ চকুলোৰে তিতা জীৱনত ভগৱানৰ কৰুণা বিচাৰি কবিয়ে বেদনাৰ অৰ্ঘ যাঁচিছে।

বৰুৱানীৰ চিন্তাধাৰাত ভাৰতীয় দাৰ্শনিক তত্ত্বৰ বীজ নিহিত হৈ আছে। তেওঁৰ প্ৰাণত আছে মুক্তিৰ হাবিয়াস। পৰমাত্মাৰ লগত মিলনেই হ'ল এই মুক্তিৰ স্বৰূপ। 'প্ৰিয়লৈ পদুমী' নামৰ কবিতাটোৰ মাজত আত্মাৰ পৰমাত্মাৰে সৈতে মিলনৰ স্পৃহা দেখা যায়—

"তুমি মই দুয়ো মিলিম যিদিনা
তোমাতেই হ'ব লীন,
একেটি সুৰত এডালি তাঁৰত
বজাম মিলন বীণ।"

ভগৱানৰ ওপৰত গভীৰ আস্থা তেওঁৰ কবিতাৰ অন্যতম বৈশিষ্ট্য। সংসাৰৰ সকলো ঘাত-প্ৰতিঘাত হেলাৰঙে সহ্য কৰি সকলোখিনি ভগৱানৰ নিৰ্মালি বুলি তেওঁ গ্ৰহণ কৰিছে। তেওঁ শান্তি বিচাৰি পাইছিল সাহিত্যৰ মাজত। গতিকে তেওঁ সাহিত্যৰ বন্দনা কৰি কৈছে—

"বুকুৰেদি বৈ যায় শীতল নিজৰা
জীৱনত শান্তি লভে; তৃপ্ত হয় প্ৰাণ,
সাহিত্যৰ হ'লে লাভ উজ্জ্বল পোহৰ
যদিহে মানৱে লভে সাহিত্যৰ দান।"

প্ৰকৃতিৰ ৰং-ৰূপো তেওঁৰ কবিতাত বিচিত্ৰ ধৰণে প্ৰকাশ পাইছে। প্ৰকৃতিৰ সুন্দৰতা আৰু ভয়াবহতা দুয়োটাই তেওঁৰ কলমত ধৰা পৰিছে। ফুল,

চৰাই, শৰতকাল আদি প্ৰকৃতিৰ সকলো সুন্দৰ উপাদানে ভৰাই তোলা মনেৰে তেওঁ ছবি আঁকিছে মনোৰমা প্ৰকৃতিৰ। 'বৰদৈচিলা' নামৰ কবিতাটোত বৰদৈচিলাৰ উগ্ৰ স্বভাৱৰ ছবি এখনিও নিখুঁতভাৱে ফুটি উঠিছে। প্ৰকৃতিৰ বুকুত বিচৰণ কৰা সকলো প্ৰাণীৰ মাজত তেওঁ মানৱ প্ৰাণৰ অস্তিত্ব দেখা পাইছে। সেয়েহে বনৰ পখীটিকো তেওঁ কয়—

"তেনেহলে পখী বুজিলো ধুৰাপ
তোৰে মোৰে প্ৰাণ একে
কোনোটি প্ৰাণীৰ নাই ভিন পৰ
মানুহে নুবুজে তাক।"

তেওঁৰ প্ৰাণৰ মাজত এটি সময়-সচেতন মনো শুই আছিল। নতুনক আদৰি লৈ প্ৰগতিৰ পথেৰে আগবাঢ়ি যাবলৈ তেওঁ নিজৰ মনক যি দৰে সাজু কৰিছিল, নতুন পুৰুষকো সেইদৰে অনুপ্ৰাণিত কৰিছিল। জ্ঞান আৰু কৰ্মৰ জ্যোতিৰে জীৱন ভৰাই তুলিবৰ বাবে তেওঁ কৈছিল—

"আহা ভাই ভনী সকলোৱে মিলি
জ্বলোৱা জ্ঞানৰ বন্তি
পোহৰৰ পথে যোৱা আগুৱাই
লভিবা পৰম শান্তি"

অসমীয়া নাৰীৰ দেহ আৰু মনৰ মাজত থুপ খাই থকা ৰূপৰ পোহৰে কবিৰ মন অভিভূত কৰিছিল। সহজ-সৰল নাৰীৰ মাজত একাধিক মহৎ প্ৰকৃতিৰ সন্ধান তেওঁ পাইছে। মহিমাময়ী নাৰীক আৰু গৰিমাময়ী কৰিবৰ বাবে তেওঁ নাৰীসকলে নিজ মনোবৃত্তিৰ উৎকৰ্ষ সাধন কৰাটো বিচাৰিছিল। মমতাময়ী নাৰীক দীন-দৰিদ্ৰৰ বাবে মৰম বিলাবলৈ আহ্বান কৰি তেওঁ কৈছে—

"আতুৰৰ হকে দিয়া প্ৰাণৰ পৰশ
ঢালি দিয়া চেনেহ সঁফুৰা
ফুলোৱা পদুম পাহি মৰুৰ বুকুত
বই থক শান্তিৰ নিজৰা।"

নাৰীত্বৰ প্ৰভাৱেৰেই ধন্য আৰু পূৰ্ণ হৈ জগতত পোহৰ বিলাবৰ বাবে নাৰীসমাজক তেওঁ অনুৰোধ কৰিছে।

ধৰ্মেশ্বৰী দেৱী বৰুৱানীৰ কবিতাৰ মাজত তেওঁৰ আন্তৰিকতা মূল সৌন্দৰ্য হৈ জিলিকি আছে। সহজ-সৰল, ভগৱৎ-বিশ্বাসী সকৰুণ অনুভূতিৰে ভৰা তেওঁৰ কবিতাবোৰ অসমীয়া সাহিত্যৰ মনোৰম সম্পদ বুলি স্বীকৃত হৈছে।

## ৫.৪ নির্মলপ্রভা বৰদলৈ ঃ

নতুন কবিতাৰ জগতত অসমীয়া পাঠকে যি কেইগৰাকী কবিৰ সান্নিধ্য পাইছে তাৰ ভিতৰত নির্মলপ্রভা বৰদলৈ অন্যতমা। কবিতাৰ পৃথিৱীত নাৰী আৰু পুৰুষৰ মাজত বিভাজন অনা উচিত নহয় যদিও কিছুমান কবিতা থাকে, যিবোৰত নাৰী আৰু পুৰুষৰ নিজা নিজা বিশিষ্টতা নিজৰ অজানিতে ফুটি উঠে। উদাহৰণ স্বৰূপে ক'ব পৰা যায়, দেৱকান্ত বৰুৱাৰ 'কলং পাৰত মাজনিশা' নাইবা জীৱনানন্দৰ 'বনলতা সেন' একান্ত ভাৱেই পুৰুষ কবিৰ কবিতা। সেইদৰেই কিছুমান কবিতাত জিলিকি উঠে মহিলা কবিৰ একান্ত আপোন কিছুমান উপলব্ধি। নির্মলপ্রভাৰ কবিতা কেতিয়াবা নৈর্ব্যক্তিক চেতনাৰ ৰূপায়ণ আৰু কেতিয়াবা নাৰী-প্ৰাণৰ নিবিড় অনুভূতিৰ প্ৰকাশেৰে সৌন্দর্যময়।

নির্মলপ্রভাৰ কবিতাৰ এটা বিষাদ-কৰুণ দিশ আছে। সেই দিশৰ উমান পোৱা যায় 'কৰুণতম' নামৰ কবিতাটোত—

> "আহিনৰ পথাৰৰ গোন্ধ
> কেনেবাকে নাকত আহি লাগিলে
> মই হেৰাই পাওঁ মোৰ দেউতাক।
> দোকানৰ জাপভঙা
> গামোচাৰ সুবাসত
> মই হেৰাই পাওঁ মোৰ আইক
> মই মোক
> মোৰ সন্তানৰ কাৰণে
> ক'ত থৈ যাম
> ক'ত ??"

নির্মলপ্রভাৰ কবিতাৰ বিষয়বস্তু মানুহৰ মনোজগত আৰু চাৰিওফালৰ বিচিত্ৰ পৃথিৱীৰ পৰা সমানে আহৰিত হৈছে। দ্বন্দ্ব আৰু সমস্যাৰে ভৰা আজিৰ মানুহৰ জীৱন-যাত্ৰাৰ সকলো সমস্যা সামৰি লৈও তেওঁ প্ৰকৃতিৰ সুকুমাৰতা, প্ৰেমৰ গভীৰতা, হৃদয়ৰ নিসংগতা আদি আলফুল বিষয়সমূহলৈ পিঠি দিয়া নাই। ফলত তেওঁৰ কবিতাত চিন্তাৰ খোৰাক যি দৰে আছে, উপস্থাপনৰ সুকুমাৰতাও সেইদৰে আছে।

সকলো সংবেদনশীল হৃদয়তে থাকে আত্মানুসন্ধানৰ একোটি চেষ্টা। কবি নির্মলপ্রভাৰো সেই একেই প্ৰশ্ন, একেই আত্মজিজ্ঞাসা—

> "মই মোক বহুদিন লগ পোৱা নাই
> দিনে দিনে বাঢ়ি যায় পথৰ দূৰত্ব...
> কতনা যোজন, হাজাৰ হাজাৰ যেন..."

নিজকে বিচাৰি উদভ্ৰান্ত হোৱা কবিয়ে অনুভৱ কৰে—

"কেৱল জানো যে মই ইয়াতেই
এইখিনিতেই এদিন আছিলো
এইবোৰ শিল, বালি, বাঘচকা, ফুটুকাৰ ফুলে
মেলাহিকে ছাটি যোৱা বনৰ মাজত।"

ব্যক্তিসত্তাক অতিক্ৰম কৰি কেতিয়াবা প্ৰকট হৈ উঠে কবি প্ৰাণৰ অনুসন্ধিৎসা। তেওঁৰ মনত প্ৰশ্ন হয়, "কাৰ কাৰণে মই, কাৰ কাৰণে কবিৰ অস্তিত্ব"? নিজৰ মাজতে থকা অসীম আৰু বিশাল সত্তাটোৰ অস্তিত্ব সম্পৰ্কেও তেওঁ স্থিৰ নিশ্চিত। সকলো সঁচা কবিৰ দৰে নিৰ্জন ক্ষণত নিজৰ মুখামুখী হৈ তেওঁ এক গুভ শক্তিক নিজৰ মাজত আবিষ্কাৰ কৰে। "পৰম প্ৰহৰ" নামৰ কবিতাত কৈছে—

"লগ পাওঁ তেওঁক কেতিয়াবা
শামুক ভাঙি ওলাই অহা
মুক্তাৰ দৰে তেওঁ যেতিয়া
থিয় হয়
মোৰ
মুখামুখি হৈ
মোক ক্ষুদ্ৰকায় কৰি
মোৰ মাজৰ
বিৰাট মানুহজন।"

নিৰ্মলপ্ৰভাৰ কবিতাত মোহনীয় এক প্ৰশাখা হ'ল তেওঁৰ প্ৰেমৰ কবিতাবোৰ। সৰু সৰু, ঘন অনুভূতিৰে ভৰা, তীৰ্যক প্ৰকাশভংগীৰে সমৃদ্ধ এইবোৰ কবিতাত প্ৰেম এক অবিনাশী অনুভৱ। দেহ আৰু মন দুয়োটাকে পুৰি ছাৰখাৰ কৰা এই প্ৰেমৰ গাত সৰগৰ অমিয়া আৰু মৰতৰ ধূলি দুয়োটাৰে প্ৰলেপ আছে। দেহৰ বনত পছোৱাৰ দৰে বৈ যোৱা প্ৰেমৰ সংজ্ঞা দি কবিয়ে কৈছে—

"কিজানি তেতিয়াই সোমাই পৰেহি বিশাল নীলা আকাশখন
ফুলৰ পাহিটোত, খহি পৰে অন্ধকাৰ ভৰিৰ তলুৱালৈ।
গৰ্জলৈ গৰ্বেৰে যায় বিদ্যুৎ। ছাই হয় জংঘা-স্তন শৰীৰৰ
সৰু খেৰী ঘৰ।"

কিছুমান সৰু সৰু স্তৱকত তেওঁ সুন্দৰকৈ জিলিকাই তুলিছে প্ৰেমৰ স্বৰূপ। প্ৰেয়সীৰ দৰে লগা এনে এটি কবিতাত আছে—

"আটাইবোৰ আইনাতে
মই তোমাৰ মুখ দেখোঁ।
ক'তো এখনো আইনা

বিচাৰি নেপাওঁ
যতো দেখা পাওঁ
মোৰ মুখখন
এবাৰলৈ ॥"

কিছুমান কবিতাৰ মাজত তেওঁৰ দেহৰ বন্দনা প্ৰকট হৈ আছে। সমসাময়িক কবিতাৰ মাজত এই লক্ষণ বিৰল। 'খাজুৰাহো' কবিতাটিত দৈহিক মিলনৰ মাজত চৰম সৌন্দৰ্য আৱিষ্কাৰৰ প্ৰচেষ্টা দেখা যায়। প্ৰেমক ভাব সহজ আৰু স্বাভাৱিক ভংগীতে চিনি পাই কবিয়ে দেৱকান্ত বৰুৱাৰ দৰে তেজ-মঙহৰ সঁচা অনুভূতিক প্ৰাধান্য দিছে। সুখ আৰু সপোনৰ অপাৰ্থিৱ জগতত বিহাৰ নকৰি পাৰ্থিৱ অনুভূতিৰ মাজতে তেওঁ দেখিছে প্ৰেমৰ উল্লাস। তেওঁৰ প্ৰেমৰ কবিতাবোৰৰ মাজত এক আকুলতা আৰু বিষাদৰ ভাৱ লক্ষণীয়। কিছুমান সুন্দৰ ব্যঞ্জনাই কবিতাবোৰক কেতিয়াবা মোহনীয় ৰূপ দিয়ে। প্ৰেম আৰু বিষাদ একেলগে ফুটি উঠা এটি কবিতা এনে ধৰণৰ —

"বিৰিণাৰ দৰে বাঢ়ি অহা
তোমাৰ মোৰ কথাবোৰে
আমাক লুকুৱাই থৈছিল।
এতিয়া
তুমি গুচি গ'লা।
মোক আটায়ে দেখিছে
অনাবৃৰত।"

প্ৰেমৰ কবিতাৰ আলসুৱা দিশটো বাদ দি চালে দেখা যাব, "মধ্যবিত্ত জীৱনৰ প্ৰতিকূল পৰিৱেশ, অৰ্থনৈতিক তাড়না, নগৰ জীৱনৰ প্ৰতি বিদ্বেষ আৰু নগৰ সভ্যতাৰ স্ব'বাবি আৰু প্ৰতাৰণা তেওঁৰ কবিতাৰ উপভোগ্য সামগ্ৰী"[১]। 'প্ৰফেচাৰ' নামৰ কবিতাটোত তেওঁ মধ্যবিত্ত শ্ৰেণীৰ জীৱনৰ নিষ্ঠুৰ সত্য কিছুমান দাঙি ধৰিছে। মুখা পিন্ধা মানুহৰ সঁচা স্বৰূপো তেওঁ কবিতাত দাঙি ধৰিবলৈ বিচাৰে। তাৰ লগে লগে স্বদেশ আৰু স্বজাতিৰ মংগলৰ কামনাত জুই শিখাৰ দৰে জ্বলিবলৈ বিচৰা তেওঁৰ মনৰ পৰিচয় ফুটি উঠিছে শেহতীয়া কবিতাবোৰত। তেওঁৰ বিদ্ৰোহী প্ৰাণ মাজে মাজে অস্থিৰ হৈ উঠে। "অন্ধকাৰেও তিৰ্‌বিৰাই থকা অদৃশ্য সময়ৰ ক্ষুৰধাৰ তৰোৱালে" কাঢ়ি নিয়ে তেওঁৰ দিনৰ শান্তি, ৰাতিৰ নিদ্ৰা। স্থিত লক্ষ্য কঠিন মনেৰে তেওঁ অনুভৱ কৰে —

"শপত উচ্চাৰিত হ'ব নেলাগে। তাৰ নিৰ্জান ভয়ংকৰ ধ্বনি অথলে নেযায় — যিদৰে নেযায় চকু পানীৰ এটা টোপালো।"

গতিকে, তেওঁৰ উপলব্ধিত "নিজৰ ৰুধিৰ নিজে পান কৰাৰ" ভয়ংকৰ সময় ধৰা

১. 'আধুনিক অসমীয়া কবিতা' পৃঃ ১১১

পৰে। "নিজেই নিজক শূলত দিয়াৰ" এক সৰ্বনাশী কামনাই তেওঁক উতলা কৰে, যেতিয়া চকুত পৰে ফটা মাচিত তেজৰ জোওা, দলদলিত ছট্ফটাই থকা ল'ৰাৰ দেহা। সেইবোৰ ভয়াবহ যুগসন্ধিৰ বিভীষিকা নাশিবৰ বাবে নিৰ্মলপ্ৰভাৰ সত্তা যেন মাৰে পূজাৰ দেওধনী হৈ, বানৰ বুকুৰ পকনীয়া হৈ চুলি মেলি, তেজ পি পি মূৰ খুন্দিয়াই, হিয়া ভুকুৱাই নাচিবলৈ' ধৰে। তেওঁৱে কয়াত —

"মই অজগৰ বীৰ্য্যা
নিৰাকায়া, স্থূলকায়া
অসীম অনন্ত কায়া
নিত্যা, অবিদ্যা, বিদ্যা
ময়ে আদ্যা, অন্ত্যা
ক্ষমাৰূপিনী
শান্তিৰূপিনী
ময়েই কৰুণা, শান্তা
দুঃসময় বিনাশৰ বাবে
ময়েই তীক্ষ্ণ দন্তা॥"

জুইৰ দৰে দীপ্তিমান এই লক্ষণৰ লগে লগে নিয়ৰ আৰু কুঁৱলীৰ দৰে শীতল এটি গুণ আছে তেওঁৰ প্ৰকৃতিৰ কবিতাসমূহত। "তুলসীৰ তলত অপেক্ষাৰ সুগন্ধময়তা" অথবা "ভৰা কলহ উবুৰি থাই পৰা" আহাৰৰ দিনবোৰ তেওঁৰ কলমত সজীৱ। একোখন চিত্ৰৰ দৰে স্পষ্ট তেওঁৰ কিছুমান ব্যঞ্জনাময় বৰ্ণনা। "মাঘ" নামৰ কবিতাটোৰ এনে এখন চিত্ৰ —

"বেলিটোৱে গা ধুইছিল
দোকমোকালিতে
নৈখনত
কুঁৱলীয়ে তৰি দিছিল
আবুৰ॥"

তেওঁৰ প্ৰকৃতি কবিতাত আতিশয্য বা অস্বাভাৱিকতা ক'তো নাই। বাৰীৰ পিছৰ নেমুফুলৰ গোন্ধৰ দৰে এইবোৰ স্নিগ্ধ আৰু হৃদয় শীতল কৰি তুলিবৰ বাবে যথেষ্ট।

নিৰ্মলপ্ৰভাৰ কবিতাৰ এক লক্ষণীয় বৈশিষ্ট্য হ'ল নাৰীমনৰ শংকা, ক্ষোভ আৰু যন্ত্ৰণাৰ প্ৰকাশ। পৌৰাণিক চৰিত্ৰ দ্ৰৌপদী, গান্ধাৰী আৰু সীতাৰ তেওঁ নতুন মূল্যাংকন কৰিছে। চিৰন্তন নাৰীপ্ৰাণৰ সৌন্দৰ্য স্পৃহা, গোপন বেদনা আৰু মুক্তিৰ আকাংক্ষা এইকেইটা চৰিত্ৰৰ মাজত ফুটি উঠিছে।

নিৰ্মলপ্ৰভাৰ কবিতাৰ মাজত কেতিয়াবা ফুটি উঠে এক নিঃসংগতাবোধ। নিৰুপায় মনৰ বিভিন্ন অৱস্থা নিজেই পৰ্যবেক্ষণ কৰাৰ এক আকাঙ্ক্ষা—

"মই স্নেহ সজাত ভৰাওঁ
আৰু একোটা মুখিৰে
শৰমৰ মাৰি থওঁ
মই মোক পাত্ৰাত উঠাওঁ
আৰু বিভিন্ন মূল্যৰে
জুখিব খোজো"

শেষত তেওঁ আবিষ্কাৰ কৰে নাৰীৰ প্ৰকৃত ৰূপ—

"আৰু ৰূপ সদাই থাকো
কেতিয়াবা ফুল
কেতিয়াবা তৰোৱাল
কেতিয়াবা ......
কেতিয়াবা ......।"

সাধাৰণতে নিৰ্মলপ্ৰভাৰ কবিতাৰ মাজত এক সহজবোধ্য নিমজ আবেদন ফুটি উঠে। কিন্তু তেওঁৰ কবিতা যে উকা গদ্যৰে নামান্তৰ এনে নহয়। প্ৰতীক আৰু চিত্ৰকল্পৰ ব্যৱহাৰ তেওঁৰ সংযত আৰু মনোৰম। কম শব্দত মিতব্যয়ী ৰীতিৰে তেওঁ নিটোল চিত্ৰকল্প সৃষ্টি কৰিব পাৰে। তেওঁৰ ফাগুনৰ এখন চিত্ৰ —

"নীলা পাটৰ সাজযোৰত
ফাকু ৰঙৰ
জকমকীয়া বুটা"

জাপানী কবিতাৰ দৰে কম কথাতে বিস্তৃত ছবি আঁকা "পুহ" নামৰ কবিতাটো —

"হালধীয়া পখিলা ভৰা
অ'ত ত'ত উৰি ফুৰিছে
সৰিয়হ ফুল।"

কোমল আৰু সৰল শব্দৰ প্ৰতীকি প্ৰয়োগৰ মাজত গভীৰ ভাবৰ উপস্থাপন এওঁৰ কবিতাৰ বৈশিষ্ট্য।

নিৰ্মলপ্ৰভাৰ কবিতা অন্তৰ্জগতৰ তাগিদাৰ ফলত সৃষ্টি হোৱা এক নিমজ কলা। বাহিৰা জগতৰ ছাঁয়া তাত পৰিলেও, জুই আৰু ধোঁৱাৰ সুৰ তাত উঠিলেও যাইকৈ তেওঁ অন্তৰ্জীৱনৰ কবি। তেওঁৰ মনৰ ভিতৰৰ কবিপ্ৰাণৰ আনন্দ-বিষাদ আৰু উল্লাস-যন্ত্ৰণাৰ ছবি তেওঁৰ কবিতাত বেছি স্পষ্ট। পৃথিৱীক তেওঁ যিভাৱে দেখিছে, তাত ব্যক্তিগত ধাৰণাৰ প্ৰভাৱ বেছি প্ৰকট। নিৰ্মলপ্ৰভাৰ কবিতা বুজি পাবলৈ বুদ্ধিমত্তাতকৈ প্ৰয়োজন হয় এখন সংবেদনশীল হৃদয়ৰ।

## ৫.৫ নতুন কালৰ মহিলা কবিসকল ঃ

নতুন কবিতাৰ দিনত মহিলা কবিসকলৰো বিশিষ্ট অৱদানে অসমীয়া সাহিত্য ৰমণীয় কৰি তুলিছে। নাৰীৰ মাজত শিক্ষা আৰু অধ্যয়নৰ পৰিসৰ বাঢ়ি অহাৰ লগে লগে স্বাভাৱিকতে তেওঁলোক মানসিক সম্পদেৰে শ্ৰীবৃদ্ধি হোৱাৰ বাবে সাহিত্য-সংস্কৃতিতো তেওঁলোকৰ অৱদান বাঢ়ি আহিছে। কবিতাৰ পৃথিৱীত নাৰীমনৰ কোমল অনুভূতি আৰু সুগভীৰ চিন্তা, দুয়োটাৰে মূল্য আছে। এই দুয়ো দিশতে নাৰী হ'ল পুৰুষতকৈ অধিক সংবেদনশীল। গতিকে তেওঁলোকৰ কবিতাৰ আবেদনো প্ৰায়ে অন্তৰপৰশা হয়।

নতুন কবিতাত এটি প্ৰথম শ্ৰেণীৰ নাম লক্ষ্যহীৰা দাস। গীতিকাৰ আৰু কবি এই প্ৰবাকী মহিলাৰ হৃদয়ত আছে গভীৰ অনুভূতি আৰু কলমত আছে স্পষ্ট প্ৰকাশিকা শক্তি। দেশ-কাল-সমাজ আৰু আপোনমনৰ বিচিত্ৰ অভিজ্ঞতাসমূহেই এওঁৰ কবিতাৰ বিষয়বস্তু। একোটা পুৰণি অনুভূতিক কাপেৰে সজাই তোলাটো লক্ষ্যহীৰা দাসৰ বিশেষত্ব। যেনে, দুখ সম্পৰ্কে তেওঁৰ উক্তি—

“প্ৰতিটো দুখৰ মুদ্ৰাৰ এক
বিশেষ ইংগিত আছে
যেনেকৈ আছে প্ৰত্যেক আনন্দৰ
অবৰ্ণনীয় আস্বাদ
আৰু স্বকীয় আবেদন
যেন স্বমুদ্ৰাত নামাংকিত
কুশল নৃপতি।”

নাৰীৰ স্বাভাৱিক বৈশিষ্ট্যৰে মন-জগতৰ ভিতৰুৱা কক্ষৰ সকলো চিন্তা আৰু সমস্যাও তেওঁৰ চিনাকি। তেওঁ অনুভৱ কৰে—

“একেটা শৰীৰৰ
তলতো তৰপে
কিমান শৰীৰ
একেই মনত
কত বিচিত্ৰ
মনৰ নীড়।”

কবিৰ হৃদয় উদাৰ আৰু মুক্ত। তেওঁৰ অনুভৱত দীপ্তহৈ উঠে মানুহৰ হাহাকাৰ। বিপন্ন স্বদেশৰ ভয়াল ক্ষণত তেওঁ কৈ উঠিবলৈ ভয় নকৰে—

“প্ৰত্যেকৰে বুকুত আছে দেশ আৰু মাতৃৰ ছবি
মানৱতা আৰু স্বাধীনতাৰ অতল হাবিয়াস
আকাশৰ দৰে সহজ
সাগৰৰ দৰে বিশাল”

"ৰক্তভকৈও গভীৰ অশ্ৰুৰ নদী"ত প্ৰবল বান অহা তেওঁ অনুভৱ কৰে, তেওঁ শুনা পায় "গৰ্জি উঠে বিক্ষুব্ধ মানুহ দিশে দিশে।" "সময়ৰ সুকঠিন আহ্নিক চক্ৰান্ত" ভেদি শুভ সময় আনিবৰ বাবে তেওঁৰ এক দীপ্ত স্থিৰ লক্ষ্য দেখা যায়। তেওঁ দেখে—

"সাময়িক স্তব্ধতাত মুখ ঢাকি ৰয়
দুৰ্দান্ত ব্যাঘ্ৰ, নিশ্চিত সংঘাত
ৰিক্ত ভয় সৈনিকৰ বৰ্ধিত ক্ৰোধত
মুষ্টিবদ্ধ হাত
নেপথ্যত, সৰ্বকালৰ সৰ্বহাৰাৰ
আকাঙ্ক্ষিত সুবৰ্ণ প্ৰভাত।"

লক্ষ্যহীৰা দাসৰ কবিতা সাধাৰণতে প্ৰতীকি শব্দৰ কঠোৰ বিন্যাসৰ বাবে কিছু জটিল অথবা অস্পষ্ট। তাৰে মাজত কোমল শব্দৰ সমাবেশত মায়াজাল ৰচনা কৰা কবিতাও নোহোৱা নহয়। নিজৰ লগত কথা পতাৰ ভংগীৰে ৰচনা কৰা তেওঁৰ মনোৰম ৰচনাশৈলী এনে—

"তুমিতো নাজানা, প্ৰত্যেক ফুলৰ
উৰণীয়া গোন্ধত, প্ৰত্যেক পখীৰ
সৰল সুহৰিত
দিক্‌চৌ বাটৰ ইঙ্গিত।"

লক্ষ্যহীৰা দাসৰ কবিতাৰ মাজত জটিলতা আৰু সৰলতাৰ দুই শ্ৰেণীৰ কবিতা দেখা যায়। এইটো তেওঁৰ ৰচনাৰীতিৰে এক বৈশিষ্ট্য।

অসমীয়া সাহিত্য জগতৰ বিশিষ্টা মহিলা নীলিমা দত্তৰ কবিতাৰ মাজত ৰূপ-অৰূপৰ সান-মিহলি ছবি এখন চকুত পৰে। কবিৰ হৃদয় দৰ্শন জ্ঞানেৰে ভৰপূৰ। প্ৰাণত আছে স্বদেশ চৈতনা। ফলত তেওঁৰ কবিতা বিবিধ ৰসেৰে সিক্ত হৈ উঠিছে। তেওঁৰ দুই এটি কবিতাত দেখা যায় নলিনীবালাৰ দৰেই এক সুদূৰৰ তৃষ্ণা। নীলিমা দত্ত ৰহস্যবাদী কবি নহয়, তথাপিও কবি প্ৰাণৰ চিৰকলীয়া শূন্যতাই তেওঁৰ প্ৰাণত এক সন্ধানী সুৰৰ সৃষ্টি কৰিছে। আপোন সত্তাৰ মাজতে অৰূপৰ অস্তিত্বৰ ৰিণি ৰিণি উমান পোৱা কবিয়ে ভাবে—

"ক'ত আছে সেই সুৰ ক'ত লয়
প্ৰাণময় আনন্দৰ ধ্বনি
অৰূপ ৰতন তুমি নাই
ক'ত জানো আছা যে লুকাই,
হয়তোবা মনৰ মাজতে মোৰ
অন্ধকাৰ ছায়াৰ আঁৰতে।"

তেওঁৰ কবিতাত ব্যক্তিগত অনুভূতিৰ কোমল জিলিকনি যি দৰে আছে,

সেইদৰেই আছে সমূহীয়া সমস্যাৰ প্ৰতি সজাগ দৃষ্টিভংগী। ব্যক্তিগত বিষাদৰ কৰুণ এটি আকৃতি কেতিয়াবা তেওঁৰ কবিতাত বিৰিঙি উঠে—

"মগ্ন মোৰ হ'ল মন কোন দূৰ নক্ষত্ৰলোকত
কৰুণ বেণুৰ ৰব দূৰণিত বাজি উঠা শুনি
একোটি সুৰৰ ধ্বনি
তুমি নাই, তুমি নাই
আষাঢ়ে আনিছে কঢ়িয়াই
সুদূৰৰ সিপাৰৰ পৰা।"

কেতিয়াবা তেওঁ প্ৰত্যক্ষ কৰে মহা প্ৰলয়ৰ জুই জ্বলা স্বদেশৰ সামাজিক বাতাবৰণ। হাজাৰ তৰুণৰ তেজাল প্ৰাণেৰে জ্বলা সেই জুইক তেওঁ মহাযজ্ঞৰ শিখা আখ্যা দি কৈ উঠে—

"মহাযজ্ঞৰ শিখা জ্বলে অনিৰ্বাণ
যুগৰ কালিমা চোৱা শোধনৰ হকে
জ্বলক, জ্বলিব দিয়া একুৰা
প্ৰাণৰ জুই, নুনুমাবা—
নুনুমাবা, সাদৰী আই তোমাৰ
চকুৰ পানীৰে।"

এইদৰে তেওঁৰ কবিতাত নানা দিশে ভুমুকি মাৰিছে। চকুৰ কাষতে থকা পৃথিৱীৰ চিনাকি ৰং-ৰূপৰ পৰাই তেওঁ কবিতাৰ সমল গোটাইছে। কল্পনা আৰু আবেগৰ আধিক্য এইবোৰত নাই।

প্ৰবীনা শইকীয়াৰ কবিতাত আছে ক্ষোভ আৰু যান্ত্ৰিকতাৰ গতানুগতিক জীৱনৰ মাজতে নিজৰ বাবে এখন শান্তিৰ জগত গঢ়ি লোৱাৰ এপলকৰ কামনা। তেওঁৰ শব্দচয়ন মনোৰম। কবিতাৰ শৰীৰী ৰূপৰ গঠনো নিখুঁত। এক মসৃণ ৰমন্যাসিকতা তেওঁৰ কবিতাত ধৰা পৰে—

"মোৰ বিষধৰ বিষাদৰ নীল সাগৰৰ পৰা
কচ্ছপৰ দৰে প্ৰসাৰিত গ্ৰীৱাভঙ্গী লৈ
মই আত্মহাৰা মুক্ত ৰভাহত এই মুহূৰ্তত,
মই ভাসমান আকাশত তোমাৰ প্ৰেমৰ।"

দেশ-কালৰ দাবীও তেওঁৰ কবিতাত উপেক্ষিত হোৱা নাই। প্ৰতিবাদৰ ভাষা তেওঁৰ প্ৰতীকি শব্দ প্ৰয়োগেৰে শক্তিশালী। 'ৰণ' নামৰ কবিতাত তেওঁ কৈছে—

"তেজবোৰ গোট মাৰি
শিল হয় মানে

তোমালোকৰ হাতী-ঘোঁৰাবোৰ
ৰজা-মন্ত্ৰীবোৰ সেনাবোৰ
গোটে মাৰি শুটি হ'ব
দিগন্ত বিয়পা পশ্চাদ পটত
তেজগোৰা দবাৰ চকত
চকা পাটত বহে মানে
ৰঙচুৱা হৈ থাকে মানে
ভাবৰবোৰ।”

'প্ৰেম' আদি কবিতাৰ মাজত প্ৰবীনা শইকীয়াৰ কোমল আৰু কল্পনাময় ভাষাৰ উমান পোৱা যায়।

আলিমুন্নিছা পিয়াৰৰ কবিতাত এক সহজ আশাবাদ জিলিকি উঠে। তেওঁৰ কবিতা বহুৰঙী। ব্যক্তিগত নানা অনুভূতিৰ লগে লগে ঋতুৱে-ঋতুৱে নানা ৰূপা হোৱা প্ৰকৃতি, উছৰবলীয়া মানুহৰ মন, সামাজিক সমস্যা আদি চকুত ভাঁহে—“আন্ধাৰৰ শেষত জ্যোতিৰ প্ৰপাত”ৰ মধুৰ দৃশ্য। বিষণ্ণ ক্ষণ কিছুমানৰ অনুভৱত তেওঁৰ চেতনাত এক হৈ পৰে অতীত-বৰ্তমান-ভৱিষ্যৎ। তাকে তেওঁ কৈছে—

“অতীত আছে শুই
বৰ্তমানৰ গৰ্ভত
বৰ্তমান আছে আউজি
ভৱিষ্যতৰ গৰ্ভত
...সময় যেন সগৰ্ভা মাতৃ
সময়ৰ চকুত”

কেতিয়াবা নিজৰ সৈতে কথা পাতি তেওঁ ৰচনা কৰে কিছুমান মনোৰম স্তৱক। তেওঁৰ কবিতা কঠোৰে-কোমলে মিলি মনোমোহা। আশা তাৰ অন্যতম সম্পদ।

আশাৰ স্ফুৰণ দেখা যায় সত্যপ্ৰভা দাসৰ কবিতাতো। 'এন্ধাৰতো পথ ভাঙি যায়' নামৰ কবিতাত তেওঁ কৈছে—

“মোৰ কণ্ঠত এটি গীত দিয়া
যাৰ সুৰীয়া—
বুটলি আনে
হেজাৰজনৰ বাবে
পূৰ্ণিমা ৰাতি
দুখৰ গোছাক সলাই
এন্ধাৰতো পথ ভাঙি যায়”

চিন্ময়লতা ফুকনৰ কবিতাতো আছে এক শুভ সময়লৈ বাট চোৱাৰ গভীৰ আস্থা। 'কাৰ বাবে' নামৰ কবিতাটোত তেওঁ কৈছে—

"আঁউসীৰ গৰ্ভতে পূৰ্ণিমাৰ জোন
আলফুলে সাবটি লোৱা
চেতনাৰ প্ৰসাৰিত হাত
আলফুলে বুটলি লোৱা
বুটলি লোৱা
ফেঁহুজালিৰ গভীৰ বিশ্বাস।"

শুচিব্ৰতা ৰায়চৌধুৰী, হিৰন্ময়ী দেৱী, বাণী পাঠক, উমা বৰুৱা, ছাকিনা খাতুন, এলি আহমেদ আদি কবিসকলে সংখ্যাত কম হ'লেও কিছুমান ভাল কবিতা ৰচনা কৰিছে, এই কবিতাবোৰত কলা-কৌশলৰ নিপুণতাতকৈও সহজ আন্তৰিকতা বেছি স্পষ্ট।

সাম্প্ৰতিক কালৰ মহিলা কবিসকলৰ মাজত দুটা দল চকুত পৰে। এটা দলত অন্তৰ্জগতৰ অনুভূতি লৈ কবিসকল ব্যস্ত হৈ থাকে আৰু আনটো দলত থাকে চাৰিওফালৰ সমস্যাক লৈ চিন্তিত হোৱা কবিসকল। দুয়োটা দলতে সাৰ্থক কবি কেইবাগৰাকীও আছে। তোষপ্ৰভা কলিতাৰ কবিতাত নাৰীমনৰ সহজাত শুভকামনা ফুটি উঠিছে—

"ব'দ জল্মল পখিলাটো
খন্তেক জিৰাওক
নিটোল মাধুৰ্যময়
আৰু এপাহ সূৰ্যমুখীত"

নতুন কবিতাত প্ৰেমৰ উমসনা পৰশ প্ৰতীকি ভাষাৰ আঁৰত ঢাক খাই থাকে। ব্যঞ্জনাময় ভাষাৰ অন্তৰালত কবিৰ ইচ্ছা আৰু অপেক্ষাৰ কোমল ইংগিত পোৱা যায়। কুঞ্জ মেধিৰ কবিতাত আছে এনে আলসুৱা অনুভৱৰ স্বাক্ষৰ। 'অপেক্ষা' নামৰ কবিতাত তেওঁ কৈছে—

"তোমাৰ আজন্ম যাতনা
উপশমৰ বাবে
সপ্তপৃথিৱী বিচাৰি
আনি থৈছো বিশল্যকৰণী
অনায়াস অৱলীলাক্ৰমে
শান্তিৰ প্ৰলেপ সানি
আঁওৰাই দিবৰ বাবে
তোমাৰ দুখ অতল গভীৰ।"

তেওঁৰ মনত "স্বপ্ন আছে ন-কুঁহি বৰণীয়া", য'ত "ৰোপণ হয় গোপন বসন্ত"।

তেওঁৰ আশা

"তাম্ৰবীণৰ সুৰে সুৰে উপচি পৰিব
ছন্দহীন ছন্দৰ মালিকা
বৰ্ণহীন বিষাদী ক্ষণৰ।"

অন্য এক কোমল বিষাদৰ কবি লীলাৱতী বৰা শইকীয়া। সংখ্যাত কম হ'লেও এইগৰাকী কবিৰ কবিতাত প্ৰকৃত কবিপ্ৰাণৰ আৰ্তি শুনা যায়। নিঃসংগতা আৰু নিৰ্জনতাপ্ৰিয়তা এওঁৰ কবিতাৰ প্ৰকৃতি। "আশ্ৰয়" নামৰ কবিতাটো উদ্ধৃত কৰি দিবলৈ মন যায়, য'ত আছে—

"সকলো অথলে গ'ল
অন্তহীন অগাধ বিশ্বাস
ঢাক খালে কুঁৱলীত
কামাখ্যাৰ সোণৰ কলচী
হাউলিল লাইখুঁটা
কীৰ্তন ঘৰ
বাঁহৰ লেহুকা ঘৰ
থৰক-বৰক হ'ল
বতাহত উৰি গ'ল
ঘৰৰ মূধচ
মই এতিয়া ক'ত মূৰ থওঁ
তেজে ধোৱা
দুখিলা কোমল কুঁহিপাতত॥"

"গায়ত্ৰী কোঁৱৰৰ কবিতাত সমাজ চৈতন্যতকৈ ৰোমাণ্টিক ভাৱ-ঘনতা আৰু ইমেজ নিৰ্ভৰ ৰচনাশৈলীৰ প্ৰকোপহে বেছি। শব্দৰ সাংগীতিক লয় আৰু আবেগ বিহ্বল ভাষাৰ মধুৰ সংযোগ হৈছে কবি কোঁৱৰৰ কবিতাত। প্ৰেম, স্বপ্ন, বিষাদ আৰু জীৱনৰ পূৰ্ণতা আৰু অপূৰ্ণতাৰ ছবি তেওঁৰ কবিতাত বিদ্যমান।[১] তেওঁৰ কবিতাত চিত্ৰকল্পৰ প্ৰয়োগ লক্ষ্যণীয়। "শূন্যতাত মোৰ মৃত্যুৰ তাঁৰ" নামৰ কবিতাটোৰ দুফাকি—

"পিকাচোৰ ইজেলত ঋাপ লোৱা এক ছবিৰ দৰে
নিঃশব্দ ছবিৰ হৈ যায় আকাশৰ ভাবলেশহীন মুখ
কমলা ৰঙৰ আবেলিৰ ৰ'দে কঢ়িয়াই আনে অনেক
বায়বীয় নিৰ্জন শূন্যতা।"

১। আধুনিক অসমীয়া কবিতা, পৃঃ ১৬৫

নির্জনতাৰ মাজত সমূহীয়া কণ্ঠস্বৰৰ উমান পোৱা কবি হ্ৰবীফা খাতুন চৌধুৰীৰ কবিতা তেজাল শিখাৰ দৰে দীপ্তিমান। দেশ আৰু মাটিৰ মোহে তেওঁক কেতিয়াবা চিন্তিত আৰু কেতিয়াবা ব্যথিত কৰিছে। ক্ষোভ আৰু হতাশাৰ পিছত তেওঁ আৱিষ্কাৰ কৰে প্ৰত্যাশাৰ এক দীপ্তভূমি। তেওঁৰ অনুভৱ—

"তুলসী তলৰ চাকিৰ পোহৰত নতুবা মাঝাৰৰ ধূপৰ
সুৰভিৰ নদীয়েদি উজাই আহে
সান্ত্বনা আৰু সহ্যৰ পাজতবা নাও
বুকুৰ মাজত অহৰহ প্ৰতিধ্বনিত হয় 'চৰৈৱতি'।
চৰৈৱতি!"

সত্তৰৰ দশকত আত্মপ্ৰকাশ কৰা কৱৰী ডেকা হাজৰিকা হ্লাইকৈ "অন্তৰ্জীৱনৰ কবি। মানুহৰ অন্তৰৰ জগতত যিবোৰ ঘটনা ঘটে, যিবোৰ অভিজ্ঞতা লাভ হয়, যিবোৰ বাসনা অনুভূত হয় সেইবোৰেই তেওঁৰ কবিতাৰ প্ৰধান উপজীব্য।"[১] শেহতীয়াভাৱে সমাজ সচেতন ধাৰা এটি তেওঁৰ কবিতাত বিচাৰি পোৱা যায়। তেওঁৰ কবিতাৰ ৰীতিৰ বিষয়ে সমালোচকে কৈছে—"তেওঁৰ কাব্যৰীতি ইমাজিষ্ট-ইমপ্ৰেছনিষ্ট কাব্যৰীতি। ভাৱঘন সৰু সৰু স্তৱকবোৰে তেওঁৰ কবিতাবোৰ সম্পূৰ্ণ হয়। মিহি মিহি শব্দৰ সঘন উপস্থাপনেৰে তেওঁ কাব্যিক ইন্দ্ৰজাল তৈয়াৰ কৰিব পাৰে।"[২] তেওঁৰ কবিতাৰ এটুকুৰা—

"আকাশ মাটিত দো খাই পৰা গধূলিবেলা
ৰংশিঙা খংশিঙা কোনে বায়
জোকৰি উঠে বুকুৰ মাজত
সেন্দুৰ বৰণ মেঘ
হাতৰ মুঠিত সোঁট মৰা তেজ
বিহাৰ দহিৰে টোপ টোপ সৰে
সুৰৰ চৰাই নীড়মুখী হয়
সেউজী ঘাঁহৰ গোন্ধেৰে ভৰাই
বুকুৰ নিজান দেশ"

মেঘালী ফুকনৰ নামো সাম্প্ৰতিক কালত উল্লেখযোগ্য। কবি প্ৰাণৰ সংবেদনশীলতা আৰু যুগ সচেতনতা একেলগে তেওঁৰ কবিতাত প্ৰকাশ পাইছে। "জনজীৱনৰ মৰ্মবেদনাৰ প্ৰতি গভীৰ সহানুভূতি" এওঁৰ কবিতাৰ বৈশিষ্ট্য। অস্থিৰ যুগ-মানসিকতা প্ৰকাশেৰে কিছুমান কবিতা সজীৱ হৈ উঠিছে। 'সৰ্বত্ৰ' কবিতাটোত তেওঁৰ প্ৰাণে অনুভৱ কৰিছে—

১। হোমেন বৰগোহাঞি, কৱৰীৰ কবিতা, 'সুবাসিত দ্বি মন্ত্ৰণা'
২। আধুনিক অসমীয়া কবিতা, পৃঃ ১৬৩

"কোনে ভাঙি নিছে বুকুৰ চমকা ডাল
মোহাৰি পেলাই দিছে কুঁহিপাত
ছিঙি নিছে ফুলৰ কলি
অহৰহ বাজি উঠিছে ৰণৰ কালি
কি যন্ত্ৰণা"

তেওঁ দেখে—

"ৰৰযুগৰ প্ৰতিটো চৌপাজত আপোনজে'
বাট চাই থকা এখন মুখ
মোৰ মাতৃৰ"

চাৰিওফালৰ পৰিৱেশে যদিও সংশয়, হতাশা আৰু যন্ত্ৰণাৰ ৰাতৰিহে বহন কৰিছে, তথাপিও কবিৰ মনত সংগোপনে জ্বলি আছে আস্থা আৰু বিশ্বাসৰ দীপ। তেওঁৰ কামনা—

"গোপালশিটা ৰৰযুগৰ ৰাতি
কলমৌপাতত কৃষ্ণ ওপজক
খহি পৰক বসুদেৱৰ হাতৰ শিকলি।"

ৰাজু বৰুৱাৰ কবিতাত আছে সেও নমনা বিদ্ৰোহৰ এক সুৰ। তেওঁৰ চকুত ধৰা পৰে প্ৰচলিত সমাজ ব্যৱস্থাৰ সকলো ভণ্ডামি। ৰাজনীতিৰ বিষেৰে নীলা হৈ পৰা দেশ-কালৰ বুকুত তেওঁ মাথোন বিচাৰি পায় মানুহৰ অৱনমিত মূল্যৰ সংবাদ। 'বেলিত উন্মুখ কঁপিব ধৰা ওঁঠ' নামৰ কবিতাত তেওঁৰ মনোভাৱ অসহিষ্ণু হৈ ফুটি উঠিছে এনেকৈ—

"ৰাতৰি জপানেও গছৰ পাতত পঢ়ি থাকো
পঞ্জাব, হাৰিয়ানা, ৰেংগুন, আফ্ৰিকাৰ
শিৰ ফুলা আপোনৰ দুঃসংবাদ
আফ্ৰিকাত থিয় হৈ
চিকুটি-ৰাকুটি পেলাওঁ মোৰ আত্মাৰৰ ছাল
নতুবা ৰেংগুনৰ ৰাজপথত
বঞ্চনাৰ ৰাকলি গুচাই দেখুৱাওঁ
গণতন্ত্ৰৰ সাহ"

কেৱল বিদ্ৰোহেৰেই গঢ়া নহয় ৰাজু বৰুৱাৰ কবিতা চিৰন্তন কবি প্ৰাণৰ স্বাভাৱিক দীপ্তিও ইয়াত আছে। 'শিশুৰ মাত' নামৰ কবিতাত মানৱী হিয়াৰ কোমলতা আৰু মধুৰতাই প্ৰকাশৰ বাট বিচাৰিছে। শিশুৰ হাঁহি-কান্দোনৰ লগত জড়িত হৃদয়পৰশা সকলো অনুভৱক তেওঁ আপোন মনেৰে চুই চাইছে। তেওঁৰ মতে—

"সৰলতাৰ নাম নহয় দুৰ্বলতা
প্ৰস্ফুটিত ফুলৰ নাম সেয়ে শিশুৰ
হাঁহি"

ৰাজু বৰুৱাৰ কবিতাত মানুহক ওচৰৰ পৰা চোৱাৰ এক প্ৰয়াস দেখা যায়। চাহ-বাগানৰ সেউজী বুকুত জীৱন পাৰ কৰা সহজ-সৰল মানুহখিনিৰ ওপৰত ক'ৰবাত যদি কিবা অন্যায় হৈছে, ক'ৰবাত যদি তেওঁলোক পিছপৰি আছে, তেন্তে তাতেই পৰিছে তেওঁৰ চকু। খেতিয়কৰ বিষাদ, শ্ৰমিকৰ চকুপানী আৰু সংগ্ৰামী-জনৰ ঘামৰ গোন্ধ তেওঁৰ কবিতাত এক হৈ পৰিছে।

সাম্প্ৰতিক কালৰ কবিতাত অৰ্চনা শৰ্মা পূজাৰী এটা চিনাকি নাম। এওঁৰ কবিতাতো আছে জীৱনক তাৰ আচল ৰূপত চোৱাৰ প্ৰয়াস। "মানুহৰ প্ৰেমত পৰা মানুহ"ৰ কথাৰে ভৰা তেওঁৰ কবিতাত মাটিৰ গোন্ধ পোৱা যায়। উৰণীয়া কল্পনাৰ বাহুল্য এইবোৰত নাই। তেওঁৰ শব্দ-চয়ন অৱশ্যে ৰাজু বৰুৱাতকৈ কোমল আৰু বৈচিত্ৰ্য সম্পন্ন ; চিন্তাধাৰাত যদিও দুয়োগৰাকীৰে বহুতো সাদৃশ্য দেখা যায়। 'পথাৰ' নামৰ কবিতাটোৰ মাজত সংযত আৰু ৰুচিপূৰ্ণ শব্দ প্ৰয়োগৰ যোগেদি যন্ত্ৰণামিশ্ৰিত ক্ষোভৰ সুৰ স্পষ্ট হৈ উঠা চকুত পৰে—

"সোণালী ৰুমালৰ দৰে আঘোণৰ পথাৰে
সেউজীয়া আঁচলেৰে শাওণত সাৱটি আছিল
এটা সপোনেৰে উকিয়াই মোক তোলপাৰ লগাই
শৈশৱ, কৈশোৰ, যৌৱনৰ সোণৰ সোলেং
'ন-ভাত' খোৱাৰ উৰুলীকৃত সময়
'চে-চোৰ' বুটলি মাটি খোচৰাৰ দিন
পিঠিত ৰ'দ সানি ৰবাৰ টেঙাৰ সোৱাদ লওঁতে
ভাবিম কিদৰে
চাউলত শিল অথবা লেৰুৱা পোকৰ প্ৰাচুৰ্যই
কাঢ়ি নিব 'ন-ভাত' অথবা চেনেহৰ বিশাল পথাৰ"

এনেবোৰ নিমজ শব্দৰ পৰিৱৰ্তে কেতিয়াবা ধাতৱ-কঠিন শব্দয়ো তেওঁৰ কবিতাত ঠাই পায়। প্ৰতিটো শব্দই যে ত্ৰুটিহীন এনে নহয়। 'স্বাধীনতা দিৱস' নামৰ কবিতাত মিশ্ৰিত শব্দৰ প্ৰাচুৰ্য এইদৰে চকুত পৰে—

"হৈ হাল্লা, হিলৈ-বৰটোপৰ ধ্বনিত
জেপে জেপে বাগৰে টকাৰ মোনা
বাতা-বাতি প্ৰভৃতিতে
দেশৰ প্ৰগতিৰ বুনিয়াদ ৰচে
স্বাধীনতাৰ নামত প্ৰহসন সানি"

হয়তো দুখীয়া খাটিখোৱা শ্ৰেণীৰ মনোভাৱ প্ৰচাৰ কৰিবলৈ বিচৰাৰ বাবেই

তেওঁৰ কবিতাত ভাষাৰ এই সান-মিহলি ৰূপ দেখা যায়।

সাম্প্ৰতিক কালৰ কবিতা-সাহিত্যৰ পাত মেলিলে চকুত পৰে কেইটামান নতুনকৈ পৰিচিত হৈ উঠা নাম। লুট্‌ফা হানুম ছেলিমা বেগম, সুমিত্ৰা গোস্বামী, অনুপমা বসুমতাৰী, পদুমী গগৈ, নলিনীবালা হাজৰিকা, দীপালিমা শৰ্মা, নিবেদিতা ফুকন আদি। লুট্‌ফাৰ কবিতা শেহতীয়াভাৱে জনপ্ৰিয় হৈ উঠিছে। তেওঁৰ চিন্তাধাৰা আৰু তাৰ প্ৰকাশভংগীত স্বকীয়তা সম্পূৰ্ণভাৱে ৰক্ষিত হৈছে। কম শব্দৰ মাজতে বহুত কথা ক'বলৈ জনা এইগৰাকী কবিৰ কবিতাত মিতব্যয়িতা এক প্ৰধান লক্ষণ। 'সভ্যতা' তেওঁৰ বাবে—

"অলেখ ভাবৰ সংমিশ্ৰণত
যৌগিকসংখ্যাবোৰৰ
এক উচ্চতম পাহাৰ;
য'ত প্ৰতিদিনাই ঠেকা খায়
উচ্চাঙ্গ সংগীতত উজ্জীৱিত
বহু শব্দৰ প্ৰতিশব্দবোৰ"

কবিগৰাকীৰ কিছুমান কবিতাৰ মাজত খায়েবিৰ দৰে ভাব আৰু ভাষাৰ চুম্বকত্ব চকুত পৰে। তাৰে উদাহৰণ—

"ডেউকা হেৰুৱাই উন্মাদ হোৱা
চৰাইজাকৰ সৈতে
মই মোৰ শৱযাত্ৰাত যোগ দিছিলো
যোৱা ৰাতি"

কবিতা তেওঁৰ বিচিত্ৰ অনুভৱৰ স্বাক্ষৰ। মানুহৰ মনৰ গোপন কক্ষত "আজন্ম দুখ আৰু কাতৰতাৰ বিন্যাস" তেওঁ দেখা পায়। আৰু দেখা পায় "প্ৰাণে প্ৰাণে পৰিব্যাপ্ত হেজাৰজনৰ চকুৰ নীৰ।" এই সকলোবোৰ মিলি তেওঁৰ কবিতাই চিন্তা আৰু তৃপ্তি দুয়োটাৰে খোৰাক দিবলৈ সক্ষম হৈছে।

সম-সাময়িক কবিতা জগতত সুমিত্ৰা গোস্বামীৰ অৱদানো প্ৰশংসাযোগ্য। এওঁৰ কবিতাবোৰত "কেঁচা মাটিৰ গোন্ধ" আছে; আৰু আছে "পৃথিৱীখনক নতুন ৰূপত সজাবলৈ" এবুকু আশা। সহজ-সৰল খাটি খোৱা শ্ৰেণীটোলৈ তেওঁৰ গভীৰ সহানুভূতিৰ সুৰ শুনা যায় 'বিষণ্ণ প্ৰহৰ' নামৰ কবিতাটিত। ইয়াত তেওঁ কৈছে—

"বোকা পানীৰ মাজতেই
ঋতুৰ পিচত ঋতু
সিহঁতৰ পাৰ হৈ যায়।
অথচ

অন্তৰ্যামী সুৰুষৰ দৰে
সিহঁতৰ পঁজাতেই নামি আহে
এবুকু এন্ধাৰ।"

অনুপমা বসুমতাৰীৰ কবিতাত দুটি ভিন্ন সত্তাৰ সহাৱি পোৱা যায়। এটিয়ে যেন চাৰিওফালৰ আকাশৰ পৰা মাটিলৈকে বিয়পি থকা চিন্তা আৰু সমস্যাবোৰৰ ভাগ ল'বলৈ বিচাৰে, আৰু আনটোৱে আপোন মনৰ গভীৰৰ পৰা বুটলি ল'বলৈ বিচাৰে একান্ত নিবিড় কিছুমান মুহূৰ্ত। 'শামুক' নামৰ কবিতাটোৰ মাজত দ্বিতীয় বিধৰ গতিপথৰ উমান পোৱা যায়। ইয়াত শামুকে প্ৰতীকি ৰূপ গ্ৰহণ কৰিছে। কবিয়ে অনুভৱ কৰিছে—

"আশ্চৰ্যজনকভাৱে মোৰ শৰীৰটো বুটলি নৈছে
এখন অদৃশ্য হাতে
শোহা মাৰি শূন্য কৰিছে মোৰ ভিতৰখন।
হৃদয় ভগাৰ যন্ত্ৰণাত মৰ্-মৰাই উঠিছে মোৰ
শৰীৰৰ খোলা
আৰু সৃষ্টি হৈছে এটা নতুন শোক গাথাৰ ছন্দ।"

বহুখিনি একে লক্ষণ বিচাৰি পোৱা যায় দীপালিমা বৰুৱাৰ কবিতাতো। সামাজিক ৰীতিৰ প্ৰতিবাদত নিৰুপায় ক্ষোভ আৰু প্ৰাণৰ গহনত এক অহৈতুক বিষাদ অনুভূতি, এই দুয়োটাকে তেওঁ লালন কৰিছে। 'পৰিচ্ছেদ' নামৰ কবিতাত তেওঁৰ উক্তি—

"জনপথত খোজ দিয়াৰ যন্ত্ৰণা
হাঁহিমুখে মই দূৰলৈ ঠেলিম
প্ৰতিবাদৰ জুই যেন ভাষা
জিভাৰ আগত বান্ধিম।
আই, জিভাৰ আগতে বান্ধিম।"

কেতিয়াবা নিজৰ লগতে নিজে কথাপতা মনোভাৱেৰে তেওঁ অনুভৱত ধৰা পেলায় "বাৰীৰ চাপৰ পৰা বাগৰি অহা আবতৰীয়া তগৰৰ ফুৰ্ফুৰীয়া গোন্ধৰ" দৰে কিছুমান বিশেষ অনুভূতি। তেতিয়া তেওঁ উপলব্ধি কৰে—

"ৰ'দে চেলেকা মোৰ উদং চোতাল
দুখ-দৈন্য-নৈৰাশ্যৰে ওপচ হৃদয়
কেৱল আত্ম প্ৰত্যয়েৰে ফৰকাল।"

নিবেদিতা ফুকনৰ কবিতাৰ মাজত মানুহৰ প্ৰতি এক সহজাত সহানুভূতিৰ সুৰ ধ্বনিত হৈ উঠিছে। মানুহ তেওঁৰ বাবে অমিত শক্তিৰ গৰাকী। এই শক্তি হেঁচা খাই আছে যুগ যুগ ধৰি চলা অবিচাৰ আৰু শোষণৰ বাবে। তেওঁ কৈ উঠে—

"মই মানুহৰ কথা ভাবোঁ
পিছি সেই মানুহ,
যাৰ কণ্ঠত অহৰহ
ধুমুহা অনাৰ গান।"

প্ৰতিবাদৰ সুৰ স্পষ্ট কৰিবৰ বাবে সাবিত্ৰী শইকীয়াই বাছি লয় থলুৱা মাটিৰ গোন্ধেৰে ওপচা শব্দ। তাৰে উদাহৰণ, 'হাতো নেমেলিবি ফুলো নিচিঙিবি' কবিতাত।

"ক'ৰপৰা আহিলি অজাতি কাউৰী
কিহেৰে বোলালি ঠোঁট
কুটুমেৰে কুটুমৰ ভোজ
মজিয়া ভকে ভকায়
ৰণশিঙা কোনে বায়"

সাম্প্ৰতিক কালত নতুন কবিতাৰ সমস্যা অসংখ্য। দেশ-কাল-সমাজৰ নানা জটিলতাই কবিসকলক একাগ্ৰ আত্মবিলোপনৰ সুবিধা নিদিয়ে। কবিয়ে নাপায় সহৃদয় পাঠকৰ সহযোগ; বুকুৰ বাতৰি বিলাবৰ বাবে একোখন আগ্ৰহী হিয়াৰ সদিচ্ছা। এনেবোৰ কথাকে কৈ উঠিছে গায়ত্ৰী সেনে, এইদৰে—

"কবিতা লিখিম কাৰ বাবে? পঢ়ে জানো তেওঁলোকে কবিতা॥
মাটিৰ মোহ ত্যাগ কৰি আকাশত বিচৰণ কৰা এইবোৰ মানুহৰ চকু শগুণৰ দৰে
যেন আমাৰ চকুবোৰ উলিয়াই নিব এতিয়াই।
কিমানৰ চকু লৈ গ'ল উলিয়াই-তাৰ খবৰ জানো আছে কাৰোবাৰ"

অন্য এটি কবিতাত তেওঁ কৈছে—

"একো লাভ নাই সাপক গাখীৰ খুৱাই
এইবোৰ মানুহটো সাপেই!
মানুহ ক'ত পায়, মানুহ॥"

বিদ্ৰোহ আৰু বিতৃষ্ণাৰ এই সুৰ সাম্প্ৰতিক কালৰ কবিতাৰ এক বৈশিষ্ট্য। প্ৰায় সকলোবোৰ মহিলা কবিৰ কবিতাতে এই বৈশিষ্ট্য ধৰা পৰে।

অসমীয়া কবিতাৰ মাজত আৰু কেইবাগৰাকীও মহিলা কবিৰ অৱদান লক্ষ্য কৰা যায়। নীলাক্ষি চলিহা, পদুমী গগৈ, নলিনীবালা হাজৰিকা, সবিতা কোঁৱৰ, চন্দিকা কোঁৱৰ, মীৰা ঠাকুৰ, জ্যোৎস্না আলি, ইন্দিৰা ফুকন, নাজ্‌মা চৌধুৰী আদি কবিসকলে তেওঁলোকৰ কবিতা-সম্ভাৰেৰে কাব্য-জগত চহকী কৰিছে। ঘাইকৈ সমাজ-সচেতনতা এই কবিসকলৰ বৈশিষ্ট্য। সম-সাময়িক সমাজৰ স্থবিৰ আৰু নিৰাশাজনক ছবিয়ে তেওঁলোকক ব্যথিত আৰু চিন্তিত

কৰিছে। ব্যক্তিগত প্ৰেম আৰু বেদনাৰ আৱেদনৰ অনুভৱক প্ৰশ্ৰয় নিদি তেওঁলোকে অধিক গুৰুত্ব দিছে সমূহীয়া সমস্যাসমূহক। ফলত সাম্প্ৰতিক কালত মহিলা কবিসকলৰ হাতত বেছিভাগেই দেখা যায় প্ৰত্যাহ্বান আৰু প্ৰতিবাদৰ সুৰ। দুই এটা ভাল কবিতাত যথেষ্ট সৌন্দৰ্য দেখা যায় যদিও সৰ্বমুঠ বিচাৰত কবিতাবোৰ একেসুৰীয়া। এইবোৰত নাৰীপ্ৰাণৰ বিশিষ্ট জিলিকনিতকৈও বেছি স্পষ্ট হৈ আছে নতুন পুৰুষৰ প্ৰতিবাদী কণ্ঠস্বৰ।

॥ ষষ্ঠ অধ্যায় ॥

# অসমীয়া নতুন কবিতা

## ৬.১ নতুন কবিতাৰ গতি আৰু প্ৰকৃতি ঃ

বৰ্তমান কালৰ সাহিত্যত আটাইতকৈ বিৰ্তকিত বিষয় হ'ল কবিতা, নতুন কবিতা। অনুৰাগী পাঠকৰ সযত্ন সমাদৰৰ মাজত দিনে দিনে নতুন ৰূপেৰে জিলিকি উঠা নতুন কবিতাই এতিয়াও বহুতো পাঠকৰ মনৰ দুৱাৰ মকুলি কৰিব পৰা নাই। সমস্যাটোৰ আৰম্ভণি তাতেই। নতুন কবিতাৰ সমৰ্থনত আৰু বিৰোধত দুই শ্ৰেণীৰ পাঠকে নিজৰ নিজৰ মতামত ব্যক্ত কৰে। এটা শ্ৰেণীয়ে কবিতাৰ সকলো ব্যঞ্জনাময় সৌন্দৰ্যৰ প্ৰতীকৰূপে নতুন কবিতাক গ্ৰহণ কৰে। কিন্তু আনটো শ্ৰেণীৰ মতে নতুন কবিতা বেছি দুৰূহ, অবোধগম্য ; গতিকে কবিতাৰ আমেজ এইবোৰত পাবলৈ নাই। দুয়োশ্ৰেণী পাঠকৰে বক্তব্যত নিজস্ব যুক্তি আছে। তাৰে প্ৰথমবিধৰ মতে, কবিতা হ'ল বুদ্ধি আৰু চিন্তাশক্তিৰ সম্পদ আৰু দ্বিতীয়বিধৰ মতে, কবিতা কেৱল হৃদয়ৰ অনুভৱ।

সঁচাকৈয়ে অসমীয়া নতুন কবিতাখিনি আলোচনা কৰিলে এইবোৰ দুটা ভাগত আপোনা-আপুনি সোমাই পৰে। তাৰে এবিধ হ'ল হৃদয় চুই গুণগুণাই যোৱা আৰু আনবিধ হ'ল মগজুৰ দুৱাৰত টুকুৰিয়াই সোমাই অহা। হৃদয়ৰ বাবে যিবোৰ কবিতা, সেইবোৰক লৈ সাধাৰণতে সমস্যা উপস্থাপিত নহয়। সমস্যা সৃষ্টি কৰে পিছৰ বিধৰ কবিতাই। কাৰণ এইবোৰে পাঠকৰ পৰা অধিক সচেতনতা আৰু অধ্যয়নৰ দাবী কৰে। বৰ্তমান সমাজৰ সীমিত অধ্যয়নৰে ভৰা পাঠক সমাজৰ বাবে এইবোৰ সেয়েহে জটিল আৰু দুৰ্বোধ্য আখ্যাৰে বিভূষিত। এই অস্পষ্টতা প্ৰকৃততে নতুন কবিতাৰ প্ৰধান বৈশিষ্ট্য। অস্পষ্ট সেইসকলৰ বাবেহে, যিসকলৰ বুদ্ধি আৰু হৃদয় নতুন কবিতাৰ ৰস-গ্ৰহণৰ বাবে উপযুক্ত হৈ উঠা নাই, অৰ্থাৎ যিসকলে নতুন কবিতাৰ দুৱাৰ মুকলি কৰাৰ সঁচাৰকাঠি বিচাৰি পোৱা নাই। কবিতা বুজি পোৱা আৰু উপলব্ধি কৰা—দুয়োটাই বেলেগ কথা। প্ৰকৃত আনন্দৰ বাবে কবিতা এটিৰ প্ৰতিটো আখৰৰ অৰ্থ বুজি নাপালেও হয়। সৰ্বমুঠ অনুভৱৰ কোনো এক আবেদনে যেতিয়া হৃদয়ত ঠেকা খায়, তেতিয়াই এই আনন্দ পোৱা যায়। কিন্তু যিবোৰ কবিতাত বুদ্ধিৰ দুৱাৰেদি গৈহে হৃদয়ক বিচাৰিব লগা হয় সেইবোৰ কবিতাত এই আনন্দ সহজলভ্য নহয়। নতুন কবিতাৰ জটিলতাৰ প্ৰশ্নটোৰো তাতেই আৰম্ভণি।

কবিতাৰ জটিলতা বা অস্পষ্টতাৰ প্ৰসংগত ইংৰাজীত ব্যৱহাৰ কৰা হয় তিনিটি শব্দ। ইলিয়টে ব্যৱহাৰ কৰিছে 'ডিফিকাল্টি', হাৰ্বাৰ বিডে ব্যৱহাৰ কৰিছে 'অবছ্কিউৰিটি' আৰু এম্পছনে ব্যৱহাৰ কৰিছে 'এম্বিগুইটি'। ইয়াৰ শেষৰটোৱে বুজায় শব্দৰ দ্ব্যৰ্থকতা আৰু দ্বিতীয়টোৱে বুজায় কল্পনাজাত অস্পষ্টতা। 'দুৰ্বোধ্য' শব্দটোৱে এই তিনিওটাকে সামৰি লয়। কবিয়ে নিজে ইচ্ছা কৰি সাধাৰণতে অস্পষ্টতাৰ সৃষ্টি নকৰে। কিন্তু কিছুমান ক্ষেত্ৰত ই নিজে

নিজে আহি পৰে। অৰ্থাৎ কবিতাৰ ক্ষেত্ৰত দুৰূহতাৰ কেতিয়াবা অপৰিহাৰ্য হৈ পৰে। এই দুৰূহতাৰ উমান পায় এচাম পাঠকে, যি চামৰ হৃদয় আৰু চিন্তাবৃত্তি তেতিয়াও সেই কবিতাৰ বাবে উপযুক্ত হৈ নুঠে। কেতিয়াবা বেয়া কবিয়ো কবিতায়ো দুৰ্বোধ্য আখ্যা পাব পাৰে। সেইবোৰেই বেয়া কবিতা, যিবোৰৰ ভিতৰত বক্তব্য নাথাকিলেও জোৰ কৰি আখৰ সজাই একোটা কবিতাৰ ৰূপ দিয়া হয়, নাইবা একোটা অনুভূতিক প্ৰকাশ কৰিবলৈ অনুপযুক্ত শব্দ ব্যৱহাৰ কৰা হয়। এনেবোৰ কবিতাই স্বাভাৱিকতে একো বুজাব নোৱাৰে। ফলত ইহঁতে সমগ্ৰ কবিতা শ্ৰেণীটোৰে নাম বেয়া কৰে। পাঠকৰ মনত এনে এটা ধাৰণাই ঠাই লয় যে কবিতা এবিধ দুৰূহ কলা আৰু ই সকলোৰে বাবে নহয়।

অসমীয়া কবিতাত এই ধাৰণা সোমাই পৰে হেম বৰুৱাৰ দিনৰ পৰা। তেতিয়াই আধুনিকতা প্ৰথম সোমাইছিল অসমীয়া কবিতাত। অমূল্য বৰুৱাই আৰম্ভ কৰি যোৱা নতুন আৰু 'অস্বাভাৱিক' চিন্তাধাৰাৰ প্ৰতি যি সকলে আওকণীয়া মনোভাৱ লৈ আছিল, তেওঁলোকো হেম বৰুৱাৰ আৰু তাৰ পিছত নৱকান্ত বৰুৱাৰ কবিতা দেখি সজাগ হৈ উঠিল। কাৰণ এইবোৰ কবিতাত এনে এটা বস্তু আছিল যিবোৰ বুজি পাবলৈ একান্তভাৱে মন যায়, অথচ সহজে বুজি উঠা সম্ভৱ নহয়। কবিতাৰ জগতত হৰি বৰকাকতি, নীলমণি ফুকন, অজিত বৰুৱা, মহেন্দ্ৰ বৰা আদি কবিসকলৰ আগমনৰ লগে লগে অসমীয়া কবিতাই এক নতুন ৰূপ গ্ৰহণ কৰিলে। এইৰূপত বুদ্ধিদীপ্ত মনৰ প্ৰতিফলন বেছি। কবিসকলৰ অধ্যয়ন আৰু অভিজ্ঞতাৰ চিনাকি থকা কবিতাবোৰ বুজি পাবলৈ পাঠকৰো অধ্যয়নলব্ধ জ্ঞানৰ প্ৰয়োজন বাঢ়ি আহিল।

কবিতা যিহেতু যুগ মানসৰ দাপোণস্বৰূপ, তাত নতুন কালৰ সকলো বিচিত্ৰ অনুভৱৰ ছাঁ পৰাটো স্বাভাৱিক। এই অনুভৱ উৎফুল্লিত আৰু তিক্ত দুয়োটাই। ব্যস্ত, অস্থিৰ, হতাশ আৰু প্ৰত্যাশী মনৰ প্ৰতিফলন ইয়াত স্পষ্ট। অসমীয়া নতুন কবিতাত এই বিবিধ চিন্তাধাৰা বিয়পি আছে। কবিসকলৰ চিন্তা বহুধাবিভক্ত। সকলো কবিয়েই বিচাৰে নিজৰ বক্তব্যক এক ব্যঞ্জনাময় ৰূপ দিবলৈ। নতুন কবিতাত বিক্ষিপ্ত মনোভাৱ প্ৰকাশৰ বাবে প্ৰতীক আৰু চিত্ৰকল্প হ'ল এক প্ৰকৃষ্ট উপায়। হেম বৰুৱা অথবা নৱকান্ত বৰুৱাৰ কবিতালৈ মন কৰিলে দেখা যায় যে কবিৰ মন নানা জটিল বিষয়বস্তুৰে ভাৰাক্ৰান্ত। হেম বৰুৱাৰ ভিতৰৰ ৰাজনীতিকজন বহুতো কবিতাতে ওলাই আহিছে। তেওঁৰ মনত বিশ্ব-ৰাজনীতিৰ আৰু সমাজনীতিৰো নানা প্ৰশ্ন আৰু সমস্যাৰ আন্দোলন চলি আছে। সেইবোৰ যিহেতু কবিতাত প্ৰকাশ কৰিবলৈ তেওঁ বিশেষ কৌশলৰ সহায় ল'বই লাগিব। তেওঁৰ কবিতা কিছু পৰিমাণে দুৰ্বোধ্য হ'বলৈ বাধ্য। নৱকান্ত বৰুৱাৰ বিশাল মানসিক পৰিধিত নগৰীয়া জীৱনৰ আৰ্তনাদ আৰু অতীত-ভৱিষ্যতৰ নানা চিত্ৰময় অনুভৱ যেনেদৰে ফুটি উঠিছে, সেইবোৰ ভাষাৰ

কৌশলগত প্ৰয়োগৰ অবিহনে স্পষ্ট হৈ উঠা সম্ভৱ নহয়। এই কৌশলগত প্ৰয়োগৰ মেৰপেচ যিসকলে ভাঙি চাব নাজানে, তেওঁলোকৰ বাবেই কবিতা দুৰ্বোধ্য। কবিসকলে নিজেও কেতিয়াবা ইচ্ছাকৃতভাৱে জটিলতাৰ সৃষ্টি কৰে। তেওঁলোকৰ অতি সূক্ষ্ম অনুভূতি প্ৰকাশৰ বাবে খাপখোৱা শব্দ বিচাৰি যেতিয়া তাক নতুন ধৰণে অৰ্থৰ মাজত নিয়ন্ত্ৰণ কৰিব লগা হয়, তেতিয়া কবিতাৰ ভাষাই জটিল ৰূপ ধাৰণ কৰে। এই জটিলতা নিঃসন্দেহে জটিল অভিজ্ঞতাসমূহৰ ওপৰত প্ৰতিষ্ঠিত। এইবোৰ অভিজ্ঞতা যদি স্বচ্ছন্দ-প্ৰবাহী নদীৰ দৰে বৈ আহে তেন্তে এইবোৰে পাঠকৰ মন জয় কৰিব পাৰে। কিন্তু তাৰ বিপৰীতে শব্দৰ পিছত শব্দ সজাই যদি কবিতাৰ শৰীৰী ৰূপ গঠন কৰা হয়, তেন্তে সেইৰূপ সৰ্বজনগ্ৰাহ্য নহ'বও পাৰে। শেহতীয়াভাৱে অসমীয়া কবিতাত এনে ৰূপৰ প্ৰাধান্য দেখা গৈছে। কবিসকলৰ চকুত পৰা অস্থিৰ পৰিস্থিতিৰ ছবি আৰু উপলব্ধি কৰা বিচিত্ৰ আৰু বিক্ষিপ্ত অনুভূতিয়ে এক জটিল বাকৰীতিৰ মাজেদি কবিতাত আত্মপ্ৰকাশ কৰে। এইবোৰ কবিতা এফালেদি অতি উচ্চ-স্তৰৰ শিল্পকাৰ্য যদিও আনফালেদি বৰ্তমানৰ পাঠক সমাজৰ অতি সীমিত মানসিক পৰিমণ্ডলৰ বাবে দুৰ্বোধ্য বুলি চিহ্নিত।

ৰোমাণ্টিক কবিতাৰ অপসাৰণৰ পিছত নতুন কবিতাই যি কঠিন আৰু ধাতৱ ৰূপ লৈ দেখা দিলে তাত সংশয় আৰু বিস্ময়ৰ অৱকাশ প্ৰচুৰ। ইলিয়ট, এজৰা পাউণ্ড, লুই মেকনিছ, ডব্লিউ. বি. ইয়েটছ, ডাইলান টমাছ, বোডলেয়াৰ, মালাৰ্মে আদি কবিসকলৰ কলমত ৰূপ পোৱা নতুন আৰু অভিনৱ চিন্তাধাৰা আৰু প্ৰকাশভংগিয়ে চল্লিশৰ দশকত পৃথিৱীৰ প্ৰায়বোৰ দেশতে প্ৰভাৱ পেলাইছিল। ভাৰতীয় কবিসকলেও এৰিবলৈ যত্ন কৰিছিল কান্তিগুণৰ প্ৰাধান্য। এই সময়তে সাহিত্যত সোমাই পৰা কদৰ্য আৰু অসুন্দৰ বিষয়বস্তুয়ে পাঠকক চমৎকৃত কৰিছিল। অসমীয়া কবিতাত এনে নতুন প্ৰকৃতি পাঠকে প্ৰথম অৱস্থাত মানি ল'ব নোৱাৰাই স্বাভাৱিক। কাৰণ ৰমন্যাসিক কবিতাৰ ফুল-তৰা-জোনাকৰ সপোন মধুৰ পৰিবেশৰ পৰা তেওঁলোক তেতিয়াও সম্পূৰ্ণভাৱে মুক্ত হোৱা নাছিল। নতুন কবিতাৰ শক্তিশালী আৰু যুক্তিনিষ্ঠ বক্তব্যৰ আগত পুৰণি কবিতাৰ সপোন উৰলি গৈছিল। ইংৰাজী কবিতাই দিয়া জটিল শব্দ সমাহাৰৰ প্ৰয়োগ কৌশলেৰে অসমীয়া কবিতা হঠাতে বিচিত্ৰ হৈ উঠিছিল। ফলত এই নতুন বিস্ময়ৰ মুখামুখী হ'বলৈ পাঠকক কিছু সময় লগাই স্বাভাৱিক। কিন্তু লাহে লাহে পৰিৱৰ্তিত সময়ৰ পটভূমিত কবিতাই এচাম পাঠকৰ মন জয় কৰি ললে। চিত্ৰকল্প আৰু প্ৰতীকৰ সু-প্ৰয়োগে কবিতাক ৰমণীয়তা দান কৰিলে। বিস্তৃত বিচাৰত অসমীয়া কবিতাত নতুনত্বই পাঠকৰ মন জয় কৰিলে বুলিয়েই ক'ব পাৰি। সকলো ঠাইতে সকলোকালতে থকাৰ দৰে নতুন কবিতাৰ বিৰোধী শ্ৰেণী এটা অসমীয়া কবিতাৰ পাঠকৰ মাজতো আছে। কিন্তু তেওঁলোকৰ বিৰোধিতাৰ যথাযথ উত্তৰো নোহোৱা নহয়।

অজিৎ বৰুৱা, ভবেন বৰুৱা, নীলমণি ফুকন আদি কবিসকলৰ কবিতা উপলব্ধিৰ বাবে পাঠকৰ বিস্তৃত জ্ঞানৰ প্ৰয়োজন। কোনো কোনো ক্ষেত্ৰত জাপানী আৰু ফৰাচী কবিতাৰ নতুন কলা-ৰীতিসমূহো জানি লোৱাৰ আৱশ্যক হৈ পৰে। কেতিয়াবা যথেষ্ট অনুশীলনিৰ দ্বাৰা কবিতাবোৰ আয়ত্ত কৰিব লগা হয়। কিন্তু অসমীয়া পাঠক অনুশীলনৰ দ্বাৰা কবিতা উপলব্ধি কৰাত এতিয়াও অভ্যস্ত হৈ উঠা নাই। গতিকে কবিতাবোৰ তেওঁলোকে টান পোৱাই স্বাভাৱিক।

সামগ্ৰিকভাৱে চাবলৈ গ'লে অসমীয়া নতুন কবিতাৰ কেইটামান লক্ষণ হ'ল—

( ক ) প্ৰতীকধৰ্মী শব্দৰ প্ৰয়োগ ;
( খ ) আপাতদৃষ্টিত যিবোৰ বিষয়ক কবিতাৰ উপযুক্ত বুলি অতদিন ধৰা হোৱা নাছিল, সেইবোৰৰ অন্তৰ্ভুক্তি ;
( গ ) অসংলগ্ন যেন লগা ভাষাৰ প্ৰয়োগ ;
( ঘ ) চলচ্চিত্ৰধৰ্মী কলা-কৌশল ;
( ঙ ) অতিকথাৰ প্ৰয়োগ ;
( চ ) ব্যৱহৃত একাধিক চিত্ৰকল্পৰ অসংলগ্নতা ;
( ছ ) ছন্দৰ শিকলি-ছিঙা ৰূপ ;
( জ ) ঘৰুৱা আৰু কথিত শব্দৰ প্ৰয়োগ।

এইখিনি লক্ষণৰ ভিত্তিত দেখা যায় যে নতুন কবিতা বুজিবৰ বাবে বা ৰস-গ্ৰহণৰ বাবে পাঠক কেৱল সহৃদয় হ'লেই নহ'ব। তেওঁ পঢ়ি শুনি নিজকে সাজু কৰিবও লাগিব। উদাহৰণ স্বৰূপে —

নৱকান্ত বৰুৱাৰ 'হেজাৰ নক্ষত্ৰ য'ত' কবিতাটোৰ দুফাকিমান চোৱা যাওক —

> "হেজাৰ নক্ষত্ৰ য'ত জ্বলিপুৰি শেষ হৈ যায়
> মন হ'ব খোজে পখী। পাখি নাই। হায় পাখি নাই।
> জ্যোতিৰ নিচান উৰে। কি ইংগিত তৰাই তৰাই,
> নিৰুদ্দেশ ধূমকেতু অকস্মাৎ ঘূৰি আহি বাট হেৰুৱাই
> সূৰ্যৰ বিদ্ৰূপ জ্বলে। পোহৰৰ বিষে সানে নীলাৰ আভাস,
> তোমাৰ আকাশ সেয়ে। মোৰো সি আকাশ।"

কবিতাটিত ফুটি উঠা আশাহত যুগৰ হুমুনিয়াহ বুজি পাবলৈ সহজ হয়, যদিহে পাঠকৰ পঢ়া থাকে ইলিয়টৰ 'ৱেষ্টলেণ্ড'ৰ দৰে কবিতা। দেখা যায় যে ভাৰতীয় আধুনিক কবিসকলে "পাউণ্ডৰ পৰা ফৰ্ম, শব্দৰ সংগীত আৰু সুৰ, সাংগীতিক ফৰ্মক কবিতালৈ ৰূপান্তৰ, প্ৰসংগ উল্লেখ, নিৰ্দেশ, সাহিত্য-সংস্কৃতিৰ ব্যাপক আৰু অৰ্থনীতিৰ দ্বাৰা গভীৰতৰ বোধ উদ্দীপনৰ প্ৰচেষ্টা, চিত্ৰকল্পৰ ব্যৱহাৰ, শব্দ আৰু বাক্যাৰ প্ৰচণ্ড সংহতি, মুখৰ কথ্যভাষাৰ ব্যৱহাৰ, বিভিন্ন দেশৰ কাব্যৰ ফৰ্মত

পৰীক্ষা-নিৰীক্ষা"[১] ইত্যাদি বিভিন্ন লক্ষণ আহৰণ কৰিছিল। অসমীয়া কবিতাও ইয়াৰ ব্যতিক্ৰম নাছিল। বিস্ময়, প্ৰশংসা আৰু চোকা সমালোচনা, তিনিওটাই লাভ কৰিছিল এই কবিতাই। অমূল্য বৰুৱাৰ 'কুকুৰ' যদিও অসমীয়া কবিতালৈ নতুনৰ বাৰ্তাবাহক, নামকৰণৰ বাবেই ইয়াক বহুতে সহজভাৱে ল'ব পৰা নাছিল।[২] ক্ৰমে ক্ৰমে অসমীয়া কবিতাত আৰু কিছুমান নতুন উপাদান যোগ হ'বলৈ ধৰে। তাৰ ভিতৰত মাৰ্ক্সবাদকে ধৰি বিভিন্ন দৰ্শন উল্লেখযোগ্য। এইবোৰৰ প্ৰভাৱত কবিতাৰ বহুখিনি কোমলতা কমি আহে আৰু পাঠকৰ ৰুচিবোধে নতুনৰ বিচিত্ৰ সোৱাদ লাভ কৰে।

নতুন কবিতাৰ আবেদন কবিতাৰ ভিতৰতে সোমাই থাকে শামুকৰ বুকুত মুক্তা থকাৰ দৰে। এচাম পাঠকে সেই মুকুতা বিচাৰি পায় আৰু এক বিশাল অংশই মুকুতাৰ সন্ধান নাপাই দূৰতে আঁতৰি থাকে। বৰ্তমান পাঠক সমাজত হীৰেন ভট্টাচাৰ্যৰ অনুৰাগী অলেখ। অথচ সমালোচকৰ মতে, "তেওঁৰ দেশপ্ৰেমৰ কবিতাবোৰ নিস্তেজ আৰু Second hand যেন লাগে ; তেওঁৰ প্ৰেমৰ কবিতাবোৰ অতি পুৰণি আচাৰৰ দৰে বিস্বাদ।"[৩] অসমীয়া নতুন কবিতাবোৰৰ মাজত কবিতাৰ জন্মলগ্ন সম্পৰ্কেও দুটি আভাস ফুটি উঠা দেখা যায়। যিবোৰ কবিতা সৰল, স্বাভাৱিক আৰু স্বচ্ছন্দ, সেইবোৰৰ জন্ম 'প্ৰেৰণা'ৰ ফলত হয় বুলি ভবা হয়। আনহাতে উচ্চখাপৰ মননশীলতাৰে ভাবি-চিন্তি সুনিপুণভাৱে যি কাব্যৰূপৰ শৰীৰী গঠন কৰা হয়, তাত 'প্ৰযত্ন' জিলিকি থাকে। প্ৰযত্নৰ আঁৰত থাকে মানসিক শ্ৰম আৰু বুদ্ধিমত্তা। ইয়াৰ ফলত সৃষ্টি হোৱা কবিতায়ো পাঠকৰ পৰা একেজাতীয় গুণ দাবী কৰে। কিন্তু অসমীয়া পাঠকৰ এনে গুণ আয়ত্তৰ বাবে বিশেষ যত্ন পৰিলক্ষিত নহয়। কম সংখ্যক এমুঠি পাঠকৰ মাজতে সেয়ে এনেবোৰ কবিতা সংৰক্ষিত হৈ আছে।

অসমীয়া কবিতাৰ নতুন ধাৰাটো প্ৰায় নিয়ন্ত্ৰণ কৰি আছে অধ্যাৱসায় আৰু প্ৰযত্নৰ দ্বাৰা কবিতা চৰ্চা কৰা এচাম কবিয়ে। এওঁলোকৰ প্ৰতীকবহুল আৰু চিত্ৰকল্পময় কবিতাত প্ৰচলিত মূল্যবোধৰ সকলো বিপৰীত ধাৰণা স্পষ্ট, যাক দেখি সাধাৰণ পাঠক চমক খাই উঠা স্বাভাৱিক। অন্য প্ৰসংগত সমালোচকে কোৱাৰ দৰে ক'ব পাৰি, কবিসকলে "প্ৰেমৰ পশ্চাতত দেখিলে লিবিডোৰ ক্ৰিয়া, প্ৰিয়াৰ লোকৰঞ্জক — ৰূপৰ অন্তৰালত দেখিলে নগ্ন কংকাল। শ্যেলী কিম্বা ৰবীন্দ্ৰনাথে প্ৰেম সম্বন্ধে যি অশৰীৰী প্ৰায় অবাঙমনসগোচৰ ইন্দ্ৰজাল ৰচনা কৰি ৰাখিছিল সি যেন এই মনোবৈজ্ঞানিক বিশ্লেষণৰ এক ফু লাগি উৰি গ'ল।[৪] ফলত সহজ-সৰল মানুহৰ অৱস্থা হ'ল ধুমুহাৰ কবলত পৰা

---

১. কবিতা চিহ্নিত ছায়া, পৃঃ ৬৩

২. আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়, পৃঃ ৮৬

৩. একে গ্ৰন্থ—পৃঃ ১০০

৪. আবু সয়ীদ আইয়ুব, "আধুনিক কাব্যৰ সমস্যা" 'কবিতা'। উদ্ধৃত 'আধুনিক বাংলা কাব্য পৰিচয়', পৃঃ ২৪

বাটকৰাৰ দৰে। কবিতাৰ মাজত নিতে নতুন বস্তুৰ আগমনে পাঠকক হতবাক আৰু বিভ্ৰান্ত কৰি তুলিলে। কিন্তু এই বিভ্ৰান্ত অৱস্থা কিছুকালৰ বাবেহে। নতুন পৰিস্থিতিৰ লগত খাপ খাই পৰাৰ পিছত পাঠক সমাজে স্থিৰ মনেৰে কবিতাৰ আধুনিকতা অনুধাৱন কৰাৰ যত্ন কৰিলে।

বৰ্তমান কালৰ নতুন কবিতা স্থিৰভাৱে জনপ্ৰিয়তাৰ ফালে গতিশীল। ইতিমধ্যেই নৱকান্ত বৰুৱা আদি কেইজনমান কবি, পাঠকৰ মাজত অকুণ্ঠ স্বীকৃতিৰে সমাদৃত হৈছে। জটিলতা, কঠিনতা আদি সকলো প্ৰকৃতিৰে সৈতে নতুন কবিতাক বিশ্লেষণ কৰিব পৰাকৈ কিছুসংখ্যক পাঠকে নিজকে সাজু কৰিছে। এইক্ষেত্ৰত নিশ্চিতভাৱে সহায় কৰিছে কিছুমান কবিতা-আলোচনী আৰু কবিতা কাব্যই। এচাম কবিতা অনুৰাগীয়ে এইবোৰ সৃষ্টি কৰি তুলিছে। সৃষ্টি কৰিছে কবি আৰু সমালোচকৰ। অসমীয়া কবিতাৰ নিষ্ঠাবান সমালোচক নাই বুলি প্ৰায়ে এক আপত্তি শুনা যায়। যিখিনি সমালোচনা আছে, তাতো গঠনমূলক দৃষ্টিভংগী কম। শেহতীয়াভাৱে কবিতাৰ সমালোচনাই আগতকৈ গুৰুত্ব লাভ কৰিছে আৰু কবিতা পঢ়াৰ পৰিবেশ একোটা সৃষ্টি কৰাত সফল হৈছে।

অসমীয়া কবিতাৰ গতিপথ অনুধাৱন কৰিলে দেখা যায় যে পঞ্চাশৰ পৰা সত্তৰ দশকলৈকে কবিতাৰ যি জটিল প্ৰক্ৰিয়া চলি আছিল, আশীৰ দশকৰ পৰা তাৰ সৰলীকৰণ আৰম্ভ হৈছে। এফালে নৱকান্ত বৰুৱা, নীলমণি ফুকন আৰু আনফালে হীৰেন ভট্টাচাৰ্য, এই দুয়োটা ধাৰাৰ পৰা অনুজ কবিসকলে বহুখিনি প্ৰেৰণা লাভ কৰি আৰু এক তৃতীয় ধাৰাৰ জন্ম দিছে। এই পিছৰ থূলৰ কবিতাখিনিত এক নিমজ কৌশল লক্ষ্য কৰা যায় শব্দ-প্ৰয়োগ আৰু শব্দ নিৰ্বাচনৰ ক্ষেত্ৰত। এইবোৰত থকা বুদ্ধিদীপ্ত চিন্তাধাৰাই তৰুণ কবিসকলৰ যুগ-সচেতন মনৰ বাতৰি বহন কৰে। স্বদেশ আৰু পৃথিৱীৰ প্ৰতিটো পৰিৱৰ্তনৰ লগত তেওঁলোকৰ নিবিড় সম্পৰ্ক। অগ্ৰজ কবিসকলৰ দৰেই তেওঁলোকে মানুহৰ মুক্তিৰ বাতৰি কবিতাত প্ৰকাশ কৰে। কিন্তু এই প্ৰকাশ-ৰীতি বেছি সৰল অথচ ব্যঞ্জনাধৰ্মী। তেওঁলোকৰ দ্বাৰা ব্যৱহৃত প্ৰতীকসমূহ চিনাকি আৰু আপোন বস্তুৰ পৰা আহৰিত। চিত্ৰকল্পৰ প্ৰয়োগ আপেক্ষিকভাৱে কম। এইবোৰ কবিতাত এক সৰল আৰু প্ৰত্যক্ষ অনুভূতিৰ প্ৰকাশে কবিতাবোৰ বহুপৰিমাণে কোমল কৰি তুলিছে। প্ৰেম আদি ব্যক্তিগত অনুভূতিতকৈও এইবোৰ কবিতাত বেছি স্পষ্ট এক সাৰ্বজনীন বিদ্ৰোহৰ অনুভূতি। এই বিদ্ৰোহ সাধাৰণ মানুহৰ সপক্ষে আৰু এচাম মানুহৰ বিপক্ষে। শ্ৰমজীৱী লোকলৈ সহানুভূতি, স্বদেশৰ মংগলৰ বাবে উজাগৰী চিন্তা আৰু ব্যক্তিগত অনুভূতিৰ নিৰ্জন দ্বীপত এপলকৰ জিৰণি, — এয়ে সাম্প্ৰতিক কবিতাৰ প্ৰকৃতি। সনন্ত তাঁতী, সমীৰ তাঁতী, ৰোহিনীকুমাৰ পাঠক, নীলিম কুমাৰ, আৰু একাধিক নতুন কবিয়ে এই কাব্যৰীতিৰ চৰ্চা কৰিছে। এওঁলোকৰ কবিতাই মাজতে আঁতৰি যোৱা

পাঠকসকলক পুনৰ নতুন কবিতাৰ কাষলৈ ওভোতাই আনিছে। পাঠকে বিচাৰি থকা, কবিতাৰ মাজত বলিষ্ঠতা আৰু কমণীয়তাৰ সংমিশ্ৰণ এইসকল কবিৰ কবিতাতে পোৱা যায়। সেয়েহে সাম্প্ৰতিক কালৰ কবিতাজগত আশা আৰু প্ৰতিশ্ৰুতিৰে ভৰপূৰ।

## ৬.২ কেইজনমান বিশিষ্ট কবি ঃ

### ৬.২.১ হেম বৰুৱা ঃ

অসমীয়া নতুন কবিতাৰ সংশয় আৰু সন্ধানৰ কালডোখৰতে কবি হেম বৰুৱাৰ আৱিৰ্ভাৱ হৈছিল। ৰমন্যাসিক কবিতাই আমুৱাই পেলোৱা অথচ নতুন এটা মনোমত পথৰ সন্ধান নোপোৱা কবি আৰু পাঠকৰ বাবে হেম বৰুৱাৰ কবিতাত আছিল নতুন দিশৰ সম্ভেদ। এইবোৰ কবিতা কঠোৰ বাস্তৱৰ প্ৰতিৰূপ হ [illegible] অমূল্য বৰুৱা আৰু তেওঁৰ অনুগামীসকলৰ আপাতদৃষ্টিত কঠোৰ কবিতাৰ তুলনাত এইবোৰ আছিল যথেষ্ট সৰল। তদুপৰি প্ৰতীক আৰু চিত্ৰকল্পৰ প্ৰয়োগ-পদ্ধতিৰ প্ৰথমটো বীজ দেখা যায় এইবোৰ কবিতাতে। পিছলৈ তাতে খোপনিলৈ পিছৰচাম কবিয়ে আধুনিক কবিতাৰ জয়যাত্ৰা আৰম্ভ কৰে।

হেম বৰুৱাৰ কবিতাত বিস্তৃত বিষয়ৰ অৱতাৰণা দেখা যায়। মানুহৰ জীৱন-সংগ্ৰাম আৰু তাৰ ফাঁকে ফাঁকে বিৰিঙি উঠা অকণমান আশাৰ ৰেঙণি তেওঁৰ কবিতাত দেখা যায়। সঁচা এটি অনুভূতি অথবা কোনোবা এপলক দেখা কাৰোবাক আশ্ৰয় কবি তেওঁৰ কবিতাই দেশ আৰু বিদেশৰ বহুতো মানুহৰ ছবি আঁকিছে। সাধাৰণতেই এইবোৰ দুখী মানুহ। কপালৰ ঘাম মাটিত পেলাই জীৱন কটোৱা অথবা সুখৰ ছলনাৰে নিজৰ নিৰুপায় যন্ত্ৰণা ঢাকি থোৱা মানুহ। তদুপৰি তেওঁৰ কবিতাত আছে প্ৰচলিত সমাজ-ব্যৱস্থাৰ প্ৰতি অনাস্থা, নতুন সমাজ গঢ়াৰ আশা, সাধাৰণ মানুহৰ আশা-নিৰাশাৰ প্ৰতিফলন, প্ৰেমৰ লগত জড়িত হৈ থকা জীৱন-মমতা, ৰোমাণ্টিক কাৰুণ্য, স্পন্দিত গদ্যৰ দৰে ছন্দ-প্ৰয়োগ, কেতিয়াবা এটি খং আৰু প্ৰতিবাদৰ সুৰ।

কেঁচা ঘামৰ কবিতা ৰচা এইজন কবিৰ কবিতাত সবল আশাৰ সপক্ষে যুক্তি দেখা যায়—

"আমি মাখোন কপালৰ কেঁচা ঘাম
মাটিত পেলাই কাম কৰি যাওঁ
মুখ আৰু কপালত একোটা আঁচোৰ
সময়ৰ, শ্ৰমৰ আৰু শ্ৰান্তিৰ
তথাপিতো আমাৰ উলাহ নকমে।
প্ৰতিটো পুৱাৰ পোহৰে বিঙিয়াই কৈ যায় ঃ
নতুন জীৱন আহিছে।"

কবিৰ হৃদয়খন 'মৰিশালীত জীৱন গান' শুনিব পৰাকৈ সংবেদনশীল। তেওঁ দেখে ভেউকাত বাৰুদৰ গোন্ধ লৈ উৰা শান্তিৰ কপৌজনীৰ দুৰ্দশা। উতলা আৰু অশান্ত বসুন্ধৰাই যদিও বিভীষিকা আৰু নিৰাশাৰ ছবি এখনকে দাঙি ধৰিবলৈ বিচাৰে, কবিয়ে কিন্তু তাৰ মাজতো হেৰুওৱা নাই অকণমান আশা। তেওঁৰ তেজাল হিয়াই যেন কৈ উঠে—

"লুইতৰ পানীত অকণমান ৰহণ ছটিয়াওঁ আহা।
আমাৰ বলিষ্ঠ আশাবাদী মন, ভৱিষ্যতৰ স্বপ্নসমুজ্জ্বল।।"

ৰাজনীতি জগতত ব্যস্ত তেওঁৰ মনৰ মানুহজনে মাজে মাজে কবিজনক যেন সোঁৱৰাই থাকে ৰাজনীতিৰ কথা। ৰাজনীতিৰ গৰাহত পৰি দেশে দেশে জুই জ্বলে, হিৰোশ্বিমা, নাগাচাকি ছাৰখাৰ হয়, জ্বলি যায় ভৰপূৰ একোখন নগৰ। এই সকলোবোৰে কবিৰ মনলৈ আনে বৰ বৰ মানুহৰ ৰোষৰ বলি হৈ খাণ্ডৱবনৰ বিৰিণাৰ দৰে দহি যোৱা সৰু মানুহবোৰৰ জীৱনৰ ছবি। কিন্তু এইবোৰ মানুহবো আহিব ধৰা সুদিনৰ বিষয়ে আৰু তাৰ প্ৰস্তুতিৰ ইংগিত দিয়া বিদ্ৰোহী চিন্তাধাৰাৰ বিষয়ে কবি সজাগ। তেওঁৰ 'বালিচন্দা' নামৰ কবিতাত আছে—

"বুৰঞ্জীৰ মাৰলঘৰত তেজৰ নিচান।
আগন্তুক শ্বহীদৰ মৃত্যু কিম্বা নতুন পৃথিৱীৰ পণ।
পুৰণিৰ কামিহাড়ত মামৰৰ ছটা।
মেজিৰ নৃত্যৰতা জুই ঃ
জুইত হেনো তীখা জ্বলে, ৰঙা হয়।"

হেম বৰুৱাৰ কবিতাৰ ভিতৰত বহুবোৰতেই আছে পাণ্ডিত্য আৰু নগৰীয়া সভ্যতাই ভিতৰি ফোঁপোলা কৰি পেলোৱা মানুহৰ ৰূপ। যান্ত্ৰিক সভ্যতাই মানুহৰ সুকুমাৰ মনটো দিনে দিনে মাৰি পেলাইছে। কিতাপৰ পাতত জ্ঞানৰ মুকুতা বিচাৰি মানুহে যিবোৰ অমূল্য সময় ব্যয় কৰে, সেইবোৰে আকৌ বাট মাৰি পেলায় সুকুমাৰ হৃদয়-বৃত্তিৰ কৰ্ষণৰ কিছুসময়ৰ। আজিৰ মানুহে আকাশৰ নীলা চাবলৈ নাজানে, জোনাকত জুৰ ল'বলৈ তেওঁলোকৰ আজৰি নাই। 'এটাসাজ' নামৰ কবিতাটোত এনে মনোভাৱ সুন্দৰকৈ ফুটি উঠিছে।

অজস্র গভীৰ চিন্তা আৰু সমস্যাৰ মাজতো হেম বৰুৱাৰ কবিতাত প্ৰেমৰ এটি সুঁতি আপোনমনে বৈ আছে। এইবোৰ কবিতাত সপ্ৰতিভ বাক্যবিন্যাসৰ মাজতে এটি ৰোমাণ্টিক মন জিলিকি উঠে। এটি উদাহৰণ,

"সোণপাহী, বহা। মোৰ কাষৰতে বহা।
চুলিৰ তোমাৰ আঁউসী এন্ধাৰে মোৰ
জীৱন জ্বলাওক। বাসনাৰ জুইকুৰা
ছাই হৈ যাওক। মোৰ বন্ধ কোঠাৰ তুমি
জ্বলি থকা মম। বাহিৰত জোনাকীৰ
টিমিক্ টামাক।
অস্পষ্ট এন্ধাৰ আৰু এবুকু মৰম।"

'অনামিকা' কবিতাটি আৰু বেছি কোমল, বেছি আল্ফুলীয়া—

"নিয়ৰ টোপালে এটি এটি কৈ
চুই যোৱা দুবৰি ডৰাৰ শেৱালিৰ সতে,
আহিছিলা তুমি, কোনো এক নিৰ্জন পুৱাতে।
পৃথিৱীখন তেতিয়া নিতালমাৰি শুই আছিল,
সকলো নিমাত, তুমি, ভাষাহীন এলানি পোহৰ।"

কবিৰ মনে কেতিয়াবা জোন আৰু জোনাকৰ মায়াত উটি যাবলৈ বিচাৰে। কিন্তু দিঠকৰ কাম আৰু দায়িত্বৰ হেঁচাত তেওঁৰ হৃদয় শিলৰ দৰে হৈ পৰিছে। চাৰিওফালৰ পৰিবেশতো যেন সেই কাঠিন্য, ৰেলক আউট, ৰেলক মাৰ্কেট, বহুতো আন্দোলন, প্ৰগতি সাহিত্য আদি নতুন নতুন শব্দৰে মুখৰ হৈ পৰা পৰিবেশত প্ৰকৃত প্ৰেমৰ মূল্য যেন দিনে দিনে কমি আহিছে। তেওঁ দেখে—

"আৰব্য ঔপন্যাসিক পৰিৱৰ্তন চহৰ ভেদি
মাথো চিৰন্তন কালৰ বুকুত
উৰ্বশীৰ প্ৰেম আৰু উমানন্দৰ
বিৰহ কাতৰ স্বপ্ন
লিখা নাই আখৰেৰে
লিখা আছে শিলৰ বুকুত।"

হেম বৰুৱাৰ কবিতাত সমাজ-সচেতন মন এটাৰ লগত প্ৰাচীন মূল্যবোধৰ সংমিশ্ৰণ ঘটিছে। বিশ্বৰ ঘটনা প্ৰবাহৰ লগত মানসিকভাৱে জড়িত হৈও কিছুমান ঘৰুৱা পৰিবেশৰ চিত্ৰৰ অংকনত তেওঁ দক্ষতা প্ৰকাশ কৰিছিল। যেনে—

"কোৰিয়াত বগা কাউৰি আৰু ক'লা ভাত। মাজুলীত
সৰিয়হ ফুলত নীলা জুই। (ভোৰতালে খাওঁ খাওঁ
কৰে)। পোহনীয়া শালিকাৰ কণ্ঠত মহাকাব্যৰ গান।
নামঘোষা। ৰামায়ণ। আৰু ক'ত কি?....
শকুন্তলা, আমাৰ পথাৰ ৰমক-জমক। ভৰ-দুপৰীয়া
ভদাইৰ আগচোতালত দোৰপতি থৰক-বৰক
মাকো সৰি সৰি পৰে।
....( তোমালৈ চাওঁতে, জপনা ডেওঁতে.... )।"

সহজ-সৰল বিৱৰণৰ মাজত চমকপ্ৰদ চিত্ৰ, এয়ে হেম বৰুৱাৰ বৈশিষ্ট্য। 'জাৰৰ দিনৰ সপোন' নামৰ কবিতাটোত আশাহত যুগৰ হুমুনিয়াহ ফুটি উঠিছে। পৃথিৱীৰ মৰমী আৰু সাদৰী ৰূপ হেৰাই গৈছে। আমাৰ সপোন ৰচিবলৈ ভৰসা নাই কাৰো। মানুহৰ চকুত " আশাৰ নেজাল তৰা এই জ্বলে এই মৰে "। 'মৰা পৃথিৱীত' খাটি সোণ ফুলোৱা কৃষকৰ মেহ্নতৰ ফল যায় পুঁজিপতিৰ ভঁৰাললৈ।

"এটা টুনি আহে। দুটা টুনি আহে।
এটা ধান নিয়ে। দুটা ধান নিয়ে। ধানৰ দ'মত
তেজপিয়াৰ ৰণচালি।
তেজপিয়াৰ বংশ নাশলৈ কিমান দিন
বাকী? আৰু কিমান দিন?...."

কিন্তু এই প্ৰতাৰণা আৰু কিমান দিনৰ! নতুন যুগৰ মানুহে সাৰ পাইছে। তেওঁলোকৰ সমুখত বাসন্তীক্ষণ, ৰঙালী দিন। হাতত হাত মিলাই তেওঁলোকে নিজৰ পথাৰ, নিজৰ মাটিত কৰ্ষণ কৰিব, ভৱিষ্যতৰ অফুৰন্ত সম্ভাৱনা।

"হেম বৰুৱাৰ কবি-মানসৰ গভীৰ গুহাত ক্ষণিকৰ কেমেৰাত ধৰা পৰি যোৱা অনেক সুন্দৰ ছবি ঠাহ খাই আছে"।[১] সেইবোৰ বিশ্লেষণ কৰিলে অনুভৱ হয়, " তেওঁৰ সাৰ্থক কল্পচিত্ৰবোৰো শুকান মগজুৰ ফিৰিঙতি নহয়, বৰং মানুহৰ কামনা-বাসনাৰ, দুখ-হতাশাৰ ৰসেৰে পুষ্ট ফুলৰ চমক যেন। "[২] তাৰে দুটামান উদাহৰণ—

---

১। মহেন্দ্ৰ বৰা, পাতনি 'হেম বৰুৱা'ৰ কবিতা

২। হীৰেন গোহাঁই, 'হেম বৰুৱাৰ কবিতা',।

"প্ৰথম নিশাৰ অপৰিচিতা পত্নীৰ দৰে
থৰে থৰে পৃথিৱী কঁপিছে
★ ★ ★
মুখ খন তাইৰ
আলি আকবৰ খাঁৰ সৰোদৰ এটা
নিজম মূৰ্চ্ছনাহে যেন
★ ★ ★
মেখেলাৰ পাতলিত অগণন কাৰ্শলা বনে
তৰাৰ কথাকে কয়, টিমিক টামাক।
★ ★ ★
ঘোলা কণীৰে সেকা
ওমলেটৰ দৰে
ৰ'দে পোৰা নগ্ন এই পৃথিৱীৰ গোন্ধ।"

তেওঁৰ কবিতাবোৰৰ সৰ্বশৰীৰ প্ৰতীকৰ পৰশেৰে ওপচা। প্ৰতীকবোৰ তেওঁৰ সহজ আৰু সুন্দৰ। প্ৰায়বোৰেই চিনাকি উপমা। তেওঁৰ ইলিয়টৰ প্ৰভাৱপুষ্ট মন আৰু ৰাজনীতিৰ বতাহে চুই যোৱা প্ৰাণে প্ৰতীকবোৰ নিৰ্বাচন কৰাত নানা প্ৰকাৰে সহায় কৰিছে।

এক অশান্তি আৰু অতৃপ্তিৰ ভাৱ হেম বৰুৱাৰ কবিতাত দেখা যায়। তদুপৰি আছে এক কোমল বিষণ্ণতাবোধ। "মমতাৰ চিঠি"ত প্ৰকাশ পোৱা এই বিষণ্ণতাবোধে হৃদয় কঁপাই তোলে। "তেওঁৰ সমসাময়িক আৰু পৰৱৰ্তী কবিসকলৰ শব্দৰ ইন্দ্ৰজাল কালৰ বতাহে যেতিয়া বিবৰ্ণ কৰি পেলায়, তেতিয়াও নিজৰ মহিমাতে সৰস-সজীৱ হৈ থাকিব হেম বৰুৱাৰ 'মমতাৰ চিঠি' আৰু 'আইতা'। এই দুটা কবিতাৰ কলা-কৌশল ইমান উচ্চস্তৰৰ যে তাত কৌশলৰ দাগ নাই। দুয়োটা যেন অকৃত্ৰিম উপলব্ধিৰ দুটা মুকুতা।"[১]

অসমীয়া নতুন কবিতাত হেম বৰুৱাৰ সৰ্বশ্ৰেষ্ঠ অৱদান হ'ল পিছৰচাম কবিলৈ দি থৈ যোৱা পথৰ নিৰ্দেশনা।

### ৬.২.২ নৱকান্ত বৰুৱা ঃ

নতুন কবিতাৰ পাঠকৰ বাবে এটা সমাদৰ আৰু শ্ৰদ্ধাৰ নাম নৱকান্ত বৰুৱা। অসমীয়া নতুন কবিতাৰ চিনাকিৰ বাবে এই নামেই যথেষ্ট। কোৱা হয় যে "নৱকান্ত বৰুৱা নিঃসন্দেহে আধুনিক কবিতাৰ বুৰঞ্জীত আটাইতকৈ তাৎপৰ্যপূৰ্ণ নাম।"[২] আধুনিক কালৰ কবিতাক তেওঁ এনে এক নতুন

১। হীৰেন গোহাঁই, 'হেমবৰুৱা'ৰ কবিতা'।
২। সাহিত্য আৰু সাহিত্য, পৃঃ ১৮৪

ৰূপ-ৰসেৰে ভৰাই তুলিলে যে কবিতাৰ এই যুগটো সম্পূৰ্ণভাৱে তেওঁৰেই যুগ। নৱকান্তৰ আগে-পিছে বহুতো কবিয়ে সফল কবিতা ৰচনা কৰিছে যদিও তেওঁহে নতুন ভাববস্তু, ৰূপবস্তু, নতুন আংগিক আৰু ছন্দ-চেতনাৰে এক বৈশিষ্ট্যপূৰ্ণ কাব্যৰীতি সৃষ্টি কৰিলে। "হে অৰণ্য হে মহানগৰ" নামৰ প্ৰথমখন কাব্য সংকলনৰ মাজেদি তেওঁ আৰম্ভ কৰিছিল প্ৰকৃত অৰ্থত আধুনিক কবিতাৰ এক ধাৰা। ই আজিও অব্যাহত।

অধ্যয়নপুষ্ট মন আৰু সংবেদনশীল হৃদয়, এই দুয়োবিধ সম্পদেৰে ভৰা নৱকান্ত বৰুৱাৰ কবি-প্ৰাণ। দেশ-বিদেশৰ বহুতো কবিৰ চিন্তা আৰু প্ৰতিভাই তেওঁক যিদৰে প্ৰেৰণা যোগাইছে, থলুৱা মাটিৰ আপোন পৰিবেশেও সেইদৰে তেওঁক উদ্দীপনা দিছে। মায়াকভস্কি, ইলিয়ট, খলিল জিব্ৰান অথবা হুইটমেনৰ কাব্য-চেতনাৰ গভীৰ আৰু নিবিড় অনুপ্ৰেৰণা তেওঁৰ চিন্তা-জগতত পৰিব পাৰে। কিন্তু অনুভূতি মন্থন কৰি সেইবোৰক ৰূপ দিয়াৰ পিছত একান্তভাৱে তেওঁৰেই কবিতাৰ জন্ম হৈছে তাত বাহিৰৰ প্ৰভাৱৰ প্ৰশ্ন অনা নিৰৰ্থক।

নগৰীয়া জীৱনৰ ধাতৱ কাঠিন প্ৰাণ আৰু ব্যস্ত চলমান জীৱনৰ অসহিষ্ণুতা তেওঁৰ কবিতাত ফুটি উঠাৰ লগে লগে কোনোবা গাঁৱৰ নিৰিবিলি গধূলিৰ দৰে শান্ত স্নিগ্ধ গুণ এটিও ফুটি উঠিছে। হয়তো সেয়েহে তেওঁৰ কবিতা সকলো শ্ৰেণীৰ পাঠকৰ বাবে গ্ৰহণযোগ্য। এইবোৰে চিন্তা আৰু অনুভৱ দুয়োটাকে আলোড়িত কৰে। কলিকতাত কিছুকাল থকাৰ ফলত তেওঁ মহানগৰৰ মানুহৰ জীৱনৰ বেছি আন্ধাৰ আৰু সংঘাতপূৰ্ণ দিশটোৰ লগত পৰিচিত হৈছিল। কল্পনাৰ মদিৰ জগতৰ মাজত তেওঁ সাজি লৈছিল কঠোৰ দিঠকৰ নিদাৰুণ সত্যৰ বাবে এখনি ঠাই। এই সময়ত লিখা তেওঁৰ কবিতাত নগৰীয়া মানুহৰ নিৰুপায় আৰু হতাশগ্ৰস্ত জীৱনৰ সম্ভেদ পোৱা যায়। তেওঁ প্ৰত্যক্ষ কৰিছিল সাম্প্ৰদায়িক সংঘৰ্ষত জৰ্জৰিত মানুহৰ অসহায়তা আৰু নিষ্ঠুৰতা। তেনে কথাকে তেওঁ কৈ উঠিছে—

"কাৰ্ফুৰ সময় হ'ল
সূৰ্যস্নাতা নগৰীৰ আচলৰ শেষ ৰশ্মিকণো
শুহি ল'লে ৰাতিৰ আকাশে;
নিস্তব্ধ মৰণ নামে। নগৰীৰ ধমনী কৰোঁ অনুভৱ
কাজিৰঙা ডবকাৰ আৰণ্যক অপস্মাৰ
সৰীসৃপ-ক্ৰূৰ-মৃত্যু,....সৰ্পিল জীৱন।"

কিন্তু এই সুৰেই তেওঁৰ কবিতাৰ একমাত্ৰ সুৰ নহয়। তেওঁৰ কবিতাত আছে হৃদয়ে চিনি পোৱা মধুৰ অন্তৰংগতাৰ এক সুৰ, যাক বুজি নাপালেও ভাল পাব পাৰি। যেনে—

"আকাশকুসুমৰ ইমান পাপৰি
উপনিষদৰ ইংগিত
ৰতাহ জোনাক ঢৌ আৰু তৰা
মৃত্যু শীতল লুণ্ঠিৰ নিচুকনি
টোপনিৰ হিম চকুৰ পাহিত কঁপে
ৰাতি তিৰ্‌বিৰ্‌ সপোন নিবিড়
মানিকতলাৰ খাল।
অলকানন্দা, সপোন দেখিছা কাৰ?"

এনেবোৰ স্তবকত যি কাব্যিক আবেদন আছে, সি প্ৰতিটি কবিতাৰ বাবেই প্ৰয়োজনীয়। আধুনিকতা আৰু কাব্যিক আবেদনৰ এনে সমন্বয় পিছৰ কালৰ বহু কবিয়েই ৰাখিব পৰা নাই। নৱকান্ত বৰুৱাৰ কবিতাৰ মাজত আৰু আছে এটা আশাভৰা মনৰ জিলিকনি। "পলস" নামৰ কবিতাটোত অতীতৰ সাকৰা বুকুত ঠন ধৰি উঠা ভৱিষ্যতৰ সপোন লক্ষ্য কৰা যায়। পাৰ হৈ যোৱা দিনবোৰ আৰু নাহে; বহুতো সোণালী ফল, বহুতো পূৰ্ণ হ'বলৈ খোজা সপোন কালৰ সোঁতত হেৰাই গ'ল। ক'ৰবাত কেনেবাকৈ হয়তো ৰৈ গৈছে মৰহা অতীতৰ দুটি এটি স্মৃতি। কবিৰ ভাষাত—

"পলাশৰ জুই নুমাল এতিয়া। শাল আৰু চতিয়ন
বনত মানৰ দিনৰ অতীত বহাগৰ ধুমুহাৰ;
কিমান সপোন সৰি গ'ল তাৰ কোনে ৰাখে খতিয়ান?
কলঙ-কপিলী-দিজুৰ পাৰত ককাদেউতাৰ হাড়।"

অতীত, বৰ্তমান আৰু ভৱিষ্যত, তিনিওটা যেন এক অদৃশ্য শিকলিৰে যুক্ত। আজিৰ আশা-নিৰাশা আৰু পোৱা-নোপোৱাৰ হিচাপ ভৱিষ্যতৰ বুকুত হেৰাই যাব। তথাপিতো ক'ৰবাত ৰৈ যাব অতীতৰ লগত ভৱিষ্যতৰ কিবা এক যোগসূত্ৰ। কবিৰ আশা—

"আমাৰ নাতিৰ নতুন পামৰ নাঙলৰ সীৰলুত
আমি সাৰ পাম।"

তেওঁৰ কবিতাৰ ভাষা বক্তব্যৰ লগত মিল থকা। কেতিয়াবা চঞ্চল-চপল আৰু কেতিয়াবা গহীন-গম্ভীৰ তেওঁৰ শব্দ-সম্ভাৰ। 'চকুপানী ফাগুনৰ' নামৰ কবিতাত ঠিক যেন চঞ্চল ফাগুনৰে পদধ্বনি শুনা যায়—

"মোকতো পোৱাই চিনি, খাই যে কাণ্ডন।
উঁকিয়া কৰিব সঁহে চুপকি মনৰ মাজে।
মোৰতো বহুত বদনাম।
চাদৰৰ আঁচলেৰে নিচান উকলা আৰু
খুলিবে দুচকু চাকি
অচিনাকি বাজৰীৰ প্ৰথম দেখাৰ মুহূৰ্তটো
খেলিমেলি কৰি দিয়া
মোৰ অতি জঘন্য অভ্যাস...."

তাৰ বিপৰীতে "সম্ৰাট" কবিতাত নেত্ৰহীন সম্ৰাটৰ মানসীক গ্লানি আৰু বিবেক দংশনৰ মৰ্মন্তুদ চিত্ৰ ফুটি উঠিছে সম্পূৰ্ণ বেলেগ ভাষাৰে—

"দেখিলো কৰ্কশ ক্লিষ্ট মানুহৰ উপৰি পুৰুষ
দলে দলে পলাতক, হাতত শিলৰ অস্ত্ৰ অধোমুখী।
সুঠাম নায়ক মৃত
সকলোটি ভীত সচকিত, দেখি
আগন্তুক উত্তৰৰ তুষাৰৰ কুটিলতা
আৰু অসিদন্ত শাৰ্দুলৰ মাংস লোভী হীন চতুৰতা।"

তেওঁৰ প্ৰথম কাব্যগ্ৰন্থ "হে অৰণ্য হে মহানগৰ"ৰ অন্তৰ্গত কবিতাসমূহত "প্ৰেম আৰু মৃত্যু, সৌন্দৰ্য আৰু কদৰ্য, স্বপ্ন আৰু উৎকণ্ঠাৰ দৰে পৰস্পৰ বিৰোধী অভিজ্ঞতাসমূহৰ চিত্ৰকল্প প্ৰবল ব্যঞ্জনাসমৃদ্ধ ৰূপত ওচৰা-ওচৰিকৈ ব্যৱহৃত হৈছে।"[1] এই প্ৰসংগতে ক'ব পাৰি, চিত্ৰকল্পৰ প্ৰয়োগ তেওঁৰ এক লক্ষণীয় আৰু মনোৰম বৈশিষ্ট্য। তাৰে ভিতৰত বাছি মনোৰম এটিৰ উদাহৰণ—

"চুলিৰ মেঘত লাহী আঙুলিৰ বহুতো জোন
(জোৱাৰৰ বাবে সাগৰ নাছিল।)
বৰফৰ দৰে চেঁচা পৰশতো
সি যে কি শান্তি!
অকল্পতী!"

চিত্ৰকল্পৰ সুব্যৱহাৰত সজীৱ হৈ উঠা তেওঁৰ কোমল কোমল কবিতাবোৰত প্ৰেম এক মধুৰ বিষয়। স্নিগ্ধ কৰুণ বিষাদেৰে এইবোৰ সজীৱ। "সৰ্বং প্ৰাণ এজতি" কবিতাত হৃদয়ৰ নিবিড় অনুভৱৰ লগত সমাজ-সচেতনতাৰ টনা-আজোৰাত বিমূঢ় হৈ পৰা মানৱ প্ৰাণৰ ছবি পোৱা যায়। তাক স্পষ্ট কৰা হৈছে চিত্ৰকল্পৰ সহায়ত—

---

১। সাহিত্য আৰু সাহিত্য, পৃঃ ৯৮১

"ৰাত্ৰিৰ সুৰভি ৰূপৰ ধোঁৱাৰ দৰে
তোমাৰ দেহৰ প্ৰতি খাজে খাজে
স্তব্ধ
নিশাৰ বতাহ নীৰৱ, নম্ৰ
আকাশ ৰজনতা
ৰাতি জিলমিল তৰা জিলমিল
মদিৰতাৰ ঘ্ৰাণ
মোৰ আবেগৰ অলকানন্দা তুমি চাগে শুই আছা"

অন্য এটি কবিতাত তেওঁ কৈছে—

"মোৰ হুমুনিয়া লাগি জৰজৰ তেজবোৰ ফাকু হৈ উৰে
বেঙুনীয়া কুঁহিপাতে আমৰ ডালত
পোহৰৰ চোকে চকুপানী..."

আৰু কেতিয়াবা কৈছে—

"তৰাৰ পাপৰি খহি তোতালৰ দুবৰি ওপৰত,
ফুলৰ পোহৰে তাৰ পদুলিত সজায় দীপালি
বন্দী দীপৰ শিখা ঘৰৰ কোণৰ
তাৰে সি জ্বলায় দিয়ে আকাশ প্ৰদীপ—
কেৱল আত্মাৰ বয়
পৰম নিভৃত এটি কোণ,"

এইদৰেই তেওঁ বৰ কলাসুলভভাৱে উপস্থাপন কৰিছে তেওঁৰ বক্তব্য। তেওঁৰ কবিতাত হৃদয় ছুৱ পেলোৱা গুণ এটাৰ উমান এইবোৰ স্তবকতে পাব পাৰি।

সামগ্ৰিকভাৱে নৱকান্ত বৰুৱাৰ কবিতা চিন্তা আৰু হৃদয় উভয়ৰে সম্পদ। তেওঁৰ কবিতা নুবুজিলেও কিবা এক তৃপ্তি পোৱা যায় আৰু বুজাৰ পিছত অন্য এক ধৰণৰ গভীৰ অনুভৱেৰে মন ভৰি উঠে। "অসিত" নামৰ কবিতাটো তেওঁৰ ভাৱসমৃদ্ধ সৃষ্টি। বৌদ্ধ পুৰাণ কথাৰ কাহিনীৰ আধাৰত কবিতাটোৰ ৰূপৰেখা আঁকি লোৱা হৈছে। বৃদ্ধ অসিতৰ আনন্দৰ পাৰাপাৰ নাই। তেওঁ জানে, এদিন বুদ্ধ আহিব পৃথিৱীলৈ। প্ৰচাৰ কৰিব নতুন মত। বুজাই উপলব্ধি কৰিব জৰাৰ গ্লানি আৰু নশ্বৰতাৰ বেদনা। অথচ সেই দিনটোলৈ বৃদ্ধ অসিতৰ জীৱনত ঠাই নাই। তাৰ আগতেই তেওঁ পৃথিৱীৰ পৰা বিদায় ল'ব। এতিয়াই তেওঁ বৰ কৰুণভাৱে উপলব্ধি কৰিছে বৃদ্ধ হোৱাৰ দুখ আৰু বিনাশী দেহ ধাৰণৰ অসহায়তা। কবিতাটোত ফুটি উঠিছে অভিজ্ঞতা, পাণ্ডিত্য আৰু মেধাক অতিক্ৰম কৰি ভিতৰৰ নিঃসংগ প্ৰাণৰ আকুল হাহাকাৰ। সহজ সৰল ভাষাৰে ইয়াত কোৱা হৈছে—

"অনুচ্চাৰিত যি বাণীৰ আজি জন্ম-ক্ৰন্দন হৰ্ষ
প্ৰবীণ মনৰ পাৰ হৈ দূৰ উদীচী প্ৰাচীৰ মৰ্ম,
তাৰ মৰ্ম-বেদনা কিন্ত অসিতে জানে—
অস্ত অসিতে, মানুহ অসিতে ভৱাদি কান্দিব আজি।"

নৱকান্ত বৰুৱাৰ "কাব্যজগত জনতাৰ পৰা বহু নিগলত" বুলি কোৱা হয়।"[১] কিন্তু সেয়ে হ'লেও তেওঁৰ একান্ত আপোন চিন্তা আৰু দৰ্শনত সমূহীয়া প্ৰাণৰ উপলব্ধিৰ প্ৰকাশ দেখা যায়। "ইয়াত নদী নাছিল" নামৰ কবিতাটোত বিচিত্ৰ চিত্ৰকল্পৰ সহযোগত তেওঁ যি ছবি আঁকিছে প্ৰকৃতিৰ ছবিৰ আলমত সুতীক্ষ্ণ অনুভূতিৰ প্ৰকাশ দেখা যায়। ক্ৰমে ক্ৰমে চাপি অহা মৰুভূমি, তামবৰ্ণী আকাশ, ফুটছাই বৰণৰ পৃথিৱী, "দিনৰ পোহৰে তাত ঢালি দিব কমলা ৰঙৰ গলা লোহা" আদি বাক্য আৰু বাক্যাংশবোৰ ইন্দ্ৰিয়জ উপলব্ধিৰ ওপৰত প্ৰতিষ্ঠিত। কবিতাটোৰ মাজত ফুটি উঠিছে ক্ষয়িষ্ণু জীৱন, ক্ষয়িষ্ণু সমাজ আৰু পৰিবেশৰ চিত্ৰ। ধ্বংস, গ্লানি আৰু নিজেই সৃষ্টি কৰি লোৱা অতৃপ্তিৰ পৰা দুপলক আঁতৰি কোনোবা শান্তিৰ মাজুলিত জিৰণি ল'বলৈ থকা প্ৰাণৰ আকুল বাসনাৰ সুৰ ইয়াত প্ৰতিধ্বনিত হৈছে। তেওঁৰ উপলব্ধিত আছে এক নিঠুৰ সত্য; জীৱন শুকাই আহিছে, পৰিবেশ ৰুক্ষ হৈ আহিছে—

"মৰুভূমি এইদৰে আহে,
লাহে লাহে মাহে মাহে বছৰে বছৰে।..."

ৰং, ৰূপ, স্বাদ আদি ইন্দ্ৰিয়জ অনুভূতিৰ ওপৰত প্ৰতিষ্ঠিত তেওঁৰ চিত্ৰকল্পসমূহে মনত পেলায় জীৱনানন্দৰ কবিতাৰ কথা।

"লখিমী" নামৰ কবিতাটোত ৰমন্যাসিক চেতনাৰে এটি আধুনিক আৰু পৰিমাৰ্জিত ৰূপ দেখা যায়। যৌৱনৰ নিবিড় ক্ষণৰ গোপন সপোন আৰু দিঠকৰ মধুৰ উপলব্ধিত তুলসীতলৰ চাকিৰ দৰে পোহৰি উঠা প্ৰাণৰ বাতৰি ইয়াত আছে। এই কবিতাটোৰ ছন্দৰীতিৰ আৰু ভাবৰস্তুত ৰবীন্দ্ৰনাথৰ কবিতাৰ জান-নাজান বেঙণি এটা পৰা বুলি কোৱা হয়।[২] কিন্তু নিটোল ৰূপটোৰ মাজত তাৰ প্ৰকাশ নৱকান্তৰ নিজা। স্পন্দনশীল ছন্দৰ মাজত সপোন-মধুৰ কবিতাটোৰ বক্তব্য যেন থমকি থমকি আগবাঢ়িছে—

"এদিন কোনোবা আহে।
এটি নাৰী
খোজত পদুম ফুল ফুলে নে নুফুলে তাৰ
চাবলৈ নেথাকে আহৰি,

১। 'অন্তৰালিকা', 'নতুন কবিতা'।
২। সাহিত্য আৰু সাহিত্য, পৃঃ ১১৮

চকুৰ নীলাত উৰা মনৰ পখীৰ, সি যে
উপমাকে পেলালে পাহৰি ;
মাথোঁ দেখে
আঁচলেৰে উকআই পগীয়া ডবাৰ ছাই
তাৰ চোতালৰ
দুখনি জাহবী হাতে মটি থলে তুলসীৰ তল ;"

"প্ৰাৰ্থনা : আকাশৰ প্ৰতি : মিমিকিৰে" কবিতাটিত ব্যক্তি-প্ৰাণৰ অসহায় যন্ত্ৰণাৰ আকুতি ফুটি উঠিছে। মানুহ ক্ষুদ্ৰ, ক্ষুদ্ৰ মানুহৰ এখানি বুকুৰে যুগৰ সংঘাত আৰু অসীম যন্ত্ৰণাৰ ভাৰ বব নোৱাৰে। কতো আশা নেযোৱা, পূৰ্ণতাৰ ইংগিত নথকা জীৱনধাৰাই মানুহৰ প্ৰাণক দিয়ে পূৰ্ণতাৰ বাবে এক কামনা। বিশাল আকাশৰ নীলাবুকু নিজৰ যন্ত্ৰণাৰে আৰু নীলা কৰিবৰ বাবে কবিৰ প্ৰাৰ্থনা—

"আমাৰ আকাশ নিচেই অকণি, তোমাৰ আকাশ দিয়া।"

"সম্ৰাট" আৰু "ৰাৱণ" তেওঁৰ দুখন কণিকা মহাকাব্য বুলি ক'ব পৰা দুটি সুদীৰ্ঘ কবিতা। পৌৰাণিক দৃষ্টিভংগীৰ আধুনিকতাৰ লগত সংমিশ্ৰণ দুয়োটা কবিতাৰে বৈশিষ্ট্য। মহাকাব্যৰ 'খল-নায়ক' ৰাৱণৰ মাজত তেওঁ আৱিষ্কাৰ কৰিছে সৌন্দৰ্য সন্ধানী শিল্পীৰ এটি প্ৰাণ। ৰাৱণৰ মনত থকা সুন্দৰৰ অনন্ত তৃষ্ণা তেওঁ ফুটাই তুলিছে অভিনৱ ধৰণেৰে। ৰাৱণ যেন আধুনিক শিল্পী-সত্তাৰে এক ৰূপ।

"স্বপ্ন মোৰ ফুলিছিল সোণৰ নগৰীৰূপে
স্বপ্ন মোৰ উঠিছিল অজেয়ৰ অভিমুখী সোপানৰ
প্ৰতি খাপে খাপে,"

অথচ সোণৰ-কাঠিৰ পৰশ নোপোৱা সেই স্বপ্ন মাথোঁ স্বপ্ন হৈয়ে ৰ'ল। ৰাৱণে নাপালে তেওঁৰ সুন্দৰ প্ৰাণৰ স্বীকৃতি।

"সম্ৰাট"ৰ মাজত অন্য এক চৰিত্ৰ ধৃতৰাষ্ট্ৰৰ নিজা মনৰ দ্বন্দ্ব আৰু আত্মগ্লানি নানা ৰহণেৰে ফুটি উঠিছে। পুত্ৰৰ হৃদয় নোপোৱা, প্ৰজাৰ আনুগত্য নোপোৱা আৰু গান্ধাৰীৰ প্ৰেম নোপোৱা ধৃতৰাষ্ট্ৰ নামত মাত্ৰ সম্ৰাট ; ভিতৰি দুখীতকৈ দুখী এক নিঃসংগ প্ৰাণ। সেই অন্ধ নৃপতিৰ দেহাত যদিও অদ্ভুত কৰীৰ বল, মনত কিন্তু মাথোন অৱশতা। কাৰণ তেওঁৰ নাই কোনো বন্ধু, কোনো অনুৰাগী। প্ৰেম, বন্ধুত্ব আৰু বিশ্বাসৰ বাবে কাতৰ হৈ থকা সেই মহামান্য সম্ৰাটৰ কাতৰ আকুতি—

"সেই ক্লীৱ, সম্ৰাটক প্ৰেমৰ সম্ৰাট কৰা, হে গান্ধাৰী
তোমাৰ প্ৰেমৰ। তেতিয়াহে পিতাৰ সন্মান মোক দিব ইতিহাসে।"

নৱকান্তৰ কবিতাৰ বিশাল সাগৰখনত নানা লহৰৰ উঠা-নমা। নিজৰ আপোন মনৰ গহনত তেওঁ যিদৰে বিচৰণ কৰে, সেইদৰেই মাজে মাজে মুকলি

জয় প্ৰকৃতিৰ সেউজী বুকুত। তেওঁৰ কবিতাৰ প্ৰকৃতি আধুনিক মনৰ ব্যস্ততাৰ মৰুভূমিত অকণমান সেউজীয়া ছায়াৰ দৰে প্ৰাণ শীতল কৰা। শেহতীয়াভাৱে নতুন নতুন পৰীক্ষা-নিৰীক্ষাত ব্যস্ত থকা এই ছন্দ-কুশলী কবিজনে কবিতাৰ মাজে মাজে প্ৰয়োগ কৰিছে কামৰূপী উপভাষাৰ একোটি টুকুৰা। গভীৰ ভাব সমৃদ্ধ একোটি কবিতাৰ শেষত এনে উপভাষাৰ টিপ্পনীয়ে হঠাৎ একোটা চমক দিয়ে। 'বল্মীক' নামৰ কবিতাত আছে—

"মোক দিয়া কুমাৰী মাটি
সেই কুমাৰী মাতৃৰ জৰায়ুত মোক ঠাই দিয়া
কৈশিক আৰ্দ্ৰতা দিয়া ভ্ৰূ-নিৰ্জিত পুৰুষৰ
●"বাপা, কৈছা ঠিকেই। পাছে কুঁৰা খান্দা মাটিত
শহ ভাল নহয়।●"

আৰু বহুত কথাই ক'ব পাৰি নৱকান্ত বৰুৱাৰ কবিতাৰ বিষয়ে। তেওঁৰ কবিতাত ইংৰাজী সাহিত্যৰ পৰা ভাৰতীয় উপনিষদ আৰু বৌদ্ধ চিন্তাধাৰালৈকে এক বিস্তৃত অভিজ্ঞতা আৰু কাব্যিক উপলব্ধিৰ প্ৰকাশ দেখা যায়। ৰবীন্দ্ৰনাথ আৰু হুইটমেনৰ দৰদী প্ৰাণৰ পৰশেৰে কবি নৱকান্তই হৃদয়ৰ দীপ জ্বলাইছিল। এই দীপৰ পোহৰ কিন্তু একান্তভাৱে তেওঁৰ নিজৰ। অসমীয়া পাঠকক প্ৰকৃত অৰ্থত আধুনিক কবিতাৰ সোৱাদ দিয়াৰ বাবেই নৱকান্ত বৰুৱাৰ কাষত পাঠক সমাজ কৃতজ্ঞ হৈ থাকিব।

### ৬.২.৩ মহেন্দ্ৰ বৰা ঃ

'জাতিস্মৰ'ৰ কবি মহেন্দ্ৰ বৰাৰ কবিতাত আধুনিক কবিতাৰ কৰুণ-কোমল দিশ এটি প্ৰতিফলিত হৈছে। তেওঁৰ বহুতো কবিতা ব্যক্তিগত অভিজ্ঞতাৰ ওপৰত প্ৰতিষ্ঠিত। কবিতাবোৰ বুদ্ধিতকৈ হৃদয়ৰ বেছি ওচৰ চপা। প্ৰেম, প্ৰকৃতি, স্বপ্ন আৰু সামাজিক বিপৰ্যয় তেওঁৰ কবিতাৰ বিষয়বস্তু। তেওঁৰ অধ্যয়নপুষ্ট মনৰ প্ৰকাশৰ বাবেই হয়তো কিছুমান কবিতা সাধাৰণ পাঠকৰ বাবে কিছু জটিল। কিন্তু বুজি নাপালেও ভাল লগা গুণটো ইয়াত আছে কাব্যিক পৰিভাষাৰ মসৃণ প্ৰয়োগৰ বাবে। চিত্ৰকল্পৰ সু-প্ৰয়োগ তেওঁৰ কবিতাৰ অন্যতম আকৰ্ষণ-শক্তি।

নিজৰ মনৰ মাজত নানা চিন্তা-অনুভূতিৰ জাল গুঠি কৰিয়ে আপোন মনে নিজৰ লগত কথা পাতে। বিষাদ, প্ৰত্যাশা আৰু সংশয়েৰে ভৰা তেওঁৰ জীৱনবোধ। হাতৰ মুঠিৰ পৰা সৰকি যোৱা বহুতো ৰঙীন স্বপ্ন আৰু মধুৰ অনুভৱে কবিক মাজে মাজে নিঃসংগতাৰ উপলব্ধি দান কৰে। জটিল মানসিক পৰিমণ্ডলৰ মাজত সেইবোৰ ওপৰে ওপৰে এখন বিষাদৰ আৱৰণ লোৱা কবিতা। 'ফাউষ্ট' কবিতাটোৰ দুটিমান উদাহৰণ—

"মমবাতি ডাকি পুৰিছো টোপনি পুৰিছো ৰাতিৰ স্বপ্ন
নেজানো কিমান মধুৰ ফাগুন
আহি গুচি গ'ল মোৰ ফুলনিৰ পৰা
নেজানো কিমান ফুলিল আকৌ নতুন ৰঙীন ফুল
পুৰণি ঋতুৰ জহি-খহি যোৱা গুকান বীজৰ পৰা
নেজানিলো হায় অচিন পাঠকে বাটৰ কামত বৈ
মচিলে যদিও এনেয়ে এবেলি সেমেকা এহাল চকু"

কবিৰ ব্যক্তিগত একান্ত আপোন পৃথিবীখনৰ ভিতৰত সুৰু-বৰ অসংখ্য সুখ-দুখৰ কণিকা গোট খাই আছে। সেই সকলোবোৰ পাৰ হৈ তেওঁ দেখা পায় মানুহৰ এখন বিশাল পৃথিৱী। সেই মানুহ অন্তহীন শুভকামনাৰ উৎস। মানুহৰ প্ৰেমে আৰু মানুহৰ প্ৰীতিৰে ভৰা জীৱনৰ মোহে তেওঁৰ কবিতাত এক কোমল আশা-ভৰা চেতনাৰ জন্ম দিছে। 'পুনৰাবৃত্তি' নামৰ কবিতাটোত তেওঁ কৈছে—

"ভাল পাম পৃথিৱীক ভাল পাম মানুহক
ভাল পাম মোৰ দেশ নগৰ-চহৰ
গাঁও গঞ্জ জনপদ প্ৰান্তৰৰ সকলোজনক
জানো মই কাকোৱেই আজিলৈকে একো দিব পৰা নাই
অথচ প্ৰাপ্তিৰ পাত্ৰ প্ৰতিদিনে কৰিছো পূৰণ
প্ৰাপ্যৰ অধিক প্ৰাপ্তি সি যে মোৰ এই জীৱনৰ"

মানুহৰ মাজত শুভশক্তি প্ৰত্যক্ষ কৰিলেও ক্ৰমে ক্ৰমে সেই শুভশক্তিক একো অশুভ ক'লা ছায়াই ঢাকি ধৰাৰ প্ৰয়াস কৰাও তেওঁৰ চকুত পৰিছে। তেওঁ দেখিছে—

"আকাশ ক'লা কৰি আহিয়েই আছে
শগুণৰ লানি
গছজোপাত দুটামান কাউৰী
কলকলাই উঠিছে খাবলৈ পোৱাৰ প্ৰতীক্ষাত
ৰাতি আন্ধাৰত তিৰ্‌বিৰাই উঠে
চোপ লৈ থকা শিয়ালবিলাকৰ চকু"

এই কদৰ্য আৰু ভয়াবহ পৃথিৱীৰ মাজত তেওঁ বিচাৰি পায় মানুহৰ মাজত—একোৱে নষ্ট কৰিব নোৱাৰা মংগলময় চিন্তাৰ এক বীজ। এই বীজৰ সম্ভাৱনা অসীম। দুখৰ পৃথিৱীৰ মাজত এটি পলকৰ পূৰ্ণতাৰো দাম বৰ বেছি। তেওঁৰ কবিতাত ফুল-তৰা-গানৰ কথাৰ লগে লগে আছে সেই এটি জলকৰ প্ৰেমৰ ছায়া-মায়া ৰূপৰ বিষয়ে এটি ধাৰণা। যৌৱনৰ দুদিনীয়া মোহকেই কেতিয়াবা প্ৰেম বুলি ভুল কৰা হয়। পিছত সেই ভুল ভাগি গ'লে থাকি যায় এটি অস্পষ্ট করুণ অনুভূতি।

কবিৰ আধুনিক মনৰ গহনত ভাৰতীয় আধ্যাত্মিক দৰ্শনৰ গোন্ধ দেখা যায়। জন্মান্তৰবাদত বিশ্বাসী তেওঁৰ মন। তেওঁ নিজৰ মাজত আৱিষ্কাৰ কৰে এক চিৰন্তন সত্তা, যাৰ বিনাশ নাই। মৃত্যুৰ সিপাৰে থকা বিশাল অনন্ত জগতৰ ৰহস্যময়তাৰ মাজত তেওঁ বিচাৰি পায় অন্য এক জীৱনৰ প্ৰস্তুতিৰ ইংগিত। মৃত্যু আৰু পুৰ্ণজন্ম অথবা অতীত আৰু ভৱিষ্যতৰ মাজত সংযোগৰ সেতু হৈ থাকে মানুহ, মানুহৰ বৰ্তমান। সেয়েহে অবিনাশী আত্মাৰ গৰাকী সেই মানুহে গৰ্বেৰে অনুনয় কৰে,—

"মই কাল নিৰবধি সেই মৃত অতীতৰ জীৱন্ত প্ৰতিভূ
জন্ম আৰু মৃত্যুৰ সংক্ৰান্তি এই ছায়াচ্ছন্ন বৰ্তমান
স্পন্দিত মোৰ চেতনাত
অনাগত ভৱিষ্যৰ অমেয় আলোকৰ বিভাবৰণ
মোৰ আগ্নেয় অস্তিত্ব।"

গীতাৰ স্পষ্ট প্ৰতিধ্বনি শুনা যায় 'জাতিস্মৰ' নামৰ কবিতাটোৰ মাজত। তাৰে দুফাকিমান —

"বহুবাৰ গা ধুই নতুন বেলিৰ ৰ'দত জিৰালোঁ মই
সলালো কাপোৰ-কানি বহুবাৰ অসীমৰ
আন্ধাৰ কোঠাত সোমাই
কমলা ৰঙৰ সপোন যদি কুহমীয়া হয়
আকৌ উলটি যাওঁ আকৌ
কুঁৱলী হওঁ
উলটি আহিব পাৰোঁ আকৌ এবাৰ দুচকুত নতুন
সপোন পিন্ধি।"

বন্দনা,—

"লেখিলো নে নাই জানো বিচাৰি যে পাইছিলো
তাতে কিবা কবিতাৰ মধুৰ উপমা
ভোকাতুৰ মানুহৰ শিল হোৱা হৃদয়ৰ
বৈ থকা স্নেহৰ ভুমুক এটি
শিল ফালি হঠাতে জিলিকি উঠা"

মধ্যবিত্ত শ্ৰেণীৰ প্ৰতি তেওঁৰ এক গভীৰ সহানুভূতিৰ ভাব আছে। 'কেৰেণী শ্যেলীৰ চিঠি'ত আছে এনে এক মধ্যবিত্ত কেৰাণীৰ আশাহত জীৱনৰ দুখৰ নিশাহ। অফিচৰ যান্ত্ৰিকতা, জীৱনৰ গতানুগতিকতা আৰু ব্যস্ততাৰ মাজতো মানুহৰ মনৰ একোণত ক'ৰবাত লুকাই থাকে এখনি স্বপ্ন। সেই স্বপ্ন

হ'ল মৰুভূমিৰ দৰে জীৱনত জীয়াই থকাৰ সেউজী আশ্বাস। প্ৰেম আৰু ভালপোৱা বিচৰাৰ অধিকাৰ সকলোৰে থাকে। আছে কোনোবা অখ্যাত এজন কেৰাণীৰো, হাজাৰজন সমগোত্ৰীয় মধ্যবিত্ত লোকৰ যি জন প্ৰতিনিধি। তেওঁলোকৰ জীৱনটো এক ট্ৰেজেদীৰ বাহিৰে একো নহয়,

> “ৰেশ্যন কাৰ্ড, পে'-স্কেলৰ জীৱনটো এটা ট্ৰেজেদীৰ,
> বোৱতী-সুঁতি”

দৈনন্দিন জীৱনৰ গতানুগতিক ৰুটিনত ক'তো নাই অলপো স্নেহ আৰু শান্তিৰ বাবে খালি ঠাই। সেই শান্তি আছে কিছুমান কল্পিত মৰহি যোৱা সপোনত। অথচ—

> “সোণৰ সপোন গুৰি হৈ যায়, ৰেলৰ ইঞ্জিনৰ চেপাত নহয়,
> ফাইলৰ হেঁচাত।”

নগৰীয়া সভ্যতাই হেঁচিধৰা জীৱনৰ করুণ হুমুনিয়াহ কবিতাটোত ফুটি উঠিছে।

সম্পূৰ্ণভাৱে আধুনিক মনৰ কবি হ'লেও মহেন্দ্ৰ বৰাই ৰমন্যাসিক কোমলতাক কবিতাৰ পৰা বিসৰ্জন দিয়া নাই। কিছুমান আত্মমগন মুহূৰ্তত তেওঁ মিঠা অনুভূতিৰ টুকুৰা কবিতা ৰচনা কৰিছে। ‘Come my beloved’ নামৰ কবিতাটোত জোনাক ৰাতিৰ মায়াময় পৰিৱেশে জগাই তোলা বিচিত্ৰ অনুভূতিৰ স্বাক্ষৰ আছে। কবিতাটোৰ ভাষা অলংকাৰসমৃদ্ধ। চিত্ৰকল্পবাদী কবি মহেন্দ্ৰবৰাৰ চিত্ৰৰচনাৰ ক্ষমতাৰ উমান ইয়াত পোৱা যায়। উপমা ৰচনাতো তেওঁ নিপুণ। এই উপমা আধুনিক মনৰ ওচৰ চপা—

> “কালি নিশা জোনৰ মুখৰ
> কুঁৱলীবোৰ থুপ খাই খাই সৰি পৰিছিল
> ঠিক যেন এজাক ফুলৰ বৰষুণ নামি আহিছিল
> জিৰ্‌জিৰ্‌কৈ”

‘গীৰ্জা ক্লাউজ আৰু শ্যেম্পেন'ত জিলিকি উঠিছে তুচ্ছ বেদনাৰ ফাঁকে ফাঁকে জীৱনৰ আন্ধাৰ দিশটোৰ কথা পাহৰি এমুঠি কবিতাৰ সপোন দেখাৰ বাসনা। জীৱনত সংগ্ৰাম আৰু সংঘাত দুয়োটাই আছে। তাৰ মাজতে ভাগৰুৱা মনে যদি তৃপ্তি বিচাৰে কোনোবা জোনাকৰঙী কবিতাৰ মাজত, তেন্তে সেই কবিতাৰ মূল্য বৰ বেছি। কবিৰ ভাষাত—

> “মৰমে মধুৰ কবিতাৰ দাম হয়তো হ'বও পাৰে
> আকাশ জোনাক আৰু বহুতো ৰামধেনু।”

‘শূন্য এখনি সোণৰ পিৰিচ'ৰ মাজত প্ৰেমত ক্ষণভংগুৰতাৰ এটি ইংগিত আছে। জীৱন একোটা সময় সুখ আৰু সপোনেৰে উপচি থাকে। সেইবোৰ সময় কবিতা লিখাৰ সময়। কবিতা লিখি বহুতো আকুল হিয়াৰ খলক লগোৱাৰ সময়। কিন্তু যৌৱনৰ সেইবোৰ মোহনীয় দিন বৰ ক্ষণভংগুৰ। হাতৰ পৰা

পিন্ধিছিলি যোৱা সেই প্ৰেম আৰু মোহৰ সৌৰভণত পিছৰ এটা সময়ত উপলব্ধি হয়—

শালবন জানা প্ৰেয়সীৰ মন, উকৰাই ছাই শাখাই শাখাই জ্বলে,
বওা-জুই শিখা
চকু-লোৰ স'তে গলি শেষ হয়, ভালপোৱা মা'থো
ৰৰফৰ চামনিত আঙুলিৰ লিখা।"

বাৰে বাৰে সংসাৰ বৃত্তত অহা-যোৱা কৰা অবিনাশী মানৱ সত্তাৰ মাজত এক চিৰন্তন মহাশক্তিৰ স্ফুৰণ কবিয়ে লক্ষ্য কৰিছে। তেওঁৰ মতে—

"মোৰ ক্লান্তি-পথ নাই তথাপিতো তীৰ্থ যাত্ৰী মই
শুভ্ৰ নিখিলৰ চিৰন্তন অধিবাসী মোৰ পৰিচয়"

'আৱৰণহীন এটি কণী'ত তেওঁ সূৰ্যক আৱিষ্কাৰ কৰিছে শক্তিৰ গৰাকীৰূপে। সূৰ্যৰ ৰূপ-বৈচিত্ৰ্য আৰু প্ৰকাশ সম্পৰ্কে লিখা হ'লেও এইটো সৰল প্ৰকৃতি কবিতা নহয়। প্ৰকৃতিৰ প্ৰতি উদাসীন আধুনিক মানুহৰ যান্ত্ৰিক মন আৰু সুকওাবিহীন ব্যস্ততাই নিবস কৰি পেলোৱা জীৱনৰ আভাসো ইয়াত পোৱা যায়।

মহেন্দ্ৰ বৰাৰ কবিতাত সাধু-কথা, ঐতিহাসিক কাহিনী, কিংবদন্তী আদিৰ সংমিশ্ৰণো কেতিয়াবা দেখা যায়। 'তেজীমলা' কবিতাত তেওঁৰ সহানুভূতি ফুটি উঠিছে অত্যাচাৰিতা অসহায়া তেজীমলাৰ প্ৰতি, যি হ'ল সকলো দুখুনীনাৰীৰে প্ৰতিৰূপ। অতীতৰ স্মৃতি-চাৰণ তেওঁৰ কবিতাৰ অন্য এক বিশেষত্ব। জীৱনৰ পথত পোৱা সকলো মণি-মুকুতা তেওঁ লেখ কৰি ভাল পায়, লেখ ল'বলৈ নাপাহৰে বাটৰ কাষৰ শিল অথবা কাঁইটখিনিবো। এক বিষণ্ণতাবোধ তেওঁৰ কবিতাৰ বিশেষত্ব। শেহতীয়াভাৱে দেশ আৰু পৰিস্থিতিৰ জুই জ্বলা পৰিবেশৰ পটভূমিতো তেওঁ কবিতা লিখিছিল, যিবোৰ কবিতাত বিষণ্ণতাৰ ঠাইত আছে ক্ষোভ আৰু গ্লানি। কেতিয়াবা আছে এধানমান খং। তেওঁৰ কবিতাবোৰ সুন্দৰকৈ সজোৱা হৈছে চিত্ৰকল্পৰ দ্বাৰা। অতি প্ৰসাৰিত পটভূমিৰ তেওঁৰ কবিতা ৰাজিৰ এক আকৰ্ষণ হ'ল মধুৰ ব্যঞ্জনাযুক্ত ভাষা। এই ভাষা সময়বিশেষে উচ্ছল আৰু কেতিয়াবা প্ৰতীক ভাৰাক্ৰান্ত হৈ কিছুপৰিমানে জটিল। তেওঁৰ কবিতা সমূহ ৰচনাৰ সময়ৰ স্তৰ অনুসাৰে ভগাই ল'লে প্ৰতিটো ভাগবে লক্ষণ বেলেগ বেলেগ যেন লাগে। অৰ্থাৎ কবিতাৰ জগতত তেওঁৰ হৃদয় আৰু চিন্তাবৃত্তি নানা স্তৰত বিকশিত আৰু প্ৰকাশিত হৈছে।

## ৬.২.৪ হৰি বৰকাকতি ঃ

হৰি বৰকাকতিৰ কবিতাৰ জগতত সোমাই পৰিলে এক বাগীলগা আমেজে হেঁচি ধৰে। তেওঁৰ কবিতা সমসাময়িক কবিতাখিনিৰ মাজত কিছু

বেলেগ। ব্যক্তি-প্ৰাণৰ অনুভূতিক সোণালী ৰহণ সানি তেওঁ যিবোৰ কবিতা ৰচনা কৰিছে, সেইবোৰ কিছু পৰিমাণে বিষণ্ণ আৰু সংশয়ৰ কুঁৱলীৰে আবৰা। নগৰীয়া মনৰ চিন্তা আৰু সমস্যা প্ৰকাশ পালেও সেইবোৰ ক্ষোভৰ ওপৰত প্ৰতিষ্ঠিত নহয়। ৰোমাণ্টিক আবেগৰ সুৰ এটা তেওঁৰ কবিতাত প্ৰতিধ্বনিত হৈ উঠা শুনা যায়।

বৰকাকতিৰ কবিতাত আপোন মনৰ বিচিত্ৰ ভাৱৰাশিৰ গুঞ্জণ লক্ষ্য কৰা যায়। নিজৰ মাজতে আৱিষ্কাৰ কৰে তেওঁ চিৰন্তন মানৱৰ সকলো হেঁপাহ, সকলো আকৃতি। কিছুমান লোকবিশ্বাস অথবা ভাৰতীয় মনৰ সৰল ধাৰণাৰ আলম লৈ তেওঁ ৰচনা কৰে আপোন মনৰ নিঃসংগতাৰ কৰুণ প্ৰতীক—

"বাটৰ দাঁতিত হৈ ক'লা-বগা শিল
ৰ'ই যাম ৰহুত শতিকা।
কেতিয়াবা কোনোবাই প্ৰাণ নিজৰাৰ পানী
সিঁচি, জগাই তুলিব মোক
আকউ এবাৰ..."

সমগ্ৰ মানুহৰে মাজত নিহিত হৈ থাকিব তেওঁৰ অস্তিত্ব। গতিকে জন্মান্তৰবাদৰ এক ধূসৰ বিশ্বাসেৰে তেওঁ কৈছে পৃথিৱীত অহা-যোৱা কৰা মানুহৰ অবিনশ্বৰ সত্তাৰ কথা—

"সৃষ্টিৰ কঠীয়া সিঁচি
ডলাৰ বগৰী হ'ই বগাই ফুৰোঁতে—
পৃথিৱীৰ কোমল বুকুত মোৰ সেইবোৰ
দুভৰিৰ ৰেখা।"

জীৱনৰ পক্ষত মানুহৰ বহুতো প্ৰাপ্তিৰ স্বাক্ষৰ থাকে। সেই আটাইবোৰৰ স্বীকৃতিৰে যেতিয়া হৃদয় ভৰি উঠে, নোপোৱাৰ বেদনা তেতিয়া তল পৰি যায়। অথচ প্ৰাপ্তিৰো বেদনা আছে। মানুহৰ মনৰ একেবাৰে গোপন তলিত শুই থকা নিঃসংগতাবোধে হেজাৰ প্ৰাপ্তিৰ পিছতো মূৰ তুলি উঠে। 'বলাকা' কবিতাটিত তাৰেই এক কৰুণ কোমল সুৰ ধ্বনিত হৈ উঠিছে—

"জীৱনৰ জলছবিখনে যোৱাটোকে সঁচা বুলি ক'লে।
এৰা বন্ধু, খুব সঁচা। মাটি আৰু মৰমৰ মৈদামবোৰে
মাথোঁ এবেলাৰ ঢৌ লেখি অহাবাটে ঘূৰি গুচি যায়।
দুৰ্বাসাৰ অভিশাপে স্বৰ্গৰ জেউতি হৰি নিলে,
তলসৰা শেৱালিৰ বুকুত সুৰভি নাই ঃ জীৱনৰ বচেৰা বাট
যৌৱনৰ খোৱাব দাগে ওখোৰা-মোখোৰা।"

তেওঁৰ কবিতাত প্ৰেম এটি মধুৰ বিষয়। ই প্ৰায় ৰোমাণ্টিক চেতনাযুক্ত। অথচ প্ৰকাশ ৰীতি তাৰ অভিনৱ। প্ৰিয়াৰ লগত তেওঁৰ দিনে দিনে বাঢ়ি অহা ব্যৱধান কবিয়ে প্ৰকাশ কৰিছে এনেদৰে—

"অতি লাহে লাহে খোজকাঢ়িও তুমি
বহুদূৰ পালাগৈ
দুৰ্দ্দম খোজেৰে তীব্ৰবেগে গৈ
মই কিন্তু দেখিলো
সন্মুখত ক্ষুৰধাৰ সাঁকো।
তোমাকো নমনি।"

যৌৱনৰ স্বপ্নত তেওঁৰ প্ৰেমৰ অভিষেক হয়। সেই স্বপ্নত সুখৰ সাতৰঙী পিয়লা উপচি পৰে। সপোনৰ সাগৰত ভেনাচৰ দৰে দেখা দিয়ে 'ইকবাৰ নাও আৰু খাগৰীৰ বঠা লৈ' তেওঁৰ 'পানেসৈয়ে।' প্ৰেম তেওঁৰ বাবে কেতিয়াবা এক সকৰুণ প্ৰতীক্ষা আৰু কেতিয়াবা এক বেহিচাপী খেলা। তেওঁ চিনি পায় 'সাতখন কাৰ্ব্বনৰ শেষৰ পৃষ্ঠাত লিখা' প্ৰেমৰ প্ৰকৃত ৰূপ, জীৱনৰ পথত বাৰে বাৰে বুটলি লোৱা এই প্ৰেম বাৰে বাৰে পিছলি পৰে হাতৰ মুঠিৰ পৰা। ঠিক যেন—

"ধূলিকণাবোৰ সবি পৰি গ'ল
আঙুলিত ৰ'ল চিনাকি চিনাকি গোন্ধ।"

কোনোবা অনামী প্ৰেমিকাই জীৱন লৈ হেতালি খেলে। ভঙা হিয়া লৈ কোনোবা বৈ যায় সময়ৰ উমৰ বালিত। একক আৰু নিঃসঙ্গভাৱে—

"জীৱন সাঁকোতে কৰেনো নাৱিকে মুকুতা বিচাৰি পাই
চমকি থমকি ৰ'ল। কোনো নাই নাই। সাৰে আছো মাথোঁ
হেজাৰ প্ৰিয়াৰ চকুৰ লোতক গোট মাৰি হোৱা
আকাশৰ চেঁচা জোন।"

'ইভনছং' নামৰ কবিতাটোৰ মাজত জীৱনানন্দৰ বনলতা সেনক লগ পোৱা যেন লাগে। বিদায়ৰ মুহূৰ্তত কবিৰ হৃদয়ে অপেক্ষা কৰিছে ভৱিষ্যতে পুনৰ লগ হোৱাৰ কোনো এক শুভ সময়লৈ—

"আজিৰ পৰা পাঁচ, সাত, দহ বছৰৰ পিচত এদিন
কোনোবা প্ৰৱাল দ্বীপৰ
সমান্তৰাল সাঁকোত দেখা হ'ম
তোমাৰ স'তে। সেইদিনা ক'ম, হেজাৰ ৰাতিৰ
পিচৰ ৰাতিৰ কথা।"

কবিৰ নিঃসঙ্গ প্ৰাণত ভালপোৱাৰ বাবে এক আকৃতি আছে। লগতে আছে আশাহত প্ৰাণৰ কৰুণ যন্ত্ৰণা। বিদিশাৰ নিশা যেন কাৰোবাৰ চুলিত হাত বুলাবলৈ বিচৰা তেওঁৰ উপবাসী প্ৰাণে বিফলতাৰ লজ্জাত আত্মগোপন কৰে। তেওঁৰ তৰ্কবাদী মনে প্ৰশ্ন কৰে—

"মৰমৰ নাগপাশে সাগৰ সিঁচি যাক বিচাৰি পালে
ৰাতিৰ তপস্যাই জানো
আঁকোৱালি বান্ধিব পাৰিব?"

চহৰৰ কোলাহলত কৈ প্ৰকৃতিৰ শান্ত সুষমাৰ মাজতে কবিয়ে বিচাৰি পাইছে জিৰণিৰ ঠাই। আকাশ, জোন, কুঁৱলী আদি শব্দবোৰে তেওঁৰ স্নিগ্ধ অনুভূতিৰ ইংগিত দিয়ে। তেওঁ ব্যৱহাৰ কৰা চিত্ৰকল্পবোৰতো এনে শব্দৰ প্ৰাচুৰ্য লক্ষ্য কৰা যায়। তেওঁৰ উদ্ভাৱনা শক্তি চমকপ্ৰদ। বৰষুণ সৰা এটা ডাৱৰীয়া দিনৰ বৰ্ণনা তেওঁ দিছে এনেকৈ—

"জীপ্ জীপ্ বৰষুণৰ কাঁড়বোৰ
মিহি আলিবাটটোৰ উদাসীন বুকুখনত তেতিয়া
পমি গৈছিল।
সীহৰঙী আকাশখনত যেন
পলৰীয়া দেৱতাৰ গৰম নিশাহবোৰ
ওপঙি ফুৰিছিল।"

তেওঁ আৰু কয়—

"আমাৰ এনিমিক কলিজাৰ তেজ
ছোৱালী হোষ্টেলৰ পৰ্দাবোৰতকৈও পাতল—"

চিৰাচৰিত বিশ্বাসৰ উপমা লুটিয়াই দি তেওঁ কয়—

"মঙ্গেশকাৰকণ্ঠী কুলিবোৰ উতলা হৈ পৰিছিল
মহুৱা বনৰ সুৰভিত।"

'মাতালৰ মুখৰ দৰে সূৰ্য্য' অথবা 'টাইপিষ্টৰ আঙুলিৰ দৰে সিঁচৰতি হৈ পৰা সূৰ্য্য' আদি শব্দবোৰ তেওঁৰ ৰচনাৰীতিৰ বৈচিত্ৰ্যৰ উদাহৰণ। দুটি এটি অত্যাধুনিক আৰু জটিল শব্দৰ প্ৰয়োগে তেওঁৰ কবিতাত এটা চমকৰ সৃষ্টি কৰে। "নিৰ্জনতাৰ প্ৰতি থকা নিবিড় ভালপোৱা তেখেতৰ প্ৰত্যেক কবিতাত সহজে চকুত পৰে। অৱচেতন মনৰ গতিয়েই তেখেতৰ ছন্দবো সাৱলীল গতি। সেইবাবে তেখেতৰ কবিতাত আছে এক ঐন্দ্ৰজালিক আবেশ।"[১]

## ৬.২.৫ নীলমণি ফুকন ঃ

সাম্প্ৰতিক কালৰ অন্যতম এটি নাম নীলমণি ফুকন। বুদ্ধিদীপ্ত চিত্ৰময় ৰচনা এওঁৰ কবিতাৰ বৈশিষ্ট্য। ফুকনৰ কবিতাত "ৰিণিকি ৰিণিকি শুনা যায় নিৰ্জ্জনাতীত জগতৰ আহ্বান।" কিন্তু এই আহ্বান প্ৰতীকি ভাষাৰে ভৰপূৰ বাবে সকলো ক্ষেত্ৰতে সকলো পাঠকৰ বাবে সহজ বোধগম্য নহয়। তেওঁৰ চিত্ৰ

১। মহেন্দ্ৰ বৰা, মুখবন্ধ, 'নতুন কবিতা'

নির্মাণৰ ক্ষমতাৰ বাবে কবিতাবোৰত এটা প্ৰাণময়তা লক্ষ্য কৰা যায়।

ফুকনৰ কবিতাৰ অধ্যয়নৰ বাবে ফৰাচী প্ৰতীকি কাব্যৰ জ্ঞানৰ প্ৰয়োজন বুলি কোৱা হয়, লগতে প্ৰয়োজন জাপানী কবিতাৰ এটি ধাৰণা। অতি আধুনিক মনত সোমাই থকা জটিল আৰু আয়াসলব্ধ চিত্ৰ নিৰ্মাণ তেওঁৰ কবিতাত দেখা যায়। ব্যঞ্জনাৰে ভৰা তেওঁৰ প্ৰকাশৰীতিত শব্দৰে অঁকা ৰং-ৰূপময় ছবি ফুটি উঠিছে।

ফুকনৰ কবিতা যেতিয়া চিন্তাৰ জগত পাৰহৈ হৃদয়লৈ সোমাই আহে, তেতিয়া এক মসৃণ কলা-চেতনাৰ আৱেশ অনুভূত হয়। তেওঁৰ কবিতা এজন আত্মমগন কবিৰ প্ৰাণৰ কথা। তেওঁ কয়—

"হেমন্ত-নিৰ্জন এই জাপানী বেচমৰ ৰাতি
মই মৰি যোৱা হ'লে
তোমাৰ হাঁহিৰ দৰে জোনাকীৰ বিচ্ছুৰিত এই
আলোকৰ ক্ষণিক নীলাতে।
তুমিও মৰি যোৱা হ'লে
এই নিৰ্জন নিয়ৰতে
যূথিকা মুকুলৰ দৰে মোৰ এই চুমাৰ চুমাতে।"

এই নিৰ্ভেজাল প্ৰেমৰ কবিতাই তেওঁৰ কবিতাক সহজ আৰু সবল বুলি প্ৰতীয়মান কৰাব খোজে। কিন্তু ওচৰতে থাপি চাব পাৰি অন্য কবিতাৰ এটুকুৰা—

"পাহৰোৰ উভালি পৰিছে
পানীত যেন
নে সেই বলিয়া দঁতালটোৱে
ঘৰ ভাঙি...
পকৰোৰে হেম্বেলিয়াই
মেলি দিলে নে কি আঙুলিবোৰ তেজসানি"

গতিকে তেওঁৰ কবিতাত চকুত পৰে মিশ্ৰিত এক প্ৰকাশৰীতি, সহজে-জটিলে মিলি বিচিত্ৰ।

কাব্যচৰ্চাৰ প্ৰথমৰ ফালে ৰোমাণ্টিক-অভিব্যক্তিবাদৰ প্ৰকাশ পালেও পিছলৈ তেওঁ প্ৰতীকবাদৰ প্ৰতি আকৃষ্ট হৈছিল। গতিকে কবিতাৰ মাজত প্ৰতীকৰ বাহুল্য থাকিলেও ৰোমাণ্টিক এক আভাস সম্পূৰ্ণভাৱে বিলুপ্ত হৈ যোৱা নাই। তেওঁৰ প্ৰেমৰ কবিতাবোৰত ভাৱঘন স্তৱকৰ মাজত জাপানী কবিতাৰদৰে কম কথাতে জিলিকি উঠে। তাৰে এটি উদাহৰণ—

"গোটেই আহিনমহীয়া ৰাতিটো
ইন্দ্ৰমালতী ফুলবোৰে কান্দি আছিল
উঠি সৈ দেখিলোঁগৈ'
গাঁৱৰ এটা গোধূলিৰ দৰে
তোমাৰ হাঁহিটো
তমাল জোপাত ওলমি আছে।"

নৈসৰ্গিক চিত্ৰ হিচাপেও কবিতাটো সুন্দৰ।

'স্বপ্নবাসৱদত্তা' নামৰ কবিতাটোত কবিৰ ভিতৰৰ আদিম মানৱজনে প্ৰকাশৰ বাট বিচাৰিছে। জ্ঞান, ক্লান্তি আৰু প্ৰণয়ৰ বাসনাৰে ভৰা মানুহৰ মনত এটি স্বপ্ন চিৰকাল শুই থাকে। পোৱা-নোপোৱাৰ সকলো হিচাপ একাষে থৈ সেই সপোনত মাথোন সঁচা হৈ উঠে 'সীমাহীন কোনো এক অন্ধকাৰ উত্তাল সমুদ্ৰৰ' তৃষ্ণা। কবিৰ হৃদয়ৰ আকূতি ভৰা কবিতাটিত যেন শুনা যায় জীৱনানন্দৰ এটি দূৰণিবটীয়া প্ৰতিধ্বনি—

"ভাৰতৰ প্ৰশান্তৰ আৰবৰ বন্দৰ, সাগৰৰ পাৰে পাৰে
বিচাৰি বিচাৰি ভাগৰি পালোঁ তোমাৰ ক'ত ঘৰ, ক'ত সেই
তোমাৰ চুলিৰ ৰাতিৰ আকাশ; ফুল আৰু মৌ অশোকবনৰ।

'এটি হৰিণা পোৱালি' কবিতাত আছে—

"শাল, তাল, হিজল আৰু মল্লিকা ফুলেৰে ভৰা
এই অৰণ্যত এতিয়া চম্পক ফুলৰ ৰাতি
মই আৰু এটি হৰিণা পোৱালি ফুটুকাফুটুকী।"

সকলোতে এক দূৰ অৰণ্যৰ ঘ্ৰাণৰ দৰে অস্পষ্ট প্ৰেমৰ স্বপ্ন তেওঁৰ কিছুমান কবিতাত ধৰা পৰে।

প্ৰায়বোৰ প্ৰতীকি কবিতাৰ দৰে নীলমণি ফুকনৰ কবিতাবোৰত উপকৰণ ৰূপত এটা কাঠিন্য বৰ্তমান। সেই কাঠিন্য অতিক্ৰম কৰিলে দেখা যায় যে তেওঁৰ কবিতাত অনন্তৰ লগত সংযুক্ত মানৱ জীৱনৰ ৰূপ, সমাজ-চেতনাৰ পৰোক্ষ ইংগিত আৰু জীৱনৰ অশুভ দিশটোৰ উল্লেখো আছে। সকলোতকৈ মুৰ তুলি উঠিছে তেওঁৰ ব্যক্তিগত ব্যথা আৰু বেদনাৰ অনুভৱে। সমাজৰ কিছুমান নীতি আৰু প্ৰচলিত ৰূপৰ প্ৰতি তেওঁৰ মনত জগা অনীহা আৰু ক্ষোভৰ ইংগিত পোৱা যায় দুই এটা কবিতাত। তাৰে এটুকুৰা—

"মাজ ৰাতিখন কোনে বিৰিঙিয়াই
বৰকাঁহত কোবায়
সাৰে আছ নে হঁত অ'
আছনে হঁত সাৰে
মেটেকাফুলৰ তলৰ পৰা মইহে
তহঁতৰ জোঁটাই"

তেওঁৰ অনুভৱত ধৰা পৰে "হাড়মূৰ আধাপোৰা ভঙা ইটা ভঙা শিল" ভৰা মৰিশালীৰ দৰে ভয়াবহ কৰুণ সময়। তেওঁ শুনে "ডেকা-প্ৰাক্তকাইতৰ টোপনি ভঙা ৰাতিৰ দুপৰত" কণাংগনৰ গান। বতাহৰ মাত আৰু ফেউৰাৰ মাতেৰে ভৰা নিজান নিশাত কবিৰ হৃদয় অজস্ৰ বিচিত্ৰ অনুভৱত শিয়ৰি উঠে। বুকুৰো বুকুত গভীৰ নিঃসংগতা আৰু অস্থিৰ সময়ৰ যন্ত্ৰণাত কবিৰ হৃদয় থৌকি-বাথৌ। তেওঁ অনুভৱ কৰে মহান মানৱৰ একৰূপ ৰূপে নিজৰ অস্তিত্ব—

"অনন্তশায়ী জীৱনৰ
নাভি কমলত
মোৰ তেজৰ জন্ম"

দিঠকৰ পৃথিৱীৰ প্ৰতি তেওঁৰ আস্থা চকুত নপৰে। নিজে গঢ়িলোৱা এখন নিৰ্জন পৃথিৱীত তেওঁৰ বাস। তাত তেওঁ বেদনাকে লিৰিকি-বিদাৰি আশা আৰু অপেক্ষাৰ অমৃত মন্থনৰ যত্ন কৰে। তেওঁৰ মতে প্ৰতিজন মানুহৰে ভিতৰত নিৰ্জনতাৰ বাবে এক আকুলতা আছে, কাৰণ মানুহ সদায়েই নিঃসংগ। হাজাৰ জনৰ মাজত থাকিও নিঃসংগতাবোধৰ এই ৰহস্য কি, কবিয়ে বুজি নাপায়। অথচ নিৰ্জনতাৰ তৃষা কোনোদিনে তেওঁৰ পলোৱা নাই, মানুহ আৰু মানুহৰ হৃদয়ৰ এই নিঃসংগতাৰ কথা তেওঁ কৈছে—

"শব্দৰ শংখ সেই ৰহস্য
নিৰ্জন আৰ্তি সেই ৰহস্য
অহৰহ মই সেই আৱহমান ৰহস্যৰ অনুসন্ধান কৰোঁ।

ফুকনৰ মানস চিত্ৰসমূহ মনোমোহা। কেতিয়াবা অত্যাধিক কৌশলপূৰ্ণ হোৱাৰ বাবে দুৰ্বোধ্য হৈ পৰিলেও সাধাৰণতে এইবোৰ মনোমোহা। যেনে—

"জোণ্ডা এটা শিলত পৰি
চীনা মাটিৰ প্লেটৰ দৰে ফাগুনৰ জোন
ভাঙি যোৱা দেখি
কেনেকৈ
চৰাইবোৰে কান্দে।

* * *

তোমাৰ তিতা চুলিকোচাৰ আগেৰে মই
টোপ্ টোপ্ কৈ পৰোঁ

* * *

জন্‌জনাই যায় কাঁহৰ বাটিত
মোৰ হালধিবটা ৰাতি"

অসংখ্য প্ৰতীক তেওঁৰ কবিতাত সিঁচৰতি হৈ আছে। অসমীয়া কবিতাত নীলমণি ফুকনৰ কবিতাতেই বোধকৰো প্ৰতীকৰ বেছি প্ৰয়োগ হৈছে। তেওঁৰ

কবিতা বুজি পাবৰ বাবে পাঠকৰ যথেষ্ট অধ্যয়নলব্ধ জ্ঞানৰ প্ৰয়োজন হয়। সেয়ে নহ'লে খোজে খোজে বিপথে যোৱাৰ ভয়। ফৰাচী আৰু জাপানী কবিতাৰ বিষয়ে খুব কমকৈ হ'লেও যে অসমীয়া পাঠকে কিবা এটা জানে, বা জানিবলৈ আগ্ৰহ কৰে তাৰ মূলতে হ'ল নীলমণি ফুকনৰ কবিতা। আধুনিক অসমীয়া কবিতাৰ জটিলতৰ ৰূপটো নীলমণি ফুকনৰ কবিতাতে পোৱা যায়। তেওঁৰ কবিতাৰ পাঠক নিতান্তই সহৃদয় হোৱা আৱশ্যক।

## ৬.২.৬ ৰাম গগৈ ঃ

ৰাম গগৈৰ কবিতা নিজা বিশ্বাস আৰু শক্তিৰে সম-সাময়িক কবিতাখিনিৰ মাজত স্বতন্ত্ৰ হৈ জিলিকি আছে। তেওঁৰ কবিতাৰ সুৰত বিপ্লৱৰ আহ্বান আছে। আছে 'সৰু মানুহলৈ' সহানুভূতি আৰু নতুন দিনৰ বাবে সবল আশা। নতুন কবিতাৰ প্ৰতীকি ভাবাক্ৰান্ত ব্যঞ্জনাময় কবিতাবোৰৰ মাজত ৰাম গগৈৰ কবিতা পৌৰুষৰ দীপ্তিৰে সুঠাম আৰু সুন্দৰ।

ৰাম গগৈৰ কবিতা কল্পনাৰে ৰঙীন নহয়। মাটিৰ বুকুৰ সম্পদ বুটলি তেওঁ উকা ভাৱেই কবিতাত ৰূপ দিছে। ফলত তেওঁৰ ব্যক্তিগত আদৰ্শ আৰু চিন্তা ধাৰাৰ যথাযথ ৰূপ এইবোৰত ফুটি উঠা দেখা যায়। মানুহ তেওঁৰ কবিতাৰ প্ৰধান বিষয়। এই মানুহৰ সম্ভাৱনা অসীম। অথচ মানুহৰে সকলো শুভ সম্ভাৱনা ব্যয় কৰা হৈছে ধ্বংস আৰু হিংসাৰ প্ৰচেষ্টাত। 'এটম্ বোমা' নামৰ কবিতাটোত তেওঁ অনুভৱ কৰিছে মানুহৰ বহু বছৰৰ তপস্যাৰ ফলত জন্ম হোৱা এক মহান আৱিষ্কাৰৰ কু-প্ৰয়োগৰ ভয়াবহতা। চিন্তা আৰু মেধাৰে মানুহে বহুপথ অতিক্ৰম কৰিছে। মানুহ এতিয়া অমিত শক্তিৰ গৰাকী। এই শক্তিক কোন পথে পৰিচালনা কৰিব, তাতে নিৰ্ভৰ কৰিব মানৱ জাতিৰ ভৱিষ্যত। বিজ্ঞানৰ মাজত সৎ আৰু অসৎ দুয়োটা শক্তিৰে প্ৰকাশ আছে। এদল অমানুহৰ হাতত বিজ্ঞান মাথোন ধ্বংসৰ আহিলা—

"হিৰোচিমা নাগাচাকি আৰু সাধাৰণ মানুহৰ জীৱনত
তোমাৰ প্ৰতিক্ৰিয়া। অদ্ভুত আৰু বিকৃত
অনাগত দিনৰ ইতিহাস
অন্ধকাৰ হেজাৰ ৰাতিৰ।"

যুগে যুগে মানুহে যাত্ৰা কৰে নতুন দিনৰ ফালে। এক নতুন সৃষ্টিৰ সন্ধানত। যদিও কিছুমান মানুহৰ বাবে শক্তি হ'ল ধ্বংসৰ আহিলা, তথাপিও অনাগত শুভ দিনৰ বাবে বাট চোৱা জনতাই ইয়াৰ মাজত পায় আশাৰ বাণী—

"কোটি কোটি মাতৃৰ গৰ্ভত থকা কেঁচুৱাবোৰে
তোমাক চিঞৰি কয়
নতুন যুগৰ বাণী"

যন্ত্ৰণাৰ বিষ পান কৰি নীলকণ্ঠ হৈ পৰা মানুহে, মানুহৰ মাজতে সন্ধান কৰে শুভ এক শক্তিৰ।

সমাজ-ব্যৱস্থাৰ মাজত থকা বিভাজনে কবিক ভবাই তুলিছে আৰু খঙো উঠাইছে। তেওঁৰ চকুত পৰে দেশ সেৱকৰ মুখা পিন্ধা ভণ্ড ৰাজনীতিকৰ চলনাৰ বলি হোৱা অজলা জনসাধাৰণৰ বেদনা। ধনী বেপাৰীৰ অত্যাচাৰত কঁকাল ভগা বাইজ, নিৰাশাৰ আন্ধাৰত লক্ষ্য হেৰুওৱা কুৰি বছৰীয়া চফল ডেকা আৰু দিনে দিনে বাঢ়ি অহা আমোলাতন্ত্ৰৰ ভয়লগা বিষদাঁত। এনে পৰিস্থিতিত মানুহক ৰক্ষা কৰিব পাৰিব সন্মিলিত মানৱৰ প্ৰচেষ্টা আৰু প্ৰতিবাদেহে। সেয়েহে কবিৰ আহ্বান—

"হে নীলকণ্ঠ ৰুদ্ৰ জনতা,
স্বৰূপ ধৰা। তৃতীয় নয়ন খোলা।
জ্বলাই দিয়া, জ্বলাই দিয়া।"

ৰাম গগৈৰ কবিতাৰ মাজত আগত দিনৰ বিশাল সম্ভাৱনাৰ প্ৰতি এক আশাভৰা অপেক্ষাৰ ভাব দেখা যায়। 'পথাৰ' তেওঁৰ এক শক্তিশালী ৰচনা। এইটি কবিতাৰ মাজত শ্ৰমজীৱি মানুহৰ প্ৰতি গভীৰ আস্থাৰ ভাব ফুটি উঠিছে। কপালৰ ঘাম লাগি সেউজীয়া হোৱা পথাৰ হ'ল মানুহৰ জীৱন-স্পৃহাৰ এক নিদৰ্শন। পথাৰৰ মাজতে আছে মানুহৰ সৃষ্টিৰ সপোন। এই সপোন পূৰাৰৰ বাবে থকা মানুহৰ হেঁপাহ হ'ল—

"আদিমতম প্ৰভাতৰ মানুহৰ ইতিহাস
আৰু সভ্যতাৰ স্তৰে স্তৰে একোটা নিৰ্ণয় সূত্ৰ
মৃতম্লান কৃষকৰ সাধনা কঠোৰ;"

কৃষকৰ জীৱন আশা আৰু আশাভংগৰ দোমোজাৰ জীৱন। সেউজীয়া পথাৰৰ ভৰপূৰ বুকুত তেওঁলোকৰ আশাই গজালি মেলে, কিন্তু তাক ধ্বংস কৰি পেলায় বানপানীৰ দৰে প্ৰাকৃতিক দুৰ্যোগে আৰু মহাজনী অৰ্থনীতিৰ জটিল চক্ৰান্তই। কিন্তু সহ্যৰো এটা সীমা আছে। জাগি উঠে কৃষক জনতা। বিদ্ৰোহৰ জাগৰণত দলে দলে ওলাই আহে মহাশক্তিৰ নতুন সমদল। "সংগ্ৰামৰ পথাৰত শ্ৰমজীৱি মানুহৰ তেজেৰঙা ইতিহাস" পঢ়ি সময় সাৰ পাই উঠে।

"হাল, কোৰ, দা নতুন যুগৰ অভিযাত্ৰী শ্ৰমিক কৃষক
পলাতক উদ্বাস্তু মহাজন, পুঁজিপতি, সমস্ত শোষক ঃ
বানপানী পাৰ ভাঙি আৰু আঁহিব নোৱাৰে।
সেউজীয়া প্ৰাণৰ পথাৰ
সোণালী ৰূপালী হয় ঃ বাকৰিত সোণ গুটি লাগে"

সৃষ্টি সম্ভৱা বিপুল পথাৰক নমস্কাৰ কৰা কবিৰ মনত প্ৰশ্ন জাগে, আশা-নিৰাশাৰে ভৰা সাধাৰণ মানুহৰ পূৰ্ণতাৰ স্বপ্ন কেতিয়াবা পূৰণ হ'বনে! 'আশা' নামৰ কবিতাটোত তেওঁ কৈছে—

"ভাগি যায়, এই ভাগি যাব
আমাৰ শতেক স্বপ্ন
অনাগত কত বেদনাৰ ধূমুহাত
নিৰ্ব্বাক, নিস্পন্দ আমি
অথবা অবাক।
আমাৰ আত্মাৰ গানে পাৰিব নে
জগাই তুলিব
হে পৃথিৱী, বাসৱদত্তা
তোমাৰ সত্তাক।"

কবিৰ জীৱন সম্পৰ্কে ধাৰণা বৈশিষ্ট্যযুক্ত। জীৱন তেওঁৰ বাবে এক যন্ত্ৰণা। এই যন্ত্ৰণা বিষাদিত বিলাসৰ প্ৰকাশ নহয়। তেওঁ অনুভৱ কৰে—

"মোৰ কলিজাত, তোমাৰ কামিহাড়ত
মোৰ নিৰন্ন বন্ধু আৰু সকলো সহকৰ্মীৰ
বুকুত, তেজত, ধমনীত যন্ত্ৰণা।"

আঘাত আৰু প্ৰত্যাঘাতেৰে ভৰা সাধাৰণ মানুহৰ জীৱনটো যেন যন্ত্ৰণাৰ নামান্তৰ।

তেওঁৰ কবিতাত বৰ গোপনে এক দুখবোধ শুই থাকে। নিজৰ বাবেই তেওঁ নিজে কান্দে, কান্দে নিজৰ অক্ষমতাৰ বাবে। তেওঁৰ ভিতৰৰ মানুহজন হাজাৰ ভুলৰ মাজত মূৰ তুলি উঠিবলৈ বিচৰা এক অসহায় সত্তা—

"ধনলোভ ক্ষমতাৰ অসুৰ পূজাৰ
নিষ্ঠুৰ যুপকাষ্ঠত বলিৰ সামগ্ৰী
এক সাধাৰণ ভাৰতীয়"

তেওঁৰ কামনা জতুগৃহৰ দুৱাৰ ভাঙি মুক্ত হোৱাৰ, নিজৰ ৰক্ত-প্ৰবাহত প্ৰজ্বলিত জুইৰে সেই জতুগৃহ জ্বলাই পেলোৱাৰ। সমগ্ৰ বিশ্বৰ নিপীড়িত জনতাৰ প্ৰতি সহানুভূতি তেওঁৰ কবিতাত দেখা যায়। তেওঁৰ বুকুত ঠেকা খায় মেকঙৰ অৰণ্যৰ, জাকাৰ্টাৰ ৰাজপথৰ আৰু কংগোৰ সমৰক্ষেত্ৰৰ সকলো বিদ্ৰোহী জনতাৰ প্ৰতিবাদী কণ্ঠস্বৰ। তেওঁ অনুভৱ কৰে—

"সৰু সৰু গুৰি পৰুৱাই মাউখে উটিলে
বোঁৱতী দুৰন্ত নদীও পাৰ হয়।"

গতিকে "সহকৰ্মীৰ বুকুৰ তেজেৰে সিক্ত পতাকাবোৰ" হাতত লৈ নতুন প্ৰভাতৰ ফালে চাবলৈ মানুহক তেওঁ উৎসাহিত কৰিছে।

ৰাম গগৈৰ কবিতাত প্ৰেম আৰু বেদনাৰ ইতিহাস আছে। কিন্তু সেই প্ৰেম হ'ল টকাৰে কিনিব পৰা কোনো নাৰীৰ যান্ত্ৰিক প্ৰেম। জীৱিকাৰ বাবে প্ৰেম বিলাই শেষ ৰাতি অকলে উচুপি উঠা সেই নাৰীলৈ কবিৰ সহানুভূতি আছে। তেওঁৰ সহানুভূতি আছে প্ৰেমৰ বাবে সমাজৰ অনুশাসনৰ বলি হ'ব লগা সাধাৰণ

যুৱক-যুৱতীলৈ। কিছুমান কবিতাত কবিৰ মাজৰ সৌন্দৰ্য পিয়াসী মনটোৰ পৰিচয় পোৱা যায়। তেওঁ কয়—

"এদিন শাৰদী ৰাতি আকৌ দেখিলো
কেঁচা হালধীয়া ৰং এটি জোন
আকাশত ওলমি আছিল"

তেওঁৰ প্ৰাণত জাগি উঠে এটি আকৃতি—

"মোৰ হৃদয় ডাৱৰ ডাৱৰ হৈ
বৰষুণ আহিব কেতিয়া!"

ৰাম গগৈৰ কবিতাৰ ভিতৰত এটি মহৎ সৃষ্টি হ'ল 'মই পৃথিৱীৰ কবি' নামৰ কবিতাটো। মানুহৰ প্ৰকৃত বিবেকৰ প্ৰতীক কবি আৰু চিৰন্তন শক্তিৰ প্ৰতীক সূৰ্যক ইয়াত নতুন ৰূপত দাঙি ধৰা হৈছে। কবি হ'ল সত্য দ্ৰষ্টা। তেওঁ চিৰকাল জাগি থাকে সকলো অন্যায়, অত্যাচাৰ আৰু ভয়াবহতাৰ মাজত। দুখ-বেদনা-প্ৰতিবাদৰ ভাষাৰ মাজত কবিৰ কণ্ঠস্বৰে প্ৰাণ পায়। তেওঁ দুখীজনৰ চকুপানীত আৰু প্ৰৱাহিত ৰক্তত এক হৈ মিলি থাকে। কাৰণ তেওঁৰে ভাষাত—

"মই মানুহৰ কবি
মই পৃথিৱীৰ অমৰ সন্তান।"

## ৬.২.৭ হীৰেন ভট্টাচাৰ্য ঃ

অসমীয়া নতুন কবিতাৰ জগতত এছাটি কোমল বতাহৰ দৰে ভট্টাচাৰ্যৰ কবিতা। নতুন যৌৱনৰ বাবে এইবোৰ উন্মাদনা স্বৰূপ। বেছি কথা নোকোৱাকৈ বহুত বুজাব পৰা কবিতাৰ দুৰ্লভ গুণটি এওঁৰ কবিতাত জিলিকি আছে। সেয়েহে হীৰেন ভট্টাচাৰ্যৰ কবিতাৰ পাঠকৰ সংখ্যা বেছি।

প্ৰেম, দেশপ্ৰেম, বিদ্ৰোহী চেতনা আৰু এক নিৰ্জনতা প্ৰিয় হিয়াৰ গোপন বাতৰি কবিতাবোৰত জিলিকি আছে। কবিতাবোৰ মিতবাক। জাপানী হাইকুৰ দৰে কম পৰিসৰতে চমক দিব পৰা আৰু উৰ্দু চায়েৰীৰ দৰে মিঠা আমেজ দিব পৰা বিধৰ। প্ৰেমৰ বিষয়ে তেওঁৰ অসাধাৰণ উক্তি ( "প্ৰেম চাগে'এনেকুৱাই আৱৰণ খুলি হৃদয় জুৰায় ") ইতিমধ্যেই নতুন পুৰুষৰ মাজত জনপ্ৰিয়। তেওঁৰ স্তৱকৰ মাজত প্ৰেমৰ আৰু কিছুমান মনোৰম সংজ্ঞা পোৱা যায়—

"মোৰ অনুভৱে অনুভৱে
তোমাৰ প্ৰেমৰ গুণগুণ শব্দ
এনেকৈ ৰু-ৰুৱাই জ্বলে
যে তাৰ ছাই ভৰি পৰে
মোৰ বুকুৰ ভিতৰে বাহিৰে।
সম্ভৱতঃ তোমাৰ প্ৰগলভ প্ৰেমে
মোক ছাই কৰি পুৰি নিব ক্ৰমে॥"

প্ৰেম এক একান্তৰ অনুভৱ। বুকুৰ মাজত অকলেই তাৰ অহা-যোৱা। কবিয়ে সেয়েহে কয়—

"প্ৰেমৰ কথাতো আৰু আনক ক'ব নোৱাৰি!
নিঃশ্বাসৰ দৰে নিঃশব্দে ই যেন বিচাৰি ফুৰে
শব্দ, বৰ্ণ আৰু পোহৰৰ উৎস।"

প্ৰেমৰ লগত মিহলি হৈ থাকে বিষাদ আৰু নিঃসংগতা। হীৰেন ভট্টৰ কবিতাত এই দুয়োটাৰে প্ৰকাশ আছে। তেওঁৰ কবিতাত স্বদেশ-চেতনা প্ৰগতিবাদী ধাৰণাৰে সমৃদ্ধ। তেওঁৰ বিদ্ৰোহী মনৰ প্ৰকাশ কবিতাবোৰত তেজাল আৰু প্ৰাণ-পৰশা। কবিৰ চকুত পৰে এফালে শোভাময় পৃথিৱীৰ অনুপম ৰূপৰ অজস্ৰ কবিতা কবিতা লগা সম্পদ। আনফালে এসাজ ভাত আৰু এডুখৰি কাপোৰৰ বাবে হাহাকাৰ কৰি থকা দুখীয়া জনতাৰ যন্ত্ৰণা। কবিতা লিখিবলৈ লৈ নিজকে তেওঁ প্ৰশ্ন কৰে—

"কাৰ কাৰণে কবিতা, সূৰ্যৰ শুদ্ধতা? সমুখৰ বাট জ্বলক তৰক,
বাওঁহাতৰ টিপত মৰে কুশীলব, জননীৰ বুকুত কাল যমুনা। কাৰ
কাৰণে কবিতা, সূৰ্যৰ তেজস্বিতা? শ্বহীদৰ হাড়
শিয়াল-কুকুৰৰ ভোজ, স্বাধীনতাৰ বিপন্ন মুখ, চমৎকাৰ
হা-হা ভাতৰ চিন্তা।"

এটা কবিতাৰ কাৰণে "ফুল গুৰিৰ পৰা তেভাগা-তেলেংগানা বিস্ময়কৰ বহুতো সময়" বুটলি লৈ কবিয়ে মানুহৰ সঁচা ৰূপৰ অধ্যয়ন কৰে। সাধাৰণ মানুহৰ নিৰ্যাতিত জীৱনৰ তুলনাত 'মহাজনী চক্ৰান্ত' আৰু 'বেশ্যান্তৰিত শাসক'ৰ ছলনাৰ ৰাজনীতি নিৰ্লজ্জভাৱে জিলিকি উঠে। দেশৰ বাবে নিজকে নিঃশেষ কৰি দিবলৈ সাজু হৈ আছে কবিৰ প্ৰাণ। কাৰণ—

"দেশ বুলি ক'লে আদেশ নালাগে।"

তদুপৰি তেওঁৰ আছে দেশ-কাল নিকা কৰাৰ বাবে এক উগ্ৰ প্ৰস্তুতি। তেওঁ কৈ উঠে ইংগিতময় ভাষাৰে—

"মোৰ হাতৰ কাঁচিখনলৈ চালেই গম পাবা
কাৰ ডিঙিৰ জোখেৰে গঢ়িছো"

কবিতা তেওঁৰ হাতৰ আহিলা। বুকুৰ জুইসুৰীয়া ভাষাৰ প্ৰকাশৰ বাবে তেওঁ বাছি লয় শাণত দিয়া শব্দ। তেওঁ কয়—

"মোৰ শব্দৰ শোভাযাত্ৰা হওক, ক্ৰুৰ-কুটিল ৰাতিৰ
প্ৰহৰী হওক
তিৰ্বিৰাই থাকক বিক্ষোভৰ চোকা তৰোৱাল,
টলমল শব্দৰ
উচ্ছ্বসিত তেজৰ প্ৰবাহে প্ৰবাহে।"

যেতিয়া জীৱন ভৰি উঠে ক্ৰোধৰ নিশাহেৰে, বুকুত পুঞ্জীভূত হৈ উঠে বিদ্ৰোহৰ

মেঘ, তেতিয়া সেই খং মিহলি বিদ্রোহৰ চেতনাই ৰূপ পায় তেওঁৰ কবিতাত—

"বতৰ খৰাং বৰ।
ভমক কৰে বতাহত জ্বলি উঠিল
মোৰ উশাহ তলৰ গোপন খাৰঘৰ
একলম চিয়াঁহীৰ শুকান কবিতা।"

কিন্তু কবিতা তেওঁৰ বাবে কেৱল বিদ্ৰোহী-চেতনা প্ৰকাশৰ মাধ্যমেই নহয়, হিয়া শীতল কৰা আহিলাও। বুকুৰ দেশৰ কৰুণ-কোমল অনুভৱ প্ৰকাশৰ বাবে কবিতা তেওঁৰ দুখৰ দিনৰ লগৰী। তেওঁৰে কথাত—

"ভগা কলিজাত কোনে বিনাই
কবিতা মোৰ দুখৰ দিনৰ
এপাহ খৰিকাজাই"

এক উদাসী বিষণ্ণতাবোধে তেওঁৰ কবিতাত স্বকীয়তা দান কৰিছে। প্ৰায়বোৰ কবিতাতে আঁছে দুখৰ অভিষেক। তেওঁ নিজেই কয়—

"কামিজৰ সিয়নিত দুখ, দুখৰ স্তুতি,
মোৰ গাত হাত থলেই পাবা হীৰেন নামৰ কবি
পদচাৰী নদীৰ সোঁতত উতলা দুখৰ অনুভূতি।"

'দুখৰ মাটিত' শুই থকা কবিয়ে শিতানত সপোনৰ সাঁচাৰ-কাঠি লৈ অনাগত দিনৰ বাবে বাট চায়। পৃথিৱীক তেওঁ ভাল পায় প্ৰাণভৰি। প্ৰকৃতিৰ লাৱণ্যৰে ভৰা সুষমাময়ী পৃথিৱীৰ জোন, তৰা, নদী, শেৱালি আদি সমস্ত হৃদয়েৰে অনুভৱ কৰি তেওঁৰ কবিতা যেন মাজে মাজে মতলীয়া হৈ উঠে। কবিতাৰ মাজত জিলিকি উঠে এজন বৰাগী কবি, যাৰ প্ৰাণত আছে তিলতিলকৈ মাটিৰ সুষমা বুটলি লোৱাৰ গভীৰ তৃষ্ণা। তেওঁৰ কবিতা কিছুমান মনোৰম চিত্ৰৰে সুশোভিত। এই চিত্ৰসমূহ ক্ষুদ্ৰ মুকুতাৰ দৰে উজ্জ্বল। এশাৰী বা দুশাৰী কবিতাতো তেওঁ গভীৰ তাৎপৰ্যপূৰ্ণ ভাৱধাৰা প্ৰকাশ কৰিব পাৰে। তাৰে অনুপম এক উদাহৰণ–

"মৃত্যুওটো এক শিল্প
জীৱনৰ শিলত কটা
নিৰ্লোভ ভাস্কৰ্য"

হীৰেন ভট্টাচাৰ্যৰ কবিতাৰ মাজত সাংগীতিক লয় এটি প্ৰকট হৈ থাকে। দৰাচলতে বহুত কবিতা তেওঁৰ গীত আৰু কবিতাৰ দোমোজাৰ বস্তু। তেওঁৰ ভিতৰত গান ভালপোৱা মানুহ এজন থকাৰ কথা কবিতাবোৰেই কয়।

অনায়াসে লব্ধ শব্দৰ সহযোগত স্বচ্ছন্দ প্ৰৱাহী কবিতাই হ'ল হীৰেন ভট্টাচাৰ্যৰ বিশেষত্ব। সহজ প্ৰেম আৰু সংযত বিদ্ৰোহী চেতনাৰ সংযত আৰু কলাসুলভ প্ৰকাশৰ বাবে হীৰেন ভট্টাচাৰ্যৰ কবিতা অসমীয়া সাহিত্যত নিজা মহিমাৰে প্ৰতিষ্ঠিত।

# ৬.৩ সাম্প্ৰতিক অসমীয়া কবিতা ঃ

সাম্প্ৰতিক অসমীয়া কবিতা কিছুকালৰ স্থবিৰতাৰ পিছত পুনৰ সচল, গতিশীল আৰু জনপ্ৰিয় হৈ উঠিছে। বৌদ্ধিক স্তৰৰ বৰ বেছি জটিল প্ৰক্ৰিয়ালৈ নোযোৱাকৈ সাধাৰণ পাঠকৰ আয়ত্তৰ ভিতৰতে থকা কৌশলেৰে কবিতাবোৰ নিৰ্মিত হৈছে। এইবোৰৰ প্ৰকাশৰীতি ইয়াৰ আগৰকালৰ কবিতাখিনিতকৈ বহুত সৰল, অথচ সৌন্দৰ্যৰ ফালৰ পৰাও এইবোৰৰ মূল্য কম নহয়। পাঠকৰ ওচৰ চাপিবপৰাৰ ক্ষমতা আহৰণ কৰাৰ বাবে এইবোৰৰ মূল্য কিছুক্ষেত্ৰত বেছিহে।

সাম্প্ৰতিক কালৰ কবিতাৰ জনপ্ৰিয়তাৰ বতাহ বলিবলৈ ধৰে সনন্ত তাঁতি আৰু সমীৰ তাঁতিৰ কবিতাৰ পৰা, সনন্ত তাঁতিৰ কবিতাত প্ৰেম, দেশপ্ৰেম আৰু সমাজ-সচেতনতা এটা বিন্দুত অতি মসৃণভাৱে মিলি পৰিছে। সামগ্ৰিকভাৱে তেওঁৰ কবিতা কথা কোৱাৰ ভংগীত ৰচিত, যিটো আগৰ পুৰুষৰ কবিতাত প্ৰায় অনুপস্থিত। এই ভংগী ঘৰুৱা যদিও কবিতাৰ পৃথিৱীত তেনেই নতুন। যেনে—

আপোনাৰ ৰাজকীয় পদশব্দত জাগি উঠে
সমুদ্ৰৰ সমস্ত চেতনা
আপোনাৰ কোমলতাত হেমন্ত সময়
আপোনাৰ স্পৰ্শপালে পুনৰ্বাৰ জাগি উঠে প্ৰেম
পৃথিৱীৰ অন্ধকাৰ ৰাতিৰ কোলাত"

তেওঁৰ সহজ কথাৰ মাজত কেতিয়াবা এক আশাহত তৰুণ মনে ভুমুকি মাৰে। এই হেৰাই যোৱা আশাৰ নাম প্ৰেম অথবা আত্মবিশ্বাস দুয়োটাই হ'ব পাৰে। সময়ৰ নিষ্ঠুৰ নিষ্পেষণত জীৱন-যৌৱন মৃতপ্ৰায় হৈ পৰা হাজাৰ হাজাৰ ব্যথিত তৰুণৰ ভাষা তেওঁৰ মুখেদি প্ৰকাশ পায়, তেওঁ তেতিয়া কয়—

"কালি গোটেই নিশা জুৰিয়েই মই মৰিলোঁ, মোৰ গাৰ চামৰা সলনি হৈ
গ'ল,
এতিয়া গ্ৰীষ্মৰ খৰতাপ সহ্য কৰিব পাৰোঁ। মোৰ হৃদয়ৰ সমস্ত
দুৱাৰ খিৰিকি খুলি গ'ল, এতিয়া মই নিজকে চাব পাৰোঁ।"

বুকুৰ মাজত থকা সপোনৰ সাতমহল ভাঙি যোৱাৰ শব্দত ব্যথিত হ'লেও তেওঁৰ আশা এক নিৰ্বাত দীপৰ দৰে স্থিৰ—

"কালি গোটেই নিশা জুৰি মই তোমাৰ বাবেই মৰিলো।
মৰি চালো
মই আকৌ বাচিব পাৰোঁ।
পোহৰৰ দৰে আচৰিতভাৱে কোনো কোনোদিন।"

নিজৰ মাজত থকা দ্বৈত সত্তাৰ উপলব্ধি কবিসকলৰ বাবে অচিনাকি নহয়।

সনন্ত তাঁতিৰ মনৰ মাজত এজন কবি আছে, আৰু আছে নিজকে অচিনাকি যেন লগা এটা বিশিষ্ট ৰূপ। বৰ্তমানৰ অস্থিৰ বাতাবৰণৰ মাজত নিজৰ মন যেন নিজেই এক প্ৰশ্ন। স্বপ্ন বিক্ষোভ আৰু প্ৰতিবাদৰ মিশ্ৰণত মনৰ দাপোণত নিজৰ মুখৰ ছবি নিজেই চিনা নাযায়। তেনে এক অস্থিৰ অনুভৱৰ ছবি পোৱা যায় সনন্ত তাঁতিৰ 'মোৰ নিজৰ ভিতৰতে যিমান দিন আছিল' নামৰ কবিতাটিত তেওঁ কৈছে—

"শোভাযাত্ৰাবোৰক সুধিছিলোঁ তেওঁক দেখিছেনে
আলোকিত এক বিদ্যুত চমকক সুধিছিলোঁ তেওঁক দেখিছেনে
বন্ধু-বান্ধৱ স্বজন-পৰিজন সকলোকে সুধিছিলোঁ তেওঁক দেখিছেনে
মোৰ নিজৰ ভিতৰতে যিমান দিন আছিল
তিমান দিনেই কোনো কথা নাছিল তিমানদিনেই মই আছিলো নিজৰ ভিতৰতে
নদীৰ ভিতৰতে নদীৰ দৰে"

তেওঁৰ কিছুমান প্ৰকাশৰীতি চমৎকাৰ। গুলিয়াগুলি, বজ্ৰপাত, চাইৰেণৰ শব্দ আদি ভয়াবহতাৰ মাজতে তেওঁ নিজ সৃষ্টিৰ মৌলিকতা এইদৰে দাঙি ধৰে—

"অসীম উৎকণ্ঠাত আৰু অসীম উদ্দীপনাত মোৰ টোপনি নাহিল
চৰম উত্তেজনাত মই ৰাতিটোক কোলাত লৈ বহি থাকিলোঁ
গোটেই ৰাতিটোক মই কোলাত লই জাগি থাকিলোঁ"

সাম্প্ৰতিক কালৰ কোনো কবিয়েই বোধকৰো ৰাজনীতিৰ বিষাক্ত ৰতাহৰ প্ৰতি আওকণীয়া হৈ থাকিব পৰা নাই। দেশ আৰু সমাজৰ দুৰ্দিনৰ প্ৰতি সনন্ত তাঁতিও সজাগ। তেওঁ দেখিছে পুষ্টিহীনতাত ভোগা শিশু, পিতৃৰ আত্মহত্যা। তাতোকৈও ভয়ংকৰভাৱে তেওঁ অনুভৱ কৰিছে মনুষ্যত্ব আৰু শিল্পীসত্তাৰ অপমৃত্যু। শোষণ আৰু জালিয়াতিৰে ভৰা সমাজত তেওঁ দেখিছে—

"বিধ্বস্ত শিল্পী আৰু কবিৰ হৃদয়
সাহিত্যিক আৰু সমালোচকবৃন্দ নাট্য আৰু চিত্ৰাভিনেতা
কলা-সমালোচক সকলৰ হৃদয়ত তীব্ৰ বিষক্ৰিয়া
দুই এজনৰ মৰণাপন্ন অৱস্থা।"

আৰু এজন কবি হ'ল সমীৰ তাঁতি, যাৰ ঘৰুৱা সুৰৰ কথাৰ মাজতে গভীৰ ব্যঞ্জনাভৰা কবিতাৰ ভাষা।

"ধূলি উৰুৱাই গৰু আহিলে গোধূলি
বিষণ্ণ এতিয়া কাৰ পদূলি ?"

অথবা,

"ফুল কুমলীয়া সপোনবোৰ যায় লেৰেলি
এতিয়া কিদৰে জুমি চাওঁ ৰান্ধনী বেলি।"

এনেবোৰ ৰচনাৰ মাজতে সমীৰ তাঁতিৰ কবিতাৰ বক্তব্য। তেওঁৰ কবিতাৰ এক মনোৰম বৈশিষ্ট্য হ'ল সাধাৰণ মানুহৰ মাজত আবিষ্কাৰ কৰা অসাধাৰণ শক্তি আৰু সৌন্দৰ্য। তাৰে উদাহৰণ 'খেতিয়ক' নামৰ কবিতাটো। খেতিয়কৰ দুখ-যন্ত্ৰণা আৰু শ্ৰমেৰে ভৰা জীৱনটো এটা যেন শিল্পীৰ জীৱন। শিল্পীৰ প্ৰাণৰ ভাষা যিদৰে মাটিৰপৰা মেঘলৈ বিয়পি থাকে, সেইদৰে খেতিয়কৰো ভাষা হ'ল তেওঁৰ শস্যক্ষেত্ৰ। মাটি, ৰ'দ, আৰু বতাহত গভীৰভাৱে শুনা যায় তেওঁৰে প্ৰাণৰ স্পন্দন। পৃথিৱীৰ প্ৰাণৰ ভাষা তেওঁ বুজি পায়। তেওঁ চিনি পায় শাওণৰ বুকুৰ মায়া, পুৰঠ বীজৰ স্বপ্ন। আনৰ বাবেই তেওঁৰ জীৱন। কবিৰ ভাষাত—

"উৎসৰ্গিত ওৰেটো জীৱন কেৱল তেওঁ শিল্পী
তেওঁৰ নিজস্ব কোনো জাতি নাই, নিজস্ব কোনো দেশ
তেওঁৰ এই এটাই মাথোঁ ভাষা যি ভাষাত কথা কয়
কোনো শস্যক্ষেত্ৰ, কিংবা মেঘ।"

মেহনতী মানুহক তেওঁ সকীয়াই দিয়ে তেওঁলোকৰ অধিকাৰৰ কথা। সমস্ত পৃথিৱীৰ দিন-ৰাতি, ৰ'দ-বৰষুণ, ফুল আৰু চৰাই, সাহস আৰু প্ৰতাপ সকলো সেই মেহনতী জনৰ বাবেই। কাৰণ তেওঁলোকেই হ'ল সমাজৰ আধাৰ স্তম্ভ, যি স্তম্ভৰ গাত আউজি থাকে বৰমানুহৰ সমাজ। সেই জনতাক কবিয়ে আশ্বাস দি কৈছে—

"সংঘবদ্ধ হৈ তোমালোকে এদিন
কাঢ়ি ল'বা সমস্ত পৃথিৱী, সমস্ত শাসন
ভোগ কৰিবা ইয়াৰ অলংকৃত যৌৱন
ৰঙ আৰু তুলিকাৰে আঁকিবা নতুন জীৱন, মুক্ত জীৱন।"

সমীৰ তাঁতিৰ কবিতাৰ আৰু এটা স্পষ্ট বিষয় হ'ল চাহ মজদুৰ সমাজখনৰ হাঁহি-কান্দোন আৰু স্বপ্ন। এইখন সমাজৰ লগত থকা নিবিড় পৰিচয়ৰ বাবেই তেওঁ প্ৰত্যক্ষ কৰিছে পৰিত্যক্ত বৰ্ণহীন চাহপাতৰ দৰে মজদুৰৰ জৰাজীৰ্ণ জীৱন। সুদূৰৰ পৰা আহি অসমৰ মাটিত সেউজীয়া সোণৰ খেতি কৰা এই নিৰ্জু মানুহখিনিয়ে শ্ৰমৰ বিনিময়ত পায় মাথোন উৎপীড়ন আৰু শোষণ। সিহঁতৰ বেদনা পাহৰাৰ উপায় মাথোন ঝুমুৰ গীতৰ সুৰ আৰু হাড়িয়াৰ বাটী। কিন্তু তাৰ মাজতো নতুন পুৰুষৰ চেতনা জাগিছে। বনুৱাৰ মাজত জাগিছে নতুন দিনৰ সাহসী স্বপ্ন। কবিয়েও সেয়ে কৈ উঠে—

"মোৰ শিৰাই শিৰাই তুফানৰ দৰে গৰ্জি উঠা
নিৰ্ভীক চাহ বাগিছা।"

মানুহক জগাই তুলিবৰ বাবেই তেওঁৰ কলমৰ প্ৰয়োজন। কাৰণ তেওঁ কবি। কবিৰ মুখেদি বিশ্ব-মানৱৰ প্ৰাণৰ ভাষাই কথা কয়। তেওঁৰ মাজেদি সংগ্ৰামী মানুহৰ নিৰ্ভীক আৰু আপোচহীন মনোভাৱ যেতিয়া ফুটি ওলায়, তেতিয়া দোষী আৰু মেৰুদণ্ডহীন শ্ৰেণীটোৱে ভয় খোৱাই স্বাভাৱিক। কবিৰ উপলব্ধি—

"সিহঁতে ভয় কৰে মোৰ কবিতালৈ', মোৰ গানলৈ'
সিহঁতৰ ভয় গৰ্জনমুখৰ মোৰ কণ্ঠস্বৰলৈ'।"

তেওঁৰ চিন্তা-চেতনাক লুইতৰ পাৰভৰা লহৰৰ দৰে বিশ্বৰ বিভিন্ন প্ৰান্তলৈ বিয়পাই দিবৰ বাবে তেওঁৰ অকুণ্ঠ প্ৰচেষ্টা। সমীৰ তাঁতিৰ কবিতা কিছু পৰিমাণে বক্তৃতাধৰ্মী। কাৰণ তেওঁৰ কবিতা তেওঁৰ আদৰ্শ প্ৰচাৰৰ আহিলা। সৰ্বহাৰাৰ প্ৰতি সহানুভূতিৰে লিখা কবিতাবোৰত ক্ষোভ আৰু প্ৰতিবাদৰ উমান পোৱা যায়। কিছুমান গুৰলা শব্দই সহায় নকৰা হ'লে সমীৰ তাঁতিৰ বহুতো কবিতা নিৰস কথাৰ সমষ্টি হৈ পৰিলেহেঁতেন।

সাম্প্ৰতিক কবিতাৰ অনুৰাগী বঢ়োৱাত ৰোহিনী কুমাৰ পাঠকৰ অৱদানো বিশিষ্ট। পাঠকৰ কবিতা কোমল আৰু স্নিগ্ধ গুণেৰে ভৰা। তেওঁৰ কবিতাৰ বিদ্ৰোহৰ সুৰো সংযত আৰু কাব্যিক গুণেৰে ভৰপূৰ। প্ৰেম তেওঁৰ কবিতাৰ মধুৰ বিষয়। উৰ্দু শ্বায়েৰীৰ দৰে কম কথাতে বহুত অৰ্থ প্ৰকাশ কৰি তেওঁ কয়—

"অপেক্ষা, কেৱল অপেক্ষা....
উঃ
কি অসীম যন্ত্ৰণা
মৰণো নাহে তুমিও নাহা।"

অথবা,

"ৰাতি কলিজাটো দুফাল কৰি চালো,
কল কল এখন নদী বুকুৰ মাজত পালো"

পাঠকৰ কবিতাত সাধাৰণতে জীৱনৰ কোমল দিশটোৰ প্ৰতিফলন বেছি মনোৰম। তথাপিও কিছুমান কবিতাত তেওঁৰ তেজাল অনুভৱেও ভালদৰে ভুমুকি মাৰিছে। 'তেজৰ সদায় এটাই ৰঙ' নামৰ কবিতাত তেওঁৰ উক্তি—

"ইতিহাস আকৌ ঘূৰিব।
সিহঁতবোৰে নিষ্পেষণৰ কবৰ উভালি
গছ হৈ
আকৌ গজালি মেলিব
তোমালোকে জানা ?"

শ্ৰমৰ ফলৱতী শক্তিৰ ওপৰত তেওঁৰ আস্থা আছে। সেয়েহে তেওঁ কয়—

"ফুল ফুটক নুফুটক
আমি চহাম বাগিছা।
ক'লা বগা যিয়েই নহক চামৰা
তেজৰ সদায় এটাই ৰঙ
ৰঙা।"

সাম্প্ৰতিক কবিতাৰ অন্য এটি জনপ্ৰিয় নাম বিপুলজ্যোতি শইকীয়া। শইকীয়াৰ কবিতাত দুটি সুৰ আছে। ব্যক্তিগত প্ৰাণৰ একান্তৰ সুৰ আৰু সমূহীয়া অনুভৱৰ সুৰ। নৱকান্ত বৰুৱাই কৈছে, " বিপুলজ্যোতিৰ কবিসত্তাত সংগ্ৰাম বা যুদ্ধৰ স্থান নাই ; তেওঁৰ চিত্তৰ বিশ্ববিদ্যালয়ত সামৰিক কলাৰ পাঠ নাই ", কিন্তু সমাজ আৰু দেশৰ অশুভ দিশটোৰ প্ৰতি তেওঁৰ বিতৃষ্ণা আৰু তাৰ শুধৰণিৰ ইচ্ছা আছে। তেওঁৰ বিক্ষোভ আৰু যন্ত্ৰণাৰ বুকুফালি যিজন কবি ওলাই আহে, তেওঁৰ বাবে পৃথিৱীৰ সুন্দৰ আৰু শুভ ৰূপটো বেছি সত্য। প্ৰকৃতি তেওঁৰ কবিতাৰ মনোৰম বিষয়। নদী তাৰ ভিতৰত অন্যতম। এটা ধুনীয়া কবিতাত তেওঁ কৈছে—

"নদীৰ কোনো নিজস্ব শৰীৰ নাই ;
নদী নাৰীৰ দৰে
স্বপ্নৰ ভিতৰৰ আশ্চৰ্য নিৰ্মাণ।"

ব্যক্তিকেন্দ্ৰিকতা কেতিয়াবা কবিতাৰ গুণো হ'ব পাৰে। যেতিয়া হৃদয় অনুভূতিৰে উপচি পৰে, তেতিয়াই পাৰ বাগৰা নদীৰ দৰে কবিতাৰ জন্ম হয়। বাহিৰৰ পৃথিৱীলৈ চোৱাৰ আগতেই বুকুৰ ভিতৰৰ সহস্ৰ সম্পদেৰে কবিতা নিৰ্মিত হয়। একান্ত আপোন অনুভূতিৰে কবিতা লিখা সকলো কবিৰে হৈয়ে যেন শইকীয়াইয়ো কয়—

"নিজৰ বাদে আন কাকো মই আজিকালি ভালদৰে নাজানো,
আৰু সেই বাবেই মোৰ কবিতাৰ সৰ্বত্ৰ নিজৰেই ছবি আৰু গান।"

তেওঁৰ প্ৰাণৰ আকাশ ঢাকি এখন বিশাল মহাকাব্যৰ দৰে পৰি আছে পৃথিৱী, দেশ, সমাজ আৰু মানুহৰ বিচিত্ৰ মনৰ গলিপথ। সেই মহাকাব্যৰ অসংখ্য আখৰ আৰু অসীম ৰহস্য। কবিৰ মনলৈ লানিপাতি আহে প্ৰেম আৰু অপেক্ষা, বিষাদ আৰু সন্ধান, ব্যথা আৰু প্ৰতিশ্ৰুতি। জন্ম, পুনৰ্জন্ম আৰু মৃত্যুৰ কথা তেওঁৰ মনলৈ আহে, লগতে আহে শৈশৱ প্ৰীতিৰ এক মোহ। তেওঁৰ কবি-প্ৰাণত দেশলৈ থকা মৰমো এক স্নিগ্ধ সুষমাৰে জিলিকি উঠে, বিদ্ৰোহ তাত শান্ত আৰু ধৈৰ্যশীল। তেওঁ কয়—

"বিদ্ৰোহী মই ঃ আশ্চৰ্য সৃষ্টিৰ তুমুল ইচ্ছাত ভাঙো বন্ধ্যা প্ৰহৰ
এই মাটিৰ প্ৰতি ৰন্ধ্ৰে ৰন্ধ্ৰে প্ৰোথিত কৰো অজেয় যৌৱনৰ
দীপ্ত স্বৰ"

কিন্তু এই বিদ্ৰোহী চেতনা এক নিবিড় প্ৰীতিৰ আকাংক্ষাত ধীৰ আৰু সংযত ৰূপত স্থিৰ হৈ ৰৈছে—

"তোমাৰ অসুখৰ বাতৰি পাই দৌৰি আহিছোঁ আই
ভৈয়াম স্পৰ্শৰ একান্ত ইচ্ছাত
যেনেকৈ পাহাৰৰ বুকু ভাঙি বতাহৰ স'তে আহে
নিজৰাৰ কুলু কুলু হাঁহি।"

ইয়াৰ পিছতে মনলৈ আহে নীলিম কুমাৰৰ কথা, যাৰ কবিতাবোৰ প্ৰকৃত অৰ্থতেই 'কবিতা'। নীলিম কুমাৰৰ কবিতাই হৃদয় আৰু চিন্তাশক্তি দুয়োটাৰে দাবি কৰে। হৃদয়খন যেন এইবোৰে নিজেই বিচাৰি লয়। তেওঁৰ কবিতাত এক সুচতুৰ কথা-কৌশল লক্ষ্য কৰা যায়। প্ৰতীকৰ ব্যৱহাৰ তেওঁৰ মনোৰম আৰু অৰ্থবহ। সৌন্দৰ্যতৃষ্ণা আৰু জীৱনস্পৃহা তেওঁৰ কবিতাৰ দুটা বৈশিষ্ট্য। তেওঁৰে ভাষাত—

"আৰু সেউজীয়াই নাজানে
এই আকাশ তলত পথাৰখনৰ পৰা ঘৰবোৰলৈকে
দীঘল হেঙুলীয়া এখন চামনি পৰিছে, তাৰ বাবে মই মৰিম।"

তেওঁৰ প্ৰতীকবাদী ভাষা কেতিয়াবা জটিলহে উঠিবলৈ বিচাৰে। কিন্তু তাৰ মাজত থকা কোমল ভংগীয়ে সেইবোৰক অনুভৱৰ সম্পদ কৰি থয়। যেনে—

"এটা স্তম্ভৰ মই পিতৃ হ'ম।
এটা প্ৰেমৰ কাহিনীৰ কেঁকুৰিত ধূসৰ উচ্চতাত মূৰ তুলি
বৈ থাকিব সেই স্তম্ভ। কণমানি সেই স্তম্ভৰ দুচকুত থাকিব
দুটা তৰাৰ পোৱালী, স্তম্ভৰ মূৰ চেপেটা নাকটোৱে
ঘাঁহবোৰক মুহিব,
চুলিত খেলিবলৈ আহিব কোমল ডেউকাৰ চৰাইবিলাক আৰু
স্তম্ভটো টোপনি যাব জোনৰ পোহৰত"

'শীতৰ বাবে উৎসৰ্গিত এটা ৰাতি'ত কবিৰ তীব্ৰ সংবেদনশীলতা প্ৰকাশ পাইছে। ইন্দ্ৰিয়জ চেতনাৰ ওপৰত নিৰ্মিত তেওঁৰ চিত্ৰসমূহে সন্ধান দিছে এখন একান্ত নিবিড় জগতৰ। প্ৰেম আৰু নিঃসংগতাৰ এই জগতত কবিৰ অনুভৱ—

"ডাঠ শীত নামিছিল গোটেই ৰাতি। আৰু দুখৰ পৰিচ্ছদ খুলি
উষ্ণ আছিল কেৱল আমাৰ একাকীত্ব, য'ত
ধূসৰ এটা সপোনৰ মৃত্যু আছিল"

নীলিম কুমাৰৰ কবিতাৰ অনুৰাগী অলেখ, ঠিক যেনেকৈ কিছুকাল আগলৈকে হীৰেন ভট্টাচাৰ্যৰ কবিতাৰ অনুৰাগী আছিল বহুত। কিন্তু হীৰেন ভট্টাচাৰ্যৰ কবিতাৰ সাংগীতিক মাধুৰ্য নীলিম কুমাৰৰ কবিতাত নাই। আনহাতে নীলিম কুমাৰৰ কবিতাৰ অৰ্থৰ গভীৰতা ভট্টাচাৰ্যৰ কবিতাত অনুপস্থিত।

কৌস্তুভমণি শইকীয়াৰ কবিতাত সাধাৰণ মানুহৰ প্ৰতি প্ৰীতি আৰু সহানুভূতিৰ সুৰ এটি বিৰিঙি আছে। এই সুৰে কবিতাক ৰমণীয়তা দান কৰিছে শ্লগানত পৰিণত কৰা নাই। তাতে তেওঁৰ কবিতাৰ বৈশিষ্ট্য। শ্ৰমজীৱী লোকৰ দুখী জীৱনৰ অনুভৱত তেওঁ বুজে—

"সি মাথো শ্ৰমৰ মালিক, মাটিৰ মালিক কোনোবা
সি মাথো ঘাম সৰায় সেই শ্ৰমদানও তাৰ বাবে ভুৱা
চৌদিশ অন্ধকাৰ জীৱনত নিৰাপত্তাৰ সূৰ্য হেৰায়
উকখা ছালৰ তলত নিবন্ন পৰিয়ালে তাৰ ভোকত কটায়।" •

সাম্প্ৰতিক কবিতাত আশাৰ সঞ্চাৰ কৰোঁতা আৰু কেইজন কবি আছে তাৰ ভিতৰত অনুভৱ তুলসী, গুণেশ্বৰ সোনোৱাল, ৰমেন্দ্ৰ নাৰায়ণ জোৱাৰ্দাৰ, অজিত গগৈ, মৃদুল বৰুৱা, যোগেশ কিশোৰ ফুকন, ভুৱনেশ্বৰ ডেকা আৰু বহুতৰে নাম ল'ব পাৰি। অনুভৱ তুলসীৰ কবিতাৰ প্ৰকৃতি বাকী কবিৰ লগত নিমিলে। তেওঁৰ কবিতাত ৰোমাণ্টিক চেতনাৰ বেঙুণি এটি লক্ষ্য কৰা যায়। কবিতাবোৰৰ ৰচনাৰীতি সৰল, যেনে—

"পাটীত বাগৰ দিছিলোঁ
তেনেতে কোনোবাই আহি
দুৱাৰত টোকৰ দিলে
আগচোতালত সুৰুয।"

তেওঁৰ কবিতাৰ বক্তব্য সাধাৰণতে অগভীৰ, ওপৰতে তাৰ সৌন্দৰ্য ভাঁহি থাকে। তাৰ মাজতে সঁচাকৈয়ে এটি ভাল কবিতা হ'ল 'আঙুলিৰ ফুলনি'। কবিতাটোৰ কাৰিকৰি উচ্চখাপৰ আৰু প্ৰকাশৰীতি মন চুই যোৱা প্ৰকৃতিৰ।

গুণেশ্বৰ সোনোৱালৰ কবিতাত স্বদেশ চেতনাই যদিও ঘাই সুৰ, প্ৰেমৰ কবিতাকেইটি তেওঁৰ বেছি মনোৰম আৰু হৃদয়-পৰশা। তেওঁ যেতিয়া কয়—

"মোৰ প্ৰেমৰ অনুভৱে অনুভৱে
তোমাৰ লিহিৰি হিয়াৰ ভাষা
মই বাৰু কেনেকে' বুজো?"

তেতিয়া যেন প্ৰেমৰ সকলো কোমলতা আৰু আৱেগ সেই আখৰ কেইটাৰ বুকুতে থূপ খাই উঠে। দেশৰ প্ৰতিও তেওঁৰ দায়বদ্ধতা আছে। তেওঁ কয়—

"মোৰ তেজত উদ্ভাসি উঠে সচেতন সময়
প্ৰাণ গঙ্গাৰ নয়নজুলিত
সূৰ্যস্নাত মানুহৰ হৃদয়সম্বাদী শব্দৰ
সমলয়.........."

তেওঁৰ চাৰিওফালে থকা অশান্ত দেশ-কাল আৰু ব্যক্তিগত নিবিড় অনুভূতিৰ সংমিশ্ৰণত গুণেশ্বৰ সোনোৱালৰ কবিতা ৰচিত হৈছে।

ৰমেন্দ্ৰ নাৰায়ণ জোৱাৰ্দাৰৰ কবিতাত নিৰুপায় মানৱ মনৰ ক্ষোভ আৰু বেদনাৰ ইংগিত পোৱা যায়। তেওঁৰ কবিতাৰ ভাষা পোনপটীয়া। অন্তৰ্দ্বন্দ্বত বিধ্বস্ত হৃদয়ৰ উমান তেওঁ এনেকৈ দিছে—

"আজি কালি মই
মোৰ সতে যুদ্ধ কৰো
পদাতিক সৈনিকৰ দৰে
নাৱিকৰ দৰে
চলাই লৈ ফুৰোঁ
মোৰ মানুহ আকৃতিৰ অৱয়ব"

সাধাৰণতে উক্ত তেওঁৰ কথনভঙ্গীত কেতিয়াবা একোটা চমক দেখা যায়। তাৰে উদাহৰণ—

"মই মাটিৰ চাকি
অন্ধকাৰ এৰাতি
গোপন কৰি থৈছো মোৰ বুকুত"

ভুৱনেশ্বৰ ডেকাৰ কবিতাত পুঞ্জীভূত ক্ৰোধ আৰু প্ৰতিবাদৰ উমান পোৱা যায়। তেওঁৰ কবিতাৰ ভাষা কঠোৰ, নিৰ্মম। মাজে মাজে ব্যঙ্গৰ ছিটিকনিও তাত লক্ষ্য কৰা যায়। শোষিত শ্ৰেণীৰ প্ৰতি সহানুভূতি আৰু শোষকৰ প্ৰতি প্ৰত্যাহ্বান তেওঁৰ কবিতাৰ ঘাই বিষয়। সকলো ক্ষেত্ৰতে তেওঁৰ কবিতাই কলা-সুলভতা ৰক্ষা কৰিব পৰা নাই। যদি কেতিয়াবা একোটি মনোৰম স্তৱক তাৰ মাজতে চকুত পৰে। কম কথাতে বহুত বুজাইছে তেওঁৰ এইটি কবিতাই—

"তোৰ সেই চকুযুৰি
যেন
এটি কবিতাৰ
দুটি আখৰ
ব্যঞ্জিত য'ত
লাঞ্ছিত জীৱনৰ
সমস্ত খবৰ!"

যোগেশ কিশোৰ ফুকনৰ কবিতাত থকা স্বদেশ-চেতনা আঁৰ কৰি তেওঁৰ শিল্পী-সুলভ অনুভূতি বেছিকৈ প্ৰতিভাত হৈ উঠিছে। তেওঁৰ প্ৰাণত কবিতাৰ চিৰপ্ৰৱাহী স্মৃতি এটি আছে। সেয়েহে সহজকথা একোটাও তেওঁৰ কলমত ব্যঞ্জনাধৰ্মী হৈ উঠে, উদাহৰণ—

"এনেহেন লাগে যেন
অৰণ্যে অৰণ্যে
পৰ্বতে কন্দৰে কন্দৰে পিন্‌পিনাই
বুটলি আনিম বিশল্যকৰণী
ফৰ্মুটিয়াই পাৰি আনিম
চকলা মেঘৰ ছাঁ
ফুট গধূলিৰে পৰা

গছৰ টোপাল সৰালৈকে
দেহৰ ঘাৰে, মনৰ ঘাৰে
সাৰে আছে সিহঁত
সাৰে আছে মোৰ আপোন সহোদৰহঁত।"

অজিত গগৈৰ কবিতাও কবিতাৰ সঁচা আমেজেৰে ভৰা। তেওঁৰ ভিতৰৰ বিদ্ৰোহীজনৰ কবিতাত সংযত আত্মপ্ৰকাশ প্ৰশংসনীয়। নতুন সৃষ্টিৰ বাবে নিজকে ভাঙি গঢ়ি সাজু কৰিবৰ বাবে তেওঁ কয়—

"প্ৰত্যেক মানুহেই মোক খুন কৰক
প্ৰতিগৰাকী দয়াৱতী নাৰী
প্ৰতিজন হৃদয়বান পুৰুষে মোক খুন কৰক
প্ৰেমৰ সেউজ চুৰিৰে
প্ৰতিখন শিল্পৰ হাতেৰে।"

কমল কছাৰী, কমল কুমাৰ জৈন, মৃদুল বৰুৱা, কন্দৰ্প কুমাৰ বৰবৰুৱা, প্ৰদীপ শৰ্মা, প্ৰয়াগ শইকীয়া আদি কবিসকলৰ কবিতা সাম্প্ৰতিক কালৰ কবিতাৰ বিশিষ্ট সম্পদ। এইসকল কবিৰ কবিতাৰ বিস্তাৰিত আলোচনা এতিয়াও হোৱা নাই। প্ৰকৃততে কবিতাৰ সাম্প্ৰতিক কালটো সমালোচনাৰ ক্ষেত্ৰত নিতান্তই অৱহেলিত হৈ আছে। নতুন পুৰুষৰ কবিতাৰ মাজত এক বিষাদৰ ভাব পৰিলক্ষিত হয়। এই বিষাদৰ জন্ম হৈছে হতাশা আৰু ক্ষোভৰ পৰা। যিবোৰ কবিতাত জ্বালাময়ী প্ৰাণৰ জুইসুৰীয়া ভাষা দেখা যায়, সেইবোৰৰো ভিতৰত এক অসহায় কাৰুণ্য চকুত পৰে। নতুন পুৰুষ অস্থিৰ, বিতুষ্ট। তেওঁলোকৰ সমুখৰ পৃথিৱীখন বৈষম্য, বিভেদ আৰু শোষণেৰে ভৰা। এনেখন পৃথিৱীৰ মাজত থাকি তেওঁলোকে মানুহ আৰু প্ৰকৃতিৰ কমণীয় দিশটোৰ কথা পাহৰি গৈছে। গতিকে সাম্প্ৰতিক কালৰ কবিতা ঘাইকৈ প্ৰতিবাদৰ কবিতাত পৰিণত হৈছে।

সাম্প্ৰতিক কালৰ কবিসকলে অধ্যয়নলব্ধ জ্ঞানতকৈ অভিজ্ঞতালব্ধ অনুভূতিক বেছি গুৰুত্ব দিয়ে। ফলত কবিতাবোৰ তাৰ আগৰচাম কবিৰ কবিতাতকৈ সৰল, সেয়ে বোধগম্য।

সাম্প্ৰতিক কালৰ মহিলা কবিসকলৰ কথা অন্য প্ৰসঙ্গত আলোচনা কৰা হৈছে। শেষত ক'ব পাৰি, কবিতা এতিয়া স্থিৰ আৰু সুন্দৰ। কবিসকল পাঠকৰ কাষ চাপিবলৈ উৎসাহী। পাঠকৰ প্ৰতিক্ৰিয়াও আশাপ্ৰদ। মাথোন প্ৰয়োজন গঠনমূলক সমালোচনা আৰু পথ নিৰ্দেশনাৰ। কবিৰ জগতত দিনে দিনে বাঢ়ি অহা 'অনধিকাৰ প্ৰৱেশ' ৰোধ কৰি ভাল কবি কেইজনক নিৰ্দিষ্ট লক্ষ্যালৈ আগুৱাই যাবৰ বাবে সুস্থ সমালোচনাইহে কেৱল সহায় কৰিব পাৰিব।

—